# লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্রনাথ ঠাকুৰৰ গল্পৰ নাৰী চৰিত্রৰ এক তুলনাত্মক অধ্যয়ন

গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলা শাখাত পিএইচ. ডি. ডিগ্রীৰ
বাবে আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন
বিভাগৰ পৰা নিৱেদিত গৱেষণা-গ্রন্থ

বিভা ৰাণী দাস

২০১৭

# LAKSHMINATH BEZBARUA ARU RABINDRANATH THAKURAR GALPAR NARI CHARITRAR EK TULANATMAK ADHYAYAN

[ A THESIS SUBMITTED TO THE UNIVERSITY OF GAUHATI FOR THE DEGREE OF DOCTOR OF PHILOSOPHY IN THE DEPARTMENT OF MODERN INDIAN LANGUAGES AND LITERARY STUDIES, FACULTY OF ARTS ]

BIVA RANI DAS

2017

GAUHATI UNIVERSITY
GOPINATH BARDOLOI NAGAR: GUWAHATI-781014

**Dr. Golakeswar Goswami**
Retd. Associate Professor
Department of M.I.L.
Gauhati University

Ref.............................. Date.................

This is to certify that Biva Rani Das has carried out her research work and completed the thesis entitled **Lakshminath Bezbarua Aru Rabindranath Thakurar Galpar Nari Charitrar Ek Tulanatmak Adhyayan** under my guidance and supervision. She has fulfilled all the requirements of the Ph. D. regulations of Gauhati University. The thesis is the result of her own pursuit and labour.

I also certify that the thesis as a whole or in part has not been submitted elsewhere for obtaining a degree.

( **Golakeswar Goswami** )
Research Guide

## DECLARATION OF THE CANDIDATE

I hereby declare that the thesis entitled **Lakshminath Bezbarua Aru Rabindranath Thakurar Galpar Nari Charitrar Ek Tulanatmak Adhyayan** or part thereof has not been submitted for any other research degree to this University or any other University or institution.

**Date :** **( Biva Ran Das )**

# সূচীপত্ৰ


**অৱতৰণিকা** ১- ৮

প্ৰথম অধ্যায়ঃ **অসমীয়া আৰু বাংলা চুটিগল্পৰ পটভূমি** ৯-৪৮
অসমীয়া চুটিগল্পৰ উদ্ভৱ
জোনাকী' যুগৰ পটভূমিত অসমীয়া চুটিগল্প
অসমীয়া চুটিগল্পৰ প্ৰৱৰ্তক লক্ষ্মীনাথ বেজবৰুৱা
শৰৎ চন্দ্ৰ গোস্বামীৰ চুটিগল্প
দণ্ডীনাথ কলিতা আৰু অন্যান্য গল্পকাৰসকল
আৱাহন যুগ
'জয়ন্তী' আৰু 'বাঁহী' কাকত
বাংলা চুটিগল্পৰ উদ্ভৱ
বাংলা চুটিগল্পৰ প্ৰৱৰ্তক ৰবীন্দ্ৰনাথ ঠাকুৰ
'ভাৰতী' প্ৰত্ৰিকাৰ ভূমিকা
'কল্লোল' যুগ

দ্বিতীয় অধ্যায়ঃ **লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পৰ চমু বিশ্লেষণ** ৪৯-৮৮
আৰম্ভণি
বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পৰ বিভাজন
সমাজৰ অন্তঃসাৰশূণ্য লোকৰ ছবি ৰূপায়িত গল্প
জাত-পাতৰ সমস্যামূলক গল্প ঃ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ
নাৰী সমস্যামূলক গল্পঃ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ
প্ৰকৃতিমূলক গল্প ঃ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ
ৰোমান্টিক প্ৰেমৰ গল্প ঃ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ
আৰ্থসামাজিক দিশৰ গল্প ঃ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ
অতিপ্ৰাকৃত চৰিত্ৰ সন্নিবিষ্ট গল্প ঃ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ
বেজবৰুৱাৰ আৰু ৰবীন্দ্ৰনাথৰ গল্পৰ কলা-কৌশল
বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথৰ গল্পৰ চৰিত্ৰ-

**তৃতীয় অধ্যায়ঃ লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পৰ নাৰী চৰিত্ৰ** ৮৯-১২৪

আৰম্ভণি

বেজবৰুৱাৰ গল্পৰ বিশিষ্ট নাৰী চৰিত্ৰ

ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পৰ বিশিষ্ট নাৰী চৰিত্ৰ

দুয়োজনা গল্পকাৰৰ নাৰী চৰিত্ৰৰ তুলনাত্মক আলোচনা

**চতুৰ্থ অধ্যায়ঃ লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পত নাৰী মনস্তত্ব** ১২৫-১৫৮

আৰম্ভণি

বেজবৰুৱাৰ গল্পত নাৰী মনস্তত্ব

যৌনতাড়িত কামনাৰ অভিব্যক্তি প্ৰকাশক নাৰী

ভাৰতীয় আদৰ্শগত নাৰী

প্ৰতিবাদী নাৰী

ৰোমান্টিক প্ৰেম

চিৰন্তন মাতৃ হৃদয়

ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পত নাৰী মনস্তত্ব

যৌনতাড়িত কামনাৰ অভিব্যক্তি প্ৰকাশক নাৰী

ভাৰতীয় আদৰ্শগত নাৰী

প্ৰতিশোধ পৰায়ণা নাৰী

প্ৰতিবাদী নাৰী

কৈশোৰ কালৰ নাৰী মনস্তত্ব

চিৰন্তন মাতৃ হৃদয়

ভাতৃস্নেহ

**পঞ্চম অধ্যায়ঃ অসমীয়া আৰু বাংলা সামাজিক প্ৰেক্ষাপটত লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ চুটিগল্পৰ নাৰী চৰিত্ৰ** ১৫৯-১৮৯

**ষষ্ঠ অধ্যায়ঃ উপসংহাৰ** ১৯০-১৯৯

**গ্ৰন্থপঞ্জী** ২০০-২০৫

# প্ৰথম অধ্যায়
# অসমীয়া আৰু বাংলা চুটিগল্পৰ পটভূমি

**অসমীয়া চুটিগল্পৰ উদ্ভৱঃ**

চুটিগল্প হৈছে আধুনিক সাহিত্যৰ এক বিশিষ্ট শিল্পকৰ্ম। চুটিগল্পৰ আগেয়ে ভাৰতীয় সাহিত্যত সাধুকথা, কিংবদন্তী, আখ্যান আদিহে প্ৰচলিত আছিল। কিন্তু এই লোককথাসমূহ চুটিগল্পৰ লগত একে নহয়; ৰচনাৰীতিত ইয়াৰ পাৰ্থক্য স্পষ্ট। কাৰণ চুটিগল্প হৈছে বাস্তৱ জীৱনৰ ওপৰত আধাৰিত। গতিকে ইয়াৰ ৰচনাৰীতিও সুকীয়া। যুগৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ চিন্তাধাৰাৰ পৰিবৰ্তন ঘটিল আৰু জীৱনক নতুন দৃষ্টিভংগীৰে পৰ্যালোচনা কৰাৰ আৱশ্যক অনুভৱ কৰিলে। সেয়ে প্ৰাচীন সাধুকথাৰ ভেঁটিত এক বিচিত্ৰ কলাত্মক শৈলীৰ যোগেদি আধুনিক চুটিগল্পই স্বকীয় ৰূপ পৰিগ্ৰহ কৰিলে।

বিংশ শতিকাৰ প্ৰথমছোৱাত পাশ্চাত্য সাহিত্যৰ প্ৰত্যক্ষ আৰু বঙালী সাহিত্যৰ পৰোক্ষ অনুকৰণত অসমীয়া চুটিগল্পই প্ৰাণ পাই উঠে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত। বেজবৰুৱাই প্ৰথমতে অসমীয়া সাধুবোৰ পুনৰ মূল্যায়ন কৰে আৰু এই সাধুকথাবোৰতে আঁউজি লৈ আধুনিক চুটিগল্পৰ জন্ম দিয়ে।[১]

অসমীয়া সাহিত্যৰ বুৰঞ্জীয়ে এই কথা প্ৰমাণ কৰিছে যে অসমীয়া সাহিত্যৰ প্ৰতিটো নতুন আন্দোলন বা প্ৰতিটো যুগ প্ৰধানকৈ আলোচনীক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে। অৰ্থাৎ একো একোখন আলোচনীক কেন্দ্ৰ কৰিয়েই বিশেষ লক্ষণযুক্ত একোটা নতুন সাহিত্যিক আন্দোলন গঢ় লৈ উঠিছে; এচাম নতুন লেখকে আত্মপ্ৰকাশ কৰিছে। অসমীয়া সাহিত্যত একো একোটা নতুন যুগৰ সৃষ্টি কৰা আলোচনীকেইখনৰ ভিতৰত 'জোনাকী', 'আৱাহন' আৰু 'ৰামধেনু'এই তিনিখনকে প্ৰধান বুলি ক'ব পাৰি। [২]

**'জোনাকী' যুগৰ পটভূমিত অসমীয়া চুটিগল্পঃ**

'জোনাকী' কাকততে অসমীয়া সাহিত্যৰ চুটিগল্পই প্ৰাণ পাই উঠে লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত। 'জোনাকী' কাকতত আৰম্ভ হোৱা এই চুটিগল্পৰ ধাৰাবাহিকতাই আৱাহন আৰু ৰামধেনু যুগত ক্ৰমান্বয়ে বিস্তাৰিত ৰূপ লাভ কৰে। অসমীয়া চুটিগল্পৰ পটভূমি বিচাৰ কৰিবলৈ যোৱাৰ লগে লগে বেজবৰুৱাৰ সমসাময়িক সমাজৰ প্ৰেক্ষাপট আলোচনা কৰাৰ লগতে

কিছু দূৰলৈ উভতি যোৱাটো নিতান্তই আৱশ্যক হ'ব। অসমৰ ইতিহাসত এক কলা চিহ্ন হৈ ৰৈ থকা অসমৰ এক দুৰ্দশাৰ দিন আছিল মানৰ আক্ৰমন। মানৰ আক্ৰমনৰ পিছত ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ পিছত অসম ব্ৰিটিছ শাসনৰ তললৈ যায় আৰু সেইসময়ত পাশ্চাত্য শাসন পদ্ধতিত অভিজ্ঞ অসমীয়া ব্যক্তি নথকাত অসমৰ ওচৰ চুবুৰীয়া ৰাজ্য বংগদেশৰ পৰা অহা ৰাজ-বিষয়াই ভৰি পৰিছিল। বঙ্গদেশৰ স্কুল-আদালতৰ ভাষা পাৰ্চী হোৱা স্বত্বেও অসমত ব্ৰিটিছে বাংলা ভাষাক বিদ্যালয়ৰ শিক্ষাৰ মাধ্যম হিচাপে বলবৎ কৰিছিল।[৩] অসমীয়াসকলৰ বাবে এয়া আছিল দুৰ্দিন। বেপ্তিষ্ট মিছনেৰীসকল আৰু অসমীয়া ডেকা আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱা আদি ব্যক্তিসকলৰ আপ্ৰাণ চেষ্টাত অসমীয়া ভাষাই ১৮৭৩ চনত পুনৰ প্ৰতিষ্ঠা লাভ কৰে।[৪] ১৮৭৩ চনৰ পৰা ১৮৮৯ চনলৈকে এই সময়খিনি অসমীয়া সাহিত্যৰ এক বৈশিষ্ট্যপূৰ্ণ যুগ। এই সময়ছোৱাত কেইবাখনো আলোচনীৰ উদ্ভৱ হয় আৰু ধ্বংস হৈ যায়। আউনীআটীৰ সত্ৰাধিকাৰৰ 'আসাম বিলাসিনী'(১৮৭১-৮৩), হেমচন্দ্ৰ বৰুৱাৰ 'আসাম নিউচ' (১৮৮২-৮৫), গুণাভিৰাম বৰুৱাৰ 'আসাম বন্ধু' (১৮৮৫-৮৬), হৰিনাৰায়ণ বৰাৰ সম্পাদিত বলিনাৰায়ণ বৰাৰ 'মৌ' (১৮৮৬), গুৱাহাটীৰ ধৰ্মপ্ৰকাশ যন্ত্ৰৰপৰা শ্ৰীধৰ বৰুৱাৰ 'আসাম তাৰা' (১৮৮৯-৯০) আৰু কৰুণাভিৰাম বৰুৱাৰ শিশু আলোচনী ল'ৰাবন্ধুৱে (১৮৮৮) অসমীয়া সাহিত্যৰ আঁত হেৰাই যাব নিদিয়াকৈ এক সুঁতিৰ সৃষ্টি হৈছিল।[৫]

ব্ৰিটিছসকলৰ আগমনৰ সময়ত অসমত এক প্ৰৱল ৰাজনৈতিক অচলাৱস্থাই বিৰাজ কৰিছিল। দেশৰ আৰ্থ-সামাজিক জীৱনত সীমাহীন বিশৃঙ্খলতাই দেখা দিছিল। লক্ষ্মীনাথ তামুলীৰ ভাষাত--

> *...... ১৮২৬ চনৰ পাছত বৃটিছে অসমৰ সাতামপুৰুষীয়া সামাজিক কাঠামটো ইমানেই বেছি ভাৰসাম্যহীন কৰি পেলাইছিল, ৰাজবংশ আৰু সৰ্বোচ্চ স্তৰৰ ৰাজবিষয়াৰ ঠাইত সাধাৰণ শ্ৰেণীৰ পাইক চমুৱাৰ সতি-সন্তানবোৰ নতুন আৰ্থ-সামাজিক আৰু প্ৰশাসনিক ব্যৱস্থাটোত প্ৰভূত পৰিণত হৈছিল অৰ্থাৎ আহোম যুগৰ প্ৰভু-ভৃত্যৰ সামাজিক আৰু প্ৰশাসনিক ব্যৱস্থাটো ওলোটাই দিয়া হৈছিল (upside down)। এহাতেদি পুৰণি প্ৰশাসক আৰু সম্ভ্ৰান্ত শ্ৰেণীটোৰ অৱক্ষয় আৰু অৱলুপ্তি আৰু আনহাতেদি আহোম প্ৰশাসনীয় ব্যৱস্থাৰ চতুৰ্থ-পঞ্চম শ্ৰেণীৰ তলতীয়া পালি বিষয়াবৰ্গৰ লগতে সাধাৰণ পাইকৰপৰা বিদ্যা শিক্ষাৰ জোৰত নতুন প্ৰশাসনত ন-কৈ সম্ভ্ৰান্ত হোৱা শ্ৰেণীটোৰ সতি-সন্ততিসকলৰ মাজত পাই হেৰুৱাৰ বেদনা আৰু নকৈ প্ৰভুত্ব পোৱাৰ গৌৰৱৰ অঘোষিত সংঘাতে অসমীয়া সমাজৰ তেতিয়া অগ্ৰণী অংশটোক ভিতৰি ভিতৰি*

*অস্থিৰ কৰি ৰাখিছিল। সুবিধা আৰু সুৰুঙা পালেই সেই অৱদমিত অস্থিৰতাই ক্ষোভ আৰু আক্ৰোশৰ ৰূপত প্ৰকাশ কৰিছিল।*[৬]

ব্ৰিটিছে অসম ৰাজ্য লোৱাৰ পিছত কমিছনাৰ জেনেৰেল জেনকিনছনৰ উপদেশমতে খামটি আদিসকলৰ মাজত ধৰ্মপ্ৰচাৰ কৰিবলৈ ১৮৩৫ চনত সপৰিবাৰে নেথান ব্ৰাউন আৰু ওলিভাৰ কাট্টাৰ সদিয়ালৈ আহে ।[৭] এনেদৰে মিছনেৰীসকলে অসমলৈ আহি অকল ধৰ্ম প্ৰচাৰ কৰাই নহয়, অৰুণোদয় কাকতৰ যোগেদি বিবিধ সাহিত্য সৃষ্টিত মনোনিবেশ কৰে। ইয়াৰ উপৰিও অসমীয়া ভাষা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত মিছনেৰীসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

মিছনেৰীসকলৰ প্ৰচেষ্টা আৰু অসমীয়া ডেকা আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱা আদি ব্যক্তিসকলৰ আপ্ৰাণ চেষ্টাত অসমীয়া স্কুল-আদালতত আধিপত্য বিস্তাৰ কৰা বঙলা ভাষাক অপসাৰণ কৰি অসমীয়া ভাষাক প্ৰতিষ্ঠিত ৰূপ দিলে। মহেশ্বৰ নেওগৰ ভাষাত---

*এইদৰে অসমৰ প্ৰধান চহৰবোৰত আমেৰিকান বেপ্টিষ্ট মিছনৰ কৰ্মীসকলে খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ থলীবোৰ পাতে আৰু লগে লগে অসমীয়া ভাষাৰ ব্যাকৰণ, অভিধান লিখি এই ভাষাত বাতৰিকাকত, আলোচনী উলিয়াই, পঢ়াশালি আদি খুলি অসমক আধুনিক ভাৰতীয় সভ্যতাৰ ৰাজআলিত তুলি দিয়ে।*[৮]

মিছনেৰীসকল অসমলৈ অহাৰ পিছৰপৰাহে অসমীয়া আধুনিক ভাষা-সাহিত্যৰ ভেঁটি এটা গঢ় লৈ উঠিছিল। অসমীয়া ভাষা-সাহিত্য প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত এচাম সচেতন ব্যক্তিৰ আশাসুধীয়া চেষ্টাত অৰুণোদয় যুগৰপৰা আলোচনীক কেন্দ্ৰ কৰি বিভিন্ন ধৰণৰ চিন্তাধাৰা গঢ় লৈ উঠিছিল। আধুনিক ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ ক্ষেত্ৰত মিছনেৰীসকলে এটি ঐতিহাসিক ভূমিকা পালন কৰি থৈ গৈছে। অৰুণোদয় কাকত আছিল মিছনেৰীসকলৰ ভাষা-সাহিত্যৰ বিভিন্ন চিন্তা প্ৰকাশৰ বাহন। অসমে ৰাজনৈতিক আৰু সাংস্কৃতিকভাৱে নৱজন্ম লাভ কৰিলে উনবিংশ শতিকাত। আধুনিক অসমীয়া ভাষা আৰু সাহিত্যয়ো ইয়াৰ প্ৰথম স্তৰৰ বিকাশ লাভ কৰিলে এই শতিকাতে। অসমৰ সামাজিক জীৱনত এই শতিকাত আকস্মিক আৰু খৰতকীয়া সালসলনিয়ে আৰু নতুন বুদ্ধিজীৱী শ্ৰেণীৰ পত্তনে আধুনিক ভাষা আৰু সাহিত্যৰ বিকাশৰ অৰ্থেও পটভূমি ৰচনা কৰি দিলে। পটভূমি ৰচিত হোৱালৈকে প্ৰথমৰ দীঘলীয়া সময়ছোৱা আছিল ভাষা আৰু সাহিত্যৰ বাবে সংকটৰ সময় ।[৯]

সাম্ৰাজ্যবাদী ব্ৰিটিছসকলে ভাৰতবৰ্ষক শাসন কৰিবলৈ লোৱাৰ পিছৰপৰা ভাৰতবৰ্ষত

ইৰাংজী শিক্ষা গা কৰি উঠিছিল। এই নতুন শিক্ষাৰ প্ৰাণ কেন্দ্ৰ আছিল কলিকতা। উনবিংশ শতিকাৰ নৰম দশকত অসমৰ পৰা কলিকতকাত পঢ়িবলৈ যোৱা ছাত্ৰসকলে অসমীয়া জাতীয় জীৱনৰ বুৰঞ্জীত এক গুৰুত্বপূৰ্ণ অধ্যায়ৰ সূচনা কৰিলে। আধুনিক অসমীয়া সাহিত্যৰ আকাশত উজ্জ্বল নক্ষত্ৰৰূপে এইসকল লেখকৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱাৰ দৰে নাম আগশাৰীত খোদিত হৈ আছে।[১০]

কলিকতাত অধ্যয়ন কৰিবলৈ গৈ তেওঁলোকে এক বৌদ্ধিক পৰিবেশৰ লগত চিনাকী হ'বলৈ সুবিধা পাইছিল। পাঠ্যক্ৰমত পোৱা ইংৰাজী সাহিত্যৰ অধ্যয়ন আৰু সমসাময়িক বংঙীয় সাহিত্যৰ স্বকীয়তাই এই ডেকাসকলৰ প্ৰাণত সাহিত্য সৃষ্টিৰ অনুপ্ৰেৰণাৰে উদ্বুদ্ধ হৈ পৰিছিল। বেজবৰুৱাৰ নিজৰ ভাষাত--

> *পলগ্ৰেভ্‌ছ গোল্ডেন্ ট্ৰেজাৰি অব লিৰিক্‌চ্" নামৰ ইংৰাজী কবিতাৰ সংগ্ৰহ মোৰ পাঠ্য। তাৰ উপৰি বাইৰ্‌ন, শ্যেলি, কীট্‌ছ্‌ৰ কবিতাবোৰ আৰু কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাবোৰ লিখিছোঁ। কবিতাৰ বৰষুণৰ জাকৰ ওপৰত জাক পৰি মোৰ মন একেবাৰে 'প্ৰেমৰস'ত আৰ্দ্ৰ।*[১১]

বেজবৰুৱাৰ নাটক সৃষ্টিৰ অনুপ্ৰেৰণাও আছিল পাশ্চাত্য সাহিত্যৰ বিশ্ববিশ্ৰুত নাট্যকাৰ সকলৰ প্ৰভাৱ। বেজবৰুৱাই নিজেই কৈছে---

> *শ্যেকস্‌পীয়েৰৰ হেমলেট, কিং জন, হেন্‌ৰী আৰু মিড়চামাৰ নাইটচ্ ড্ৰীম কলেজত মোৰ পাঠ্য আছিল। ভাবিলো ময়ো তেনে অপূৰ্ব নাট খনচেৰেক অসমীয়াত ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰালত যুগমীয়া কীৰ্তি থৈ যাম।*[১২]

এনেদৰে পাশ্চাত্য সাহিত্য আৰু বঙালী সাহিত্যৰ আদৰ্শক হৃদয়ংগম কৰি অসমীয়া সাহিত্যক আগবঢ়াই নিয়াৰ কাৰ্যপন্থা হাতত লৈছিল। অসমীয়া ভাষাৰ উন্নতিৰ হ'কে অহোপুৰুষাৰ্থ কৰা কলিকতা প্ৰবাসী অসমীয়া ডেকাসকলৰ সাংগঠনিক চিন্তাৰ ফলশ্ৰুতিতে ১৮৮৮ চনৰ ২৫ আগষ্ট তাৰিখে জন্ম দিলে "অসমীয়া ভাষা উন্নতি সাধিনী সভা" সংক্ষেপে অ. ভা. উ. সা. ৰ।[১৩]

"এই সভাৰ উদ্দেশ্য হৈছে অসমীয়া ভাষাৰ উন্নতি সাধন কৰা। সেই উদ্দেশ্যৰূপ মহামন্ত্ৰক হিয়াত ঠাই দি এই সভাই 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' নাম লৈ উপজিছে। কেঁচুৱা মাতৃভাষা কৈনেকৈ ডাঙৰ-দীঘল হ'ব; কেনেকৈ সি পৃথিৱীৰ আন আন ধনী আৰু উন্নতিশীল ভাষাৰ সমান হৈ আপোন গৌৰৱ বেলিৰ পোহৰ চাৰিওফালে পেলাই দুখীয়া আৰু

এন্ধাৰ অসমৰ মুখ পোহৰাব পাৰিব; কেনেকৈ সি দুৰ্বল, ৰুগীয়া আৰু জীৰ্ণ অৱস্থাৰ পৰা সবল সুস্থ আৰু শকত অৱস্থা পাব, তাৰ উপায় সাধনেই এই সভাৰ উদ্দেশ্য।" [১৪]

অসমীয়া জাতিৰ প্ৰতি থকা গভীৰ দায়িত্ব পালন কৰি এই ডেকা কেইজনে অসমীয়া ভাষা সাহিত্যক এক সুদৃঢ় ৰূপ দিয়াৰ যৎপৰোনাস্তি চেষ্টা কৰিছিল আৰু কাৰ্যত ৰূপায়ণ কৰি দেখুৱাই তেওঁলোকৰ উদ্দেশ্যক বাস্তৱায়িত কৰিছিল। এই সভাই এক প্ৰবল সাহিত্যিক আন্দোলনৰ সূত্ৰপাত কৰিলে। অঃ ভাঃ উঃ সাঃ সভাৰ মুখপত্ৰৰূপে ১৮৮৯ চনত 'জোনাকী' কাকতৰ জন্ম হয়। ১৮১০ শকটো অসমীয়া সাহিত্যৰ এক উজ্জ্বল বছৰ। ১৮১০ শকৰ মাঘ মাহত 'জোনাকী'ৰ প্ৰথম সংখ্যা ওলায়।[১৫] অৰুণোদয় যুগত শুভাৰম্ভ কৰা অসমীয়া সাহিত্যৰ আধুনিক ধাৰাটো গজালি মেলি 'জোনাকী' যুগতহে এক বিশেষ মৰ্যাদা লাভ কৰিব পাৰিলে।

১৮৮৯ চনত কলিকতাত 'জোনাকী' কাকতৰ প্ৰতিষ্ঠাই আধুনিক অসমীয়া সাহিত্যৰ ইতিহাসৰ সূচনা কৰিছিল। বেজবৰুৱাৰ অগ্ৰজ হেমচন্দ্ৰ গুণাভিৰাম বৰুৱাই অসমীয়া ভাষা সাহিত্যৰ প্ৰতি যি ত্যাগ আৰু সমাজখনৰ প্ৰতি যি দায়িত্বশীল মনোভাৱেৰে সংস্কাৰবাদী আদৰ্শ দেখুৱাই থৈ গ'ল, সেই আদৰ্শইও বেজবৰুৱাৰ অন্তৰ চুই গৈছিল।[১৬] পাশ্চাত্য সাহিত্যৰ তুলনাত অসমীয়া সাহিত্যৰ অৱস্থা আছিল তেনেই অন্ধকাৰাছন্ন। সেয়ে এই অৱস্থাৰ প্ৰতি লক্ষ্য কৰিয়েই অসমীয়া সাহিত্য জগতখনো উজলাই তোলাৰ উদ্দেশ্যৰে 'জোনাকী' কাকতৰ জন্ম দিছিল। প্ৰথম সংখ্যাৰ 'জোনাকী'ৰ আত্মকথাত কাকতখনৰ উদ্দেশ্য সম্পৰ্কে অতি সুন্দৰভাৱে অনুধাৱন কৰিব পাৰি। 'জোনাকী'ৰ আত্মকথাত চন্দ্ৰকুমাৰ আগৰৱালাই কৈছিল--

> *'অসমত কাকতৰ গতি কচুপাতৰ পানীৰ দৰে। মানুহৰ চেষ্টা অজৰ-অমৰ বুলি জানিহে আমাৰ সাহ; উদ্যোগীয়ে মৰণ কি ক'ব নোৱাৰে। জীৱনেই হৈছে কাৰ্যশীল, কৰিবলগীয়া কাম কৰিম- ফললাভ পাছৰ কথা। কামৰ চকৰিৰ তলত বহু মৰেও, জীয়েও; মৰি জীহে সংসাৰ কাৰ্য সাধন কৰিব পাৰি। আমাৰ উদ্দেশ্য কি অনেকে সুধিব। সম্প্ৰতি ইয়াকেই ক'লেই হ'ব যে আমাৰ কাৰ্য দেখি আমাক সকলোৱে বুজিব পাৰিব- আমাৰ কামটি বুজিব নোৱাৰা সাঁথৰ নহয়।........ এই পাছ পৰি থকা আন্ধাৰ দেশলৈ অলপ জোনাক সুমুৱাব নোৱাৰিলেও, যদি নিজে নিজও ফিৰিংগতিৰ পোহৰত বাট পাওঁ তেনে আমাৰ শক্তিৰ মিছা অপব্যয় হোৱা নাই বুলি ভাবিম। আমি জানো আমাৰ দেশ শিক্ষাত পাছ, জ্ঞানত ভিখাৰী, ধনত দুখীয়া, সংখ্যাবলত শক্তিহীন, স্বাস্থ্যত ৰুগীয়া, কামত এলেহুৱা ও পৰাধীন- কিন্তু আমি নিজশক্তি অনুযায়ী হইহে কামত হাত দিব পাৰোঁ। আমি যুঁজিবলৈ ওলাইছো 'আন্ধাৰ'ৰ*

*বিপক্ষে। উদ্দেশ্য— দেশৰ উন্নতি 'জোনাক'।*[১৭]

এনেদৰে উজ্জ্বল ভবিষ্যতৰ সংকল্পৰে আগবাঢ়ি আহিছিল 'জোনাকী'ৰ উদ্যোক্তাসকলে। এই শ্ৰেণীৰ লিখকসকলে আগৰেপৰা চলি অহা কুসংস্কাৰ, অন্ধবিশ্বাস আদিৰ প্ৰতি সচেতন হৈ এক সংস্কাৰবাদী আন্দোলন গঢ়ি তুলিছিল। বেজবৰুৱাই এই 'জোনাকী' কাকততে আগতে নথকা সাহিত্যৰ বিভিন্ন ভাগৰ জন্ম দিলে।

**অসমীয়া চুটিগল্পৰ প্ৰৱৰ্তক লক্ষ্মীনাথ বেজবৰুৱাঃ**

বেজবৰুৱাই সাহিত্যৰ বিভিন্ন ভাগৰ এই 'জোনাকী' কাকততে শুভাৰম্ভ কৰে। অসমীয়া সাহিত্যলৈ বেজবৰুৱাৰ এই অৱদান সমূহৰ ভিতৰত চুটিগল্পইহ এক বিশিষ্ট স্থান লাভ কৰিছে। তেওঁৰ 'সাধুকথাৰ কুকি' (১৯৯০) , 'সুৰভি' (১৯৯০) আৰু 'জোনবিৰি'(১৯১৩) অসমীয়া সাহিত্যৰ প্ৰথম চুটিগল্প সংকলনৰ পুথি। বেজবৰুৱাৰ প্ৰয়াণৰ পিছত চৈধ্যটা গল্পৰ সংকলন 'কেঁহোকলি' প্ৰকাশ হয়। এই সংকলনত লেখকৰ পাছত ৰচনা কৰা গল্পখিনি সন্নিবিষ্ট হৈছে ।[১৮] বেজবৰুৱাৰ গল্পসমূহৰ মাজেদি সমসাময়িক সমাজখনৰ বিভিন্ন দিশ প্ৰতিফলিত হৈছে। বেজবৰুৱাই গল্পসমূহৰ মাজেদি সমাজসচেতন মনৰ পৰিচয় দাঙি ধৰিছে। কিছুমান গল্পৰ মাজেদি গাঁৱলীয়া সহজ-সৰল জীৱন, তেওঁলোকৰ সুখ-দুখ, আশা-আকাংক্ষা, স্বামীয়ে পত্নীৰ ওপৰত কৰা নিৰ্মম অত্যাচাৰ , জাত-পাতৰ বিচাৰ, নাৰী নিৰ্যাতন, বিধৱা নাৰীৰ প্ৰতি কৰা সামাজিক অবিচাৰ আদি সামাজিক ৰক্ষণশীলতাৰ বিভিন্ন দিশত দৃষ্টিপাত কৰিছে। বেজবৰুৱাই তথাকথিত অসমীয়া সমাজখনৰ এক নিভাঁজ চিত্ৰ দাঙি ধৰিছিল।

'জোনাকী' আলোচনীত বেজবৰুৱাৰ 'আৰ্জি', 'চেনিচম্পা', 'কেকোককা', 'জয়ন্তী', 'পুত্ৰবান পিতা', আদি প্ৰকাশ পায়। বেজবৰুৱাৰ সৰহভাগ গল্প ব্যঙ্গ আৰু হাস্য ৰসাত্মক। তথাকথিত সমাজখনৰ ফোপোলা মনোবৃত্তি লোকৰ ভণ্ডামি, দুৰ্নীতি আদি অতি ব্যঙ্গাত্মকভাবে গল্পসমূহৰ মাজেদি উদঙাই দেখুৱাইছে। 'মলক গুইন গুইন', 'ভোকেন্দ্ৰ বৰুৱা' আাদি গল্পত ইংৰাজী শিক্ষা গ্ৰহণ কৰি নিজকে উচ্চ পৰ্যায়ৰ ব্যক্তি বুলি চিনাকী দিব খোজে। বৃটিছসকলৰ আদৰ-কাইদাক অনুসৰণ কৰি নিজৰ সংস্কৃতিক উপলুঙা কৰিছে। ব্যক্তি আৰু সমাজৰ প্ৰতি এই লোকসকলৰকোনো দায়িত্ববোধ নাছিল । 'মলক গুইন গুইন' গল্পত মলখুৱে নিজৰ পিতৃ-মাতৃ আৰু ওপজা গাঁওখনকো তাচ্ছিল্য কৰিব এৰা নাই। মলখুৰ খাৱন, পিন্ধন-উৰণ সকলোতে সমস্যাই দেখা দিলে। গাঁৱৰ পৰিবেশ, পিতৃ-মাতৃৰ আচাৰ-ব্যৱহাৰ সকলোতে মলখুৱে এক অসন্তুষ্টি প্ৰকাশ কৰিলে। গল্পটোত

অন্ধ অনুকৰণৰ ফলত মলখু চৰিত্ৰৰ অধঃপতন দেখুওৱা হৈছে। 'ভোকেন্দ্ৰ বৰুৱা' গল্পটোতও ভোকেন্দ্ৰই নিজৰ অস্তিত্বক সমূলি পাহৰি এক নতুন জীৱনৰ পাতনি মেলিছিল। পিতৃ-মাতৃ, ভনীয়েকৰ নাম সলনি কৰাৰ পৰা পিতৃৰ সাতামপুৰীয়া ব্যৱসায়ো লজ্জাজনক বুলি অনুভৱ কৰিছিল। 'মলক গুইন গুইন', 'ভোকেন্দ্ৰ বৰুৱা' আদি গল্পৰ হাস্য আৰু ব্যঙ্গ ৰসৰ প্ৰাচুৰ্যই পাঠকক হাঁহিৰ খোৰাক যোগাইছে।

'ধৰ্মধ্বজ ফয়চলা নবিচ', 'ঘন্টাকৰ্ণ শৰ্মা', 'জাতিৰামৰ জাত', 'নিস্তাৰিণী দেৱী বা ফাতেমা বিবি', 'লম্বোদৰ ডেকা', 'ভোমকেৰোলা' আদি গল্পত জাত-পাতৰ উচ্চ-নীচ ভাৱ দেখুওৱা হৈছে। জাত-পাতৰ সংকীৰ্ণ মনোভাৱে কেনেদৰে মানুহৰ জীৱন বিষময় কৰি তোলে এই গল্পসমূহৰ মাজেদি বেজবৰুৱাই অতি সুন্দৰভাবে দাঙি ধৰিছে লগতে ইয়াৰ অসাৰতাও প্ৰতিপন্ন কৰিছে। 'ধৰ্মধ্বজ ফয়চলা নবিচ' গল্পত ধৰ্মৰ কঠোৰ নীতি-নিয়মৰ প্ৰতি জয়চন্দ্ৰৰ তীব্ৰ ক্ষোভ প্ৰকাশ পাইছে। মানৱতাক তুচ্ছ জ্ঞান কৰা এই অন্যায়-অনীতিক পিঠি দি তীব্ৰ সাহসেৰে জয়চন্দ্ৰই হিন্দু ধৰ্ম পৰিত্যাগ কৰি মুছলমান ধৰ্ম গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। গল্পটোত ধৰ্মৰ গইনা লৈ মানৱতাক খৰ্ব কৰিব বিচৰা নীতি-নিয়মৰ ওপৰত লেখকৰ বক্তব্য আছিল সুদৃঢ়। "সঁচাকৈয়ে আমাৰ ধৰ্ম আৰু সমাজৰ অন্তৰ এনে কঠোৰ নে? ধোবা, নাপিত, চমাৰ, কমাৰ সকলোৱে সেই পুখুৰীত গা ধোৱে, তাৰ পানী খায়, অথচ মোৰ নাবালক ল'ৰাটোৱে দুপৰীয়া ৰ'দৰ পিয়াহত তাৰ পানী এচলু খালতহে পুখুৰীটো চুৰা হ'ল? ধোবা, নাপিত, চমাৰ, কমাৰ হিন্দু সমাজৰ চকুত সকলোবোৰ শুধ, কিন্তু আমাৰ ঘৰ মানুহ হিন্দু ধৰ্ম আৰু হিন্দু আচাৰ-ব্যৱহাৰৰপৰা আজি ইমান দিন চুলি এভাগৰ সমানো লৰচৰ নোহোৱাকৈ থাকিও অশুধ অজাতি এয়েই নে মই খামোচ মাৰি ধৰি থকা হিন্দু সমাজৰ, হিন্দু ধৰ্মৰ উদাৰতা? এয়েই নে ভো ভো পণ্ডিত হিন্দু ধৰ্মধ্বজসকলৰ বিচাৰ।" [১৯]

'নিস্তাৰিণী দেৱী বা ফাতেমা বিবি নামৰ গল্পটোত হিন্দু-মুছলমানৰ মাজৰ ভেদ-ভাৱ দেখুওৱা হৈছে। নিস্তাৰিণী দেৱীয়ে মুছলমানৰ ঘৰত লগৰ-সমনীয়াৰ লগত ঈদত চিমাইৰ পায়স খোৱাৰ কাৰণে জগৰীয়া হ'বলগীয়া হ'ল। অতি কম বয়সীয়া নিস্তাৰিণীক আনকি দেউতাকেও ক্ষমা নকৰি ঘৰৰ পৰা বাহিৰ কৰি দিয়ে। শেষত এই নিস্তাৰিণী দেৱীয়ে গৈ মুছলমানৰ ঘৰত আশ্ৰয় লৈ ফাতেমা বিবি হ'লগৈ। 'লম্বোদৰ ডেকা' গল্পটোত লম্বোদৰে গুৱাহাটীলৈ গৈ থাকোতে নৰীয়াত পৰা দেখি নাৱৰীয়াহঁতে ভাত ৰান্ধি খুৱালে। পিছত এই কথা গাঁৱৰ ৰাইজে শুনি লম্বোদৰক এঘৰীয়া কৰি থলে। গল্পটোত জাত-পাতৰ অন্যায়ৰ প্ৰতি লেখকৰ উদাৰ দৃষ্টিভংগী প্ৰকাশ পাইছে এইদৰে- " অপৰাগ পক্ষত বামুণে বিজাতিৰ হাতে ভাত খালেও তেওঁৰ জাত নেযায়। যোৱা উচিত নহয়।

হিন্দু ধৰ্ম উদাৰ ধৰ্ম। আপোনাসকলেহে তাৰ মৰ্ম নুবুজি তাক অনুদাৰ পাতিছে।” [২০]

বেজবৰুৱাৰ কিছুমান গল্পত নাৰীৰ সমস্যা মূৰ্ত হৈ উঠিছে। তদানীন্তন সমাজৰ নাৰীৰ এশ এবুৰি সমস্যা গল্পসমূহৰ মাজেদি দাঙি ধৰিছে। ‘ভদৰী’, ‘আমালৈ নাপাহৰিব’, ‘কাশীবাসী’ আদি গল্পত নাৰী নিৰ্যাতনৰ ছবি স্পষ্ট। ‘ভদৰী’ গল্পত ভাৰতীয় আদৰ্শ নাৰীৰ ছবি প্ৰকাশিত হৈ উঠিছে। সৰু সৰু কথাতে ভদৰীয়ে স্বামীৰ মাৰ-ধৰ খোৱাৰ পিছতো স্বামীৰ প্ৰতি ভক্তি ভদৰীৰ কোনো প্ৰকাৰে কমি যোৱা নাছিল। ভদৰীক অতি সহনশীলা নাৰীৰ ৰূপত গল্পকাৰে উপস্থাপন কৰিছে। ‘আমালৈ নাপাহৰিব’ গল্পত গল্পৰ নায়িকা স্বামীৰ দ্বাৰা প্ৰতাৰিত হ’ব লগা হৈছিল। প্ৰবঞ্চক স্বামীয়ে ছোৱালীজনীক বিয়া পাতি নি কলিকতাৰ ডিপোত বিক্ৰী কৰি থৈ আহিছিল। ‘কাশীবাসী’ গল্পত নায়িকা মানৰ আক্ৰমনৰ বলি হ’ব লগা হৈছিল।

বেজবৰুৱাৰ গল্পত প্ৰকৃতি প্ৰেমৰ ছবি স্পষ্ট। ‘মুক্তি’, ‘জলকুঁৱৰী’, ‘কন্যা’ আদি গল্পত প্ৰকৃতিৰ লগত গল্পৰ চৰিত্ৰৰ একাত্মতা স্থাপন কৰিছে। ‘মুক্তি’ গল্পত সুকুমাৰ প্ৰকৃতিপ্ৰেমী। গাঁৰৰ প্ৰাকৃতিক পৰিবেশৰ লগত উমলি সুকুমাৰে ভাল পায়। পঢ়া-শুনাত মন কাণ নোহোৱা সুকুমাৰক ককায়েক দেৱকুমাৰে নগৰলৈ লৈ গ’ল যদিও সুকুমাৰে পঢ়াত কোনো ধৰণৰ সুফল দেখুৱাব নোৱাৰিলে। বৰঞ্চ গাৱলীয়া জীৱনৰ বিচ্ছিন্নতাই সুকুমাৰক অতিকৈ অতিষ্ঠ কৰি তুলিলে। শেষত জ্বৰত ভূগি সুকুমাৰে কঠোৰ শাসনৰ পৰা চিৰকাললৈ মুক্তি লাভ কৰিলে। ‘জলকুঁৱৰী’ গল্পত গল্পৰ নায়িকাই নদীৰ পাৰত সদায়ে আহি নদীৰ সৌন্দৰ্য সদায়ে উপভোগ কৰে। ঘৰৰ কাম-বনৰ প্ৰতি অকণো দায়িত্ব নাই। বিয়াৰ থিক হোৱাৰ পিছতো কোনো ধৰণৰ আগ্ৰহ প্ৰকাশ নকৰি সদায় নদীৰ পাৰলৈ আহি নদীৰ সৌন্দৰ্য উপভোগ কৰে। অৱশেষত নৈৰ পাৰতে এই বিয়া হৈ যায়। ‘কন্যা’ গল্পটোত প্ৰকৃতিৰ সুন্দৰ বৰ্ণনা দাঙি ধৰিছে। গল্পটোত কন্যা নদীখনৰ সুন্দৰ বৰ্ণনা দাঙি ধৰিছে। গল্পৰ কথকৰ কন্যা নৈখনৰ প্ৰতি এক গভীৰ আত্মীয়তা গঢ়ি উঠিছিল। গল্পটোত উল্লেখ কৰা অনুসৰি--

> *পুৱা গধূলি আহৰি কালটো মই কন্যাৰ পাৰত কটাওঁ। বৰ ভাল লাগে। ঘাইকৈ তাত মোৰ দুটা সকাম। প্ৰথম ৰঙা বগা ক’লা হালধীয়া ইত্যাদি নানা বৰণীয়া শিলগুটি গোটোৱা। দ্বিতীয়- পাৰৰ গছ এজোপাৰ শিপাতে অকলশৰীয়া হৈ বহি কন্যাৰ সেই কান্দোন শুনা।*[২১]

বেজবৰুৱাৰ কিছুমান গল্পত অতিপ্ৰাকৃত চৰিত্ৰ সমাবেশ ঘটিছে। ‘মৈদাম’, ‘এৰাবাৰী’, ‘লাওখোলা’ আদি গল্পত অতিপ্ৰাকৃত চৰিত্ৰ দেখিবলৈ পোৱা যায়। ‘মৈদাম’ গল্পটোত জঁকাবোৰে মৈদামৰ পৰা উঠি আহি কথা কোৱা দেখুৱাইছে। গল্পৰ কথকে উল্লেখ কৰিছে এইদৰে--

*সেইবোৰ মই চাই থাকোঁতে থাকোঁতেই হঠাৎ দেখিলো, জকাবোৰে হুচৰি গোৰা মানুহৰ দৰে ঘূৰি ঘূৰি নাচিবলৈ ধৰিলে, অথচ সিঁহতৰ মুখত মাত নাই। সেই অদ্ভুত নাচ দেখি ভয়ত মোৰ মুখখন শুকাই গ'ল, বুকুখন ঢপ্‌ঢপাবলৈ ধৰিলে, গাৰ নোমবোৰ শিয়ৰি উঠিল আৰু হাত-ভৰিবোৰ অৱশ হ'ল।*[১২]

'এৰাবাৰী' গল্পত থেৰেজু, আম, কপৌফুল আদিয়ে কথা কোৱা দেখুৱাইছে। 'লাওখোলা' গল্পত লাওখোলা এটাই নিজৰ জীৱন কাহিনী বৰ্ণনা কৰে। এই লাওখোলাটো আছিল এগৰাকী নিৰ্যাতিতা বিধৱা নাৰীৰ।

বেজবৰুৱাৰ কিছুমান গল্পত ৰোমাণ্টিক প্ৰেমৰ ছবি দেখিবলৈ পোৱা যায়। 'কন্যা' 'ৰতনমুণ্ডা', 'মাধৈমালতী' আদি গল্পত ৰোমাণ্টিক প্ৰেমৰ সুন্দৰ চিত্ৰ দাঙি ধৰিছে। 'কন্যা' গল্পটোত এহাল কোল ডেকা-গাভৰুৰ প্ৰণয়ৰ চিত্ৰ দাঙি ধৰিছে। কন্যা নৈৰ পাৰতে ইজনে সিজনক চাই সময় কটাইছিল। ইজনে সিজনৰ প্ৰতি ভালপোৱা আছিল গভীৰ। তেওঁলোকে চকুৰ ভাষাতে বিচাৰি পাইছিল অন্তৰৰ বতৰা। এদিন কোল ডেকাজনৰ মৃত্যু হোৱাৰ পিছত কোল ছোৱালীজনীয়েও নৈখনতে আত্মজাহ দিলে। 'ৰতনমুণ্ডা' গল্পত ৰতন আৰু জুমুৰিৰ যৌতুকৰ কাৰণে বিয়াখন ভাগিল যদিও দুয়ো ঘৰৰ পৰা পলাই গৈ বিয়া পাতিবলৈ সিদ্ধান্ত ললে। 'মাধৈমালতী' গল্পত মাধৈমালতী প্ৰিয়জনক পাবলৈ পিতৃৰ বিপৰীতে যাবলৈ কুণ্ঠাবোধ কৰা নাছিল।

বেজবৰুৱাৰ কিছুমান গল্পত আৰ্থ-সামাজিক জীৱনৰ চিত্ৰ দাঙি ধৰিছিল। 'পাতমুগী', 'ভদৰী' আদি গল্পত গাঁৱলীয়া সাধাৰণ লোকৰ জুৰুলাগ্ৰস্থ আৰ্থিক অৱস্থাৰ ছবি দাঙি ধৰিছে। 'পাতমুগী' গল্পত দেখিবলৈ পোৱা যায় বিদেশী নানা তৰহৰ বস্তুৰ পয়োভৰৰ লগে লগে স্থানীয় কুটিৰ শিল্পৰ অৱসান ঘটিছিল। পিতৃপুৰুষৰ সাতামপুৰুষীয়া ব্যৱসায়ত ব্যাঘাত জন্মাৰ লগে লগে কুমাৰ সম্প্ৰদায়ৰ লোকসকলে আৰ্থিক অনাটনত ভূগিব লগা হৈছিল। 'ভদৰী' গল্পত ভদৰীৰ স্বামী শিশুৰাম এজন গাঁৱলীয়া সাধাৰণ খেতিয়ক। দুবেলা-দুমুঠিৰ কাৰণে শিশুৰামে কঠোৰ পৰিশ্ৰম কৰে।

বেজবৰুৱাৰ গল্পৰ পটভূমি আছিল তদানীন্তন অসমীয়া সমাজ-জীৱনৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আদি বিভিন্ন দিশ। ইয়াৰ উপৰিও তেওঁৰ দুই এটা গল্পত উড়িয়া আৰু বঙালী সমাজ-জীৱনৰ চিত্ৰও দাঙি ধৰিছে। জীৱন আৰু জগত সম্পৰ্কে সূক্ষ্ম অনুভূতিশীল বেজবৰুৱাই অসমীয়া সমাজ-জীৱনৰ প্ৰতিটো দিশেই চালি-জাৰি চাইছিল আৰু দোষ-গুণ বিচাৰ কৰি অতি গুৰুত্বপূৰ্ণ দিশসমূহক গল্পৰ বিষয় হিচাপে বাচি লৈছিল। বেজবৰুৱাই যি সময়ত

লিখনি ধাৰণ কৰিছিল, সেই সময়ত অসমীয়া সমাজ এটা অতি গুৰুত্বপূৰ্ণ যুগ-সন্ধিত উপনীত হৈছিল। অসমত বিদেশী শাসন প্ৰৱৰ্তিত হোৱাৰ কেইবা দশক পাৰ হৈ যোৱাৰ পাছত স্বাভাবিকতে অসমীয়া সমাজ উন্নত শাসক জাতিৰ দ্বাৰা বিভিন্ন প্ৰকাৰে প্ৰভাবিত হ'বলৈ আৰম্ভ কৰিছিল। এই প্ৰভাৱ ঘাইকৈ দুটা ৰূপত দেখা দিছিল। এক শ্ৰেণীৰ অশিক্ষিত আৰু অৰ্ধঅশিক্ষিত মানুহে ইংৰাজসকলৰ প্ৰত্যক্ষ আৰু পৰোক্ষ সংস্পৰ্শলৈ আহিবলৈ সুবিধা পাই তেওঁলোকৰ বাহ্যিক চাল-চলন আৰু ৰীতি-নীতি আদিক বান্দৰৰ দৰে অন্ধভাৱে অনুসৰণ কৰাতে ব্যস্ত আছিল আৰু তাৰ দ্বাৰাই সমাজত কিছুমান নকল মূল্যবোধৰ প্ৰচলন কৰিছিল; আন এক শ্ৰেণীৰ সংখ্যালঘিষ্ঠ নব্য শিক্ষিত মানুহে প্ৰথমবাৰৰ কাৰণে এটা সুকীয়া সভ্যতা আৰু সংস্কৃতিৰ সংস্পৰ্শলৈ আহি এক অভূতপূৰ্ব আধ্যাত্মিক উল্লাস অনুভৱ কৰিছিল আৰু এই সভ্যতাৰ অনুকৰণীয় গুণৰাজিক নিজৰ বৌদ্ধিক জীৱনৰ অংগীভূত কৰিবলৈ যত্নপৰ হৈছিল। এই দুয়ো শ্ৰেণীৰ মানুহেই অসমীয়া তথা ভাৰতীয় জীৱনত এক নতুন সামাজিক আৰু সাংস্কৃতিক পৰিৱৰ্তন সূচনা কৰিছিল, সমাজত নতুন স্তৰ বিন্যাস সাধন কৰিছিল। সমাজৰ সকলো ক্ষেত্ৰতে নতুন মূল্যবোধৰ প্ৰৱৰ্তন কৰিছিল। অতি স্বাভাবিকভাৱেই তৎকালীন ভাৰতীয় কাহিনী সাহিত্য ঘাইকৈ এই দুই শ্ৰেণীৰ মানুহৰ প্ৰতিনিধিমূলক চৰিত্ৰক কেন্দ্ৰ কৰিয়েই ৰচিত হৈছিল। বেজবৰুৱাৰ চুটিগল্পতো আমি সমসাময়িক অসমীয়া সমাজৰ প্ৰতিভূস্বৰূপ এলানি portrait বা আলেখ্য দেখা পাওঁ। [২৩]

**শৰৎ চন্দ্ৰ গোস্বামীৰ চুটিগল্পঃ**

বেজবৰুৱাৰ পিছতে এজন উল্লেখযোগ্য গল্পকাৰ হ'ল অসম সাহিত্য সভাৰ অন্যতম প্ৰতিষ্ঠাপক শৰৎ চন্দ্ৰ গোস্বামী। শৰৎচন্দ্ৰ গোস্বামী বিশেষকৈ গল্পলেখক। সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত বৰঙণি যোগাইছিল যদিও বিশেষকৈ গল্পকাৰ হিচাপেহে তেওঁ প্ৰতিষ্ঠা লাভ কৰিছিল। তেওঁৰ বেছিভাগ গল্পত কাহিনীৰ পটভূমি হৈছে অসমীয়া সমাজ- ইয়াৰ আচাৰ-নীতি, কুসংস্কাৰ, অন্ধবিশ্বাস, ধৰ্মৰ গোঁড়ামি, বিধৱা বা আশ্ৰয়হীনা তিৰোতা আদিক কেন্দ্ৰ কৰি।[২৪] গোস্বামীৰ গল্পৰ প্ৰকাশভংগী অতি সহজ-সৰল। তেওঁৰ প্ৰথম গল্পপুথি 'গল্পাঞ্জলি', (১৯১৪) এঘাৰটা গল্পৰ সংকলন। তেওঁৰ দ্বাৰা ৰচিত আনকেইখন গল্পপুথি হ'ল- 'ময়না',(১৯২০) দহটা গল্পৰ সংকলন, 'বাজিকৰ',(১৯৩০) তেৰটা গল্পৰ সংকলন, 'পৰিদৰ্শন'(১৯৫৬) সাতোটা গল্পৰ সংকলন আৰু 'গল্পমালা' (১৯৮৭) ৰচনাৱলীত সন্নিবিষ্ট সোঁতৰটা গল্পৰ সংগ্ৰহ।

বেজবৰুৱা গোস্বামীৰ পূৰ্বসূৰী হ'লেও গোস্বামীদেৱৰ গল্পত বেজবৰুৱাৰ বাক্যৰীতিৰ ঠাঁচ দেখা পোৱা নাযায়। তেওঁৰ বক্তব্য বিষয়ক নিজস্ব শৈলীৰে উপস্থাপন কৰিছে। এক নিজস্ব দৃষ্টিভংগীৰে তেওঁ গল্প ৰচনাত হাত দিছিল। বেজবৰুৱাৰ গল্পৰ দৰে তীব্ৰ হাস্য ব্যঙ্গ নাই, কিন্তু সমাজৰ বিসংগতিপূৰ্ণ দিশসমূহলৈ দৃষ্টিপাত নকৰাকৈ থকা নাই। সৌন্দৰ্যবোধ, মানৱ আৰু ইঁতৰ প্ৰাণীৰ প্ৰতি সহানুভূতি, চৰিত্ৰ বিশ্লেষণ, আখ্যানৰ গাঁঠনি, গ্ৰামীণ জীৱনৰ প্ৰতিচ্ছবি, ভাষাৰ হ্ৰস্বতা, ঠায়ে ঠায়ে কাব্যোপম ভাষা আদি শৰৎচন্দ্ৰৰ গল্পৰ বৈশিষ্ট্য।[২৫] তেওঁৰ কিছুমান গল্পত নিয়তিৰ পৰিহাস আৰু অদৃষ্টৰ বুজিব নোৱাৰা ক্ৰুৰতা দেখিবলৈ পোৱা যায়। 'ময়না', 'অদৃষ্ট', 'নৈৰ দাঁতিত' 'দেখা দেখি', 'পশুপতিৰ বিয়া', আদি গল্পত ব্যক্তি জীৱনৰ কৰুণতম ছবি স্পষ্ট।

'বনৰীয়া প্ৰেম' এটা ৰোমান্টিকধৰ্মী গল্প। গল্পটোত মিৰি ডেকা গাভৰুৰ প্ৰণয়ৰ ছবি দেখিবলৈ পোৱা যায়। গোস্বামীৰ কিছুমান গল্পত অবৈধ প্ৰেমৰ ছবিও দেখিবলৈ পোৱা যায়। 'ব্ৰহ্মপুত্ৰৰ বুকুত' গল্পটোত এগৰাকী নাৰীৰ অতৃপ্ত বাসনাৰ কথা কোৱা হৈছে। গল্পৰ কথকে নাৰীগৰাকীক সপোনত দেখা পায়। সপোনতে নাৰীগৰাকীৰ জীৱনৰ কাহিনী ব্যক্ত কৰে। বৈবাহিক জীৱনত আৱদ্ধ হৈয়ো স্বামীৰপৰা বিচৰাধৰণে সুখ পোৱা নাছিল। গল্পটোত উল্লেখ কৰা অনুসৰি- " দেখাত মই সুখী আছিলো; আৰু মোৰ অন্তৰখনতমানুহৰ সেই আদিম ৰসৰ সৰস্বতী সোঁত নোবোৱা হ'লে কিজানি মই ভিতৰতো সুখী হ'ব পাৰিলোহেঁতেন।" [২৬]

নাৰীগৰাকীয়ে স্বামীৰ বন্ধুৰ লগত এক অবৈধ সম্পৰ্কত লিপ্ত হৈছিল। গল্পটোত এই ছবি স্পষ্ট হৈ পৰিছে--

> *ব্ৰহ্মপুত্ৰৰ বুকুত নাৱত উঠি ফুৰিছিলো, মই আৰু মোৰ স্বামীৰ বন্ধু বিলাতৰ পৰা নতুনকৈ ফিৰি অহা বেৰিষ্টাৰ - তেওঁৰ নাম নকওঁ; তুমি বা কোনোৱে তেওঁৰ নাম জানিব নালাগে- সি মোৰ নিগূঢ় আনন্দৰ সামগ্ৰী, মোৰেই হৈ থাকক। কি হ'ল, - কি জানি সকলো কথা শুনিলে তুমি মোক ঘৃণা কৰিবা। মুঠতে ইয়াকে জানি থোৱা, সেই লাজতে মই ব্ৰহ্মপুত্ৰ বুকুত ডুবিলোঁ, জানোবা মোৰ তীব্ৰ লালসা আৰু তীক্ষ্ণ লাজৰ দংশন বাবাৰ শীতল জলে শীতলাই দিয়ে; কিন্তু সেই শীতলতা আজিলৈ নাপালো।*[২৭]

পিচত নাৰীগৰাকীয়ে নৈতিকতাবোধত ভুগি ব্ৰহ্মপুত্ৰ বুকুত জাঁপ দি অৰ্ন্তদ্বন্দ্বৰ পৰা হাত সাৰে।

'নৈৰ দাঁতিত' গল্পত সমাজ-সংস্কাৰমূলক দৃষ্টিভংগী দেখিবলৈ পোৱা যায়। গল্পটোত তৎকালীন সমাজ-জীৱনৰ কুসংস্কাৰ অন্ধবিশ্বাসৰ ছবি দাঙি ধৰিছে। গল্পটোত ঘাট-মাউৰা মালতী বিয়াৰ বয়স পাৰ হৈ যোৱা ছোৱালী। কাৰণ সেই সময়ত বাল্যবিবাহ প্ৰথা আছিল। কালীনাথে

সমাজৰ ৰীতি-নীতি অগ্ৰাহ্য কৰি মালতীক বিয়া কৰাইছিল। কিন্তু পৰম্পৰাগত নীতি-নিয়ম আৰু সমাজৰ বিৰোধে যোৱা দেখি কালীনাথক পিতৃয়ে ঘৰত সোমাব নিদিলে। কালীনাথ আৰু মালতীয়ে সুখৰ সংসাৰ এখন কৰিছিল যদিও পিতৃৰ মৃত্যু হোৱাত নাৱেৰে ঘৰলৈ গৈ থাকোতে দুৰ্ভাগ্যবশতঃ কালীৰামে চাকনৈয়াত ডুবি মৃত্যুমুখত পৰিল।

শাহুৰেকে পিছত টকা-পইচা খৰচ কৰি মালতীক সমাজৰ অন্তৰ্ভুক্ত কৰিলে। এনেকৈয়ে মালতীৰ জীৱনলৈ আন এক দুসংবাদ আহি পৰিল মালতীৰ একমাত্ৰ সন্তানটোও ঢুকাই থাকিল। তাৰ পিছত মালতীৰ সা-সম্পত্তি দূৰ সম্পৰ্কীয় দেওৰেক এজনক দি দিলে। টকা পইচাৰ পৰা বঞ্চিত হৈ মালতীয়ে নৈৰ দাঁতিত পঁজা এটি সাজি জীৱন কটাবলৈ ধৰিলে। হেম বৰাৰ ভাষাত- 'নৈৰ দাঁতিত' গল্পৰ মালতী আৰু 'ব্ৰহ্মপুত্ৰৰ বুকুত' গল্পৰ নায়িকা; এজনীক সংসাৰত্যাগী আৰু আনজনীক মৃত্যুগামিনীৰ আদেশ দিছে। নৈতিকতাৰ জয় শৰৎচন্দ্ৰ গোস্বামীৰ গল্পৰ অন্যতম বৈশিষ্ট্য।[২৮]

'ঘুনুচা' গল্পৰ ঘুনুচা কেন্দ্ৰীয় চৰিত্ৰ। ঘুনুচাৰ জীৱনৰ দুৰ্ভাগ্য গল্পটোৰ মূল বিষয়বস্তু। নাৰীক দুৰ্বল বুলি ভাবিয়েই এচাম পুৰুষে কেনেদৰে নাৰীৰ জীৱন অসহনীয় কৰি তোলে, তাকে গল্পটোত দেখুওৱা হৈছে। ভাগ্যৰ দুৰ্বিপাকত একালৰ ধনীৰ বোৱাৰী ঘুনুচাৰ জীৱনটো দুখেৰে নুকুলা হ'ল। একালত সুখ আৰু সৌভাগ্যৰে আন দহজনৰ ঈৰ্ষাৰ বিষয় আছিল। সময়ৰ ক্ৰুৰ আহ্বানত ঘুনুচা গৰ্ভৱতী হৈ থাকোতে স্বামীৰ মৃত্যু হয়। কালচক্ৰে ঘুনুচাৰ পিতৃ, শহুৰ ঘৰৰ সকলোবিলাক ঢুকুৰাই থাকিল। ঘুনুচাৰ পুত্ৰ সন্তান এটি জন্ম হ'ল যদিও সুখৰ মুখ নেদেখিলে। এচাম অৰ্থলোভী ব্যক্তিৰ পাকচক্ৰত ঘুনুচাৰ জীৱনৰ আলাই-আথানি নোহোৱা হ'ল। গল্পটোত অসৎ প্ৰকৃতিৰ লোকৰ ছবি দাঙি ধৰিছে এইদৰে- "ঘুনুচাৰ এজন দেৰৰ আছিল - তেওঁ ঘুনুচাৰ খুড়া শহুৰেকৰ পুতেক। যেতিয়া ঘুনুচাৰ আপোন বুলিবলৈ সকলো জহনী ৰোগত মৰি গ'ল, তেতিয়া এৱেঁই তেওঁৰ সম্পত্তিৰ প্ৰথম চৰিক হ'ল। সম্পত্তিৰ লোভত প্ৰথমতে কিছু দিন ঘুনুচাক বৰ আদৰ কৰিলে। কিন্তু বৌৱেকক গৰ্ভৱতী জানি তেওঁৰ শান্তি নোহোৱা হ'ল,- গৰ্ভত থকা শিশু যদি সম্পত্তিৰ অধিকাৰী হয় ভূমিষ্ঠ হোৱাৰ আগয়ে সেই শিশু নষ্ট কৰিবলৈ প্ৰথমতে বহুত যত্ন কৰিও কৃতকাৰ্য নহ'ল। তেতিয়াও আশা আছিল- যদি ছোৱালী হয়। কিন্তু যেতিয়া দুৰদৃষ্টক্ৰমে ঘুনুচাই পুত্ৰ সন্তানহে প্ৰসৱ কৰিলে, তেতিয়া সুগুণসম্পন্ন দেওৰৰ মনত যেন জুইহে জ্বলিল।"[২৯] গল্পটোত আইনৰ ন্যায় বিচাৰৰ ক্ষেত্ৰতো যে হীন-দেৰি হয় তাকো গল্পকাৰে উদঙাই দেখুৱাইছে-

*চাব ডেপুটি চাহাবৰ ওচৰত নামজাৰিৰ দৰখাস্ত পৰিল, খাটিৰ আৰু ভেঁটিৰ জোৰত নামজাৰি হ'ল। সহায় সম্পদ বিহীনা ঘুনুচা লাঞ্চিতা, বঞ্চিতা আৰু পৰিত্যক্তা হৈ নৈৰ পাৰত এই ঘৰটিত দুবছৰৰ শিশুসন্তান মণিৰামক বুকুত বান্ধি লৈ বাস কৰিবলৈ ধৰিলে। আইন অনুসৰি পাবলগীয়া সম্পত্তি নাপালে। দুখীয়াৰ নো আইন-কানুন কি?*[৩০]

ঘুনুচাৰ দুখৰ অন্ত নপৰিল। দুৰ্ভাগ্যক্ৰমে ঘুনুচাৰ সন্তানটো বেমাৰত ভুগিল। চিকিৎসাৰ কাৰণে টকাৰ অভাৱত নিজৰ ৰিহা মেখেলা দুযোৰমান আৰু স্বামীক প্ৰথম লগ পোৱাৰ সময়ত স্বামীয়ে দিয়া আঙঠি এটি আছিল। অতি সযতনে ৰখা আঙঠিটোও সমৰ্পণ কৰি চিকিৎসা কৰিব লগা হৈছিল। পিছত বেজেও যথাৰ্থ পৰিমাণে পইচা পোৱা নাই বুলি, চিকিৎসা এৰি দিলে। অশেষ চেষ্টা কৰিও ঘুনুচাই পুত্ৰক বচাব নোৱাৰিলে।

'দেখাদেখি' গল্পত জাত-পাতৰ বিৰোধেই মূল বস্তু। ধৰণী কোঁচ সম্প্ৰদায়ৰ আৰু পাৰ্বতী কায়স্থ সম্প্ৰদায়ৰ। সামাজিক ৰীতি-নীতিৰ বিৰুদ্ধে গৈ ধৰণীৰ পিতৃ-মাতৃয়ে এই সম্বন্ধ গঢ়ি তুলিবলৈ সন্মত নহয়। আনৰ সৈতে পাৰ্বতীয়ে বিয়া হৈ গ'ল। বহু বছৰ পিছত নায়ক-নায়িকাৰ দেখা-দেখিত হঠাৎ প্ৰণয়ৰ অনুভূতিৰ উদ্ৰেক হৈছে। দুয়োজনেই পাৰস্পৰিক প্ৰেমৰ ৰোমন্থনত কান্দি উঠিল। অতৃপ্ত প্ৰেমৰ মানসিক অশান্তি লৈ পাৰ্বতীৰ মৃত্যু হ'ল। প্ৰহ্লাদকুমাৰ বৰুৱাৰ ভাষাত- "সঘন সান্নিধ্যই মানুহক আবেগিকভাৱে প্ৰেমৰ বান্ধোনত বান্ধ খুৱায় আৰু সময়ৰ সোঁতত মানুহ যেতিয়া আঁতৰি যায় তেতিয়াই পূৰ্বৰ আবেগিক প্ৰেমৰ উত্তাপো নাইকিয়া হৈ পৰে। এনে ধৰণৰ মনস্তাত্বিক সত্য প্ৰকাশ পাইছে সহপাঠী বন্ধু নবীন আৰু ধৰণী চৰিত্ৰৰ মাজেদি। সেইদৰে সমাজৰ যুক্তিহীন সংস্কাৰ আৰু কঠোৰ নিয়তিৰ কবলত পৰি মানুহে কিদৰে জীৱনক যন্ত্ৰণা জৰ্জৰ কৰি তুলিব লগা হয়, তাৰ সাক্ষ্য বহন কৰিছে পাৰ্বতীয়ে। চুটিগল্পৰ চৰিত্ৰ হিচাপে জীৱনৰ খণ্ডিত প্ৰকাশৰ মাজেদি ব্যক্তি জীৱনৰ কাৰুণ্য আৰু কেতবোৰ মৌলিক সত্যক প্ৰকাশ কৰিব পৰা বাবেই গল্পটোৰ চৰিত্ৰকেইটাৰ সফলতা মানি ল'ব লাগিব।"[৩১]

**দণ্ডীনাথ কলিতা আৰু অন্যান্য গল্পকাৰসকলঃ**

এই সময়ৰে আন কেইজনমান গল্প লিখক হ'ল- দণ্ডীনাথ কলিতা (১৮৯০-১৯৫৫), সূৰ্যকুমাৰ ভূঞা (১৮৯৪-১৯৬৪) আৰু নকুলচন্দ্ৰ ভূঞা (১৮৯৫-১৯৬৮)। দণ্ডীনাথ কলিতা শৰৎ চন্দ্ৰ গোস্বামীৰ সমসাময়িক। তেওঁ গল্পকাৰ হিচাপে বিশেষ সমাদৰ লাভ কৰিব নোৱাৰিলেও

আৱাহনপূৰ্ব চুটিগল্পৰ ধাৰাটোক যোগোৱা বৰঙণি উল্লেখযোগ্য। দণ্ডিনাথ কলিতাই বিশেষকৈ ঔপন্যাসিক হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। তেওঁৰ গল্পপুথি 'সাতসৰী'ত সাতটা গল্প সন্নিবিষ্ট হৈ আছে। তেওঁ বিশেষভাৱে সামাজিক সমস্যাসমূহক গল্পত স্থান দিছে। ব্যক্তিমনত ঠাঁহ খাই থকা কিছুমান পুৰণিকলীয়া কু-সংস্কাৰ সমাজৰপৰা মুক্ত কৰিব বিচাৰিছে। কলিতাৰ গল্পৰ বিষয়বস্তু আৰু বক্তব্য সৰল আৰু গতানুগতিক। সমাজৰ আঢ্যবন্ত শ্ৰেণীটোৰ ব্যক্তিকেন্দ্ৰিকতাৰ বলি স্বৰূপ সাধাৰণ শ্ৰেণীৰ জীৱন যন্ত্ৰণা কলিতাৰ গল্পৰ মুখ্য উপজীৱ্য।[৩২]

দণ্ডীনাথ কলিতাৰ গল্পসমূহত প্ৰচাৰধৰ্মী মনোভাৱ দেখা যায়। গল্পসমূহৰ মাজেদি সামাজিক অনীতি, অন্যায়-অবিচাৰ উদ্‌ঘাটন কৰিবলৈ চেষ্টা কৰিছে। তেওঁৰ 'সধবা নে বিধৱা নে কুঁৱৰী', 'হৰিচৰণৰ বিয়া' আদি গল্পত সমাজ-সংস্কাৰৰ উদ্দেশ্য নিহিত হৈ আছে। 'হৰিচৰণৰ বিয়া' গল্পটোত সমাজ-সংস্কাৰৰ উদ্দেশ্য নীহিত হৈ আছে। গল্পটোত জাতি-ভেদৰ উচ্চ-নীচৰ ছবি দাঙি ধৰিছে। ব্ৰাহ্মণ পুত্ৰ হৰিচৰণে সামাজিক নীতি-নিয়ম আওকাণ কৰি ললিতাক বিয়া কৰাইছে। হৰিচৰণৰ এই কাৰ্যক এচাম ডেকাই আন্তৰিকতাৰে সমৰ্থন জনাইছে। গল্পটোত সংস্কাৰকামী মনোভাব পৰিস্ফুট হৈছে। 'সধবা নে বিধবা নে কুঁৱৰী' গল্পত পোনপটীয়া বক্তব্যৰ ইংগিত আছে। গল্পটোত নাৰীমুক্তিৰ সুৰ অনুৰণিত হৈছে। সমাজত পৰম্পৰাগতভাবে চলি অহা বিধবা বিবাহৰ নিষিদ্ধকৰণ ৰীতিৰ প্ৰতিবাদ স্বৰূপে গল্পটো লিখা হৈছে।

'চোৰ' গল্পত ৰঘুই নন্দেশ্বৰৰ একমাত্ৰ ছোৱালী যমুনাৰ প্ৰতি আসক্ত। অতি অভাৱত থকা ৰঘুৱে এদিন নন্দেশ্বৰৰ ঘৰলৈ আহি চৰাঘৰতে থকা মোনা এখনত টকা পাই চোৰ কৰি লৈ যায়। এই টকাখিনি মৃত পিতৃৰ ঋণ পৰিশোধ কৰাৰ উদ্দেশ্যেহে লৈ গৈছিল। এদিন ৰঘুৱে আৰ্থিকভাৱে স্বচ্ছল হৈ ছশ টকা অনা ঠাইত আঠশ টকা থৈ এখন চিঠি লিখি থৈ আহিল। গল্পটোত চৰিত্ৰটোৰ নৈতিক দিশটো প্ৰকট হৈ পৰিছে। 'ভুল' গল্পত ৰমানাথ অবৈধ প্ৰেমত লিপ্ত হয়। ঘৈণীয়েক জয়ন্তীৰ প্ৰতি পিঠি দি মহিলা ডাক্তৰ স্বৰ্ণলতাৰ প্ৰতি আসক্ত হয়। ত্ৰৈলোক্যনাথ গোস্বামীৰ ভাষাত- "কলিতাৰ গল্প কোৱা ৰীতি পোন। ঠায়ে ঠায়ে শব্দ গাঁঠনি আছে যদিও সৰহ ক্ষেত্ৰতে ৰচনা-ৰীতি প্ৰাচীন সাধুৰ ৰীতিৰ সদৃশ। কিছুমান গল্পত প্ৰাকৃতিক সৌন্দৰ্যৰ চুটি বৰ্ণনাও আছে।"[৩৩]

বুৰঞ্জীবিদ সূৰ্যকুমাৰ ভূঞাৰ **'পঞ্চমী'**ত পাঁচটা গল্প সন্নিবিষ্ট হৈছে। ভূঞাদেৱৰ গল্পৰ সংখ্যা অতিকে কম। নৰ-নাৰীৰ প্ৰেমৰ গভীৰতা প্ৰকাশত ভূঞাই দক্ষতা অৰ্জন কৰিছে। ভূঞাৰ সমসাময়িক সময়খিনিত অসমীয়া সাহিত্যত ৰোমাণ্টিক সাহিত্যৰ প্ৰয়োভৰ যুগ। ইয়াৰে প্ৰায়ভাগ

ৰোমান্টিকধৰ্মী। ভূঞাৰ গল্পত নৰ-নাৰীৰ প্ৰেমানুভূতিৰ প্ৰকাশ যথেষ্ট আকৰ্ষণীয় হৈ ধৰা দিছে।[৩৪] ত্ৰৈলোক্যনাথ গোস্বামীদেৱৰ ভাষাত--

> *দণ্ডীনাথ কলিতাৰ গল্পৰ দৰে ভূঞাৰ গল্পকেইটাৰ মাজেদি সংস্কাৰক মনোভাৱ মূৰ্ত হোৱা নাই। মৰম-স্নেহ, প্ৰেম-প্ৰীতি, হিংসা-দ্বেষ এইদৰে চঞ্চলিত জীৱনৰ কেইটামান তৰঙ্গৰ ৰূপ এইবোৰ গল্পত দিয়া হৈছে।[৩৫]*

'পঞ্চমী' ত 'মানিক বৰা', 'শিলা নহয় ফুল', 'আমিনা', 'তেতিয়া আৰু এতিয়া', 'বিজুলী' আদি পাঁচটা গল্প সন্নিবিষ্ট হৈছে। ভূঞাৰ গল্পসমূহত ব্যক্তি জীৱনৰ মনোজগতৰ সন্ধান দিবলৈ যত্ন কৰা দেখা যায়। সি যি নহওঁক প্ৰাক আৱাহন যুগৰ গল্পত ভূঞাৰ গল্পই আৱাহন যুগৰ বাট বহু পৰিমাণে মুকলি কৰিছিল তাত সন্দেহ নাই। এনে কাৰণতে অসমীয়া চুটিগল্পৰ আদি বা জোনাকী যুগৰ গল্পকাৰসকলৰ লগতে সূৰ্যকুমাৰ ভূঞাৰ নামো গুৰুত্ব সহকাৰে স্মৰণ কৰিব লাগিব।[৩৬]

নকুলচন্দ্ৰ ভূঞা আদি বা জোনাকী যুগৰ এজন পৰিচিত গল্পকাৰ। তেওঁৰ গল্পপুথিসমূহ হৈছে 'চোৰাংচোৰাৰ চ'ৰা' (১৯১৮), 'জোনোৱালী' (১৯৩৩), 'গল্পৰ শৰাই' (১৯৬২)। ইয়াৰ উপৰিও বিভিন্ন আলোচনীৰ পাতত সিঁচৰতি হৈ থকা উনৈশটা গল্পক 'গল্পৰ কুকি' শিৰোনামেৰে যতীন্দ্ৰনাথ গোস্বামী সম্পাদিত নকুলচন্দ্ৰ ভূঞাৰ ৰচনা সমগ্ৰত স্থান দিছে। তেওঁৰ গল্পসূহত সমাজৰ কুসংস্কাৰ, অন্যায়-অবিচাৰ, আদি গল্পৰ বিষয়বস্তু হিচাপে ঠাই পাইছে কিন্তু ব্যক্তি তথা সমাজৰ দ্বন্দ্ব গভীৰৰূপে ফুটি উঠা নাই। প্ৰহ্লাদকুমাৰ বৰুৱাদেৱৰ ভাষাত---

> *অসমীয়া চুটিগল্পক মহিমাজ্জোল কৰি তোলাত ভূঞাৰ বৰঙণি বিশেষ নাই। কিন্তু জোনাকী যুগৰ পৰা আৱাহন যুগৰ শেষলৈকে নিৰৱচ্ছিন্নভাৱে গল্প ৰচনা কৰি যি ত্যাগ আৰু নিষ্ঠা প্ৰদৰ্শন কৰিলে, তাৰ স্বীকৃতি স্বৰূপেই নকুল চন্দ্ৰ ভূঞা অসমীয়া সাহিত্যৰ ইতিহাসত স্মৰণীয় হৈ থাকিব।* [৩৭]

**আৱাহন যুগঃ**

১৮২৯ চনত আৱাহন কাকত ওলোৱাৰ পিছৰপৰা অসমীয়া চুটিগল্পই এক নতুন ৰূপ লাভ কৰে। আৱাহন কাকতৰ জন্ম হয় কলিকতাত। গল্পসাহিত্যৰ বিকাশৰ ক্ষেত্ৰত আবাহন কাকতৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। আৱাহন কাকতত এক নতুন গল্পকাৰৰ জন্ম হ'ল। চিন্তাৰ নতুনত্বই বিষয়বস্তু নিৰ্বাচনৰ ক্ষেত্ৰত আৰু আঙ্গিকগত দিশৰ পৰিবৰ্তন আনিলে। পাশ্চাত্য শিক্ষাৰ প্ৰভাৱ লাহে লাহে ৰাজ্যত প্ৰসাৰতা লাভ কৰিব ধৰিলে আৰু এই আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ আবাহন যুগৰ গল্পই এক নতুন ৰূপেৰে প্ৰাণ পাই উঠিল। দীননাথ শৰ্মাৰ সম্পাদনাত প্ৰকাশিত

আৱাহন কাকতে অসমীয়া সাহিত্যত এক নতুন দিগন্তৰ সূচনা কৰিছিল। আৱাহন জন্মৰ কেইবচৰমান আগৰেপৰা ভাৰতৰ জাতীয় আন্দোলনে মানুহৰ অন্তৰলৈ আনি দিছিল নতুন চেতনা। মানুহৰ অন্তৰত জাগিছিল মুক্তিৰ কাৰণে হেঁপাহ। যুগোচিত আদৰ্শ আৰু চিন্তাধাৰাৰে প্ৰভাৱান্বিত হৈ গল্পকাৰসকলেও গল্প ৰচনা কৰিছিল। কোনো কোনো লেখকে ব্যক্তিৰ জৈৱিক বাসনা বিশ্লেষণ কৰিছিল আৰু কিছুমানে জীৱনৰ আদৰ্শৰ মানদণ্ডেৰে সামাজিক আৰু অৰ্থনৈতিক সমস্যা জুখিবলৈ চেষ্টা কৰিছিল।[৩৮]

সেই সময়ৰ গল্পকাৰসকল মহাত্মাগান্ধীৰ নেতৃত্বাধীন স্বাধীনতা আন্দোলনৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। এই আন্দোলনৰ প্ৰভাৱে তেওঁলোকৰ মনলৈ আনি দিছিল এক নতুন চেতনা। গল্পকাৰ সকলৰ ৰচনাত বাস্তৱ সচেতনতাই মূৰ্ত হৈ উঠিল।এফালে বাস্তববোধ আৰু আনফালে ৰোমান্টিক ধাৰাৰ পৰিপূৰ্ণতা এই যুগৰ গল্পৰ বিশেষ বৈশিষ্ট্য। [৩৯]

এই যুগৰ গল্পকাৰসকলে পাশ্চাত্য গল্পকাৰসকলৰ আদৰ্শৰে অসমীয়া গল্পত ন ন চিত্ৰ আঁকিবলৈ ধৰিলে। বিষয়বস্তু নিৰ্বাচনৰ ক্ষেত্ৰত সমাজৰ দোষ-ত্ৰুটি দাঙি ধৰাৰ লগতে মানৱ মনৰ অন্তৰ্লীন সত্যক উদঙাই দেখুৱালে। এই যুগৰ গল্পকাৰসকলে এডগাৰ এলান পো, ফৰাচী কথাশিল্পী মোপাছাঁ, চেখভ আদি বিশ্ববৰেণ্য পাশ্চাত্য গল্পকাৰসকলৰ গল্পৰদ্বাৰা অনুপ্ৰাণিত হৈছিল। ফ্ৰয়েদীয় যৌন মনস্তত্বৰ দৃষ্টিৰে জীৱন বিশ্লেষণ কৰিবলৈ লোৱা হ'ল আৱাহন যুগতেই। ঠিক সেইদৰে মাৰ্স্কৰ দ্বন্দাত্মক বস্তুবাদৰ সূত্ৰ অনুসৰি সমাজৰ শ্ৰেণী চৰিত্ৰৰ বিশ্লেষণ কৰাৰ প্ৰৱণতা এটাও গঢ় লৈ উঠিছিল।[৪০] এই যুগৰগল্পকাৰসকলৰ ভিতৰত নগেন্দ্ৰনাৰায়ণ চৌধুৰী, লক্ষ্মীনাথ ফুকন, মহীচন্দ্ৰ বৰা, লক্ষ্মীধৰ শৰ্মা, হলীৰাম ডেকা, বীণা বৰুৱা, ৰমা দাস, ত্ৰৈলোক্যনাথ গোস্বামী, ৰাধিকামোহন গোস্বামী, কৃষ্ণ ভূঞা আদিৰ নাম উল্লেখযোগ্য।

আবাহন যুগৰ পথিকৃত লেখক নগেন্দ্ৰনাৰায়ণ চৌধুৰী এগৰাকী বিশিষ্ট গল্পলেখক বুলিয়েই নহয়, আৱাহন আলোচনীৰ জন্মদাতা হিচাপেও চৌধুৰীৰ ইতিহাস স্বীকৃত আসন এখন আছে । [৪১] চৌধুৰীৰ বেছিভাগ গল্প আৱাহন কাকতত প্ৰকাশ হৈছিল। তেওঁৰ কিছুমান গল্পত গ্ৰাম্য জীৱনৰ এক সুস্পষ্ট ছবি দাঙি ধৰিছে। তেওঁৰ গল্পৰ পটভূমি নগৰীয়া জীৱনৰ উপৰিও জনজাতীয় জীৱনক ভেঁটি কৰিও গল্প ৰচনা কৰিছে। চৌধুৰীৰ কেইটামান গল্পৰ প্ৰধান বিষয়বস্তু হৈছে প্ৰেম আৰু যৌন আকৰ্ষণ। চৌধুৰীৰ গল্পত নৰ-নাৰীৰ প্ৰেম বিৰহৰ যন্ত্ৰণাৰ ছবি পোৱা যায়। গল্পৰ চৰিত্ৰবোৰে কামনা-বাসনা চৰিতাৰ্থ কৰাৰ কাৰণে পূৰ্ণ অধিকাৰ পোৱা নাই; সামাজিক কঠোৰ নীতি নিয়মৰ মাজত ৰুদ্ধ হৈ যায়।

মহীচন্দ্র বৰাৰ গল্পতো বেজবৰুৱাৰ দৰে তীব্ৰ হাস্য আৰু ব্যঙ্গ সুৰ অনুৰণিত হয়। ব্যঙ্গ গল্পসমূহৰ ভিতৰত 'কেৰাণীৰ কপাল' তেওঁৰ সাৰ্থক সৃষ্টি। 'উকীলৰ জন্মৰহস্য'(১৯৭০) তেওঁৰ এখন উল্লেখযোগ্য গল্পগ্ৰন্থ।

লক্ষ্মীধৰ শৰ্মাৰ গল্পত সমাজ-সচেতনতা মূৰ্ত হৈ উঠিছে। তেওঁৰ গল্পত নৰ-নাৰীৰ যৌন কামনা-বাসনাৰ মনস্তাত্বিক বিশ্লেষণ পোৱা যায়। তেওঁৰ গল্পতেই পোন প্ৰথমে নাৰীয়ে পৰম্পৰাগত সামাজিক বান্ধোনৰ বিৰুদ্ধে গৈ বৈপ্লবিক মানসিকতাৰ পৰিচয় দিছে।[৪২] লক্ষ্মীধৰ শৰ্মাৰ গল্পৰ সংখ্যা বৰ বেছি নহয়। কিন্তু বিষয়বস্তুৰ বিচিত্ৰতাই গল্পসমূহক বিশেষ মাত্ৰা প্ৰদান কৰিছে। লক্ষ্মীধৰ শৰ্মাই কেৱল আৱাহন যুগৰ গল্পকে নহয় অসমীয়া গল্পসাহিত্যকো বিশেষ বৈচিত্ৰ্য প্ৰদান কৰিলে। লক্ষ্মীধৰ শৰ্মাৰ গল্পৰ জৰিয়তেই সাম্যবাদী আদৰ্শ, ফ্ৰয়েদীয় মনস্তত্ব, নাৰী মুক্তিৰ বৈপ্লবিক প্ৰৱণতা আদি ধাৰণাবোৰ বলিষ্ঠভাৱে প্ৰকাশ পাইছিল বুলি ক'ব পাৰি। তদুপৰি সমকালীন সময়ৰ ৰাজনৈতিক, সামাজিক আদি দিশবোৰৰ দুৰ্বলতাবোৰ সূক্ষ্মভাৱে বিশ্লেষণ কৰাৰ প্ৰয়াসে লক্ষ্মীধৰ শৰ্মাৰ গল্পক দিছে বিশেষ মাত্ৰা। তদুপৰি তেওঁৰ সুতীক্ষ্ণ লিখনিত উন্মোচিত হৈ পৰিছে সেই সময়ত নতুনকৈ গঢ় লৈ উঠা মধ্যবিত্ত শ্ৰেণীৰ স্বাৰ্থপৰতা, শঠতা, ভণ্ডামি আদিৰ স্বৰূপ। এটা বিশেষ সন্ধিক্ষণত অসমীয়া জাতীয় জীৱনৰ মাজলৈ সোমাই অহা সকলো ঘটনা-পৰিঘটনা ধ্যান-ধাৰণাক লক্ষ্মীধৰ শৰ্মাই গল্পৰ মাজেৰে তুলি ধৰিছে।[৪৩]

হলীৰাম ডেকাই গতানুগতিক ৰীতিৰ পৰা আঁতৰি আহি তেওঁৰ গল্পই এক নতুনত্ব ৰূপ লাভ কৰিছে। তেওঁৰ কিছু কিছু গল্পত হাস্য আৰু ব্যঙ্গ ৰসো দেখিবলৈ পোৱা যায়। 'ভ্ৰষ্টলিপি', 'দ্বিতীয় পক্ষ' আদি ডেকাৰ সাৰ্থক চুটিগল্প। ৰমা দাশৰ সৰহভাগ গল্পৰে প্ৰধান উপজীৱ্য বিষয় হৈছে নৰ-নাৰীৰ প্ৰেম। 'বৰ্ষা যেতিয়া নামে', 'প্ৰায়চিত্ত', 'অবুজ মায়া' আদি তেওঁৰ উল্লেখযোগ্য গল্প। বীণা বৰুৱা অৰ্থাৎ বিৰিঞ্চি কুমাৰ বৰুৱাৰ গল্প লিখা কাম আৱাহন যুগৰপৰা ৰামধেনু যুগলৈকে অব্যাহত ৰাখে। বীণা বৰুৱাৰ গল্পত আছে স্বাভাৱিক পৰিৱেশ, পৰিচিত চৰিত্ৰ আৰু সৰল কথন ভংগীৰ সহায়েৰে জীৱনৰ দুটা-এটা মৌলিক সত্য প্ৰকাশ কৰাৰ চেষ্টা।[৪৪] ত্ৰৈলোক্যনাথ গোস্বামীৰ গল্পত পোৱা যায় বৈধব্য যন্ত্ৰণা আৰু সামাজিক কুসংস্কাৰৰ বশৱৰ্তী হৈ মানুহৰ জীৱনৰ নিঃসহায় অৱস্থা। গোস্বামীৰ গল্পপুথি কেইখন হৈছে- 'অৰুণা'(১৯৪৮), 'মৰীচিকা'(১৯৪৮), 'শিল্পীৰ জন্ম'(১৯৫৭), 'জীৱনৰ জীয়া জুই'(১৯৭০) আৰু 'গল্প সমগ্ৰ'(১৯৮৮)। 'দৰিদ্ৰৰ বিননি', 'পতিত আৰু পতিতা', 'বিধৱা' আদি তেওঁৰ উল্লেখযোগ্য গল্প।

ৰাধিকামোহন গোস্বামীৰ গল্পত কিদৰে দৰিদ্ৰতাৰ কৱলত পৰি মানুহে নৈতিক প্ৰমূল্যক বিসৰ্জন দিব লগ হয়; এই ভাৱৰ সাৰ্থক প্ৰতিফলন ঘটিছে 'নিয়তি' গল্পত। ত্ৰৈলোক্যনাথ গোস্বামীৰ ভাষাত--

> *গোস্বামীৰ গল্পবোৰৰ মাজেদি সমাজ-সচেতনতা মূৰ্ত হৈ উঠিছে। আকৰ্ষণীয় পৰিস্থিতিৰ সৃষ্টি আৰু তাৰ মাজত মানৱৰ হা-হুতাশৰ বিশ্লেষণৰ ক্ষমতা তেওঁৰ আছে।*[৪৫]

একেদৰে আৱাহন যুগতে গল্পকাৰ ৰূপে প্ৰতিষ্ঠা লাভ কৰি ৰামধেনু যুগলৈকে গল্প লিখাৰ কাম অব্যাহত ৰখা কৃষ্ণ ভূঞাৰ অসমীয়া চুটিগল্পত এক বিশেষ স্থান আছে। ইয়াৰ উপৰিও আৱাহন যুগৰ অন্যান্য গল্পকাৰসকলৰ ভিতৰত মুনীন বৰকটকী , দীপান্বিতা চৌধুৰী, উমেশ চন্দ্ৰ শইকীয়া, উমাকান্ত শৰ্মা আদি প্ৰধান।

**'জয়ন্তী' আৰু 'বাঁহী' কাকতঃ**

আৱাহন যুগৰ পিছত জনপ্ৰিয়তা লাভ কৰা আলোচনীখন হ'ল 'জয়ন্তী' । ১৯৩৯ চনত দ্বিতীয়. বিশ্বযুদ্ধ আৰম্ভ হয়। ঘাইকৈ প্ৰথম বিশ্বযুদ্ধৰ প্ৰভাৱ ইউৰোপতে সীমাবদ্ধ আছিল, অন্যান্য দেশসমূহত ইয়াৰ প্ৰভাৱ আছিল পৰোক্ষ। কিন্তু দ্বিতীয় বিশ্বযুদ্ধই সমগ্ৰ পৃথিৱীকে চুই গ'ল। অসমৰ সমাজ জীৱনলৈকে এই প্ৰভাৱ প্ৰসাৰিত হ'ল। যুদ্ধৰ বাতাবৰণে মানুহৰ চিন্তাধাৰাৰ বিশেষভাবে পৰিবৰ্তন ঘটালে। মানুহৰ চিন্তাধাৰাৰ পৰিবৰ্তনৰ লগে লগে সাহিত্যতো নতুন নতুন বিষয়ৰ সমাবেশ ঘটিল। এই পৰিবৰ্তনৰ মূলতে অকল দ্বিতীয় বিশ্বযুদ্ধই নহয়, সেই একে সময়তে সংঘটিত হৈছিল কেইবাটাও যুগান্তকাৰী ঘটনা। ১৯৩৯ চনৰপৰা ১৯৪৫ চনলৈ চলি থাকিল দ্বিতীয় বিশ্বযুদ্ধ, ১৯৪২ চনত 'ভাৰত ত্যাগ আন্দোলন', ১৯৪৩ চনৰ বাংলা দেশৰ দুৰ্ভিক্ষ আৰু প্ৰাকৃতিক দুৰ্যোগ, ১৯৪৬ চনত হিন্দু মুছলমানৰ সাম্প্ৰদায়িক সংঘৰ্ষ, ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ পিছত ভাৰত বিভাজিত হৈ ভাৰত আৰু পাকিস্থান দুখন সুকীয়া ৰাজ্যত পৰিণত হয়। এনে এক বিভীষিকাময় অৱস্থাত সমাজ-জীৱন প্ৰায় ৰুদ্ধ হৈ পৰিছিল। বিশ্বযুদ্ধৰ এই সময়ত সাহিত্যৰ গতি প্ৰায় মন্থৰ হৈছিল। 'আৱাহন' কাকত চলি আছিল যদিও তাৰ অৱস্থা আছিল নিশকতীয়া। অসমীয়া সাহিত্যৰ এই যুগসন্ধিত নতুন প্ৰশ্নশীলতা আৰু আদৰ্শিক আন্দোলনৰ মুখপত্ৰ হিচাপে যিখন আলোচনীয়ে মুখ্য ভূমিকা

গ্ৰহণ কৰিছিল, সেই আলোচনীখন হ'ল ১৯৪৩ চনত কমলনাৰায়ণদেৱৰ সম্পাদনাত নতুন ৰূপত প্ৰকাশ পোৱা 'জয়ন্তী'।[৪৬]

'জয়ন্তী' পাতত লিখা গল্পকাৰসকলৰ ভিতৰত গোবিন্দ চন্দ্ৰ পৈৰা, হৰিপ্ৰসাদ গোৰ্খাৰায়, মোহনলাল চৌধুৰী, ইন্দিবৰ গগৈ, জগদীশ মেধি, কমলেশ্বৰ চলিহা, দৈৱচন্দ্ৰ তালুকদাৰ, তিলক কাকতি, কমল গগৈ, আদিৰ নাম উল্লেখযোগ্য। অসমীয়া চুটিগল্পৰ বিৱৰ্তনত 'জয়ন্তী' ৰ ভূমিকা উল্লেখযোগ্য নহয়, অৰ্থাৎ 'জয়ন্তী'য়ে নতুন ধাৰাৰ সাৰ্থক গল্পকাৰ সৃষ্টি কৰিলে বুলি দাবী কৰিব নোৱাৰি। কিন্তু 'জয়ন্তী'য়ে অসমীয়া লেখকসকলক জীৱন আৰু জগতৰ প্ৰতি যি নতুন দৃষ্টিভংগীৰ সম্ভেদ দিলে, অসমীয়া সাহিত্যত তাৰ সূক্ষ্ম আৰু সুদুৰপ্ৰসাৰী প্ৰভাৱ কোনেও অস্বীকাৰ কৰিব নোৱাৰে।[৪৭]

চল্লিচৰ দশকৰ আন এখন আলোচনী হ'ল মাধৱ বেজবৰুৱা সম্পাদিত **'বাঁহী'**। 'বাঁহী' আলোচনীখন সাদিনীয়া ৰূপত প্ৰকাশিত হৈছিল। 'জয়ন্তী'ৰ দৰে 'বাঁহীৰ কোনো ৰাজনৈতিক দৰ্শন বা আদৰ্শ নাছিল। সাধাৰণভাবে জাতীয়তাবাদী আৰু অসম প্ৰেমী এই আলোচনীখনে সকলো দৃষ্টিভংগী লেখককে সমানে আদৰিছিল।[৪৮]

ইয়াৰ পিছতে অসমীয়া সাহিত্যত আলোড়ন সৃষ্টি কৰা আলোচনীখন হৈছে পঞ্চাশৰ দশকৰ 'ৰামধেনু' । ১৯৫১ চনত বীৰেন্দ্ৰনাথ ভট্টাচাৰ্যৰ সম্পাদনাত 'ৰামধেনু' প্ৰকাশ হোৱাৰ লগে লগে অসমীয়া সাহিত্যৰ চুটিগল্পৰ ধাৰাটোৰ অধিক ফলপ্ৰসু হ'বলৈ ধৰে। যুদ্ধৰ বাতাবৰণে সমাজ-জীৱনৰ বিভিন্ন পৰিবৰ্তন ঘটালে। মানুহৰ প্ৰচলিত মূল্যবোধ ৰ অবক্ষয় ঘটিল। শোষক শ্ৰেণীৰ কৱলত সাধাৰণ শ্ৰেণীৰ লোকৰ যন্ত্ৰণাময় অৱস্থা, আদি বিভিন্ন সমস্যাৰাজি ৰামধেনু যুগৰ গল্পৰ বিষয়বস্তু হৈ পৰিছিল। পূৰ্বৰ ৰোমান্টিক ভাৱধাৰাৰ পৰা আঁতৰি আহি গল্পত সমাজ বাস্তবতাই দেখা দিলে। মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ, ফ্ৰয়েদীয় মনস্তত্বৰ প্ৰভাৱ ৰামধেনু যুগৰ চুটিগল্পক সমৃদ্ধ কৰিলে। ফ্ৰয়েদীয় মনস্তত্বৰ প্ৰভাৱ আগৰ গল্পসমূহতো পৰিছিল যদিও ৰামধেনু যুগত ইয়াৰ প্ৰভাৱ ব্যাপক ৰূপত প্ৰতিপলিত হৈছে। এই শ্ৰেণীৰ লখকসকলৰ ৰচনাত মাৰ্ক্সবাদৰ প্ৰভাৱ বিশেষভাৱে দেখা যায়। আনবাতে আকৌ আধুনিক মনোবিজ্ঞানে বিশেষকৈ ফ্ৰয়েডৰ বিশ্লেষণ প্ৰণালীয়ে, বা যৌন দৰ্শনে বহুতো লেখকক প্ৰভাৱান্বিত কৰিছে। ৰোমান্টিক ভাৱাদৰ্শৰ ঠাই অধিকাৰ কৰিছে বাস্তৱবাদে, সৰল বৰ্ণনাৰ ঠাই অধিকাৰ কৰিছে বিশ্লেষণে আৰু লগে লগে বুদ্ধিমত্তাৰ অধিক প্ৰয়োগ লক্ষ্য কৰা যায়।[৪৯]

ৰামধেনু যুগত আধুনিক সাহিত্য বুলিলে এহাতে সমসাময়িক বিশ্বৰ ৰাজনৈতিক,

অৰ্থনৈতিক চেতনাৰে আমাৰ সমাজৰ জনগনৰ সমস্যা প্ৰতিফলন কৰা আৰু আনহাতে সমসাময়িক পাশ্চাত্য মনস্তত্ব দৰ্শন আৰু বিজ্ঞানৰ জ্ঞানৰ সহায়ত মানুহৰ অন্তৰ্জগতৰ যথোপযুক্ত পৰিচয়েৰে সমকালীন ব্যক্তিসত্বাক ফুটাই তোলা সাহিত্যকে বুজোৰা হৈছিল।[৫০]

ৰামধেনু যুগৰ সাহিত্যিকসকলে অসমীয়া সাহিত্যক বিশ্বমুখী কৰাৰ এক প্ৰচেষ্টা হাতত লৈছিল। সাহিত্যত ফুটি উঠা জীৱন, সমাজ আৰু সাহিত্য সম্পৰ্কে এক নতুন দৃষ্টিভংগী পোষণ কৰিছিল। পাশ্চাত্য সাহিত্যৰ ধ্যান-ধাৰণাৰে ৰামধেনু যুগৰ সাহিত্য পৰিপুষ্ট হৈ পৰিছিল।

**বাংলা চুটিগল্পৰ পটভূমিঃ**

বাংলা সাহিত্যত চুটিগল্পই প্ৰাণ পাই উঠে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ হাতত। বাংলা গীতি কবিতাত যিদৰে তেওঁ একছত্ৰী সম্ৰাটৰ ভূমিকা পালন কৰিছিল থিক তেনেদৰে গল্প সাহিত্যৰ ক্ষেত্ৰতো চুটিগল্পৰ প্ৰাণ প্ৰতিষ্ঠা কৰি এটা যুগৰ সূচনা কৰিছিল। ৰবীন্দ্ৰনাথ ঠাকুৰৰ আগতে বাংলা সাহিত্যত দুই এজন গল্পকাৰে গল্প লিখাৰ প্ৰয়াস কৰিছিল যদিও এই গল্পসমূহে প্ৰকৃততে চুটিগল্পৰ ৰূপ লাভ কৰা নাছিল। ১৮৭২ চনত (১২৭৯ বাংলা চন) বাংলা সাহিত্যত **'বঙ্গদৰ্শন'** আলোচনী প্ৰকাশৰ লগে লগে নতুন পুৰুষৰ মাজত এক বৈপ্লবিক পৰিৱৰ্তনৰ সূচনা হৈছিল। 'বঙ্গদৰ্শন' আলোচনী কেৱল নতুন যুগৰ পথিকৃত নহয়, ই নৱজীৱনৰ ধাৰাবাহকো আছিল। ইয়াৰ পৰৱৰ্তী 'ভাৰতী', 'সাধনা', 'হিতবাদী', 'নৱজীৱন', 'সাহিত্য' আদি ঊনৈশ শতিকাৰ শ্ৰেষ্ঠ সাহিত্য পত্ৰিকাৰ প্ৰবাহ 'বঙ্গদৰ্শন' ৰ প্ৰেৰণাতেই ঠন ধৰি উঠিছিল।[৫১]

বংকিমচন্দ্ৰই 'বঙ্গদৰ্শন'ৰ পাতত 'ইন্দিৰা' আৰু 'যুগলাঙ্গৰীয়' নামৰ দুটি চুটি আকাৰৰ গল্প ৰচনা কৰিছিল। 'যুগলাঙ্গৰীয়' আৰু 'ইন্দিৰা'ক 'বঙ্গদৰ্শন'ত উপন্যাস ৰূপে পৰিচিত কৰিছে। কিয়নো গল্প দুটা দীঘল, গতিকে উপন্যাস ধৰ্মী ৰচনা হৈ পৰিছে। ইয়াৰ উপৰিও 'বঙ্গদৰ্শন' ৰ পাতত প্ৰকাশিত আন এটি গল্প হ'ল পূৰ্ণচন্দ্ৰ চট্টোপাধ্যায়ৰ 'মধুমতী' (১২৮০ বঙ্গাব্দ) । 'বংগদৰ্শন'ত 'মধুমতীক' উপন্যাস হিচাপে অভিহিত কৰিলেও 'মধুমতী' নামৰ লেখাটোৰে কিছু পৰিমানে হ'লেও যথাৰ্থ চুটিগল্পৰ সম্ভাৱনাক অংকুৰিত কৰিছিল।[৫২] ইয়াৰ উপৰিও স্বৰ্ণকুমাৰী দেৱী , ত্ৰৈলোক্যনাথ মুখোপাধ্যায়, সঞ্জীব চট্টোপাধ্যায়, আদি লিখক সকলেও গল্প ৰচনাত হাত দিছিল যদিও এই গল্পসমূহে চুটিগল্পৰ বৈশিষ্ট্য লাভ কৰিব পৰা নাছিল । এই সময়ছোৰা চুটিগল্পৰ প্ৰস্তুতিপৰ্ব বুলিহে ধৰি ল'ব পাৰি । এনেদৰে ৰবীন্দ্ৰনাথৰ আগতেও কোনো গল্পকাৰে গল্প ৰচনাত প্ৰবৃত্ত হৈছিল যদিও সেই গল্পসমূহে সাৰ্থক চুটিগল্পৰ শাৰীত থিয় হ'ব পৰা নাছিল।

বাংলা চুটিগল্পই পূৰ্ণতা লাভ কৰে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ হাতত। বাংলা চুটিগল্পৰ ইতিহাস আৰম্ভ হৈছিল ৰবীন্দ্ৰনাথৰ 'ভাৰতী' আলোচনীত প্ৰকাশ পোৱা 'ভিখাৰিণী'(১৮৭৪) গল্পৰ যোগেদি। ৰবীন্দ্ৰনাথৰ 'ভিখাৰিণী' উৎকৃষ্ট গল্পকলাৰ নিদৰ্শন নহয়। কিন্তু ইয়াৰ মাজতে গল্পাঙ্কুৰ নিহিত হৈ আছিল বুলিয়েই বিশেষভাবে উল্লেখযোগ্য । কৰুণ ৰসৰ ভাবাবেগেৰে পৰিপূৰ্ণ এই গল্পটি কিশোৰ লেখকৰ অপৰিণত ৰচনা। ইয়াৰ পিছত চৈধ্য বচৰ পিছত 'ঘাটেৰ কথা' আৰু 'ৰাজপথেৰ কথা' প্ৰকাশ পাইছিল। এই গল্প দুটাৰ মাজতো চুটিগল্পৰ বিশিষ্ট লক্ষণসমূহ প্ৰস্ফুটিত হৈ উঠা নাছিল।[৫৩]

১৮৯১ চনত (১২৯৮ বঙ্গাব্দ) 'হিতবাদী' কাকত প্ৰকাশ হৈছিল। এই কাকতখনৰ সম্পাদক আছিল দাৰ্শনিক পণ্ডিত কৃষ্ণকমল ভট্টাচাৰ্য আৰু সাহিত্য সম্পাদক আছিল ৰবীন্দ্ৰনাথ ঠাকুৰ। এই 'হিতবাদী' কাকততে প্ৰকাশ হৈছিল ৰবীন্দ্ৰনাথৰ 'দেনাপাওনা' (১৮৯১) গল্প। এই গল্পটোৰেই প্ৰকৃততে চুটিগল্পৰ ৰূপ লাভ কৰে। এই গল্পটোৰপৰাই পৰাই বিষয় বৈচিত্ৰ্য ,ভাৱ ভংগীৰ ভিন্ন প্ৰকাশ আদিৰ ক্ষেত্ৰত বাংলা চুটিগল্পই এক পৰিপুষ্টি লাভ কৰিলে।[৫৪] 'হিতবাদী' পত্ৰিকাত সাতটি গল্প প্ৰকাশ হৈছিল। 'হিতবাদী' পত্ৰিকাত প্ৰকাশিত গল্পসমূহ হৈছে- 'দেনাপাওনা', 'পোষ্টমাষ্টাৰ', 'গিন্নী' 'ৰামকানেইৰ নিৰ্বুদ্ধিতা', 'ব্যৱধান', 'তাৰাপ্ৰসন্নেৰ কীৰ্তি'।[৫৫] এই কাকতখনত লিখা প্ৰায়ভাগ গল্পৰেই বিষয়বস্তু নিসঙ্গ মানৱ হৃদয়।

কিন্তু এই বছৰতেই প্ৰকাশিত হয় 'সাধনা'(১৮৯১-১৮৯৫) পত্ৰিকা। এই পৰ্যায়ত তেওঁ ৩৬ টা গল্প লিখিছিল। গল্পকেইটা হ'ল-'খোকাবাবুৰ প্ৰত্যাৱৰ্তন', 'সম্পত্তি সমৰ্পন', ' দালিয়া', 'কঙ্কাল', 'মুক্তিৰ উপায়', 'ত্যাগ', 'একৰাত্ৰি', 'একটি আষাঢ়ে গল্প', 'জীৱিত ও মৃত', 'স্বৰ্ণমৃগ', 'ৰীতিমত নভেল', 'জয়পৰাজয়', 'কাবুলিওয়ালা', 'ছুটি', 'সুভা', 'মহামায়া', 'দান প্ৰতিদান', 'সম্পাদক', 'মধ্যৱৰ্তনী', 'অসম্ভৱ কথা', শাস্তি', 'একটি ক্ষূদ্ৰ পূৰাতন গল্প', 'সমাপ্তি', 'সমস্যাপূৰণ', 'অনাধিকাৰ প্ৰবেশ', 'মেঘ ও ৰৌদ্ৰ', 'প্ৰায়চিত্ত', 'বিচাৰক', 'নিশীথে', 'আপদ', 'দিদি', 'মানভঞ্জন', 'ঠাকুৰ্দা', 'প্ৰতিহিংসা', 'ক্ষুধিত পাষাণ', 'অতিথি'।[৫৬] ৰবীন্দ্ৰনাথৰ বহু জনপ্ৰিয় গল্প এই সময়তেই লিখা।

ৰবীন্দ্ৰ গল্পধাৰাত এক নতুন প্ৰকৃতি বিকশিত হৈ উঠিছিল 'সবুজপত্ৰ' ৰ পৰ্যায়ত। প্ৰমথ চৌধুৰীৰ সম্পাদনাত ১৩২১ বাংলা চনত ২৫ বহাগত ৰবীন্দ্ৰনাথৰ জন্মদিনত 'সবুজপত্ৰ' প্ৰথম প্ৰকাশ ঘটিছিল।[৫৭] 'সবুজপত্ৰ'ৰ প্ৰথম বছৰত ৰবীন্দ্ৰনাথৰ সাতটা চুটিগল্প প্ৰকাশিত হৈছিল। এই সাতটা গল্প যথাক্ৰমে 'হৈমন্তী', 'বোষ্টমী', 'স্ত্ৰীৰ পত্ৰ', 'ভাইফোঁটা', 'অপৰিচিতা' 'পয়লা নম্বৰ'

আৰু ‘পাত্র ও পাত্রী’। চতুর্থ বছৰত প্ৰকাশ হয় আৰু তিনিটা গল্প। এই তিনিটা গল্প হৈছে- ‘হালদাৰগোষ্ঠী’, ‘শেষেৰ ৰাত্রি’ আৰু ‘তপস্বিনী’।[৫৮]এই গল্পসমূহৰ পিছত ‘প্রবাসী’ত প্ৰকাশিত হৈছিল ৰাজনৈতিক গল্প ‘সংস্কাৰ’ আৰু ‘নামমঞ্জুৰ গল্প’। ইয়াৰ পিছত গল্প লিখাৰ ধাৰাবাহিকতা ছিন্ন হৈ পৰে। ৰবীন্দ্রনাথৰ শেষ পর্যায়ত লিখা গল্পসংকলন ‘তিনিসঙ্গী’ ৰ গল্পসমূহো আশ্চর্যকৰ হৈ উঠিছে। বাকদ্যুতি, গল্পৰ বিদগ্ধ ভঙ্গীমা, নাৰীত্বৰ নৱমূল্য আবিষ্কাৰ, বিজ্ঞানৰ নতুন দিগন্তৰ উন্মোচন প্রভৃতি বৈশিষ্ট্য গল্পসমূহৰ মাজেদি পৰিস্ফুট হৈ উঠিছে।[৫৯]

ৰবীন্দ্রনাথৰ গল্পৰ বিষয়বস্তুৰ বিচিত্ৰতাই গল্পসমূহক এক অনন্য মাত্রা প্রদান কৰিছে। প্ৰেম, সামাজিক জীৱনৰ সম্পৰ্কৰ বৈচিত্র্য, বহিঃপ্রকৃতিৰ লগত মানৱ মনৰ নিগূঢ় সম্পর্ক, অতিপ্রাকৃত ঘটনাৰাজিৰ সমাবেশ আদি বিষয়বস্তু গল্পসমূহত দেখিবলৈ পোৱা যায়। ৰবীন্দ্রনাথ ঠাকুৰ যথাৰ্থতে এজন সমাজ-সংস্কাৰক। তেওঁৰ গল্পসমূহত তদানীন্তন সমাজ-জীৱনৰ অন্ধবিশ্বাস, কুসংস্কাৰ, ৰক্ষণশীলতা আদিৰ বিৰুদ্ধে গৈ প্ৰগতিশীল মনৰ পৰিচয় দিছে। গল্পসমূহত বিশেষকৈ নাৰীৰ নিৰ্যাতন, সামাজিক জীৱনত পদে পদে নাৰীৰ লাঞ্চনা আদি বিষয়সমূহক অতি গুৰুত্ব সহকাৰে গল্পৰ বিষয়বস্তু হিচাপে নির্বাচন কৰি উলিয়াইছে।

ৰবীন্দ্রনাথৰ প্ৰথম ভাগত লিখা গল্পৰ পটভূমি বর্তমান যাক বাংলাদেশ বুলি কোৱা হয়, আগতে যি পূর্ববঙ্গ আৰু মধ্যবঙ্গৰ অন্তৰ্গত আছিল তাৰে খণ্ডিত অংশক ভিত্তি কৰি চুটিগল্পসমূহ ৰচনা কৰা হৈছিল আৰু তাৰ কেন্দ্ৰবিন্দু আছিল নদী। প্রধানভাৱে আছিল পদ্মা আৰু ইয়াৰ উপৰিও ব্ৰহ্মপুত্ৰ, যমুনা, আত্ৰেয়ী, নাগৰ, গোড়াই আৰু ইছামতী আদি আছিল। পাবনা জিলাৰ একাংশ ব্যাপ্ত হৈ থকা অনিৰ্দিষ্ট আকাৰৰ চলনবিলকো অগ্রাহ্য কৰিব নোৱাৰি।[৬০] জমিদাৰী কার্য পৰিচালনাৰ অৰ্থে শিলাইদহ, সাজাদপুৰ আদি ঠাইত থাকিবলগীয়া হোৱা বাবে গ্রামাঞ্চলৰ পৰিবেশ আৰু বিশেষকৈ আৰু পদ্মা নদীৰ সৌন্দৰ্যই ৰবীন্দ্রনাথৰ সৃষ্টি কার্যত অধিক প্রেৰণা যোগাইছিল। শিলাইদহত থকা অৱস্থাত ১৮৯৩ চনৰ ২ মে’ ত লিখা ‘ছিন্নপত্ৰ’ত উল্লেখ আছে- “বাস্তবিক পদ্মাকে আমি বড়ো ভালোবাসি। ইন্দ্ৰ যেমন ঐৰাৱত আমাৰ তেমনি পদ্মা- আমাৰ যথার্থ বাহন; খুব বেশি পোষ-মানা নয়, কিছু বুনোৰকম; কিন্তু ওৰ পিঠে এবং কাঁধে হাত বুলিয়ে একে আমাৰ আদৰ কৰতে ইচ্ছা কৰে। এখন পদ্মাৰ জল অনেক কম গেছে- বেশ স্বচ্ছ কৃশকায় হয়ে এসেছে- একটি পাণ্ডুবর্ণ ছিপছিপে মেয়েৰ মতো, নৰম শাড়িটি বেশ গায়েৰ গতিৰ সঙ্গে বেশ সংলগ্ন। সুন্দৰ ভঙ্গিতে চলে যাচ্ছে, আৰ শাড়িটি গায়েৰ সঙ্গে বেশ সংলগ্ন। সুন্দৰ ভংগিতে চলে যাচ্ছে, আৰ শাড়িটি বেশ গায়েৰ গতিৰ সঙ্গে সঙ্গে বেঁকে যাচ্ছে। আমি যখন শিলাইদহ বোটে

থাকি তখন পদ্মা আমাৰ পক্ষে সত্যিকাৰ  একটি স্বতন্ত্র মানুষেৰ মতো, অতএব তাক কথা যদি কিছু বাহুল্য কৰে লিখি তবে সে কথাগুলো চিঠিতে লেখবাৰ অযোগ্য মনে কৰা উচিত হবে না।"[৬১]

'পোষ্টমাষ্টাৰ' গল্পটো ৰবীন্দ্ৰনাথৰ এক উল্লেখযোগ্য গল্প। 'পোষ্টমাষ্টাৰ' গল্পটো লিখা প্ৰসংগত সাজাদপুৰত থকা সময়ত ২৯ জুন ১৮৯২ চনত লিখা 'ছিন্নপত্ৰ'ত উল্লেখ আছে--

*যখন আমাদেৰ এই কুঠিবাড়িৰ একতলাতেই পোস্ট-অপিস ছিল এবং আমি এঁকে প্ৰতিদিন দেখতে পেতুম, তখনেই আমি একদিন দুপুৰবেলায় এই দোতালায় বসে সেই পোস্টমাষ্টাৰেৰ গল্পচি লিখেছিলুম। এবং সে গল্পটি যখন হিতবাদীতে বেৰোল তখন আমাদেৰ পোস্টমাষ্টাৰ বাবু তাৰ উল্লেখ কৰে বিস্তৰ লজ্জামিশ্ৰিত হাস্য বিস্তাৰ কৰিছিলেন।*[৬২]

গল্পটোত ৰতনৰ নিসঙ্গ ৰূপ, পোষ্টমাষ্টৰৰ মানৱতা আৰু লগতে সহচৰ হিচাপে প্ৰকৃতিৰ অতুলনীয় সৌন্দৰ্যৰ বৰ্ণনাই গল্পটোৰ সৌন্দৰ্য দুগুণে চৰিছে। পোষ্টমাষ্টৰৰ লগত বালিকা ৰতনৰ এক আন্তৰিক সম্পৰ্ক গঢ় লৈ উঠিছিল। পোষ্টমাষ্টৰে ৰতনক বহুত মৰমেৰে আঁকোৱালি লৈছিল। আনকি ৰতনৰ পঢ়াৰ ক্ষেত্ৰতো যত্ন লৈছিল। অনাথ বালিকা ৰতনে পোষ্টমাষ্টৰৰ আদৰ আৰু যত্নত কৃতজ্ঞ হৈ পৰিছিল।

কিন্তু পোষ্টমাষ্টৰে এদিন চাকৰিৰপৰা বদলি হৈ তাৰ পৰা যাবলগীয়া হোৱাত ৰতন অকলশৰীয়া হৈ পৰে। পোষ্টমাষ্টৰৰ বিদায়ৰ সময়ত ৰতনে মৰ্মাহত হৈ পৰিছিল। পোষ্টমাষ্টৰেও বিদায়ৰ সময়ত আবেগিক হৈ পৰিছিল-" যখন নৌকায় উঠিলেন এবং নৌকা ছাড়িয়া দিল, বৰ্ষাবিস্ফাৰিত নদী ধৰণীৰ উচ্ছলিত অশ্ৰুৰাশিৰ মতো চাৰিদিকে ছলছল কৰিতে লাগিল, তখন হৃদয়েৰ মধ্যে অত্যন্ত একটা বেদনা অনুভৱ কৰিতে লাগিলেন- একটি সামান্য গ্ৰাম্য বালিকাৰ কৰুণ মুখচ্ছবি যেন এক বিশ্বব্যাপী বৃহৎ অব্যক্ত মৰ্মব্যথা প্ৰকাশ কৰিতে লাগিল। একবাৰ নিতান্ত ইচ্ছা হইল, ফিৰিয়া যাই, জগতেৰ ক্ৰোৰবিচ্যুত সেই  অনাথিনীকে সঙ্গে কৰিয়া লইয়া আসি- কিন্তু তখন পালে বাতাস পাইয়াছে, বৰ্ষাৰ স্ৰোতে খৰতৰ বেগে বহিতেছে, গ্ৰাম অতিক্ৰম কৰিয়া নদীকুলেৰ শ্মশান দেখা দিয়াছে--

*এবং নদীপ্ৰবাহে ভাসমান পথিকেৰ উদাস হৃদয়ে এই তত্বেৰ উদয় হইল, জীৱন এমন কত বিচ্ছেদ, কত মৃত্যু আছে, ফিৰিয়া ফল কী। পৃথিৱীতে কে কাহাৰ।"*[৬৩]

কিন্তু ৰতনে পোষ্টমাষ্টৰ আহিব বুলি এক আশাত বন্দী হৈ পৰিল।

'দেনাপাওনা' গল্পত পণপ্ৰথাই আছিল নিৰুপমাৰ জীৱনৰ অভিশাপস্বৰূপ। স্বামীৰ ঘৰখনে বিচৰাধৰণে পণ আদায় দিব নোৱাৰাৰ কাৰণে নিৰুপমা শহুৰেকৰ ঘৰখনত অনাদৰৰ পাত্ৰী হৈ পৰে। শাহুৱেকৰ ৰুক্ষ বচন শুনাতো নিৰুপমাৰ নিত্য-নৈমিত্তিক কাৰ্যত পৰিণত হৈছিল। কিন্তু নিৰুপমাই পণ প্ৰথাৰ ওচৰত মূৰ নোদোৱাই পিতৃক সেই টকা নিদিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈ পৰিছিল। এয়া পণ প্ৰথাৰ বিৰুদ্ধে এক প্ৰতিবাদী পদক্ষেপ। শেষত নিৰুপমাই অনাদৰ অৱহেলাত মৃত্যুমুখত পৰে।

'কাবুলিওৱালা' গল্পটোত কাবুলিওৱালাৰ চিৰন্তন পিতৃহৃদয়ৰ ছবি এখন দেখিবলৈ পোৱা যায়। কাবুলিওৱালা বুলি মানুহৰ মনত কৰ্কশ, কঠোৰ বুলি যি এটা ধাৰণা থাকে, থিক তেনেদৰে মিনিৰ দেউতাক মাকেও প্ৰথমতে কাবুলিওৱালাৰ প্ৰতি এক ভুল ধাৰণাহে লৈ আছিল। তেওঁ কাবুলিওৱালা হ'লেও তেওঁৰো যে এখন পিতৃ হৃদয় থাকিব পাৰে সেই কথাটো প্ৰথমতে মিনিৰ মাক দেউতাকে উপলব্ধি কৰা নাছিল। কাবুলিওৱালাই মিনিক লগ ধৰিবলৈ আহি মৰম কৰা, মৰমতে আঙুৰ, খিচমিচ, বাদাম আনি দিয়াৰ উদ্দেশ্য বুজি নাপাই মিনিৰ মাক দেউতাকে প্ৰথমতে ভয় কৰিছিল। পিছত কাবুলিয়ালাৰ উদ্দেশ্য গম পালে। তেওঁৰো নিজৰ দেশত মিনিৰ সমবয়সীয়া ছোৱালী এজনী আছে; গতিকে নিজৰ ছোৱালীজনীক লগ নাপাই মিনিৰ মাজতে ছোৱালীজনীক বিচাৰি চাই মনৰ বেদনাখিনিৰ কিছু প্ৰশান্তি লাভ কৰে। শিশিৰ কুমাৰ দাশৰ ভাষাত-

> *জগৎ আজ এই দীৰ্ঘ নিশ্বাসেৰ মূল্য বুজবে না। এই অসীম জীৱন সমুদ্ৰে মানুষ ক্ষুদ্ৰ দীপবিন্দু, প্ৰত্যকৰে সঙ্গে প্ৰত্যেকৰে তফাত। সে একা। এই নিঃসঙ্গতাৰ বেদনা ও মাধুৰী 'গল্পগুচ্ছে'ৰ অন্যতম বৈশিষ্ট্য। এখানেই ৰবীন্দ্ৰনাথৰ গল্পৰ অসাধাৰণত্ব।*[৬৪]

ৰবীন্দ্ৰনাথে তেওঁৰ গল্পত জগত আৰু জীৱনৰ বিচিত্ৰ ছবি অংকন কৰিছে। শিলাইদহত থকা সময়ত তেওঁৰ গ্ৰাম্য জীৱন আৰু প্ৰকৃতি ৰাজ্যৰ লগত গঢ়ি উঠিছিল এক গভীৰ আত্মীয়তা। তাতে তেওঁ বিচাৰি পাইছিল গল্প লিখাৰ অপূৰ্ব সমল। দৈনন্দিন জীৱনৰ সৰু-বৰ ঘটনাই তেওঁৰ গল্পক সমৃদ্ধ কৰিছে। ৰবীন্দ্ৰনাথৰ প্ৰথম পৰ্বৰ গল্পৰ মানসিকতাই আছিল নিসৰ্গমুখী। শিশিৰ কুমাৰ দাশৰ ভাষাত--

> *প্ৰকৃতি এমন স্বাভাবিকভাৱে 'গল্পগুচ্ছে' আত্মপ্ৰকাশ কৰেছে, বাংলাদেশেৰ প্ৰকৃতি,- তাৰ সবুজ ধানক্ষেত আঁকাবাকা নদীনালা, খাল, বিল, ছায়াচ্ছন্ন পথঘাট, আমজামঘন ছোটছোট গ্ৰাম, প্ৰবল দুৰন্ত পদ্মা, শীতেৰ মৃদু ৰৌদ্ৰ, বৰ্ষাৰ মেঘমেদুৰ আকাশ, শৰতেৰ ক্ষান্তবৰ্ষণ নীল মধ্যাহ্ন ও নদীতীৰেৰ বিষাদভৰা উদাসী সন্ধ্যা-সে বলা চলে*

*ৰবীন্দ্ৰনাথেৰ প্ৰথমপৰ্বেৰ বহু গল্প প্ৰকৃতি-স্তন্যলালিত।*[৬৫]

কিছু কিছু গল্পৰ মাজত প্ৰকৃতিৰ বাস্তৱ ৰূপ সজীৱ হৈ উঠিছে আৰু কিছু কিছু গল্পত প্ৰকৃতি গূঢ় প্ৰতীক ৰূপত উদ্ভাসিত হৈ উঠিছে।

ৰবীন্দ্ৰনাথৰ গল্পত প্ৰকৃতি অকল পটভূমিয়েই নহয়, ই মানৱ জীৱনৰ সঙ্গীস্বৰূপ হৈ পৰিছে। প্ৰকৃতিৰ লগতে মিলিত হৈ আছে ব্যক্তি হৃদয়ৰ নানা অনুভূতি, নানা সুখ আৰু ব্যৰ্থতাবোধ। 'ছুটি', 'সুভা', 'সমাপ্তি', 'আপদ', অতিথি  আদি গল্পৰ চৰিত্ৰসমূহ প্ৰকৃতিৰেই সন্তান। ৰবীন্দ্ৰনাথে শিলাইদহত থকা সময়ত প্ৰকৃতিৰ সৌন্দৰ্যৰ লগত নিজকে বিলীন কৰি দিছিল। লগতে গ্ৰাম্য জীৱনধাৰাৰ চাল-চলন লক্ষ্য কৰিও আকৃষ্ট হৈ পৰিছিল। এই গল্পসমূহ এনে এক সৌন্দৰ্যচেতনাৰ উপলব্ধিৰেই ফলশ্ৰুতি বুলি ক'ব পাৰি। শিলাইদহত থকা সময়ত ৭ এপ্ৰিল ১৮৯২ চনত 'ছিন্নপত্ৰ'ত লিখিছিল--

> *আমাৰ ডান দিকেৰ পাৰেৰ চৰেৰ উপৰ চাষাৰা চাষ কৰছে এবং মাঝে মাঝে গোৰুকে জল খাইয়ে নিয়ে যাচ্ছে; আমাৰ বাম পাৰে শিলাইদহেৰ নাৰকেল এবং আম বাগান, ঘাটে মেয়েৰা কাপড় কাচছে, জল তুলছে স্নান কৰছে এবং উচ্চঃস্বৰে বাঙাল ভাষায় হাস্যালাপ কৰছে; যাৰা অল্পবয়সী মেয়ে তাদেৰ জলক্ৰীড়া আৰ শেষ হয় না। একবাৰ স্নান সেৰে উপৰে উঠছে, আবাৰ ঝুপ কৰে জলে ঝাঁপিয়ে পড়ছে। তাদেৰ নিশ্চিন্ত উচ্চহাস্য শুনতে বেশ লাগে।'*[৬৬]

'ছুটি' গল্পত ফটিক এজন প্ৰকৃতিৰেই সন্তান। ফটিকে যেতিয়া গ্ৰাম্যজীৱন এৰি নগৰলৈ যাব লগা হৈছিল তেতিয়াই ফটিকৰ জীৱনৰ কাৰুণ্য আৰম্ভ হৈছিল। গাঁৱৰ মুক্ত পৰিবেশত ডাঙৰ-দীঘল হোৱা  ফটিকক নগৰীয়া জীৱনৰ কৃটিমতাই বাৰুকৈয়ে আমুৰাইছিল। গাঁৱলীয়া জীৱনৰ মুক্ত আকাশৰ তলত বিচৰণ কৰিব নোৱাৰাটোৱেই আছিল ফটিকৰ জীৱনৰ চৰম দুৰ্যোগ। 'আপদ' আৰু 'অতিথি' গল্পৰ প্ৰসঙ্গত সমৰেশ মজুমদাৰৰ এষাৰ মন্তব্য দাঙি ধৰিব পাৰি--

> *আমাদেৰ প্ৰকৃতিৰ মধ্যে যেন দুটি পাখি যেন একত্ৰিত হয়ে আছে। একজন বাইৰেৰ দিকে টানে, সে বনেৰ পাখি, আৰ একজনেৰ টান ঘৰেৰ দিকে তাকে বলি খাঁচাৰ পাখি। 'আপদ' গল্পেৰ নীলকান্ত 'খাচাৰ পাখি'। আৰ অতিথি গল্পেৰ তাৰাপদ বনেৰ পাখি। প্ৰথমজন নিৰালা গৃহকোনে আপনাকে বেঁধে ৰাখতে চায় আৰ তাৰাপদ একেবাৰে মেঘেৰ মধ্যে উধাও হয়ে যেতে যায়। নীলকান্তেৰ মধ্যে ভালোবাচাৰ আত্মগত বাসনাই প্ৰবল আৰ তাৰাপদৰ মধ্যে জয়ী উদাৰ বিশ্বপ্ৰকৃতি, সীমাহীন আত্মাবিষ্কাৰ। তাৰই ফলে 'আপদ' গল্পে বিশ্লেষণৰ সূক্ষ্মতা আৰু 'অতিথি'তে*

*কাব্যসৌন্দর্য। দুজনেই কৈশোৰ অতিক্রম কৰে সদ্য যৌৱনে এসে পৌচেছে। নীলকান্ত ‘হূদয় অৰণ্যথেকে বেৰিয়ে এসে কিৰণময়ীৰ স্বপ্নকে আশ্রয় কৰে নিজেৰ চাৰপাশে ঘুৰছে আৰ তাৰাপদ চাৰুশশীৰ প্রতি ক্ষণিক আকৰ্ষণকে অতিক্রম কৰে নিখিল ভুৱনেৰ পথিক।*[৬৭]

প্ৰকৃতি আৰু মানুহৰ নিবিড়তম সম্পৰ্ক ঘটিছে ‘সুভা’ গল্পত। সুভা এজনী বোবা ছোৱালী। মানৱ সমাজৰ নিষ্ঠুৰ আৰু প্ৰতাৰণাই যিদৰে মানুহৰ জীৱন বিপদাপন্ন কৰি তোলে তাৰ বিপৰীতে প্ৰকৃতিৰ উদাৰতাই মানুহৰ মনত প্ৰশান্তি আনি দিয়ে। মানুহ আৰু প্ৰকৃতিৰ এই বিশাল পাৰ্থক্যটোৱেই গল্পটোৰ মূল প্ৰতিপাদ্য বিষয়। এই নিষ্ঠুৰ জগতখনত প্ৰকৃতিতেই হৈছে সুভাৰ কাৰণে অতিকে আপোন।

ৰবীন্দ্ৰনাথৰ বহুকেইটা উৎকৃষ্ট গল্পৰ বিষয়বস্তু প্ৰেম। এই প্ৰেমে কেতিয়াবা মিলন মধুৰ হৈ পৰিছে আৰু কেতিয়াবা বিৰহ বেদনাদায়কো হৈ পৰিছে। প্ৰেমৰ দুৰ্দমনীয় শক্তিৰ প্ৰকাশ ঘটিছে ‘দুৰাশা’ গল্পত। বদ্ৰাওনাৰ নৱাব কাদেৰ খাৰ পুত্ৰী প্ৰিয়জনক পাবলৈ গোটেই জীৱন বিসৰ্জন দিছে। নিজৰ জাত ত্যাগ কৰি প্ৰিয়জনক পাবলৈ তেওঁৰ ব্ৰাহ্মন্য ধৰ্মত দীক্ষিত হৈছিল। তথাপিও কিন্তু পাবলৈ সক্ষম নহ’ল।

‘একৰাত্ৰি’ গল্পটোতো নায়ক সুৰবালাৰ বাল্যকালৰ লগৰীয়া। সেইসময়ত তেওঁ বিভিন্ন কামৰ ব্যস্ততাৰ কাৰণে সেই কথাবোৰ অনুভৱ কৰা নাছিল। যেতিয়া এদিন সুৰবালাক বিয়া হৈ যোৱা গম পালে তেতিয়া নায়কে সুৰবালাক হেৰুৱাৰ বেদনাত ভুগি অনুশোচনাত দগ্ধ হৈ পৰিলে।

স্বামীৰ নিষ্ঠুৰতাৰ ছবি পোৱা যায় ‘দৃষ্টিদান’, ‘মানভঞ্জন’ আদি গল্পত। ‘দৃষ্টিদান’ গল্পত কুমুদিনীয়ে স্বামীক মন-প্ৰাণ ভৰি ভাল পায়। কুমুৰ দুৰ্ভাগ্যবশতঃ চকু দৃষ্টিহীন হৈ পৰে। স্বামী চিকিৎসক আছিল যদিও চকু ভাল কৰিব নোৱাৰিলে। কুমুৱে কিন্তু স্বামীক কোনো প্ৰকাৰে দোষ নিদি ভাগ্যৰ লিখন বুলি সন্তুষ্টি লাভ কৰে। কুমুদিনী অতি অনুভূতিশীল নাৰী। চকুৰে কুমুদিনীয়ে দেখা নাপালেও অন্তৰৰপৰা স্বামীৰ প্ৰতিটো কথাই অনুভৱ কৰিছিল। কিন্তু স্বামীয়েও কুমুদিনীক একান্তই নিজৰ কৰি লোৱাৰ প্ৰতিশ্ৰুতি দিছিল। সময়ৰ লগে লগে স্বামীৰ প্ৰতিশ্ৰুতি প্ৰতাৰণাত পৰিণত হ’ল। কুমুদিনীৰ অজ্ঞাতে কুমুদিনীৰ সেৱা শুশ্ৰূষাৰ কাৰণে অনা হেমাঙ্গিনীৰ প্ৰতি আসক্ত হৈ বিয়া পাতিবলৈ উদ্যত হৈ পৰে। কিন্তু স্বামীয়ে এই বিয়াত সফল হ’ব নোৱাৰিলে। স্বামীপ্ৰেমৰ অপৰাজেয় শক্তিৰ দ্বাৰা স্বামীক সৎ পথত অনাত কুমু সফল হয়। শেষত কুমুৰ

সতীত্বৰ জয় হয়।

'মানভঞ্জন' গল্পত স্বামী গিৰিবালাৰ প্ৰতি উদাসীন। স্বামী গোপীনাথ ৰঙ্গমঞ্চৰ অভিনেত্ৰী লবঙ্গৰ প্ৰতি আসক্তা। এই কথা গিৰিবালাই কোনোপধ্যে সহ্য কৰিব পৰা নাছিল। বহু চেষ্টা কৰিও গোপীনাথক হাত কৰি ল'ব নোৱাৰিলে। অৱশেষত প্ৰতিশোধ পূৰণ কৰিবলৈ নিজেও ৰঙ্গমঞ্চৰ অভিনেত্ৰী হিচাপে আত্মপ্ৰকাশ কৰিলে।

'নষ্টনীড়' গল্পত স্বামীৰ উদাসীনতাত চাৰুৰ জীৱনৰ পট পৰিৱৰ্তন হ'ল। ভূপতি খবৰ কাগজ এখন উলিওৱা কামত ব্যস্ত থকা বাবে সদ্যযৌৱনপ্ৰাপ্তা পত্নীক সময় দিব পৰা নাছিল। চাৰুৰ অন্তৰ নিসঙ্গতাৰ ডাৱৰে ছানি ধৰিছিল। লাহে লাহে ভূপতিৰ পেহীয়েকৰ ল'ৰা অমলৰ লগত চাৰুৰ এক আন্তৰিক সম্পৰ্ক গঢ় লৈ উঠিছিল। চাৰু অমলৰ সাহিত্য চৰ্চাৰ লগৰীয়া হৈ পৰিল। চাৰুৱে মনৰ আৱদাৰখিনি অমলৰ লগত ভাগবতৰা কৰি পাৰ্থিৰ সুখৰ যাত্ৰী হৈ পৰিল। ভূপতিয়ে যেতিয়া উপলব্ধি কৰিলে তেতিয়া চাৰু ভূপতিৰ পৰা বহু দূৰৈত।

পাৰিবাৰিক স্নেহ-প্ৰীতি, মানসিক বিচ্ছেদ আদিক লৈও গল্প লিখা হৈছে। 'ব্যৱধান', 'দান-প্ৰতিদান', 'দিদি', 'পণৰক্ষা' ইত্যাদি গল্পত ভাতৃস্নেহ প্ৰতিফলিত হৈছে। 'ৰাসমণিৰ ছেলে' গল্পত মাতৃস্নেহ আৰু 'খোকাবাবুৰ প্ৰত্যাৱৰ্তনে' গল্পত প্ৰভুৰ প্ৰতি ভৃত্যৰ আনুগত্য প্ৰকাশ পাইছে। এই গল্পসমূহৰ প্ৰধান সুৰ হৈছে বেদনা। মানুহৰ লগত মানুহৰ সামাজিক প্ৰীতিক অৱলম্বন কৰি ৰচিত হ'লেও এই গল্পসমূহৰ প্ৰধান সুৰেই হৈছে তিক্ততা। বঞ্চনা, আশাভঙ্গ আৰু যন্ত্ৰণাই গল্পসমূহক বিশেষত্ব দান কৰিছে।[৬৮]

ৰবীন্দ্ৰনাথৰ কিছুমান গল্পত সামাজিক কুসংস্কাৰ, আচাৰ ব্যৱহাৰ আদিক ব্যঙ্গ কৰি লিখিছে। সেই সময়ৰ সমাজ এটা কুপ্ৰথা আছিল পণ প্ৰথা। ৰবীন্দ্ৰনাথৰ 'দেনা-পাওনা', 'অপৰিচিতা' 'দুৰ্বুদ্ধি' আদি গল্পত পণ প্ৰথাৰ ভয়াবহ ৰূপৰ ছবি দেখিবলৈ পোৱা যায়। ঊনৈশ শতিকাৰ শেষৰ ফালে বঙালী সমাজত পণ প্ৰথাই ভয়াবহ ৰূপ ধাৰণ কৰিছিল। বিংশ শতিকা পৰ্যন্ত এই প্ৰথাৰ অৱসান হোৱা নাছিল। দৰাপক্ষই বিচৰা ধৰণে ধন আদায় দিব নোৱাৰিলে নাৰীসকলে মানসিক আৰু শাৰিৰীক নিৰ্যাতনৰ বলি হ'ব লগা হৈছিল।[৬৯]

তদানীন্তন সমাজ ব্যৱস্থাৰ আন এক সমস্যা আছিল বাল্যবিবাহ । এই ব্যৱস্থা বিশ শতিকাৰ প্ৰথমাৰ্ধ আনকি তাৰ পিছতো এই বাল্যবিবাহ তথা শিশুবিবাহ চলি আছিল। ফলত প্ৰাপ্ত বয়স্ক পুৰুষৰ লগত শিশুবিবাহ তথা বাল্যবিবাহ অপৰিহাৰ্য আছিল।[৭০] ৰবীন্দ্ৰনাথৰ গল্পতো এই

ছবি অতি সুন্দৰভাৱে প্ৰতিফলিত হৈছে। ‘মধ্যৱৰ্তিনী’, ‘শেষেৰ ৰাত্ৰি’, ‘মেঘ ও ৰৌদ্ৰ’ আদি গল্পত বাল্যবিবাহৰ ভয়াবহ ৰূপ দেখিবলৈ পোৱা যায়।

কৌলিন্য প্ৰথাৰ চিত্ৰ দেখা যায় ‘মহামায়া’,‘পাত্ৰ ও পাত্ৰী’,‘ যজ্ঞেশ্বৰৰ যজ্ঞ’ আদি গল্পত। কৌলীন্য প্ৰথাৰ ফলত যথাৰ্থ পাত্ৰৰ অভাৱত অনেক সময়ত মৃত্যুৰ ক্ষণ গণি থকা বৃদ্ধৰ লগতো বিয়া হ’ব লগা হৈছিল। সেয়েহে নাৰীসকলে অতি কম বয়সতে বৈধব্য জীৱন যাপন কৰিব লগা হৈছিল।

বালবিধৱাৰ সমস্যাৰ ছবিও ৰবীন্দ্ৰনাথৰ গল্পত দেখিবলৈ পোৱা যায়। ‘বিচাৰক’ ‘সমস্যাপূৰণ’ আদি গল্পত বাল বিধৱাৰ সমস্যা দেখিবলৈ পোৱা যায়। বালবিধৱা নাৰীৰ অন্তৰৰ গোপন কোণত সঞ্চিত হৈ থকা ভাৱনাৰ ক্ষেত্ৰত ৰহস্যময়তাই বিৰাজ কৰে। সমাজৰ পৰাও বিভিন্ন ক্ষেত্ৰত অৱহেলিত হৈ নিসঙ্গ জীৱন-যাপন কৰিব লগা হয়। এই অসহায়তাৰ সুযোগ লৈ অনেক স্বেচ্ছাচাৰী পুৰুষে প্ৰণয়ৰ প্ৰলোভনেৰে আকৃষ্ট কৰি শেষত অমানবীয় কাৰ্য সাধন কৰিবলৈও কুণ্ঠাবোধ নকৰে।[১১]

সতীদাহ প্ৰথাৰ বিৰুদ্ধে তীব্ৰ ব্যঙ্গ কৰিছে ‘মহামায়া’ গল্পত। কৌলীন্য প্ৰথা অনুসৰি মৃত্যুৰ ক্ষণ গণি বৃদ্ধ পাত্ৰ এজনলৈ বিয়া দিয়াৰ ফলত মহামায়াই বিয়াৰ পিছদিনাই বিধৱা হ’ব লগা হৈছিল। কিন্তু তদানীন্তন সমাজৰ ৰীতি মতে মহামায়াক স্বামীৰ লগত চিতাত উঠাই দিয়া হৈছিল যদিও মহামায়াই সুবিধা বুজি চিতাৰ পৰা অৰ্ধদগ্ধ অৱস্থাত উঠি আহি পূৰ্বৰ প্ৰেমিক ৰাজীৱৰ কাষ পালে। ৰবীন্দ্ৰনাথে মহামায়া চৰিত্ৰটোৰ দ্বাৰা ইয়াকে বুজাব বিচাৰিছে যে সমাজে কিছুমান নীতি-নিয়ম বান্ধি দিলেও দুৰ্বল বা অৱলা বুলি ভৱা নাৰীয়েও কিন্তু এই নীতিক নিৰ্ভয়ে অৱজ্ঞা কৰিব পাৰে।

ৰবীন্দ্ৰনাথৰ কিছুমান গল্পত অতিপ্ৰাকৃত ঘটনাৰ সমাবেশ ঘটিছে। ‘সম্পত্তি সমৰ্পণ’, ‘কঙ্কাল’, ‘নিশীথে’, ‘মণিহাৰা’, আৰু ‘ক্ষুধিত পাষাণ’ আদি গল্পত অতিপ্ৰাকৃত বিশ্বাস জড়িত হৈ আছে। ‘ক্ষুধিত পাষাণ’ গল্পত গল্পৰ কথকে ৰেলগাড়ীৰে যাত্ৰা কৰাৰ সময়ত এজন যাত্ৰী লগ পায় আৰু যাত্ৰীজনে এটি কাহিনী ক’ব ধৰে আৰু এই কাহিনীটোত এক অতিপ্ৰাকৃত বিশ্বাস জড়িত হৈ আছে। গল্পটোত উল্লেখ কৰা অনুসৰি---

> *এক সময় এই প্ৰাসাদে অনেক অতৃপ্ত বাসনা, অনেক উন্মত্ত সম্ভোগেৰ শিখা আলোড়িত হইত- সেইসকল চিত্তদাহে, সেইসকল নিষ্ফল কামনায় অভিশাপে এই প্ৰাসাদেৰ প্ৰত্যেক প্ৰস্তৰখণ্ড ক্ষুধাৰ্ত তৃষ্ণাৰ্ত হৈ আছে, সজীৱ মানুষ পাইলে*

*তাকে লালায়িত পিশাচীৰ মতো খাইয়া ফেলিয়ে চায়। যাহাৰা ত্রিৰাত্রি ওই প্রাসাদে বাস কৰিয়াছে, তাহাদেৰ মধ্যে কেৱল মেহেৰ আলি পাগল হইয়া আসিয়াছে, এ পর্যন্ত আৰ কেহ তাহাৰ গ্রাস এড়াইতে পাৰে নাই।*[৭২]

'নিশীথে' গল্পত দক্ষিণাচৰণ বাবুই প্ৰথমা পত্নী বিয়োগৰ পিছত দ্বিতীয় বাৰৰ বাবে বিবাহ পাতিলে। কিন্তু দক্ষিণাচৰণ বাবুক এক অদৃশ্য শক্তিয়ে মনত এক খেলিমেলিৰ সৃষ্টি কৰি দিছিল। গল্পটোত উল্লেখ কৰা অনুসৰি--

*ৰাত্রে বিছানায় আসিয়া শুইলাম; শ্রান্ত শৰীৰে মনোৰমা অবিলম্বে ঘুমাইয়া পড়িল। তখন অন্ধকাৰে কে একজন আমাৰ মশাৰিৰ কাছে দাড়াইয়া সুযুপ্ত মনোৰমাৰ দিকে একটি মাত্র দীর্ঘ শীর্ণ অস্থিসাৰ অঙ্গুলি নির্দেশ কৰিয়া যেন আমাৰ কানে কানে অত্যন্ত চুপিচুপি অস্ফূটকণ্ঠে কেবলই জিজ্ঞাসা কৰিতে লাগিল- ও কে । ও কে। ও কে গো।*[৭৩]

## 'ভাৰতী' পত্ৰিকাৰ ভূমিকাঃ

বাংলা চুটিগলল্পৰ ইতিহাসত 'ভাৰতী' প্ৰত্ৰিকাৰ ভূমিকা অন্যতম। 'ভাৰতী' আলোচনীত ৰবীন্দ্ৰনাথৰ দ্বাৰা অনুপ্ৰাণিত লেখক-লেখিকাসকল হ'ল-- স্বৰ্ণকুমাৰী দেৱী, সৰলা দেৱী, মণিলাল গঙ্গোপাধ্যায়, চাৰুচন্দ্ৰ মুখোপাধ্যায়, সুধীন্দ্ৰনাথ, মাধুৰীলতা, ইন্দিৰা দেৱী, শৰৎকুমাৰী চৌধুৰাণী, আদি। এনেদৰে ভাৰতগোষ্ঠীৰ শিল্পী গল্পকাৰবোৰে মিলি বাংলা সাহিত্যত যি নতুন আকাংক্ষা সঞ্চাৰিত কৰিছিল, পৰৱৰ্তী পৰ্যায়ৰ বিদ্ৰোহ প্ৰৱণ কল্লোল গোষ্ঠীৰ শিল্পী কণ্ঠত সেই দাবীৰ প্ৰবলতা মুখৰ হৈ উঠিল।[৭৪]

স্বৰ্ণকুমাৰী দেৱীৰ গল্পগ্ৰন্থ 'নৱকাহিনী'ৰ গল্পসমূহৰ প্ৰথম প্ৰকাশ ঘটে 'ভাৰতী' আৰু 'বালক' পত্ৰিকাত। তেওঁৰ গল্পত উপাখ্যানৰ শিল্পকৌশল ধৰা পৰে। বীৰেন্দ্ৰ দত্তৰ ভাষাত--

*স্বৰ্ণকুমাৰীৰ ছোটগল্পে আছে নাৰীমনেৰ গোপন স্বৰূপেৰ ধীৰ উদ্‌ঘাটন প্ৰয়াস, আছে মেয়েদেৰ হৃদয় নিষিক্ত বেদনাবোধৰ প্ৰসাৰণ। সেই বেদনাবোধ লেখিকাৰ ছোটগল্প জমিয়ে তোলাৰ পক্ষে তুৰুপেৰ তাস। স্বৰ্ণকুমাৰী দেৱী গল্পেৰ বিষয়ে বৈচিত্ৰ্য সৃষ্টিতে পাৰিবাৰিক প্ৰেমিকা নাৰীদেৰ কথাৰ সঙ্গে মিশিয়েছেন যেমন সমাজকে, তেমনি ইতিহাসকে। সমাজ লাঞ্ছনাজনিত নাৰীদেৰ বেদনাৰ জগত আঁকায় ও ইতিহাসৰ পটভূমিতে ইতিহাস ৰসে আবেগপ্ৰাণ হৃদয়ৱৰ্তী নাৰীসত্তাকে সিক্ত কৰায় স্বৰ্ণকুমাৰীৰ গল্পে বিচিত্ৰতা আছে।*[৭৫]

স্বৰ্ণকুমাৰী দেৱীৰ কিছুমান গল্প ৰবীন্দ্ৰনাথৰ আগৰ আৰু কিছুমান ৰবীন্দ্ৰনাথৰ পৰৱৰ্তী।

ৰবীন্দ্ৰনাথৰ সমসাময়িক গল্পলেখক বেছিভাগেই ৰবীন্দ্ৰনাথৰ দ্বাৰা প্ৰভাৱান্বিত। কিন্তু ইয়াৰ ব্যতিক্ৰম আছিল নগেন্দ্ৰনাথ গুপ্ত। নগেন্দ্ৰনাথ ৰবীন্দ্ৰ প্ৰভাৱৰ পৰা মুক্ত আছিল। নগেন্দ্ৰনাথ গুপ্তৰ (১৮৬১-১৯৪০) শিল্পপ্ৰৱণতা মূলতঃ বঙ্কিমঅনুসাৰী আছিল। নগেন্দ্ৰনাথৰ প্ৰথম গল্প ৰচনা হৈছিল 'ভাৰতী' পত্ৰিকাত। নগেন্দ্ৰনাথৰ গল্পসমূহত চুটিগল্পৰ বৈশিষ্ট্যসমূহ বিশেষভাৱে ফুটি উঠা নাই। নগেন্দ্ৰনাথৰ গল্পৰ ভাৱ-ভাষা আদিত বঙ্কিমচন্দ্ৰৰ ৰোমান্টিক উপন্যাস নাইবা 'ইন্দিৰা' আৰু 'ৰাধা-ৰাণী'ৰ দৰে দীৰ্ঘ আয়তনৰ গল্পৰ ৰোমান্টিক বিন্যাস ঘটিছে। চুটিগল্পৰ উপযোগী অৰ্থপূৰ্ণ ব্যঞ্জনাময়তা বা তিৰ্যক সংক্ষিপ্ত তেওঁৰ গল্পত দেখিবলৈ পোৱা নাযায়। কিছুমান গল্পত প্ৰণয় ৰহস্যই এক অপূৰ্ব দোলাৰ সৃষ্টি কৰিছে; যাৰ আবেদন কেৱল মৃদু, অথচ সম্পূৰ্ণ নহয়। কিছুমান গল্প উপাখ্যানধৰ্মী। তাৰ মাজতো কিন্তু কিছু কিছু গল্প বৰ্ণনাৰসত স্নিগ্ধ হৈ উঠিছে।[৭৬]

বাংলা গল্পৰ আদিপৰ্ব ৰবীন্দ্ৰনাথৰ সৃষ্টিৰ দ্বাৰাই সমৃদ্ধ নহয়, এই যুগৰ শ্ৰেষ্ঠ গল্পকাৰসকলৰ বহুতেই ৰবীন্দ্ৰনাথৰ ৰচনা অথবা ৰবীন্দ্ৰ ভাৱনাৰ দ্বাৰা প্ৰভাবিত। ৰবীন্দ্ৰনাথৰ সৃষ্টিৰদ্বাৰা অনুপ্ৰাণিত এজন জনপ্ৰিয় গল্পকাৰ প্ৰভাত কুমাৰ মুখোপাধ্যায় (১৮৭৩-১৯৩২)। ৰবীন্দ্ৰনাথৰ দ্বাৰা আৰু পিছত সৰলাদেৱীৰ দ্বাৰা সম্পাদিত **'ভাৰতী'** প্ৰত্ৰিকাত তেওঁৰ বহুত উৎকৃষ্ট গল্প প্ৰকাশ হৈছিল। 'দেবী', 'আদৰিণী', 'হিমানী', 'কাশিবাসিনী', 'মাতৃহীন' ইত্যাদি তেওঁৰ শ্ৰেষ্ঠ গল্প।[৭৭] প্ৰভাতকুমাৰৰ গল্পপুথিসমূহ হৈছে- 'নৱকথা'(১৮৯৯), 'ষোড়শী' (১৯০৬), 'দেশী ও বিলাতী' (১৯০৯), 'গল্পাঞ্জলি' (১৯১৩), 'গল্পবীথি' (১৯১৬), 'পত্ৰপুষ্প' (১৯১৭), 'গহনাৰ বাস্ক ও অন্যান্য গল্প' (১৯২১),'হতাশ প্ৰেমিক আৰু অন্যান্য গল্প' (১৯২৪), 'বিলাসিনী ও অন্যান্য গল্প' (১৯২৬), 'যুৱকেৰ প্ৰেম আৰু অন্যান্য গল্প' (১৯২৮), 'নতুন বৌ ও অন্যান্য গল্প'(১৯২৯), 'জামাতা বাবাজী ও অন্যান্য গল্প' (১৯১৩) ইত্যাদি।[৭৮]

প্ৰভাতকুমাৰৰ গল্পত বিচিত্ৰ চৰিত্ৰৰ সমাবেশ ঘটিছে। আনকি তেওঁ পশুক লৈও গল্প ৰচনা কৰিছে। বাংলাত যথাৰ্থ পশুক কেন্দ্ৰ কৰি লিখা গল্পকাৰ সকলৰ ভিতৰত প্ৰভাতকুমাৰেই হৈছে পথপ্ৰদৰ্শক আৰু শ্ৰেষ্ঠ গল্পকাৰ। হাতী আৰু কুকুৰক লৈ লিখা তেওঁৰ দুটা গল্প হ'ল 'আদৰিণী' আৰু 'কুকুৰছানা'। সমসাময়িক সামাজিক আৰু ৰাষ্ট্ৰীয় আন্দোলনেও প্ৰভাতকুমাৰক প্ৰভাবান্বিত কৰিছিল। বিধবা বিবাহ, অসবৰ্ণ বিবাহ, স্বদেশী আন্দোলন আদি বিষয়েৰে তেওঁৰ গল্পক সমৃদ্ধ কৰিছে।[৭৯] সুকুমাৰ সেনৰ মতে--

*প্রভাতকুমাৰেৰ ৰচনাৰীতি নিতান্তই সৰল। ভাষা কথ্য না হইলেও কথ্যতুল্য। শব্দ প্রায় সবই চলিত অথবা সুপৰিচিত তৎসম। বর্ণনা অংশ নিতান্ত অল্প, ভাব অংশ একেবাৰেই নাই। ভূমিকাগুলি নিজেৰ ভাষাই বলে, তা সে কলিকতাৰ কলেজি ছাত্রই হোক, বীৰভূমেৰ চাষাই হোক, ভোজপুৰী কনেষ্টবলই হোক। ভাষায় লঘুতা ও উজ্জ্বলতায় প্রভাতকুমাৰেৰ গল্প কাহিনীৰ গতি মসৃণ ও ক্ষিপ্র।*[৮০]

হাস্যৰস সৃষ্টিৰ ক্ষেত্রত প্রভাতকুমাৰ বংকিমঅনুসৰী আছিল। প্রভাতকুমাৰৰ মতে অসুন্দৰ, দুর্নীতিগ্রস্থ আৰু অশ্লীলতা সাহিত্যত কোনো স্থান নাই।[৮১]

বাংলা চুটিগল্পৰ প্রস্তুতিপর্বৰ আন এজন গল্পকাৰ হ'ল প্রমথ চৌধুৰী। প্রমথ চৌধুৰীৰ বেছিভাগ গল্পতে লক্ষ্য কৰা যায় সৌন্দর্য সম্পর্কে আসক্তি। 'প্রবাস স্মৃতি' ইয়াৰ উৎকৃষ্ট উদাহৰণ।[৮২] প্রমথ চৌধুৰীৰ গল্পৰ মৌলিকত্ব আছে। বাংলা গল্পত সম্পূর্ণ নতুন প্লটৰ আমদানি কৰি সেই সময়ত যিসকলে চমকপ্রদ সৃষ্টি কৰিছিল, সেইসকলৰ ভিতৰত প্রমথ চৌধুৰীও এজন। ইয়াৰ উৎকৃষ্ট উদাহৰণ 'বাঘৰ নখ' গল্পটো।[৮৩]

সুধীন্দ্রনাথৰ (১৮৬৯-১৯২৯) সাহিত্যিক পৰিচয় বিশেষকৈ গল্পসমূহৰ মাজেদি প্রতিভাত হৈ উঠিছে। সুধীন্দ্রনাথৰ গল্পসংকলনসমূহ হৈছে- 'মঞ্জুষা'(১৯০৩) আৰু ইয়াৰ পৰিবর্দ্ধিত সংস্কৰণ 'চিত্রালী' (১৯১৬), 'চিত্ৰৰেখা'(১৯১০) আৰু 'কৰঙ্ক' (১৯১২)।

মণিলাল গঙ্গোপাধ্যাযৰ (১৮৮৮-১৯২৯) গল্পপুথিসমূহ হৈছে- 'আলপনা'(১৯১০), 'ঝাপি' (১৯১২), 'মহুয়া'(১৯১৩), 'পাপ্ৰি' (১৯১৬), 'জলছবি'(১৯১৮) আৰু 'খেয়ালেৰ খেসাৰত'(১৯২২)। মনিলালৰ গল্পসমূহ ৰোমান্টিকধর্মী। সেয়ে গল্পসমূহত কাব্যধর্মী গুণটো প্রকট হৈ উঠিছে। 'তুৰুপ', 'টাকাৰ থলি','বিন্দু', 'দুইসন্ধ্যা' ইত্যাদি গল্পত মণিলালৰ দক্ষতাৰ প্রমাণ পোৱা যায়।[৮৪]

সৌৰীন্দ্রমোহন মুখপাধ্যায়ক প্রভাতকুমাৰৰ শিষ্য বুলি ক'ব পাৰি। তেওঁৰ বহু গল্পৰ বিষয় হৈছে অবিবাহিত প্রেম প্রত্যাশা নৱবিবাহিতৰ লাজুক প্রেম পিপাসা। ৰচনাৰীতিৰ পোনপটীয়া আৰু সৰস বর্ণনা তেওঁৰ গল্পৰ বৈশিষ্ট্য। তেওঁৰ অনেক গল্পৰ প্লট বিদেশী মূলৰ। সৌৰীন্দ্রমোহনৰ চুটিগল্পসমূহ হৈছে- 'শেফালি'(১৯০৯), 'নির্ঝৰ' (১৯১১),'পুষ্পক' (১৯১৩), 'মৃণাল' (১৯২২), 'যৌবৰাজ্য' (১৯২২), 'পিয়াসী' (১৯২২)।[৮৫]

শৰৎচন্দ্র চট্টোপাধ্যায়ৰ (১৮৭৬-১৯৩৮) সাহিত্য প্রতিভা ঘাইকৈ কালজয়ী হৈ উঠিছে উপন্যাসসমূহৰ মাজত। সেয়েহে কেতিয়াবা তেওঁৰ গল্প উপন্যাসৰ সংক্ষিপ্ত সাৰা নাইবা

উপন্যাসিকা হৈ উঠিছে।[৮৬] শৰৎচন্দ্ৰৰ গল্পৰ ভাবপ্ৰকাশৰ গভীৰতা চমকপ্ৰদ। প্ৰাত্যাহিক জীৱনৰ ক্ষুদ্ৰ সংঘাত অতি উজ্জ্বলভাবে উদ্‌ভাসিত হৈ উঠিছে। সুকুমাৰ সেনৰ ভাষাত--

> *স্বভাৱতই ৰবীন্দ্ৰনাথেৰ প্ৰভাৱ ১৩২০ সাল হইতে বাড়ি গিয়াছে। ভাষাৰ অনুকৰণ মাঝে মাঝে তো আছেই, প্লটেৰ অণুকৰণেও দুৰ্নিৰীক্ষ্য নয়। ৰবীন্দ্ৰনাথেৰ 'ব্যৱধান', 'অনাধিকাৰ প্ৰবেশ' প্ৰভৃতি গল্পেৰ নাৰী ভূমিকাৰ ছায়া শৰৎচন্দ্ৰেৰ অনেক গল্পেই স্পষ্টভাৱে প্ৰতিবিম্বিত। শৰৎচন্দ্ৰেৰ 'মেজদিদি' গল্পেৰ কাদম্বিনী ও হেমাঙ্গিনী যথাক্ৰমে ৰবীন্দ্ৰনাথেৰ 'ছুটি' গল্পেৰ ফটিকেৰ মামাৰ ও 'স্ত্ৰীৰ পত্ৰ' গল্পেৰ মৃণালেৰ ছাঁচে ঢালা। 'স্ত্ৰীৰ পত্ৰ' গল্পটি 'অৰক্ষণীয়া'(১৯১৬) ৰচনায় যে প্ৰেৰণা যোগাইয়াছে তাহা সুনিশ্চিত। 'বৈকুণ্ঠেৰ উইল'- এৰ (১৯১৬) আদৰ্শ যোগাইছে ৰবীন্দ্ৰনাথেৰ 'পণৰক্ষা'। শৰৎচন্দ্ৰেৰ 'স্বামী' 'ঘৰে-বাইৰেৰ' অনুসৰণে পৰিকল্পিত।*[৮৬]

**'কল্লোল' যুগঃ**

বাংলা গল্পৰ ২য় পৰ্বটো 'কল্লোল' আলোচনীক কেন্দ্ৰ কৰি আৰম্ভ হয়। কল্লোল আলোচনীক কেন্দ্ৰ কৰি এই যুগটোক 'কল্লোল যুগ' বুলি অভিহিত কৰা হৈছে। কল্লোল আলোচনীৰ সমসাময়িক আন দুখন আলোচনী হ'ল 'কালিকলম' আৰু 'প্ৰগতি'। এই যুগৰ গল্পকাৰসকলে ৰবীন্দ্ৰনাথৰ প্ৰভাৱৰ পৰা মুক্ত হৈ গল্পত এক নব্য ভাৱধাৰাৰ সৃষ্টি কৰিলে। বাস্তৱতাৰ ভিত্তিত জীৱনটোক নতুন দৃষ্টিভংগীৰে উপলব্ধি কৰি সাহিত্যত এক নতুন মূল্যবোধ প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব দিলে। ফলত সমাজ- জীৱন, অৰ্থনীতি ৰাজনীতি আদি দিশৰ অৱক্ষয় ঘটিল। প্ৰথম পৰ্যায়ৰ ১৯৩০-১৯৪১ ;বিশ্বব্যাপী আৰ্থিক মন্দাৱস্থা, প্ৰথম বিশ্বযুদ্ধৰ ক্লেদাক্ত সামাজিক আৰু ৰাষ্ট্ৰিক ফল পৰিণতি , গোটেই বিশ্বযুৰি অনিশ্চয়তাবোধ আদিয়ে ভাৰতৰ বাংলাৰ যৌৱন ভাৱনাক আছন্ন কৰিছে আৰু অন্য দিশে এক পৰ্যায় কংগ্ৰেছৰ নব উদ্দীপনা সমাজতন্ত্ৰবাদ প্ৰভাৱিত নতুন বিপ্লৱী উত্তেজনা আৰু সশস্ত্ৰ বিপ্লৱ সংঘটনৰ অগ্নিময়ী প্ৰেৰণা, এই সকলোখিনি মিলি বাংলাৰ পথহাৰা তৰুণ শিল্পীৰ কৰ্মশক্তিক মৃত্যুযজ্ঞৰ মহৎ ভীষণ পৰিণামৰ পথ আকৰ্ষণ কৰিছিল।[৮৭]

প্ৰথম বিশ্বযুদ্ধৰ পিছত দেখা দিয়া অভাৱ, যেনে মূল্যবৃদ্ধি, নিত্য প্ৰয়োজনীয় বস্তুৰ দুষ্প্ৰাপ্যতা আদিয়ে সমাজ জীৱনত কঠোৰ আঘাত হানিছিল। জীৱিকা উপাৰ্জনৰ পথও প্ৰায় ৰুদ্ধ হৈ পৰিছিল। সমাজ জীৱনৰ এই বিভিন্ন সমস্যাৰাজিৰ আলমত এচাম তৰুণ লিখক নতুন চিন্তা-ধাৰাৰে গঢ় লৈ উঠিল। সমাজ জীৱনৰ বিভিন্ন সমস্যা তেওঁলোকৰ গল্পৰ বিষয়বস্তু হৈ

পৰিল। আঙ্গিকৰ ক্ষেত্ৰত নতুনত্বই দেখা দিলে। গল্পত নতুন নতুন বৈজ্ঞানিক চিন্তাধাৰাৰ সমাবেশ ঘটিল। নৰ-নাৰীৰ যৌৱন কামনা-বাসনাক পূৰ্বৰ ৰোমান্টিক ভাৱবিলাসৰ পৰা আঁতৰি আহি এক নতুন বৈজ্ঞানিক দৃষ্টিভংগীৰে পৰীক্ষা কৰিবলৈ ল'লে। প্ৰথম বিশ্বযুদ্ধৰ পৃথিৱীব্যাপি অৱসন্নতাৰ যুগত ফ্ৰয়েদ, ইয়াৰ উপৰিও বিশেষভাৱে হ্যাভলক এলিচৰ সিদ্ধান্তই বাংলা দেশৰ তৰুণ সমাজত নতুন চাঞ্চল্যৰ সৃষ্টি কৰিলে। [৮৮]

কল্লোল যুগৰ তৰুণ গল্পকাৰ সকলৰ ভিতৰত এজন আগশাৰীৰ গল্পকাৰ হ'ল নৰেশ চন্দ্ৰ সেনগুপ্ত (১৮৮২-১৯৬৪) । তেওঁৰ এটি উল্লেখযোগ্য গল্প হ'ল ঠান্‌দি। নতুন পৰীক্ষা-নিৰীক্ষাৰে যৌন মনস্তত্বৰ ওপৰত লিখা 'ঠানদি' এটা উৎকৃষ্ট গল্প। ভূদেৱ চৌধুৰীৰ ভাষাত- " 'নষ্টনীড়'- এৰ গল্প সমাপ্তি সমাজ বিবেক নিৰপেক্ষ বিশুদ্ধ শিল্প ৰসিকৰ মনে পলায়নপৰতাৰ যে নালিশ পুঞ্জিত কৰেছিল, 'ঠানদি যেন তাৰ গাল্পিক জবাব। চৰম মুহুৰ্তে অমলকে সাত সাগৰ তেৰ নদী পাৰে পাঠিয়ে দিয়ে ৰবীন্দ্ৰনাথ ভূপতিৰ ভাঙা ঘৰকে ভেঙে চুৰমাৰ হয়ে যেতে দেননি; অন্ততঃ সমাজ চিন্তাৰ নৈতিক ভিতটুকুকে আগলে ৰেখেছেন। 'ঠানদি' গল্পে নৰেশচন্দ্ৰ ঠান্‌দিৰ স্বামীৰ সংসাৰকে বিচূৰ্ণ কৰেছেন।[৮৯] তেওঁৰ আন কেইটামান উৎকৃষ্ট গল্প হ'ল- 'দ্বিতীয় পক্ষ', অগ্নিসংস্কাৰ, 'গ্ৰামেৰ কথা' ইত্যাদি।

কল্লোল আলোচনীৰ পূৰ্ববৰ্তী লেখকসকলৰ ভিতৰত মনিন্দ্ৰলাল বসু, দীনেশৰঞ্জন দাশ, গোকুল নাগ আদি প্ৰধান। মনিন্দ্ৰলাল বসু কল্লোল চেতনাৰে উদ্বুদ্ধ এজন আগশাৰীৰ গল্পকাৰ। বিশ শতিকাৰ অৱধাৰিত মধ্যবিত্ত জীৱন বেদনা আৰু জীৱন-বাসনাৰ প্ৰথম সাৰ্থক গল্পকাৰ বুলি ক'ব পাৰি। গল্পৰ গঠনৰ ক্ষেত্ৰতো প্ৰকৰণ চেতনা আধুনিক কবিৰ দৰেই অবিৰল। 'ভূতৰ গল্প' ৰ দৰে কিছু কিছু গল্পত ৰোমান্টিকতাৰ সুৰ ৰহস্য নিবিড় হৈ উঠিছে নিখুঁত বৰ্ণনাৰ কৌশলত।[৯০]

এই যুগৰ উল্লেখযোগ্য গল্পকাৰসকল হ'ল অচিন্ত্যকুমাৰ সেনগুপ্ত, প্ৰেমেন্দ্ৰ মিত্ৰ, প্ৰবোধ কুমাৰ স্যানাল, শৈলজানন্দ মুখোপাধ্যায়, বুদ্ধদেৱ বসু, জগদীশ চন্দ্ৰ গুপ্ত, পৰশুৰাম, মানিকচন্দ্ৰ বন্দোপাধ্যায়, বিভূতিভূষণ আৰু তাৰাশংকৰ বন্দোপাধ্যায়ৰ নাম উল্লেখযোগ্য।

'কল্লোল' যুগৰ উত্তৰসূৰী গল্পকাৰ সকলৰ ভিতৰত প্ৰথমতে নাম ল'ব পাৰি প্ৰেমেন্দ্ৰনাথ মিত্ৰৰ। লাঞ্চিতা গণিকাৰপৰা আৰম্ভ কৰি দুখীয়া কেৰাণীলৈকে সকলো প্ৰকাৰ চৰিত্ৰই তেওঁৰ গল্পত ঠাই পাইছে। 'ভবিষ্যতেৰ ভাৰ', 'শুধু কেৰেণী', 'বিকৃত ক্ষুধাৰ ফাঁদে', 'পোনঘাট পেৰিয়ে', 'মোট বাৰো' আদি গল্পত সেই সময়ৰ সমাজৰ নিখুঁত চিত্ৰ তেওঁ দাঙি ধৰিছে। উজ্জ্বলকুমাৰ মজুমদাৰৰ ভাষাত- " অভিজ্ঞতা, পৰিপ্ৰেক্ষিত, ভাষা, কল্পনাশক্তি সামগ্ৰিক সংযম এবং গল্পেৰ

লক্ষ্যেৰ দিকে তীক্ষ্ণ নজৰ ছিল বলেই পেমেন্দ্ৰ মিত্ৰ গল্প ৰচনায় স্মৰনীয় হতে পেৰেছেন। এমন কি অনুচ্ছেদ বিন্যাসে, সময় সময় এক একটি বাক্যে অনুচ্ছেদেৰ বড় পদক্ষেপ সংহত হয়ে যেন ছোট ছোট পায়ে নাটকীয় ৰোমাঞ্চ সৃষ্টি কৰে তাৰ কলম পাঠককে অধীক কৰি তুলতে পাৰে।[৯১]

অচিন্ত্য কুমাৰ সেনগুপ্তৰ গল্পত ফ্ৰয়েদীয় মনস্তৰ প্ৰভাব পৰিছে। সমাজৰ নিম্ন মধ্যবিত্ত শ্ৰেণীৰ ৰূঢ় বাস্তৰতাক তেওঁ গল্পত অংকিত কৰিছে। তেওঁৰ উল্লেখযোগ্য গল্পপুথি সমূহ হ'ল- - 'টটাফুটা' ,' ইতি', 'অধিবাস', 'অকাল বসন্ত', 'সংকেতময়ী দিগন্ত' 'নায়ক নায়িকা', 'ৰুদ্ৰেৰ আবিৰ্ভাব' আদি।

কবি জীৱনানন্দ দাশৰ গল্পসমূহো বাংলা গল্প সাহিত্যৰ এক অনন্য সংযোজন। একেদৰে কবি বুদ্ধদেৱ বসুৰ গল্পসমূহেও বাংলা গল্প সাহিত্যত এক সুকীয়া আসন দখল কৰিছে। বুদ্ধদেৱৰ সফল গল্পৰ নায়ক-নায়িকা কোনোৰেই দাৰিদ্ৰ লাঞ্চিত জীৱনৰ অধিবাসী নহয়; কিছুমান উচ্চ, কিছুমান নিম্ন মধ্যবিত্ত, নিম্নবিত্ত বা বিত্তহীন কোনোৱে নহয়।[৯২] 'ৰজনী হ'ল উতলা', 'আমৰা তিনিজন ' আদি গল্প মাজেদি যৌৱন প্ৰেমৰ উন্মাদনাৰ সুৰ সুন্দৰ ৰূপত প্ৰকাশ পাইছে।

'কল্লোল' আলোচনীত অবিৰতভাবে লিখা এজন গল্পকাৰ হ'ল শৈলজানন্দ মুখোপাধ্যায়। 'কালিকলম' ৰ তিনিজন প্ৰতিষ্ঠাতা সম্পাদকৰ ভিতৰত শৈলজানন্দ মুখেআপাধ্যায় এজন। সৃষ্টিৰ প্ৰৱণতাত তিনিওজন 'কল্লোল' ৰ লিখকৰ বৰ্হিজীৱনৰ ঘনিষ্ঠতাই একান্ত অন্তৰংগ, কিন্তু প্ৰকাশ আৰু সম্পাদনাৰ কৰ্মজগতত সহযোগী সতীৰ্থ হ'লেও শিল্পী আত্মাৰ স্বধৰ্মত শৈলজানন্দ স্বতন্ত্ৰ; বাংলা চুটিগল্পৰ ইতিহাসত তেওঁ নিসংগ আৰু একক পথিক ।[৯৩] শৈলজানন্দ মুখোপাধ্যায়ৰ গল্পৰ পৰিধি বহল। বাংলা গ্ৰাম্য জীৱনৰ সহজ- সৰল ছবিৰ উপৰিও কয়লাখনিৰ আদিম জীৱনৰ ৰূপ বৰ্ণনা কৰিছে। ' নাৰীৰ মন', 'মা' আদি তেওঁৰ উল্লেখযোগ্য গল্প।

এই সময়ৰে এজন উল্লেখযোগ্য গল্পকাৰ হ'ল-তাৰাশংকৰ বন্দোপাধ্যায়। তেওঁৰ গল্পৰ সংখ্যা প্ৰচুৰ। টাইপ চৰিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত তাৰাশংকৰ অদ্বিতীয়। তেওঁৰ গল্পসমূহত নিয়তিৰ পৰিহাসৰ ফলত জীৱনৰ কৰুণ পৰিণতি ছবি দেখিবলৈ পোৱা যায়। তাৰাশংকৰে গল্প লিখাৰ ক্ষেত্ৰত কেতিয়াবা চৰিত্ৰ মুখত সেই সময়ৰ সমাজৰ কথ্য ভাষাক গুৰুত্ব দিছিল। সেয়েহে তেওঁৰ গল্পত আঞ্চলিক উপভাষাৰ মিশ্ৰণো ঘটিছে বহুক্ষেত্ৰত।[৯৪]

ইয়াৰ উপৰিও সৰোজকুমাৰ ৰায়চৌধুৰী, প্ৰবোধ কুমাৰ স্যানাল, মাণিক বন্দোপাধ্যায় আদি গল্পকাৰসকলে স্বকীয় প্ৰতিভা প্ৰদৰ্শন কৰিছে। একেদৰে বাস্তববাদী গল্পকাৰ মানিকচন্দ্ৰ

বন্দোপাধ্যায়ৰ গল্পত প্ৰতিবাদী সুৰ ধ্বনিত হৈছে।

বিংশ শতিকাৰ পঞ্চাশৰ দশকটো বাংলা গল্প সাহিত্যৰ এক বিশেষভাৱে উল্লেখযোগ্য সময়। দ্বিতীয় বিশ্বযুদ্ধ শেষ, স্বাধীনতা প্ৰাপ্তি, দেশ বিভাজন আৰু বস্তুহাৰা সমস্যাৰ উৰ্দ্ধ অৱস্থা পঞ্চাশৰ দশকতে আৰম্ভণি আৰু শেষ--এই সময়সীমা বাংলা কথাসাহিত্যৰ এক সন্ধিঃক্ষণৰ সময়।[৯৫] প্ৰথম বিশ্বযুদ্ধৰ প্ৰভাৱ ঘাইকৈ আছিল ইউৰোপতহে। এই বিশ্বযুদ্ধই ইউৰোপৰ সমাজ-জীৱনক বিশেষভাৱে প্ৰভাৱান্বিত কৰিছিল। প্ৰথম বিশ্বযুদ্ধৰ প্ৰতিক্ৰিয়া ভাৰত তথা বাংলা সমাজ- জীৱনত আছিল পৰোক্ষভাৱেহে। কিন্তু দ্বিতীয় বিশ্বযুদ্ধৰ বতাহে সমগ্ৰ ভাৰতকে কঁপাই থৈ গ'ল। ভাৰতৰ বিভিন্ন প্ৰান্তীয় সাহিত্যতে দ্বিতীয় বিশ্বযুদ্ধই নতুন জোৱাৰ আনিলে। সময়ৰ পৰিবৰ্তনৰ লগত খোজ মিলাই মানুহৰ জীৱনধাৰাৰ গতি সলনি হোৱাৰ লগে লগে সাহিত্যতো নতুন দৃষ্টিভংগীৰ সমাবেশ ঘটিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়তে ৪২ ৰ গণ আন্দোলন, ৪৩ৰ প্ৰথম ভাগত প্ৰাকৃতিক দুৰ্যোগ, তিয়াল্লিচৰ মন্বন্তৰ , চিয়াল্লিচৰ সাম্প্ৰদায়িক সংঘৰ্ষ , বস্তুহাৰাৰ সমস্যা আদি সকলো মিলি যুদ্ধকালীন সমসাময়িক বাংলাদেশৰ সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু শৈল্পিক জীৱনত চৰম অৱক্ষয় আনে।[৯৬]

এই নতুন জীৱন-ধাৰাৰ পৰিপ্ৰেক্ষিতে এচাম নতুন গল্পকাৰৰ সৃষ্টি হ'ল। তেওঁলোকৰ গল্পত এই নতুন সমাজ-জীৱনধাৰাৰ বিভিন্ন সমস্যা গল্পৰ বিষয়বস্তু হৈ পৰিল। আংগিকৰ ক্ষেত্ৰত নতুনত্বই দেখা দিলে। ভিন্ন স্বাদ, বিষয়বস্তুৰ বৈচিত্ৰ্যই উত্তৰ স্বাধীনতা কালৰ গল্পসমূহক এক বিশিষ্টতা দান কৰিলে।

১. প্ৰহ্লাদকুমাৰ বৰুৱা, অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃঃ ৯
২. হোমেন বৰগোহাঞি; অসমীয়া গল্প সংকলন, ১ম খণ্ড,পাতনি, পৃঃ ৪
৩. লক্ষ্মীনাথ তামুলী(সম্পা.)ঃ 'উষা', আগকথা , ২০০৮
৪. মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃঃ ২৩৫
৫. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২৩৬
৬. লক্ষ্মীনাথ তামুলী(সম্পা.)ঃ বাঁহী, আগকথা, , পৃ: ০.০৫
৭. মহেশ্বৰ নেওগ, পূৰ্বোক্ত গ্ৰন্থ, পৃ: ২২৫
৮. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২২৫
৯. নগেন শইকীয়া, অৰুণোদইৰপৰা জোনাকীলৈ, পৃ: ১৩২
১০. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৪৩
১১. নগেন শইকীয়া, সম্পা. বেজবৰুৱাৰ ৰচনাৱলী, ১ম খণ্ড, পৃঃ ৫৬
১২. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৫৯
১৩. মহেশ্বৰ নেওগ, পূৰ্বোক্ত গ্ৰন্থ, পৃ: ২৪৯
১৪. নগেন শইকীয়া, সম্পা.পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৪-৫৫

১৫. মহেশ্বৰ নেওগ, পূৰ্বোক্ত গ্ৰন্থ, পৃ: ২৪৯
১৬. সদ্যোক্ত গ্ৰন্থ, পৃঃ ২৪৬
১৭. নগেন শইকীয়া(সম্পা.)ঃ 'জোনাকী' 'আত্মকথা', পৃঃ ৪
১৮. সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃঃ ৩৬২
১৯. হৃদয়ানন্দ গগৈ(সম্পা.)ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প সমগ্ৰ, পৃ: ২৬৬
২০. সদ্যোক্ত গ্ৰন্থ, পৃঃ ২১
২১. সদ্যোক্ত গ্ৰন্থ,পৃ: ১৩৩
২২. সদ্যোক্ত গ্ৰন্থ, পৃ: ২১৮-২১৯
২৩. অপূৰ্ব বৰা(সম্পা.)ঃ অসমীয়া চুটিগল্প ঐতিহ্য আৰু বিৱৰ্তন, হোমেন বৰগোহাঞিৰ প্ৰবন্ধ 'বেজবৰুৱাৰ চুটিগল্প'পৃঃ ৩৭-৩৮
২৪. জগদীশ পাটগিৰি (সম্পা.)ঃ শৰৎচন্দ্ৰ গোস্বামীৰ নিৰ্বাচিত গল্প, যতীন্দ্ৰনাথ গোস্বামীৰ পাতনি, পৃঃ
১২
২৫. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৮-৯
২৬. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৩১
২৭. সদ্যোক্ত গ্ৰন্থ , পৃঃ ৩২
২৮. অপূৰ্ব বৰা, সম্পা. পূৰ্বোক্ত গ্ৰন্থ, হেম বৰাৰ প্ৰবন্ধ 'শৰৎচন্দ্ৰ গোস্বামীৰ চুটিগল্প', পৃঃ ৬৩
২৯. জগদীশ পাটগিৰি (সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৭০
৩০. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৭১
৩১. প্ৰহ্লাদ কুমাৰ বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫০
৩২. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৫২
৩৩. ত্ৰৈলোক্যনাথ গোস্বামী, আধুনিক গল্প সাহিত্য, পৃঃ ১৭২
৩৪. প্ৰহ্লাদকুমাৰ বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৪
৩৫. ত্ৰৈলোক্যনাথ গোস্বামী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১২২
৩৬. প্ৰহ্লাদকুমাৰ বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৪
৩৭. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৫৫
৩৮. ত্ৰৈলোক্যনাথ গোস্বামী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১৪
৩৯. পৰাগকুমাৰ ভট্টাচাৰ্য, ৰবীন্দ্ৰনাথ আৰু অসমীয়া চুটিগল্প, পৃঃ ২৩
৪০. প্ৰহ্লাদকুমাৰ বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৮
৪১. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৫৮
৪২. শৈলেন ভৰালী(সম্পা.)ঃ গল্পমঞ্জৰী, পৃঃ ০৯
৪৩. অপূৰ্ব বৰা, সম্পা. পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১২৮
৪৪. শৈলেন ভৰালী(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ০৯
৪৫. ত্ৰৈলোক্যনাথ গোস্বামী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১২৮
৪৬. হোমেন বৰগোহাঞি; অসমীয়া গল্প সংকলন, ১ম খণ্ড, পৃঃ ৪
৪৭. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৫
৪৮. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৭
৪৯. সত্যেন্দ্ৰনাথ শৰ্মা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৯

৫০. গোবিন্দপ্ৰসাদ শৰ্মা, হোমেন বৰগোহাঞি (সম্পা.)ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী ৬ষ্ঠ খণ্ড, পৃঃ ২৮৫
৫১. ভূদেৱ চৌধুৰী, বাংলা সাহিত্যেৰ ছোটগল্প ও গল্পকাৰ, পৃঃ ৪৮
৫২. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৪৮
৫৩. শিশিৰকুমাৰ দাশ, বাংলা ছোটগল্প পৃঃ ৮০
৫৪. জ্যোতিপ্ৰসাদ ৰায়, বাংলা ছোটগল্পেৰ বিস্মৃত অধ্যায়, পৃঃ ২৯
৫৫. ভূদেৱ চৌধুৰী, বাংলা সাহিত্যৰ ইতিকথা, পৃঃ ২২৯
৫৬. সদ্যোক্ত গ্ৰন্থ, পৃঃ ২২৯
৫৭. ভূদেৱ চৌধুৰী, পূৰ্বোক্ত গ্ৰন্থ , পৃঃ১২৬
৫৮. তপোব্ৰত ঘোষ, ৰবীন্দ্ৰ ছোটগল্পেৰ শিল্পৰূপ, পৃঃ ৩০৮
৫৯. সমৰেশ মজুমদাৰ, ৰবীন্দ্ৰনাথেৰ গল্প বিশ্লেষণী পাঠ, পৃঃ ৩৩
৬০. সদ্যোক্ত গ্ৰন্থ, পৃঃ ২৬-২৭
৬১. ৰবীন্দ্ৰনাথ ঠাকুৰ, ছিন্নপত্ৰ, পৃঃ ১৬০
৬২. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৫৯
৬৩. ৰবীন্দ্ৰনাথ ঠাকুৰ, গল্পগুচ্ছ : ৰবীন্দ্ৰনাথ ঠাকুৰ, পৃঃ ২৫
৬৪. শিশিৰকুমাৰ দাশ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৮৬
৬৫. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৯০
৬৬. ৰবীন্দ্ৰনাথ ঠাকুৰ, ছিন্নপত্ৰ , পৃঃ ৪৩
৬৭. সমৰেশ মজুমদাৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৪১
৬৮. শিশিৰকুমাৰ দাশ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৯৭
৬৯. গোপীমোহন সিংহৰায় ৰবীন্দ্ৰ সাহিত্যেৰ নৰনাৰী পৃঃ ১১৩
৭০. সদ্যোক্ত গ্ৰন্থ, পৃঃ ১১২
৭১. সদ্যোক্ত গ্ৰন্থ, পৃঃ ১৪৩
৭২. ৰবীন্দ্ৰনাথ ঠাকুৰ, গল্পগুচ্ছ, পৃঃ ২৮৮
৭৩. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৩৮
৭৪. ভূদেৱ চৌধুৰী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৪৪-১৪৫
৭৫. বীৰেন্দ্ৰ দত্ত, বাংলা ছোটগল্প প্ৰসঙ্গ আৰু প্ৰকৰণ পৃঃ ৫৬৩
৭৬. সদ্যোক্ত গ্ৰন্থ, পৃঃ ১৪২
৭৭. ভূদেৱ চৌধুৰী,পূৰ্বোক্ত গ্ৰন্থ, পৃঃ১৪৯
৭৮. সদ্যোক্ত গ্ৰন্থ, পৃঃ ১৫৪
৭৯. সুকুমাৰ সেন, বাঙ্গালা সাহিত্যেৰ ইতিহাস, পৃঃ ৫৯
৮০. সদ্যোক্ত গ্ৰন্থ, পৃঃ৬০
৮১. সত্যচৰণ চট্টোপাধ্যায়, বাংলা ছোটগল্পেৰ ক্ৰমবিকাশ, পৃঃ ৩০
৮২. শিশিৰকুমাৰ দাশ,পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৭৫
৮৩. সত্যচৰণ চট্টোপাধ্যায়, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩২
৮৪. সুকুমাৰ সেন, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৭৮
৮৫. সদ্যোক্ত গ্ৰন্থ, পৃঃ ১৭৯
৮৬. সত্যচৰণ চট্টোপাধ্যায়,পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৬

৮৬. সদ্যোক্ত গ্ৰন্থ, পৃঃ ২১৬

৮৭. ভূদেৱ চৌধুৰী, পূৰ্বোক্ত গ্ৰন্থ,, পৃঃ ৩০৭

৮৮. প্ৰাগুক্ত গ্ৰন্থ; পৃঃ ৩০৯

৮৯. প্ৰাগুক্ত গ্ৰন্থ; পৃঃ ৩০৫

৯০. প্ৰাগুক্ত গ্ৰন্থ; পৃঃ ৩২২

৯১. তৰুণ মুখোপাধ্যায় (সম্পা.)ঃ বাংলা ছোটগল্প পৰ্ব-পৰ্বান্তৰ, উজ্জ্বলকুমাৰ মজুমদাৰৰ প্ৰবন্ধ 'প্ৰেমেন্দ্ৰ মিত্ৰেৰ গল্পেৰ কলা-কৌশল', পৃঃ ১২৩

৯২. ভূদেৱ চৌধুৰী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৬২

৯৩. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৩৯৯

৯৪. সত্যচৰণ চট্টোপাধ্যায়, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৩৯

৯৫. বীৰেন্দ্ৰ দত্ত, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৭৯

৯৬. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৫৭৯

# দ্বিতীয় অধ্যায়
# লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পৰ চমু বিশ্লেষণ

**আৰম্ভণিঃ**

১৮৯২ চনৰ 'জোনাকী'ৰ চতুৰ্থ ভাগৰ চতুৰ্থ সংখ্যাত প্ৰকাশিত হৈছিল বেজবৰুৱাৰ প্ৰথম চুটিগল্প 'সেউতী'।[১] বেজবৰুৱাৰ গল্পসমূহত তদানীন্তন সমাজ-জীৱনৰ সৰু-বৰ বিভিন্ন ঘটনাৰাজিৰ সমাহাৰ ঘটিছে। বিশেষকৈ সমাজৰ দোষ-ক্ৰুটিবোৰ তেওঁ বিশদভাৱে গল্পসমূহত উত্থাপন কৰিছে আৰু এই দিশবোৰৰ সমাধানৰ প্ৰতি এক বিশেষ প্ৰচেষ্টা গল্পসমূহৰ মাজত প্ৰকাশ পাইছে। প্ৰকৃততে গল্পসমূহৰ মাজত বেজবৰুৱা এজন সমাজ-সংস্কাৰক হিচাপে ধৰা দিছে। ব্যক্তিজীৱনত সংঘাত সৃষ্টি কৰা গুৰুতৰ সমস্যাসমূহ পৰিশোধন কৰাৰ উদ্দেশ্য তেওঁৰ গল্পসমূহত নিহিত হৈ আছে।

বৃটিছ আমোলৰ উনৈশ শতিকাৰ শেষাৰ্ধৰ অসম-বঙ্গৰ গাঁৱলীয়া আৰু নগৰীয়া জীৱনৰ লগত বেজবৰুৱাৰ গভীৰ পৰিচয় আছিল; সেইকাৰণে তেওঁ সেই সময়ৰ ভাঙোনমুখী অসমীয়া সমাজৰ অন্তঃসাৰশূন্য অৱস্থা, কৃত্ৰিম আভিজাত্যৰ ভেমত ওফন্দা নিম্ন মধ্যবিত্ত শ্ৰেণী, ইংৰাজী শাসনৰ দুৰ্নীতিপৰায়ণ আমোলাবিশেষ আৰু অন্ধসংস্কাৰত নিমজ্জিত অসমীয়া লোকৰ ধ্যান-ধাৰণা গল্পৰাজিৰ মাজেৰে প্ৰতীয়মান কৰিছে।[২] এফালে এচাম লোকে পাশ্চাত্য শিক্ষাৰে শিক্ষিত হৈ পাশ্চাত্যৰ অন্ধ অনুকৰণত নিজস্ব হেৰুৱাইছিল আৰু এচামে পুৰণিকলীয়া ৰীতি-নীতিক আপুৰুগীয়া সম্পদৰ দৰে সাৱটি ধৰি কুসংস্কাৰৰ নামত সমাজত কলুষ কালিমাৰ সৃষ্টি কৰিছিল। সমাজৰ নিন্দনীয় কাৰ্যসমূহক বেজবৰুৱাই অতি ব্যঙ্গ আৰু হাস্যৰসেৰে ভৰাই তুলিছে। হোমেন বৰগোহাঞিৰ ভাষাত--

> *অসমীয়া মধ্যবিত্ত সমাজৰ যি ক্ষুদ্ৰাতিক্ষুদ্ৰ অংশটো পশ্চিমীয়া শিক্ষা সংস্কৃতিৰ প্ৰথম সংস্পৰ্শলৈ আহিছিল, তেওঁলোকৰ সাধাৰণ লক্ষণ আছিল অন্ধ অনুকৰণ আৰু পল্লৱগ্ৰাহিতা, আনহাতে অৱক্ষয় আৰু অৱসাদৰ কালছোৱাত সমগ্ৰ অসমীয়া গ্ৰাম্য সমাজ নিমজ্জিত হৈ আছিল নানাবিধ কু-সংস্কাৰ, কু-অভ্যাস আৰু স্থবিৰতাৰ পংকত। এই দুয়োখন সমাজেই আছিল হাস্যৰস সৃষ্টি আৰু ব্যঙ্গ সমালোচনাৰ উপযুক্ত বিষয়বস্তু।*[৩]

গ্ৰাম্য সমাজৰ সহজ-সৰল লোকৰ ছবিও বেজবৰুৱাই অতি নিখুঁতভাৱে অংকন কৰিছে। গাঁৱলীয়া সাধাৰণ লোকৰ আৰ্থিক দৈন্যতা, স্বামী-স্ত্ৰীৰ মাজৰ দ্বন্দ্ব-খৰিয়াল আদিৰ ছবিও

বেজবৰুৱাৰ গল্পত দেখা যায়। কিছুমান গল্পত যদি প্ৰকৃতিপ্ৰেম আৰু কিছুমান গল্পত অতিপ্ৰাকৃত ঘটনাৰ আস্বাদ ল'ব পাৰি। অতিপ্ৰাকৃত ঘটনাৰ সমাবেশ ঘটা গল্পসমূহ সাধুকথাৰ সমপৰ্যায়ৰ। তেওঁ সাধুকথা আৰু চুটিগল্পৰ মাজত বৰ বিশেষ পাৰ্থক্য ৰখা নাছিল। 'এৰাবাৰী', 'মৈদাম', 'লাওখোলা' আদি গল্পত অতিপ্ৰাকৃত কথাৰ সমাবেশ ঘটিছে। কিন্তু কিছুমান গল্পক চুটিগল্পৰ বৈশিষ্ট্যৰে নিৰ্দ্ধাৰণ কৰিব পাৰি যদিও তেওঁ সেই গল্পসমূহক সাধুকথা বুলিহে অভিহিত কৰিছে। নগেন শইকীয়াৰ ভাষাত- "প্ৰসংগত মনকৰিবলগীয়া যে বেজবৰুৱাই তেওঁৰ ডায়েৰিত গল্প শব্দটো ব্যৱহাৰ কৰা নাই, বৰং তেওঁ ইংৰাজী 'টে'ল শব্দটোহে ব্যৱহাৰ কৰালৈ চাই সাধুকথা আৰু চুটিগল্প দুয়োকে তেওঁ 'টেল'ৰ শাৰীতে ধৰিছিল যেন অনুমিত হয়। উল্লেখযোগ্য, ঊনবিংশ শতিকাৰ আৰম্ভতে সৃষ্টি হোৱা এই ন ধাৰাটোক অনেকে tale, sketch আদি শব্দৰেই বুজাইছিল।"[৪] 'ভদৰী' গল্পত যদিও চুটিগল্পৰ বৈশিষ্ট্য ফুটি উঠিছে তথাপি বেজবৰুৱাই নিজে 'ভদৰী' গল্পৰ অন্তত 'ভদৰী' ক গল্প নুবুলি 'এবেগতীয়া সাধু' বুলিহে কৈছে। কিন্তু 'ভদৰী', 'পাতমুগী', 'মাধৈমালতী', 'ললিতী কাকতি' আদি গল্পক চুটিগল্পৰ মানদণ্ডেৰে নিশ্চয় জুখিব পাৰি।

যি কি নহওঁক, বেজবৰুৱাই অসমীয়া সাহিত্যৰ ইতিহাসত চুটিগল্পৰ ভেঁটি প্ৰতিষ্ঠা কৰি, তেওঁৰেই চুটিগল্পৰ পিতৃস্বৰূপ বুলি দাবী কৰিব পাৰে। বেজবৰুৱাই যি চুটিগল্পৰ ধাৰাটো আৰম্ভ কৰিছিল তাৰেই ভেঁটিতেই অসমীয়া চুটিগল্পৰ ইতিহাসৰ সূচনা হৈছিল। বেজবৰুৱাই অসমীয়া সাহিত্যৰ ভঁৰালটোক টনকিয়াল কৰাৰ লগতে চুটিগল্পৰ পথ প্ৰদৰ্শক হিচাপে বেজবৰুৱাৰ নাম সদায় অবিস্মৰণীয় হৈ ৰ'ব।

অসমীয়া সাহিত্যত বেজবৰুৱাৰ হাতত চুটিগল্পই প্ৰাণ পাই উঠাৰ দৰে বাংলা সাহিত্যত চুটিগল্পৰ পিতৃস্বৰূপ হৈছে ৰবীন্দ্ৰনাথ ঠাকুৰ। ৰবীন্দ্ৰনাথৰ আগতে বাংলা সাহিত্যত চুটিগল্পই ৰূপ লাভ কৰা নাছিল। ৰবীন্দ্ৰনাথৰ প্ৰথম গল্প 'ভিখাৰিণী'। 'ভাৰতী' আলোচনীত এই কৰুণ ৰসাশ্ৰিত ভাবাকুল কাহিনীটি প্ৰকাশিত হৈছিল ১৮৭৪ খ্ৰীষ্টাব্দত।[৫] ইয়াৰ উপৰিও তেওঁ 'হিতবাদী', 'সাধনা', 'সবুজপত্ৰ' আদি আলোচনীত গল্প লিখে। ৰবীন্দ্ৰনাথৰ গল্পসমূহত তথাকথিত সমাজ-জীৱনৰ বিভিন্ন দিশ প্ৰতিফলিত হৈছে। গল্পসমূহৰ মাজেদি সমাজ সচেতন মনৰ পৰিচয় দাঙি ধৰিছে। তদানীন্তন সমাজৰ সামাজিক, ৰাজনৈতিক, আৰ্থসামাজিক আদি সামাজিক ব্যৱস্থাসমূহ গল্পসমূহৰ মাজেদি প্ৰকাশ কৰিছে। ইয়াৰ উপৰিও অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ ওপৰত বিশেষভাৱে তীক্ষ্ণ সমালোচনামূলক দৃষ্টিভংগী আগবঢ়াইছে। গল্পসমূহত বিশেষকৈ

নাৰীৰ সমস্যাসমূহক প্ৰধানভাৱে গুৰুত্ব দিছে। গল্পসমূহত বিভিন্ন বিষয়বস্তুৰ সমাহাৰ ঘটিছে। প্ৰকৃতিপ্ৰেম, মানৱপ্ৰেম, অতিপ্ৰাকৃত ঘটনা, সতীদাহ প্ৰথা, বাল্যবিবাহৰ কুপৰিণতি, স্ত্ৰী শিক্ষাৰ প্ৰতি সমাজৰ বিৰূপ মনোভাৱ আদি বিষয়সমূহে আদি বিষয়সমূহে গল্পসমূহক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। এইক্ষেত্ৰত শিশিৰ কুমাৰ দাশৰ এষাৰ মন্তব্য দাঙি ধৰিব পাৰি--

> *তার গল্পের পটভূমি কখনও চহর, কখনও গ্রাম। কখনও নির্মম উদাসীনতা। তার কোনো গল্পে বর্তমান জীৱনের পরিচিত আবহাওয়া, তার কোনো গল্পে সুদূৰ অতীতের রহস্যঘন আবরণ, কোনো গল্পে অতিপ্রাকৃতের শিহরণ। তাঁর গল্পের চরিত্রশালায় আছে রাজারাণী, লুপ্তবিত্ত জমিদার, দরিদ্র কৃষক। হতভাগিনী গ্রাম্যবধু, নিষ্ঠুৰ পুরুষ, অসহায় শিশু। কখনও তার বিষয় ভাতৃস্নেহ, প্রভুর প্রতি আনুগত্য, মায়েৰ প্রতি ভালোবাসা। কখনও তার বিষয় কোমল মধুর প্রেম, কখনও তার অপূৰ্ব ভালোবাসার বেদনা, কখনও প্রেমের জটিল, সর্পিল, নিষ্ঠুর রূপ।*[৮]

**বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পৰ বিভাজনঃ**

বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথৰ গল্পৰ বিষয়বস্তু অনুসৰি আলোচনাৰ সুবিধাৰ্থে তলত দিয়া ধৰণে ভাগ কৰি আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল----

ক) সমাজৰ অন্তঃসাৰশূন্য লোকৰ ছবি ৰূপায়িত গল্প
খ) জাত-পাতৰ সমস্যামূলক গল্প
গ) নাৰী সমস্যামূলক গল্প
ঘ) প্ৰকৃতিমূলক গল্প
ঙ) ৰোমান্টিক প্ৰেমৰ গল্প
চ) আৰ্থসামাজিক দিশৰ গল্প
ছ) অতিপ্ৰাকৃত চৰিত্ৰ সন্নিবিষ্ট গল্প

**ক)সমাজৰ অন্তঃসাৰশূন্য লোকৰ ছবি ৰূপায়িত গল্পঃ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ**

বেজবৰুৱাৰ 'মলক গুইন্ গুইন', 'ভেমপুৰীয়া মৌজাদাৰ', 'ভোকেন্দ্ৰ বৰুৱা' আদি গল্পৰ মাজেদি সমাজৰ এচাম অন্তঃসাৰ-শূন্য লোকৰ ছবি উদঙাই দেখুৱাইছে। এই গল্পসমূহত এচাম পাশ্চাত্য শিক্ষাৰে শিক্ষিত লোকে কেনেদৰে আনক অনুসৰণ কৰি নিজৰ সংস্কৃতি আৰু আত্মীয়ৰ প্ৰতি দায়িত্বজ্ঞানহীন আচাৰ-আচৰণ কৰিছিল, সেই ফোপোলা স্বৰূপটো দেখিবলৈ পোৱা যায়। কিছুমান লোকে সাধাৰণ পদবী এটা পায়েই নিজক উচ্চ পদবীধাৰী বুলি ভাবি মানৱতাহীন হৈ

পৰিছিল। অসমত বৃটিছে প্ৰৱৰ্তন কৰা ঔপনেবেশিক প্ৰশাসনিক ব্যৱস্থাত বহু আঢ্যৱন্ত আৰু পূৰ্বৰ আহোম ৰজাসকলে চলোৱা শাসন ব্যৱস্থাত বিভিন্ন সা-সুবিধা ভোগ কৰি থকা পৰিয়ালৰ সদস্য, সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দুৰ্যোগৰ সন্মুখীন হৈ অৱক্ষয়ৰ গ্ৰাসত পৰে। আনহাতে ঔপনিবেশিক শাসনে নিজৰ স্বাৰ্থতে এক নতুন শ্ৰেণী প্ৰভাৱশালী আঢ্যৱন্ত লোকৰ উত্থানত সহায় কৰে। ইংৰাজী শিক্ষাৰ প্ৰসাৰৰ সুফলখিনি পুঁজি হিচাপে ব্যৱহাৰ কৰাৰ সলনি নকল চাহাব হোৱাৰ মানসিকতাও চালুকীয়া শিক্ষিত মধ্যবিত্তৰ এচাম লোকৰ মাজত লক্ষণীয় হৈ পৰে।[৭] এইচাম লোকক উদ্দ্যেশি বেজবৰুৱাই তীব্ৰ হাস্য আৰু ব্যঙ্গৰে সমালোচনাত্মক দৃষ্টিভংগী আগবঢ়াইছে। সমাজৰ এইচাম মানুহেও বেজবৰুৱাৰ দৃষ্টিৰ পৰা আঁতৰি যোৱা নাই।

'মলক গুইন্ গুইন্' বেজবৰুৱাৰ এটা উল্লেখযোগ্য গল্প। গল্পটোৰ মাজেদি সমাজৰ এচাম অন্তঃসাৰশূন্য লোকৰ ছবি উদঙাই দেখুৱাইছে। গল্পটোত তোলন সাজতোলাৰ পুতেক মলখু চৰিত্ৰটোৰ অধঃপতনৰ ছবি দাঙি ধৰিছে। মলখুৱে উচ্চ শিক্ষা লাভ কৰি চাকৰি পোৱাটো মাক দেউতাকৰ কাৰণে অতি আনন্দজনক কথা। কিন্তু এই আনন্দত মলখুৱে চেঁচা পানী ঢালিলে। মলখুৱে চাকৰি কৰা ঠাইলৈ যেতিয়া পিতৃ সাজতোলাই দেখা কৰিবলৈ গ'ল তেতিয়া মলখুৱে পিতৃক চিনি নাপাওঁ বুলি ক'লে। বিদেশী সাজ-পাৰ, কথনভংগীৰে মলখু অত্যাধুনিক হৈ পৰিল। মলখুৰ চিন্তা-ধাৰা অতি তললৈ নামি গ'ল। মলখুৱে বাহ্যিকতাক গুৰুত্ব দি পিতৃৰ আবেগ-অনুভূতিকো তুচ্ছজ্ঞান কৰিলে। সেয়ে নিজৰ পিতৃক চিনি নাপাওঁ বুলি ক'বলৈও অলপো কুণ্ঠাবোধ কৰা নাই। মলখুৱে পিতৃক অতি নিদাৰুণভাৱে কৈছে--"তুমি ক'ৰ পাৰা আহিছে? কোন আছে? মই তোমাক চিনি নাপাওঁ। ইয়াৰ পৰা এতিয়াই তুমি গুছি যাব লাগে।"[৮] মলখুৰ স্বভাৱ চৰিত্ৰৰ লগতে নিজৰ কথা কোৱা ভাষাটোৰো পৰিৱৰ্তন হ'ল। শুদ্ধ অসমীয়া ভাষাৰ সলনি ভাষাটোৰ লগত আন ভাষাৰ সংমিশ্ৰণ ঘটাই বিকৃত কৰি তুলিছে।

মলখুৰ ব্যৱহাৰত সাজতোলাই অতি মৰ্মান্তিক হৈ পৰিল। মলখুৰ নীচ আচৰণে পিতৃ-মাতৃক অতি নিৰাশ কৰি তুলিলে। পিতৃ-মাতৃৰ এটা সপোন থাকে সন্তানক অতি কষ্ট কৰি ডাঙৰ-দীঘল কৰাৰ পিছত তেওঁলোকৰ পৰা সুখৰ মুখ দেখা। আনকি মলখুৱে নিজৰ ঘৰত আহিবলৈও অনিচ্ছুক। মাকে বহুত অনুনয় বিনয় কৰাৰ পিছত ঘৰলৈ আহিবলৈ মান্তি হ'ল যদিও কেইটামান চৰ্তত্হে আহিম বুলি ক'লে । "অৱশ্যে অৱশ্যে যাম। আইক কবা বেছি 'ছেন্টিমেন্ট' নকৰিবলৈ। কৰিলে কোনো 'ফয়দা' নাই। কিন্তু এটা কথা; ত্ত মই ভাত খাবলৈ দুবেলা গা ধুব নোৱাৰো।

তোমালৌক ভেকুলী বেঙৰ নিছিনাকৈ পানীতপৰিয়েই থাকা। তেনে কৰিলে মোৰ পানী লাগিব, চৰ্দি হ'ব, জ্বৰ আহিব, বহুত 'তকলিপ' হ'ব। আৰু জ্বৰ হ'লে , বাই জোভ হু উইল চেভ মি? ন ব্লডি ডক্তৰ, ন ব্লুমিং মেডিচিন দেয়াৰ।"[৯] এনেকৈ ভঙা ভঙা হিন্দী ইংৰাজী ভাষাৰ ব্যৱহাৰেও মলখু চৰিত্ৰটোক হাঁহিয়তাৰ পাত্ৰ কৰি তুলিছে।

যদিও মলখু ঘৰলৈ আহিল ঘৰৰ চৌপাশৰ পৰিবেশৰ প্ৰতি অতিষ্ঠ হৈ পৰিল। "অল ৰাইট্ মই যাম; 'বট' কিন্তু ৰাজআলিৰপৰা ঘৰলৈ যাবলৈ পথাৰৰ মাজেদি যিটো আলি আছে সেইটো বৰ নেৰ', - অলপ বহল কৰিব লাগিব, নতুবা মই সেই থেক আলিত বুট জোতাৰে যাব নোৱাৰিম; কিজানি পিছলি পৰিব পাৰিম, তেনেহলে হক্‌লো মাট্টি।"[১০] মলখুৰ চৰ্তত পিতৃৰ উপায় নোহোৱা হ'ল।

মলখুৱে গাৰৰ খাদ্যাভ্যাসৰ প্ৰতিও বিৰক্তি ভাৱ প্ৰকাশ কৰিলে। মাকে অতি আদৰেৰে যতনাই থোৱা চিৰা, সান্দহ, পিঠা আদি খাবলৈ দিয়াত অনিচ্ছা প্ৰকাশ কৰি কৈছে--

> *গুডনেছ গ্ৰেস্যচ, মোক মাৰিবলৈ বন্দবস্ত কৰি থৈছেনে কি? হু দি ডেভিল উইল টেক ইয়োৰ ব্লুমিং চিৰা পিঠা, এণ্ড পাৰ্টিকিউলাৰ্লিং দেট্ ডেলিকেচি ইয়ৰ পিঠা-গুৰি? বোলো সেইবোৰ 'ডেঠ' মানে মৃত্যু। মোক ৰাতিপুৱাই এপিয়লা চাহ, আৰু কণী এটা বা দুটা সিজাই দিবা বচ্। কণী পোৱা যাব তো?*[১১]

ঘৰলৈ আহিল যদিও মলখুৱে থকা কেইদিন সকলোকে হাৰাশাস্তি কৰি দিলে। মাক-দেউতাকৰ উপৰিও ভায়েক আৰু ওচৰ চুবুৰীয়াও মলখুৰ আচৰণত অসন্তুষ্ট নোহোৱাকৈ নাথাকিল।

আনকি মলখুৱে দেউতাকৰ সাজপাৰৰ প্ৰতিও বিৰূপ মন্তব্য কৰিলে। অতদিনে পৰিধান কৰি অহা দেউতাকৰ সাজ-পাৰৰো পৰিবৰ্তন কৰিব বিচাৰিছিল--

> *তুমি যেতিয়া মোৰ ওচৰলৈ আহাঁ তেতিয়া বগা কাপোৰ কানি পিন্ধি আহিবা। তোমাৰ গাত মলিৰে ক'লা কাপোৰ দেখিলে মোৰ বৰ 'ছেম' হয়, মানে বৰ লাজ পাওঁ; আৰু মোৰ 'চাৰভেন্ট আই মিন' লগুৱাহঁতেই কি ভাবিব। কোট পেন্টলুন পিন্ধি আহিব পাৰিলে মই বৰ সন্তোষ পাম।*[১২]

বেজবৰুৱাৰ সমাজ-সচেতন মনৰ পৰা মলখুৰ দৰে চৰিত্ৰও বাদ পৰি যোৱা নাই। মলখু চৰিত্ৰৰ অধঃপতনৰ চিত্ৰ অতি সুন্দৰভাৱে গল্পকাৰে দাঙি ধৰিছে। গোবিন্দপ্ৰসাদ শৰ্মাৰ ভাষাত- "ইংৰাজৰ ভাল গুণবোৰ বুজিব নোৱাৰি , কেৱল উপৰুৱা ইংৰাজী দণ্ডত উটি যাব খোজা যিচাম ইংৰাজী শিক্ষাৰে অৰ্ধশিক্ষিত লোকে নিৰ্দোষ অসমীয়া সভ্যতা আৰু সমাজৰ অন্যায় সাধিব খুজিছিল, সেইসকলক বেজবৰুৱাই তীব্ৰ সমালোচনা কৰিছিল হাস্যৰসৰ মাজেদিয়ে। আনহাতে সেই নিৰ্দোষ

পৰম্পৰাগত অসমীয়া সমাজৰ ত্ৰুটি-বিচ্যুতিবোৰ তেওঁ উদঙাই দিছিল এই ব্যঙ্গাত্মক ধাৰাৰ গল্প নাটিকা ইত্যাদিৰে।"[১৩]

'ভেমপুৰীয়া মৌজাদাৰ' 'সাধু কথাৰ কুকি' গল্পগ্ৰন্থৰ অন্তৰ্গত এটা চৰিত্ৰপ্ৰধান গল্প। শ্ৰীযুত লম্বোদৰ শৰ্মা বৰুৱা ভেমপুৰ মৌজাৰ মৌজাদাৰ। ৰাইজৰ পৰা বলেৰে বস্তু বাহানি গোটোৱাটো তেওঁৰ স্বভাৱ। মৌজাদাৰ পদবীটো পাই গাৱৰ মানুহবিলাকক ভৰিৰ তলত ৰাখিব বিচাৰে। তেওঁৰ প্ৰয়োজনীয় সামগ্ৰীবিলাক ৰাইজৰ পৰা বলেৰে গোটায়। গল্পটোত উল্লেখ কৰা অনুসৰি--

*বৰচাহাব মফস্বললৈ গ'লে মৌজাদাৰ ডাঙৰীয়াৰ কপাল ফুলে বুলি শুনা যায়। একেবাৰেই হেনো এবচৰলৈ ডাঙৰীয়াৰ নিজ খোৰাকৰ দুখ গুছে। ৰাইজৰ পৰা বিনামূলীয়াকৈ আদায় কৰা 'ৰচত' বৰচাহাবলৈ যদি এগুণ যায় ডাঙৰীয়াৰ ভড়ালত হাতৰ-পাচ তাৰ ৯ গুণ ৰৈ যায়। কুলি ধৰাটো হেনো ডাঙৰীয়া কালান্তক যম। এই অমৃতক্ষণ পৰিলে হেনো ডাঙৰীয়াৰ আখেজৰ খালবিলাকত ধুমা ধুমিকৈ মাটি পৰি পোট খাই যায়।*[১৪]

গল্পটোৰ মাজেৰে দুৰ্নীতিপৰায়ণ লোকৰ ছবি অতি সুন্দৰভাৱে দাঙি ধৰিছে। প্ৰফুল্ল কটকীৰ ভাষাত--

*প্ৰসংশাৰ চলেৰে নিন্দা কৰি, ভেমপুৰীয়া মৌজাদাৰৰ সমস্ত বদগুণ সদৰি কৰা হৈছে। মৌজাদাৰ ডাঙৰীয়া বগা চাহাবৰ পদলেহী, আত্মসন্মানহীন, আক্ৰোহী, প্ৰতিহিংসাপৰায়ণ, লগুৱা -লিগিৰাক দৰমহা নিদিয়া, স্বাৰ্থপৰ চৰিত্ৰ। একান্ত ৰসাল কৰি মানুহজনৰ দুৰ্গুণবোৰ লেখকে এটা এটাকৈ সদৰি কৰিছে।*[১৫]

মৌজাদাৰে নিজকে উচ্চ বংশৰ বুলি আনৰ আগত গৌৰৱ কৰে। কিন্তু তেওঁ স্বভাৱ চৰিত্ৰৰ দিশত তেনেই নীচ। ধৰ্মৰ নামতো তেওঁৰ ভণ্ডামি--

*মৌজাদাৰ শুদা শক্তিৰ লোক নহয়। মহাপুৰুষ সদ্ ব্ৰাহ্মণ। তেওঁ পাহ ৰাখি মূৰ খুৰাই ৰঙা চন্দনৰ ফোট লয়; ডাঢ়ি গোফ নেৰাখে; লোকৰ হোকাত ধপাত নোহোহে। তিনি সন্ধ্যা পূজা আহ্নিক নিয়মমতে কৰে; লোকৰ ঘৰত কেতিয়াও শৰাধে বিয়ায় জলপান এটাও নাখায়; মানুহক শপত খুৱাব লাগিলে নিজৰ গালৈ চোৱাই বা আপোনাৰ খৰম চুবলৈ কৈ শপত খুৱায়; দুৰ্গাপূজাত আৰু কালী পূজাত নিজ হাতে ছাগলী কাটে, বা আগত থিয় দি থাকি লোকৰ হতুৱাই কটাই তাৰ তেজেৰে ফোটেৰে নিজৰ বহল কপাল শুৱনি কৰে; মুখেৰে দিনে ৰাতিয়ে "মা কালী" "জয় দুৰ্গা" কৰি থাকে; আনকি শিৱৰাত্ৰিত ভাঙৰ মিঠৈ আৰু বিজয়াৰ দিনা ঘোটা খাই ডাঙৰীয়াই বলিয়া হৈ গাৰ কাপোৰ কানি খহাই থোৱাও দেখা গৈছে। ইমানতো তোমাক সন্দেহ আছে যে আমাৰ ডাঙৰীয়া সদ্‌ব্ৰাহ্মণ আৰু মহাপুৰুষ?*[১৬]

মৌজাদাৰৰ অন্যায় অনীতি ইমানতে শেষ নহয়; তেওঁ আনকি ঘৰত কাম কৰা মানুহবিলাকক প্ৰাপ্য মজুৰিখিনিও দিব নিবিচাৰে। "ডাঙৰীয়াই বেটী-বান্দী, চাকৰ নাকৰক দৰমহা নিদিয়ে; সিহঁতে দৰমহা খুজিলে, চোতালত শুকাবলৈ মেলি দিয়া কাঠ-খৰি লৈ সিহঁতক দৰমহাৰ সলনি প্ৰহাৰ দিয়ে।"[১৭]

মৌজাদাৰৰ মনুষ্যত্ব বোলা গুণ অকণো নাই। এচাম সুবিধাবাদী লোকে কেনেকৈ সুবিধা বুজি আনৰ অন্যায় কৰি নিজৰ শ্ৰীবৃদ্ধি কামনা কৰে, তাকে গল্পটোৰ মাজেৰে দেখুৱাব বিচাৰিছে। সমাজৰ এইচাম লোকে কেনেদৰে সাধাৰণ এচাম মানুহক নিৰ্মমভাৱে শোষণ কৰি আহিছে সেই ছবি গল্পটোত অতি স্পষ্টৰূপে প্ৰতিফলিত হৈছে। উচ্চপদবী হ'লেই মানুহ উচ্চ নহয় , ইয়াৰ বাবে লাগিব সৎ চিন্তা আৰু মানবীয় গুণ।

'ভোকেন্দ্ৰ বৰুৱা' গল্পটো বেজবৰুৱাৰ 'জোনবিৰি' গল্পগ্ৰন্থৰ অন্তৰ্গত এটা উল্লেখযোগ্য গল্প। গল্পটোত ভোকোন্দি চৰিত্ৰটোৰ অন্তঃসাৰশূন্যতা দাঙি ধৰা হৈছে। ভোকোন্দিয়ে উচ্চ শিক্ষাৰ বাবে কলিকতালৈ গৈ নিজৰ জীৱনৰ কিছুমান পৰিবৰ্তন আনিব বিচাৰিছে। নতুন পৰিবেশৰ লগত খাপ খুৱাবলৈ গৈ নিজস্বতা হেৰুৱাই আনক অণুকৰণ কৰি হাঁহিয়াতৰ পাত্ৰ হৈ পৰিছে। ভোকোন্দি চৰিত্ৰটো গল্পকাৰে হাস্য আৰু ব্যঙ্গ ৰসেৰে পৰিপূৰ্ণ কৰি তুলিছে। ভোকোন্দিয়ে নিজৰ নাম, পিতৃ, মাতৃ, ভনীয়েক আনকি গাঁৱৰ নামো সলনি কৰিব বিচাৰিছে। তেওঁৰ লগৰ সমনীয়াৰ লগত এই নামসমূহ অৰ্থহীন যেন অনুভৱ কৰা হৈছে। ঘৰলৈ লিখা চিঠি এখনত এই কথা সবিশেষ লিখি পঠিয়াইছে। ইংৰাজী আৰু অসমীয়া ভাষাৰ সংমিশ্ৰণেৰে লিখা এইচিঠিখন বগীৰাম ডাকবাবুৱে বাপেক গোন্ধাই আৰু মাক জেতুকীক পঢ়ি শুনালে। চিঠিখনত ভোকোন্দিয়ে নাম সলনি কৰিব বিচৰা কাৰণ দৰ্শালে এনেদৰে- "বৰ লাজৰ কথা যে মোৰ নামটো ভোকোন্দি হৈছিল। really really বাস্তবিকতে এইটো বৰ shameful লাজৰ কথা। ইয়াৰ কলেজৰ লগৰ ল'ৰাই এই নামটো লৈ মোক বৰ ঠাট্টা কৰে।ময়ো দেখিছো যে ভোকোন্দি বৰ অসভ্য নাম। monstorous! তাক সভ্য কৰি লোৱাটো মোৰ duty অৰ্থাৎ কৰ্তব্য। সেইদেখি মই কলেজৰ হাজিৰা বহীত আজি মাৰ্চ মাহৰ ২০ তাৰিখে তাক কটাই ভোকেন্দ্ৰ কৰিলো। আৰু মোৰ নামৰ পিছত এটা উপাধি নোহোৱাৰ বাবেও বৰ হাঁহিয়াতৰ কথা হৈছে; সেইদেখি তাত বৰুৱা লগাই দিয়ালো। তুমিও আজিৰ পৰা তোমাৰ নামটোৰ উন্নতি বিধান কৰি তাক গোন্ধেশ্বৰ কৰিবা আৰু তাত বৰুৱা কথাযাৰ লগাই দিবা; আৰু লোককো সেইদৰে তোমাক address কৰিবলৈ অৰ্থাৎ মাতিবলৈ

দিবা।"[১৮] লগতে এই কথাখিনি আখৰে আখৰে পালন কৰিবলৈ পিতৃক পৰামৰ্শ দিলে।

ইয়াৰ উপৰিও ভোকোন্দিয়ে শ্যেলী কীটচৰ নিছিনা কবিতা লিখিবলৈ লোৱাৰ কথাও চিঠিখনত উল্লেখ কৰিলে। ইয়াৰ বাবে ভোকোন্দিয়ে শ্যেলী কীটচৰ নিচিনাকৈ চুলি দীঘলকৈ ৰাখিবলৈ সিদ্ধান্ত লৈছে। ভোকোন্দিয়ে দেউতাকৰ কাৰণে জীৱন-চৰিত লিখিবলৈ লোৱা, দেউতাকৰ ফটোগ্ৰাফ খুজি পঠোৱা, ফটোগ্ৰাফৰ কাৰণে ম'হ বিক্ৰী কৰিবলৈ পৰামৰ্শ দিয়া, দেউতাকৰ সাতামপুৰুষীয়া গাখীৰৰ ব্যৱসায় বন্ধ কৰিবলৈ কোৱা, সৰু ভনীয়েকৰ ভুৰ্ভৰী নামৰ সলনি ভ্ৰমৰিণী কৰিবলৈ দিয়া, মাকৰ জেতুকী নামটো গুচাই যতিকেশ্বৰী কৰি বলৈ দিয়া, দেউতাকক গুৱালৰ ব্যৱসায় এৰি ভদ্ৰলোকৰ দৰে চলিবলৈ দিয়া আদি কথাই ভোকোন্দি চৰিত্ৰটোৰ তৰলতাৰেই উমান দিছে। এইক্ষেত্ৰত হোমেন বৰগোহাঞিৰ এষাৰ কথা দাঙি ধৰিব পাৰি--

> *ইংৰাজী ভাষা সাহিত্য আৰু আদৰ কায়দাৰ লগত তেওঁলোকৰ চকুৰ পৰিচয় হৈছে আৰু কেৱল এই চাক্ষুস পৰিচয়ে তেওঁলোকক কৰি তুলিছে অনুকৰণ সৰ্বস্ব নৰ-ৰূপী বানৰ; ইউৰোপৰ সাহিত্য আৰু সংস্কৃতিৰ আত্মাক আৱিষ্কাৰ কৰিবৰ জোখাৰে বুদ্ধি প্ৰতিভা বা গভীৰতা তেওঁলোকৰ সমূলি নাই। এই নৰৰূপী বানৰসকলৰ কীৰ্তি-কলাপ বৰ্ণনা কৰিবৰ কাৰণে লেখকে যি হাস্যোদ্দীপক ব্যংগ ভাষা প্ৰয়োগ কৰিছে এই ক্ষেত্ৰত সি অতিশয় উপযোগী হৈছে, কাৰণ আন কোনো ভাষাৰেই হাঁহি উঠা আৰু পুতৌ লগা চৰিত্ৰবোৰ ফুটাই তুলিব নোৱাৰি।* [১৯]

থিক একেদৰে ৰবীন্দ্ৰনাথৰ 'দেনাপাওনা' 'অপৰিচিতা' 'জীৱিত আৰু মৃত'আদি গল্পৰ মাজেদি সমাজৰ এচাম ফোপোলা মনোবৃত্তিসম্পন্ন আৰু দুৰ্নীতি পৰায়ণ লোকৰ স্বৰূপ উদঙাই দেখুৱাইছে। দুয়োটা গল্পই সমাজ-সমস্যামূলক গল্প। সামাজিক নিষ্ঠুৰ নীতি-নিয়মক সাৰটি ধৰিয়েই এচাম লোকে কেনেদৰে মনুষ্যত্ব জ্ঞান হেৰুৱাইছে, তাকে দুয়োটা গল্পতে দেখুওৱা হৈছে। দুয়োটা গল্পতে ধন-সম্পদৰ লালসাই ব্যক্তি জীৱনত সংঘাতৰ সৃষ্টি কৰিছে।

'দেনাপাওনা' গল্পত পণ প্ৰথাই কেনেদৰে নিৰুপমাৰ জীৱনলৈ আন্ধাৰ নমাই আনিছিল তাৰ এক বৰ্ণনা আছে। পণৰ টকা থিকমতে দিব নোৱাৰাৰ বাবে নিৰুপমাৰ শহুৰেকৰ ঘৰত কোনো স্থান নাই। নিৰুপমাৰ প্ৰতি কুৎচিত মনোভাৱ প্ৰকাশ পাইছে এইদৰে- "অৰ্থাৎ বাপ যদি পূৰা দাম দিত তো মেয়ে পূৰা যত্ন পাইত। সকলেই এমন ভাৱ দেখায় যেন বধূৰ এখানে কোনো অধিকাৰ নাই, ফাঁকি দিয়া প্ৰবেশ কৰিয়াছে।[২০] পিতৃগৃহৰ নিন্দা শুনাটো নিৰুপমাৰ কাৰণে নিত্য কাৰ্যত পৰিণত হৈছিল। নিৰুপমাৰ কাৰণে শহুৰেকৰ ঘৰখন শৰশয্যা হৈ উঠিল। পিতৃৰ ঘৰলৈ

যোৱাৰ কাৰণেও বাধা নিষেধ কৰা হ'ল। অতি কষ্টকৰ জীৱনৰ মাজত নিৰূপমাই দিন অতিবাহিত কৰিলে। অৱশেষত নিৰূপমাই জ্বৰত ভুগিলে। ডেপুটি ম্যাজিস্ট্ৰেট স্বামীৰ অনুপস্থিতিত শাহুৰেকৰ পৰা কোনো ধৰণৰ পৰিচৰ্যা নাপালে। অৱহেলিত নিৰূপমা শেষত মৃত্যমুখত পৰিল। কিন্তু শহুৰেকৰ ঘৰখনত কোনো ধৰণৰ অনুশোচনা নাই। কেৱল এটা সৰু ঘটনাৰ দৰে নিৰূপমাৰ অন্ত্যেষ্টিক্ৰিয়া সম্পাদন কৰিলে। গল্পটোত এই অমানবীয় কাৰ্যৰ প্ৰকাশ কৰিছে এইদৰে---

> *বড়ো বউ মৰিয়াছে, খুব ধুম কৰিয়া অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হইল। প্ৰতিমা বিসৰ্জনেৰ সমাৰোহ সম্বন্ধে জেলাৰ মধ্যে ৰায়চৌধুৰীদেৰ যেমন লোকবিখ্যাত প্ৰতিপত্তি আছে, বড়োবউয়েৰ সৎকাৰ সম্বন্ধে ৰায়বাহাদুৰদেৰ তেমনি একটা খ্যাতি ৰটিয়া গেল- এমন চন্দনকাষ্ঠেৰ চিতা এ মুলুকে কেহ কখনো দেখে নাই।*[১১]

নিৰূপমাৰ মৃত্যুই শহুৰেকৰ ঘৰত কোনো ধৰণে প্ৰভাৱিত নকৰিলে। শাহুৰেকে পুতেকৰ কাৰণে পুনৰ বিয়া পাতি পণ আদায় কৰাৰ কথাহে চিন্তা কৰিবলৈ ধৰিলে। শাহুৰেকে নিৰূপমাৰ স্বামীলৈ চিঠিত লিখিলে--

> *বাবা তোমাৰ জন্যে আৰ একটি মেয়েৰ সম্বন্ধ কৰিয়াছি, অতএব অবিলম্বে ছুটি লইয়া এখানে আসিবে। এবাৰে বিশ হাজাৰ টাকাৰ পণ এবং হাতে হাতে আদায়।*[১২]

এনেদৰে গল্পটোত বৰ্বৰ মানসিকতা দেখিবলৈ পোৱা যায়।

'অপৰিচিতা' গল্পত দৰাৰ মোমায়েকৰ অন্তঃসাৰশূন্যতা ফুটি উঠিছে। অভিভাৱক সদৃশ মোমায়েকে বিয়াখনত আগভাগ লৈছিল। তেওঁৰ লক্ষ্য আছিল কইনাৰ পৰা পাব লগা ধন সোণৰ প্ৰতিহে। গল্পটোত উল্লেখ কৰা অনুসৰি--

> *মামাৰ একমাত্ৰ লক্ষ্য ছিল, তিনি কোনোমতেই কাৰো কাছে ঠকিবেন না। তাঁৰ ভয় তাঁৰ বেহাই তাঁকে গহনায় ফাঁকি দিতে পাৰেন- বিবাহকাৰ্য শেষ হইয়া গেলে সে ফাঁকিৰ আৰ প্ৰতিকাৰ চলিবে না। বাড়িভাড় সওগাদ লোক বিদায় প্ৰভৃতি সম্বন্ধে যেৰকম টানাটানিৰ পৰিচয় পাওয়া গেছে তাহাতে মামা ঠিক কৰিয়াছিলেন- দেওয়া-থোওৱা সম্বন্ধে এ লোকটিৰ শুধু মুখেৰ কথাৰ উপৰ ভৰ কৰা চলিবেন না। সেইজন্য বাড়িৰ স্যাকৰাকে সুদ্ধসঙ্গে আনিয়াছিলেন। পাশেৰ ঘৰে গিয়া দেখিলাম, মামা এক তক্তপোশে এবং স্যাক্ৰা তাহাৰ দাঁড়িপাল্লা কষ্টিপাথৰ প্ৰভৃতি লইয়া মেজেয় বসিয়া আছে।*[১৩]

এনেদৰে অৰ্থলিপ্সাই মোমায়েকক মনুষ্যত্বহীন কৰি তুলিছিল। এনেদৰে সামাজিক প্ৰথা আচাৰ-ব্যৱহাৰ, ব্যক্তিৰ অমানবীয়তাক গল্পকাৰে ব্যঙ্গ কৰিছে। মোমায়েকৰ থেক মনোবৃত্তিৰ বাবে বিয়াখনত বাধাৰ সৃষ্টি হৈছিল।

'জীৱিত আৰু মৃত' গল্পত ধনে-জনে প্ৰতিপত্তিশালী লোকৰ নিন্দনীয় কাৰ্যক উদঙাই দেখুৱাইছে। গল্পটোত ৰাণীহাটৰ জমিদাৰ শাৰদাশংকৰ বাবুৰ বিধৱা বোৱাৰীয়েক কাদম্বৰীৰ জীৱনলৈ বিপৰ্যয় নামি আহিছিল। যদিও উচ্চ বংশৰ জমিদাৰৰ ঘৰৰ বোৱাৰী আছিল তথাপিও কাদম্বৰীয়ে তেওঁলোকৰ চিন্তাৰ সংকীৰ্ণতাৰ পৰা মুক্তি পোৱা নাছিল। কাদম্বৰীৰ হৃদযন্ত্ৰ বন্ধ হৈ যোৱাৰ পিছত শ্মশানলৈ লৈ গৈছিল যদিও কাদম্বৰীয়ে চেতন অৱস্থা পাই শ্মশানৰপৰা দাহন কৰাৰ আগতে উঠি আহিছিল। কিন্তু কোনোৱে কাদম্বৰীক আদৰি নললে। প্ৰেতাত্মা বুলিহে ভাবিলে। শেষত কাদম্বৰীয়ে জীৱনত বহুতো দুৰ্ভোগ ভুগি অৱশেষত মৰি প্ৰমাণ কৰি দিবলগীয়া হৈছিল যে কাদম্বৰীয়ে আচলতে পূৰ্বতে মৰা নাছিল, হৃদযন্ত্ৰহে বন্ধ হৈ গৈছিল।

**জাত-পাতৰ সমস্যামূলক গল্পঃ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ**

বেজবৰুৱাৰ গল্পসমূহত জাত-পাতৰ সমস্যাক এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে উপস্থাপন কৰিছে। তদানীন্তন সমাজ-জীৱনত জাত-পাতৰ উচ্চ-নীচ ভাৱে ব্যক্তিজীৱনত সংঘাতৰ সৃষ্টি কৰিছিল। সেয়েহে বেজবৰুৱাই সমাজৰ এই সংকীৰ্ণ চিন্তাৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিছে। সমাজ-জীৱনৰ কলুষ-কালিমাসমূহ নাশ কৰিব বিচৰা বেজবৰুৱাই এই অনীতিসমূহক যুক্তিৰে খণ্ডন কৰিব বিচাৰিছে। 'নিস্তাৰিণী দেৱী বা ফাতেমা বিবি', 'লম্বোদৰ ডেকা', 'জাতিৰামৰ জাত', 'ধৰ্মধ্বজ ফয়চলা নবিচ', 'ভোম্‌কেৰোলা' আদি গল্পত জাত-পাতৰ সমস্যাৰ ছবি মূৰ্ত হৈ উঠিছে। 'নিস্তাৰিণী দেৱী বা ফাতেমা বিবি' গল্পত হিন্দু আৰু মুছলমানৰ মাজৰ ভেদ-ভাৱ দাঙি ধৰা হৈছে। জাত-পাতৰ ভেদ-ভাৱৰ বাবে নিস্তাৰিণী দেৱীয়ে কেনেদৰে কঠোৰ যন্ত্ৰণাৰ সন্মুখীন হ'ব লগা হৈছিল, তাৰ এক কৰুণ কাহিনী দাঙি ধৰিছে। প্ৰফুল্ল কটকীৰ ভাষাত ক'ব পাৰি--

> *জাত-পাতৰ সংকীৰ্ণ বিচাৰক মানবীয় বিবেচনাৰ উৰ্দ্ধত স্থান দিয়া আমাৰ সমাজৰ পুৰণিকলীয়া ৰীতিটোৰ দেখ দেখ সমালোচনা ইয়াত আছে।*[২৪]

জাত-পাতৰ ক্ষেত্ৰত বেজবৰুৱাৰ দৃষ্টিভংগী আছিল উদাৰ। বেজবৰুৱাৰ দৃষ্টিত জাত-পাতৰ ভেদভাৱে ব্যক্তি জীৱনৰ উত্থানৰ দিশত কোনো ইন্ধন নোযোগায়; ই মাত্ৰ মন-মগজুৰ চিন্তাৰ সংকীৰ্ণতাৰহে পৰিচায়ক। সময়সাপেক্ষে ই ব্যক্তিজীৱনত সংঘাতৰ সৃষ্টি কৰি সুখ-স্বাস্বন্দ্যৰ অৱসানহে ঘটায়। 'নিস্তাৰিণী দেৱী বা ফাতেমা বিবি' গল্পত জাত-পাতৰ বৈষম্যৰ ছবি অতি বেদনাদায়ক। অতি কম বয়সীয়া নিস্তাৰিণীয়ে অজানিতে মুছলমানৰ ঘৰত ঈদত পায়স খোৱাৰ অপৰাধতে জীৱনত দুৰ্ভোগ ভুগিবলগীয়া হ'ল। সমাজৰ নীতি-নিয়মৰ জ্ঞান নথকা অবুজ

শিশুগৰাকীও ক্ষমাৰ যোগ্য নহ'ল।

শেষত ঘৰৰ পৰা বাহিৰ হৈ গৈ মুছলমানৰ ঘৰতে আশ্ৰয় লৈ সৰ্বস্ব ত্যাগ কৰি ফাতেমা বিবি হ'লগৈ। গল্পটোত জাত-পাতৰ উচ্চ-মনা ভাৱৰ প্ৰকাশ ঘটিছে এইদৰে--

*এই পৃথিৱীত মোতকৈ দুখিত প্ৰাণী কোনো নাই হুজুৰ, কোনো নাই। কিন্তু হুজুৰ এটা কথা কওঁ আমাৰ দেশখন জাতেই খালে। জাত জাতকৈ ইটোৱে সিটোক ঘিণাই, হিন্দু মুছলমান বুলি এটা ধৰমৰ মানুহে। আনটোক ছেই-ছেই কৰি মিছাতে আমাৰ দেশখন 'জহন্নামে' নিলে। আল্লাৰ আগত সকলো ধৰমৰ মানুহ সমান হুজুৰ। জাত-জাতকে ইটোৱে সিটোক ঘিণাই, হিন্দু মুছলমান বুলি এটা ধৰমৰ মানুহে আনটোক ছেই ছেই কৰি মিছাতে আমাৰ দেশখন জহন্নামে খালে।*[৫]

'লম্বোদৰ ডেকা' গল্পত লম্বোদৰে নৰিয়াতপৰি হীন জাতৰ হাতে ভাত খাব লগা হ'ল। সেই অজুহাততে পৰাচিত হোৱাৰ পিছতো লম্বোদৰক সমাজৰ কোনো কোনো লোকে নিজৰ জাতত উঠিব দিয়াৰ পক্ষপাতী নহয়। এচাম মানুহে লম্বোদৰক বিমোৰত পেলালে যদিও গল্পৰ কথক প্ৰমুখ্যে কেইজনমান লোকে লম্বোদৰক সহায় কৰিবলৈ ওলাই আহিছে। ব্যক্তি জীৱনত আউল লগোৱা এনে সামাজিক বিধিৰ প্ৰতি লেখক উত্তেজিত হৈ পৰিছে। গল্পটোৰ মাজেদি লম্বোদৰৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰি ধৰ্মীয় গোড়ামিৰ উৎখাত কৰিব বিচাৰিছে।

গল্পটোত লম্বোদৰ বৰাই গুৱাহাটীলৈ গৈ থাকোঁতে নৰীয়াত পৰি নাৱৰীয়াৰ হাতে ভাত খাবলগীয়া হ'ল। এই ঘটনাটোৱে লম্বোদৰৰ কাৰণে কাল হ'ল। গুৱাহাটীৰ পৰা অহাৰ পিছত গাঁৱৰ মানুহে গম পাই মেল পাতি লম্বোদৰক এঘৰীয়াকৈ থলে। বন্ধু-বান্ধৱ, মিতিৰ-কুটুম কোনেও তেওঁৰ ওচৰলৈ নহা হ'ল। বিমোৰত পৰি হীন জাতৰ হাতে ভাত খোৱাৰ বাবেই আজি লম্বোদৰৰ এনে দশা হ'ল। সেয়ে গল্পকাৰে জাত-পাতৰ উচ্চ-নীচ ভাৱৰ প্ৰতি তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে এইদৰে--

*নৰিয়াত পৰি নোৱাৰা পক্ষত তেওঁ হীন জাতৰ হাতে ভাত খালে বুলি পৰাচিত হৈও জাত পাব নোৱাৰা হ'লনে? এনে অন্যায় ব্যৱস্থা ক'ত দেখিছা ক'ত শুনিছা ! হিন্দু শাস্ত্ৰ হিন্দু ধৰ্মৰ দোহাই দি আমাৰ দেশৰ এই পণ্ডিত নাম খোৱা মূৰ্খখনে মানুহক লৈ-লৈ-থৈ-থৈ কৰি মাৰিব পায়নে বাৰু, কোৱাচোন বোপা?*[৬]

গল্পটোত এচাম লোকে লম্বোদৰক উদ্ধাৰ কৰিবলৈ ওলাই আহি এই অন্যায় অনীতিৰ বিৰুদ্ধে মাত মাতিছে--

*অপৰাগ পক্ষত বামুণে বিজাতিৰ হাতে ভাত খালেও তেওঁৰ জাত নেযায়। যোৱা*

*উচিত নহয়। হিন্দু ধৰ্ম উদাৰ ধৰ্ম। আপোনাসৱে তাৰ মৰ্ম নুবুজি তাক অনুদাৰ পাতিছে।*[১৭]

'জাতিৰামৰ জাত' গল্পত জাত-পাতৰ বিষয়টোই মুখ্য ভূমিকা গ্ৰহণ কৰিছে। জাত-পাতৰ ওপৰত লেখকৰ দীঘলীয়া বক্তব্য উপস্থাপিত হৈছে। সমাজ-সংস্কাৰৰ উদ্দেশ্যই গল্পটোৰ মাজত নিহিত হৈ আছে। জাত-পাতৰ উচ্চ-নীচ ভাৱৰ প্ৰতি লেখকে ক্ষোভ উজাৰিছে এইদৰে--

*আপোনাৰ বৰল'ৰাটি যে কলিকতাত পঢ়িবলৈ বুলি থাকি তাত অৱশ্যে অপাৰগ পক্ষত বঙালী ৰান্ধনি বামুণৰ হাতে ভাত খাইছিল। সেইটো কোনো ব্ৰহ্মবধ বা গোবধৰ শাৰীৰ পাতক নহয়, আৰু স্বৰূপতে ক'বলৈ গ'লে সি কোনো পাতকেই নহয়। তাকে গপগপাই বৰটো কৰি আমাৰ নমো নমো পাৰিজাত, কুকুৰে ছুলে বাহী গাত' জাতিৰাম ফৌজদাৰী চিৰস্তাদাৰে আপোনাৰ পুতেকৰ জাত গ'ল বুলি কৈ ফুৰিছে। কিয় যে এই ক্ষুদ্ৰ পাতকত আপোনাৰ ল'ৰাৰ, জাতিৰাম বৰুৱাৰ শাস্ত্ৰমতে, জাত গ'ল তাক জাতিৰাম বৰুৱাইহে জানে। মিছা কথা ক'লে ভণ্ডামি কৰিলে, ফাঁকি-জুকি দি পৰক দাঁড়ি খালে, ভেঁটী খালে, আনকি অগম্যাগমন কৰিলেও, চিৰস্তাদাৰৰ শাৰীৰ লোকৰ জাত যোৱা দেখা নাযায়; কিন্তু বিদ্যাৰ্থী ল'ৰাই বিদ্যা শিকিবলৈ গৈ বিদেশত বিদেশী বামুণৰ হাতে ভাত এমুঠি খাই লেখা-পঢ়া শিকিলেহে হেনো তাৰ জাতটো যায়।*[১৮]

'ধৰ্মধ্বজ ফয়চলা নবিচ' গল্পত জয়চন্দ্ৰই পিতৃপুৰুষৰ দিনৰে পৰা পোৱা জাত-পাত সম্পৰ্কীয় কঠোৰ ৰীতি-নীতিৰ প্ৰতি অতিষ্ঠ হৈ নিজৰ ধৰ্মক ত্যাগ কৰিবলৈ কুণ্ঠাবোধ কৰা নাই । জয়চন্দ্ৰ ভূঞাই তীব্ৰ ক্ষোভ আৰু অভিমানেৰে সপৰিবাৰে ইছলাম ধৰ্ম গ্ৰহণ কৰি নিজৰ ধৰ্মৰ গোড়ামিক ধিক্কাৰ দিছে। লেখকৰ দৃষ্টিত জাত-পাত সম্পৰ্কীয় সংকীৰ্ণ চিন্তাক সমাজৰ পৰা আঁতৰাব লাগিলে এচাম সচেতন ব্যক্তি নাইবা অন্যায়ৰ বিৰুদ্ধে থিয় হ'ব পৰা ব্যক্তিৰ নিতান্তই আৱশ্যক। লেখকে জয়চন্দ্ৰ চৰিত্ৰটোৰ দ্বাৰাই জাত-পাতৰ ভেদ-ভাৱক তীব্ৰ বিৰোধিতা কৰিছে।

গল্পটোত লেখকৰ ধৰ্ম সম্পৰ্কে উদাৰ ভাৱ পোষণ কৰিছে এইদৰে--

*যি ধৰ্মত চহকী দুখীয়া, ৰজা-প্ৰজা, শিক্ষিত-অশিক্ষিত সকলো সমান, যি ধৰ্মত বৰ-সৰু, ৰজা-প্ৰজা, হজুৰা বাদচাহ সকলো একে আৰু সকলোৱে একে ঠাইতে একেদৰে উপসনা কৰি শান্তি লভে, যি ধৰ্মত আৰু যি ধৰ্মৰ শাস্ত্ৰত সকলো মুছলমানৰে সমান অধিকাৰ, যি ধৰ্মক অৱলম্বন কৰি সকলো দেশৰ ওখ, সৰু সকলো শাৰীৰ সকলো সমাজৰ মুছলমানে একেলগে একে ঠাইতে, আনকি একে পাততে খোৱা-লোৱা কৰে, যি ধৰ্মত মুছলমানে (উপযুক্ত হ'লে) ধৰ্মযাজকৰ কাম পৰ্যন্ত কৰিব অধিকাৰ পায়, যি*

*ধৰ্মত সকলো মুছলমান ভাই ভাই আৰু  সকলো মানুহ সমান, আজি জয়চন্দ্ৰই সেই ধৰ্মৰ আশ্ৰয় পাই ক্ষন্তেকৰ ভিতৰতে মানুহৰ প্ৰাপ্য অধিকাৰ লাভ কৰিলে।*[১৯]

'ভোমকেৰোলা' গল্পত এজন নদীয়ালৰ ল'ৰাই ফাঁকি দি পণ্ডিত বিদ্যাৰত্নৰ ওচৰত সংস্কৃত বিদ্যাশিক্ষা লাভ কৰে। ল'ৰাজনৰ পাণ্ডিত্যত মুগ্ধ হৈ পণ্ডিত বিদ্যাৰত্নই তেওঁক ঘৰজোঁৱাই কৰিবলৈ সিদ্ধান্ত  ললে।  অপুত্ৰক বিদ্যাৰত্নই ল'ৰাজনৰ চলাহী কথাত ভোল গৈ দুয়োজনী ছোৱালীকে তেওঁলৈ বিয়া দিলে। কিন্তু তেওঁলোকৰ সংসাৰ বেছিদিন বৰ্তি নাথাকিল। সৰু ঘৈণীয়েক কাদম্বৰীয়ে যেতিয়া গম পালে সৰু ঘৈণীয়েক কাদম্বৰীয়ে যেতিয়া গম পালে যে তাইৰ গিৰিয়েক আচলতে ব্ৰাহ্মণৰ ল'ৰা নহয়, নদীয়ালৰহে ল'ৰা তেতিয়া তাই জীৱনটো কলুষিত হোৱা বুলি ভাবি জীয়াই থকাটো প্ৰয়োজনবোধ নকৰিলে। সেয়ে দুয়ো বাই-ভনী থকা ঘৰত জুই লগাই দি আত্মহত্যা কৰিলে। গল্পটোৰ মাজেদি যদিও  ভোমকেৰোলা চৰিত্ৰটোৰ ৰহস্য উদ্‌ঘাটন কৰা হৈছে তথাপি জাত-পাতৰ সমস্যাটোৱেই হৈছে প্ৰধান বক্তব্য বিষয়।

একেদৰে ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পতো জাত-পাতৰ সমস্যাৰ ছবি পোৱা যায়। সমাজৰ এই উচ্চ-নীচক ভাৰক ৰবীন্দ্ৰনাথে তীক্ষ্ণভাৱে সমালোচনা কৰিছে। ৰবীন্দ্ৰনাথৰ 'ত্যাগ,' 'মহামায়া' আদি গল্পত জাত-পাতৰ সমস্যাই কিদৰে ব্যক্তি জীৱনত সংঘাতৰ সৃষ্টি কৰিছে তাকে দেখিবলৈ পোৱা যায়।

'ত্যাগ' গল্পটোত জাত-পাতৰ উচ্চ-নীচ ভাবে পাৰিবাৰিক অশান্তি-অসূয়াৰ সৃষ্টি কৰিছে। হেমন্তই কুসুমক বিয়া কৰোৱাৰ পিছতহে গম পালে যে কুসুম আচলতে ব্ৰাহ্মণৰ কন্যা নহয়। কথাটো গম পোৱাৰ লগে লগে হেমন্তৰ পিতৃ উত্তেজিত হৈ পৰে। হেমন্তৰ খঙৰ শাম কাটিল যদিও পিতৃয়ে কোনোমতে কুসুমক বোৱাৰী কৰাৰ পক্ষপাতী নহয়। পিতৃয়ে হেমন্তক কঠোৰ নিৰ্দেশ দিলে। অৱশেষত পিতৃয়ে হেমন্তক কুসুমৰ সৈতে ঘৰৰপৰা বাহিৰ হৈ যাবলৈ দিয়ে।

'মহামায়া' গল্পটোত জাত-পাতৰ সংকীৰ্ণ বিচাৰে মহামায়াৰ জীৱনটো ধ্বংসৰ মুখলৈ ঠেলি দিছিল। মহামায়া জাতত কুলীন ব্ৰাহ্মণ। গতিকে অকুলীণ পাত্ৰৰ লগত বিয়া পতাটো সমাজৰ পক্ষে এক নীতি বিৰুদ্ধ কাম। অতি সৌন্দৰ্যময়ী মহামায়া অনুৰূপ কুলসম্পন্ন পাত্ৰৰ অভাৱত বয়স বাঢ়ি গৈ আছিল। বিদেশী ৰাজীৱৰ লগত যদিও প্ৰণয়ৰ সম্পৰ্ক আছিল ; সেই সম্বন্ধও কিন্তু কোনো নিশ্চিত নাছিল। ৰাজীৱে এদিন মহামায়াক বিয়াৰ প্ৰস্তাৱ দিলে যদিও মহামায়াই সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিছিল।

*প্ৰবল কুলাভিমান মহামায়াৰ বংশে কত কাল হইতে প্ৰবাহিত হৈছে- সে কি কখনো*

*রাজীবের মতো অকুলীন ব্ৰাহ্মণকে বিবাহ কৰিতে সম্মত হৈতে পাৰে। ভালোবাসা এক আরো বিবাহ করা আর।*[৩০]

কিন্তু মহামায়াই হঠাতে সিদ্ধান্ত সলনি কৰি অসম্ভৱকো সম্ভৱ কৰি ৰাজীৱৰ লগত বিয়া পতাৰ সিদ্ধান্ত ললে। ককায়েক ভৱানীচৰণে এই কথা গম পাই সমাজৰ পক্ষে গৰ্হিত কাম হ'ব বুলি ভাবি মৃত্যুৰ ক্ষণ গণি থকা বুঢ়া ব্ৰাহ্মণ এজনলৈ ততাতৈয়াকৈ মহামায়াক বিয়া পাতি দিলে। বিয়াৰ পিছদিনাই মহামায়াই বিধৱা হ'ব লগা হ'ল। তদানীন্তন সমাজত প্ৰচলিত সহমৰণ প্ৰথা অনুসাৰে মহামায়াকো চিতাত সমৰ্পণ কৰিলে। সেইসময়ত প্ৰচণ্ড বৰষুণ দি আছিল বাবে চিতাৰ পৰা উঠি আহি প্ৰেমিক ৰাজীৱৰ ওচৰলৈ গুচি আহিল। জুইৰ লেলিহান শিখাই মহামায়াৰ মুখৰ সৌন্দৰ্য নিশেষ কৰি পেলাইছিল। মহামায়াই ৰাজীৱৰ ওচৰলৈ আহিল যদিও ৰাজীৱে তাইৰ মুখখন চাব নোৱাৰাৰ চৰ্তততহে থাকিবলৈ সিদ্ধান্ত ললে। এদিন ৰাজীৱে মুখখন চোৱা বুলি গম পাই ৰাজীৱৰ জীৱনৰ পৰা চিৰদিনলৈ আঁতৰি যায়। মহামায়াই হয়তো ভাবিছিল তাইৰ সেই বিকৃত মুখখন দেখিলে ৰাজীৱে চমকিত হৈ উঠিব আৰু মনত অশেষ কষ্ট পাব। গতিকে মহামায়াই ৰাজীৱৰ ওচৰত থকাটো প্ৰয়োজনবোধ নকৰি সংসাৰ ত্যাগ কৰি নিৰুদ্দেশ হ'ল। জাত-পাতৰ ভেদ-ভাৱৰ ফলতেই মহামায়াৰ জীৱনত কৰুণ পৰিণতি ঘটিল।

**নাৰীৰ সমস্যামূলক গল্পঃ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ**

নাৰীৰ সমস্যা দুয়োজন গল্পকাৰৰে গল্পত স্পষ্ট ৰূপত প্ৰতিভাত হৈছে। সেই সময়ৰ সমাজ-জীৱনত নাৰীয়ে বিভিন্ন সমস্যাৰ সন্মুখীন হৈছিল। যেনে বিধৱাৰ সমস্যা, জাত-পাতৰ সমস্যা , পুৰুষে নাৰীৰ ওপৰত কৰা নিৰ্যাতন আদি এশ এবুৰি সমস্যা দুয়োজন গল্পকাৰৰে গল্পৰ বিষয়বস্তু হৈ পৰিছে। বেজবৰুৱাৰ 'ভদৰী', 'যেনে চোৰ তেনে টাঙোন', 'ললিতীকাকতি' আদি গল্পত নাৰী নিৰ্যাতনৰ ছবি পোৱা যায়। জাত-পাতৰ বিচাৰৰ ক্ষেত্ৰত বেজবৰুৱাৰ 'নিস্তাৰিণী দেৱী বা ফাতেমা বিবি', 'ভোমকেৰোলা', 'মালতী' আদি উৎকৃষ্ট উদাহৰণ। পুৰুষে স্ত্ৰীৰ প্ৰতি কৰা দুৰ্ব্যৱহাৰৰ ছবি মূৰ্ত হৈ উঠিছে 'কাশীবাসী', আমালৈ নাপাহৰিব' আদি গল্পত। আনহাতে 'লাওখোলা', 'বাপিৰাম', 'এৰাবাৰী' আদি গল্পত বিধৱাৰ সমস্যা প্ৰতিফলিত হৈছে।

ঠিক একেদৰে ৰবীন্দ্ৰনাথৰ 'শাস্তি' গল্পটো নাৰী নিৰ্যাতনৰ উৎকৃষ্ট উদাহৰণ। 'ত্যাগ', 'মহামায়া' আদি গল্পত জাত-পাতৰ বিচাৰে কেনেদৰে নাৰীৰ জীৱন যন্ত্ৰণাময় কৰি তুলিছিল তাৰ উল্লেখ আছে। 'দৃষ্টিদান','মানভঞ্জন', 'স্ত্ৰীৰ পত্ৰ' আদি গল্পত পুৰুষৰ স্ত্ৰীৰ প্ৰতি উদাসীনতা

দেখিবলৈ পোৱা যায়। বাল বিধৱাৰ সমস্যা মূৰ্ত হৈ উঠিছে ‘বিচাৰক’, ‘ত্যাগ’, ‘প্ৰতিবেশিনী’ আদি গল্পত। আনহাতে ‘দেনাপাওনা’, ‘অপৰিচিতা’ আদি গল্পত পণ প্ৰথাৰ দুষ্কাৰ্য দেখিবলৈ পোৱা যায়।

**প্ৰকৃতিমূলক গল্পঃ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ**

বেজবৰুৱাৰ ‘জলকুঁৱৰী’, ‘কন্যা’, ‘মুক্তি’ আদি গল্পত প্ৰকৃতিৰ সৈতে গল্পৰ চৰিত্ৰৰ অন্তৰঙ্গ সম্পৰ্ক স্থাপন কৰা হৈছে।

‘জলকুঁৱৰী’ বেজবৰুৱাৰ ‘সাধুকথাৰ কুকি’ গ্ৰন্থৰ অন্তৰ্গত এটা উল্লেখযোগ্য গ্ৰন্থ। গল্পটোত প্ৰকৃতি প্ৰেমৰ ছবি স্পষ্ট। গল্পটোৰ আৰম্ভণিতে ৰূপহী নৈ খনৰ সুন্দৰ বৰ্ণণা দাঙি ধৰিছে। এই নৈখনৰ লগত এগৰাকী যোল বছৰীয়া ছোৱালীৰ অন্তৰঙ্গ সম্পৰ্কৰ কথা বৰ্ণণা কৰা হৈছে। ছোৱালীজনীয়ে সদায় পুৱা-গধূলি আহি ৰূপহী নৈৰ পাৰত বহি থাকে। তাইৰ উদ্দেশ্য হৈছে নৈখনৰ সৌন্দৰ্য উপভোগ কৰা। নৈত খাগৰি এডাল পেলাই দি খাগৰি ডাল উটি যোৱা দৃশ্যটো চাই তাই আনন্দ উপভোগ কৰে। ছোৱালীজনীয়ে ৰূপহী নৈৰ পাৰৰ জৰী গছ এডালৰ তলত বহি সদায়ে নৈ খনৰ সৌন্দৰ্য উপভোগ কৰি থাকে। গল্পটোত উল্লেখ কৰা অনুসৰি-‘

> *ছোৱালীজনীৰ দৈনিক বন হৈছে খাগৰি একোচা গোটাই আনি এডাল এডালকৈ ছাকনৈয়াত পেলাই দিয়া; আৰু কেনেকৈ সি পোনতে লাহে লাহে, তাৰ পিছত বেগেৰে টাকুৰি ঘূৰাদি ঘূৰি থিয় হৈ ভৰ ভৰ কৰে তললৈ সোমায় যায়, সেই ৰং চোৱা। আৰু এটা কাম, ৰূপহীৰ সৈতে কথা পতা; আৰু মাজে মাজে আগগুৰি বিবৰ্জিত নাম সাজি আনি ৰূপহীক গাই শুনোৱা।* ৩১

সময়ত ছোৱালীজনীৰ বিয়াৰ থিক হ’ল। কিন্তু বিয়াৰ প্ৰতি তাইৰ অকণো মন-কাণ নাই। নিতৌ ৰূপহীৰ পাৰত বহি নৈৰ আনন্দ উপভোগ কৰি থাকে। বিয়ালৈ সাতদিন থকাৰ পিছতো ৰূপহীৰ পাৰলৈ নোযোৱাকৈ নাথাকিল। । যেতিয়া দৰাই কইনাৰ উদাসীন স্বভাৱ প্ৰতি অসন্তুষ্ট হ’ল তেতিয়াহে ছোৱালীজনীৰ গাত লাগিল। চিন্তাত ৰাতি টোপনি নহাত মনটো শাঁত পেলাবলৈ আকৌ ৰূপহীৰ পাৰলৈ ধাপলি মেলিছে। গল্পটোত বৰ্ণণা কৰা অনুসৰি--

> *বাহিৰত ফৰিংফুটা জোনাক। শোৱা-পাটী এৰি মনে মনে তাই ৰূপহীৰ পাৰ ওলালগৈ। পাৰ পায়েই তাইৰ সকলো চিন্তা ভাৱনা ৰূপহীৰ সোঁতত মুহূৰ্ততে কৰবালৈ উটি গ’ল। আকৌ তাই খাগৰি গোটাই আনি ছাকনৈয়াত এডাল*

*এডালকৈ পেলাবলৈ লাগিল।*[৩২]

অৱশেষত ৰূপহীৰ পাৰতে তেওঁলোক দুজনৰ মিলন হ'ল।

'কন্যা' গল্পটো বেজবৰুৱাৰ 'সাধুকথাৰ কুকি' গ্ৰন্থৰ অন্তৰ্গত এটা উল্লেখযোগ্য গল্প। গল্পটোত প্ৰকৃতিৰ অতি সুন্দৰ বৰ্ণণা দাঙি ধৰিছে। গল্পৰ কথকক কন্যা নৈৰ আকৰ্ষণে মন-প্ৰাণ ভৰাই তোলে। নৈখনৰ প্ৰতি গল্পৰ কথকৰ অনুভৱ অতি সুন্দৰভাৱে গল্পটোত বৰ্ণনা কৰিছে এইদৰে--

> *আমাৰ ঘৰৰ কাষেদি এখন সৰু পৰ্বতীয়া নৈ ৰু ৰুৱাই শিলৰ মাজেদি বৈ গৈছে। নৈ খনৰ নাম কন্যা। সোৱাদ নামটি। হয় কোনো কবিয়ে এই নামটো ৰাখিছিল, নহয়, নৈয়ে আপোনা গুণেৰে সৰ্বসাধাৰণ অকবিৰ হৃদয়তকবিতা লহৰী তুলি দি বলেৰে এই প্ৰাপ্য নামটো ল'লে। কন্যাৰ গৰ্ভত - ডাঙৰ সৰু বহুত নানাবিধ শিল আছে। এই শিলবিলাকত পানী পৰি দিনে ৰাতিয়ে অবিশ্ৰাম ৰু ৰুৱনি উঠি থাকে। প্ৰায় আদ মাইল বাটৰপৰা, সেই কান্দোনৰ নিচিনা সেই বিষাদসূচক ৰু ৰুননি কাণত পৰে। শুনিলে মন বনবৰাগী হৈ কৰবালৈ গুচি যাব খোজে।*[৩৩]

এই কন্যা নৈৰ পাৰতে এহাল কোল ডেকা গাভৰুৰ প্ৰণয়ৰ সম্পৰ্ক গঢ় লৈ উঠিছিল। কন্যা নৈৰ পাৰতে তেওঁলোকৰ প্ৰণয়ৰ সম্পৰ্ক গঢ় লৈ উঠিছিল আৰু অতি কৰুণ তেওঁলোকৰ জীৱনৰ পৰিসমাপ্তিও ঘটিছিল। নৈৰ লগত মানুহৰ সম্পৰ্ক, নৈৰ প্ৰতি মানুহৰ সুন্দৰ অনুভৱ আদি অতি সুন্দৰভাৱে গল্পটোত উপস্থাপন কৰিছে।

'মুক্তি' গল্পটো বাঁহী ১২ শ বছৰ, ১৯২৩ চনত ৰচিত বেজবৰুৱাৰ এটা উল্লেখযোগ্য গল্প। গল্পটোত মানুহ আৰু প্ৰকৃতিৰ অন্তৰঙ্গ সম্পৰ্ক স্থাপন কৰা হৈছে। বেজবৰুৱাই তেওঁৰ সূক্ষ্ম অনুভূতিৰে মানৱ জীৱনৰ বিভিন্ন দিশ বিশ্লেষণ কৰাৰ লগতে শিশুসকলৰ মানসিক জগতখনৰ অনুভূতিকো গল্পৰ বিষয় হিচাপে ল'বলৈ পাহৰা নাই। বেজবৰুৱাই শিশু মনস্তত্বৰ সুন্দৰ ৰূপায়ন কৰিছে গল্পটোৰ মাজেদি। গল্পটোত বেজবৰুৱাৰ প্ৰকৃতিপ্ৰেম আৰু মানৱপ্ৰেম দুয়োটাই সুন্দৰভাৱে ধৰা দিছে। বেজবৰুৱা নিজেই আছিল অতিকে প্ৰকৃতিপ্ৰেমী। তেওঁৰ 'মোৰ জীৱন সোঁৱৰণ' গ্ৰন্থত প্ৰকৃতিপ্ৰেমৰ সুন্দৰ নিদৰ্শন পোৱা যায়- "মোৰ পৰিচালনাত পৰিপক্ক বালকবৃন্দৰে সৈতে অনেক প্ৰকাৰৰ ৰং-ধেমালি আৰু খেলত মই পৈনত হৈ পৰিছিলো; যেনে - হৈ-হুদু, টাংগুটি , লুকা-ভাকু, পঁচি, কচুগুটি, বাঘ-গৰু খেলা, গছত উঠা, বৰশী বাই মাছ ধৰা, ইত্যাদি ইত্যাদি।......... বাৰিষা পৰ্বতৰ টিঙত যেনেকৈ মৰাৰ আনন্দৰ চালি, বাৰিষা আমাৰো সেই পুখুৰীৰ পাৰত হাঁহি ধেমালি আৰুখিকিন্দালি। দিন নাই, ৰাতি নাই, সময় নাই, অসময় নাই, কাৰণ-

অকাৰণত সেই পুখুৰীত আমাৰ নাদোৰ- সাঁতোৰ জাঁপ আৰু খৰ। থিয় সাঁতোৰ, চিলনী সাঁতোৰ আদি কত ৰকমৰ সাঁতোৰৰ আন্দোলনেৰে সেই পুখুৰীত হেন্দোলদোপ লগাইছিলোঁ, তাক আমি জানিছিলো আৰু পুখুৰীয়ে জানিছিল।[৩৪]

'মুক্তি' গল্পটোৰ মুখ্য চৰিত্ৰ হৈছে সুকুমাৰ। সুকুমাৰৰ শিশুসুলভ মনৰ সুন্দৰ প্ৰকাশ ঘটিছে গল্পটোত। প্ৰকৃতিপ্ৰেমী সুকুমাৰ পঢ়া-শুনাৰ প্ৰতি অমনোযোগ। কেৱল প্ৰকৃতিৰ লগত উমলি ভাল পায়। "ক'ত গছত পকা আম, দাঁহেচীয়া মধুৰি আম আছে ক'ত ঘৰৰ পানী পাছৰ চুকত বৰলে বাহ সাজিছে, সেই বৰলৰ বাহ ভাঙি টোপ লৈ ক'ৰ পুখুৰীত বৰশী বাই পুঠিমাছ ধৰা যাব; ক'ত গছৰ বাহৰ পৰা চৰাই পোৱালি আনি পুহিব লাগিব; পোহনীয়া মেকুৰী, কুকুৰ পহু পোৱালিৰে কেনেকৈ ধেমালি কৰিব লাগিব ইত্যাদি কথাৰে সুকুমাৰৰ মূৰ ভৰপূৰ; তাত স্কুলৰ পাঠ্য কিতাপৰ কথালৈ ঠাই তাকৰ।"[৩৫] সুকুমাৰৰ পঢ়াৰ প্ৰতি অনীহা দেখি মাক-দেউতাক আৰু লগতে ককায়েকো চিন্তান্বিত হৈ পৰিল। স্কুলত শিক্ষকৰ শাসন আৰু ঘৰত দেউতাকৰ শাসনেও সুকুমাৰৰ স্বভাবৰ কোনো পৰিবৰ্তন কৰিব নোৱাৰিলে। দেউতাকে আনকি সুকুমাৰক নিষ্ঠুৰভাৱে প্ৰহাৰো কৰিলে। সুকুমাৰৰ দেউতাকৰ মনোভাৱ আছিল সুকুমাৰে পঢ়ি-শুনি ডাঙৰ মানুহ হোৱাটো। গতিকে সুকুমাৰক শাসনৰ মাজেদি দেউতাকৰ সপোণ পূৰণ কৰিব বিচাৰিছিল। দেউতাকে সুকুমাৰৰ মগজুৰ সামৰ্থ্যৰ কথা অনুভৱ কৰা নাছিল।

দেউতকৰ উচ্ছাকাঙ্খা আৰু সেই আকাঙ্খাক ৰূপ দিবলৈ সুকুমাৰৰ মনোজগতক অকণো প্ৰাধান্য নিদিয়া কাৰণেই সুকুমাৰৰ জীৱনৰ ব্যৰ্থতাৰ কাৰণ। শিশু এজনক কঠোৰ নিয়ম-নীতিৰে পৰিচালনা কৰাতকৈ প্ৰথমতে শিশুৰ মানসিক দিশটোক গুৰুত্ব দিয়াটোহে অধিক সমীচীন। কিয়নো জীৱনৰ গুৰুদায়িত্বৰ কথা সাধাৰণ শিশু এজনৰ মগজুৰে ঢুকি নাপায়। সময়ৰ লগত প্ৰাচীন চিন্তাধাৰাক আঁতৰাই এক মুকলি মনক সাৰটি লোৱাটোহে যে অতিকে প্ৰয়োজন; এই কথা লেখকৰ বক্তব্যৰ মাজত স্পষ্ট হৈ পৰিছে। "পুৰণি সভ্যতা বা অসভ্যতা আৰু নতুন সভ্যতা বা অসভ্যতাৰ মাজৰ দূৰদৃষ্টিৰ নিমিত্তেই এই ভদ্ৰলোকজনৰ এনে মানসিক বিপদ ঘটিছিল।'[৩৬] বেজবৰুৱাৰ দৃষ্টিত কেৱল কঠোৰ শাসনৰ দ্বাৰা শিশু এজনৰ ভবিষ্যত জীৱন গঢ়াত সহায়ক হ'ব নোৱাৰে। ইয়াৰ বাবে লাগিব শিশুৰ মন মগজুৰ সামৰ্থ্য বুজিব পৰা এক সুস্থ বিবেক। বেজবৰুৱাই এই অনিয়ম বিলাকৰ আছিল একেবাৰে পৰিপন্থী। তেওঁ য'তেই সুৰুঙা পাইছে ত'তেই সামাজিক অনিয়ম সমূহৰ পৰিশোধনৰ আপ্ৰাণ চেষ্টা কৰিছিল। বেজবৰুৱাই নিজৰ স্কুলীয়া অভিজ্ঞতাৰ কথা ক'বলৈ গৈ শিক্ষক এজনৰ বৰ্ণনা দিছে এইদৰে- "ল'ৰাক পঢ়োৱাতকৈ

disciplineৰ ফালে তেওঁৰ প্ৰখৰ দৃষ্টি। স্কুলীয়া নিয়মেই হওঁক বা ঘৰুৱা নিয়মেই হওক, তাৰ নিমিত্তে তেওঁ যত্নশীল আছিল, যদিও সেই নিয়মবোৰৰ অধিকখিনি প্ৰচলিত পুৰণিকলীয়া অনিয়মৰ নামান্তৰ মাথোন। কোনো ল'ৰাৰ দ্বাৰায় ওপৰত কোৰা কোনো নিয়মৰ গাত আঁচোৰ এটা লাগিলেই তাৰ পিঠিত বেত্ৰাঘাত পৰিছিল।[৩৭]

ঘৰত কোনো প্ৰকাৰে সুকুমাৰক শাসন কৰিব নোৱাৰি ককায়েক দেৱকুমাৰে নিজৰ তত্বাবধানত ৰাখি ডাঙৰ মানুহ কৰাৰ মানসেৰে সুকুমাৰক ডিবুৰুলৈ লৈ গ'ল। অনিশ্চা সত্বেও সুকুমাৰে উপায়বিহীন হৈ যাব লগা হ'ল। সুকুমাৰক ডিবুৰলৈ নি ইংৰাজী স্কুলত নাম লিখি দিলে। কিন্তু মুকলি আকাশত উৰি ফুৰা চৰাই লোৰ সজাত বান্ধ খালে। সুকুমাৰে বিদ্ৰোহী নহৈ এই শাসন মানি ল'লে। ককায়েকৰ কঠোৰ শাসন, প্ৰহাৰ কটুক্তি দিনে দিনে কঠোৰৰ পৰা কঠোৰতৰ হ'বলৈ ধৰিলে। সুকুমাৰৰ বুদ্ধি দিনে দিনে অকৰ্মণ্য হৈ গ'ল। যিমান পঢ়িলেও মূৰত নোসোমোৱা হ'ল।

অৱশেষত সুকুমাৰ জ্বৰত ভূগিল। মনৰ বিকাৰ অৱস্থাত মাকক লগ পাই ক'ব ধৰিলে--

> *আই তুমি আহিছা? মই পোহা চৰাই আৰু আন জন্তুবোৰ কেনে আছে? সিহঁতে মোক বিচাৰেনে? মই গৈ সিহঁতৰে সৈতে উমলিম।*[৩৮]

সুকুমাৰৰ কথাখিনিৰ দ্বাৰা সুকুমাৰে যে কঠোৰ বান্ধোনৰ পৰা হাত সাৰি মুক্তি লাভ কৰিব বিচাৰিছে সেই কথা সহজে অনুমেয় হৈ পৰিছে। শেষত সুকুমাৰ আৰোগ্য লাভ নকৰি চিৰদিনলৈ চকু মুদিলে। 'মুক্তি' গল্পটোৰ লেখকৰ বক্তব্য হ'ল--

> *কঠোৰ অনুশাসনে মানুহক শিক্ষিত কৰিব নোৱাৰে; বৰং মানুহৰ স্বাভাবিক মুক্ত মনক প্ৰতিহত কৰি মানুহক মৃত্যুৰ মুখলৈ ঠেলি দিয়ে।*[৩৯]

জীৱনৰ শেষ মূহুৰ্ততো প্ৰকৃতিৰ প্ৰতি সুগভীৰ প্ৰেম সুকুমাৰ চৰিত্ৰটোৰ মাজেদি উদ্ভাসিত হৈ উঠিছে।

থিক তেনেদৰে ৰবীন্দ্ৰনাথৰ 'ছুটি', 'অতিথি' 'সুভা', 'সমাপ্তি' আদি গল্পত প্ৰকৃতিৰ সৈতে গল্পৰ চৰিত্ৰৰ একাত্মতা স্থাপন কৰা হৈছে। গল্পকেইটাৰ পটভূমি অকল প্ৰকৃতি নহয়; প্ৰকৃতিৰ লগতেই চৰিত্ৰসমূহৰ জীৱনৰ সুখ-দুখ, আনন্দ-বেদনা জড়িত হৈ আছে। শিশিৰ কুমাৰ দাশৰ ভাষাত--

> *প্ৰকৃতি যেন স্বাভাবিকভাৱে 'গল্পগুচ্ছে' আত্মপ্ৰকাশ কৰেছে- বাংলা দেশেৰ প্ৰকৃতি,- তাৰ সবুজ ধানক্ষেত, আঁকাবাঁকা নদীনালা, খাল, বিল, ছায়াচ্ছন্ন পথঘাট, আমজামঘন ছোটছোট গ্ৰাম, প্ৰবল দুৰন্ত-পদ্মা, শীতেৰ মৃদু ৰৌদ্ৰ, বৰ্ষাৰ মেঘমেদুৰ আকাশ, শৰতেৰ ক্ষান্তবৰ্ষণ নীল মধ্যাহ্ন ও নদীতীৰেৰ দিষাদভৰা উদাসী সন্ধ্যা- যে বলা চলে*

*ৰবীন্দ্রনাথের প্রথমপর্বের বহু গল্প প্রকৃতি-স্তন্যলালিত।*[৪০]

ৰবীন্দ্রনাথৰ 'ছুটি' গল্পটো প্রকাশ হৈছিল 'সাধনা' পত্রিকাত ১২৯৯ বঙ্গাব্দত। 'ছুটি' গল্পটোৰ মুখ্য চৰিত্র হৈছে ফটিক। ফটিক প্রকৃতিৰ দ্বাৰা লালিত-পালিত গ্রাম্যবালক। ৰবীন্দ্রনাথে জমিদাৰী কাৰ্য পৰিচালনাৰ অৰ্থে শিলাইদহ, সাজাদপুৰ আদি অঞ্চলত থাকিবলগীয়া হোৱাত গ্রাম্যজীৱনৰ লগত এক নিবিড় সম্পর্ক স্থাপন হৈছিল। বাস্তব জীৱনৰ গুঢ় সত্যক অনুধাৱন কৰাত গ্রাম্য জীৱনৰ পৰিবেশে তেওঁক বিশেষকৈ অনুপ্রাণিত কৰিছিল। সমৰেশ মজুমদাৰৰ ভাষাত--

> *জমিদারি কাজকর্মের তাগিদে গ্রামকে যেমন দেখিছিলেন কবি, তেমনি প্রকৃতি ও মানৱসত্বার সম্মিলন তাঁকে এমন কিছু চরিত্র তৈরি করতে সহায়তা করেছে, যারা বস্তুতই প্রকৃতি পালিত। আলোচ্য গল্পৰ ফটিক ও তদ্রূপ একজন। সাজাদপুরে দেখা সেই দৃশ্যটি ইন্দিরাদেৱীকে পত্রে লিখেছিলেন, বাকিটা কবি সৃজিত।*[৪১]

গ্রাম্যজীৱনৰ মুকলি পৰিবেশত ফটিকে এক উন্মুক্ত জীৱন-যাপন কৰিছিল। ফটিকৰ অবাধ্য উচ্ছৃঙ্খলতাই মাকক অতিষ্ঠ কৰা দেখি মোমায়েক বিশ্বম্ভৰ বাবুৱে তেওঁৰ তত্বাবধানত ৰাখিবলৈ কলিকতালৈ লৈ গ'ল। কিন্তু মামীয়েকে অনাৱশ্যক পৰিয়াল বৃদ্ধিত অসন্তুষ্টবোধ কৰিলে। ফটিকৰ প্রতি মামীয়েকে কোনো ধৰণৰ আগ্রহ জন্মোৱা নাছিল; বৰং বিৰক্তিহে অনুভৱ কৰিছিল। মামীয়েকৰ স্নেহহীন চকু, অনাদৰ অৱহেলাই লাহে লাহে ফটিকক নগৰীয়া জীৱনৰ কৃত্রিমতাই আমুৱালে। বাৰে বাৰে গাৱলীয়া জীৱনৰ মুক্ত অবাধ স্বাধীনতাৰে বিচৰণ কৰা দিনবোৰলৈ মনত পৰিব ধৰিলে।

> *প্রকাণ্ড একটা ধাউস ঘুড়ি লইয়াবোঁ বোঁ শব্দে উড়াইয়া বেড়াইবার সেই নদীতীর, দিনের মধ্যে যখন-তখন জাঁপ দিয়া পড়িয়া সাতাৰ কাটিবার সেই সংকীর্ণ স্রোতস্বিনী, সেই দল-বল উপদ্রৱ স্বাধীনতা, এবং সর্বোপরি সেই অত্যাচারিণী অবিচারিণী মাঅহর্নিশি তাহার নিরুপায় চিত্তকে আকর্ষণ করিত।*[৪২]

মোমায়েকৰ ঘৰত ফটিকৰ কোনো স্থান নাই। যি সময়ত ফটিকে মাতৃৰ স্নেহ আৰু পৰিচালনাত থাকি নিৰাপত্তা অনুভৱ কৰিব লাগিছিল সেই সময়ত ফটিকে মামীয়েকৰ স্নেহহীনতা আৰু দায়িত্ববোধহীনতাত থাকি জীৱনৰ ভাৰসাম্য হেৰুৱাই পেলাইছিল। কিয়নো শিশু এজনে কঠোৰ বাস্তৱৰ মুখামুখি হৈ জীৱনৰ সঠিক সিদ্ধান্তত উপনীত হোৱাত অসমৰ্থ হৈ পৰে। সেই বয়সত তেওঁলোকে জীৱনৰ জটিলতা বুজি নাপায়। তেওঁলোকৰ কোমল মনে সৰলতাৰ মাজেদিয়ে জীৱনৰ মাদকতা অনুভৱ কৰে। নগৰীয়া জীৱনৰ কৃত্রিমতাত ফটিকৰ

জীৱনটো নৰকসদৃশ হৈ পৰিল। যি গাঁও তাৰ বাবে জীৱনসৰ্বস্ব আছিল, সেই গাঁৰৰ তুলনাত নগৰীয়া জীৱন আছিল ফটিকৰ কাৰণে অতি কৰুণ। নগৰীয়া জীৱনৰ পৰিবেশে ফটিকৰ জীৱনৰ মুক্তিৰ আশা ধুলিসাৎ কৰি দিছিল।

ক্ৰমান্বয়ে নগৰীয়া জীৱন ফটিকৰ বাবে অসহ্যকৰ হৈ পৰিল। ঘৰলৈ যোৱাৰ আশাৰে মোমায়েকক বাৰে বাৰে কাতৰ অনুৰোধ কৰিলে। এক অশ্বস্তিকৰ পৰিবেশৰ মাজত থাকোতে হঠাতে এদিন ফটিকৰ জ্বৰ উঠিল। ফটিকৰ জ্বৰৰ খবৰ পাই অন্তিম অৱস্থাত মাক দৌৰি আহিল। মাকৰ মাতটো বুজি পাই ফটিকে মাকক মৃদুস্বৰে ক'লে--*মা এখন আমার ছুটি হয়েছে মা, এখন আমি বাড়ি যাচ্ছি।*[৪৩] এই কথাখিনিত ফটিকৰ অতৃপ্ত হৃদয়ৰ কাঙ্খিত প্ৰাৰ্থনা মূৰ্ত হৈ উঠিছে। এই ক্ষেত্ৰত সমৰেশ মদুমদাৰৰ এযাৰ মন্তব্য দাঙি ধৰিব পাৰি--

> *কবি ভূমাদর্শে বিশ্বাসী, সংকীর্ণতা থেকে অবাধ মুক্ত জীবনের আশ্বাসী, ক্ষুদ্র থেকে বৃহতে জীৱন ও জগতকে দেখেছেন, তাই পারিবারিক ক্ষেত্রেও একটি বালকের আত্মিক অপমৃত্যু দেখে গভীরভাবে বেদনার্ত, এই বেদনার্ততা প্রকাশকল্পেই একসময় দেখা জগৎ পারাবারের কোলে খেলা করা এই বালকটির তিলে তিলে নিঃশেষিত হওয়ার কথা সমাজবদ্ধ মানুষকে শোনাতে চেয়েছেন।*[৪৪]

'অতিথি' গল্পত তাৰাপদ প্ৰকৃতিৰ সৌন্দৰ্যৰ প্ৰতি আকৃষ্ট। মানুহৰ মৰম-চেনেহৰ প্ৰতি সি উদাসীন; প্ৰকৃতিয়েই তাৰ বাবে আপোন। গল্পটোত উল্লেখ কৰা অনুসৰি--

> *তাৰাপদ হৰিণ শিশুৰ মতো বন্ধনভীৰু, আবাৰ হৰিণৰ মতোই সংগীতমুগ্ধ। যাত্ৰাৰ গানেই তাহাকে প্ৰথম ঘৰ হইতে বিৰাগি কৰিয়া দেয়। গানেৰ সুৰে তাহাৰ সমস্ত শিৰাৰ মধ্যে অনুকম্পন এবং গানেৰ তালে তাহাৰ সৰ্বাঙ্গে আন্দোলন উপস্থিত হইত। যখন সে নিতান্ত শিশু ছিল তখনো সঙ্গীত সভায় সে যেৰূপ সংযত গম্ভীৰ বয়স্ক ভাৱে আত্মবিস্মৃত হইয়া বসিয়া বসিয়া দুলিত, দেখিয়া প্ৰবীণ লোকেৰ হাস্য সংবৰণ কৰা দুঃসাধ্য হইত। কেৱল সংগীত কেন, গাছেৰ ঘন পল্লবেৰ উপৰ যখন শ্ৰাবণেৰ বৃষ্টিধাৰা পড়িত, আকাশে মেঘ ডাকিত, অৰণ্যেৰ ভিতৰ মাতৃহীন দৈত্যশিশুৰ ন্যায় বাতাস ক্ৰন্দন কৰিতে থাকিত, তখন তাহাৰ চিত্ত যেন উচ্ছৃঙ্খল হইয়া উঠিত।*[৪৫]

তাৰাপদ প্ৰকৃতিৰেই সন্তান। প্ৰকৃতিপ্ৰেমিক তাৰাপদক শাওনৰ বৰ্ষা, ভেকুলীৰ কলৰব, গভীৰ ৰাতি শিয়ালৰ চিঞৰ আদি মাতে চিত্ত চঞ্চল কৰি তোলে।

'সুভা' গল্পত সুভাষিণী এগৰাকী বোবা ছোৱালী। প্ৰকৃতিৰ সৌন্দৰ্যই সুভাষিণীক আকৰ্ষিত কৰি তোলে। সুভাই যেতিয়া আহৰি পায় তেতিয়াই নদীৰ পাৰলৈ ধাপলি মেলে । গল্পটোত

উল্লেখ কৰা অনুসৰি--

> *প্রকৃতি যেন তাহা'ৰ ভাষাৰ অভাৱ পূরণ করিয়া দেয়। যেন তাহার হইয়া কথা কয়। নদীৰ কলধ্বনি, লোকের কোলাহল, মাঝির গান, পাখির ডাক, তরুর মর্ম র- সমস্ত মিশিয়া চারি দিকের চলাফেরা-আন্দোলন-কম্পনের সহিত এক হইয়া সমুদ্রের তরঙ্গরাশির ন্যায় বালিকার চিরনিস্তব্ধ হৃদয় উপকূলের নিকটে আসিয়া ভাঙিয়া ভাঙিয়া পড়ে। প্রকৃতির এই বিবিধ শব্দ এবং বিচিত্র গতি, ইহাও বোবার ভাষা- বড়ো বড়ো চক্ষুপল্লৱবিশিষ্ট সুভার যে ভাষা তাহারই একটা বিশ্বব্যাপী বিস্তাৰ; ঝিল্লিরবপূর্ণ তৃণভূমি হইতে শব্দাতীত নক্ষত্রলোক কেৱল ইঙ্গিত; ভঙ্গি, সংগীত, ক্রন্দন এবং দীর্ঘ নিশ্বাস।*[৪৬]

**ৰোমান্টিক প্ৰেমমূলক গল্পঃ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ**

বেজবৰুৱাৰ 'ৰতনমুণ্ডা', 'কন্যা' আদি গল্পত ৰোমান্টিক প্ৰেমৰ ছবি দেখিবলৈ পোৱা যায়। 'ৰতনমুণ্ডা' গল্পত ৰতনে জুমুৰিক মনে-প্ৰাণে ভাল পায়। জুমুৰিৰ বাপেকে বিচৰামতে ধন দিব নোৱাৰাৰ বাবে দুয়োৰে হ'ব লগা বিয়াখন ভাগিল। কিন্তু পৰস্পৰৰ প্ৰতি থকা অকপট প্ৰেম-প্ৰীতিৰ গভীৰতাই এই বাধা অতিক্ৰমৰ উপায় দেখুৱাই দিছে। দুয়ো ঘৰৰ পৰা পলাল। সিহঁতৰ মনত জিলিকি উঠিল অপাৰ আনন্দ আৰু অনাগত দিনৰ ৰঙীন কল্পনা।[৪৭]

দুয়ো পলাই গৈ দূৰৈৰ পৰ্বতৰ গুহা এটাত আশ্ৰয় ললে; অতি কষ্টেৰে এৰাতি সেই গুহাটোত কটালে। পিছদিনা ৰতনে পৰ্বতৰ কাযেৰে বৈ যোৱা জুৰি এটাত গা ধুবলৈ গৈ তাৰপৰা সি দুনাই ঘূৰি নাহিল। পানীৰ সোঁতত চিৰদিনলৈ সি বুৰ মাৰিলে। সৰলপ্ৰাণা জুমুৰিয়ে ৰতন আহিব বুলি অধীৰ আগ্ৰহেৰে বাট চালে। কিন্তু ৰতন উভতি নাহিল। ৰতনক হাততে হেৰুৱাই তাই হিয়া ধাকুৰি কান্দিবলৈ ধৰিলে। প্ৰিয়জনক হেৰুৱাৰ বেদনাত তাই ম্ৰিয়মান হৈ পৰিল।

'কন্যা' গল্পটোত এহাল কোল ডেকা-গাভৰুৱে সদায় কন্যা নৈৰ পাৰলৈ পাৰলৈ গৈ ইজনে-সিজনক চাই সময় অতিবাহিত কৰে। ল'ৰাজনে নৈৰ পাৰত বহি সদায় বৰশী বায় আৰু ছোৱালীজনীয়ে নিতৌ পানী নিবলৈ আহে। ল'ৰাজনৰ বৰশীত মাছ আহিছেনে নাই, তাৰ কোনো ভ্ৰূক্ষেপ নাই; লক্ষ্য হৈছে কেৱল ছোৱালীজনীৰ প্ৰতিহে। ছোৱালীজনীয়েও পানী নিবলৈ আহি কলহটো লেতেৰা হোৱা অজুহাত দেখুৱাই বহুত সময় ধৰি কলহটো ধুই সময় অতিবাহিত

কৰে। তাইৰো ল'ৰাজনৰ প্ৰতিহে লক্ষ্য। দুয়োৰে মাজত কথা-বতৰা হোৱা নাছিল, কেৱল চকুৰেহে মনৰ ভাৱ প্ৰকাশ কৰিছিল। প্ৰণয়ী যুগলে কেৱল হৃদয় ওপচা পাৰস্পৰিক প্ৰণয় জ্বালাত আন্দোলিত।[৪৮]

এদিন দুৰ্ভাগ্যবশতঃ ল'ৰাটো পানীত পৰি মৰিল। তাৰ তিনিদিন পিছত ছোৱালীজনীৰ মৃতদেহ সেই একেটা ঘুলিতে উদ্ধাৰ হয়। প্ৰণয়ীজনৰ মৃত্যুৰ বাবে প্ৰণয়িনীয়েও যে দুখৰ বোজা সহিব নোৱাৰি শোকাকুল হৈয়ে মৃত্যুবৰণ কৰিলে- এই ধাৰণাটো সহজে বোধগম্য হৈছে।[৪৯] দুয়ো দেখাত কথা বতৰা নাপাতিলেও এক আত্মিক সম্পৰ্ক গঢ় লৈ উঠিছিল। সেয়েহে এজনৰ বিচ্ছেদত আনজনে জীয়াই থকাৰ প্ৰয়োজন অনুভৱ নকৰিলে।

একেদৰে ৰবীন্দ্ৰনাথৰ 'দুৰাশা', 'একৰাত্ৰি' গল্পত ৰোমান্টিক প্ৰেমৰ ছবি উদ্ভাসিত হৈ উঠিছে। প্ৰেমৰ দুৰ্দমনীয় শক্তিৰ প্ৰকাশ ঘটিছে 'দুৰাশা' গল্পত। বদ্ৰাওনাৰ নৱাব গোলাম কাদেঁৰ খাৰ পুত্ৰীয়ে হিন্দু ব্ৰাহ্মণ কেশৰলালক মনে প্ৰাণে ভাল পায়। কেশৰলালৰ ব্ৰাহ্মণ্য ধৰ্মৰ নীতি নিয়মে তাইক আকৰ্ষণ কৰে।

> *নিয়ত সংযত শুদ্ধাচাৰে ব্ৰাহ্মণ কেশৰলালেৰ গৌৰবৰ্ণ প্ৰাণসাৰ সুন্দৰ তনু দেহখানি ধূমলেশহীন জ্যোতি শিখাৰ মতোবোধ হইত; ব্ৰাহ্মণেৰ পূণ্যমাহাত্ম্য অপূৰ্ব শ্ৰদ্ধাভৰে এই মুসলমান দুহিত্ৰৰ মূঢ় হৃদয়কে বিনম্ৰ কৰিয়া দিত।*[৫০]

কিন্তু কেশৰলালে মুছলমান কন্যাৰ প্ৰেম গ্ৰহণ নকৰে; তাইক হীন চকুৰে চায়। তথাপিও মুছলমান কন্যাই হাৰ মনা নাই। একান্তমনে কেশৰলালক পাবৰ কাৰণে ব্ৰতী হৈ পৰিল। কেশৰলালৰ লগত মিলন হোৱাৰ দুৰ্বাৰ হেপাঁহেৰে নিজকে ব্ৰাহ্মণ্য ধৰ্মত সমৰ্পণ কৰিলে। সুদীৰ্ঘ আঠত্ৰিছ বছৰৰ মূৰত তাই কেশৰলালক লগ পালে। যি ব্ৰাহ্মণে এদিন তাইক হীনজাতৰ বুলি অপমান কৰিছিল সেই ব্ৰাহ্মণে এতিয়া নিজৰ ধৰ্ম ভ্ৰষ্ট কৰি ভূটীয়া স্ত্ৰী গ্ৰহণ কৰিছে। মুছলমান কন্যাৰ প্ৰিয়জনক পোৱাৰ আপ্ৰাণ চেষ্টা ব্যৰ্থ হৈ ৰ'ল।

'একৰাত্ৰি' গল্পত নায়কৰ বাল্যকালৰ লগৰীয়া সুৰবালা। সুৰবালাৰ উকীল ৰামলোচন বাবুৰ লগত বিয়া হৈ যায়। বিয়াৰ সময়ত গল্প নায়ক দেশৰ কামত ব্যস্ত আছিল। সেয়ে সুৰবালাৰ বিয়া হৈ যোৱা কথাটো তেওঁ বেছি দকৈ ভবা নাছিল। চাকৰি সূত্ৰে সুৰবালাৰ ঘৰৰ ওচৰতে তেওঁ থাকিব লগা হ'ল। এদিন হঠাতে সুৰবালাৰ কথা অনুভৱ কৰি মনটো বেদনাগধুৰ হৈ পৰিল। সুৰবালাৰ আনৰ লগত বিয়া হোৱাটো যেন তেওঁ সহ্য কৰিব পৰা নাই। অনুশোচনাত দগ্ধ হ'বলৈ ধৰিলে।

> *সুৰবালা আমার কী না হইতে পারিত। আমার সব সেয়ে অন্তৰঙ্গ, আমার সব সেয়ে নিকটবর্তী, আমার জীৱনের সমস্ত সুখ-দুঃখভাগিনী হইতে পারিত- সে আজ এত দূৰ এত পৰ আজ তাহাকে দেখা নিষেধ, তাহার সঙ্গে কথা কওৱা দোষ, তাহার বিষয়ে চিন্তা করা পাপ আর একটা রামলোচন, কোথাও কিছু নাই হঠাৎ আসিয়া উপস্থিত, কেৱল গোটা দুয়েক মুখস্থ মন্ত্র পঢ়িয়া সুৰবালাকে পৃথিৱীৰ আৰ সকলেৰ নিকট হইতে এক মূহূৰ্তে ছোঁ মারিয়া লইয়া গেল।*[১]

কিন্তু গল্পৰ নায়কে সমাজৰ নীতিৰ বিপক্ষে গৈ নিজৰ ইচ্ছা-আকাঙ্খাক আদায় কৰিবলৈ বিচৰা নাই, কেৱল মনৰ ভাৱখিনিহে এইদৰে প্ৰকাশ কৰিছে। তেওঁৰ সুৰবালাক লগ পোৱাৰ তীব্ৰ হাবিয়াস জাগি উঠিল। এদিনাখন ৰাতি কলহৰ কাণে ঢলা বৰষুণ দিলে লগতে ধুমুহাও। এনে দুৰ্যোগত সুৰবালা সিদিনা ঘৰত অকলে আছিল। সেয়ে সুৰবালাৰ আসন্ন বিপদৰ কথা ভাবি ৰাতি এই মহাপ্ৰলয়ৰ সময়তো ডেৰ মান বজাত তেওঁ ঘৰৰপৰা ওলাই গ'ল। তেওঁৰ বিপৰীত ফালৰপৰা সুৰবালাক অহা দেখিবলৈ পালে। সেই সময়খিনিত সুৰবালাৰ লগত কথা পতা নহ'ল যদিও ওচৰত তাইক দেখা পাই জীৱনটো ধন্য মানিলে। সেই ৰাতিটো আছিল গল্পৰ কথকৰ বাবে চৰম সাৰ্থকতা।

**আৰ্থসামাজিক দিশৰ চিত্ৰণঃ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ**

বেজবৰুৱাৰ ‘পাতমুগী’ গল্পটোত ডবকা মৌজাৰ অন্তৰ্গত কুমাৰ সম্প্ৰদায় লোকসকলৰ আৰ্থিক অৱস্থাৰ বিষয়ে উল্লেখ কৰিছে। তেওঁলোকৰ জীৱিকা উপাৰ্জনৰ পথ আছিল মাটিৰ সাজ-বাচন নিৰ্মাণ কৰা। তেওঁলোকে টেকেলি, কলহ, চৰু আদি সাজি পেটৰ ভাত মোকলাইছিল। কিন্তু সময়ৰ পৰিবৰ্তনৰ লগে লগে কিছুমান নতুন সামগ্ৰীৰ আবিষ্কাৰ হ'ল। মানুহে এই নতুন সামগ্ৰীৰ প্ৰতি বেছিকৈ আকৰ্ষিত হ'বলৈ ধৰিলে। ফলত কুমাৰ সম্প্ৰদাসৰ লোকসকলৰ থলুৱা ব্যৱসায়ত ব্যাঘাত জন্মিল। তেওঁলোকৰ দুৰ্দশাৰ ছবি গল্পটোত উল্লেখ কৰিছে এইদৰে--

> *নানাতৰহৰ বিদেশী বস্তুৱে আমাৰ দেশ ওপচাই দিয়াৰ লগে লগে, বিলাতী ‘খেলনা’ ই আমাৰ জুনুকা বনমালা আৰু ভূৰুকাক ভূৰা দি খেদিলে। বিদেশী এলুমিনিয়ামৰ লোৰ আৰু চীনামাটিৰ বাচন-বৰ্তনে আমাৰ সাতামপুৰুষীয়া চৰু কলহক বনবাস দিলে। আজি আমি নিৰুপায় হৈ বোপা ককাৰ ব্যৱসায় এৰি এডৰা আদডৰা মাটিৰ খেতিকে হাতত লৈ কোনো মতে পেট প্ৰবতৰ্তাই আছো। তাতে বিদেশীয়ে হেতা ওপৰাই লগাই আমাক চুকলৈ ঠেলিব লাগিছে। আমাৰ গাত বল নাই, গাঁথিত পইচা নাই, যে সেই ঠেলাক ওলোটা ঠেলাৰে সূতাব পাৰো। তাৰ উপৰি তেলেৰে জেকি থকা*

*মূৰতহে তেল পৰে বুলি কয়। মাটি বন্দোবস্ত কৰি দিয়া ৰজাঘৰীয়া বিষয়াক আমি সন্তোষ লগাব নোৱাৰো।*[৫২]

একেদৰে 'ভদৰী' গল্পটোতও এচাম আৰ্থিকভাৱে জুৰুলাগ্ৰস্ত লোকৰ ছবি দাঙি ধৰিছে। ভদৰীৰ স্বামী শিশুৰামে দুবেলা দুমুঠিৰ বাবে কঠোৰ পৰিশ্ৰম কৰে। ভদৰীয়ে অতি কষ্টেৰে ভাত ৰান্ধিবলগীয়া হয়। কেঁচা খৰিৰে জুই ফুৰাই ফুৰাই চকুৰ পানী আৰু নাকৰ পানী একাকাৰ কৰি ভাত ৰান্ধিবলগীয়া হৈছিল তেতিয়া ভদৰীও অতিষ্ঠ হৈ পৰিছিল। এনেদৰে শিশুৰামে পথাৰৰ পৰা অতি কষ্টেৰে আহি পোৱাৰ পিছত সময়মতে ভাত দিব নোৱাৰাৰ বাবেই কাজিয়াৰ সূত্ৰপাত হৈছিল।

ৰবীন্দ্ৰনাথৰ 'সমস্যাপূৰণ' 'শাস্তি', 'উলুখড়েৰ বিপদ' গল্পত জমিদাৰশাসিত লোকৰ আৰ্থিক অৱস্থাৰ ছবি প্ৰতিফলিত হৈছে। পিতৃ কৃষ্ণগোপালে ডাঙৰ পুতেক বিপিনবিহাৰীৰ ওপৰত জমিদাৰী ভাৰ ন্যস্ত কৰে। নতুনশাসন ব্যৱস্থাই প্ৰজাসাধাৰণক অতিকৈ অসন্তুষ্ট কৰি তোলে। অনেক প্ৰজাই ভয়তে বশ্যতা স্বীকাৰ কৰিছে যদিও মিৰ্জাবিবিৰ পুত্ৰ আছিমদ্দিক নতুন শাসনব্যৱস্থাই অতিষ্ঠ কৰি তোলে। "প্ৰাণ যাইবে তবু অধিকারে এক তিল ছাড়িয়া দিব না।"[৫৩]

'শাস্তি' গল্পত দুখিৰাম আৰু ছিদাম দুই ভাই। জমিদাৰৰ কাছাৰী ঘৰত দুয়োকে কামত খটুৱায়। কাছাৰীৰ মানুহ আহি সিঁহতক জোৰ-জবৰদস্তি লৈ যায়। কিন্তু তেওঁলোকৰ শ্ৰমৰ মৰ্যাদাখিনিও সিহঁতে নিদিয়ে। গল্পটোত উল্লেখ কৰা অনুসৰি--

*কাছারিঘরে চাল ভেদ করিয়া স্থানে স্থানে জল পড়িতেছিল তাহাই সাড়িয়া দিতে এবং গোটাকতক ঝাঁপ নির্মাণ করিতে তাহারা সমস্ত দিন খাটিয়াছে। বাড়ি আসিতে পায় নাই, কাছারি হইতেই কিঞ্চিৎ জলপান খাইয়াছে। মধ্যে মধ্যে কৃষ্টিতেও ভিজিতে জলপান খাইয়াছে। মধ্যে মধ্যে বৃষ্টিতেও ভিজিতে হইয়াছে- উচিতমত পাওনা মজুৰি পায় নাই, এবং তাহার পরিবর্তে যে সকল অন্যায় কটু কথা শুনিতে হইয়াছে, সে তাহাদের পাওনার অনেক অতিৰিক্ত।*[৫৪]

'উলুখড়েৰ বিপদ' গল্পটোত জমিদাৰৰ অতিৰিক্ত খাজনা বৃদ্ধিয়ে প্ৰজাসাধাৰণক বিদ্ৰোহী কৰি তোলে। ক্ষমতালোভী, অৰ্থলোভী এই জমিদাৰসকলৰ অমানৱীয়তাৰ ছবি 'হালদাৰ গোষ্ঠী', 'জীৱিত ও মৃত', গল্পত সুন্দৰভাৱে ফুটাই তুলিছে। এনেদৰে জমিদাৰশাসিত গাৱলীয়া জীৱনৰ বিভিন্ন সমস্যাসমূহ এই গল্পসমূহৰ জৰিয়তে প্ৰতিফলিত হৈছে।

**অতিপ্ৰাকৃতমূলক গল্পঃ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ**

বেজবৰুৱাৰ ‘লাওখোলা’, ‘এৰাবাৰী’, ‘মৈদাম’ আদি গল্পত অতিপ্ৰাকৃত চৰিত্ৰৰ সমাবেশ ঘটিছে। ‘লাওখোলা’ গল্পটো বেজবৰুৱাৰ ‘সুৰভি’ গল্পগ্ৰন্থৰ অন্তৰ্গত নাৰী সমস্যামূলক এটা উল্লেখযোগ্য গল্প। গল্পটোত এটা অতিপ্ৰাকৃত পৰিবেশৰ মাজত লাওখোলা এটাই নিজৰ কৰুণ কাহিনী ব্যক্ত কৰিছে। গল্পটোত লাওখোলাটো এগৰাকী নিৰ্যাতিতা বিধৱা নাৰীৰ । গল্পৰ কথকে বন্ধু নিৰ্মল বাবুৰ ‘বাগানবাৰী’ লৈ ফুৰিবলৈ যোৱাত লাওখোলাটোৰ ৰহস্য উদঘাটন হয়। নিৰ্মল বাবুৰ বাগিছাৰ পুখুৰীত মাছ মাৰোতে মাছৰ লগতে লাওখোলাটো উদ্ধাৰ হয়। লাওখোলাটোৱে গল্পৰ কথকৰ আগত নিজৰ জীৱনৰ কৰুণ কাহিনী ব্যক্ত কৰে। তদানীন্তন সমাজৰ ৰীতি-নীতি মতে অতি কম বয়সতে ছোৱালীজনীৰ বিয়া হৈছিল। দুৰ্ভগীয়া ছোৱালীজনীয়ে ফুলকুমলীয়া বয়সতে স্বামীক হেৰুৱায়। পাযণ্ড পুৰুষ বৰজনাকৰ লালসাৰ বলি হৈ জীৱনটো অকালতে নিঃশেষ কৰিব লগা হৈছিল। নাৰী জীৱনৰ দুখজনক চিত্ৰ অতি অন্তস্পৰ্শীভাৱে গল্পকাৰে দাঙি ধৰিছে।

গল্পটোৰ মাজেদি গল্পকাৰৰ সমাজ-সচেতন মনটো উন্মুক্ত হৈ ধৰা দিছে। তিৰোতা গৰাকীৰ জীৱনৰ এই দুৰ্দশাৰ বাবে গল্পকাৰে পুৰুষক জগৰীয়া কৰিছে। কিয়নো তদানীন্তন পুৰুষপ্ৰধান সমাজখনত নাৰীসকলক বহুক্ষেত্ৰত হেয় প্ৰতিপন্ন কৰা হৈছিল। নাৰীসকলে পুৰুষৰ ওপৰত নিৰ্ভৰ কৰি চলিবলগীয়া হৈছিল। গল্পটোত লাওখোলাটোৱে নিজৰ জীৱন কাহিনী বৰ্ণনা কৰোতে পুৰুষৰ প্ৰতি তীব্ৰ ক্ষোভ প্ৰকাশ পাইছে। হৃদয়ানন্দ গগৈৰ ভাষাত- “বৰ্ণনাৰ সাৱল্য আৰু শৈলীৰ আকৰ্ষণীয় ৰূপে ‘লাওখোলা’ক বেজবৰুৱাৰ অন্যতম শ্ৰেষ্ঠ গল্পৰ শাৰীলৈ উত্তীৰ্ণ কৰিছে। অৱশ্যে গল্পটো নাৰীবাদী চিন্তা আৰু দৃষ্টিভংগীৰে যে উৎকৃষ্ট ফচল সেই কথাও কৈ থব লাগিব। বেজবৰুৱাৰ নাৰীবাদী দৃষ্টিভংগী, লগতে মানবীয় দৃষ্টিকোণৰ প্ৰকৃষ্ট উদাহৰণ দিবলৈ হ’লে ‘লাওখোলা’ক লেখত লবই লাগিব। ইয়াৰ বিশেষত্ব এইখিনিতে।”[৫৫]

‘এৰাবাৰী’ গল্পটো বেজবৰুৱাৰ ‘জোনবিৰি’ গল্পগ্ৰন্থৰ অন্তৰ্গত এটা অতিপ্ৰাকৃত গল্প। গল্পটোত থেৰেজু, আম, কপৌফুল, অশোকফুল আদিয়ে কথা কোৱা দেখুৱাইছে। গল্পটোত উল্লেখ কৰা অনুসৰি--

> *থেৰেজুৱে আমালৈ চাই মাত লগালে- ‘বোলো শুনিছানে ভাইটি কিমান নো বোদ্‌বোদ্‌কৰে বহি থকা দেওহে; কথা বাৰ্তাকে একেষাৰ কোৱা। বতাহ কাষলৈ নাহিলে দেখোন তোমাৰ আমন-জিমনেই নাভাগে; বোলো তোমাৰ কান্ধত উঠি*

*টিঘিলঘিলোৱা সেইজন ক'লৈ গ'ল? আজি দেখা নাই চোন?' আম - 'কাৰ কথা সুধিছা? অ' বুজিছো, আমাৰ হুদুহুদু ডাঙৰীয়াৰ? ইয়াত দুপৰৰ ৰ'দ টানকৈ পৰিছে দেখি তেওঁ উৰি গৈ সেই ডাঠ ছাঁৰে বাঁহৰ ঢাৰিত লুকাই আছেগৈ। কিন্তু সঁচাকৈ কৈছো ককাই, মই লোক চিনিব নোৱাৰো, আগেয়ে তাক এনে বুলি জনাহেঁতেন মই মোৰ ইয়াত বাঁহ ল'বলৈ নিদিলোহেঁতেন।*[৫৬]

এৰাবাৰীখনৰ কাহিনী থেকেজু, আম, কপৌফুল আৰু অশোকফুলৰ কথোপকথনত ফুটি উঠিছে। এৰাবাৰীখনৰ কাহিনী বৰ্ণনা কৰোতে মানুহৰ বৰ্বৰতাক তীব্ৰভাৱে নিন্দা কৰিছে। গল্পটোত উল্লেখ কৰা অনুসৰি--

*মানুহৰ সংসাৰ কি কঠোৰ, মানুহৰ অন্তৰ কি নিষ্ঠুৰ ,মানুহৰ বিচাৰ কি দুৰ্ঘোৰ। তাত দয়া নাই, বিবেচনা নাই, ধৰম নাই, ইহঁত হেনো আকৌ পশুতকৈ শ্ৰেষ্ঠ, আমাতকৈ ওখ শৰীৰ, ইহঁতে ঈশ্বৰৰ ওপৰত ন্যায় বিচাৰ বিচাৰে, নিজৰ সকলো দোষৰ ক্ষমা মাগে, কিন্তু ইটোৰে-সিটোক বিচাৰৰ নামত অবিচাৰ-অত্যাচাৰ কৰে, ক্ষমা কৰিব নোৱাৰে।*[৫৭]

গল্পটোত প্ৰকৃতিৰ উদাৰ হৃদয় গল্পটোত অতি স্পষ্টতাৰে প্ৰতিফলিত হৈছে।

'মৈদাম' গল্পটো 'জোনবিৰি' গল্পগ্ৰন্থৰ অন্তৰ্গত অতিপ্ৰাকৃত শ্ৰেণীৰ গল্প। মৈদামটোৰ ভিতৰত থকা হাতী, ঘোঁৰা আৰু মানুহৰ জঁকাবোৰ জীৱন্ত হৈ পৰিছে। গল্পৰ কথকে এই দৃশ্য প্ৰত্যক্ষ কৰি আশ্চৰ্য অনুভৱ কৰিছে। গল্পটোত উল্লেখ কৰা অনুসৰি--

*ক্ষন্তেকৰ পিছতে সেই দৃশ্য পৰিৱৰ্তিত হ'ল, দেখিলো জঁকাবোৰে মানুহ, হাতী, ঘোঁৰাৰ স্বাভাৱিক অৱস্থা পালে; এইবোৰ তেজ-মঙহ আৰু অঙ্গ-প্ৰত্যাঙ্গাদিৰে সজীৱ হ'ল। ভোজবাজীৰ নিচিনা ক্ষন্তেকতে পৰিবৰ্তনশীল সেই দৃশ্যবোৰ মই অবাক হৈ চাই আছো, এনেতে এজন বয়সিয়াল মানুহে মোক হাতবাউলি দি মৈদামৰ ভিতৰলৈ মাতিলে। মোৰতো লৰিবৰ-চৰিবৰ শক্তি নাছিল; আৰু থাকিলেও পৰাপক্ষত যে মৈদামৰ ভিতৰত নোসোমাও সেইটোও নিশ্চয় কৰিছিলো। মই নামি মৈদামৰ ভিতৰলৈ যাবলৈ অনিশ্চা কৰি মূৰ জোকোৰা দেখি সেই মানুহজনেই মৈদামৰ ভিতৰৰ পৰা উঠি আহি মোৰ ওচৰতে বহিল।* [৫৮]

'সম্পতি-সমৰ্পণ', 'কঙ্কাল', 'নিশীথে' 'মণিহাৰা' আৰু 'ক্ষুধিত পাযাণ' আদি গল্পক সাধাৰণতে ৰবীন্দ্ৰনাথৰ অতিপ্ৰাকৃত গল্পৰ ভিতৰত ধৰা হয়। ইয়াৰ কিছুমানৰ মাজত অতিপ্ৰাকৃত বিশ্বাস, কোনোবাটোত ভৌতিক আবিৰ্ভাৱ ঘটিছে।[৫৯]

**বেজবৰুৱাৰ আৰু ৰবীন্দ্ৰনাথৰ গল্পৰ কলা-কৌশলঃ**

প্ৰত্যেকজন লেখকৰে নিজৰ ৰচনাশৈলী আছে। এই ৰচনাশৈলীৰ মাজত যিকোনো বিষয়বস্তুৱে একোটা সুকীয়া ৰূপ লয়; লগতে প্ৰয়োজন হয় বিষয়বস্তুৰ নিজস্ব সৌন্দৰ্য। বিষয়বস্তুৰ সৌন্দৰ্যৰ লগত সুনিপুণ শিল্পীয়ে নিজস্ব প্ৰতিভাৰে গল্পৰ সৌন্দৰ্য বৃদ্ধি কৰায়।[৬০] বেজবৰুৱাৰ গল্পৰ বিষয়বস্তু বিচিত্ৰ। বিশেষকৈ সমসাময়িক সমাজ-জীৱনৰ পটভূমিত বিভিন্ন বিষয়বস্তু নিৰ্বাচন কৰিছে। ভাষাৰ ক্ষেত্ৰত, বাক্যৰ গঠন, উপমা অলংকাৰ, ঘৰুৱা জঁতুৱা ঠাঁচৰ ব্যৱহাৰ, গল্পৰ কথনভংগী, বিষয়বস্তুক হাস্য আৰু ব্যঙ্গ ধাৰাৰে উপস্থাপন আদিৰ ক্ষেত্ৰত বেজবৰুৱাৰ ৰচনাশৈলী নিজস্ব গুণেৰে মহিমামণ্ডিত। বেজবৰুৱাৰ ৰচনাশৈলীৰ চাতুৰ্যই গল্পসমূহক ভিন্ন স্বাদ দিছে।

কোনো এটি মুহূৰ্তৰ ওপৰত আলোকপাত কৰি জীৱনৰ কোনো এটি দিশ পোহৰাই তোলাই গল্পৰ উদ্দেশ্য। ইয়াৰ কাৰণে গল্পকাৰে ভিন্ ভিন্ কৌশল অৱলম্বন কৰে। কেতিয়াবা নাটকীয় ভংগীৰ সহায়ত কথাবস্তুৰ পাতনি মেলা হয় আৰু কেতিয়াবা সবল ভাষাৰ মাধ্যমেৰে বৰ্ণনাত্মক ৰীতি প্ৰয়োগ কৰা হয়। ৰচনাশৈলীৰ মাধুৰ্যই পাঠকৰ মনত ৰসৰ সঞ্চাৰ কৰে। [৬১] বেজবৰুৱাই গল্পৰ আৰম্ভণি ভিন্ ভিন্ ৰীতিৰে উপস্থাপন কৰিছে। কেতিয়াবা যদি সাধুকথাৰ কথনভংগীৰে আৰম্ভ কৰিছে আৰু কেতিয়াবা হয়তো লোকগীত এফাঁকি নাইবা সংস্কৃত শ্লোকৰ উদ্ধৃতিৰে। বেজবৰুৱাৰ প্ৰায়বোৰ গল্পতে নাটকীয় ভংগীমাৰ সলনি বৰ্ণনাত্মক ৰীতি প্ৰয়োগ কৰিছে।

বৰ্ণনাত্মক ৰীতিৰ উদাহৰণ হিচাপে 'সেউতী' গল্পটোৰ উদাহৰণ দাঙি ধৰিব পাৰি--

> *সেউতী যে সেউতীয়েই ৰোহ নাই, ঠেহ নাই, ধুন নাই, পেচ নাই, গোটেই দিপ্‌লিপ্ ছোৱালীটি। কথাত মানুহ ভোল যায়, মাত শুনি থাকিবৰ মন যায়, বুকুত ল'লে বুকু জুৰায়, চাই থাকিলে চকু ৰয়, এনেটি ছোৱালী সেউতী। মাকৰ সোণ চেকুৰা, বাপেকৰ আলাসৰ লাডু, ককায়েকৰ দেহলাও আৰু উমলিবৰ লগ সেউতী। বয়স ন বচৰ।*[৬২]

সাধুকথাৰ কথনভংগীৰে আৰম্ভ কৰা গল্পৰ ভিতৰত 'বাপিৰাম' গল্পৰ উদাহৰণ দাঙি ধৰা হ'ল- তাহানি "বৰতি চাহাবৰ" দিনত জোকতলী সিধাই খাটনিয়াৰ বুলি এজন মানুহ আছিল। সেইকালত সিদাই খাটনিয়াৰক নজনা মানুহ ৰংপুৰ চহৰত নাছিল। দোল দুৰ্গোৎসৱ, হৰিসেৱা

আদি ধৰম কৰমেৰে খাটনিয়াৰৰ ঘৰ উজনিত উজ্জ্বল আছিল।”[৬৩]

বেজবৰুৱাৰ গল্পত সংস্কৃত শ্লোকৰ উদ্ধৃতিও ব্যৱহাৰ কৰা দেখা যায়। ‘গীতা’ গল্পত সংস্কৃত শ্লোকৰ উদ্ধৃতিৰে আৰম্ভ কৰিছে এইদৰে-

*ধ্যায়তো বিষয়ান্ পুংসঃ সঙ্গস্তেষুপজায়তে।*
*সঙ্গাৎ সঞ্জায়তে কামঃ কামাৎ ক্রোধোহভিজায়তে।।*
*ক্রোধাদ্ভবতি সম্মোহঃ সম্মোহাৎ স্মৃতিবিভ্রমঃ।*
*স্মৃতিভ্রংশাদ্ বুদ্ধিনাশো বুদ্ধিনাশাৎ প্রণশ্যতি।।*[৬৪]

বেজবৰুৱাই তেওঁৰ গল্পত কেতিয়াবা লোক-কথাৰ উদ্ধৃতিৰে গল্প আৰম্ভ কৰিছে। ‘আমলৈ নাপাহৰিব’ গল্পত লোকজীৱনৰ লগত সম্পৰ্কিত এফাঁকি গীতেৰে আৰম্ভ কৰিছে এইদৰে- “আগলতি কলাপাত লৰে কি চৰে। চিলনী আই মোৰ আগতে পৰে। ”[৬৫]

চুটিগল্পৰ নামকৰণো এটা গুৰুত্বপূৰ্ণ দিশ। নামকৰণে গল্পৰ তাৎপৰ্য বহন কৰে। বেজবৰুৱাৰো কিছু কিছু গল্পত সাৰ্থক নামকৰণ কৰা দেখা যায়। উদাহৰণস্বৰূপে, ‘মুক্তি’, ‘জলকুঁৱৰী’, ‘আমালৈ নাপাহৰিব’ ‘লাওখোলা’, ‘ভদৰী’, ‘মৈদাম’, ‘এৰাবাৰী’, ‘পিৰিঙতিৰ পৰা খাগুৰ দাব’, ‘যেনে চোৰ তেনে টাঙোন’ আদি গল্পৰ নামকৰণ যথাৰ্থ হৈছে বুলি ক’ব পাৰি।

গল্পৰ ৰচনাশৈলীৰ এটা উল্লেখযোগ্য দিশ হ’ল ইংগিতপূৰ্ণ পৰিণতি। ইংগিতপূৰ্ণ পৰিণতিয়ে পাঠকৰ মন বিশেষভাৱে আকৰ্ষিত কৰে। গল্পৰ এই ইংগিতপূৰ্ণ পৰিণতি দুই ধৰণে ভাগ কৰিব পাৰি- ব্যঞ্জনাধৰ্মিতা আৰু বক্ৰোক্তিধৰ্মিতা। বক্ৰোক্তিধৰ্মী পৰিণতিয়ে পাঠকৰ মনত কাৰুণ্যভাৱ আনি দিয়ে। বেজবৰুৱাৰ গল্পত ব্যঞ্জনাধৰ্মিতা আৰু বক্ৰোক্তিধৰ্মিতা আছে যদিও অতি কমসংখ্যক গল্পতহে দেখা যায়। প্ৰায়ভাগ গল্পৰে সামৰণি ইংগিতধৰ্মী হৈ উঠা নাই।[৬৬] ব্যঞ্জনাধৰ্মী সামৰণিৰ ক্ষেত্ৰত ‘মুক্তি’ গল্পটোৰ উদাহৰণ দাঙি ধৰিব পাৰি-“ নৰিয়া পৰিবৰ দিনাৰে পৰা চৈধ্যদিনৰ দিনা সুকুমাৰৰ দেহসজাৰপৰা প্ৰাণ-পখী ওলাই গৈ চিৰকাললৈ মুক্তি লাভ কৰিলে।[৬৭] ‘ধোৱাখোৱা গল্পৰ সামৰণি বক্ৰোক্তিধৰ্মী হৈ পৰিছে--

> *এই কথা শুনি “বাৰু বোপাইহঁত কুশলে থাক” বুলি পণ্ডিতে দুই হাত দাঙি নাৱৰীয়াহতক আশীৰ্বাদ কৰি নাৱৰ পৰা বামলৈ উঠিবলৈ কাৰবাৰ কৰিছে, এনেতে কাষতে জাজী এসোপাৰ মাজত লাগি থকা এটা ধোৱাঁখোৱা এটা চকুত পৰিল। খাগৰি এডালেৰে হাকুটিয়াই পণ্ডিতে হোকাটো আনিলে। দেখোন ৰামেশ্বৰ ডাঙৰীয়াৰ সেই সাংঘাতিক ধোৱাঁখোৱাটো।*[৬৮]

ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন, জঁতুৱা ঠাঁচ আদিৰ ব্যৱহাৰেও বেজবৰুৱাৰ গদ্যক

এক মাত্রা প্রদান কৰিছে। উদাহৰণস্বৰূপে-

**ফকৰা-যোজনাৰ ব্যৱহাৰঃ**

"আগৰ মধুপুৰীয়াই খৰি ধুই খাইছিল, এতিয়াৰ মধুপুৰীয়াই ভৰি ধুইও নাখায়" [৬৯]

"টিক বলধা ওলাই মাটি মাক ভালে জীয়েক জাতি", [৭০]

"বালি পৰিছ যদি পমি যা, কুটা পৰিছ যদি উৰি যা",[৭১]

"নুবুৰে মানে বাবা, নমৰে মানে চাবা",[৭২]

"এদেও দুদেও কৰিছে পশুপতিৰ লোটা নিবৰ চেও",[৭৩]

"লাজুকীৰ নেজ সৰিলে সি ভেকুলী হৈ জপিয়ায়",[৭৪]

"বোলে সাত পুৰুষত নহ'ল গাই কৰীয়া লৈ গাখীৰ খীৰাবলৈ যায়।"[৭৫]

"কাৰ জ্বৰত কোনে খায় পানী, কাৰ ভগিনী মৈলে কাৰ হয় হানি"[৭৬] ইত্যাদি।

**জতুৱা ঠাঁচৰ ব্যৱহাৰঃ-**

বিনামেঘে বজ্রপাত, আলাসৰ লাডু, বাপতিসাহোন, কিংকৰ্তব্যবিমূঢ়, আকাশী সৰগ ভাগি পৰা, চকুচৰহা, নিকিনা গোলাম, কুকুৰৰ পো কটা, কপাল ফুলা, গোমোঠামুঈ টোপনি ইত্যাদি।

উচিত শব্দ উচিত অৰ্থত প্ৰয়োগ কৰি সময়ে সময়ে উপমাদি অলংকাৰৰ যোগেদি লেখকে উদ্দেশ্য সাধন কৰে।[৭৭] বেজবৰুৱাৰ গল্পতো অগতানুগতিক উপমাৰ ব্যৱহাৰেৰে গল্পক বিশেষত্ব দান কৰিছে। উদাহণস্বৰূপে--

ক) বতাহত পতাকা চট্‌চটাই উৰি কঁপাৰ দৰে মোৰ মনটো কঁপিবলৈ ধৰিলে।[৭৮]

খ) চোৰ বান্ধত পৰিল আৰু টকৌপাতৰ ওপৰত বৰষুণৰ শিল পৰাদি তাৰ পিঠিত ঢকাটো ভুকুটো, চৰটো গোৰটো পৰিবলৈ ধৰিলে।[৭৯]

গ) যদিও নিৰ্ভয়ে নিসংকোচে মই তাত উঠিলোঁ, তথাপি ঢোৰাকাউৰীয়ে ম'ৰাৰ পাখি পিন্ধি ম'ৰাৰ লগত নাচিবলৈ যোৱা যেন যে মোৰ মনত নালাগিছিল এনে নহয়।[৮০]

ঘ) বুঢ়াৰ বয়সে আশীৰ দেওনা ডেইছে কি নাই ঠিক ক'ব নোৱাৰোঁ। মূৰত এডালিও চুলি নাই ; তান্‌পুৰাৰ খোলাটো "পালিচ" কৰাদি কোনোবাই যেন মূৰটো চিক্‌মিকিয়াকৈ পালিচ কৰিহে থৈছে।"[৮১]

ঙ) কিন্তু ককালৰ কোব নেপাহৰা সাপৰ দৰে তুৱায়ে সেই অপমানৰ কোব নেপাহৰি, দুদিনৰ পিছতে ধৰ্মাৱতাৰ হাকিমৰ গাত ভেটী খোৱা অপবাদ দি, চীফ কমিচনাৰ চাহাবলৈ বেনামীকৈ চিঠি এখন লিখি পঠিয়াই অঁতাইহে কোনোমতে চেঁচা পৰিল।[৮২]

চ)	নেগুৰ-কটা বাঘ তাৰ খং ৰাগ গুচি সি সেইদিনা ভেৰাছাগলীৰ পোৱালিটি যেন হ'ল।[৮৩]

চুটিগল্পৰ এটা বিশেষ মন কৰিবলগীয়া কথা হ'ল ভাষাৰ মাধুৰ্য। শব্দৰ জোখ-মাখ বাক্যৰ সুমুধুৰতাৰ ফাললৈ বিশেষ মন নিদিলে গল্প লেখক কৃতকাৰ্য হ'ব নোৱাৰে।[৮৪] বেজবৰুৱাই তেওঁৰ গল্পসমূহৰ লিখনিৰ হাস্য আৰু ব্যঙ্গ ৰীতিক শব্দৰ অপূৰ্ব শক্তিৰে ঐশ্বৰ্যময় কৰি তুলিছে। প্ৰফুল্ল কটকীৰ ভাষাত- "অসংগত ৰিজনি মিহলি ভাষাৰ প্ৰয়োগ, ভাষা আৰু শব্দৰ ইচ্ছাকৃত ভুল প্ৰয়োগ, আজৰ অসংগত সন্ধি, অদ্ভূত উপমা আৰু ৰূপক, তামছা ভেঙুছালি, বহুৱালি, ঠাট্টা-বিদ্ৰূপ, পুনৰাবৃত্তি, নিচক শাব্দিকতা (Sheer Verbalism) আদি তেওঁৰ হাস্যৰস সৃষ্টিৰ একো একোটা কিটিপ"।[৮৫] বেজবৰুৱাই গল্পসমূহত চৰিত্ৰ লগত খাপ খোৱাকৈ ভিন্ ভিন্ ভাষাৰ প্ৰয়োগ কৰিছে। ফলত চৰিত্ৰসমূহ অধিক উজ্জ্বলতৰ হৈ পৰিছে আৰু পাঠকৰ অন্তৰ সোনকালে চুই যাব পাৰে। বিশেষকৈ ইংৰাজী, হিন্দী, বাংলা, সংস্কৃত আৰু কামৰূপী উপভাষাৰ প্ৰয়োগ দেখা যায়। উদাহৰণস্বৰূপে--

ইংৰাজী ভাষাৰ প্ৰয়োগ- "গুডনেছ গ্ৰেস্যচঙ্গ মোক মাৰিবলৈ বন্দবস্ত কৰি থৈছে নেকি? হু দি ডেভিল উইল টেক ইয়ৰ ব্লুমিং চিৰা-পিঠা, এণ্ড পাৰ্টিকিউলাৰ্লি দেট ডেলিকেচি ইয়ৰ পিঠা-গুৰি?"[৮৬]

হিন্দী ভাষাৰ প্ৰয়োগ- "ছাপৰাচীঃ দেখিয়ে হুজুৰছ এইথু বুঢ়া পাগলা না চোৰ কুচ ঠিকনা নাহি, কাঁহাচে আয়কে হিয়া হাল্ল কৰণে লাগা। আইৰ হামকু বলতা- উচকা কোই মলখু বেটাকা স্যাৎ মুলাকাত কৰাই দেনেকু। হম ভালা কৰকে ইছকু চমজাইকে দিয়া যে এইথু চাহাব কা কুঠি, হিঁয়া উচ্‌কা মলখু লেৰকা কোই নাহি হ্যাঁয়; লেকিন বুঢ়াথু হামকু গালি দেনে লাগা।"[৮৭]

বাংলা ভাষাৰ প্ৰয়োগ- "ফেৰ যদি তুমি আমাকে মাতাল বলে অপমান কৰবে তো তোমাৰ ভাল হবে না বলছি। আগে যাৰ দোষে যা হয়েছিলুম হয়েছিলুম ; সে সব হোয়ে গেছে। এখন আমি খাৰাব মেয়ে নইঙ্গ মাতাল নই। কোনও কুমতলবে তোমাৰ কাছে আসিনি। খবৰ্দ্দাৰ আৰ সে ৰকম কথা মুখ থেকে বেড় কৰবে না, যা কৰলে কৰলে।"[৮৮]

কামৰূপী উপভাষাৰ প্ৰয়োগঃ "বোপা ঐঙ্গ আমি কেইটানু কাইনা আছুহা, যে এমান ডাঙৰ মহাৰাণীহেতি ৰণ কৰিব পাৰিম? তোহ্‌নাই বৰ গপ্প মাৰিছা দেখো। মহাৰাণীৰ ফৌজি আমাক গুলিপিহি ফেলালিও তাহানাৰ কপালত ফোট দিবাক নাটেই।[৮৯]

**ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পৰ কলা-কৌশলঃ**

ৰবীন্দ্ৰনাথৰ আগত চুটিগল্প নাথাকিলেও বঙ্কিমচন্দ্ৰৰ উপন্যাসৰ ভাষাৰীতি এটা আছিল। ৰবীন্দ্ৰনাথৰ আদিভাগৰ বহুতো গল্পৰ ৰীতি বঙ্কিমঅনুসাৰী আছিল। বঙ্কিমচন্দ্ৰৰ গদ্যৰ ভাষা আছিল তৎসম প্ৰধান সাধু ৰীতিৰ। ৰবীন্দ্ৰনাথৰ গল্পতো সাধুৰীতিৰ প্ৰাধান্য আছিল। কিন্তু বঙ্কিমচন্দ্ৰ আৰু বিদ্যাসাগৰৰ দৰে সমাসবদ্ধ পদৰ বহুল ব্যৱহাৰ নকৰি সাধাৰণ সহজবোধ্য ভাষাৰ মাজেদিয়েই এক সৰল, সংগীতময়তা আৰু চিত্ৰধৰ্মিতাক ফুটাই তুলিছিল। গল্পৰ অন্তৰ্নিহিত বক্তব্য উন্মোচনৰ ক্ষেত্ৰত ভাষাৰ অমোঘ শক্তি ৰবীন্দ্ৰনাথৰ গল্পৰ এক আশ্চৰ্য সম্পদ।[৯০] বাক্যৰ প্ৰাণ হ'ল শব্দ। অপূৰ্ব শব্দচয়ন অথবা সেই শব্দক সুনিৰ্দিষ্ট স্থানত সাৰ্থকভাৱে ব্যৱহাৰ কৰাত ৰবীন্দ্ৰনাথৰ দক্ষতা অদ্বিতীয়। বাক্যৰ গঠন ইমানেই নিটোল যে কোনো শব্দকে স্থানচ্যুত কৰিব নোৱাৰি। স্থানচ্যুত কৰিলে তাৰ সৌন্দৰ্য, দ্যুতি, ধ্বনি আৰু অৰ্থময়তা বিনষ্ট হোৱাৰ সম্ভাৱনা থাকে।[৯১] উদাহৰণস্বৰূপে--

> *একদিন বৰ্ষাকালে মেঘমুক্ত দ্বিপ্ৰহৰে ঈষৎ-তপ্ত সুকোমল বাতাস দিতেছিল; ৰৌদ্ৰে ঘাস এবং গাছপালা হইতে একপ্ৰকাৰ গন্ধ উত্থিত হইতেছিল; মনে হইতেছিল, যেন ক্লান্ত ধৰণীৰ উষ্ণ নিশ্বাস গায়েৰ উপৰে আসিয়া লাগিতেছে; এবং কোথাকাৰ এক নাচোড়বান্দা পাখি তাহাৰ একটা একটানা সুৰেৰ নালিশ সমস্ত দুপৰবেলা প্ৰকৃতিৰ দৰবাৰে অত্যন্ত কৰুণ স্বৰে বাৰ বাৰ আবৃত্তি কৰিতেছিল। পোষ্টমাষ্টাৰেৰ হাতে কাজ ছিল না- সেদিনকাৰ বৃষ্টিধৌত মসৃণ চিক্কন তৰুপল্লবেৰ হিল্লোল এবং পৰাভূত বৰ্ষাৰ ভগ্নাবিশিষ্ট ৰৌদ্ৰশুভ্ৰ স্তূপাকাৰ মেঘস্তৰ বাস্তবিকই দেখিবাৰ বিষয় ছিল; পোষ্টমাষ্টাৰ তাহা দেখিতেছিলেন এবং ভাবিচেছিলেন, এই সময় কাছে একটি কেহ নিতান্ত আপনাৰ লোক থাকিত- হৃদয়েৰ সহিত একান্ত সংলগ্ন একটি স্নেহপুত্তলি মানৱমূৰ্তি।*[৯২]

ৰবীন্দ্ৰনাথৰ গল্পৰ কলা-কৌশল অতি বুদ্ধিদীপ্ত। গল্পৰ আঙ্গিকগত বৈশিষ্ট্যৰ ফালৰপৰা গল্পসমূহ উৎকৃষ্ট কলাসন্মত গুণ লাভ কৰিছে। গল্পসমূহৰ আৰম্ভণিয়ে ইংগিতধৰ্মিতা বহন কৰিছে। উদাহৰণস্বৰূপে--

> *পুৰ্বদিন বৃষ্টি হইয়া গেয়াছে। আজ ক্ষান্তবৰ্ষণ প্ৰাতঃকাল ম্লান ৰৌদ্ৰ ও খণ্ড মেঘে মিলিয়া পৰিপক্কপ্ৰায় আউশ ধানেৰ ক্ষেত্ৰেৰ উপৰ পৰ্যায়ক্ৰমে আপন আপন সুদীৰ্ঘ তুলি বুলাইয়া যাইতেছিল; সুবিস্তৃত শ্যাম চিত্ৰপট একবাৰ আলোকেৰ স্পৰ্শে উজ্জ্বল পাণ্ডুবৰ্ণ ধাৰণ কৰিতেছিল। আবাৰ পৰক্ষণেই ছায়াপ্ৰলেপেৰ গাঢ় স্নিগ্ধতায় অংকিত*

*হইতেছিল। যখন সমস্ত আকাশ ৰঙ্গভূমিতে মেঘ এবং ৰৌদ্ৰ, দুইটি মাত্ৰ অভিনেতা, আপন আপন অংশ অভিনয় কৰিতেছিল তখন নিম্নে সংসাৰ ৰঙ্গভূমিতে কত স্থানে কত অভিনয় চলিতেছিল তাহাৰ আৰ সংখ্যা নাই।*[১৩]

ৰবীন্দ্ৰনাথে প্ৰকৃতিবিষয়ক গল্পসমূহত প্ৰকৃতিৰ বৰ্ণনা অতি সজীৱ আৰু জীৱন্ত উপস্থাপন কৰিছে। ফলত বৰ্ণনীয় বিষয় অধিক স্পষ্ট আৰু মনোগ্ৰাহী হৈ উঠিছে। উদাহৰণস্বৰূপে 'অতিথি' গল্পত পোৱা যায়- "কেৱল সংগীত কেন, গাছেৰ ঘন পল্লবেৰ উপৰ যখন শ্ৰাবণেৰ বৃষ্টিধাৰা পড়িত, আকাশে মেঘ ডাকিত, আৰণ্যেৰ ভিতৰ মাতৃহীন দৈত্যশিশুৰ ন্যায় বাতাস ক্ৰন্দন কৰিতে থাকিত, তখন তাহাৰ চিত্ত যেন উশৃঙ্খল হৈয়া উঠিত। নিস্তব্ধ দ্বিপ্ৰহৰে বহুদূৰ আকাশ হইতে চিলেৰ ডাক, বৰ্ষাৰ সন্ধ্যায় ভেকেৰ কলৰৱ, গভীৰ ৰাত্ৰে শৃগালেৰ চিৎকাৰধ্বনি সকলই তাহাকে উতলা কৰিত। এই সংগীতেৰ মোহে আকৃষ্ট হইয়া সে অনতিবিলম্বে কে পাঁচালিৰ দলেৰ মধ্যে গিয়া প্ৰবিষ্ট হইল।[১৪]

ৰবীন্দ্ৰনাথৰ অতিপ্ৰাকৃত বিষয়ক গল্পসমূহেও এক বিশিষ্ট গুণ লাভ কৰিছে। তপোব্ৰত ঘোষৰ ভাষাত--

*গল্পকাৰেৰ সংশয় আৰ অবিশ্বাস যেন গল্পেৰ সূত্ৰপাত থেকেই পাঠকেৰ সংশয় আৰু অবিশ্বাসকে সুকৌশলে নিৰ্জিত কৰে ফেলে। অৱশেষে পাঠক যখন অতিপ্ৰাকৃত উপলব্ধিতে তন্ময় হয়ে যায়, তখন গল্পকাৰেৰ সহাস্যকৌতুকে হঠাৎ ছিন্ন হয় সেই অলৌকিকেৰ মায়াজাল।*[১৫]

চুটিগল্পৰ ঘটনাৰ একমুখিতাৰ ক্ষেত্ৰতো ৰবীন্দ্ৰনাথে অধিক সচেতনতা অৱলম্বন কৰিছে। 'বিচাৰক' গল্পত মোহিতমোহনৰ ন্যায় বিচাৰৰ ক্ষেত্ৰত যেতিয়া ক্ষীৰোদাৰ বিষয়টো কিছু সময়ৰ বাবে তল পৰি যেতিয়া হেমশশীৰ প্ৰসঙ্গ আহি পৰিল তেতিয়া স্বভাৱগতভাৱে গল্পৰ একৈকমুখিতা বিনষ্ট হোৱা যেন ধাৰণা হয়। কিন্তু প্ৰথম পৰিচ্ছেদৰ ক্ষীৰোদাৰ কাহিনী আৰু দ্বিতীয় পৰিচ্ছেদৰ হেমশশীৰ কাহিনী যেতিয়া তৃতীয় পৰিচ্ছেদত একাকাৰ হৈ পৰিল, তেতিয়া চুটিগল্পৰ অখণ্ডিত শিল্পৰূপ বিদ্যুৎচমকৰ নিচিনা আমাৰ আগত উদ্ভাসিত হৈ পৰিল।[১৬] গল্পকাৰে অতি কৌশলেৰে গল্পৰ কলাক অক্ষুন্ন ৰাখিছে। তপোব্ৰত ঘোষৰ ভাষাত --

*আংটি থেকে মুখ তুলে মোহিতমোহন প্ৰথমবাৰ যখন ক্ষীৰোদাৰ মুখেৰ দিকে 'ভালো কৰে' চাইলেন তখন 'চব্বিশ বৎসৰ পূৰ্বেকাৰ আৰ একটি অশ্ৰুসজল প্ৰীতিসুকোমল সলজ্জশঙ্কিত' মুখেৰ সাদৃশ্য অনুভৱ কৰলেন। ক্ষীৰোদা আৰ হেমশশীৰ গল্প এক হইয়া গেল। 'অশ্ৰুসজল', 'প্ৰীতিসুকোমল' ও 'সলজ্জশঙ্কিত': তিনিটি বিশেষণেৰ*

*যাদুস্পর্শে গতযৌৱনা পুত্রঘাতিনী মৃত্যুদণ্ডিতা এক বাৰবণিতাৰ ভিতৰ থেকে বেৰিয়ে এল প্রেমময়ী নাৰী।*[৯৭]

ৰবীন্দ্রনাথে তেওঁৰ গল্পসমূহ বিভিন্ন কৌশলেৰে উপস্থাপন কৰিছে। 'স্ত্রীৰ পত্র' গল্পত চিঠিৰ আকাৰত ৰূপ দিছে। ৰবীন্দ্রনাথৰ কিছু কিছু গল্প গীতিৰসেৰে সিক্ত। 'পোষ্টমাষ্টাৰ', 'একৰাত্রি', 'সুভা' আদি এই শ্রেণীৰ গল্প। ৰবীন্দ্রনাথৰ শিল্পকৃতিৰ উৎকৃষ্ট উদাহৰণ হিচাপে 'জীৱিত ও মৃত' আৰু 'মহামায়া' গল্পৰ কথা ক'ব পাৰি। দুয়োটা গল্পৰে কাহিনীবিন্যাস ৰীতি ব্যতিক্রমধৰ্মী। প্রমথনাথ বিশীৰ ভাষাত- "প্রথমেই লক্ষ্য কৰিবাৰ বিষয়, গল্প দুটিৰ মধ্যে কাহিনী বিন্যাসেৰ চমৎকাৰিত্ব আছে, ৰবীন্দ্রনাথেৰ ছোটগল্প সাধাৰণত যেমন অকিঞ্চিৎকৰ ঘটনাকে অবলম্বন কৰিয়া গড়িয়া ওঠে এগুলি তেমন নহে। কাহিনীবিন্যাস কৌশলকে ৰবীন্দ্রনাথ কখনো তেমন গ্রহণ কৰেন নাই, কিন্তু যখনি কৰিয়াছেন অপ্রত্যাশিত নিপুনতা দেখাইছেন।[৯৮] গল্পসমূহৰ নামকৰণো অত্যন্ত তাৎপৰ্যপূৰ্ণ। 'জীৱিত ও মৃত', 'দেনাপাওনা', 'মেঘ ও ৰৌদ্র', 'অতিথি', 'শাস্তি', 'সমাপ্তি', 'ছুটি', 'নষ্টনীড়' আদি নামকৰণে গল্পৰ বিষয়বস্তুৰ যথাৰ্থভাৱে তাৎপৰ্য বহন কৰিছে।

ৰবীন্দ্রনাথৰ গল্পৰ সামৰণিও অতি ইংগিতধৰ্মী আৰু কৌতুহলপূৰ্ণ হৈ পৰে। শেষ হৈও শেষ নোহোৱাৰ ভাৱ এটা ৰৈ যায়। উদাহৰণস্বৰূপে 'পোষ্টমাষ্টাৰ' গল্পত--

*কিন্তু ৰতনৰ মনে কোনো তত্ত্বেৰ উদয় হইল না। সে সেই পোস্টআপিস গৃহেৰ চাৰি দিকে কেবল অশ্রুজলে ভাসিয়া ঘূৰিয়া ঘূৰিয়া বেড়াইতেছিল। বোধ কৰি তাহাৰ মনে ক্ষীণ আশা জাগিতেছিল, দাদা বাবু যদি ফিৰিয়া আসে- সেই বন্ধনে পড়িয়া কিছুতেই দূৰে যাইতে পাৰিতেছিল না। হায় বুদ্ধিহীন মানৱ হৃদয়ঙ্গ ভ্রান্তি কিছুতেই ঘোচে না, যুক্তিশাস্ত্রে বিধান বহু বিলম্বে মাথায় প্রবেশ কৰে, প্রবল প্রমাণকেও অবিশ্বাস কৰিয়া মিথ্যা আশাকে দুই বাহুপাশে বাঁধিয়া বুকেৰ ভিতৰে প্রাণপণে জড়াইয়া ধৰা যায়, অৱশেষে একদিন সমস্ত নাড়ী কাটিয়া হৃদয়েৰ ৰক্ত শুষিয়া সে পলায়ন কৰে, তখন চেতনা হয় এবং দ্বিতীয় ভ্রান্তিপাশে পৰিবাৰ জন্য চিত্ত ব্যাকুল হইয়া উঠে।*[৯৯]

ৰবীন্দ্রনাথৰ গল্পত তীব্র ব্যঙ্গৰ ধাৰা দেখিবলৈ পোৱা যায়। ৰবীন্দ্রনাথে তেওঁৰ সমসাময়িক সমাজখনৰ কুসংস্কাৰ, কু ৰীতি-নীতিৰ প্ৰতি তীব্র ব্যঙ্গ কৰিছে। উদাহৰণস্বৰূপে 'দেনাপাওনা' গল্পত- *ৰামসুন্দৰকে সান্ত্বনা দিয়াৰ সময়, তাহাৰ মেয়েৰ যে কিৰূপ মহাসমাৰোহে মৃত্যু হইয়াছে সকলেই তাহাৰ বহুল বৰ্ণনা কৰিল।*[১০০] এই কথাষাৰত তীব্র ব্যঙ্গৰ সুৰ নিহিত হৈ আছে। তথাকথিত সমাজ-ব্যৱস্থাত পণ প্রথাৰ অমানৱীয়তাক গল্পটোত তীব্রভাৱে ব্যঙ্গ কৰিছে।

উপমাৰ সাৰ্থক প্রয়োগে বৰ্ণনীয় বিষয়ক অধিক আকৰ্ষণীয় কৰি তুলিছে। উদাহৰণস্বৰূপে

'স্ত্ৰীৰ পত্ৰ' গল্পত--

> *তোমাদেৰ অন্দৰমহলে কোথাও জমি এক ছটাক নেই। উত্তৰ দিকে পাঁচিলেৰ গায়ে নৰ্দমাৰ ধাৰে কোনো গতিকে একটা গাবগাছ জন্মেছে। যেদিন দেখতুম সেই গাবেৰ গাছেৰ নতুন পাতাগুলি ৰাঙা টক্‌টকে হয়ে উঠেছে, সেইদিন জানতুম, ধৰাতলে বসন্ত এসেছে বটে। আমাৰ ঘৰকান্নাৰ মধ্যে ঐ অনাদৃত মেয়েটাৰ চিত্ত যেদিন আগাগোড়া এমন ৰঙীন হয়ে উঠল সেদিন আমি বুঝলুম, হৃদয়েৰ জগতেও একটা বসন্তেৰ হাওয়া আসে- সে কোন্ স্বৰ্গ থেকে আসে, গলিৰ মোড় থেকে আসে না।*[১০১]

**লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পৰ চৰিত্ৰঃ**

চৰিত্ৰ চুটিগল্পৰ এটা প্ৰধান উপাদান। সাৰ্থক চৰিত্ৰ চিত্ৰণে গল্পৰ কৃতকাৰ্যতা আনে। চুটিগল্পত সীমিত পৰিসৰৰ ভিতৰত চৰিত্ৰৰ সকলো দিশ প্ৰকাশ কৰা সম্ভৱ নহয়। চৰিত্ৰ বিশেষ কোনো দিশৰ ওপৰতহে গুৰুত্ব আৰোপ কৰি বাকী দিশবিলাকলৈ ইংগিত দিয়াহে সম্ভৱ হয়।[১০২] গল্পৰ চৰিত্ৰবোৰ টাইপ বা মুক্ত হ'ব পাৰে। টাইপ চৰিত্ৰবোৰ কোনো গোষ্ঠীৰ প্ৰতিনিধি, কিন্তু মুক্ত চৰিত্ৰবোৰে অনন্য আৰু কোনো গোষ্ঠীৰ প্ৰতিনিধিত্ব নকৰে।[১০৩]

গল্পৰ চৰিত্ৰই তেতিয়াই সফল হৈ উঠে, যেতিয়া চৰিত্ৰৰ মনোজগতৰ দ্বন্দ্ব অত্যন্ত তীব্ৰ আৰু ক্ৰিয়াশীল হৈ উঠে।[১০৪] বেজবৰুৱাৰ গল্পৰ কিছুমান চৰিত্ৰ অতি গতিশীল আৰু কিছুমান গল্পত চৰিত্ৰসমূহে একোটা শ্ৰেণীৰ প্ৰতিনিধিত্ব কৰিছে। বেজবৰুৱাৰ 'ভদৰী', 'পাতমুগী', 'মুক্তি', আদি গল্পত চৰিত্ৰসমূহ বিকশিত হৈ উঠিছে। প্ৰহ্লাদকুমাৰ বৰুৱাৰ ভাষাত- "বেজবৰুৱাৰ বহুবোৰ চৰিত্ৰপ্ৰধান গল্পৰ ভিতৰত মুক্তি গল্প অন্যতম। গল্পটোত সুকুমাৰৰ চৰিত্ৰ বহুবিস্তৃতযুক্ত আৰু গতিশীল। গল্পটোৰ প্ৰথম স্তৰত সুকুমাৰৰ শিশু মনস্তত্বৰ মুক্ত স্বভাৱৰ বৰ্ণনা কেৱল মনোৰমেই নহয়, ই গভীৰ অৰ্থবহও। গল্পটোৰ প্ৰথম স্তৰত শিশুমনস্তত্বৰে চৰিত্ৰটোৰ আভ্যন্তৰীণ দিশ পোহৰলৈ অনাত গল্পকাৰ বেজবৰুৱা সফল হৈছে।"[১০৫]

আনহাতে 'ভোকেন্দ্ৰ বৰুৱা', 'মলক গুইন গুইন', 'ভেমপুৰীয়া মৌজাদাৰ', 'মিলাৰামৰ আত্মজীৱনী' 'লম্বোদৰ ডেকা' আদি গল্পত চৰিত্ৰসমূহে একো একোটা শ্ৰেণীৰহে প্ৰতিনিধিত্ব কৰিছে। বেজবৰুৱাৰ কিছুমান গল্পত গছ-লতিকাকো চৰিত্ৰ হিচাপে দেখুওৱা হৈছে। যেনে 'এৰাবাৰী' গল্পটোত কপৌফুল, আমগছে জীৱন্ত চৰিত্ৰৰ কথা কোৱা দেখুৱাইছে। ৰবীন্দ্ৰনাথৰ ৰচনা কৌশলৰ দ্বাৰা গল্পৰ চৰিত্ৰসমূহ মহীয়ান হৈ উঠিছে। কিছুমান চৰিত্ৰ সমাজৰ প্ৰতিনিধিত্ব হিচাপে অংকিত হৈছে আৰু কিছুমান চৰিত্ৰপ্ৰধান হৈ উঠিছে। 'শাস্তি', 'দেনাপাওনা',

‘অপৰিচিতা’ আদি গল্পৰ চৰিত্ৰসমূহ সমাজৰ একো একোটা দিশৰ প্ৰতিনিধিত্ব কৰিছে। আনহাতে ‘ছুটি’, ‘সমাপ্তি’, ‘নষ্টনীড়’, ‘সুভা’ আদি গল্পত চৰিত্ৰই প্ৰকাশ লাভ কৰিছে।

‘ছুটি’ গল্পত ফটিকৰ কৈশোৰ মনস্তত্ব অতি সুন্দৰকৈ ফুটি উঠিছে। গাৱলীয়া জীৱনৰ বিচ্ছেদ হোৱাৰ পিছত নগৰীয়া জীৱনে কেনেদৰে ফটিকৰ জীৱনটো দুৰ্বিসহ কৰি তুলিছিল সেই বৰ্ণনা অতি সুন্দৰভাৱে দাঙি ধৰিছে। ফটিকৰ মুক্তিৰ পথত যি বাধাৰ সৃষ্টিৰ হৈছিল আৰু তাৰ জীৱন যেনেদৰে শূণ্যতাই সৰ্বস্ব হৈ পৰিছিল, সেই ক্ষেত্ৰত তাৰ মনৰ বিশ্লেষণ অতি দক্ষতাৰে অংকন কৰিছে। সমৰেশ মজুমদাৰৰ ভাষাত-“ লেখকেৰ মনোলোকে এৰকম একটি বালকেৰ ছবি মুদ্ৰিত ছিল, এমনকী বয়সেৰ কথাটি লেখক বিসমৃত হননি, বয়োসন্ধিৰ যে সমস্যা, তখনকাৰ নিজেকে মানিয়ে নেবাৰ যে অসুবিধা গল্পেৰ মধ্যে প্ৰবেশ ঘটিয়ে মনস্তাত্বিক বিশ্লেষণ কৰেছে, যা লেখকেৰ অন্য ৰচনায় দুৰ্লভ।[১০৬]

‘সুভা’ চৰিত্ৰ ৰবীন্দ্ৰনাথৰ অনবদ্য সৃষ্টি। সুভাৰ মনোজগতৰ বাৰ্তা মুক প্ৰকৃতিৰ মাজেদি কিদৰে মূৰ্ত হৈ উঠিছে তাৰ অপৰূপ ৰূপ নিৰ্মাণ কৰিছে। ‘সমাপ্তি’ গল্পত মৃন্ময়ীৰ মনোজগতৰ পৰিবৰ্তন দেখুওৱাটো উদ্দেশ্য আছিল। চঞ্চল-চপলতা, গাম্ভীৰ্যহীনতা, সৰল মনৰ কিশোৰী মৃন্ময়ীয়ে কিদৰে সময়ৰ পৰিবৰ্তনৰ লগে লগে কেনেদৰে এগৰাকী নাৰীত পৰিণত হ’ল, এই পৰিৱৰ্তন গল্পকাৰে অতি দক্ষতাৰে উপস্থাপন কৰিছে। এগৰাকী কিশোৰী নাৰীত পৰিণত হোৱাৰ যি সহজাত বিৱৰ্তন লিখকে অতি নিপুনতাৰে অংকন কৰিছে। কিশোৰীৰ তাৰল্য আৰু যুৱতীৰ গহীন-গম্ভীৰ প্ৰতিটো স্তৰেই বাস্তবৰ লগত সামঞ্জস্যপূৰ্ণভাৱে  ফুটাই তুলিছে।[১০৭]

‘নষ্টনীড়’ গল্পতো নাৰী মনস্তত্বৰ সুন্দৰ নিদৰ্শন দাঙি ধৰিছে। চাৰু চৰিত্ৰটোৰ মাজেদি নাৰীৰ মন গহনক অতি সুন্দৰৰূপে প্ৰকাশিত কৰিছে।

**সামৰণিঃ**

এনেদৰে দুয়োজনা গল্পকাৰে বিচিত্ৰ বিষয়বস্তুক গল্পসমূহৰ মাজত ৰূপ দিছে। প্ৰতিটো বিষয়বস্তুৰেই দুয়োজনা গল্পকাৰৰ সূক্ষ্ম দৃষ্টিভংগী আৰু দক্ষ উপস্থাপন শৈলীৰে প্ৰাণ পাই উঠিছে। গল্পসমূহৰ কলা-কৌশলৰ দিশত দুয়োজনা গল্পকাৰে চাতুৰ্যৰ পৰিচয় দিছে। নিজ নিজ ৰচনাশৈলীৰে গল্পসমূহক স্বকীয়তা প্ৰদান কৰিছে। গল্পৰ চৰিত্ৰসমূহো হৈ পৰিছে অতি উজ্জ্বল আৰু বৈশিষ্ট্যধৰ্মী। বেজবৰুৱাই যেনেকৈ অসমীয়া সমাজ-জীৱনৰ সৰু-বৰ সকলো মানুহৰে ছবি ৰূপায়িত কৰিছে থিক তেনেদৰে ৰবীন্দ্ৰনাথ ঠাকুৰেও তদানীন্তন বংগীয় সমাজ-জীৱনৰ সৰু-বৰ

সকলো চৰিত্ৰসমূহকে সামৰি লৈছে। দুয়োজনা গল্পকাৰৰ সুদক্ষ হাতৰ পৰশত চৰিত্ৰসমূহ সাৰ্বজনীন আবেদনবিশিষ্ট হৈ পৰিছে।

১. অপূৰ্ব বৰা(সম্পা.)ঃ অসমীয়া চুটিগল্প ঐতিহ্য আৰু বিবৰ্তন, নগেন শইকীয়াৰ প্ৰবন্ধ 'বিশ্ব গল্প-সাহিত্যৰপৰা অসমীয়া গল্প সাহিত্যলৈ', পৃঃ ১৬
২. পৰীক্ষিত হাজৰিকা, অসমীয়া সাহিত্যৰ সুবাস, পৃঃ ১১২
৩. অপূৰ্ব বৰা, সম্পা. পূৰ্বোক্ত গ্ৰন্থ, হোমেন বৰগোহাঞিৰ প্ৰবন্ধ 'লক্ষ্মীনাথ বেজবৰুৱা', পৃঃ ৪৩
৪. অপূৰ্ব বৰা(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৬
৫. শিশিৰকুমাৰ দাশ, বাংলা ছোটগল্প; পৃঃ ৮১
৬. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৮৯
৭. অপূৰ্ব বৰা(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, মদন শৰ্মা, 'লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্প' পৃঃ ৪৬
৮. হৃদয়ানন্দ গগৈ, সম্পা. লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প সমগ্ৰ, 'মলক গুইন্ গুইন্'পৃঃ ৩৪
৯. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৩৬
১০. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৩৬
১১. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৩৭
১২. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৩৭
১৩. অৰিন্দম বৰকটকী আৰু অজিত ভৰালী সম্পা: লক্ষ্মীনাথ বেজবৰুৱা পৃঃ ৪৯-৫০
১৪. হৃদয়ানন্দ গগৈ(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, 'ভেমপুৰীয়া মৌজাদাৰ', পৃঃ ১২৫
১৫. প্ৰফুল্ল কটকী, সাহিত্যৰথী পৃঃ ৫৩
১৬. হৃদয়ানন্দ গগৈ(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, 'ভেমপুৰীয়া মৌজাদাৰ', পৃঃ ১২৫
১৭. সদ্যোক্ত গ্ৰন্থ; পৃঃ ১২৬
১৮. সদ্যোক্ত গ্ৰন্থ; 'ভোকেন্দ্ৰ বৰুৱা',পৃঃ ২৩৭
১৯. অপূৰ্ব বৰা, সম্পা: পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৮
২০. ৰবীন্দ্ৰনাথ ঠাকুৰ, গল্পগুচ্ছ : ৰবীন্দ্ৰনাথ ঠাকুৰ, পৃঃ ১৮
২১. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২১
২২. প্ৰাগুক্ত গ্ৰন্থ; পৃঃ ২১
২৩. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৬০৯
২৪. প্ৰফুল্ল কটকী, সাহিত্যৰথী ২০০৮, পৃঃ ৩৫
২৫. হৃদয়ানন্দ গগৈ(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১
২৬. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২১
২৭. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২১
২৮. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৬২
২৯. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২৬৬
৩০. ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৩৫
৩১. লক্ষ্মীনাথ বেজবৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১২৫
৩২. সদ্যোক্ত গ্ৰন্থ; পৃঃ ১৫৭
৩৩. সদ্যোক্ত গ্ৰন্থ; পৃঃ ১৩৩
৩৪. নগেন; শইকীয়া(সম্পা.)ঃ বেজবৰুৱা ৰচনাৱলী ১ম খণ্ড, পৃঃ ২৩

৩৫. হৃদয়ানন্দ গগৈ (সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৭২
৩৬. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২৭২
৩৮. হৃদয়ানন্দ গগৈ(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৭৫
৩৯. প্ৰহ্লাদকুমাৰ; বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৪০
৪০. শিশিৰ কুমাৰ দাশ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৮১
৪১. সমৰেশ মজুমদাৰ, ৰবীন্দ্ৰনাথেৰ গল্প বিশ্লেষণী পাঠ, পৃঃ ৩৭০
৪২. ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১২৬-১২৭
৪৩. সদ্যোক্ত গ্ৰন্থ ; পৃঃ ১২৮
৪৪. সমৰেশ মজুমদাৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৭১
৪৫. ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৯০-২৯১
৪৬. সদ্যোক্ত গ্ৰন্থ; পৃঃ ১৩০
৪৭. লীলা গগৈ(সম্পা.)ঃ অসমীয়া আধুনিক সাহিত্যৰ পৰিচয়, পৃঃ ১৩১
৪৮. প্ৰহ্লাদকুমাৰ বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ,· পৃঃ ৪০
৪৯. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৩৭
৫০. ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩১০
৫১. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৬৩
৫২. লক্ষ্মীনাথ বেজবৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৯৯
৫৩. ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৬৫
৫৪. সদ্যোক্ত গ্ৰন্থ; পৃঃ ১৩২
৫৫. হৃদয়ানন্দ গগৈ(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, হৃদয়ানন্দ গগৈৰ পাতনি, পৃঃ ১৬
৫৬. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২৫৫
৫৭. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২৫৭
৫৮. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২১৯
৫৯. শিশিৰকুমাৰ দাশ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১০৩
৬০. বীৰেণ বৰকটকী, সাহিত্যৰ পটভূমি, পৃঃ ৭৮
৬১. ত্ৰৈলোকানাথ গোস্বামী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১
৬২. লক্ষ্মীনাথ বেজবৰুৱা(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৪৪
৬৩. সদ্যোক্ত গ্ৰন্থ; পৃঃ ১২
৬৪. সদ্যোক্ত গ্ৰন্থ; পৃঃ ১
৬৫. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৭১
৬৬. বীৰেণ বৰকটকী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৭৮
৬৭. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২৭৫
৬৮. সদ্যোক্ত গ্ৰন্থ; পৃঃ১০৮
৬৯ নগেন শইকীয়া(সম্পা.)ঃ বেজবৰুৱা ৰচনাৱলী(৩য় খণ্ড),‘মাধৈমালতী’, পৃঃ৯৭
৭০. সদ্যোক্ত গ্ৰন্থ; ‘জয়ন্তী’ পৃঃ১১৯
৭১. সদ্যোক্ত গ্ৰন্থ; ‘জাতিৰামৰ জাত’ পৃঃ১০২
৭২. সদ্যোক্ত গ্ৰন্থ;‘লম্বোদৰ ডেকা’ পৃঃ৭৫

৭৩. সদ্যোক্ত গ্ৰন্থ; 'চোৰ', পৃঃ১১৩
৭৪. সদ্যোক্ত গ্ৰন্থ;'মলক গুইন গুইন', পৃঃ ৮৪
৭৫. সদ্যোক্ত গ্ৰন্থ;'মলক গুইন গুইন', পৃঃ ৮৬
৭৬. সদ্যোক্ত গ্ৰন্থ;'প্ৰথম দৰ্শনত ওপজা প্ৰেম', পৃঃ ৮৮
৭৭. ত্ৰৈলোকানাথ গোস্বামী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১
৭৮. লক্ষ্মীনাথ বেজবৰুৱা(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৪০
৭৯. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৮৪
৮০. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৪৩
৮১. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৮৭
৮২. সদ্যোক্ত গ্ৰন্থ,, পৃঃ ৭
৮৩. সদ্যোক্ত গ্ৰন্থ, পৃঃ২৩৩
৮৪. সদ্যোক্ত গ্ৰন্থ, পৃঃ ২৩৩
৮৫. বীৰেণ বৰকটকী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৭৮
৮৬. প্ৰফুল্ল কটকী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৭৬
৮৭. হৃদয়ানন্দ গগৈ(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৪
৮৮. সদ্যোক্ত গ্ৰন্থ, গ্ৰন্থ, পৃঃ ২৭
৮৯. সদ্যোক্ত গ্ৰন্থ, পৃঃ ১৭৮
৯০. সুবল সামন্ত (সম্পা.)ঃ কথাকোবিদ ৰবীন্দ্ৰনাথ, পৃঃ ১৫২-১৫৩
৯১. সদ্যোক্ত গ্ৰন্থ, পৃঃ ১৫৪
৯২. ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৩
৯৩. সদ্যোক্ত গ্ৰন্থ, পৃঃ ১৯৯
৯৪. সদ্যোক্ত গ্ৰন্থ, পৃঃ ২৯১
৯৫. তবোব্ৰত ঘোষ, ৰবীন্দ্ৰ ছোটগল্পেৰ শিল্পৰূপ, পৃঃ ৯৭
৯৬. সদ্যোক্ত গ্ৰন্থ, পৃঃ ২০২
৯৭. সদ্যোক্ত গ্ৰন্থ, পৃঃ ২০৫
৯৮. প্ৰমথনাথ বিশী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫১
৯৯. ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৫
১০০. সদ্যোক্ত গ্ৰন্থ, পৃঃ ২১
১০১. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৫৮৯
১০২. সম্পা. বাণীকান্ত কাকতি, বেজবৰুৱাৰ সাহিত্য প্ৰতিভা, পৃঃ ৬৯
১০৩. ত্ৰৈলোকানাথ গোস্বামী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২২
১০৪. প্ৰহ্লাদ কুমাৰ; বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৭
১০৫. প্ৰহ্লাদকুমাৰ বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৪০
১০৬. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৩৭৩
১০৭. সদ্যোক্ত গ্ৰন্থ,পৃঃ ১০২

# তৃতীয় অধ্যায়
# লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পৰ নাৰী চৰিত্ৰ

**আৰম্ভণিঃ**

লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পত নাৰী চৰিত্ৰই এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে। তেওঁলোক দুয়োজনাই সমসাময়িক সমাজ জীৱনৰ পৰিপ্ৰেক্ষিতত নাৰী জীৱনৰ বিচিত্ৰ ছবি অংকন কৰিছে। দাম্পত্য জীৱনত নাৰীয়ে কেনেদৰে নানা ঘাত-প্ৰতিঘাতৰ সন্মুখীন হ'ব লগা হৈছিল, সামাজিক সংস্কাৰ মিছা নীতি-নিয়মৰ বন্ধনৰ মাজত দাম্পত্য জীৱনত কেনেকৈ তাৰ মহিমাময় দীপ্তি হেৰুৱাই পেলাইছিল আৰু নাৰীয়ে কেনেকৈ অবিচাৰৰ সন্মুখীন হৈছিল এই দিশসমূহকে উদঙাই দেখুৱাইছে।[১] দুয়োজনা গল্পকাৰৰে গল্পত বহুতো নাৰী চৰিত্ৰই ভুমুকি মাৰিছে যদিও, এই আটাইবোৰ নাৰী চৰিত্ৰৰ বিষয়ে বিশ্লেষণ নকৰি কেৱল যিসমূহ নাৰী চৰিত্ৰই গল্পত বিশেষ ভূমিকা গ্ৰহণ কৰিছে, সেই সমূহৰ বিষয়েহে বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হ'ল-

বেজবৰুৱাৰ গল্পত প্ৰকাশিত নাৰী চৰিত্ৰসমূহৰ সমস্যাৰ প্ৰধান কাৰণ আছিল তথাকথিত সমাজখনৰ অন্ধ নীতি-নিয়ম। বেজবৰুৱাৰ সমসাময়িক সমাজখন ৰক্ষণশীল আছিল আৰু নাৰীসকলক ঠেক আৱেষ্টনীৰ মাজত ৰখা হৈছিল। বেছিভাগ গল্পতে নাৰীসকল পুৰুষৰ দ্বাৰা লাঞ্ছিতা, পীড়িতা। গল্পসমূহত নাৰীৰ অসহায় অৱস্থা মূৰ্ত হৈ উঠিছে। সামাজিক নীতি-নিয়মে নাৰীসকলৰ আশা-আকাংক্ষাক দমন কৰি ৰাখিছিল। তেওঁলোক পুৰুষৰ তলতীয়া। পুৰুষে যেন তেওঁলোকৰ জীৱনৰ দিক্ নিৰ্ণয় কৰে। নিজে বিচৰামতে তেওঁলোকে জীৱনটোক উপভোগ কৰাৰ কথা চিন্তাই কৰিব নোৱাৰে। পুৰুষশাসিত সমাজব্যৱস্থাত নাৰীকসকল যেন কেৱল পুৰুষৰ হাতৰ পুতুলা। সেয়ে কাহিনীসমূহত দেখিবলৈ পোৱা গৈছে কিছুমান নাৰীয়ে সমস্যাৰ সন্মুখীন হৈ জীয়াই থকাৰ তৃষ্ণা হেৰুৱাই পেলাইছে। কিছুমানে অশেষ যাতনা সহ্য কৰি, সেয়ে জীৱনৰ প্ৰাপ্য বুলি কোনো প্ৰতিবাদ নকৰাকৈ জীৱনৰ কন্টকময় পথ অতিক্ৰম কৰিছে। আন কেইটামান গল্পত কিন্তু নাৰী চৰিত্ৰই সমস্যাৰ বিৰুদ্ধে মূৰ দাঙি উঠিছে। এই নাৰী চৰিত্ৰসমূহে নানা সমস্যাৰ সন্মুখীন হৈয়ো নিজৰ স্থিতি হেৰুৱাই পেলোৱা নাই। অন্যায়ৰ বিৰুদ্ধে মাত মাতিছে। নিজৰ স্বাধীনচেতীয়া মনৰ পৰিচয় দিছে।

নাৰীসকলৰ সমস্যা বুলি ক'লে প্ৰধানকৈ বাল্যবিবাহ, কম বয়সত বৈধব্য জীৱন-যাপন, জাত-পাতৰ সমস্যা, দাম্পত্য জীৱনত নাৰীয়ে সকলো জলাঞ্জলি দি স্বামীয়ে বিচৰা ধৰণে জীৱনটো পৰিচালিত কৰা, সুবিধাবাদী কিছুমান লোকে নাৰীৰ অসহায়ৰ সুবিধা লৈ নাৰীৰ ওপৰত

লোলুপ দৃষ্টি পোষণ কৰি নাৰীৰ জীৱন বিপদাপন্ন কৰি তোলা আদি বিষয় অতি স্পষ্টতাৰে উপস্থাপন কৰিছে। ইয়াৰ উপৰিও বেজবৰুৱাই নাৰী মনৰ গোপন কোণত স্তুপীকৃত হৈ থকা নানা ভাব অনুভূতিৰ কিছু দিশো উপস্থাপন কৰিছে।

একেদৰে ৰবীন্দ্ৰনাথ ঠাকুৰৰ চুটিগল্পসমূহত নাৰী চৰিত্ৰই এক বিশিষ্ট স্থান অধিকাৰ কৰিছে। গল্পসমূহত পুৰুষ চৰিত্ৰতকৈ নাৰী চৰিত্ৰসমূহ অধিক উজ্জ্বলতৰ। বেছিভাগ গল্পতে নাৰীৰ নানা সমস্যা আৰু সংঘাত মূল বিষয়বস্তু হিচাপে উপস্থাপন কৰা হৈছে। গল্পসমূহত নাৰীৰ বিচিত্ৰ ছবি দেখিবলৈ পোৱা যায়। কেতিয়াবা এগৰাকী চিৰন্তন মাতৃৰ ৰূপত, কেতিয়াবা এগৰাকী স্নেহশীলা পত্নীৰ ৰূপত, কেতিয়াবা এগৰাকী  নাৰীৰ মাজত ভাতৃস্নেহ আৰু কেতিয়াবা হয়তো প্ৰকৃতি প্ৰেমেৰে উন্মুখ হৈ পৰিছে।

তদানীন্তন সমাজখনৰ অন্ধ নীতি-নিয়মৰ ফলত নাৰীসকলে অশেষ কষ্ট ভোগ কৰিবলগীয়া হৈছিল। বিশেষকৈ নাৰীসকলক শিক্ষা-দীক্ষাৰে আগবঢ়াই নিনি ঘৰুৱা কামৰ মাজতে আৱদ্ধ কৰি ৰাখিছিল। নাৰীসকলৰ বাবে বৈবাহিক জীৱনটোৱে প্ৰাধান্য লাভ কৰিছিল। কিন্তু এই বৈবাহিক জীৱনতেই নাৰীসকলে  অনেক কষ্ট আৰু দুৰ্ভোগ ভুগিবলগীয়া হৈছিল।  বাল্যবিবাহ নাৰীসকলৰ কাৰণে এক অভিশাপস্বৰূপ আছিল। অতি কম বয়সত বিয়া দিয়া হেতুকে তেওঁলোকে জীৱনৰ কঠিন বাস্তৱৰ সৈতে মুখামুখি  হোৱাত বহুতো অসুবিধাৰ সন্মুখীন হৈছিল। অনেক সময়ত ককৰ্থনা আৰু ভৎসৰ্থনাৰে জীৱন কটাবলগীয়া হৈছিল। জাত-পাতৰ দোহাই দি অতি কম বয়সীয়া ছোৱালীক মুমুৰ্ষ বৃদ্ধলৈ বিয়া দি অকালতে বৈধব্য জীৱন-যাপন কৰিবলগীয়া হৈছিল।

সতীদাহ প্ৰথা আৰু পণ প্ৰথাৰ দৰে সামাজিক কুসংস্কাৰে নাৰীৰ মৰ্যাদাক সম্পূৰ্ণৰূপে খৰ্ব কৰিছিল। সতীদাহ প্ৰথাৰ কাৰণে স্বামীৰ মৃত্যুৰ পিছত তেওঁৰ পত্নীয়ে জীয়াই থকাৰ অধিকাৰো হেৰুৱাই পেলাইছিল। পণ প্ৰথাৰ ফলত উপযুক্ত পৰিমাণে পণ আদায় দিব নোৱাৰিলে নাৰীসকলৰ অস্তিত্বত আঘাত হানিছিল। নাৰীজীৱনৰ এই সমস্যাসমূহ ৰবীন্দ্ৰনাথে অতি সহৃদয়তাৰে গল্পত উপস্থাপন কৰিছে। এনেদৰে ৰবীন্দ্ৰনাথৰ চুটিগল্পত নাৰী চৰিত্ৰৰ বহুমুখী বিন্যাস ঘটিছে। নাৰীচৰিত্ৰৰ উজ্জ্বল উপস্থাপনৰ ক্ষেত্ৰত ই অভিনৱ হৈ পৰিছে। নাৰীৰ নানা সমস্যা আৰু সংকট গল্পসমূহৰ মাজেদি উপস্থাপন কৰাৰ যোগেদি নাৰী মুক্তিৰ অন্বেষণৰ পথ লক্ষণীয়ভাৱে অৰ্থবহ হৈ উঠিছে। ৰূপ-অৰূপ, প্ৰেম-অপ্ৰেম, বন্ধন-মুক্তি আদি দিশসমূহ বিচিত্ৰ হৈ উঠিছে গল্পসমূহৰ মাজত।[২]

জীৱনৰ প্ৰায় চৌষষ্ঠী বছৰ ধৰি তেওঁ গল্প লিখিছিল। এই দীৰ্ঘ সময়ছোৱাৰ ব্যাপক অভিজ্ঞতাৰ দ্বাৰা সমাজবাস্তৱতাৰ ভিন্ ভিন্ দিশ উপস্থাপন কৰিছে।[৩] এই চৰিত্ৰসমূহৰ কিছুমান দুঃসাহসিক, ব্যক্তিত্বময়ী, প্ৰতিবাদী আৰু কিছুমান সমাজৰ কুসংস্কাৰৰ বলি হৈ অকালতে জীৱনৰ ৰং মৰহি যোৱা নাৰী চৰিত্ৰৰ সমাহাৰ ঘটিছে।

নাৰীক আধ্যাত্মিক দৃষ্টিৰে চাইছিল বাবে বেজবৰুৱাৰ বহু গল্পত নাৰীৰ মহিমা প্ৰদৰ্শিত হোৱা দেখা যায়। ৰবীন্দ্ৰনাথৰ 'দেনাপাওনা', 'হৈমন্তী', 'যজ্ঞেশ্বৰৰ যজ্ঞ', 'স্ত্ৰীৰ পত্ৰ', 'পাত্ৰ ও পাত্ৰী' গল্পত নাৰীমনৰ চিৰন্তন সত্য আৰু সৌন্দৰ্যক পোহৰলৈ অনাৰ দৰেই বেজবৰুৱায়ো 'ভদৰী', 'জয়ন্তী', 'পাতমুগী' আদি গল্পৰ মাজেদি নাৰী চৰিত্ৰৰ সত্য আৰু সৌন্দৰ্যক প্ৰকাশ কৰিছে।[৪] তলত দুয়োজনা গল্পকাৰৰে বিশিষ্ট নাৰী চৰিত্ৰ সমূহৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল।

বেজবৰুৱাৰ গল্পৰ বিশিষ্ট নাৰী চৰিত্ৰঃ

'ভদৰী' গল্পৰ ভদৰীঃ

পুৰুষপ্ৰধান সমাজত নাৰীসকলক প্ৰায়ভাগ ক্ষেত্ৰতেই অৱহেলাৰ চকুৰে চোৱা হয়। কিন্তু এই অৱহেলা বা নিৰ্যাতনৰ মাজেৰেও নাৰীসকলে পুৰুষৰ সন্মান আৰু মৰ্যাদা বজাই ৰাখে। পৰিয়ালটোক নিজৰ ত্যাগেৰে সঞ্জীৱিত কৰি তোলে। এই ধ্যান-ধাৰণা দুয়োজন গল্পকাৰে সুন্দৰ ৰূপত ফুটাই তুলিছে। উদাহৰণস্বৰূপে বেজবৰুৱাৰ 'ভদৰী' গল্পটোৰ কথা দাঙি ধৰিব পাৰি। 'ভদৰী' বেজবৰুৱাৰ এটা উল্লেখযোগ্য গল্প। গ্ৰাম্য জীৱনৰ পটভুমিত ৰচনা কৰা এই গল্পটোত গাঁৱলীয়া দাম্পত্য জীৱনৰ ছবি অতি সুন্দৰভাৱে অংকন কৰিছে। ভদৰীৰ স্বামী শিশুৰাম এজন গাঁৱলীয়া সাধাৰণ খেতিয়ক। দুবেলা-দুমুঠিৰ কাৰণে শিশুৰামে কঠোৰ পৰিশ্ৰম কৰে। সৰু সৰু কথাতে ভদৰীৰ ওপৰত খং কৰি অত্যাচাৰ চলায়। গল্পটোত উল্লেখ কৰা অনুসৰি- "এই বিচিত্ৰ সংসাৰত পূৰ্ব্বাপৰ প্ৰচলিত নিয়ম আছে, যে বাহিৰত য'তে যিহতে পুৰুষৰ খং উঠক, তাত সেই খঙৰ সদ্ব্যৱহাৰ বা অসদ্ব্যৱহাৰ কৰিব নোৱাৰিলে ঘৰলৈ উভতি আহি ঘৈণীয়েকৰ ওপৰত সঁচাই -মিছাই খং দপালি দি বৰমতা ওলায়। আমাৰ সংসাৰী শিশুৰামো এই নিয়মৰ বাহিৰা নহয়।"[৫]

শিশুৰামেও এনেদৰে ভদৰীৰ ওপৰত অত্যাচাৰ চলাই থাকে। ভদৰীয়েও শিশুৰামৰ অত্যাচাৰ নীৰৱে সহি থাকে।"বাস্তৱিপক্ষতে ভদৰীৰ এনে বিশ্বাস হৈ গৈছিল যে ভুকুটো, ঢকাটো,

চৰটো, গোৰটো ক াঠখৰি আৰু ঢেকিথোৰাৰ মাৰটো উঠা-বহা, খোৰা-লোৰাৰ লগৰে বিবাহিতা জীৱনৰ এটি অপৰিহাৰ্য অংগ।”[৬]

ভদৰীয়েও এদিন শিশুৰামক জগৰ লগালে। শিশুৰামে পথাৰৰ পৰা হাল মেলি আহি সময়মতে ভাত নোপোৱাত খঙত সি টিঙিৰি তুলা হৈ পৰিল। বেলি তিনিপৰলৈকে ভাত নোহোৱাত শিশুৰামে ভদৰীৰৰ পৰা কৈফিয়দ বিচৰাৰ লগে লগে ভদৰীয়ে উত্তৰ দিলে এইবুলি-“ মোৰ মূৰটোৰে ভাত ৰান্ধি দিম নেকি? খৰি এডাল বুলিবলৈ নাই ঙ্গ গেৰেহা কেঁচা খৰি ফুৱাওঁতে ফুৱাওঁতে হাৰাশাস্তি হৈছো। নুবুজা নেমেলাকৈ দুপ্‌দুপাই উঠিলেই হ’ল নেকি?”[৭]

ভদৰীৰ যেন ধৈৰ্যৰ সীমা পাৰ হৈ গ’ল। কিছুমান পৰিবেশ পৰিস্থিতিয়ে ধৈৰ্যৰ বান্ধ সুলকি যাবলৈ বাধ্য কৰায়। ভদৰীয়ে যেতিয়া কেঁচা খৰিৰ জুই ফুৱাই ফুৱাই নাকৰ পানী আৰু চকুৰ পানী একাকাৰ কৰি অতি কষ্টেৰে ভাত ৰান্ধিবলগীয়া হৈছিল, তেতিয়া ভদৰীয়েও স্বামী শিশুৰামৰ কথাত অতিষ্ঠ হৈ উত্তৰ নিদিয়াকৈ নাথাকিল। ভদৰীৰ প্ৰত্যুত্তৰত শিশুৰাম খঙত টিঙিৰি-তুলা হৈ উঠিল। স্বামীৰ ওপৰত মাত মতাটো যেন ভদৰীৰ গুৰুতৰ অপৰাধ হ’ল। তদানীন্তন সমাজ-ব্যৱস্থাত আজিৰ তুলনাত নাৰীৰ স্থান গৌণ আছিল। নাৰীসকলক সমাজত এটা থেক আবেষ্টনীৰ মাজত ৰখা হৈছিল। প্ৰাচীন ধ্যান-ধাৰণা, কু-সংস্কাৰ, অন্ধবিশ্বাস আদিয়ে সমাজখনক দ’কৈ শিপাইছিল। পুৰুষে কৰা অত্যাচাৰ অবিচাৰৰ মাজেৰে নাৰীবিলাকে জীৱন কটাইছিল। পুৰুষৰ বিপৰীতে মাত মাতিবৰ তেওঁলোকৰ অধিকাৰ নাই। সমাজ ব্যৱস্থাই তেওঁলোকৰ ইচ্ছাশক্তিক দমন কৰি ৰাখিছে। স্বামীক ভালদৰে সেৱা-শুশ্ৰুযা কৰি ঘৰৰ নিত্য- নৈমিত্তিক কামবিলাকৰ সুচাৰুৰূপে দায়িত্ব পালন কৰাতেই নাৰীৰ জীৱন আৱদ্ধ। এই নিয়মৰ বাহিৰ হ’লেই যেন নাৰী হৈ পৰে অপৰাধী। স্বামীয়ে যিমান অত্যাচাৰ নকৰক কিয়, কিন্তু তেওঁলোকৰ মনোবৃত্তি হৈছে নাৰী পতিব্ৰতা হ’বই লাগিব। গতিকে ভদৰীক ক্ষমাৰ অযোগ্য বুলি ভাবি মাছ বাচিবলৈ লোৱা মৈদাখনেৰে ভদৰীৰ মূৰত দুকোব মাৰিলে। লগে লগে ভদৰী তেজেৰে টুমৰলি হৈ মুচকচ গৈ মাটিত পৰিল। হাস্পাতালত থাকি তিনি দিনৰ মূৰত যেতিয়া জ্ঞান ঘূৰাই পালে তেতিয়া কিন্তু ভদৰীয়ে প্ৰথমতে স্বামীকে বিচাৰিছিল। শিশুৰাম হাজোতত থকা বুলি গম পাই ভদৰী পুনৰ অজ্ঞান হৈ পৰে। শিশুৰাম আহি উপস্থিত হোৱাতহে জ্ঞান ঘূৰাই পায়। তেতিয়া ভদৰীয়ে শিশুৰামক দোষী সাব্যস্ত নকৰি সেই দোষ নিজে মূৰ পাতি লৈছে-“দেউতা ইশ্বৰ ধৰ্মাৱতাৰ। এওঁৰ কোনো দোষ নাই, এওঁক এৰি দিয়ক। ‘বেটী গোলামিৰ মূৰৰ চুলি চিঙি কাতৰ কৰি মাতিছোঁ, মোৰ গিৰীহঁতক এৰি দিয়ক। মাছ

বাছিবলৈ যাওঁতে উজুতি খাই পাতি থোৱা মৈদাত পৰি বেটী গোলামীৰ গা কাটিছে।"[৮]

শিশুৰামে ভদৰীৰ কথাত হুকহুকাই কান্দিবলৈ ধৰিলে আৰু নিজৰ ভুল স্বীকাৰ কৰি হেলাৰঙে হাজোতলৈ যাবলৈ ওলাল। সৰলপ্ৰাণা ভদৰীৰ শিশুৰামৰ প্ৰতি থকা মৰম আৰু অশেষ ভক্তিয়ে শিশুৰামৰ মানসিকতাৰ পৰিৱৰ্তন ঘটালে। কিয়নো পতিপ্ৰাণা নাৰীসকলৰ হিয়াৰ সৰ্বস্ব আবেগ-অনুভূতি স্বামীৰ লগত জড়িত হৈ থাকে। সেয়ে কেতিয়াবা আবেগৰ বশৱৰ্তী হৈ স্বামীয়ে কৰা দোষৰ পৰিণাম গুৰুতৰ নহৈ ক্ষমাৰ যোগ্য হৈ পৰে। ভদৰীৰ স্বামীৰ প্ৰতি থকা পৰম ভক্তি আৰু সহনশীলতা গুণেৰে ভদৰী চৰিত্ৰটোৰ মহত্ব প্ৰকাশ পাইছে।

'পাতমুগী' গল্পৰ পাতমুগীঃ

পাতমুগী আলতী বাইৰ জীয়েক। ঘৰ ডবকা মৌজাত। জাতত কুমাৰ সম্প্ৰদায়ৰ। পাতমুগী দেখিবলৈ চকুত লগা সুন্দৰী গাভৰু। বকতা মৌজাৰ পৰা অহা বামুণৰ ল'ৰা এজনৰ লগত তাইৰ মনৰ মিলন হয়। ল'ৰাজনৰ লগতে সংসাৰ পাতিবলৈ লয় যদিও এবচৰ পিছত ল'ৰাজনে পাতমুগীক এৰি ঘৰলৈ গুচি যায়। ঘৰত গৈ ল'ৰাজনে পৰাচিত হৈ নিজৰ জাতত উঠি আকৌ এজনী বামুণৰ ছোৱালী বিয়া পাতিলে। এই কথা শুনি পাতমুগী আৰু আলতী বাইৰ দুখৰ সীমা নোহোৱা হ'ল। বিয়াৰ পিছত স্বামীয়ে স্ত্ৰীৰ লগত সম্পৰ্ক বিচ্ছিন্ন কৰাটো নাৰী এগৰাকীৰ কাৰণে চৰম বিপৰ্যয়ৰ কথা। নাৰীৰ স্বভাৱ-কোমল মনে এই আহ্বানক গ্ৰহণ কৰাটো তেনেই দুঃসাধ্য হৈ পৰে। কিয়নো, এজন মন-মগজুৰে শক্তিমন্ত পুৰুষৰ আশ্ৰয়ত নীড় সাজি থাকি জীৱন সুন্দৰ কৰাৰ বাসনাৰে নাৰীৰ মন পৰিপূৰ্ণ হৈ থাকে। সেয়ে বামুণৰ ল'ৰাজনে প্ৰৱঞ্চনা কৰাত পাতমুগীৰ মনটো ভাগি পৰাটো নিতান্তই স্বাভাৱিক কথা। ভৰ-যৌৱনা পাতমুগীয়ে অকালতে জীৱনৰ মাদকতা হেৰুৱাই মদাৰফুল সদৃশ হৈ পৰিল। জীৱন সুন্দৰ কৰাৰ বাসনাৰে নাৰীৰ মন পৰিপূৰ্ণ হৈ থাকে। সেয়ে বামুণৰ ল'ৰাজনে প্ৰৱঞ্চনা কৰাত পাতমুগীৰ মনটো ভাগি পৰাটো নিতান্তই স্বাভাৱিক কথা। ভৰ-যৌৱনা পাতমুগীয়ে অকালতে জীৱনৰ মাদকতা হেৰুৱাই মদাৰফুল সদৃশ হৈ পৰিল। এনেকৈ বামুণৰ ল'ৰাজনে পাতমুগীক এৰি গুচি যোৱাৰ পিছত পাতমুগীয়ে মাক আলতী বাই আৰু ওচৰৰ দদায়েক এজনৰ লগত কাছাৰীত গোচৰ দিবলৈ গ'ল। চ'ত মাহৰচোকা ৰ'দ। গৈ থাকোতে ৰাস্তাত পাতমুগীৰ পিয়াহত অষ্ঠ-কণ্ঠ শুকাই যোৱাত দদায়েকক ঔ-টেঙা পাৰিবলৈ দিলে। দদায়েকে গছৰপৰা নামি আহিব খোজোতে পাতমুগীৰ মুখখন লক্ষ্য কৰি মনত এক নতুন শিহৰণ জাগি উঠিল। পাতমুগীক যেন দদায়েকে সিদিনা

আগতকৈ বেলেগ ৰূপত দেখা পালে। পাতমুগীৰ মুখৰ এনে মোহনীয় সৌন্দৰ্য দদায়েকে আগতে কেতিয়াও লক্ষ্য কৰা নাছিল। পাতমুগীয়েও দদায়েকৰ মনৰ ভাব জানিব পাৰিলে। দদায়েকৰ অনুভূতিৰ সোঁতত পাতমুগীয়েও যেন উটি যাব বিচাৰিলে। অলপ আগতে পিয়াহত অষ্ঠ-কণ্ঠ শুকাই যোৱা পাতমুগীৰ মুখত হাঁহি বিৰিঙি উঠিল। দদায়েকে ভাবিবলৈ ধৰিলে- "এতিয়া তাইৰ ফালে মোৰ মুখখন তুলি চাবলৈকে লাজ লাগিছে। মোৰ পৰাজয়ত তাইৰ এই উলাহ নেকি? তিৰোতাৰ মনটো সচাঁকৈয়ে বিচিত্ৰ সমলৰে গঢ়া। এই কণমান ছোৱালীজনীয়ে এই পঞ্চাছ বছৰীয়া শুকান বুঢ়াটোক থিতাতে গৰকি পেলালে। আচৰিত কথা।"[৯]

দদায়েকে কোনোমতে নিজকে চম্ভালি গছৰপৰা নামি আহিব খোজোতে গছত ঘহঁনি খাই বুকুৰ মাখিচাল এৰি গ'ল। কেই মুহুৰ্তমান আগতে স্বামীৰ প্ৰতাৰণাত হতবাক হোৱা পাতমুগীৰ আকস্মিক চঞ্চলতাই দদায়েকৰ মনত হঠাতে নানা প্ৰশ্নই হেতা-ওপৰা লগালে। দদায়েকেও নিজৰ সাময়িক আত্মস্খলনৰ বাবে লজ্জিত বোধ কৰিলে। দদায়েকৰ ক্ষণিকৰ বাবে হ'লেও মনৰ বিচ্যুতিৰ উমান পাই পাতমুগীয়েও দদায়েকক ধেমালিৰ সুৰতে ক'বলৈ ধৰিলে - "ইস্ঙ্গ মাখিচাল ছিগি গৈছে , যাওঁক ওপৰে ওপৰেহে; ভিতৰলৈ সোমাব পৰা নাই।"[১০]

কথাষাৰ শুনি দদায়েকে লাজত জয় পৰি গ'ল। কথাষাৰৰ অন্তৰালেদি যেন দদায়েকৰ মন পিছলি যোৱা কথাটোকে অন্যপ্ৰকাৰে ক'ব বিচাৰিছে। কাৰণ মাখিচাল এৰি গ'লে আঘাতৰ পৰিমানটো যেনেকৈ কম হয় তেনেকৈ পাতমুগীৰ প্ৰতিও দদায়েকৰ কামনাৰ জুইকুৰা ক্ষন্তেকৰ বাবেহে আছিল; অন্তৰৰ গভীৰ স্থলীত স্থান দিয়াৰ বাসনা নাছিল। ই এক স্বাভাৱিক আবেগ। দদায়েকে কিন্তু এই আৱেগক নিমিষতে অন্তৰৰ পৰা চুৰ-মাৰ কৰি দিব বিচাৰিছে।

পাতমুগীৰো হঠাৎ মানসিক পৰিৱৰ্তন হ'ল। পিছত পাতমুগীয়ে পাপবোধৰ অনুশোচনাত দগ্ধ হ'বলৈ ধৰিলে। দদায়েকৰ সাময়িক আকৰ্ষণৰ প্ৰতি পাতমুগীয়ে যি সঁহাৰি জনাইছিল , সেয়া আচলতে পাতমুগীৰ পক্ষে অনুচিত আছিল। কিন্তু সেই ভুলৰ বাবে পাতমুগীয়ে প্ৰায়চিত্তও বিচাৰিছে। " দদাই মোৰ দোষ মৰিষণ কৰক। তিৰোতাৰ স্বভাৱৰ বিষয়ে মতা মানুহে কেতিয়াও ভালকৈ নাজানে আৰু জানিবও নোৱাৰে। মানুহে নজনাটোতো ঠিকেই। দেৱতাইও নাজানে বুলি কয়। পুৰুষক হাতৰ মুঠিত ল'বলৈ পোৱাটোৱেই তিৰোতাৰ ডাঙৰ আশা। পুৰুষক জয় কৰাৰ আনন্দ তিৰোতাই লুকাব নোৱাৰে।" [১১]

পাতমুগীয়ে এনেদৰে মনৰ গোপন সত্যক কোনো লুক-ধাক নকৰাকৈ অতি স্পষ্টতাৰে দদায়েকৰ আগত ব্যক্ত কৰিছে। পাতমুগী বুলিয়েই নহয় যিকোনো নাৰী সত্বাৰ মাজত এই

আবেগ অনুভূতিৰ স্ফূৰণ ঘটিব পাৰে। কাৰণ ই এক চিৰন্তন প্ৰবৃত্তি। এই প্ৰবৃত্তিৰ তাড়নাই কেতিয়াবা মন-মগজুক বিভ্ৰান্তিত পেলায়। স্বামী পৰিত্যক্তা গাভৰুৰ বয়স নিৰ্বিশেষে পুৰুষৰ প্ৰতি আকৰ্ষণ তেজ- মঙহৰ শৰীৰৰ বাবে স্বাভাৱিক কথা। নৈতিক সামাজিক বিবেচনাই ইয়াক প্ৰায়ে সংযত কৰি ৰাখে।"[১২]

কাছাৰীত গৈয়ো পাতমুগী বিমুখ হ'ব লগা হ'ল। উকীল-মহৰীয়ে পইচাৰ লোভত নগুৰ-নাকতি কৰিলে । গতিকে পাতমুগীয়ে গোচৰ নিদিয়াকৈ কাছাৰিৰ পৰা গুছি আহিল। অন্যায়-অনীতিয়ে পাতমুগীক বিতুষ্ট কৰি তুলিলে। পুৰুষ জাতিৰ প্ৰৱঞ্চনা, নিষ্ঠুৰতা, দুৰ্বলতা তাই মৰ্মে মৰ্মে উপলব্ধি কৰিলে। জীৱনত পোৱা এই তিক্ত অভিজ্ঞতাই পাতমুগীৰ মানসিকতাৰ উত্তৰণ ঘটালে। সুখ-সম্ভোগৰ মুখ নেদেখি, বঞ্চিত সকলো কামনা-বাসনা জলাঞ্জলি দি জীৱনত এক নতুন পথৰ সন্ধানত ব্ৰতী হ'ল। য'ত সৎ চিন্তাৰে নিজক মহান কৰিব পাৰি। শেষত ভগবানকে প্ৰকৃত সত্যৰ স্বৰূপ বুলি বিবেচনা কৰি নিজকে ধৰ্ম কাৰ্যত নিয়োজিত কৰিবলৈ সিদ্ধান্ত কৰিলে। ভগবৎ চিন্তা আৰু মহাত্মা গান্ধীৰ আদৰ্শেৰে জীৱনটোত সৎ কৰ্মৰ ভাৰ বান্ধি ল'লে।

" মই মোৰ মনটো শিলৰ খুটি যেনেকৈ বান্ধিলোঁ। মহাত্মা গান্ধীৰ বাক্য শিৰত লৈ মই স্বদেশ আৰু সকলোৰে হকে ঘাইকৈ দুখীয়াৰ হকে মোৰ জীৱনটো উচৰ্গা কৰিলো। কালিৰ পৰা কোনেও মোক আগৰ অৱস্থাত নেদেখে।"[১৩]

'লাওখোলা' গল্পৰ বিশিষ্ট নাৰী চৰিত্ৰঃ

'লাওখোলা' গল্পত নাৰী জীৱনৰ দুৰ্ভাগ্যক অতিশয় মৰ্মস্পৰ্শীভাৱে প্ৰতিফলিত কৰা হৈছে। পুৰুষশাসিত সমাজত নাৰীৰ স্থান আৰু তেওঁলোকৰ জীৱনৰ গতিবিধি যে পুৰুষৰ ইচ্ছাৰ অধীন তাকে প্ৰকাশ কৰিছে এগৰাকী দুৰ্ভগীয়া নাৰীৰ কৰুণ কাহিনীৰ মাজেদি।[১৪] গল্পটোৰ কাহিনীটোত আছে- পুখুৰীত মাছ মাৰোতে মানুহৰ লাওখোলা এটা উদ্ধাৰ হয়। মাছ মাৰিবলৈ অহা মানুহ এজনৰ আগত ৰাতি সপোনত লাওখোলাটোৱে নিজৰ কাহিনী ব্যক্ত কৰে। লাওখোলাটো আছিল এগৰাকী নিৰ্যাতিতা বিধৱা নাৰীৰ। পূৰ্বাপৰ ৰীতি মতে অতি কম বয়সতে ছোৱালীজনীৰ বিয়া হৈছিল। পিতৃগৃহত থাকোঁতেই স্বামীৰ মৃত্যু হয়। লগৰ সমনীয়াৰ লগত উমলি থকা বয়স আছিল হেতুকে তেতিয়া স্বামী কি বস্তু অনুভৱ কৰিব পৰা নাছিল। সংসাৰৰ অভিজ্ঞতাশূন্য ছোৱালীজনীয়ে ১৮ বছৰ বয়সলৈকে পিতৃগৃহত থাকিল। ঘাট-মাউৰা হোৱাত বৰজনাকৰ আশ্ৰয়ত থাকিবলৈ বাধ্য হ'ল। অৱশেষত বৰজনাকে তাইৰ জীৱনৰ কাল হ'ল। কুচৰিত্ৰসম্পন্ন মানুহজনৰ আশ্ৰয়ত থাকি ছমাহ

নৌহোতেই তাই গৰ্ভৱতী হ'ল। পাপিষ্ঠ জেঠালে গৰ্ভ নষ্ট কৰিবলৈ অসমৰ্থ হৈ সমাজৰ লাঞ্চনা-গঞ্জনাৰ ভয়ত তাইক টেটু চেপি হত্যা কৰি পুখুৰীত পেলাই দিলে।

এনেদৰে লাওখোলাটোৱে নিজৰ কাহিনী বৰ্ণনা কৰি থাকোঁতে পুৰুষৰ প্ৰতি তেওঁ ক্ষোভ প্ৰকাশ কৰিছে এইদৰে- "তোমালোক মতা মানুহে তিৰোতা মানুহৰ ওপৰত দৌৰাত্ম্য কৰিবলৈ আৰু নেৰানে? চিৰকাল আমাৰ ওপৰত তোমালোকে জুলুম কৰিয়েই থাকিবানে? ..... হৰি হৰিঙ্গ তিৰোতাৰ দুখৰ জীৱন। তাক আৰু দুৰ্ভগীয়া কৰিবলৈ মতা মানুহ সদায় সাজুঙ্গ বিয়া কাক বোলে তাক চকুৰে দেখাৰ আগতেই অৰ্থাৎ প্ৰকৃতপক্ষে স্বামীক পোৱাৰ আগতেই মই স্বামী হেৰুৱালো, বিধৱা হ'লোঙ্গ তোমালোক পুৰুষৰ কেনে যুক্তিঙ্গ কেনে ন্যায়ঙ্গ তোমালোক আপোনপেটীয়া স্বাৰ্থপৰ জাতি। তিৰোতাৰ আগত বৰমতা ওলোৱা তোমালোকৰ স্বভাৱ।[১৫]

এনেদৰে কিছুমান নাৰীয়ে জীৱনত দুৰ্ভোগ ভূগিবলগীয়া হৈছিল। নাৰীসকলে যিহেতু প্ৰধানকৈ পুৰুষৰ ওপৰতে নিৰ্ভৰ কৰি চলিবলগীয়া হৈছিল, সেইহেতুকে কিছুমান পুৰুষে নাৰীসকলৰ দুৰ্বলতাৰ সুবিধা বুজি অমানবীয় কাৰ্য কৰিবলৈয়ো কুণ্ঠাবোধ কৰা নাছিল।

'কাশীবাসী' গল্পৰ বিশিষ্ট নাৰী চৰিত্ৰঃ

'কাশীবাসী' গল্পত মানৰ আক্ৰমণৰ  বলি হৈ সৰ্বস্ব হেৰুৱা এগৰাকী দুৰ্ভগীয়া অসমীয়া নাৰীৰ কৰুণ কাহিনী বৰ্ণনা কৰা হৈছে। মানৰ হাতত বন্দী হৈ 'কুম্পানীৰ ফৌজ'ৰ সহায়ত হাত সাৰি আহিল যদিও মানুহজনীৰ দুখৰ জীৱনৰ অন্ত নপৰিল। গল্পৰ কথকজনৰ আগত তেওঁ মনৰ ভাৱ প্ৰকাশ কৰিছে এইদৰে- " কিন্তু বোপাইহত, মোক চাহাবে সৰুৱাই অনাতকৈ মই তাতে মৰি যোৱাহেঁতেন হেজাৰ গুণে ভাল আছিল। কিয় কওঁ শুনা। মই হতভাগিনী উভতি আহি যেতিয়া আমাৰ ৰংপুৰৰ ঘৰ ওলালোহি, মোৰ স্বামী আৰু শহুৰ শাহুৱে মোক সামৰি লওঁক ছাৰি মোক ভ্ৰষ্টা বুলি পদুলিৰ মূৰলৈকে থুকিব নিদিলে। মই দুই হাতে কপালখন খুন্দি ক'ত কাকূতি মিনতি কৰি মোক আমাৰ টোলৰ ভিতৰতে, লাগে যদি আঁতৰতে ঠাই এচমকা দি ৰাখিবলৈ তেওঁলোকক ক'লো, কিন্তু তেওঁলোকৰ শিলেৰে বন্ধোৱা হিয়াত মোৰ কান্দোন কাটোন নোসোমাল। মোৰ কন্দোন দেখি স্বামীৰ চকুৰপানী যে মই ওলোৱা নেদেখিছিলো এনে নহয়, কিন্তু তেওঁ মহাদৈত্য জাতৰ ভয়ত ঘৰেঘৰোৱাহ আৰু আন ওচৰ চুবুৰীয়াৰ বিপক্ষে থিয় হৈ মনুষ্যত্ব প্ৰকাশ কৰিব নোৱাৰিলে।[১৬] শেষত উপায়হীন হৈ তেওঁৰ দৰে দুৰ্ভগীয়া আন এজনীৰ লগত ছমাহ বাটকুৰি বাই কাশীত উপস্থিত হয়। তেতিয়াৰ পৰা অনাথৰ নাথ বিশ্বনাথৰ চৰণত

শৰণ লৈ কাশীবাসী হ'ল।

সামাজিক কুসংস্কাৰ, অন্ধ নীতি-নিয়ম ব্যক্তিসকলৰ মনত এনেদৰে শিপাই আছিল যে তেওঁলোকে ইয়াৰ বিকল্পৰ কথা চিন্তা নকৰি এই নিয়মসমূহৰ গইনা লৈ ব্যক্তি জীৱনত সংঘাতৰ সৃষ্টি কৰিছিল। মানৰ আক্ৰমনত বলি হোৱা নাৰীগৰাকীৰ জীৱনৰ এই বিপৰ্যয় নিজে কৰা কোনো ভুল নাছিল। এয়া ভাগ্যৰ লিখন আছিল। তৎস্বত্বেও এই নাৰী সামাজিক নীতি-নিয়মৰ দৃষ্টিত ক্ষমাৰ অযোগ্য হৈ পৰিল। আনকি নিজৰ স্বামীয়েও এনে অবিচাৰৰ প্ৰতি মূৰ দাঙি উঠিব নোৱাৰি নাৰীগৰাকীৰ জীৱনৰ বিপৰ্যয়ৰ প্ৰত্যক্ষ দ্ৰষ্টা হৈ ৰ'ল। এনেদৰেএগৰাকী অৱলা নাৰীয়ে মানৰ আক্ৰমণৰ বলি হোৱাৰ লগতে তদানীন্তন সমাজ-ব্যৱস্থাৰ কঠোৰ নীতি-নিয়মৰ দ্বাৰা জীৱন নিঃশেষ কৰি লগা হৈছিল।

'আমালৈ নাপাহৰিব' বিশিষ্ট নাৰী চৰিত্ৰঃ

একেদৰে 'আমালৈ নাপাহৰিব' গল্পটোত এগৰাকী দুৰ্ভগীয়া অসমীয়া ছোৱালীৰ মৰ্মস্পৰ্শী কাহিনী বৰ্ণনা কৰা হৈছে। গল্পটোত চৰিত্ৰটোৰ নাম উল্লেখ কৰা হোৱা নাই; ছোৱালীজনী বুলিহে সম্বোধন কৰা হৈছে। ছোৱালীজনী বিধৱা মাকৰ একমাত্ৰ সন্তান। উৰিষ্যাৰ ব্ৰাহ্মণ পণ্ডিত এজনে নিজৰ পৰিচয় গোপন কৰি অসমীয়া বুলি পৰিচয় দি ছোৱালীজনীক বিয়া কৰায়। মাকে ছোৱালীজনীক বিয়া দি জোৱায়েকক ঘৰতে দুমাহ ৰাখিলে। পিছত জোৱায়েকে নিজৰ মাক বাপেকৰ লগত ছোৱালীজনীক দেখা কৰাৰ চলেৰে কলিকতালৈ নি কলিকতাৰ ডিপোত তাইক বেচি থৈ আহিল। হৃদয়হীন মানুহজনে নিজৰ ঘৈণীয়েককো বিক্ৰী কৰিবলৈ কুণ্ঠাবোধ নকৰিলে। সমাজৰ ব্যাধিস্বৰূপ নাৰীব্যৱসায়ৰ জ্বলন্ত চিত্ৰ এখনো ইয়াৰ মাজতে পৰিস্ফুট হৈ উঠিছে।[১৭]

আলোচ্য গল্পৰ নায়কজনে ছোৱালীজনীক লগ পাই শিৱসাগৰৰ ঘৰত থৈ আহে। অসহায় অৱস্থাত পৰি ছোৱালীজনীয়ে মাকক বিচৰা কথাখিনি অতি হৃদয়বিদাৰক। চিলনীৰ জীয়েকৰ সাধুটো মাকৰ পৰা শুনি শিকাৰ দৰে যেনেকৈ চিলনীৰ জীয়েকে দুখত পৰাৰ পিছত 'আগলি কলাপাত লৰে কি চৰে, চিলনী আই মোৰ আগত পৰে' বুলি বিনাই মতাৰ লগে লগে মাকে ক্ষন্তেকতে আহি ওচৰ পায়, থিক তেনেদৰে ছোৱালীজনীও বিপদত পৰাৰ লগে লগে মাকে আহি উদ্ধাৰ কৰাৰ আশাৰে এই গীত ফাঁকি গাইছিল। ইয়াৰপৰা ছোৱালীজনীৰ অন্তৰৰ সৰলতাৰ কথা উমান পাব পাৰি।

কোনো জটিলতাৰ উমান নোপোৱা ছোৱালীজনীয়ে স্বামীয়ে বিক্ৰী কৰাৰ পিছতো একো

তত ধৰিব নোৱাৰি বৰঞ্চ স্বামীৰ কাৰণে দুখহে কৰিছে। “তেওঁ যোৱাৰ দিনৰে পৰা এই ঘৰৰ বাবুজনে আৰু আন আন মানুহে নানা বেয়া কথা কৈ মোক অপমান কৰিছে। আজি শুনিছোঁ বোলে মোক হেনো অলপতে ধেঙৰ কুলি কৰি কোনোবা সাত সাগৰৰ পাৰলৈ পঠিয়াব। মই আৰু তেওঁক দেখা নেপাওঁঙ্গ”[১৮] নায়িকাজনীৰ দৰেই অনেক আঁজলী জীয়ৰী-বোৱাৰী এসময়ত প্ৰলোভন আৰু শঠতাৰ স্বীকাৰ হোৱা কাহিনী আমাৰ সমাজত দেধাৰ আছে।[১৯]

‘নিস্তাৰিণী দেৱী বা ফাতেমা বিবি’ গল্পৰ নিস্তাৰিণী ঃ

‘নিস্তাৰিণী দেৱী বা ফাতেমা বিবি’ গল্পটোত জাত-পাতৰ বিচাৰৰ ফলত নাৰী জীৱনৰ অসহায় অৱস্থা মূৰ্ত হৈ উঠিছে। গল্পটোত হিন্দু আৰু মুছলমানৰ মাজৰ তথাকথিত বিদ্বেষ ফুটাই তোলা হৈছে। ইয়াৰ দ্বাৰা সমাজৰ ধৰ্মৰ গোড়ামি আৰু এই কুসংস্কাৰৰ ফলতেই অতি কমবয়সীয়া ছোৱালী এজনীও দুৰ্ভোগ ভুগিবলগীয়া হৈছিল। অতি কম বয়সীয়া ছোৱালীজনীয়ে ধৰ্মৰ উচ্চ-নীচ ভাবৰ কোনো ভূ নাপালেও সমাজৰ কঠোৰ নীতি-নিয়মৰ পৰা হাত সাৰি যাব পৰা নাছিল।

গল্পটোত বৰ্ণনা কৰা অনুসৰি নিস্তাৰিণী দেৱী এগৰাকী হিন্দু ছোৱালী। তাইৰ ঘৰ বৰ্দ্ধমান জিলাৰ বামুণ গাৱত। নিস্তাৰিণীৰ পিতৃ সেই গাঁৱৰে বৰমূৰীয়া আছিল। নিস্তাৰিণী দেৱীৰ সাত বছৰ বয়সত এদিন ওচৰ-চুবুৰীয়া সমনীয়াৰ লগত পিতৃ-মাতৃৰ অজ্ঞাতে ইছলাম ধৰ্মালম্বী লোকৰ ঘৰত ঈদ খাবলৈ গৈছিল। বয়স কম আছিল হেতুকে তেতিয়া ভাল-বেয়া, আগু-গুৰি ভাবিব পৰা নাছিল। গতিকে একো নাভাবাকৈ মুছলমান লোকৰ ঘৰত ‘চিমাইৰ পায়স’ খালে। এই কথাটো গাঁৱত প্ৰচাৰ হোৱাৰ লগে লগে গঞা ৰাইজৰ কাৰণে এটা ডাঙৰ ঘটনাত পৰিণত হ’ল। গতিকে তেওঁলোকে শাস্তি পাবৰ যোগ্য বুলি ৰাইজে তেওঁলোকৰ ঘৰখন এঘৰীয়া কৰি থব বুলি ভয় দেখুৱালে। তেতিয়া নিস্তাৰিণীৰ পিতৃয়ে লাজ-অপমানত য’তে মৰে ত’তে মৰকগৈ বুলি নিজৰ ফুল কুমলীয়া ছোৱালীজনীক ঘৰৰ পৰা বাহিৰ কৰি দিলে। তেতিয়া অসহায় হৈ তাই কান্দি-কাটি হতবুদ্ধি হ’ল।

নিৰাশ্ৰয়ী ছোৱালীজনীক চিনাকী মানুহবোৰেও আশ্ৰয় দিবলৈ নিবিচাৰিলে। শেষত উপায়হীন হৈ নৰু মিঞা নামৰ এজন ইছলাম ধৰ্মৰ মানুহৰ ঘৰত আশ্ৰয় পাই তাতে থাকিবলৈ ল’লে। তাতে নিস্তাৰিণী দেৱী নামটো সলনি কৰি ফাতেমা বিবি কৰি দিয়া হয়। নৰু মিঞা আৰু মিঞানীয়ে এই দুৰ্ভগীয়া ছোৱালীজনীক নিজৰ ছোৱালীৰ দৰে ৰাখি পোন্ধৰ বছৰ বয়সত

মুছলমান ল'ৰা এজনৰ সৈতে বিয়া পাতি দিয়ে। ইয়াৰ পিছতো তাইৰ দুখৰ জীৱনৰ অন্ত পৰা নাছিল। অকালতে তাইৰ স্বামী আৰু ল'ৰা- ছোৱালী দুটা মৃত্যুমুখত পৰে। স্বামীৰ মৃত্যুৰ পিছত খোৱা-লোৱা, পিন্ধন-উৰণত অশেষ কষ্ট পাবলগীয়া হয়। গল্পৰ কথকৰ আগত নিস্তাৰিণীয়ে নিজৰ জীৱনৰ দুৰ্ভাগ্যৰ কথা ক'বলৈ গৈ মনৰ দুখ প্ৰকাশ কৰিছে এইদৰে- "মই চাৰিমহীয়া গা-ভাৰী মানুহ। মোৰ খাবলৈ ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই, কোনো সহায় নাই, উপাই নাই। এই পৃথিৱীত দুখ ভুঞ্জিবলৈ মোক আল্লাই জীয়াই থৈছে। মোৰ শৰীৰৰ এনে অৱস্থাত মই কুলিৰ কাম কৰি পেটৰ ভাত- কাপোৰ মোকোলাবলগীয়াত পৰিছোঁ। আজি যেতিয়া এপাচি ইটাৰ সৈতে হজুৰৰ ঘৰৰ চালৰ লপৰত পৰিছিলোঁ, তেতিয়া ভাবিছিলোঁ যে খোদাই দুখুনীৰ ওপৰত কৃপা কৰিলে, মোক মাৰি নিব, কিন্তু লেলেতীয়া জীৱৰ ইমান সোনকালে দুখৰ ওৰ কিয় পৰিব, সেই দেখি নমৰিলো।"[২০]

তাৰপিছত নিস্তাৰিণী দেৱীৰ পিতৃৰ মৃত্যুৰ পিছত ঘৰখন আৰ্থিকভাৱে জুৰুলাগ্ৰস্ত হৈ পৰিল। নিজৰ জন্মদাত্ৰী মাতৃৰ দুখ সহ্য কৰিব নোৱাৰি নিজৰ অৱস্থা শোচনীয় হোৱা সত্বেও নিস্তাৰিণীয়ে দুই- এপইচাৰে মাকক সহায় কৰিব বিচাৰিছিল। কিন্তু জাত যোৱাৰ ভয়ত সেয়াও লুকাই পঠিয়াব লগা হৈছিল। গল্পটোত জাত-পাতৰ ভেদ-ভাৱক তীব্ৰভাৱে কটাক্ষপাত কৰিছে এইদৰে- "............. আমাৰ দেশখন জাতেই খালে। জাত-জাতকৈ ইটোৱে- সিটোক ঘিনাই, হিন্দু- মুছলমান বুলি এটা ধৰ্মৰ মানুহে আনটোক ছেই-ছেই কৰি মিছাতে আমাৰ দেশখন 'জহান্নামে' নিলে। আল্লাৰ আগত সকলো জাতৰ সকলো ধৰ্মৰ মানুহ সমান হুজুৰ। ইপুৰীত মোৰ আই বোপাইক নেপালো, সিপুৰীত নিশ্চয় মোক খোদাই তেওঁলোকক দিব।"[২১]

জাত-পাতৰ সংকীৰ্ণ বিচাৰক মানুহৰ জীৱনৰ মূল্যতকৈ উৰ্ধত স্থান দিয়া সমাজৰ লোকসকলৰ বিচাৰ-বিবেচনাক তীব্ৰ নিন্দা কৰিছে গল্পটোত। থেক মনোবৃত্তিসম্পন্ন এচাম লোকৰ চিন্তাধাৰাই কেনেদৰে ব্যক্তিৰ জীৱন বিপৰ্যয় কৰি তোলে তাৰ চিত্ৰ গল্পটোত স্পষ্টভাৱে প্ৰতিফলিত হৈছে।

'জলকুঁৱৰী' গল্পৰ বিশিষ্ট নাৰী চৰিত্ৰঃ

'জলকুঁৱৰী' গল্পটোত প্ৰকৃতিৰ সৈতে ছোৱালী এজনীৰ অন্তৰঙ্গ সম্পৰ্কৰ কথা বৰ্ণনা কৰা হৈছে। 'জলকুঁৱৰী' গল্পটো বেজবৰুৱাৰ 'সাধুকথাৰ কুকি' গ্ৰন্থৰ অন্তৰ্গত এটা উল্লেখযোগ্য গ্ৰন্থ। গল্পটোত প্ৰকৃতি প্ৰেমৰ ছবি স্পষ্ট। গল্পটোৰ আৰম্ভণিতে ৰূপহী নৈ খনৰ সুন্দৰ বৰ্ণনা দাঙি

ধৰিছে। এই নৈ খনৰ লগত এগৰাকী যোল বছৰীয়া ছোৱালীৰ অন্তৰঙ্গ সম্পৰ্কৰ কথা বৰ্ণনা কৰা হৈছে। ছোৱালীজনীয়ে ৰূপহী নৈৰ পাৰৰ জৰী গছ এডালৰ তলত বহি সদায়ে নৈ খনৰ সৌন্দৰ্য উপভোগ কৰি থাকে। গল্পটোত উল্লেখ কৰা অনুসৰি-"ছোৱালীজনীৰ দৈনিক বন হৈছে খাগৰি একোচা গোটাই আনি এডাল এডালকৈ ছাকনৈয়াত পেলাই দিয়া; আৰু কেনেকৈ সি পোনতে লাহে লাহে, তাৰ পিছত বেগেৰে টাকুৰি ঘূৰাদি ঘূৰি থিয় হৈ ভৰ ভৰ কৰে তললৈ সোমায় যায়, সেই ৰং চোৱা। আৰু এটা কাম, ৰূপহীৰ সৈতে কথা পতা; আৰু মাজে মাজে আগগুৰি বিবৰ্জিত নাম সাজি আনি ৰূপহীক গাই শুনোৱা।"[২২]

সময়ত ছোৱালীজনীৰ বিয়াৰ ঠিক হ'ল। কিন্তু বিয়াৰ প্ৰতি তাইৰ অকণো মন-কাণ নাই। নিতৌ ৰূপহীৰ পাৰত বহি নৈৰ আনন্দ উপভোগ কৰি থাকে। বিয়ালৈ সাতদিন থকাৰ পিছতো ৰূপহীৰ পাৰলৈ নোযোৱাকৈ নাথাকিল। যেতিয়া দৰাই কইনাৰ উদাসীন স্বভাৱ প্ৰতি অসন্তুষ্ট হ'ল তেতিয়াহে ছোৱালীজনীৰ  গাত লাগিল। চিন্তাত ৰাতি টোপনি নহাত মনটো শাত পেলাবলৈ আকৌ ৰূপহীৰ পাৰলৈ ঢাপলি মেলিছে। গল্পটোত বৰ্ণনা কৰা অনুসৰি -"বাহিৰত ফৰিংফুটা জোনাক। শোৱা-পাটী এৰি মনে মনে তাই ৰূপহীৰ পাৰ ওলালগৈ। পাৰ পায়েই তাইৰ সকলো চিন্তা ভাৱনা ৰূপহীৰ সোঁতত মুহূৰ্ততে কৰবালৈ উটি গ'ল। আকৌ তাই খাগৰি গোটাই আনি ছাকনৈয়াত এডাল এডালকৈ পেলাবলৈ লাগিল।"[২৩] অৱশেষত ৰূপহীৰ পাৰতে তেওঁলোক দুজনৰ মিলন হ'ল।

গল্পটোত ছোৱালীজনী প্ৰকৃতিপ্ৰেমত মুগ্ধ হৈ মুক্তমনে ঘৰৰপৰা ওলাই গৈ প্ৰকৃতিৰ সৌন্দৰ্য উপভোগ কৰিছিল যদিও সংসাৰৰ নিত্য নৈমিত্তিক কাৰ্য অনুসৰি উপযুক্ত বয়স হোৱাৰ লগে লগে বিবাহ-পাশত আবদ্ধ হ'বলগীয়া হ'ল।  যদিও ছোৱালীজনীৰ মন নাছিল তথাপিও সেই নিয়মক অগ্ৰাহ্য কৰিব  নোৱাৰিলে। বিয়া হোৱাৰ লগে লগে সাংসাৰিক বান্ধোনৰ মাজত সোমাই বাহিৰৰ জগতখনৰ কথা ভাবিবই নোৱাৰে। গল্পটোত নাৰীসকলে কেনেদৰে মুক্ত জীৱন প্ৰতিহত কৰি বান্ধোনৰ মাজত সোমাই পৰিব লাগে তাৰেই ইংগিত আছে।

'কন্যা' গল্পৰ বিশিষ্ট নাৰী চৰিত্ৰঃ

'কন্যা' গল্পটো বেজবৰুৱাৰ 'সাধুকথাৰ কুকি' গ্ৰন্থৰ অন্তৰ্গত এটা উল্লেখযোগ্য গল্প। গল্পটোত প্ৰকৃতিৰ অতি সুন্দৰ বৰ্ণনা দাঙি ধৰিছে। 'কন্যা' গল্পটোত এহাল কোল ডেকা গাভৰুৰ প্ৰণয়ৰ ছবি দেখিবলৈ পোৱা যায়। যদিও কাহিনীটোত প্ৰণয়ৰ কথা আছে এই প্ৰণয়ৰ কাহিনী

অলপ ব্যতিক্রমধৰ্মী। গল্পটোত বৰ্ণনা কৰা অনুসৰি এগৰাকী কোল ডেকাই নিতৌ আবেলিৰ পৰা গধূলিলৈকে কন্যা নৈৰ পাৰত আহি বহি থাকে। বৰশী বায় যদিও ল'ৰাজনৰ আচল উদ্দেশ্য যেন বৰশী বোৱা নহয়। বৰশী বোৱাৰ চলেৰে নৈৰ সিপাৰত চকু থৈ কোনোবা সপোনপুৰীত ডুব যায়। ল'ৰাজনে বৰশী বোৱা ঠাইডোখৰৰ সমুখতে আছে পানী নিয়া ঘাট। কোল ছোৱালী এজনীয়ে সেই ঘাটলৈ পানী নিবলৈ আহি কলহটো ধোৱাৰ অজুহাত দেখুৱাই বহুত পৰলৈকে সময় কটায়। গল্পটোত উল্লেখ কৰা অনুসৰি- "এজনী গাভৰু কৃষ্ণবৰ্ণ কোল ছোৱালী নিতৌ অকলৈ সেই সময়তে কাষত কলহ লৈ পানী নিবলৈ আহে। এই ক'লা চুম্বক ডোখৰেই আমাৰ ক'লা লো কোল ডেকাৰ চকু দুটা সিপাৰলৈ টানি নি ধৰি ৰাখে। কোল সুন্দৰী পানী নিবলৈ আহে আবেলিতে, কিন্তু সন্ধ্যা লাগি ভাগি যায়, তথাপি তাইৰ কলহ ধোৱাই নহয়। তাইৰ মাটিকলহটোৰে সৈতে নো মলিৰ কিয় ইমানটো ডাঠ প্ৰণয় ক'ব নোৱাৰোঁ। তাই ঘহি পিহি কোনোমতে দেখোন কোনো মতেই কলহৰপৰা মলিৰ কামোৰ এৰুৱাব নোৱাৰে।" [২৪]

ইজনে সিজনক ভাল পায় কিন্তু মনৰ কথা প্ৰকাশ কৰিবলৈ দুয়োজনে অপাৰগ। দুয়োজনে চকুৰে চকুৰে চাই গভীৰ প্ৰেমানুভূতি বিনিময় কৰি প্ৰণয়ৰ দুৰ্বাৰ জ্বালা উপশম কৰিছিল।[২৫] দুয়োজন সহজ-সৰল মানবীয় লোকৰ প্ৰতিমূৰ্তি। নৈ জান জুৰিৰ নীৰৱতাৰ দৰেই দুয়ো নীৰৱতাতেই আত্মতুষ্টি লভে। যদিও ল'ৰা আৰু ছোৱালীজনীৰ মাজত কথাৰ আদান-প্ৰদান হোৱা নাছিল তথাপিও অন্তৰৰ নিভৃত কোণত প্ৰেমানুভূতিৰ স্ফুৰণ ঘটিছিল। চৰিত্ৰ দুয়োটাকে মুক যেন লাগিলেও দেহজ ভঙ্গিমাতেই দুয়োজনৰ অন্তৰ উপলব্ধিৰ বাহ্যিক প্ৰকাশ ঘটিছে। দুচকুৰ মিলনতেই প্ৰেমানুভূতিৰ অভিব্যক্তি ঘটিছিল।

এদিন কোল ডেকাজনৰ দুৰ্ভাগ্যবশতঃ মৃত্যু হোৱাত তাৰে কেইদিনমান পিছত সেই নদীৰ ঘুলিটোত ছোৱালীজনীৰ মৃতদেহটো উদ্ধাৰ কৰা হয়। ল'ৰাজনৰ মৃত্যুৰ শোকতে যে ছোৱালীজনীয়ে আত্মহত্যা কৰিছে কথাটো সহজে অনুমান কৰিব পৰা হৈছে। কোল ছোৱালীজনী সহজ-সৰল নাৰীৰ প্ৰতিভূ। সৰল অন্তৰৰ ছোৱালীজনীয়ে দুখৰ বোজা সহ্য কৰিব নোৱাৰি আত্মহত্যাৰ পথ বাচি লৈছে।

'ৰছিত' গল্পৰ বৃন্দাঃ

বৃন্দা লিখা পঢ়াত ধাউতি থকা ছোৱালী লগতে বিদূষী আৰু গুণৱতী। সেয়েহে বৃন্দাৰ মাতৃৰ বৃন্দাক ভাল ঘৰৰ পাত্ৰৰ ওচৰত দান কৰিবলৈ হেঁপাহ এটা আছিল। সেইমতেই কাম

হ'ল। হাকিম মিষ্টাৰ জে আৰ বৰুৱাৰ লগত বৃন্দাৰ বিবাহ মহাসমাৰোহেৰে হৈ গ'ল। কিন্তু হাকিম মিষ্টাৰ জে আৰ বৰুৱা উচ্চ পদবীধাৰী হ'লেও মনুষ্যত্বজ্ঞানহীন। বিলাতত পঢ়িবলৈ গৈ বিলাতৰ আদব-কায়দা গ্ৰহণ কৰি নিজৰ সংস্কৃতিক সম্পূৰ্ণৰূপে পিঠি দিছে। আনকি বৃন্দাকো দুৰ্ব্যৱহাৰ কৰিবলৈ ধৰিলে। দুশ্চৰিত্ৰ স্বামীৰ ব্যৱহাৰত বৃন্দাই সুখৰ মুখ নেদেখা হ'ল। বৃন্দাই অতিষ্ঠ হৈ পিতৃলৈ এখন চিঠি লিখিলে। চিঠিখনত থকা কথাখিনিৰ পৰা স্বামীৰ কু-কাৰ্যৰ উমান পাব পাৰি। চিঠিৰ একাংশ তুলি দিয়া হ'ল-“দিনৌ ৰাতি তেওঁ মতলীয়া হৈ আহি মোক গালি শপনি মাৰধৰ যি কৰিছিল, সেইবোৰে মই পৰিমিত সহি আছিলোঁ। কিন্তু কালি কৰবাৰপৰা এজনী ধেমনী লৈ আহি তাইৰ আগতে মোক কুকুৰে কাঁইট নোখোৱাকৈ ককৰ্থনা কৰি, শেহত মোৰ কোলাৰপৰা এই কেচুৱা পোনাকণক বলেৰে কাঢ়ি নি তাইৰ কোলাত দি মোক ঘৰৰ পৰা ওলাই যাবলৈ ক'লে। ময়ো ভাবিলোঁ ওলাই যাম। আৰু যথেষ্ট হৈছে। এতেকে তুমি আজিয়েই মোক লৈ যাবলৈ কাৰোবাক পঠিয়াই দিবা। তুমি নিজে নাহিবা।”[২৬]

তদানীন্তন সমাজখনত নাৰীৰ ভাগ্য পুৰুষৰ ওপৰতে নিৰ্ভৰ কৰিছিল। স্বামীৰ পৰা বঞ্চিত হোৱাৰ পিছত পাতমুগী বা ললিতীৰ দৰে প্ৰতিবাদী চেতনা লৈ আগবাঢ়ি যাব পৰা নাছিল। নিজৰ জীৱনৰ দুৰ্দশাৰ পিছত সহায়ৰ বাবে পিতৃৰ ওচৰ চাপিছে।

'ললিতী কাকতি' গল্পৰ ললিতীঃ

'ললিতী কাকতি' গল্পটো বাঁহী কাকতত ৬ ষ্ঠ বছৰ, ৭ ম সংখ্যাত ৰচিত এটা উল্লেখযোগ্য গল্প। গল্পটোত শ্ৰীসুন্দৰ কাকতিৰ একমাত্ৰ ছোৱালী ললিতী। ললিতীৰ পোন্ধৰ বছৰ বয়স হোৱাত ললিতীক বিয়া দিবলৈ মাক দেউতাকৰ চিন্তাত তত নাইকিয়া হ'ল। বাপেকৰ এটা ডাঙৰ চিন্তা আছিল, ছোৱালীজনীক যাতে সু-চৰিত্ৰবান ল'ৰা এজনৰ ওচৰত গোটাব পাৰে। ললিতী নগৰৰ স্কুলত পঢ়ি ডাঙৰ দীঘল হোৱা। গতিকে গাঁৱৰ পৰিবেশত কাম-বন কৰি কষ্ট পাব বুলি দেউতাকে ললিতীক বি,এ পাছ ছবডেপুটী হাকিম শ্ৰীকান্ত হাজৰিকালৈ বিয়া দিলে। কিন্তু ললিতীৰ পিতৃ-মাতৃৰ সোণোৱালী সপোনৰ অতি কম দিনৰ ভিতৰতে ওৰ পৰিল। বিয়াৰ এমাহমান পিছৰপৰাই ললিতীয়ে সুখৰ মুখ নেদেখা হ'ল। 'অজাতত তুলসী আৰু অপাত্ৰত ৰূপহী' ৰ দৰে স্বামীয়ে ললিতীৰ মোল নুবুজিলে। যাৰ নিজৰ গুণ নাই; সি আনৰ গুণোৰো মোল নুবুজে। ললিতীক শাৰীৰিক আৰু মানসিকভাবে অশেষ নিৰ্যাতন চলালে। অৱশেষত ললিতী ঘৰলৈ গুচি আহিল। ইয়াৰ পিছত স্বামীয়ে দ্বিতীয় বিবাহ পাতিলে। এই বিবাহত অতি

নিদাৰুণভাৱে ললিতীক নিমন্ত্ৰণ জনালে।

ললিতীয়ে স্বামীৰ অমানবীয় কাৰ্যৰ প্ৰতি অতিষ্ঠ হৈ স্বামীলৈ অতি ক্ষোভেৰে এখন চিঠি লিখি পঠিয়ালে। এই চিঠিৰ এটা কপি বাঁহীৰ সম্পাদকৰ ওচৰলৈও প্ৰেৰণ কৰিলে। স্বামীয়ে ললিতীৰ ওপৰত কৰা দমন আৰু উৎপীড়ণত অতীষ্ঠ হৈ চিঠিখনত মনৰ সমস্ত ক্ষোভ উজাৰিছে। লগতে সমাজত নাৰী আৰু পুৰুষৰ মৰ্যাদা সম্পৰ্কত যি প্ৰভেদ দেখা যায় সেই অনিয়ম সমূহ ললিতীয়ে যুক্তিৰে খণ্ডন কৰিব বিচাৰিছে। পুৰুষসকলে যিদৰে সমাজত স্বাধীনভাৱে নিজৰ আশা-আকাংক্ষাক প্ৰাধান্য দিব পাৰে ;থিক তেনেদৰে ললিতীয়েও সেই স্বাধীনতা মনে-প্ৰাণে বিচাৰিছে। ললিতীৰ স্বামী যদিও উচ্চ শিক্ষিত, তথাপি তেওঁ আছিল অবিবেচক আৰু অসৎ প্ৰকৃতিৰ লোক। সেয়ে উচ্চশিক্ষিত স্বামীৰ কুকৰ্মক ললিতীয়ে কঠোৰভাৱে সমালোচনা কৰিছে। উচ্চ শিক্ষা ল'লেই মানুহ শিক্ষিত নহয়; ইয়াৰ বাবে যে সৎ চৰিত্ৰবান হোৱাটোও বাঞ্ছনীয় এই কথা ললিতীয়ে স্বামীক উদ্দেশ্য কৰি তেওঁৰ উচ্চ শিক্ষাক তীব্ৰভাৱে নিন্দা কৰিছে। পুৰুষশাসিত সমাজ-ব্যৱস্থাত পুৰুষে নাৰীক সদায় নিকা চৰিত্ৰ হোৱাটো বিচাৰে। কিন্তু নাৰীৰ লগতে পুৰুষসকলেও যে নিজক সৎ চৰিত্ৰৰ গৰাকী হিচাপে প্ৰতিষ্ঠিত কৰিব লাগে, এই কথা ললিতীৰ বক্তব্যত স্পষ্ট হৈ উঠিছে। "তেওঁলোকে তিৰোতাৰ পৰা যেনে নিৰ্মল-শুদ্ধ চৰিত্ৰ বিচাৰে, তিৰোতাইও তেওঁলোকৰপৰা তেনে বিচাৰিব নোৱাৰে কিয়? কৰ্তব্য এফলীয়া-একপক্ষীয়া কেনেকৈ কেতিয়াৰপৰা হ'ল?"[২৭] এই উক্তিত ললিতীৰ নাৰীবাদৰ সুৰ ব্যঞ্জিত হৈ উঠিছে। সমাজত মতা মানুহ আৰু মাইকী মানুহ বুলি কোনো ভেদাভেদ থাকিব নালাগে; সমাজত সকলো কেৱল মানুহ। পুৰুষসত্বা আৰু নাৰীসত্বা বুলি কোনো ভিন্ন সত্বা নাই। দুয়োটিয়েইএকে মানৱ সত্বা। মানুহৰ প্ৰকৃতি আৰু মূল্য লিঙ্গৰ ভিত্তিত বিচাৰ কৰা অনুচিত। এয়েই হ'ল নাৰীবাদৰ সাৰ কথা।[২৮]

নাৰীৰ ওপৰত কৰা সামাজিক বিধিসমূহৰ প্ৰতি ললিতীয়ে ক্ষোভিত হৈউঠিছে। ছোৱালী হ'লেই যে বিয়া হ'ব লাগিব, নহ'লে জীৱন ব্যৰ্থ হৈ যাব এই কথা ললিতীয়ে কেতিয়াও নামানে। সঙ্গী হোৱাৰ উপযুক্ত লোক নাপালে ছোৱালীক মাক দেউতাকে বিয়া দিয়াটো, ভূক্তভোগী ললিতীয়ে অযুগুত বুলি ভাবে। সেয়ে ললিতীয়ে মনুৰ ভাষ্যকো ভিত্তিহীন আখ্যা দিছে। "পুৰুষক স্বায়ত্ব শাসন লাগে, স্বৰাজ লাগে, কাৰণ নিজৰ ভাল-বেয়াৰ আইন-কানুন তেওঁলোকে নিজে কৰি নিজৰ সুখ বঢ়াব, দুখ কমাব, কিয়নো, লোকে আইন কৰিলে তেনে নহয়। আমি তিৰোতাৰো সেয়ে যুক্তি। আমাকো স্বৰাজ-স্বায়ত্ব শাসন লাগে, আমিও আমাৰ

আইন নিজে কৰি ল'ম, পুৰুষৰ হাতত আমালৈ আইন কৰাৰ ভাৰ নাৰাখো; কাৰণ তেওঁলোকে পক্ষপতীয়া আৰু সেই কাৰ্যৰ অযোগ্য প্ৰমাণিত হ'ল। তেওঁলোকৰ মনু, পৰাশৰ জ্ঞানী হ'লেও পুৰুষ, সেইদেখি তেওঁলোকে আমাৰ সম্পূৰ্ণ "দৰদ" নুবুজে।"[২৯]

সময়ৰ পৰিবতৰ্নৰ লগে লগে সমাজ-জীৱনত ব্যাঘাত সৃষ্টি কৰা ধ্যান-ধাৰণাসমূহৰো যে পৰিশোধনৰ সময় সমাগত হৈছে, তাকে ললিতী চৰিত্ৰটোৰ যোগেদি গল্পকাৰে ক'ব বিচাৰিছে। স্বামীক সেৱা শুশ্ৰূষা কৰিবলৈ হ'লে স্বামীজন যে যোগ্য ব্যক্তি হ'ব লাগে এই কথাও ললিতীৰ বক্তব্যত স্পষ্ট হৈ পৰিছে। স্বামী যদিও কুচৰিত্ৰবান, মদপী, দুৰ্বৃত্তও হয় তথাপি নাৰীয়ে সেইবিলাকলৈ চকু নিদি 'পতি পৰম গুৰু' হিচাপে তেওঁৰ সেৱাৰ কোনো ত্ৰুটি কৰিব নালাগে। কিন্তু নাৰীসকলক অলপ দোষতে পৰিত্যাগ কৰে। সমাজেও তেওঁলোকক দুশ্চৰিত্ৰা আখ্যা দিয়ে। নাৰীৰ ভুলৰ শুধৰণি কম; কিন্তু পুৰুষে যিমান ভুল কৰিলেও এজনীক পৰিত্যাগ কৰি আন এজনী আকৌ বিয়া পাতি লয়। ললিতীয়ে সমাজত নাৰীৰ ওপৰত চলা এনে অন্যায় অবিচাৰৰ প্ৰতি প্ৰতিবাদী হৈ উঠিছে। " আমি তিৰোতাবোৰ আপোনাসকল পুৰুষৰে নিছিনা মানুহে, আপোনালোকৰ ধেমালিৰ পুতুলা বা মাটিকলহ, বা ভৰিৰ খৰম বা গোহালিৰ গৰু ছাগলী নহওঁ। আপুনি যেনেকৈ মোক পৰিত্যাগ কৰিলে, মোৰো আপোনাক অযোগ্য বিবেচনা কৰি পৰিত্যাগ কৰিবৰ অধিকাৰ সম্পূৰ্ণ আছে। আৰু পৰকালতো দূৰৰ কথা, ইহকালতে সেইদিনাই যিদিনাই মোক আপুনি আপোনাৰ ঘৰৰ পৰা অপমান কৰি খেদি পঠিয়ালে- আপোনাৰ সৈতে মোৰ সকলো সম্বন্ধ গ'ল।"[৩০]

ললিতীৰ বক্তব্যত প্ৰকাশ পোৱা প্ৰতিবাদে সমগ্ৰ নাৰী জাতিক প্ৰতিনিধিত্ব কৰিছে। ললিতীয়ে নাৰীসকলক গতানুগতিকতাৰ পৰা আঁতৰাই এখন সম্পূৰ্ণ মুক্ত আকাশৰ তলত বিচৰণ কৰিব বিচাৰিছে। য'ত নাৰীয়ে পুৰুষৰ অন্যায় অবিচাৰৰ বলি নহৈ, নাৰীৰ মৰ্যাদা সম্পূৰ্ণভাবে অটুট ৰাখিব পাৰে। মানুহ হিচাপে পুৰুষৰ যিমান মূল্য নাৰীয়ো যে তাতকৈ কোনো গুণে কম নহয়; সেই কথাটোকে চিঠিখনৰ মাজেদি প্ৰতীয়মান কৰিব বিচাৰিছে। নাৰীৰ নিজস্ব অধিকাৰ আৰু ব্যক্তিত্ব সম্পৰ্কে বেজবৰুৱা তাহানিতে সচেতন আছিল। তেওঁৰ সেই সচেতনতাক ('ললিতী কাকতি' আদি) অসমীয়া নাৰীবাদৰ সূত্ৰপাত বুলিও ক'ব পাৰি।[৩১]

গতানুগতিক ৰীতিত চলি অহা তিৰোতাই স্বামী সেৱা কৰা, সন্তান জন্ম দিয়া, পৰিয়ালৰ নিত্য-নৈমিত্তিক কাৰ্যৰ মাজত আৱদ্ধ থকা, আদিয়েই তিৰোতাৰ ধৰ্ম বুলি ললিতীয়ে নাভাবে। জীৱনত সফল হ'বলৈ আৰু অনেক কৰ্মৰ স্পৃহাৰে ললিতীয়ে জীৱনৰ বাটত আগুৱাই যাব বিচাৰে। স্বামীয়ে

কৰা প্ৰতাৰণাই ললিতীক অতি কঠোৰ কৰি তুলিলে। অশেষ কষ্ট-যন্ত্ৰণা সহ্য কৰি হ'লেও ললিতীয়ে জীৱনটোক অতি দৃঢ় বিশ্বাসেৰে আগুৱাই নিবলৈ সংকল্প লৈছে। ললিতীয়ে উচ্চস্বৰে মনৰ দৃঢ়তাক ব্যক্ত কৰিছে এইদৰে - " আপুনি সমাজিকতো নাভাবিব যে মোক পৰিত্যাগ কৰিলে বুলি মই জীৱন্ততে মৰিলোঁ। আপোনাৰ নিচিনা পাপ শিকলিৰ বান্ধোনৰ পৰা মুকলি হৈ মই জীলো জানিবা। এই পৃথিৱীত অলেখ দুখিত প্ৰাণী আছে, সিহঁতক সেৱা শুশ্ৰূষা কৰিবলৈ মোৰ এই ক্ষুদ্ৰ নগণ্য জীৱন উচৰ্গা কৰি মই ধন্য মানিছো।"[৩২]

সময়ৰ আহ্বানত ললিতীৰ চিন্তাধাৰা অতি উচ্চস্তৰলৈ গতি কৰিছে। তথাকথিত সমাজ-ব্যৱস্থাৰ ৰক্ষণশীলতাৰ পৰা আঁতৰি আহি ললিতীৰ মন গতিশীলতাৰ পিনে ঢাল খাইছে। নাৰী জাতিক পুৰুযে কৰা অন্যায় অবিচাৰ আৰু হেয় প্ৰতিপন্ন কৰা সামাজিক ব্যৱস্থাৰ অসাৰতা প্ৰতিপন্ন কৰাৰ উদ্দেশ্য গল্পটোত নিহিত হৈ আছে। বেজবৰুৱাৰ আধুনিক মনে ললিতীক প্ৰগতিশীল নাৰীৰ ৰূপত উপস্থাপন কৰিছে।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পৰ বিশিষ্ট নাৰী চৰিত্ৰঃ

'শাস্তি' গল্পৰ চন্দৰাঃ

ৰবীন্দ্ৰনাথৰ 'শাস্তি' গল্পটোত পুৰুষশাসিত সমাজ-ব্যৱস্থাত নাৰীৰ অৱহেলিত ৰূপৰ ছবি প্ৰতিফলিত হৈছে। গল্পটোত দুখিৰাম আৰু ছিদাম দুই ভাই-ককাই। পেটৰ ভাত মোকোলাবলৈ দুয়ো কঠোৰ পৰিশ্ৰম কৰে। জমিদাৰৰ শাসন ব্যৱস্থাত তেওঁলোক অতিষ্ঠ। সেয়ে জমিদাৰৰ কাছাৰী ঘৰৰ পৰা কাম কৰি অতি কষ্টেৰে সন্ধিয়া ঘৰলৈ ঘূৰি আহি ক্ষুধিত দুখিৰামে অকণো পলম নকৰাকৈ ঘৈণীয়েকক ভাত খুজিলে। ভাত খোজাৰ লগে লগে ঘৈণীয়েকে খঙত তত নাইকিয়া হৈ দুখিৰামক গালি বৰ্ষণ কৰিব ধৰিলে- "ভাত কোথায় যে ভাত দিব। তুই কি চাল দিয়া গিয়াছিলি। আমি কি নিজে ৰোজগাৰ কৰি আনিব।"[৩৩] দৰিদ্ৰতাই যেন তেওঁলোকৰ বোধ শক্তি নোহোৱা কৰি পেলাইছে। দিনটোৰ কষ্ট, লাঞ্ছনা আৰু পেটৰ ক্ষুধাত গৃহিনীৰ ৰুক্ষ বচন সহ্য কৰিব নোৱাৰি দুখিৰামে ক্ষুব্ধ বাঘৰ দৰে গৰ্জি উঠিল। ক্ৰোধ প্ৰশমণ কৰিব নোৱাৰি নিমিষতে ঘৈণীয়েকৰ মূৰত দাৰে ঘাপ মাৰি দিলে। ঘটনাটোৰ লগে লগে দুখিৰামে কি হ'ল বুলি হতবুদ্ধি হৈ পৰিল।

সেই সময়তে ৰামলোচন চক্ৰৱৰ্তী খাজনা নিয়াৰ উদ্দেশ্যে তেওঁলোকৰ ঘৰত প্ৰৱেশ কৰিছিল। চক্ৰৱৰ্তীক দেখি ছিদাম কিংকৰ্তব্যবিমূঢ় হৈ পৰিল। লগে লগে দুখিৰামক কেনেকৈ

বিপদৰ পৰা উদ্ধাৰ কৰিব পাৰি তাৰ উপায় চিন্তা কৰিব ধৰিলে। উপায়বিহীন হৈ সেই অপৰাধ নিজৰ ঘৈণীয়েক চন্দৰাৰ ওপৰত জাপি দিলে। আইনৰ হাতৰ পৰা এতিয়া চন্দৰাক কেনেকৈ উদ্ধাৰ কৰিব এই পথ ৰামলোচন চক্ৰৱৰ্তীক সোধাত, চক্ৰৱৰ্তীয়ে উপায় দিলে যে দুখিৰামক দোষী সজালে চন্দৰা ৰক্ষা পৰিব । এই কথা শুনি ছিদামে চিৎকাৰ কৰি উঠিল- "ঠাকুর বউ গেলে বউ পাইব, কিন্তু আমার ভাই ফাঁসি গেলে আর তো ভাই পাইব না।"[৩৪] ছিদামৰ এই উক্তিত নাৰী জাতিৰ প্ৰতি কৰা চৰম অৱহেলাৰ ছবি স্পষ্ট। এফালে দুই ভাইৰ স্নেহৰ মায়াময় বন্ধন আনফালে ঘৈণীয়েকৰ প্ৰতি কৰা তীব্ৰ অমানুষিক প্ৰবঞ্চনা।

ছিদামে চন্দৰাক সমস্ত দোষ গা পাতি ল'বলৈ অনুৰোধ কৰিলে। চন্দৰাক আশ্বাস দি ক'লে-" যাহা বলিতেছি তাই কর, তোর কোনো ভয় নাই, আমরা তোকে বাচাইয়া দিব।"[৩৫] চন্দৰা বজ্ৰাহত হৈ পৰিল। স্বামীৰ প্ৰতি চন্দৰাৰ অভিমান তীব্ৰতৰ হৈ উঠিল। জেদ, অভিমান আৰু প্ৰতিশোধৰ স্পৃহাই চন্দৰাক কঠোৰ কৰি তুলিলে। স্বামী-স্ত্ৰীৰ সম্পৰ্কৰ মাজত এক বিৰাট ব্যৱধানৰ সূত্ৰপাত হ'ল। স্বামীয়ে চন্দৰাৰ প্ৰতি কৰা এই নিৰ্মম অপবাদ সচাঁকৈয়ে সহ্যাতীত। চন্দৰা বুলিয়েই নহয়; ই কোনো নাৰীৰ কাৰণে সহনীয় নহয়।

পুলিচে যেতিয়া ঘটনাটোৰ তদন্ত কৰিব আহিল, তেতিয়া চন্দৰাই স্বামীৰ দিহা মতে সেই দোষ নিজে মূৰ পাতি ল'লে। চন্দৰা নিজৰ সিদ্ধান্ততে অলৰ-অচৰ হৈ থাকিল। এই দোষৰ শাস্তি হিচাবে ফাঁচি কাঠত ওলমিব লাগিব বুলি গ'ম পাইও নিজৰ অভিমান খণ্ডন নকৰিলে। প্ৰচণ্ড অভিমানেৰে চন্দৰামৃত্যুপথৰ যাত্ৰী হৈছে।"এ কী নিদারুণ অভিমান। চন্দরা মনে মনে স্বামীকে বলিতেছে, আমি তোমাকে ছাড়িয়া এই নবযৌবন লইয়া ফাঁসিকাঠকে বরণ করিলাম- আমার ইহজন্মের শেষবন্ধন তাহার সহিত।"[৩৬] চন্দৰাই সকলোৰে দৃষ্টিত বৃহৎ কলঙ্কৰ বোজা লৈ চিৰকালৰ বাবে ঘৰ এৰি গুছি গ'ল।

সুখ-দুখ জীৱনৰ লগৰীয়া যদিও, দুখে কেতিয়াবা মনক এনেদৰে গ্ৰাস কৰে যে ই কোমল- শিথিল মনকো কঠোৰ হ'বলৈ শিকায়। জীৱনৰ গতিধাৰা সলনি কৰে। চন্দৰাইও স্বামীৰ অৱমাননাত জীয়াই থকাৰ সকলো কামনা-বাসনা সমূলি নিঃশেষ কৰি পেলাইছে। মানসিক দ্বন্দ্বৰ নিষ্কৃতিৰ উপায় হিচাপে বিচাৰি লৈছে মৃত্যুপথ। এই ক্ষেত্ৰত দিগ্বিজয় দে সৰকাৰৰ মন্তব্য এটি প্ৰণিধানযোগ্য-"এ নারী নির্যাতনের গল্প নয়, ঠিক বিদ্রোহের গল্পও নয় কিন্তু স্পষ্ট অনমনীয় মানসিকতা নারী চরিত্রের এক বিরল নিদর্শন রচনা করেছে এই গল্পে। মৃত্যুর মধ্য দিয়ে চন্দরা শাস্তির পরপারে চলে যায়। কিন্তু সকলের জন্যই রেখে যায় অদৃশ্য এক আঘাত, সীমাহীন ব্যথা-

ব্যাপকার্থে শাস্তি।"[৩৭]

অৱশেষত যদিও ছিদামে চন্দৰাক বচাববৈলে অশেষ চেষ্টা কৰিলে তথাপি কিন্তু চন্দৰাৰ কথাত তিলমানো লৰচৰ নাই। ফাঁচিৰ আগ মুহুৰ্তত চিভিল চাৰ্জনজনে চন্দৰাক সুধিলে-"কাহাকেও দেখিতে ইচ্ছা কর?" তেতিয়া চন্দৰাই উত্তৰ দিছিল -" একবার আমার মাকে দেখিতে চাই।" এই উক্তি যেন চন্দৰাৰ মনত ঠাঁহ খাই থকা প্ৰচণ্ড দুখ অভিমানেৰে জৰ্জৰিত হৃদয়াবেগ। আকৌ ডাক্তৰজনে যেতিয়া সুধিলে- " তোমার স্বামী তোমাকে দেখিতে চায়, তাহাকে কি ডাকিয়া আনিব।" চন্দৰাই তেতিয়া ক'লে 'মরণ'। বাংলা সাহিত্যত নাৰীৰ অধিকাৰহীন কঠোৰতম্ প্ৰতিবাদৰ নিদৰ্শন হিচাপে এই উক্তি স্মৰণীয় হৈ আছে।[৩৮]

'নষ্টনীড়' গল্পৰ চাৰুঃ

ৰবীন্দ্ৰনাথৰ 'নষ্টনীড়' গল্পটো এটা অন্যতম শ্ৰেষ্ঠ গল্প হিচাপে বিশিষ্টতা লাভ কৰিছে । 'নষ্টনীড়' গল্পটো প্ৰকাশিত হয় 'ভাৰতী' পত্ৰিকাত বহাগ-অগ্ৰহায়ণ, ১৩০৮ বঙ্গাব্দত।[৩৯] গল্পটোত নাৰী-মনস্তত্বৰ সুন্দৰ প্ৰতিফলন ঘটিছে। দাম্পত্য জীৱনৰ পাতনি মেলা প্ৰাক্ ক্ষণতেই স্বামী-স্ত্ৰীৰ মাজত এক বিৰাট ব্যৱধানে দেখা দিলে। সেই সময়ছোৱাত দুয়োজনৰ জীৱন সম্পৰ্কীয় দৃষ্টিভংগীৰ তাৰতম্যই ইজনে সিজনৰ লগত ক'ব নোৱাৰাকৈয়ে দুটা বিপৰীতমুখী পথৰ যাত্ৰী হৈ পৰিল। এফালে ভূপতি খবৰ কাগজ উলিওৱা কামত ব্যস্ত হৈ পৰিছে, আনফালে চাৰুৱে জীৱনৰ ৰঙীণ সপোনৰ মাজত মৰিচীকা খেদি ফুৰিছে।

গল্পটোৰ কাহিনীভাগত আছে চাৰুলতা আৰু ভূপতিৰ দাম্পত্য জীৱনৰ এক স্খলিত ছবি। ভূপতি খবৰ কাগজ এখন উলিওৱাৰ কামত ব্যস্ত হৈ পৰাৰ বাবে সদ্য যৌৱনপ্ৰাপ্তা পত্নীৰ লগত সময় কটাব পৰা নাছিল। সেয়ে চাৰুলতাই মনত অসন্তোষ অনুভৱ কৰিছিল। গল্পটোত উল্লেখ কৰা অনুসৰি "যে সময়ে স্বামী-স্ত্ৰী প্রেমোন্মেষের প্রথম অরুণালোকে পরস্পরর কাছে অপরূপ মহিমায় চিরনূতন বলিয়া প্রতিভাত হয়, দাম্পত্যের সেই স্বর্ণ প্রভারমণ্ডিত প্রত্যুষকালে অবস্থায় কখন অতীত হইয়া গেল কেই জানিতে পারিল না। নতুনত্বর স্বাদ না পাইয়াই উভয়ে উভয়ের কাছে পূরাতন পরিচিত অভ্যস্ত হইয়া গেল।"[৪০]

সময়ৰ লগে লগে চাৰুইও মনৰ আৱদাৰ খিনি পূৰণ কৰিববৈলে সংযমৰ বান্ধোন ক্ৰমান্বয়ে বিদীৰ্ণ কৰিববৈলে আগবাঢ়িল। নাৰীয়ে বিবাহৰ যোগেদি এজন পৰিপূৰ্ণ মানুহৰ সঙ্গিনী হৈ পৰম আনন্দময় বিশাল জগত এখনত বিচৰণ কৰি পৰম আনন্দময় যুগ্ম জীৱন এটা যাপন কৰিব

খোজে।"[৪১] চাৰুৰ কাৰণে সেয়া অসম্ভৱ হৈ পৰিল।

এনেকৈয়ে এদিন চাৰুৱে ভুপতিৰ পেহীয়েকৰ ল'ৰা অমলৰ সান্নিধ্য পালে। চাৰুৰ গোপন কোণত সঞ্চিত হৈ থকা মনৰ এই তীব্ৰ অভিলাসখিনিৰ পূৰ্ণতা প্ৰাপ্তিৰ যেন এক আশ্ৰয় বিচাৰি পালে। অমলৰ লগত সময় অতিবাহিত কৰি চাৰুৱে জীৱন সৌন্দৰ্যৰ এক অপূৰ্ব মায়া-জালত আৱদ্ধ হৈ পৰিল । অনাগত দিনৰ কোনো কথা চিন্তা নকৰাকৈয়ে চাৰুৱে জীৱনটোক নতুন ৰূপেৰে চাবলৈ ধৰিলে। অমলৰ সান্নিধ্যই চাৰুৰ সুপ্ত হৈ থকা প্ৰতিভাক বিকশাই তুলিলে। পঢ়া শুনাৰ প্ৰতি চাৰুৰ আগ্ৰহ থকা হেতুকে অমলৰ সাহিত্য চৰ্চাৰ নিয়মীয়া পাঠক হৈ পৰিল। চাৰুই নিজেও সাহিত্য চৰ্চাত মনোনিবেশ কৰিব ধৰিলে। চাৰুৰ সাহিত্য সৃষ্টিত অমলে দুগুণ উৎসাহ যোগালে। চাৰুৰ কাৰণে যেন আন সকলো কথা তুচ্ছ হৈ পৰিল। সৰু সৰু কথাৰ মাজেদিয়ে অমল চাৰুৰ হৃদয়ৰ অতি ওচৰ চাপিছিল। মাজে মাজে অমলৰ প্ৰতি তীব্ৰ অভিমানত উথলি উঠে। মনৰ আৱদাৰখিনিৰ অমলৰ সৈতে পূৰণ কৰি এক অপাৰ্থিব সুখৰ যাত্ৰী হৈ পৰিল। বসন্তৰ আগমনত গছ-লতিকাই নতুন ৰূপ ধাৰণ কৰাৰ দৰে অমলৰ সান্নিধ্যইও মৰহি থকা চাৰুৰ সমগ্ৰ সত্বাক বিকশাই তুলিলে।

ভূপতিৰ অজ্ঞাতে চাৰুৰ জীৱনত বহুত পৰিৱৰ্তনে দেখা দিলে। ভূপতিয়ে খবৰ কাগজৰ পৰা অব্যাহতি লোৱাৰ পাছত নিজৰ ভবিষ্যত সম্বন্ধে এখন ছবি মনৰ মাজত আঁকি লৈছিল। প্ৰতিজ্ঞা কৰিছিল চাৰুক লৈ পঢ়া-শুনা, ভালপোৱা আৰু দৈনন্দিন সৰু-সুৰা গাৰ্হস্থ্য কৰ্তব্য পালন কৰি চলিব। চাৰুক সময় দিব নোৱাৰৰ কাৰণে ভূপতি যে দোষী এই কথাটো নিজেই স্বীকাৰ কৰিছে। ভূপতিয়ে অনুশোচনাত দগ্ধ হৈ নিজৰ ভুলৰ স্বীকাৰ কৰি কৈছে- "বলো না চাৰু, তোমাৰ কি হয়েছে। আমি কি তোমাৰ উপর কোনো অন্যায় কৰেছি। তুমি তো জানই, কাগজের ঝঞ্ঝাট নিয়ে আমি কীরকম ব্যতিব্যস্ত হয়ে আছি, যদি তোমার মনে কোনো আঘাত দিয়ে থাকি সে আমি ইচ্ছা করে দিই নি।"[৪২]

এই উপলব্ধি চাৰুৰ কাৰণে যেন বহুত দেৰি হৈ গ'ল। ভূপতিয়ে চাৰুৰ হৃদয়ৰ উত্তপ্ত সান্নিধ্য কামনা কৰিছিল। কিন্তু ভূপতিয়ে বিচৰা ধৰণে চাৰুৰ পৰা সহাঁৰি নাপালে। ভূপতিয়ে অনুশোচনাত ভূগিব ধৰিলে । "বারো বৎসর কেবল খবরের কাগজ লিখিয়া স্ত্রীর সঙ্গে কী করিয়া গল্প করিতে হয় সে বিদ্যা একেবারে খোয়াইছিল।"[৪৩]

অমলৰ স্মৃতি প্ৰেমৰূপে চাৰুৰ অন্তৰৰ গোপন কোণত নিঃশব্দে প্ৰৱেশ কৰিছিল। চাৰুৱে যেতিয়া অন্তঃকৰণেৰে এই উপলব্ধি কৰিছিল তেতিয়া অমল বহু দূৰৈত। অমলৰ বিদেশ যাত্ৰাত চাৰু

বজ্ৰাহত হৈ পৰিছিল। নাৰীমনৰ প্ৰীতি ভাৱনা অনেক সময়ত প্ৰণয়ৰ ৰূপ ধৰি আহে। অনেক সময়ত সেইটো বুজিব নোৱাৰি। চাৰুৱেও অমলৰ উপস্থিতিত সেইটো বুজিব পৰা নাছিল। তাৰ বিদায় কালত অনেক কথা ক'বলৈ গৈও কেৱল 'চিঠি লেখবে তো অমল' ৰ বাহিৰে আন একোৱেই ক'ব নোৱাৰিছিল।[৪৪]

ভূপতিৰ কাৰণে যেন চাৰুৰ অন্তৰত অকণো স্থান নাই। অমলৰ খবৰ পাবৰ কাৰণে চাৰুৱে সদায় অধীৰ অপেক্ষাত ব্যগ্ৰ হৈ পৰে। অমলৰ খবৰ পোৱাৰ কিছুদিন দেৰি হ'লেই চাৰুৱে শৰবিদ্ধা হৰিণীৰ দৰে চটফটাই ফুৰে। মনক কোনো প্ৰকাৰে প্ৰবোধ দিব নোৱাৰি ভূপতিৰ অজ্ঞাতে চাৰুৱে নিজৰ গহনা পাতি বন্ধকত ৰাখি অমললৈ টেলিগ্ৰাফ পঠালে। চাৰুৰ এনে কাৰ্যত এক অস্পষ্ট সন্দেহে অলক্ষ্যভাৱে ভূপতিৰ অন্তৰত বিন্ধিলেহি। বিশ্বাসঘাতকতা আৰু অৱমাননা অতি হৃদয়বিদাৰক।

ভূপতিয়ে এক উত্তৰবিহীন সমস্যাত ভূগিব ধৰিলে। কিন্তু চাৰুৱে ভবাৰ দৰে অমলৰ পৰাও সঁহাৰি নাপালে। গল্পটোৰ শেষৰফালে অমলৰ কোনো প্ৰতিক্ৰিয়া দেখিবলৈ পোৱা নাযায়। চাৰুৱে অমলৰ স্মৃতিকণ হৃদয়ত অতি সযতনে সাঁচি ৰাখিবলৈ সদায় প্ৰস্তুত। অমলৰ স্মৃতিয়েই যেন চাৰুৰ জীৱনৰ শ্ৰেষ্ঠ গৌৰৱ। '.....অমল তোমাকে আমি এক দিনও ভুলি নাই। একদিনও না, একদণ্ডও না। আমার জীবনের শ্রেষ্ঠ পদার্থ সমস্ত তুমিই ফুটাইয়াছ, আমার জীবনের প্রত্যেক সারভাগ দিয়া প্রতিদিন তোমার পূজা করিব।"[৪৫] চাৰু চৰিত্ৰটোক কোনো কোনোৱে 'ট্ৰেজেদি' বুলি নকৈ 'মৰবিদ' (Morbid) বুলি ক'ব খোজে। গল্পৰ শেষত চাৰু এক উপশমহীন বেদনাত নিমজ্জিত আৰু ভূপতি যেন তড়িতাহত বৃক্ষ ।[৪৬]

'মহামায়া' গল্পৰ মহামায়াঃ

থিক একেদৰে ৰবীন্দ্ৰনাথৰ 'মহামায়া' গল্পটোত বিধৱাৰ সমস্যা মূৰ্ত হৈ উঠিছে। 'মহামায়া' গল্পটো 'সাধনা' পত্ৰিকাত প্ৰকাশিত ৰবীন্দ্ৰনাথৰ এটা উল্লেখযোগ্য গল্প। জাত-পাতৰ সংকীৰ্ণ মনোভাৱৰ ফলত ব্যক্তি-জীৱনৰ ব্যাঘাত , নাৰীৰ ওপৰত আৰোপ কৰা সামাজিক ৰীতি-নীতিৰ অবিচাৰ আদিয়েই গল্পটোৰ প্ৰধান বক্তব্য বিষয়।

গল্পটোৰ মূল চৰিত্ৰ মহামায়া। মহামায়া এক বিদ্ৰোহিনী নাৰী চৰিত্ৰ। সমাজৰ কু-সংস্কাৰেই আছিল মহামায়াৰ জীৱনৰ দুৰ্দশাৰ কাৰণ। মহামায়াৰ ওপৰত আৰোপ কৰা এই সামাজিক নিষ্ঠুৰ প্ৰথাটো আছিল সহমৰণ প্ৰথা বা সতীদাহ প্ৰথা। 'মহামায়া' গল্পটো ৰবীন্দ্ৰনাথৰ

সমসাময়িক সময়ৰ নহয়। প্ৰমথনাথ বিশীৰ ভাষাত- "মহামায়া গল্পের ঘটনাটি সমসাময়িক নয়, সতীদাহ নিবারণের পূর্ব্বর্তী সময়ের।"[৪৭]পুৰুষতান্ত্ৰিক সমাজখনত নাৰীসকলৰ ওপৰত এনেদৰে অন্যায় অনীতি আৰোপ কৰি নাৰীসকলৰ জীৱন বিপন্ন কৰি তুলিছিল। নাৰীসকলে কোনো প্ৰতিবাদ নকৰাকৈয়ে বশ্যতা স্বীকাৰ কৰি নিজকে বলি সজাব লগা হৈছিল।

গল্পটোৰ মূল কাহিনীত আছে- মহামায়া কুলীণৰ ঘৰৰ ছোৱালী, গতিকে অকুলীণ পাত্ৰৰ লগত বিয়া পতাটো সমাজৰ পক্ষে এক নীতি বিৰুদ্ধ কাম। অতি সৌন্দৰ্যময়ী মহামায়াৰ অনুৰূপ কুলসম্পন্ন পাত্ৰৰ অভাৱত বয়স বাঢ়ি গৈ আছিল। বিদেশী ৰাজীৱৰ লগত প্ৰণয়ৰ সম্পৰ্ক গঢ় লৈ উঠিছিল যদিও ; সেই সম্বন্ধ সম্পৰ্কেও কোনো নিশ্চিত নাছিল। ৰাজীৱে এদিন মহামায়াক বিয়াৰ প্ৰস্তাৱ দিলে যদিও মহামায়াই সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে। "প্ৰবল কুলাভিমান মহামায়ার বংশে কত কাল হইতে প্রবাহিত হৈছে- সে কি কখনো রাজীবের মতো অকুলীন ব্রাহ্মণকে বিবাহ করিতে সম্মত হৈতে পারে। ভালোবাসা এক আরো বিবাহ করা আর।"[৪৮]

কিন্তু ৰাজীৱৰ বিদেশ যাত্ৰাৰ সংবাদ পোৱাৰ লগে লগে মহামায়াৰ সিদ্ধান্ত সলনি হ'ল। ককায়েক ভবানীচৰণৰ আগত কোনো সংকোচবোধ নোহোৱাকৈ দৃঢ় প্ৰত্যয়েৰে ৰাজীৱৰ জীৱন সংগী হ'বলৈ অঙ্গীকাৰ কৰিছে। 'রাজীব তোমার ঘরেই আমি যাইব। তুমি আমার জন্য অপেক্ষা করিয়ো।"[৪৯] এই কথা শুনি ককায়েক ভবানীচৰণে অতি হৃদয়হীনভাৱে মৃত্যুৰ ক্ষণ গণি থকা বৃদ্ধ ব্ৰাহ্মণ এজনলৈ মহামায়াক বিয়া পাতি দিলে। বিয়াৰ পিছদিনা মহামায়া বিধৱা হ'ল। ইয়াতেই আৰম্ভ হ'ল মহামায়াৰ জীৱনৰ বিচিত্ৰ সংঘাত। সেই সময়ত সহমৰণ প্ৰথা অনুসাৰে মহামায়াক চিতাত সমৰ্পণ কৰা হ'ল। যথাসময়ত প্ৰচণ্ড বৰষুণ দি আছিল বাবে চিতাৰপৰা উঠি আহি অৰ্দ্ধদগ্ধ অৱস্থাত পূৰ্বৰ প্ৰেমিক ৰাজীৱৰ গৃহত প্ৰবেশ কৰিলে। মহামায়াই অঙ্গীকাৰ পালন কৰি ৰাজীৱৰ ওচৰলৈ আহিল যদিও অৱগুণ্ঠন মোচনৰ অধিকাৰ ৰাজীৱে নাপালে। ইতিমধ্যে জুইৰ লেলিহান শিখাই মহামায়াৰ মুখৰ সৌন্দৰ্য নিঃশেষ কৰি পেলাইছিল। মহামায়াই হয়তো ভাবিছিল তাইৰ সেই বিকৃত মুখখন দেখিলে ৰাজীৱে মনত অশেষ কষ্ট পাব। গতিকে মহামায়াই মুখখন ঢাকি ৰাখি ৰাজীৱে চাব নোৱাৰাৰ চৰ্তততহে থাকিবলৈ সিদ্ধান্ত ললে। "মহামায়া এখন ৰাজীবর ঘরে কিন্তু ৰাজীবর জীবনে সুখ নাই। অধিক নহে, উভয়ের মধ্যে কেৱল একখানি মাত্র ঘোমটার ব্যৱধান। কিন্তু সেই ঘোমটাটুকু মৃত্যুর ন্যায় চিরস্থায়ী, অথচ মৃত্যুর অপেক্ষা যন্ত্রণাদায়ক। কারণ, নৈরাশ্যে মৃত্যুর বিচ্ছেদ-বেদনাকে কালক্রমে অসাড় তরিয়া ফেলে, কিন্তু সেই ঘোমটার বিচ্ছেদটুকুর মধ্যে একটি আশা প্রতিদিন প্রতি মুহূর্তে পীড়িত হৈছে।"[৫০]

ৰাজীৱ আৰু মহামায়া একেলগে থাকিও দুয়োটাই এই সংসাৰখনত নিসঙ্গ পথিক। মহামায়াই যেন মৃত্যুৰ মাজতেই আবৃত হৈ আছে। এই ৰহস্যময়তাৰ মাজত থাকি গভীৰ যন্ত্ৰণাৰ পৰা পৰিত্ৰাণ পোৱাৰ মহামায়াৰ কোনো উপায় নাছিল। “ রাজীব ভাবিত, মানুষে মানুষে স্বভাৱতেই যথেষ্ট ব্যৱধান আছে - বিশেষত মহামায়া পুরাণ বর্ণিত কর্ণের মতো সহজ কবচধারী, সে আপনার স্বভাবের চারি দিকে একটা আবরণ লইয়া আসিয়াসে। অহরহ পার্শ্বে থাকিয়াও সে এতদূরে চলিয়া গিয়াছে যে, রাজীৱ যেন আর তাহার নাগাল পায় না- কেৱল একটা মায়াগণ্ডির বাহিরে বসিয়া অতৃপ্ত তৃষিত হৃদয়ে এই সূক্ষ্ম অথচ অটল রহস্য ভেদ করিবার চেষ্টা করিতেছে- নক্ষত্র যেমন প্রতিরাত্রি নির্নিমেষ নত ক্ষেত্রে অন্ধকার নিশীথিনীকে ভেদ করিবার প্রয়াসে নিস্ফলে নিশিযাপন করে।”[৫১]

এদিন ৰাজীৱে মনটোক কোনো প্ৰকাৰে সংবৰণ কৰিব নোৱাৰি মহামায়াৰ মুখখন চাবলৈ তীব্ৰ হাবিয়াস জাগি উঠিল। মহামায়াই শুই থকা অৱস্থাত ৰাজীৱে মুখখন নিৰীক্ষণ কৰা বুলি গম পাই ৰাজীৱক মহামায়াই কোনো প্ৰকাৰে ক্ষমা নকৰিলে। মহামায়াই আত্মাভিমান লঙঘন নকৰি নাইবা ৰাজীৱৰ মনত পুতৌৰ পাত্ৰও হ'ব নিবিচাৰি ৰাজীৱৰ জীৱনৰ পৰাও চিৰদিনলৈ গুছি যায়। প্ৰমথনাথ বিশীৰ ভাষাত- “মনস্বিনী মহামায়াই সংসার ত্যাগ করিয়া ঠিক পথই অৱলম্বন করিয়াছিল, কারণ তাহার ৰূপদগ্ধ মুখ দেখিবার পরে রাজীৱ আর তাহাকে কখনোই আগের চোখে দেখিত সক্ষম হইত না। পলে পলে দণ্ডে দণ্ডে দুঃখ দিবার ও পাইবার চেয়ে সংসারবাস ত্যাগ করাই সুবিবেচনার কাজ, ইহাই ছিল মহামায়ার ধারণা। রাজীবকে দীর্ঘতর দুখ ও আত্মগ্লানি হইতে রক্ষা করিবার জন্যই মহামায়া তাহাকে ত্যাগ করিয়া গেল, এখানে তাহার বিরাগের মূলেও অনুরাগ। রাজীব না হয় বাঁছিল, - কিন্তু মহামায়া? তাহার চাপা দীর্ঘনিশ্বাস গল্পটির মধ্যে সমীরিত না হইলেও পাঠকের বুকের মধ্যে অনুভূত হইতে থাকে।”[৫২]

ৰবীন্দ্ৰনাথে এই অত্যন্ত নিন্দনীয় সামাজিক কুপ্ৰথাক গল্পটোৰ মাজেৰে তীব্ৰভাৱে ব্যঙ্গ কৰিছে। সমাজৰ বৰ্বৰতাই যেতিয়া ব্যক্তিৰ সুখ স্বাস্বন্দ্যক তীব্ৰভাৱে আঘাত কৰে নাইবা তাচ্ছিল্য কৰে, তেতিয়াই সমাজ আৰু ব্যক্তি জীৱনৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। মহামায়াই তীব্ৰ সাহসেৰে সতীদাহ প্ৰথাক অৱমাননা কৰি প্ৰমাণ কৰি দিলে যে সমাজে কঠোৰ নীতি-নিয়ম বান্ধি দিলেও, নাৰী এই সামাজিক নিষ্ঠুৰ প্ৰথাক উলঙঘা কৰাৰ সাহসো আছে। সময়-সাপেক্ষে কোমল অন্তৰৰ নাৰীয়েও অন্তৰৰ তীব্ৰ বাসনাৰ পূৰ্ণতা প্ৰাপ্তিৰ বাবে সমাজৰ কঠোৰ নীতি-নিয়মক নিমিষতে চাৰখাৰ কৰি দিব পাৰে। এই কথা মহামায়াই প্ৰমাণ কৰি দিলে। সমাজৰ প্ৰতি, সংসাৰৰ প্ৰতি নীৰৱ প্ৰতিবাদে

মহামায়া চৰিত্ৰটোৱে পাঠকক চমকিত কৰি তুলিছে।

'বিচাৰক' গল্পৰ ক্ষীৰোদা

ৰবীন্দ্ৰনাথৰ গল্পত যিমান অসন্মান, যত অপমান, যত বঞ্চনা তাৰ বেছিভাগৰেই নাৰীৰ। এই যন্ত্ৰণাৰ এটি অসামান্য উদাহৰণ 'বিচাৰক'।[৫৩] গল্পটোত দুটা নাৰী চৰিত্ৰ পোৱা যায়. ক্ষীৰোদা আৰু হেমশশী। এই দুয়োটা নাৰী চৰিত্ৰই পুৰুষৰ দ্বাৰা নিৰ্যাতিতা। ক্ষীৰোদা গণিকা বৃত্তিধাৰী। এদিন তাইৰ প্ৰণয়ী এজনে আহি ৰাতি সমস্ত ধন-সোণ চোৰ কৰি পলাই যায়। তেতিয়া ক্ষীৰোদাই পইচাৰ অভাৱত তিনিবছৰীয়া শিশুটিক গাখীৰ অকণ আনি দিবলৈ সমৰ্থ নহ'ল। তাই অনুভৱ কৰিলে যে জীৱনৰ আঠত্ৰিছটা বছৰে তাই কোনো এটা মানুহক আপোন কৰি ল'ব নোৱাৰিলে। তেওঁলোকৰ স্বাৰ্থসিদ্ধিৰ বাবেই যেন তাইৰ জন্ম। তেওঁলোকৰ স্বাৰ্থ পূৰণ হ'লেই তাই এলাগী হৈ পৰে। কোনো এজনেও তাইক অন্তঃকৰণেৰে চাবলৈ প্ৰয়োজন অনুভৱ নকৰিলে। জীৱনটোৰ প্ৰতি যেন তাইৰ ধিক্কাৰ জন্মিল। সেয়ে দিনটো অনাহাৰে থকাৰ পিছত যেতিয়া পুৰণি প্ৰণয়ী এজনে আহি তাইক 'ক্ষীৰো' 'ক্ষীৰো' বুলি মাতিব ধৰিলে তেতিয়া তাই হিংস্ৰ জন্তুৰ দৰে গৰ্জি উঠিল। জীৱনটোত বিভিন্নজনৰ পৰা পোৱা প্ৰতাৰণাই তাইক দিশহাৰা কৰি তুলিলে। ক্ষন্তেক পিছতে যেতিয়া শিশুটোৱে ক্ষুধাৰ জ্বালাত ভগ্নকাতৰ কণ্ঠে 'মা' 'মা' কৰি কান্দিব ধৰিলে তেতিয়া শিশুটোক বুকুৰ মাজত লৈ তাই কুঁৱাত জাপ দিলে।

শিশুহত্যাৰ অপৰাধত বিচাৰক মোহিত মোহনে ক্ষীৰোদাক ফাঁচীৰ হুকুম দিয়ে। ক্ষীৰোদাক কোনো প্ৰকাৰে ক্ষমা নকৰিলে। যি সমাজত হিন্দু মহিলাক দেৱী আখ্যা দিয়া হয়, সেই মহিলাই পুত্ৰ হত্যাৰ দৰে গুৰুতৰ অপৰাধত লিপ্ত হৈ সমগ্ৰ স্ত্ৰী-জাতিৰ ওপৰতে এটা আন্তৰিক অবিশ্বাসৰ সৃষ্টি কৰিলে। কাৰাগাৰত প্ৰবেশ কৰাৰ পিছত ক্ষীৰোদাৰ চুলিৰ মাজৰপৰা প্ৰহৰী এজনে আঙুঠি এটা উদ্ধাৰ কৰে। প্ৰথমতে আঙুঠিটো সম্পৰ্কত বিচাৰক মোহিতমোহনে নাৰীৰ অলংকাৰপ্ৰিয় স্বভাৱটোক লৈ উপহাস কৰিলে। কিন্তু আঙুঠিটো ভালদৰে লক্ষ্য কৰি দেখিলে যে এই আঙুঠিটো চব্বিছ বছৰ আগতে মোহিতমোহনে ক্ষীৰোদাক দিয়া প্ৰণয়ৰ উপহাৰ। এইক্ষেত্ৰত শ্ৰীকুমাৰ বন্দোপাধ্যায়ৰ এষাৰ মন্তব্য কৰিব পাৰি- "এই মুহূৰ্তেৰ আবিষ্কাৰে সমস্ত অতীত ইতিহাস তাহাৰ মানস চক্ষে উদ্ভাসিত হইয়া উঠিল ও এই প্ৰেমেৰ বলেই ভোগ পণ্যা বাৰনাৰীও যে শাশ্বত সতীত্ব মহিমায় ভাস্বৰ এই সত্য তিনি উপলব্ধি কৰিলেন। ক্ষীৰোদাৰ সমস্ত কাহিনী প্ৰেমেৰ এই ধ্ৰুৱ জ্যোতিটি অনিৰ্বাণ ৰাখাৰ সাধনায় স্বৰ্গীয় পবিত্ৰতামণ্ডিত হইয়া উঠিয়াছে।[৫৪]

গল্পটোৰ আন এক নাৰী চৰিত্ৰ হেমশশীও মোহিতমোহনৰ দ্বাৰা নিৰ্যাতিতা হ'ব লগা হৈছিল। চৈধ্য বচৰীয়া বালবিধৱা হেমশশীক মোহিতমোহনে নিজৰ পৰিচয় গোপন কৰি বিনোদচন্দ্ৰ নামেৰে প্ৰেমৰ প্ৰলোভন দেখুৱাই পিতৃ-মাতৃৰ স্নেহাশ্ৰয়ৰ পৰা বঞ্চিত কৰে। গোপীমোহন সিংহৰায়ৰ ভাষাত-"বালবিধবা নাৰীৰ বৈধব্যেৰ অন্তৰাল থেকে দূৰৱৰ্তী সংসাৰ স্বভাবতেই মনে হয় ৰহস্যময়; সংসাৰে সে অবহেলিত ও নিঃসঙ্গ। তাৰ এই অসহায়তাৰ সুযোগে অনেক স্বেচ্ছাচাৰী পুৰুষ তাকে প্ৰণয়েৰ প্ৰলোভনে আকৃষ্ট কৰে শেষে নাৰকীয়তায় নিক্ষেপ কৰে। ৰবীন্দ্ৰ সাহিত্যে এমন অনেক নাৰীৰ দুঃখময় পৰিণতিৰ চিত্ৰ ৰয়েছে।"[৫৫]

'স্ত্ৰীৰ পত্ৰ' গল্পৰ মৃনালঃ

"স্ত্ৰীৰ পত্ৰ" গল্পত মৃণালে তেওঁৰ স্বামীলৈ লিখা চিঠি এখনত বৈবাহিক জীৱনত লাভ কৰা অনাদৰ, অৱহেলা, যন্ত্ৰণা আদি বিভিন্ন সমস্যাৰ বৰ্ণনা কৰিছে। মৃনালৰ চিঠিখনৰ মাজত প্ৰগতিবাদী ভাৱধাৰা প্ৰকাশ পাইছে। নাৰীৰ অস্তিত্বক সম্পূৰ্ণভাৱে অৱহেলিত আৰু বঞ্চিত কৰা কথাৰ বিৰুদ্ধে মৃণালে চিঠিখনৰ 'মাজেদি তীব্ৰ ক্ষোভ উজাৰিছে। মৃণাল অতি যুক্তিবাদী।

নাৰীৰ প্ৰতি কৰা টুলুঙা মন্তব্যবোৰেও মৃণালক অতিষ্ঠ কৰি তুলিছিল। ইয়াৰ উপৰিও বোৱাৰী দায়িত্ব পালন কৰি মৃনালে কেৱল গৃহস্থালিৰ কাম কাজৰ মাজতে আৱদ্ধ থাকিব লগা হৈছিল। নিজৰ কবিসুলভ মন এটা থকা স্বত্বেও সুপ্ত প্ৰতিভাক বিকশিত কৰি তুলিব পৰা নাছিল। সেয়েহে মৃণালে স্বামীলৈ লিখা চিঠিখনত এই সংকীৰ্ণ মানসিকতাৰ প্ৰতি আঙুলিয়াই লিখিছে- "আমাৰ একটা জিনিস তোমাদেৰ ঘৰকন্নাৰ বাইৰে ছিল, সেটা কেউ তোমৰা জান নি। আমি লুকিয়ে কবিতা লিখতুম। সে ছাইপাঁশ যাই হোক না, সেখানে তোমাদেৰ অন্দৰমহলেৰ পাঁচিল ওঠে নি। সেইখানে আমাৰ মুক্তি; সেইখানে আমি আমি । আমাৰ মধ্যে যা কিছু তোমাদেৰ মেজোবউকে ছাড়িয়ে ৰয়েসে সে তোমৰা পছন্দ কৰ নি, চিনতেও পাৰ নি, আমি যে কবি সে এই পনেৰো বছৰেও তোমাদেৰ কাছে ধৰা পৰেনি।"[৫৬]

জীৱনত বহুতখিনি কষ্ট পাইও মৃনালে ঘৰুৱা নিত্যকৰ্মৰ ফালেও পিঠি দিয়া নাছিল। তেওঁলোকৰ ঘৰত থাকিবলৈ অহা বৰ জায়েকৰ ভনীয়েক আশ্ৰয়হীনা বিন্দুৰ জীৱনৰ কাৰুণ্যই মৃণালক গভীৰভাবে প্ৰভাবিত কৰিছিল। বিন্দুৰ প্ৰতি কৰা অন্যায়ৰ প্ৰতি মৃনালে প্ৰতিবাদ কৰিছিল। বৰজায়েকেৰ ক্ষেত্ৰতো ঘৰখনত যে কোনো স্বাধীনতা নাছিল, আনকি আশ্ৰয়হীনা ভনীয়েকক নিজৰ ঘৰত ৰখাৰ সাহসকণো যে দেখুৱাব পৰা নাছিল সেই কথা মৃনালে অতি

স্পষ্টভাৱে চিঠিখনত উল্লেখ কৰিছে। কিন্তু মৃনাল আছিল অতিকে স্পষ্টবাদী। বিন্দুৰ প্ৰতি কৰা অন্যায়ৰ বিৰুদ্ধে মাত নমতকৈ থাকিব পৰা নাছিল।

বিন্দুৰ প্ৰতি কৰা অন্যায় অনাদৰৰ প্ৰতি মৃনাল অতি সচেতন আছিল। এগৰাকী নাৰী হিচাপে মৃনালে অন্য এগৰাকী নাৰীৰ হৃদয়ৰ তাড়না ভালকৈয়ে উপলব্ধি কৰিব পাৰিছিল। গল্পটোৰ প্ৰসংঙ্গত নীহাৰঞ্জন ৰায়ৰ এযাৰ মন্তব্য প্ৰণিধানযোগ্য-“ আমাদেৰ সমাজেৰ নাৰীৰ কোনো মূল্য ছিল না, কন্যা হিসাবে, স্ত্ৰী হিসাবে মা হিসাবে নাৰীৰ প্ৰতি একটি ৰোমান্টিক দৃষ্টি ও তজ্জনিত প্ৰীতি এবং শ্ৰদ্ধাও ছিল, কিন্তু পাৰিবাৰিক সম্পৰ্ক নিৰপেক্ষ নাৰী হিসাবে নাৰীৰ মূল্য কিছুই ছিল না; শুধু আমাদেৰ দেশে নয়, কোনো দেশেই ছিল না। এই নাৰীৰ মূল্য অপেক্ষাকৃত বৰ্তমান যুগেৰ আবিষ্কাৰ, আৰ্থিক ও সামাজিক বিবৰ্তনৰ ফল। যুৰোপে এবং পাশ্চাত্য দেশে এই ফল, আবিষ্কাৰেৰ সূচনা দেখা দিছিল উনবিংশ শতিকাৰ গোড়াতেই, কিন্তু তাহাৰ প্ৰকাশ দেখা গ'ল। সে শতাব্দীৰ তৃতীয় ও চতুৰ্থ পাদে এবং পূৰ্ণতাৰ বিকাশ আমৰা দেখিলাম প্ৰথম মহাযুদ্ধেৰ পৰ। সে ঢেউ যে আমাদেৰ নিস্তৰঙ্গ সমুদ্ৰটে আসিয়া লাগিল তাহাৰ প্ৰথম পৰিচয় পাওৰা গেল ‘স্ত্ৰীৰ পত্ৰে’।[৫৭]

‘দেনাপাওনা’ গল্পৰ নিৰুপমাঃ

‘দেনাপাওনা’ গল্পত পণ প্ৰথা আছিল নিৰুপমাৰ জীৱনৰ অভিশাপস্বৰূপ। নিৰুপমাৰ পিতৃয়ে পণৰ টকা ঠিকমতে আদায় দিব নোৱাৰাৰ বাবে নিৰুপমাৰ শহুৰেকৰ ঘৰত কোনো মূল্য নাছিল।কেৱল লাঞ্চিত আৰু ককৰ্থনাহে পাব লগা হৈছিল। পণ প্ৰথাৰ প্ৰতি ব্যক্তিসকল ইমানেই আকৃষ্ট আৰু অৰ্থলোভী আছিল যে তেওঁলোকে মানুহতকৈও উচ্চ স্থান দিছিল। সেয়ে মানৱতাক তুচ্ছ জ্ঞান কৰি নিৰুপমাক অতি কঠোৰভাৱে শাহুৱেকে ক'বলৈ কুণ্ঠাবোধ কৰা নাই। এইদৰে- “অৰ্থাৎ বাপ যদি পূৰা দাম দিত তো মেয়ে পূৰা যত্ন পাইত। সকলেই এমন ভাৱ দেখায় যেন বধূৰ এখানে কোনো অধিকাৰ নাই, ফাঁকি দিয়া প্ৰবেশ কৰিয়াছে।”[৫৮] নিৰুপমাই সদায় পিতৃগৃহৰ নিন্দা শুনাৰ লগতে পিতৃৰ ঘৰলৈ যোৱাৰ কাৰণেও বাধা নিষেধ আহি পৰিছিল।

অনাদৰ অৱহেলাৰ মাজতেই নিৰুপমাই জীৱন কটাবলগীয়া হ'ল। আনকি জ্বৰত ভোগাৰ পিছতো শুশ্ৰূষা নাপালে। অৱহেলিত নিৰুপমা শেষত মৃত্যুমুখত পৰিল। কিন্তু শহুৰেকৰ ঘৰখনত কোনো ধৰণৰ অনুশোচনা নাছিল। কেৱল এটা সৰু ঘটনাৰ দৰে নিৰুপমাৰ অন্ত্যেষ্টিক্ৰিয়া সম্পাদন কৰিলে। গল্পটোত এই অমানবীয় কাৰ্যৰ প্ৰকাশ কৰিছে এইদৰে-“ বড়ো বউ মৰিয়াছে,

খুব ধুম কৰিয়া অন্ত্যেষ্টিক্রিয়া সম্পন্ন হইল। প্রতিমা বিসর্জনেৰ সমাৰোহ সম্বন্ধে জেলার মধ্যে ৰায়চৌধুৰীদেৰ যেমন লোকবিখ্যাত প্রতিপত্তি আছে, বড়োবউয়েৰ সৎকাৰ সম্বন্ধে ৰায়বাহাদুদেৰ তেমনি একটা খ্যাতি ৰটিয়া গেল- এমন চন্দনকাষ্ঠেৰ চিতা এ মুলুকে কেহ কখনো দেখে নাই। এমন ঘটা কৰিয়া শ্রাদ্ধও কেবল ৰায়বাহাদুৰদেৰ বাড়িতেই সম্ভৱ, এমন শুনা যায়, ইহাতে তাঁহাদেৰ কিঞ্চিত ঋণ হইয়াছিল।"[৫৯] পণ প্রথাৰ এই অমানবীয় কাৰ্যক গল্পকাৰে তীব্র ব্যঙ্গ কৰিছে।

ইয়াৰ উপৰিও গল্পটোৰ শেষত পণ লাভৰ আশা অন্তিম বাক্যশাৰীত মাকে পুতেকলৈ লিখা চিঠিত অতি স্পষ্টকৈ ফুটি উঠিছে - " এবাৰে বিশ হাজাৰ টাকা পণ এবং হাতে হাতে আদায়।"[৬০] সমৰেশ মজুমদাৰৰ ভাষাত- "সমাজেৰ বদল শুধুমাত্র বাক্যেৰ সীমায়ই আবদ্ধ হয়ে থেকেছে, অথচ অখণ্ড ভাৰতে এবং স্বাধীনতা উত্তৰ খণ্ডিত ভাৰতে অনেক আন্দোলনেৰ ঝড় এসে আছড়ে পড়েছে, Human Right Commission ইত্যাদি গালভৰা সংস্থাৰ উদয় হয়েছে, তাতে খুব ফলোদয় ঘটেছে এমন বলা যায়না। আসলে মানবিক বধোদয়েৰ ক্ষেত্রে কমিশন কোনো কাজে আসে না, বিবেকৰ অলিন্দ যদি কলুষমুক্ত না হয়, তাহলে অন্ধকাৰ তিমিৰ গৰ্ভ থেকে আলোকেৰ ঝৰনাধাৰায় স্নান কৰাৰ প্রশ্ন ওঠে না। অতএব সহস্র নিৰুপমাদেৰ অৱস্থাৰ কোনো পৰিবৰ্তন হয়না।"[৬১]

'ত্যাগ' গল্পৰ কুসুমঃ

একেদৰে ৰবীন্দ্রনাথৰ 'ত্যাগ' গল্পটোত জাত-পাতৰ সমস্যাই দেখা দিছে। ব্রাহ্মণৰ ল'ৰা হেমন্তই বিয়াৰ পিছত হে গম পালে যে কুসুম শূদ্রৰ ছোৱালী, তাতে তাই বিধৱা। তেতিয়া হেমন্ত আৰু ভাতৃয়ে জাতি ভ্ৰষ্ট হোৱাত ক্ষুব্ধ হৈ পৰিল। হেমন্তৰ পিতৃয়ে উত্তেজিত হৈ হেমন্তক কৈছে- "হেমন্ত বউকে এখনি বাড়ি হইতে দূৰ কৰিয়া দাও। "[৬২] হেমন্তৰ পিতৃয়ে কুসুমক কোনোপধ্যে গ্রহণ কৰিব নোৱাৰে। বাৰে বাৰে পিতৃয়ে কুসুমৰ ঘৰৰপৰা বাহিৰ কৰি দিবলৈ হেমন্তক নিৰ্দেশ দিছে- "অনেক ক্ষণ হইয়া গিয়াছে, আর সময় দিতে পারি না। মেয়েটাকে দূর করিয়া দাও।"[৬৩] হেমন্তই প্রথমতে ক্ষুব্ধ হৈছিল যদিও পিছত কুসুমৰ কাতৰ অনুৰোধত তাইক ক্ষমা কৰি দিয়ে। সি পিতৃক ক'লে 'আমি জাত মানি না।' হেমন্তৰ বক্তব্যত জাত-পাতৰ প্রতি উদাৰ ভাব পোষণ কৰিছে। যেতিয়া স্ত্রীক ত্যাগ কৰিব নোৱাৰো বুলি ক'লে তেতিয়া হেমন্তক পিতৃয়ে ঘৰৰ পৰা বাহিৰ হৈ যাবলৈ দিলে।

‘সুভা’ গল্পৰ সুভাষিণীঃ

প্ৰকৃতিৰ সৈতে নাৰীৰ নিবিড়তম সম্পৰ্ক ঘটিছে ৰবীন্দ্ৰনাথৰ ‘সুভা’ গল্পত। সুভাই মুখেৰে মাতিব নোৱাৰে, তাই বোবা। নৈ এখনৰ পাৰত তাইৰ ঘৰ। ঘৰুৱা কামখিনি কৰি আজৰি পালেই তাই নৈৰ পাৰত আহি বহে। প্ৰকৃতিয়েই তাইৰ অন্তৰঙ্গ বন্ধু। গল্পটোত উল্লেখ কৰা অনুসৰি- “প্ৰকৃতি যেন তাহার ভাষার অভাব পূরণ করিয়া দেয়। যেন তাহার হইয়া কথা কয়। নদীর কলধ্বনি, লোকের কোলাহল, মাঝির গান, পখির ডাক, তরুর মর্মর- সমস্ত মিশিয়া চারি দিকের চলাফেরা আন্দোলন- কম্পনের সহিত এক হইয়া সমুদ্রের তরঙ্গরাশির ন্যায় বালিকার চিরনিস্তব্ধ হৃদয় উপকূলের নিকটে আসিয়া ভাঙিয়া ভাঙিয়া পড়ে। প্ৰকৃতিৰ এই বিবিধ শব্দ এবং বিচিত্র গতি, ইহাও বোবার ভাষা- বড়ো বড়ো চক্ষুপল্লৱবিশিষ্ট সুভার যে ভাষা তাহাৰই একটা বিশ্বব্যাপী বিস্তার;। ঝিল্লিরবপূর্ণ তৃণভূমি হইতে শতাব্দীত নক্ষত্রলোক পর্যন্ত কেৱল ইংগিত, ভঙ্গি, সংগীত ক্রন্দন এবং দীর্ঘ নিশ্বাস।”[৬৪]

সুভাৰ বিয়াৰ উপযুক্ত বয়স হোৱাত মাক-দেউতাকে চিন্তিত হৈ পৰিল। লোকনিন্দাৰ ভয়ত অৱশেষত বিয়া পতাৰ উদ্দেশ্যেৰে সুভাৰ অনিশ্চা স্বত্বেও কলিকতালৈ যাবলৈ থিৰাং কৰিলে। যাবৰ সময়ত সুভাৰ অন্তৰখন বেদনাৰে ভৰি পৰিল। “সুভা শয়নগৃহ হইতে বাহির হইয়া তাহার চিরপরিচিত নদীতটে শষ্পশয্যায় লুটাইয়া পড়িল- যেন ধরণীকে, এই প্রকাণ্ড মুক মানৱতাকে দুই বাহুতে ধরিয়া বলিতে চাহে, তুমি আমাকে যাইতে দিয়ো না মা। আমার মতো দুটি বাহু বাড়াইয়া তুমিও আমাকে ধরিয়া রাখো।”[৬৫] প্ৰকৃতিৰ লগত বিচ্ছেদে তাইৰ মনটো ভাৰাক্ৰান্ত কৰি তুলিলে।

অৱশেষত শুভলগ্ন চাই শুভাৰ বিয়া পাতি পিতৃ-মাতৃ ঘৰলৈ উভতি আহিল। কিন্তু সপ্তাহটোৰ ভিতৰতে পাত্ৰপক্ষই সুভা বোবা বুলি গম পোৱাৰ পিছত সুভাৰ স্বামীয়ে এইবাৰ কাণ আৰু চকু পৰীক্ষা কৰি আন এজনী বিয়া পাতি ললে। গোপীমোহন সিংহৰায়ৰ ভাষাত-“ প্ৰতিবন্ধী কন্যা যে ক’ত অসহায়, অথচ স্নেহময়ী, পশু-পক্ষী প্ৰাণীকুলেৰ প্ৰিয়সঙ্গিনী, ৰবীন্দ্র সাহিত্যে আৰও জীৱন্ত চিত্র ৰয়েছে। প্ৰকৃতিৰ মুক্ত অঙ্গনে সে তাৰই প্ৰাণস্বৰূপা- অথচ সমাজে সৰ্বাধিক বিড়ম্বিতা।” [৬৬]

দুয়োজনা গল্পকাৰৰ নাৰী চৰিত্ৰৰ তুলনাত্মক আলোচনাঃ

দুয়োজন গল্পকাৰে গ্ৰাম্য জীৱনৰ পটভূমিত গল্প ৰচনা কৰিছে। বেজবৰুৱাৰ 'ভদৰী' আৰু 'ৰবীন্দ্ৰনাথৰ 'শাস্তি' গল্পৰ দুয়োটা গল্পৰে পটভূমি গ্ৰাম্য-জীৱন। বিষয়বস্তুৰ ক্ষেত্ৰতো সাদৃশ্য লক্ষ্য কৰা দেখা যায়। দুয়োটা পাৰিবাৰিক সমস্যামূলক গল্প। শিশুৰামে যেনেকৈ দুবেলা-দুমুঠিৰ বাবে অতি কষ্টেৰে পথাৰত কাম কৰিবলৈ গৈছে থিক, তেনেকৈ দুখিৰাম আৰু ছিদামও কঠোৰ পৰিশ্ৰম কৰা দুজন গাঁৱলীয়া খেতিয়ক। দুয়োটা গল্পতে পৰিয়াল দুটা আৰ্থিকভাবে জুৰুলাগ্ৰস্ত। দুয়োটা গল্পতে সংঘাতৰ সৃষ্টি হৈছে স্বামী-স্ত্ৰীৰ মাজত। দুয়োটা গল্পৰে নাৰী চৰিত্ৰকেইটা পুৰুষশাসিত সমাজ-ব্যৱস্থাত পুৰুষৰদ্বাৰা অৱহেলিত। সময়মতে স্বামীক সেৱা-শুশ্ৰূষা কৰিব নোৱাৰাৰ বাবে তেওঁলোক অপৰাধী। শিশুৰামে সময়মতে ভাত নোপোৱাৰ বাবে মৈদাৰে যেনেকৈ ভদৰীক কোবাইছিল থিক তেনেদৰে ৰামলোচনেও সময়মতে ভাত নোপোৱাৰ বাবে ঘৈণীয়েকক দাৰে ঘাপ মাৰি দিছিল। দুয়োটা গল্পতে অপৰাধীক শাস্তি দিয়াৰ বাবে আইনী ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

দুয়োজনা গল্পকাৰৰে গল্পত নাৰী মনস্তত্বৰ সুন্দৰ প্ৰতিফলন ঘটিছে। বেজবৰুৱাৰ 'পাতমুগী' আৰু ৰবীন্দ্ৰনাথৰ 'নষ্টনীড়' দুয়োটা গল্পতে দেখা গৈছে কাহিনীৰ তাৰতম্য থাকিলেও গল্পৰ উদ্দেশ্য একেটাই পৰিলক্ষিত হৈছে। দুয়োটা গল্পতে নাৰী মনস্তত্বৰ স্বৰূপ উদ্‌ঘাটন কৰা হৈছে। দুয়োটা গল্পতে নাৰী চৰিত্ৰই প্ৰধান হৈ উঠিছে। পাতমুগীৰ বৈবাহিক জীৱনৰ বিচ্ছেদৰ ঘটনাক লৈ যিদৰে কাহিনীৰ আগবাঢ়িছে থিক তেনেদৰে 'নষ্টনীড়' গল্পটোতো স্বামীৰ উদাসীনতাত চাৰুৰ জীৱনত যি নিসঙ্গতাৰ উদয় হৈছিল তাৰ মাজেদিয়েই কাহিনীয়ে অগ্ৰগতি লাভ কৰিছে। পাতমুগী আৰু চাৰু দুয়ো যৌৱনপ্ৰাপ্তা দুগৰাকী গাভৰু। পাতমুগী বিয়াৰ কেইদিনমান পিছতে স্বামীৰ পৰা বঞ্চিত হোৱাৰ দৰে চাৰুইও স্বামীৰ সংসাৰৰ প্ৰতি উদাসীনতাত এক নিৰলস জীৱন কটাইছিল। পাতমুগীয়ে স্বামীৰদ্বাৰা প্ৰতাৰিত হোৱাৰ পিছত যিদৰে ক্ষন্তেকৰ বাবে হ'লেও দদায়েকৰ প্ৰতি আকৰ্ষিত হৈছিল, থিক তেনেদৰে চাৰুলতাইও স্বামীৰ সঙ্গসুখৰ পৰা বঞ্চিত হোৱাৰ পিছত অমলৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিল। পাতমুগী আৰু চাৰুৰ চৰিত্ৰত গল্পকাৰে কোনো কলংকৰ বীজ ৰোপণ কৰা নাই; দুয়োটা চৰিত্ৰই কলংক বৰ্জিত। চৰিত্ৰ দুটা উপস্থাপনত দুয়োজন গল্পকাৰে সতৰ্কতা অৱলম্বন কৰিছে ; প্ৰকাশভংগী অতি সংযত।

বৈধব্য জীৱনৰ চিত্ৰও দুয়োজন গল্পকাৰৰ গল্পত মূৰ্ত হৈ উঠিছে। বালবিধৱাৰ সমস্যাটো দুইখন সমাজৰে এক উল্লেখযোগ্য সমস্যা আছিল। সেয়ে দুইজন লেখকৰ গল্পত বালবিধৱাৰ চিত্ৰ সংযোজন কৰা হৈছে। ৰবীন্দ্ৰনাথৰ গল্পসমূহত বালবিধৱাৰ সমৰ্থনৰ সপক্ষে বিভিন্ন যুক্তিও দাঙি ধৰা হৈছে। বেজবৰুৱাৰ 'বাপিৰাম', 'লাওখোলা', আৰু ৰবীন্দ্ৰনাথৰ 'ত্যাগ', 'বিচাৰক', 'মহামায়া'

আদি গল্পত বৈধব্য জীৱনে নাৰীৰ জীৱন কেনেদৰে দুৰ্বিসহ কৰি তোলে তাৰ চিত্ৰ অতি মৰ্মস্পৰ্শীভাৱে প্ৰতিফলিত কৰা হৈছে।

নাৰী নিৰ্যাতনৰ ছবি দুয়োজন গল্পকাৰৰে গল্পত বিদ্যমান। বেজবৰুৱাৰ 'কাশীবাসী', 'আমালৈ নাপাহৰিব' আদি গল্পত নাৰী নিৰ্যাতনৰ উৎকৃষ্ট উদাহৰণ। 'আমালৈ নাপাহৰিব' গল্পত যেনেকৈ ছোৱালীজনীক নিজৰ স্বামীয়ে প্ৰবঞ্চনা কৰিছিল থিক একেদৰে ৰবীন্দ্ৰনাথৰ 'বিচাৰক' গল্পত নাৰী নিৰ্যাতনৰ ছবি মূৰ্ত হৈ উঠিছে। 'বিচাৰক' গল্পতো ক্ষীৰোদা পুৰুষৰপৰা প্ৰবঞ্চনা পাব লগা হৈছিল।

প্ৰকৃতিৰ সৈতে নাৰীৰ অন্তৰংগ সম্পৰ্ক দুয়োজন গল্পকাৰৰ গল্পত পৰিস্ফূট হৈছে। বেজবৰুৱাৰ 'জলকুঁৱৰী', 'কন্যা' আৰু ৰবীন্দ্ৰনাথৰ 'সুভা', 'সমাপ্তি' আদি গল্পত প্ৰকৃতিৰ সৈতে নাৰীৰ নিবিড় সম্পৰ্ক ঘটিছে। 'জলকুঁৱৰী' গল্পত যেনেদৰে ছোৱালীজনীয়ে নৈৰ পাৰলৈ আহি নৈৰ সৌন্দৰ্য উপলব্ধি কৰি মনত প্ৰশান্তি অনুভৱ কৰিছিল, থিক তেনেদৰে 'সুভা' গল্পটোত সুভাসিনীও প্ৰকৃতিৰ সৌন্দৰ্য অনুভৱ কৰি মাদকতা লাভ কৰিছিল। 'জলকুঁৱৰী' গল্পৰ নায়িকা ছোৱালীজনীয়ে বৈবাহিক জীৱনৰ প্ৰতি আকৃষ্ট নাছিল। কেৱল প্ৰকৃতিৰ সৌন্দৰ্য উপলব্ধি কৰি এক মুকলিমৰীয়া জীৱনৰ প্ৰতিহে মন আছিল। থিক তেনেদৰে 'সুভা' গল্পতো সুভাসিনীক বিয়া দিয়াৰ উদ্দেশ্যেৰে কলিকতালৈ নিব উলিওৱাত সুভাই অনিচ্ছুক হৈছিল। গাঁৱৰ প্ৰাকৃতিক সৌন্দৰ্যৰ বিচ্ছেদে সুভাসিনীক বেদনাগধুৰ কৰি তুলিছিল। বেজবৰুৱাৰ 'ৰচিত', 'ললিতী কাকতি' আদি গল্পত পুৰুষে স্ত্ৰীৰ প্ৰতি কৰা দুৰ্ব্যৱহাৰৰ ছবি স্পষ্ট।

একেদৰে ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'মানভঞ্জন', 'স্ত্ৰীৰ পত্ৰ' আদি গল্পত পুৰুষে স্ত্ৰীৰ প্ৰতি কৰা দুৰ্ব্যৱহাৰ, উদাসীনতা আদিয়ে নাৰী জীৱন কিদৰে বিষময় কৰি তোলে তাৰ এক সুন্দৰ চিত্ৰ দুয়োজন গল্পকাৰৰে গল্পত প্ৰতিফলিত হৈছে। 'ৰচিত' গল্পত বৃন্দাই শিক্ষিত স্বামীৰপৰা অশেষ নিৰ্যাতন পাবলগীয়া হৈছিল। কিন্তু বৃন্দাই এই অন্যায় অবিচাৰৰ প্ৰতি মাত মাতিব পৰা নাছিল। কিন্তু 'মানভঞ্জন' গল্পত গিৰিবালাই স্বামীৰ ওপৰত প্ৰতিশোধ লবলৈ দৃঢ়প্ৰতিজ্ঞ হৈ পৰিছিল। 'ললিতী কাকতি' গল্পত ললিতীক স্বামীয়ে কৰা অত্যাচাৰ অন্যায়ৰ প্ৰতি মনত জাগি উঠা ক্ষোভ প্ৰকাশ কৰিছে এখন চিঠিৰ যোগেদি। থিক একেদৰে 'স্ত্ৰীৰ পত্ৰ' গল্পত মৃনালেও সংসাৰত লাভ কৰা তিক্ত অভিজ্ঞতাবোৰ এখন চিঠিৰ আকাৰত স্বামীলৈ লিখিছে। দুয়োটা গল্পতে নাৰীৰ প্ৰতিবাদী মন দেখিবলৈ পোৱা যায়।

জাত-পাতৰ বিচাৰৰ ক্ষেত্ৰত পাৰিবাৰিক সংঘাতৰ ছবি দুয়োজন গল্পকাৰৰে গল্পত

দেখিবলৈ পোৱা যায়। বেজবৰুৱাৰ ‘ভোমকেৰোলা’, ‘নিস্তাৰিণী দেৰী বা ফাতেমা বিবি’ আৰু ৰবীন্দ্রনাথৰ ‘ত্যাগ’, ‘মহামায়া’ আদি গল্পত জাত-পাতৰ উচ্চ-নীচ ভাবৰ ফলত ব্যক্তি জীৱনৰ সংঘাতৰ ছবি দেখিবলৈ পোৱা যায়। গল্পসমূহত দুয়োজনা গল্পকাৰে জাত-পাতৰ ক্ষেত্রত উচ্চ মনোভাৱ পোষণ কৰিছে। ‘ভোমকেৰোলা’ গল্পত স্বামী নীচ জাতৰ বুলি গম পোৱাৰ পিছত দুই বাই-ভনীয়ে আত্মহত্যা কৰিছিল। ‘ত্যাগ’ গল্পতো কুসুমক নীচ জাতৰ বুলি গম পোৱাৰ পিছত বৈবাহিক জীৱনত সংঘাতৰ সৃষ্টি হৈছিল। ‘নিস্তাৰিণী দেৰী বা ফাতেমা বিবি’ গল্পত নিস্তাৰিণী দেৰীৰ জীৱন আলৈ আথানি হোৱাৰ দৰে ‘মহামায়া’ গল্পতো মহামায়াই জীৱনৰ ৰং হেৰুৱাই পেলাইছিল।

**সামৰণিঃ**

এনেদৰে দুয়োজনা গল্পকাৰৰে গল্পত নাৰী চৰিত্রই অধিক উজ্জ্বল ৰূপত প্রতিভাত হৈ উঠিছে। বিশেষকৈ তদানীন্তন সমাজৰ নাৰীৰ সমস্যাক প্রধানভাৱে দাঙি ধৰিছে। দুয়োজনা গল্পকাৰে নাৰীৰ প্রতি উদাৰ দৃষ্টিভংগী পোষণ কৰিছে। দুয়োজনা গল্পকাৰৰ মানৱতাৰ দিশটো স্পষ্ট হৈ পৰিছে। গল্পসমূহত তদানীন্তন সমাজখনে নাৰীৰ প্রতি কৰা অন্যায়-অনীতি আদি আঁতৰাই সমাজখনক এখোজ আগুৱাই লৈ যোৱাৰ প্রয়াস জড়িত হৈ আছে। সমাজ এখন আগবাঢ়ি যোৱাৰ ক্ষেত্রত পুৰুষৰ লগতে নাৰীসকলকো সমাজমুখী কৰি তোলাৰ প্রয়াস দেখা গৈছে। দুয়োজনা গল্পকাৰে নাৰীৰ প্রতি সমাজৰ উদাৰ দৃষ্টিভংগী হোৱাটো বিচাৰিছে। নাৰীসকলক অন্ধ অণুকৰণৰ মাজত নাৰাখি মানবীয় গুণেৰে নাৰীৰ অস্তিত্বক সন্মান প্রদর্শন কৰাই আছিল দুয়োজনা গল্পকাৰৰে উদ্দেশ্য।

১. পৰাগ কুমাৰ ভট্টাচার্য, ৰবীন্দ্রনাথ আৰু অসমীয়া চুটিগল্প, পৃ: ৭০
২. দিগ্বিজয় দে সৰকাৰ, ৰবীন্দ্র সাহিত্যে নাৰী চৰিত্র পৃঃ ৬০
৩. সদ্যোক্ত গ্রন্থ, পৃঃ ৬০
৪. প্রহ্লাদ কুমাৰ বৰুৱা, অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃঃ ৩৫
৫. হৃদয়ানন্দ গগৈ(সম্পা.)ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প সমগ্র, পৃঃ ১১০
৬. সদ্যোক্ত গ্রন্থ; পৃ: ১১০
৭. সদ্যোক্ত গ্রন্থ; পৃ: ১১০
৮. সদ্যোক্ত গ্রন্থ; পৃ: ১১০
৯. হৃদয়ানন্দ গগৈ(সম্পা.)ঃ পূৰ্বোক্ত গ্রন্থ, পৃঃ ৩০২
১০. সদ্যোক্ত গ্রন্থ, পৃঃ ৩০১
১১. সদ্যোক্ত গ্রন্থ; পৃ: ৩০৩
১২. প্রফুল্ল কটকী, সাহিত্যৰথী, পৃ: ৭৭

১৩. হৃদয়ানন্দ গগৈ(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩০৪
১৪. সদ্যোক্ত গ্ৰন্থ, পৃঃ ১৫
১৫. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৩০
১৬. সদ্যোক্ত গ্ৰন্থ; পৃ:২২৯
১৭. হৃদয়ানন্দ গগৈ(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পাতনি, পৃঃ.১৯
১৮. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৭২
১৯. প্ৰফুল্ল কটকী, পূৰ্বোক্ত গ্ৰন্থ,পৃ:৪২
২০. হৃদয়ানন্দ গগৈ(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১
২১. সদ্যোক্ত গ্ৰন্থ, পৃঃ ১১
২২. সদ্যোক্ত গ্ৰন্থ, পৃঃ ১৫৬
২৩. সদ্যোক্ত গ্ৰন্থ, পৃঃ ১৫৭
২৪. সদ্যোক্ত গ্ৰন্থ; পৃঃ ১৩৪
২৫. প্ৰহ্লাদকুমাৰ বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৭
২৬. হৃদয়ানন্দ গগৈ(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৯২
২৭. সদ্যোক্ত গ্ৰন্থ, পৃ:২৬৯
২৮. গোবিন্দপ্ৰসাদ শৰ্মা, নাৰীবাদ আৰু অসমীয়া উপন্যাস, পৃ: ১
২৯. হৃদয়ানন্দ গগৈ(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৭৯
৩০. সদ্যোক্ত গ্ৰন্থ ,পৃ:২৬৭
৩১. হৃদয়ানন্দ গগৈ(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পাতনি, পৃঃ .৪১
৩২. সদ্যোক্ত গ্ৰন্থ,পৃ: ২৯৮
৩৩. ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ , পৃঃ ১৬৩
৩৪. সদ্যোক্ত গ্ৰন্থ; পৃ: ১৬৪
৩৫. সদ্যোক্ত গ্ৰন্থ; পৃ: ১৬৫
৩৬. সদ্যোক্ত গ্ৰন্থ, পৃ: ১৬৭
৩৭. দিগ্বিজয় দে সৰকাৰ, ৰবীন্দ্ৰ সাহিত্যে নাৰী চৰিত্ৰ,পৃঃ ৭৫
৩৮. গোপীমোহ ন সিংহৰায়, ৰবীন্দ্ৰ সাহিত্যেৰ নৰনাৰী,পৃঃ ৩৭৯
৩৯. সমৰেশ মজুমদাৰ, ৰবীন্দ্ৰনাথেৰ গল্প বিশ্লেষণী পাঠ, পৃঃ ১৫০
৪০. সুদেৰ মুখোপাধ্যায় (সম্পা.)ঃ ৰবীন্দ্ৰ ৰচনাৱলী, নৱম খণ্ড,পৃঃ ৬২৫
৪১. প্ৰহ্লাদ কুমাৰ বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ,, পৃঃ ৩৯৯
৪২. সুদেৰ মুখোপাধ্যায়, (সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ ,পৃঃ ৬৪১
৪৩. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৬৫২
৪৪. সমৰেশ মজুমদাৰ, পূৰ্বোক্ত গ্ৰন্থ , পৃঃ১৬৬
৪৫. সুদেৰ মুখোপাধ্যায়, (সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ , ৬৫৪
৪৬. দিগ্বিজয় দে সৰকাৰ, পূৰ্বোক্ত গ্ৰন্থ ,পৃঃ ৭৩
৪৭. প্ৰমথনাথ বিশী, পূৰ্বোক্ত গ্ৰন্থ , পৃঃ৫২
৪৮. ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ , পৃঃ ১৩৫
৪৯. সদ্যোক্ত গ্ৰন্থ, পৃঃ ১৩৬

৫০.	সদ্যোক্ত গ্ৰন্থ, পৃঃ ১৩৭
৫১.	সদ্যোক্ত গ্ৰন্থ, পৃঃ ১৩৮
৫২.	প্ৰমথনাথ বিশী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫২
৫৩.	শিশিৰকুমাৰ দাশ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১০০
৫৪.	শ্ৰীকুমাৰ বন্দোপাধ্যায়, পৃঃ ৩৪৩
৫৫.	গোপীমোহন সিংহৰায়, পূৰ্বোক্ত গ্ৰন্থ, ২য় খণ্ড, পৃঃ ১৪৩
৫৬.	ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৭৬
৫৭.	নীহাৰঞ্জন ৰায়, ৰবীন্দ্ৰ সাহিত্যেৰ ভূমিকা, পৃঃ ৩৭৫
৫৮.	ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২০
৫৯.	সদ্যোক্ত গ্ৰন্থ, পৃঃ ২১
৬০.	সদ্যোক্ত গ্ৰন্থ, পৃঃ ২১
৬১.	সমৰেশ মজুমদাৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩০৬
৬২.	ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৭
৬৩.	সদ্যোক্ত গ্ৰন্থ, পৃঃ ৬০
৬৪.	ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১০৪
৬৫.	সদ্যোক্ত গ্ৰন্থ, পৃঃ ১০৬
৬৬.	গোপীমোহ ন সিংহৰায়, পূৰ্বোক্ত গ্ৰন্থ , পৃঃ ১০৯

# চতুৰ্থ অধ্যায়
# লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পত নাৰী মনস্তত্ব

**আৰম্ভণিঃ**

বেজবৰুৱাৰ গল্পসমূহত নাৰী মনৰ বিভিন্ন ছবি দেখিবলৈ পোৱা যায়। কেতিয়াবা কোনো কোনো চৰিত্ৰৰ মাজত যৌনতাড়িত কামনাৰ অভিব্যক্তি, কিছুমান চৰিত্ৰ ৰোমান্টিক প্ৰেমেৰে উন্মুখ, কিছুমান ভাৰতীয় আদৰ্শগত নাৰীৰ প্ৰতিভূ, কিছুমান নাৰীচৰিত্ৰ প্ৰকৃতিপ্ৰেমী, কোনোবাটো প্ৰতিবাদী নাৰী, কিছুমান চিৰন্তন মাতৃহৃদয় আদি বিভিন্ন দিশত নাৰী মনস্তত্ব প্ৰকাশ পাইছে।

একেদৰে ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পত নাৰীমনৰ বিভিন্ন ৰূপ পোৱা যায়। গল্পসমূহত একাধিক নাৰী চৰিত্ৰৰ উপস্থাপন ঘটিছে। এই চৰিত্ৰসমূহক ভিন্ ভিন্ ধৰণে উপস্থাপন কৰা হৈছে। প্ৰত্যেক গৰাকী নাৰী চৰিত্ৰৰ বৈশিষ্ট্য বেলেগ বেলেগ। গল্পসমূহত চিৰন্তন মাতৃস্নেহ, ভাতৃস্নেহ, প্ৰতিবাদী নাৰী, যৌনতাড়িত কামনাৰ অভিব্যক্তি, প্ৰকৃতি প্ৰেম, সহানুভূতিশীল নাৰী, ৰোমান্টিক প্ৰেম, প্ৰতিশোধ পৰায়ণা নাৰী আদি নাৰীৰ বিচিত্ৰ ৰূপ দেখিবলৈ পোৱা যায়। তলত এই ভিন্নমনৰ নাৰীসমূহৰ আলোচনা দাঙি ধৰা হ'ল-

**বেজবৰুৱাৰ গল্পত নাৰী মনস্তত্বঃ**

**যৌনতাড়িত কামনাৰ অভিব্যক্তি প্ৰকাশক নাৰীঃ**

'পাতমুগী' লক্ষ্মীনাথ বেজবৰুৱাৰ নাৰী মনস্তত্ব প্ৰকাশক এটা উৎকৃষ্ট গল্প। নৰ-নাৰীৰ জৈৱিক বাসনাৰ মনস্তাত্বিক বিশ্লেষণৰ দিশত অসমীয়া চুটিগল্পত লক্ষ্মীনাথ বেজবৰুৱা পথিকৃত লেখক। বেজবৰুৱাৰ 'পাতমুগী' গল্পতেই পোন প্ৰথমে নৰ-নাৰীৰ জৈৱিক বাসনাৰ মনঃসমীক্ষাত্মক বিশ্লেষণ কৰা হৈছিল।[১] গল্পটোত নাৰীৰ মন গহনত অৱদমন কৰি ৰখা চিৰন্তন সত্যক উদঙাই দেখুৱাইছে। গল্পটোত পাতমুগীয়ে পুৰুষৰ অন্তৰ জয় কৰি পোৱাৰ আনন্দানুভূতি অতি স্পষ্ট।

পাতমুগী কুমাৰ সম্প্ৰদায়ৰ দেখিবলৈ চকুত লগা সুন্দৰী গাভৰু। বকতা মৌজাৰ পৰা অহা বামুণৰ ল'ৰা এজনৰ লগত সংসাৰ পাতিবলৈ লয় যদিও এবছৰ পিছত ল'ৰাজনে পাতমুগীক

এৰি ঘৰলৈ গুছি যায়। ঘৰত গৈ ল'ৰাজনে পৰাচিত হৈ নিজৰ জাতত উঠি আকৌ এজনী বামুণৰ ছোৱালী বিয়া পাতিলে।

এই ঘটনাই পাতমুগীক অতিকৈ মনোকষ্ট দিলে। কিয়নো বিয়াৰ পিছত স্বামীয়ে স্ত্ৰীৰ লগত সম্পৰ্ক বিচ্ছিন্ন কৰাটো নাৰী এগৰাকীৰ কাৰণে চৰম বিপৰ্যয়ৰ কথা। নাৰীৰ স্বভাৱ-কোমল মনে এই আহ্বানক গ্ৰহণ কৰাটো তেনেই দুঃসাধ্য হৈ পৰে। কিয়নো, এজন মন-মগজুৰে শক্তিমন্ত পুৰুষৰ আশ্ৰয়ত নীড় সাজি থাকি জীৱন সুন্দৰ কৰাৰ বাসনাৰে নাৰীৰ মন পৰিপূৰ্ণ হৈ থাকে। সেয়ে বামুণৰ ল'ৰাজনে প্ৰৱঞ্চনা কৰাত পাতমুগীৰ মনটো ভাগি পৰাটো নিতান্তই স্বাভাৱিক কথা। ভৰ-যৌৱনা পাতমুগীয়ে অকালতে জীৱনৰ মাদকতা হেৰুৱাই মদাৰফুল সদৃশ হৈ পৰিল।

পাতমুগীয়ে মাক আলতী বাই আৰু ওচৰৰ দদায়েক এজনৰ লগত কাছাৰীত গোচৰ দিবলৈ গ'ল। গৈ থাকোতে ৰাস্তাত চ'তমহীয়া ৰ'দৰ প্ৰকোপত পাতমুগীৰ পিয়াহত অষ্ঠ-কণ্ঠ শুকাই গ'ল। দেহা শাঁত পৰিবলৈ দদায়েকক ঔ-টেঙা পাৰিবলৈ দিলে। দদায়েকে গছৰপৰা নামি আহিব খোজোতে পাতমুগীৰ মুখখন লক্ষ্য কৰি মনত এক নতুন শিহৰণ জাগি উঠিল। পাতমুগীক যেন দদায়েকে সিদিনা আগতকৈ বেলেগ ৰূপত দেখা পালে। পাতমুগীৰ মুখৰ এনে মোহনীয় সৌন্দৰ্য দদায়েকে আগতে কেতিয়াও লক্ষ্য কৰা নাছিল। পাতমুগীয়েও দদায়েকৰ মনৰ ভাব জানিব পাৰিলে। দদায়েকৰ অনুভূতিৰ সোঁতত পাতমুগীয়েও যেন উটি যাব বিচাৰিলে। অলপ আগতে পিয়াহত অষ্ঠ-কণ্ঠ শুকাই যোৱা পাতমুগীৰ মুখত হাঁহি বিৰিঙি উঠিল। দদায়েকে ভাবিবলৈ ধৰিলে- "এতিয়া তাইৰ ফালে মোৰ মুখখন তুলি চাবলৈকে লাজ লাগিছে। মোৰ পৰাজয়ত তাইৰ এই উলাহ নেকি? তিৰোতাৰ মনটো সচাঁকৈয়ে বিচিত্ৰ সমলৰে গঢ়া। এই কণমান ছোৱালীজনীয়ে এই পঞ্চাছ বছৰীয়া শুকান বুঢ়াটোক থিতাতে গৰকি পেলালে। আচৰিত কথা।"[২]

দদায়েকে কোনোমতে নিজকে চম্ভালি গছৰপৰা নামি আহিব খোজোতে গছত ঘহঁনি খাই বুকুৰ মাখিচাল এৰি গ'ল। কেই মুহুৰ্তমান আগতে স্বামীৰ প্ৰতাৰণাত হতবাক হোৱা পাতমুগীৰ আকস্মিক চঞ্চলতাই দদায়েকৰ মনত হঠাতে নানা প্ৰশ্নই হেতা-ওপৰা লগালে। দদায়েকেও নিজৰ সাময়িক আত্মস্খলনৰ বাবে লজ্জিত বোধ কৰিলে। দদায়েকৰ ক্ষণিকৰ বাবে হ'লেও মনৰ বিচ্যুতিৰ উমান পাই পাতমুগীয়েও দদায়েকক ধেমালিৰ সুৰতে ক'বলৈ ধৰিলে - "ইস্ মাখিচাল চিগি গৈছে , যাওক ওপৰে ওপৰেহে; ভিতৰলৈ সোমাব পৰা নাই।"[৩]

কথাযাৰ শুনি দদায়েকে লাজত জয় পৰি গ'ল। কথাযাৰৰ অন্তৰালেদি যেন দদায়েকৰ মন পিছলি যোৱা কথাটোকে অন্যপ্ৰকাৰে ক'ব বিচাৰিছে। কাৰণ মাখিচাল এৰি গ'লে আঘাতৰ পৰিমানটো যেনেকৈ কম হয়, তেনেকৈ পাতমুগীৰ প্ৰতিও দদায়েকৰ কামনাৰ জুইকুৰা ক্ষন্তেকৰ বাবেহে আছিল; অন্তৰৰ গভীৰ স্থলীত স্থান দিয়াৰ বাসনা নাছিল। ই এক স্বাভাৱিক আবেগ। দদায়েকে কিন্তু এই আৱেগক নিমিষতে অন্তৰৰ পৰা চুৰ-মাৰ কৰি দিব বিচাৰিছে। বয়সৰ বহুত বেছি ব্যৱধান থকা অভিভাৱক সদৃশ দদায়েকে মানসিক বিকৃতিৰ বাবে নিজকে আত্মশোধন কৰিব বিচাৰিছে।

পাতমুগীৰো হঠাৎ মানসিক পৰিৱৰ্তন হ'ল। পিছত পাতমুগীয়ে পাপবোধৰ অনুশোচনাত দগ্ধ হ'বলৈ ধৰিলে। দদায়েকৰ সাময়িক আকৰ্ষণৰ প্ৰতি পাতমুগীয়ে যি সঁহাৰি জনাইছিল, সেয়া আচলতে পাতমুগীৰ পক্ষে অনুচিত আছিল। কিন্তু সেই ভুলৰ বাবে পাতমুগীয়ে প্ৰায়চিত্তও বিচাৰিছে। " দদাই, মোৰ দোষ মৰিষণ কৰক। তিৰোতাৰ স্বভাৱৰ কথা মতা মানুহে কেতিয়াও ভালকৈ নাজানে আৰু জানিবও নোৱাৰে। মানুহে নজনাটো ঠিকেই। দেৱতাইও নাজানে বুলি কয়। পুৰুষক হাতৰ মুঠিত ল'বলৈ পোৱাটোৱেই তিৰোতাৰ ডাঙৰ আশা। পুৰুষক জয় কৰাৰ আনন্দ তিৰোতাই লুকাব নোৱাৰে।"[৪]

পাতমুগীয়ে এনেদৰে মনৰ গোপন সত্যক কোনো লুক-ধাক নকৰাকৈ অতি স্পষ্টতাৰে দদায়েকৰ আগত ব্যক্ত কৰিছে। পাতমুগী বুলিয়েই নহয় যিকোনো নাৰী সত্বাৰ মাজত এই আবেগ অনুভূতিৰ স্ফূৰণ ঘটিব পাৰে। কাৰণ ই এক সহজাত প্ৰবৃত্তি। এই প্ৰবৃত্তিৰ তাড়নাই কেতিয়াবা মন-মগজুক বিভ্ৰান্তিত পেলায়। স্বামী পৰিত্যক্তা গাভৰুৰ বয়স নিৰ্বিশেষে পুৰুষৰ প্ৰতি আকৰ্ষণ তেজ- মঙহৰ শৰীৰৰ বাবে স্বাভাৱিক কথা। নৈতিক সামাজিক বিবেচনাই ইয়াক প্ৰায়ে সংযত কৰি ৰাখে।[৫]

'লাওখোলা' গল্পটোত এগৰাকী বিধৱা নাৰীৰ মনৰ গোপন কোণত সুপ্ত হৈ থকা কামনা-বাসনাৰ বৰ্হিপ্ৰকাশে কেনেদৰে জীৱনটো নিঃশেষ কৰি পেলাইছিল তাকে সুন্দৰভাৱে প্ৰকাশ কৰিছিল। গল্পটোত এগৰাকী বিধৱা নাৰীৰ কৰুণ কাহিনী বৰ্ণনা আছে। লগতে গল্পটোত নাৰী মনস্তত্বৰ সুন্দৰ প্ৰকাশ ঘটিছে। গল্পত উল্লেখ কৰা লাওখোলাটোৱে গল্প কথকৰ আগত নিজৰ কৰুণ কাহিনী ব্যক্ত কৰিছে। লাওখোলাটো এগৰাকী নিৰ্যাতিতা নাৰীৰ। তথাকথিত সামাজিক ৰীতি-নীতি মতে ছোৱালী অতি কম বয়সতে বিয়া হৈছিল। উমলি থকা বয়স আছিল হেতুকে স্বামী কি বস্তু গমকে পোৱা নাছিল। নিষ্ঠুৰ সময়ে ছোৱালীজনীৰ জীৱনলৈ অন্ধকাৰ

নমাই আনিলে। বিয়াৰ এমাহ পিছতেই তেওঁৰ স্বামী ঢুকাই থাকিল। বয়স কম হোৱা হেতুকে ছোৱালীজনীয়ে জীৱনৰ এই চৰম দুৰ্যোগৰ কথা উপলব্ধি কৰিব পৰা নাছিল। দুৰ্ভগীয়া জীয়েকৰ এই অৱস্থা দেখি মাক দেউতাকে শোকতে ঢুকাই থাকিল।

অভাগিনী ছোৱালীজনী অৱশেষত শহুৰেকৰ ঘৰলৈ গৈ জেঠালৰ আশ্ৰয়ত থাকিবলৈ ল'লে। শহুৰেকৰ ঘৰতো নিজৰ মানুহ বুলিবলৈ বৰজনাকৰ বাহিৰে আন মানুহ নাছিল। বৰজনাকে অতি উৎসাহেৰে ছোৱালীজনীৰ দায়িত্বভাৰ ল'বলৈ আগবাঢ়ি আহিল। এই বৰজনাকেই তেওঁৰ জীৱনৰ কাল হ'ল। বৰজনাকে বিধৱাগৰাকীৰ প্ৰতি সহানুভূতি উদয় হোৱাতকৈ নিজৰ কামনা চৰিতাৰ্থ কৰিবলৈহে আগবাঢ়ি আহিল। ছোৱালীজনীয়েও তেতিয়া আগ-গুৰি ভাবি নাচাই পাষণ্ড বৰজনাকৰ লোলুপ দৃষ্টিত নিজকে সমৰ্পন কৰিলে।

তেতিয়া ছোৱালীজনীৰ ভৰ যৌৱনে আমনি কৰা বয়স। "তেতিয়া মোৰ বয়স ওঁঠৰ বচৰ, আৰু মোৰ মহাশত্ৰু যৌৱনৰ মোৰ গাত মহা পয়োভৰ।"[৬] ইয়াতে যৌৱন মহাশত্ৰু বুলি কোৱা কথাষাৰে তাৎপৰ্য বহন কৰিছে। কাৰণ বিধৱা হোৱাৰ পিছত অন্য পুৰুষৰ প্ৰতি আকৰ্ষিত হোৱাটো সমাজৰ নীতি বৰ্হিভূত কাম। তাতে আকৌ বৰজনাকৰ ঘৈণীয়েক থকাৰ পিছত তেওঁৰ প্ৰতি আকৰ্ষিত হোৱাটো গুৰুতৰ অপৰাধ আৰু এগৰাকী নাৰীয়ে আন এগৰাকী নাৰীৰ প্ৰতি কৰা তীব্ৰ অন্যায়। কিন্তু নাৰী মনৰ চিৰন্তন অনুভূতিয়ে হৃদয়ৰ এই তীব্ৰ আহ্বানক যেন অপ্ৰতিৰোধ্য কৰি তোলে। সমাজ, নীতি-নিয়ম এই সকলোবিলাকক একাষৰীয়াকৈ থৈ কেৱল মনৰ বাঞ্চিত সুখৰ পূৰ্ণতা প্ৰাপ্তি নিশ্চিত কৰি তোলে। সুপ্ত আগ্নেয়গিৰি জাগ্ৰত হোৱাৰ দৰে নাৰীমনেও কেতিয়াবা হৃদয়ৰ প্ৰয়োজন পূৰণাৰ্থে সমাজৰ কঠোৰ নীতি-নিয়মৰ শিকলি চিঙিবলৈ উদ্যত হৈ পৰে।

গল্পটোত নাৰী মনস্তত্বৰ দুটা দিশৰ প্ৰতিফলন ঘটিছে। এগৰাকী নাৰী যৌৱনৰ ভৰ বলিয়া পৰত চঞ্চল চিত্ত মনৰ হাবিয়াসখিনি টানি আজুৰি হস্তগত কৰা। আনগৰাকী স্বামীৰ দ্বাৰা উপেক্ষিতা বিক্ষুব্ধা নাৰী। নিজৰ স্বামীয়ে অন্য স্ত্ৰীৰ লগত সম্পৰ্ক স্থাপন কৰাটো এগৰাকী নাৰীৰ কাৰণে সহ্যাতীত। ইয়েনাৰীমনক বিদ্ৰোহী কৰি তোলে। সেয়েহে জায়েকে গিৰিয়েকৰ নিকৃষ্ট কাৰ্যত ক্ষোভত অগ্নিগৰ্ভা হৈ পৰিল। "এনেতে জাই চুলি মেলি বলিয়াৰ দৰে হৈ কৰবাৰ পৰা লৰি আহি দুহাতে বুকু চপৰিয়াই মোৰ ফালে চাই ক'লৈ- 'নলিনী, শেষত তয়ো এনেটো কাম কৰিলি। চকুতে থাকি থই মোৰ ভাল বুকুতে কামোৰ মাৰিলি।"[৭] স্বামীৰ দ্বাৰা প্ৰতাৰিত হৈ দুখ, অভিমান আৰু ঈৰ্ষাৰ জুইয়ে মনৰ সমগ্ৰ সত্বাক আছন্ন কৰি পেলালে।

বিধৰাগৰাকীয়েও মনৰ আভ্যন্তৰীণ কোণত সংগোপনে থকা আকাঙ্খিত অভিলাসখিনিক কোনো লুক-ঢাক নোহোৱাকৈ ব্যক্ত কৰিছে এইদৰে- "আমি এবাৰ স্বামী হেৰুৱাই তোমালোক পুৰুষৰ ব্যৱস্থা মতে দুনাই বিয়া কৰাব নোৱাৰো; কিন্তু তোমালোকলৈ হ'লে সেই বাট একেবাৰেই ৰাজআলি।"[৮] এই উক্তিত নাৰী আৰু পুৰুষৰ ওপৰত নিৰ্দ্ধাৰিত কৰা সমাজৰ নীতি-নিয়মৰ তাৰতম্যৰ প্ৰতি তীব্ৰ ক্ষোভ প্ৰকাশ পাইছে। সামাজিক নীতি-নিয়মে বাহ্যিকতাক ধৰি বান্ধি ৰাখিলেও হৃদয়ৰ আহ্বানক বাধা দিয়াটো তেনেই জটিল। এনেদৰে গল্পটোত নাৰী মনৰ চিৰন্তন সত্যক উদঙাই দেখুৱাইছে।

**ভাৰতীয় আদৰ্শগত নাৰীঃ**

ভদৰী এগৰাকী ভাৰতীয় আদৰ্শগত নাৰী। অসমীয়া গাঁৱলীয়া সমাজৰ এখন অতি চিনাকী ছবি গল্পটোৰ মাজেদি প্ৰকাশ কৰিছে। ভদৰীৰ স্বামী শিশুৰামে দুবেলা-দুমুঠিৰ কাৰণে কঠোৰ পৰিশ্ৰম কৰে। সৰু সৰু কথাতে ভদৰীৰ ওপৰত খং কৰি অত্যাচাৰ চলায়। গল্পটোত উল্লেখ কৰা অনুসৰি- "এই বিচিত্ৰ সংসাৰত পূৰ্ব্বাপৰ প্ৰচলিত নিয়ম আছে, যে বাহিৰত য'তে যিহতে পুৰুষৰ খং উঠক, তাত সেই খঙৰ সদ্ব্যৱহাৰ বা অসদ্ব্যৱহাৰ কৰিব নোৱাৰিলে ঘৰলৈ উভতি আহি ঘৈণীয়েকৰ ওপৰত সঁচাই -মিছাই খং দপালি দি বৰমতা ওলায়। আমাৰ সংসাৰী শিশুৰামো এই নিয়মৰ বাহিৰা নহয়।"[৯] শিশুৰামেও এনেদৰে ভদৰীৰ ওপৰত অত্যাচাৰ চলাই থাকে। ভদৰীয়েও শিশুৰামৰ অত্যাচাৰ নীৰৱে সহি থাকে। 'বাস্তবিপক্ষতে ভদৰীৰ এনে বিশ্বাস হৈ গৈছিল যে ভুকুটো, ঢকাটো, চৰটো, গোৰটো কাঠখৰি আৰু ঢেকিথোৰাৰ মাৰটো উঠা-বহা, খোৰা-লোৰাৰ লগৰে বিবাহিতা জীৱনৰ এটি অপৰিহাৰ্য অংগ।"[১০]

ভদৰীয়েও এদিন শিশুৰামক জগৰ লগালে। শিশুৰামে পথাৰৰ পৰা হাল মেলি আহি সময়মতে ভাত নোপোৱা দেখি খং মূৰৰ চুলিৰ আগ পালেগৈ। বেলি তিনিপৰীয়ালৈকে ভাত নোহোৱা দেখা পাই ভদৰীক প্ৰশ্ন কৰাৰ লগে লগে ভদৰীয়ে উত্তৰ দিলে এইবুলি-"মোৰ মূৰটোৰে ভাত ৰান্ধি দিম নেকি? খৰি এডাল বুলিবলৈ নাই ঙ্গ গেৰেহা কেঁচা খৰি ফুৱাওঁতে ফুৱাওঁতে হাৰাশাস্তি হৈছো। নুবুজা নেমেলাকৈ দুপ্‌দুপাই উঠিলেই হ'ল নেকি?"[১১]

ভদৰীয়ে কেঁচা খৰিৰ জুই ফুৱাই ফুৱাই নাকৰ পানী আৰু চকুৰ পানী একাকাৰ কৰি অতি কষ্টেৰে ভাত ৰান্ধিবলগীয়া হৈছিল বাবেই অতিষ্ঠ হৈ শিশুৰামৰ ওপৰত ক্ষোভ উজাৰিলে। ভদৰীৰ প্ৰত্যুত্তৰত শিশুৰাম খঙত টিঙিৰি-তুলা হৈ উঠিল। স্বামীৰ ওপৰত মাত মতাটো যেন ভদৰীৰ

গুৰুতৰ অপৰাধ হ'ল। পুৰুষপ্ৰধান সমাজখনত স্বামীসকলৰ দোষ-গুণক মূৰ পাতি লৈ অতি সহনশীলতাৰে দিন কটোৱাটোৱে যেন পত্নীসকলৰ ধৰ্ম। গতিকে ভদৰীক ক্ষমাৰ অযোগ্য বুলি ভাবি মাছ বাচিবলৈ লোৱা মৈদাখনেৰে ভদৰীৰ মূৰত দুকোব মাৰিলে। লগে লগে ভদৰী তেজেৰে টুমৰলি হৈ মুচকচ গৈ মাটিত পৰিল। আঘাতপ্ৰাপ্ত হৈ চিকিৎসালয়ত থাকি তিনি দিনৰ মূৰত যেতিয়া চেতন অৱস্থা ঘূৰাই পালে তেতিয়া কিন্তু ভদৰীয়ে প্ৰথমতে স্বামীকে বিচাৰিছিল। শিশুৰাম হাজোতত থকা বুলি গম পাই ভদৰী পুনৰ অজ্ঞান হৈ পৰে। শিশুৰাম আহি উপস্থিত হোৱাতহে মানসিক ভাৰসাম্য ঘূৰাই পায়। তেতিয়া ভদৰীয়ে শিশুৰামক দোষী সাব্যস্ত নকৰি সেই দোষ নিজে মূৰ পাতি লৈছে-"দেউতা ঈশ্বৰ ধৰ্মাৱতাৰ। এওঁৰ কোনো দোষ নাই, এওঁক এৰি দিয়ক। বেটী গোলামিৰ মূৰ মৈদাত পৰি বেটী গোলামীৰ গা কাটিছে।"[১২] এই কাৰ্যৰ দ্বাৰা ভদৰী চৰিত্ৰটোৰ মহানুভৱতা প্ৰকাশ পাইছে। স্বামীৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভক্তিয়ে ভদৰী চৰিত্ৰটোক ভাৰতীয় আদৰ্শ নাৰীৰ চৰিত্ৰলৈ উন্নীত কৰিছে। প্ৰফুল্ল কটকীৰ ভাষাত- "গিৰীয়েক শিশুৰামক আইনৰ কৱলৰ পৰা ৰক্ষা কৰিবলৈ তাই মিছা মতা কথাটো পাঠকৰ বাবে একান্ত বিস্ময়কৰ আৰু অপ্ৰত্যাশিত। এই কাৰ্যৰ দ্বাৰা তাই প্ৰতিব্ৰতা ভাৰতীয় নাৰীৰ পতিৰ বাবে কৰা আত্মত্যাগৰ প্ৰাচীন ঐতিহ্যটো পুনৰবাৰ প্ৰতিষ্ঠা কৰিলে।"[১৩]শিশুৰাম অনুশোচনাত দগ্ধ হ'ল। ভদৰীৰ কথাত হুকহুকাই কান্দিবলৈ ধৰিলে আৰু নিজৰ ভুল স্বীকাৰ কৰি হেলাৰঙে হাজোতলৈ যাবলৈ ওলাল। ভদৰীৰ সহনশীলতা গুণে চৰিত্ৰটোক মহীয়ান কৰি তুলিছে।

'ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ' গল্পত হাকিমনী চৰিত্ৰটোত পতিভক্তি প্ৰকাশ পাইছে। যদিও গল্পটো স্বামী-স্ত্ৰীৰ মাজৰ এখন কাজিয়াৰে আৰম্ভ হৈছে, তথাপি তাৰ অন্তৰালত হাকিমনীৰ চৰিত্ৰটোত পতিভক্তিৰ ৰূপটো অতি স্পষ্টকৈ ওলাই পৰিছে। হাকিম আৰু হাকিমনীৰ মাজত সৰু সৰু কথাতে কাজিয়া হয়। আঞ্জাত লোণ নোহোৱা দেখা পাই হাকিমে হাকিমনীক ঠাট্টা কৰিলে। হাকিমনীয়েও উত্তৰ দিলে এইবুলি- " আমি ৰান্ধিলে আঞ্জাত লোণ নহয়, ভাত আধাফুটা হয়। মাছ কেঁচাই থাকে; কিবা বোলেনে ঢেৰুৱাৰ ঠাৰি নিসিজে। ৰান্ধনি বামুণ নাইবা 'খানচামা' নেৰাখে বা কিয়? সিহঁতে ৰান্ধি দিলেই দেখোন জুতি ধৰি খাব পাৰে; আৰু কিবা বোলেনে গোলামীজনীয়েও 'ছুটী' পায়।"[১৪] অতি কষ্টেৰে ভাত ৰান্ধি দিয়াৰ পিছত স্বামীয়ে যেতিয়া প্ৰশংসা নকৰিলে তেতিয়া হাকিমনীয়েও খঙৰ ভমকত ক্ষোভ উজাৰিলে।

কাজিয়াৰ এই সূত্ৰপাতে ভীষণ ৰূপ ধাৰণ কৰিলে। মুখে মুখে উত্তৰ দিয়া দেখা পাই হাকিমনীক মাৰিবলৈ চোচা লওঁতে হামকুৰিখাই পৰি মূচকছ গ'ল। স্বামীৰ অৱস্থা দেখা পাই

নিমিষতে খণ্ড নাইকিয়া হৈ হাকিমনীয়ে দৌৰি আহিল- “ অ, মোৰ ভৈয়াইৰ কি হ’ল ঔঙ্গ মোৰ ভৈয়াইক হাততে হেৰুৱালোঁ নে কি ঔঙ্গ বুলি ৰাউচি মাৰি দি উধাতু খাই লৰি আহিল।”[১৫] এনেদৰে গল্পটোত স্বামীৰ প্ৰতি থকা ভক্তি প্ৰকাশ পাইছে। সাংসাৰিক সৰু-সুৰা কথাত স্বামী-স্ত্ৰীৰ মাজত কাজিয়া লাগিলেও স্বামীৰ বিপদৰ সময়ত হাকিমনীৰ সহানুভূতিত চৰিত্ৰটোৰ মহত্ব ফুটি উঠিছে।

‘জয়ন্তী’ গল্পটোত মানৰ আক্ৰমণৰ সময়ত মানসকলে অসমীয়া লোকসকলৰ ওপৰত নানা অত্যাচাৰ উৎপীড়ন কৰাৰ উপৰিও ঘৰৰ বস্তু-বাহানি আদিও লুট কৰি লৈ গৈছিল। এনেদৰে এদিন জয়ন্তীৰ ঘৰত মান ডকাইত সকলে সোমাই বস্তু-বাহানি বিচাৰি নাপাই স্বামী ৰমানাথক চমটাৰে কোবাবলৈ ধৰিলে। জয়ন্তীয়ে তেতিয়া সহ্য কৰিব নোৱাৰি উপস্থিত বুদ্ধি উলিয়াই মানসকলক বশ কৰাৰ চেষ্টা কৰিলে। প্ৰত্যুপন্নমতি জয়ন্তীয়ে নিজৰ উদ্দেশ্যত সফলো হ’ল। গাতৰ ভিতৰত ধন থৈ দিয়া বুলি গাত খান্দিবলৈ দি বুদ্ধিৰে গাতত পেলাই তেওঁলোকৰ মূৰ কাটি পেলালে। গল্পটোত উল্লেখ কৰা অনুসৰি- “ক’ত সেই ভয়ত সোত-মোত খোৱা জয়ন্তীয়ে চকুৰ লোৰে ৰিহাৰ আঁচত তিয়াইছিল আৰু ক’ত নিমিষতে এই ৰণোন্মত্তা চামুণ্ডাৰূপিনী তিৰোতাই তৰোৱাল হাতত লৈ উন্মাদ নৃত্য কৰিব লাগিছে।”[১৬] এনেদৰে স্বামীৰ উদ্ধাৰৰ বাবে কোমল অন্তৰৰ জয়ন্তীয়ে দুঃসাহিকতা প্ৰৰ্দশন কৰিলে যদিও শেষত মানসিক ভাৰসাম্য হেৰুৱাই পেলালে। গল্পটোত জয়ন্তীৰ পতিপ্ৰেমৰ নিদৰ্শন দেখিবলৈ পোৱা যায়।

‘সেউতী’ গল্পত তথাকথিত সমাজ-ব্যৱস্থাৰ অন্ধ নীতি-নিয়মে সেউতীৰ জীৱনটোক ধ্বংসৰ মুখলৈ ঠেলি দিছিল। সেই সময়ৰ সমাজ-ব্যৱস্থা মতে সেউতীক অতি কম বয়সতে বিয়া দিয়া হৈছিল। সংসাৰৰ অভিজ্ঞতাশূন্য ছোৱালীজনীক ৯ বছৰ বয়সতে মাক-দেউতাকে বিয়া দিছিল। সেয়েহে সেউতীয়ে স্বামী কি বস্তু গমকে পোৱা নাছিল। ঘৰৰ মানুহে অতি উলহ-মালহেৰে সেউতীক বিয়া দিছিল যদিও বিয়াৰ এমাহ পিছৰ পৰা কথা ওলাল যে সেউতী তেওঁলোকৰ ঘৰৰ সমন্ধ লগা। গতিকে তেওঁলোকে সেউতীক ৰাখিব নোৱাৰে। সেউতীক মাকৰ ঘৰলৈ পঠাই দিয়া হ’ল।

উমলি থকা বয়স আছিল হেতুকে সেউতীয়ে তেতিয়া একো উম-ঘামেই পোৱা নাছিল। কিন্তু দিন বাগৰি যোৱাৰ লগে লগে সেউতীৰ বয়স অনুযায়ী জ্ঞানো বাঢ়ি গ’ল। জীৱনৰ আকাংক্ষিত পোৱা নোপোৱাৰ সকলোখিনিয়েই ফঁহিয়াই চাব পৰা হ’ল। হৃদয়ৰ

আহ্বানত সেউতীয়ে স্বামীক লগ পাবলৈ উদ্বাউল হৈ পৰিল। কাৰণ সেউতীৰ বয়সে আছিল মনৰ সমগ্ৰ ভাৱ-অনুভূতিক আপোনজনৰ আগত ভাগ-বতৰা কৰাৰ সময়। স্বামীৰ সান্নিধ্যত জীৱনৰ সমগ্ৰ মধুৰতাখিনি আস্বাদ কৰিব বিচাৰে। কিন্তু জীৱনলৈ কেতিয়াবা এনে দুৰ্যোগ আহে তেতিয়া মনৰ এই তীব্ৰ আহ্বানৰ সামাজিক নীতি নিয়মে প্ৰত্যাহ্বান হিচাপে থিয় দিয়ে।

সেউতীৰ সুখ-সম্ভোগক বঞ্চিত কৰা সামাজিক নীতি-নিয়মে কিন্তু সেউতীৰ মনটোক ধৰি ৰাখিব পৰা নাই। স্বামীক লগ পোৱাৰ তীব্ৰ বাসনাই বাকী সকলো বাধা-নিষেধ নেওঁচি স্বামীৰ ওচৰত যাবলৈ ঢাপলি মেলিলে। স্বামীৰ ঘৰত কোনো মৰ্যাদা নাই বুলি জানিও দেউতাকক কৈছে- "দেউতা মই তেওঁৰ বেটী হৈ ঢেকিশালত পৰি থাকিম, মোক পঠিয়াই দিয়ক।"[১৭] এই উক্তিত সেউতীৰ অন্তৰত নিহিত হৈ থকা স্বামীৰ প্ৰতি থকা সুগভীৰ প্ৰেমৰ উন্মুক্ত প্ৰকাশ ঘটিছে। সেউতীৰ এই হৃদয় বিদাৰক উক্তিয়ে দেউতাকৰ অন্তৰতো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। উপায়বিহীন হৈ দেউতাকেও সেউতীক শহুৰেকৰ ঘৰলৈ পঠাই দিলে। নানা বাধা বিঘিনিৰ মাজতো সেউতীৰ অন্তৰৰ পৰিতৃপ্তিৰ বাসনা দুৰ্বাৰ হৈ পৰিল। লুকাই চুৰকৈ হ'লেও স্বামীক লগ কৰিব ধৰিলে। "লাহে লাহে লুকাই-চুৰকৈ স্বামী স্ত্ৰীৰ মিলন হৈ দুখ, বেজাৰ, প্ৰেম, স্নেহ সহানুভূতি প্ৰভৃতি বিশ্বব্ৰহ্মাণ্ডখনেও নধৰা মনৰ ভাববিলাক দুইৰো ভিতৰত জনোৱা-জানি হ'বলৈ ধৰিলে। সেউতীৰ পক্ষে নৰকও স্বৰ্গ হ'ল।"[১৮] সেউতীৰ চৰিত্ৰটোত এগৰাকী নাৰীৰ স্বামীৰ প্ৰতি থকা স্বৰ্গীয় প্ৰেমৰ অনুভৱ অনুভূত হয়। লগতে ভাৰতীয় নাৰীৰ পতিপ্ৰেমৰ নিদৰ্শনও দেখিবলৈ পোৱা যায়।

এগৰাকী নাৰীয়ে স্বামীৰ সান্নিধ্যত থাকি জীৱনটো ধন্য কৰিব বিচাৰে। বেজবৰুৱাৰ ভাষাত- "আদৰৰ আৰু মৰমৰ বস্তুক মানুহে সদায় ওচৰত ৰাখিবলৈ চেষ্টা কৰে, এনেকি সেই বস্তুৰ প্ৰতিকৃতিও মানসপটত জল্‌জল পট্ পট্ কৰি আঁকি ৰাখে। পত্নীয়ে পতিক ভাল পায় আৰু ভক্তি কৰে। পত্নীয়ে কেৱল পতিৰ ওচৰত থাকিয়েই ক্ষান্ত নাথাকে, তেওঁ স্বামীৰ প্ৰতিমূৰ্তি হৃদয়আকাশত স্বৰ্ণাক্ষৰে আঁকি ৰাখে যাতে স্বামীৰ পৰা ক্ষন্তেকৰ নিমিত্তে মন বিচলিত নহয়।............ কি দুখ, কি সুখ, কি হৰ্ষ, কি বিষাদ, কি আনন্দ, কি খেদ, সকলো অৱস্থাতে, সকলো সময়তে, সকলো প্ৰাণীয়ে নিজৰ প্ৰিয়জনক ওচৰত ৰাখে আৰু স্মৰণ কৰে।"[১৯]

সেউতী চৰিত্ৰটোত চিৰন্তন নাৰীৰ গোপন কোণত স্তূপীকৃত হৈ থকা হিয়াৰ

সৰ্বস্ব আবেগৰ অনুৰনন ঘটিছে। সেউতীৰ মনৰ এই অনুভৱ নাৰী জীৱনৰ কাৰণে কোনো নতুন কথা নহয়। যিকোনো নাৰীৰ অন্তৰতে এই অনুভূতিৰ উদ্রেক হ'ব পাৰে। গল্পটোত গল্পকাৰে নাৰী মনস্তত্বৰ সৰ্বাঙ্গসুন্দৰ দিশৰেই অনুসন্ধান কৰিছে। এই অনুভৱৰ তাড়নাতেই সেউতীয়ে আসন্ন বিপদৰ কথা নেওচি স্বামীক লগ কৰি অন্তৰৰ বাসনাৰ পৰিতৃপ্তি অনুভৱ কৰিছিল। শেষত ঘৰৰ মানুহৰ আক্ৰমনৰ বলি হৈ মৃত্যুক আঁকোৱালি ল'ব লগা হ'ল।

**প্ৰকৃতিপ্ৰেমী নাৰীঃ**

বেজবৰুৱাৰ কিছুমান গল্পত প্ৰকৃতিৰ এক অনন্য ৰূপ দাঙি ধৰিছে। 'জলকুঁৱৰী' গল্পত এগৰাকী যোল বছৰীয়া ছোৱালীৰ প্ৰকৃতিপ্ৰেম দেখিবলৈ পোৱা যায়। ভৰযৌৱনা ছোৱালীজনী সংসাৰৰ দায়িত্বৰ প্ৰতি উদাসীন। প্ৰকৃতিৰ সৌন্দৰ্যৰ প্ৰতি আকুল হৈ পৰে। ৰূপহী নদীৰ পাৰত গৈ সৌন্দৰ্য উপভোগ কৰাটো ছোৱালীজনীৰ দৈনিক কাম। গল্পটোত উল্লেখ কৰা অনুসৰি "ৰূপহীৰ পাৰৰ এডোখৰ আওহতীয়া ঠাইত এজোপা ডাঙৰ জৰী গছ আছে। সেই জৰীজোপাৰ তলতে এজনী ছোৱালী পুৱা গধূলি সদায় বহি থকা দেখিবলৈ পোৱা যায়। ছোৱালীজনীৰ চকু ৰূপহীৰ বুকুৰ এটা ছাকনৈয়াৰ ওপৰতে থাকে। সেই চাকনৈয়াটোক চাকনৈয়া নুবুলি ৰূপহীৰ মুখ বুলিলে কথাটো বেছি খেও খায়। কাঠ খাগৰি নল যি সেইখিনি পাইহি, ৰূপহীয়ে আ কৰি তাক পেটৰ ভিতৰত সুমাই থয়।"[২০] নদীৰ মৌন ভাষাতে বিচাৰি পায় অন্তৰৰ অনাবিল আনন্দ। সাংসাৰিক জীৱনৰ বোজাৰ পৰা সম্পূৰ্ণ আঁতৰি আহি এক মুকলিমৰীয়া জীৱন কটাইছে। ছোৱালীজনীয়ে নৈৰ পাৰত বহি খাগৰি একোচা গোটাই নদীৰ চাকনৈয়াত এডাল এডাল খাগৰি পেলাই দি তাৰ গতি লক্ষ্য কৰে।

কেতিয়াবা ৰূপহী নৈৰ সৈতে কথা পাতে আৰু কেতিয়াবা মনৰ আনন্দতে নদীখনক গান গাই শুনায়। প্ৰকৃতিৰ লগত উমলি থকা গাভৰু ছোৱালীজনীৰ কাৰ্যৰ প্ৰতি গল্পৰ কথকেও বিস্ময় প্ৰকাশ কৰিছে। গল্পটোত কথকে কৈছে-"যোল বছৰীয়া ছোৱালী এজনীয়ে কি এইখন ল'ৰালি কৰি কাল কটায় তাক হৰি ভগৱন্ত আৰু তাইহে জানে।"[২১]

'কেঁহোকলি' গল্পত কেহোঁকলি সদাগৰৰ একমাত্ৰ জীয়েক বতাহী প্ৰকৃতিৰ লগতে উটি-ভাঁহি থকা ছোৱালী। গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ বতাহী। গল্পটোত উল্লেখ কৰা অনুসৰি "তাই বতাহৰ দৰে চঞ্চল আছিল দেখিয়েই মাক-বাপেকে বতাহী বুলি মাতিছিল। বাপেক-মাকৰ কামত বতাহী যেনেকৈ তীখামোখৰা তেনেকৈ হাঁহ,পাৰ গৰু ছাগলীৰ আপদাল কৰা কামতো

তাই আগৰণুৱা। পাৰবোৰৰ ভিতৰত বিশেষকৈ লোকাপাৰ বুলি এটা বতাহীৰ দেওলাও হৈ ফুৰিছিল। তাই যতে থাকক, যিহকে কৰক, সেই পাৰটো তাইৰ কাষত আৰু তাই পাৰটোৰ কাষত। দুইৰো আঁতৰা-আঁতৰি নাই। পাৰটো তাইৰ মূৰৰ ওপৰত আৰু হাতৰ ওপৰত সততে বিৰাজমান। অজান জীৱ এটাই কেনেকৈ মানুহৰ মৰমৰ মৰ্ম বুজি এনেকুৱা মৰমিয়াল হৈ পৰিছিল, দেখিলে আচৰিত মানিব লাগে।"[২২]

বতাহীৰ লগত পাৰটোৰ ইমানেই বেছি আন্তৰিক সম্পৰ্ক স্থাপন হৈছিল যে বতাহীৰ প্ৰতিটো ইংগিতেই বুজি পাইছিল। বতাহীৰ ওচৰ-চুবুৰীয়া ল'ৰা ৰণাই বতাহীক বিয়া পাতিবলৈ মন কৰে যদিও ৰণাই বতাহীক কোনো মতে বুজি নাপায়। বতাহী যেন এটা সাঁথৰ। বতাহী মুকলি বতাহৰ দৰে কাৰো ওচৰতে ধৰা নিদিয়ে। বতাহীৰ অতি প্ৰাণৰ লোকাপাৰটো এদিন বতাহীৰ হাতৰ পৰা উৰি গুছি গৈছিল। বতাহী মাতিও ওচৰলৈ আনিব পৰা নাছিল। লোকাপাৰটোক লক্ষ্য কৰি বিচাৰি যোৱাতে ফেঁটীসাপে দংশন কৰে আৰু বতাহী মৃত্যুমুখত পৰে।

বতাহী চৰিত্ৰটোৰ প্ৰকৃতিপ্ৰেম অতি সুন্দৰ ৰূপত প্ৰকাশ পাইছে। বতাহীক প্ৰকৃতিৰ বতাহৰ লগত তুলনা কৰি চৰিত্ৰৰ ফালৰপৰা অভিন্ন কৰি তুলিছে। "বতাহী মুকলি বতাহৰ বা। বতাহ সকলোৰে আদৰৰ ধন, প্ৰাণৰ বস্তু; কিন্তু কাৰো হাতত বন্দী নহয়। সি আত্মাৰাম, নিজানন্দতে সুখী। বতাহী তেনেকুৱা বতাহেই।"[২৩] প্ৰকৃতিৰ লগত উমলি থকা বতাহীক সাংসাৰিক জীৱনৰ প্ৰতি উদাসীন হোৱা দেখুৱাইছে। প্ৰকৃতিৰ উদাৰতাৰ লগত বতাহীৰ মনৰ উদাৰতাই সহবাস কৰিছে।

**প্ৰতিবাদী নাৰীঃ**

'ললিতী কাকতি' গল্পত ললিতীয়ে স্বামীৰ অমানবীয় কাৰ্যৰ প্ৰতি অতিষ্ঠ হৈ স্বামীলৈ অতি ক্ষোভেৰে এখন চিঠি লিখি পঠিয়ালে। এই চিঠিৰ এটা কপি বাঁহীৰ সম্পাদকৰ ওচৰলৈও প্ৰেৰণ কৰিলে। স্বামীয়ে ললিতীৰ ওপৰত কৰা দমন আৰু উৎপীড়নত অতীষ্ঠ হৈ চিঠিখনত মনৰ সমস্ত ক্ষোভ উজাৰিছে। লগতে সমাজত নাৰী আৰু পুৰুষৰ মৰ্যাদা সম্পৰ্কত যি প্ৰভেদ দেখা যায় সেই অনিয়ম সমূহ ললিতীয়ে যুক্তিৰে খণ্ডন কৰিব বিচাৰিছে। পুৰুষসকলে যিদৰে সমাজত স্বাধীনভাৱে নিজৰ আশা-আকাংক্ষাক প্ৰাধান্য দিব পাৰে ;থিক তেনেদৰে ললিতীয়েও সেই স্বাধীনতা মনে-প্ৰাণে বিচাৰিছে। ললিতীৰ স্বামী এজন উচ্চ শিক্ষিত ব্যক্তি, তথাপি তেওঁ আছিল অবিবেচক আৰু অসৎ প্ৰকৃতিৰ লোক। সেয়ে উচ্চশিক্ষিত স্বামীৰ কুকৰ্মক

ললিতীয়ে কঠোৰভাৱে সমালোচনা কৰিছে। উচ্চ শিক্ষা ল'লেই মানুহ জ্ঞানী নহয়; সৎ, চৰিত্ৰবান আৰু সংযত আচৰণে মানুহক সভ্য কৰি তোলে। সেয়ে ললিতীয়ে অবিবেচক স্বামীৰ উচ্চ শিক্ষাক তীব্ৰভাৱে নিন্দা কৰিছে।

পুৰুষশাসিত সমাজ-ব্যৱস্থাত পুৰুষে নাৰীৰ ওপৰত কৰা নীতি-নিয়মৰ প্ৰতিও ললিতীয়ে মাত মাতিছে। নাৰীসকলক দমন কৰি নাৰীসকলক সজ হিচাপে বিচৰাটোও এক একপক্ষীয় বিচাৰ। কিন্তু নাৰীৰ লগতে পুৰুষসকলেও যে নিজক সৎ চৰিত্ৰৰ গৰাকী হিচাপে প্ৰতিষ্ঠিত কৰিব লাগে, এই কথা ললিতীৰ বক্তব্যত স্পষ্ট হৈ উঠিছে। " তেওঁলোকে তিৰোতাৰ পৰা যেনে নিৰ্মল-শুদ্ধ চৰিত্ৰ বিচাৰে, তিৰোতাইও তেওঁলোকৰপৰা তেনে বিচাৰিব নোৱাৰে কিয় ? কৰ্তব্য এফলীয়া-একপক্ষীয়া কেনেকৈ কেতিয়াৰপৰা হ'ল ?"[২৪] এই উক্তিত ললিতীৰ নাৰীবাদৰ সুৰ ব্যঞ্জিত হৈ উঠিছে।

নাৰীৰ ওপৰত কৰা সামাজিক বিধিসমূহৰ প্ৰতি ললিতীয়ে ক্ষোভিত হৈ উঠিছে। ছোৱালী হ'লেই যে বিয়া হ'ব লাগিব, নহ'লে জীৱন ব্যৰ্থ হৈ যাব এই কথা ললিতীয়ে কেতিয়াও নামানে। সঙ্গী হোৱাৰ উপযুক্ত লোক নাপালে ছোৱালীক মাক দেউতাকে বিয়া দিয়াটো, ভুক্তভোগী ললিতীয়ে অযুগুত বুলি ভাবে। সেয়ে ললিতীয়ে মনুৰ ভাষ্যকো ভিত্তিহীন আখ্যা দিছে। পুৰুষানুক্ৰমে চলি অহা মনুৰ ভাষ্যও যে পৰিহাৰ কৰাৰ সময় আহি পৰিছে, সেই কথা ললিতীৰ বক্তব্যত প্ৰকাশ পাইছে। "পুৰুষক স্বায়ত্ব শাসন লাগে, স্বৰাজ লাগে, কাৰণ নিজৰ ভাল-বেয়াৰ আইন-কানুন তেওঁলোকে নিজে কৰি নিজৰ সুখ বঢ়াব, দুখ কমাব, কিয়নো, লোকে আইন কৰিলে তেনে নহয়। আমি তিৰোতাৰো সেয়ে যুক্তি। আমাকো স্বৰাজ-স্বায়ত্ব শাসন লাগে, আমিও আমাৰ আইন নিজে কৰি ল'ম, পুৰুষৰ হাতত আমালৈ আইন কৰাৰ ভাৰ নাৰাখো; কাৰণ তেওঁলোকে পক্ষপতীয়া আৰু সেই কাৰ্যৰ অযোগ্য প্ৰমাণিত হ'ল। তেওঁলোকৰ মনু, পৰাশৰ জ্ঞানী হ'লেও পুৰুষ, সেইদেখি তেওঁলোকে আমাৰ সম্পূৰ্ণ "দৰদ" নুবুজে।"[২৫]

সময়ৰ পৰিবতৰ্নৰ লগে লগে সমাজ-জীৱনত ব্যাঘাত সৃষ্টি কৰা ধ্যান-ধাৰণাসমূহৰো যে পৰিশোধনৰ সময় সমাগত হৈছে, তাকে ললিতী চৰিত্ৰটোৰ যোগেদি গল্পকাৰে ক'ব বিচাৰিছে। স্বামীক ভালদৰে সেৱা শুশ্ৰূষা কৰাটো নাৰীসকলৰ এক গুৰুত্বপূৰ্ণ ধৰ্ম। স্বামী যদিও কুচৰিত্ৰবান, মদপী, দুৰ্বৃত্তও হয় তথাপি নাৰীয়ে সেইবিলাকলৈ চকু নিদি তেওঁৰ সেৱাত ব্ৰতী হ'ব লাগে । কিন্তু নাৰীসকলে কিবা দোষ কৰিলে সেইবোৰ গুৰুতৰ হৈ ক্ষমাৰ অযোগ্য হৈ পৰে। সমাজেও তেওঁলোকক দুশ্চৰিত্ৰা আখ্যা দিয়ে।

নাৰীৰ ভুলৰ শুধৰণি কম; কিন্তু পুৰুষে যিমান ভুল কৰিলেও এজনীক পৰিত্যাগ

কৰি আন এজনী আকৌ বিয়া পাতি লয়। ললিতীয়ে সমাজত নাৰীৰ ওপৰত চলা এনে অন্যায় অবিচাৰৰ প্ৰতি প্ৰতিবাদী হৈ উঠিছে। “ আমি তিৰোতাবোৰ আপোনাসকল পুৰুষৰে নিচিনা মানুহে, আপোনালোকৰ ধেমালিৰ পুতুলা বা মাটিকলহ, বা ভৰিৰ খৰম বা গোহালিৰ গৰু ছাগলী নহওঁ। আপুনি যেনেকৈ মোক পৰিত্যাগ কৰিলে, মোৰো আপোনাক অযোগ্য বিবেচনা কৰি পৰিত্যাগ কৰিবৰ অধিকাৰ সম্পূৰ্ণ আছে। আৰু পৰকালতো দূৰৰ কথা, ইহকালতে সেইদিনাই যিদিনাই মোক আপুনি আপোনাৰ ঘৰৰ পৰা অপমান কৰি খেদি পঠিয়ালে- আপোনাৰ সৈতে মোৰ সকলো সম্বন্ধ গ'ল।”[২৬]

ললিতীৰ বক্তব্যত প্ৰকাশ পোৱা প্ৰতিবাদে সমগ্ৰ নাৰী জাতিক প্ৰতিনিধিত্ব কৰিছে। ললিতীয়ে নাৰীসকলক গতানুগতিকতাৰ পৰা আঁতৰাই এখন সম্পূৰ্ণ মুক্ত আকাশৰ তলত বিচৰণ কৰাব বিচাৰিছে।

য'ত নাৰীয়ে পুৰুষৰ অন্যায় অবিচাৰৰ বলি নহৈ, নাৰীৰ মৰ্যাদা সম্পূৰ্ণভাবে অটুট ৰাখিব পাৰে। মানুহ হিচাপে পুৰুষৰ যিমান মূল্য নাৰীয়ো যে তাতকৈ কোনো গুণে কম নহয়; সেই কথাটোকে চিঠিখনৰ মাজেদি প্ৰতীয়মান কৰিব বিচাৰিছে। গতানুগতিক ৰীতিত চলি অহা তিৰোতাই স্বামী সেৱা কৰা, সন্তান জন্ম দিয়া, পৰিয়ালৰ নিত্য-নৈমিত্তিক কাৰ্যৰ মাজত আৱদ্ধ থকা, আদিয়েই তিৰোতাৰ ধৰ্ম বুলি ললিতীয়ে নাভাবে। জীৱনত সফল হ'বলৈ আৰু অনেক কৰ্মৰ স্পৃহাৰে ললিতীয়ে জীৱনৰ বাটত আগুৱাই যাব বিচাৰে।

স্বামীয়ে কৰা প্ৰতাৰণাই ললিতীক অতি কঠোৰ কৰি তুলিলে। অশেষ কষ্ট-যন্ত্ৰণা সহ্য কৰি হ'লেও ললিতীয়ে জীৱনটোক অতি দৃঢ় বিশ্বাসেৰে আগুৱাই নিবলৈ সংকল্প লৈছে। ললিতীয়ে উচ্চস্বৰে মনৰ দৃঢ়তাক ব্যক্ত কৰিছে এইদৰে - “ আপুনি সমাজিকতো নাভাবিব যে মোক পৰিত্যাগ কৰিলে বুলি মই জীৱন্ততে মৰিলোঁ। আপোনাৰ নিচিনা পাপ শিকলিৰ বান্ধোনৰ পৰা মুকলি হৈ মই জীলো জানিবা। এই পৃথিৱীত অলেখ দুখিত প্ৰাণী আছে, সিহঁতক সেৱা শুশ্ৰূষা কৰিবলৈ মোৰ এই ক্ষুদ্ৰ নগণ্য জীৱন উচৰ্গা কৰি মই ধন্য মানিছো।”[২৭] সময়ৰ আহ্বানত ললিতীৰ চিন্তাধাৰা অতি উচ্চস্তৰলৈ গতি কৰিছে। তথাকথিত সমাজ-ব্যৱস্থাৰ ৰক্ষণশীলতাৰ আঁৰবেৰ গুচাই ললিতীৰ মন গতিশীলতাৰ পিনে ঢাল খাইছে। নাৰী জাতিক পুৰুষে কৰা অন্যায় অবিচাৰ আৰু হেয় প্ৰতিপন্ন কৰা সামাজিক ব্যৱস্থাৰ অসাৰতা প্ৰতিপন্ন কৰাৰ উদ্দেশ্য গল্পটোত নিহিত হৈ আছে। বেজবৰুৱাৰ আধুনিক মনে ললিতীক প্ৰগতিশীল নাৰীৰ ৰূপত উপস্থাপন কৰিছে।

‘ মাধৈমালতী ’ গল্পত মাধৈমালতী আৰু পিতৃৰ চিন্তাৰ মাজত বিৰোধৰ সৃষ্টি হৈছে। মাধৈমালতীয়ে যিজনক হিয়াৰ সৰ্বস্ব সপি দিছে ; যাক স্বামীৰূপে পাবলৈ মনে-প্ৰাণে বিচাৰিছে

সেইজন কিন্তু পিতৃ তৰণীৰ পচন্দৰ নহয়। পিতৃয়ে মাধৈমালতীক উচ্চ পদবীধাৰী ব্যক্তি এজনৰ ওচৰত গোটাব বিচাৰে। কিন্তু মাধৈমালতীয়ে যিজনক পচন্দ কৰিছে সেইজন পিতৃয়ে ভবাৰ দৰে মনচুপ সদৰামিনৰ ঘৰৰ ল'ৰা নহয়। তেওঁ ডাকঘৰত ডেৰকুৰি ৰূপ দৰমহাত কেৰেণীৰ কাম কৰে। কিন্তু মাধৈমালতীয়ে দেউতাকৰ আশাৰ বিপৰীতে নিজৰ সিদ্ধান্তটোকে শুদ্ধ বুলি বিবেচনা কৰিছে। ওচৰৰ ককাইদেৰক এজনলৈ লিখা চিঠিত এই কথা স্পষ্ট হৈ পৰিছে। "মোৰ দেউতাৰ জোঁৱাই কৰিবলৈ মুনচুপ সদৰামিনৰ ঘৰৰ ল'ৰা লাগে, নহ'লে তেওঁৰ মন নুঠে। কিন্তু তেওঁৰ আশা যে আকাশ কুসুম সেইটো তেওঁৰ বুজিবৰ শকতি নাই। তেওঁ সমাজত নিজৰ ঠাই ক'ত বুজিব নোৱাৰে। তেওঁৰ ভয়ত মই লুকাই চুৰকৈ এইদৰে চলিবলগীয়াত পৰিছোঁ। কিন্তু এই বাটৰ ওৰ বেগতে পৰিব; মোৰ বস্তু মই সোনকালে পাম। অৱশ্যে মোৰ কাৰ্যত দেউতাই শোক পাব; আৰু মোক অকৃতজ্ঞ বুলিব। কিন্তু মই নিৰুপায়। সি যি হওক, ইশ্বৰৰ ইচ্ছাত যিটো হয়, তাক কোনেও খণ্ডাব নোৱাৰে।"[২৮]

মাধৈমালতী অতি যুক্তিবাদী; নিজৰ সিদ্ধান্তত অলৰ-অচৰ । ঠেক মনোবৃত্তিৰ দেউতাকৰ উচ্চ আশাৰ যে কোনো মূল্য নাই, সেই কথা মাধৈমালতীয়ে প্ৰতিপন্ন কৰিব বিচাৰিছে। সেয়ে মাধৈমালতীয়ে নিজৰ সুখ সম্ভোগক দেউতাকৰ তৰল চিন্তাৰ আঁৰত ঢাকি থৈ দিব বিচৰা নাই। সময়ত নিজে নিজৰ পথ বাছি লৈছে। দেউতাকলৈ লিখি থৈ যোৱা চিঠিখনত অতি স্পষ্টবাদীতাৰে লিখি থৈ গৈছে- " মই সদায় যাক পতিবৰণ কৰি আহিছোঁ তেওঁৰ লগলৈ মই এতিয়া যাবলৈ ওলালোঁ। দুখীয়া সনাতন হে, যাক তুমি দেখিবকে নোৱাৰা, মোৰ স্বামী। এই কথাৰ অন্যথা কোনেও কৰিব নোৱাৰে। তুমি যদি কেতিয়াবা মোৰ দোষ মৰ্ষণ কৰিব পাৰা, তেতিয়া মোৰ সৈতে দেখা হ'ব, নতুবা এয়ে মোৰ শেষ বিদায় বুলি ল'বা।"[২৯] মাধৈমালতী স্বাধীনচেতীয়া নাৰী। মনে বিচৰাজনৰ প্ৰাপ্তি নিশ্চিত কৰি তুলিবলৈ সাহসেৰে বাধাৰ প্ৰাচীৰ আঁতৰাব বিচাৰিছে। জীৱন সুন্দৰ কৰাৰ বাসনাৰে মাধৈমালতীয়ে প্ৰিয়জনৰ বাহ্যিকতাক গুৰুত্ব নিদি অন্তৰ সৌন্দৰ্যৰ সন্ধান কৰিছে।

**ৰোমান্টিক প্ৰেমঃ**

'কন্যা' গল্পটোত নাৰীমনৰ সুকোমল দিশটো অতি সুন্দৰভাৱে প্ৰকাশ পাইছে। গল্পটোত বৰ্ণনা কৰা অনুসৰি এগৰাকী কোল ডেকাই নিতৌ আবেলিৰ পৰা গধূলিলৈকে নৈৰ পাৰত বহি থাকে। বৰশী বায় যদিও ল'ৰাজনৰ আচল উদ্দেশ্য যেন বৰশী বোৱা নহয়। বৰশী বোৱাৰ চলেৰে নৈৰ সিপাৰত চকু থৈ কোনোবা সপোনপুৰীত ডুব যায়। ল'ৰাজনে বৰশী বোৱা ঠাইডোখৰৰ সমুখতে আছে পানী নিয়া ঘাট। কোল ছোৱালী এজনীয়ে সেই ঘাটলৈ পানী নিবলৈ

আহি কলহটো ধোৱাৰ অজুহাত দেখুৱাই বহুত পৰলৈকে সময় কটায়। "এই মাছ ধৰোতা আৰু পানী কঢ়িয়াওঁতা দুজনৰ ভিতৰত এই ফেৰাহে- ইফালে ইটোৱে হাতত বৰশীৰ ডাঁড়ি লৈ চৰগপৰা মানুহটো যেন চকু থিৰ কৈ থাকে, সিফালে সিজনীয়ে বালি ঘঁহি ঘনে ঘনে কলহ ধুই কেঁৰা-কেৰিকৈ ইয়াৰ ফালে চাই কাল কটায়।"[৩০] ইজনে সিজনক ভাল পায় কিন্তু মনৰ কথা প্ৰকাশ কৰিবলৈ দুয়োজনে অপাৰগ। দুয়োজন সহজ-সৰল মানবীয় লোকৰ প্ৰতিমূৰ্তি। নৈ জান-জুৰিৰ নীৰৱতাৰ দৰেই দুয়ো নীৰৱতাতেই আত্মতুষ্টি লভে। যদিও ল'ৰা আৰু ছোৱালীজনীৰ মাজত কথাৰ আদান-প্ৰদান হোৱা নাছিল তথাপিও অন্তৰৰ মাজেদিয়েই যেন এক ঘনিষ্ঠ সম্পৰ্ক গঢ় লৈ উঠিছিল। চৰিত্ৰ দুয়োটাকে মুক যেন লাগিলেও দেহজ ভঙ্গিমাতেই দুয়োজনে ইজনে সিজনৰ যৌৱনৰ উন্মাদনাখিনিৰ উপভোগ্য কৰি তুলিছিল। দুচুকুৰ মিলনতেই প্ৰেমানুভূতিৰ অভিব্যক্তি ঘটিছিল।প্ৰহ্লাদ কুমাৰ বৰুৱাৰ ভাষাত- "গল্পৰ চৰিত্ৰ তেতিয়াই সফল হৈ উঠে, যেতিয়া চৰিত্ৰৰ মনোজগতৰ দ্বন্দ্ব অত্যন্ত তীব্ৰ আৰু ক্ৰিয়াশীল হৈ উঠে।"[৩১]

কাহিনীটোৰ পৰা অনুমান কৰিব পাৰি ছোৱালীজনী অৰ্ন্তদ্বন্দ্বত ভূগি মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছিল। এদিন কোল ডেকাজনৰ দুৰ্ভাগ্যবশতঃ মৃত্যু হোৱাত তাৰে কেইদিনমান পিছত সেই নদীৰ ঘুলিটোত ছোৱালীজনীৰ মৃতদেহটো উদ্ধাৰ কৰা হয়। ল'ৰাজনৰ মৃত্যুৰ শোকতে যে ছোৱালীজনীয়ে আত্মহত্যা কৰিছে কথাটো সহজে অনুমান কৰিব পৰা হৈছে। কোল ছোৱালীজনী সহজ-সৰল নাৰীৰ প্ৰতিভূ। সৰল অন্তৰৰ ছোৱালীজনীয়ে দুখৰ বোজা সহ্য কৰিব নোৱাৰি আত্মহত্যাৰ পথ বাচি লৈছে।

'ৰতনমুণ্ডা' গল্পটোত ৰতনমুণ্ডা আৰু জুমুৰীৰ প্ৰেমৰ ছবি দেখিবলৈ পোৱা যায়। কোল সম্প্ৰদায়ৰ অতি হেপাঁহৰ মাঘপৰৰ উৎসৱ অহাৰ লগে লগে ডেকা গাভৰুসকলৰ গাত তত নাইকিয়া হয়। এই উৎসৱতে বহুতো ডেকা-গাভৰুৰ মনৰ মিলন ঘটে। থিক তেনেদৰে ৰতন আৰু জুমুৰীৰো এই উৎসৱতে মনৰ মিলন হৈছিল। গল্পটোত উল্লেখ আছে- " কোল নৰ-নাৰীৰ মন সমুদ্ৰত ক্ষন্তেকীয়া ঢৌ তুলি মাঘ পৰৰৰ ধুমুহা বছেৰেকলৈ গুছি গ'ল। কিন্তু এই ধুমুহাৰ ছাটিটোৱে এই ক্ষন্তেকৰ ভিতৰতে কেইখন প্ৰেম নাও ভাঙি গুটীয়া কৰিলে, কেইখন গুটীয়া নাও লগলগাই মাৰ বান্ধিলে, কিমান বুৰালে, কিমান ফালিলে, ক'ত আঁতৰি থকা আৰু ভঙা বুকু জোৰা লগালে, ক'ত জোৰা লগা বুকু ভাঙিলে আৰু আঁতৰালে কোনে ক'ব পাৰে? আনৰ কথা আমাক নেলাগে; ৰতনমুণ্ডা আৰু জুমুৰীৰ আঁতৰি থকা হৃদয় দুখন প্ৰেম সুৰাগেৰে জালি একেবাৰেই নিৰহ নিৰানীকৈ জোৰাই যে সি একেখন কৰি দি গ'ল, আন নহ'লেও , এই বাবেই

আমি মাঘ পৰৰৰ ওচৰত ধৰুৱা।”৩২ ইয়াৰ পিছত দুয়োৱে ঘৰত বিয়াৰ কথা চলিল যদিও ছোৱালীৰ বাপেকে বিচৰা মতে ধন-বস্তু ল'ৰাৰ বাপেকৰ পৰা নোপোৱাত দুয়োৰে বিয়াৰ আলোচনা ইমানতে অন্ত পৰিল। পিছত ৰতন আৰু জুমুৰীয়ে ঘৰৰ পৰা পলাই গৈ মিলন হয়।

**চিৰন্তন মাতৃ হৃদয়ঃ**

এগৰাকী নাৰীৰ অনন্য ৰূপ হৈছে মাতৃ। সন্তানৰ প্ৰতি এগৰাকী মাকৰ মৰম তুলনাবিহীন। এই গুণে নাৰীক মহীয়ান কৰি তুলে। 'মুক্তি' গল্পটোত সুকুমাৰে বিদ্যালয়ৰ শিক্ষক, পিতৃ, ককায়েকৰ কঠোৰ অনুশাসনৰ তলত থাকিবলগীয়া হৈছিল। কিন্তু গল্পটোত সুকুমাৰৰ মাকৰ চৰিত্ৰ অতি কম সময়ৰ বাবে ওলালেও চৰিত্ৰটোৰ মাজত চিৰন্তন মাতৃ হৃদয়ৰ ছবি এখন দেখিবলৈ পোৱা যায়। গল্পটোত সুকুমাৰে যেতিয়া দেউতাকে বিচৰা ধৰণে পঢ়াত পাৰ্গত হ'ব নোৱাৰিলে তেতিয়া ককায়েক দেবকুমাৰে সুকুমাৰক ডিবৰুলৈ নিয়াৰ সিদ্ধান্ত ল'লে। সুকুমাৰে ঘৰ এৰি যাব ওলোৱা দেখি মাকৰ অন্তৰখন কান্দি উঠিল- “ সুকুমাৰক লগত লৈ দেৱকুমাৰে মাক-বাপেকক সেৱা কৰি বিদায় ল'বৰ সময়ত মাকে সুকুমাৰৰ মুখত চুমা খাই ক'লে, হেৰ' তই ককাইদেউৰ হাক-বচন মানি চলিবি, মোৰ সোণাই আৰু মন দি পঢ়িবি। আৰু বৰপুতেকৰ মুখত হাত ফুৰাই তেওঁ ক'লে, হেৰ' বৰবোপা, তাক তই বৰকৈ তম্বি নকৰিবি, মোৰ মইনা, সি লাহে লাহে পঢ়িব; অজলা ল'ৰা, একেবাৰে বৰকৈ টানি নধৰিবি। এইবুলি নিজৰ আঁচলেৰে তেওঁ চকুৰপানী মচিলে।”৩৩

গল্পটোৰ শেষত যেতিয়া সুকুমাৰে নৰীয়াত পৰি অস্থিৰ হৈ পৰিছিল তেতিয়া সুকুমাৰে ওচৰত মাকক বিচাৰিছিল। মাকৰ সান্নিধ্যত সুকুমাৰে যি প্ৰশান্তি অনুভৱ কৰিছিল তাৰ বিপৰীতে আন সকলোবিলাকৰ কঠোৰ শাসনে সুকুমাৰক অতিষ্ঠ কৰি তুলিছিল। এই বয়সখিনিত এগৰাকী শিশুৱে জীৱনৰ কঠিনতা একো বুজি নাপায়; কেৱল মৰম আকলুৱা হৈ পৰে। সুকুমাৰৰ এই অভাৱ মাকৰ বাহিৰে কোনেও পূৰণ কৰিব পৰা নাছিল।

'আমালৈ নাপাহৰিবা' গল্পত গল্পৰ নায়িকা ছোৱালীজনীক যেতিয়া উৰিষ্যাৰ পাণ্ডা এজনে নি কলিকতাৰ ডিপোত বিক্ৰী কৰি থৈ আহিছিল তেতিয়া ছোৱালীজনীয়ে বিপদত পৰা মুহূৰ্তত মাকক বিনাই “আগলি কলাপাত লৰে কি চৰে। চিলনী আই মোৰ আগতে পৰে।” এই গীতফাঁকি গাইছিল। কাৰণ চিলনীৰ জীয়েকৰ সাধুত পোৱা এই কথাখিনি এদিন ছোৱালীজনীয়ে মাকৰ পৰা শিকি লৈছিল যে কেতিয়াবা বিপদত পৰা মূহুৰ্তত যদি

ছোৱালীজনীয়ে এই গীতফাঁকি গায় তেতিয়া চিলনীৰ জীয়েকক মাকে উদ্ধাৰ কৰাৰ দৰে তাইকো মাকে উদ্ধাৰ কৰিব। এই কথাখিনি বিশ্বাস কৰিয়েই ছোৱালীজনীয়ে বিপদত পৰা মূহুৰ্তত এই গানফাঁকি গোৱাৰ পিছত যদিও মাকক লগ পোৱা নাছিল তথাপিও অসমৰ মানুহ লগ পাই গানফাঁকিৰ দ্বাৰা অসমীয়া ছোৱালী বুলি চিনাক্ত কৰিব পাৰি ছোৱালীজনীক গল্পৰ কথকে উদ্ধাৰ কৰে। সন্তানৰ প্ৰতি থকা মাকৰ দায়িত্ব, মৰম, উপদেশ আৰু সেই উপদেশৰ প্ৰতি বিশ্বাসে ছোৱালীজনী বিপদৰপৰা হাত সাৰিলে।

'কেহোঁকলি' গল্পত বতাহীৰ মৃত্যু হোৱাৰ পিছত মাতৃ কুটকুৰীয়ে শোকত ভাগি পৰিল। জীয়েকৰ দুখ সহ্য কৰিব নোৱাৰি নিজেও এদিন মৃত্যুক সাৰটি ল'লে। গল্পটোত উল্লেখ কৰা অনুসৰি- "কুটকুৰী যেই বিচনাত পৰিল, তিনিদিনলৈকে কোনেও তেওঁক তাৰ পৰা তুলিব নোৱাৰিলে। চতুৰ্থ দিনাৰ পুৱাতে দেখা গ'ল যে, চোতালৰ তুলসীজোপাৰ তলতে মূৰটো দি বুঢ়ী পৰি মৰি আছে। বতাহীয়ে এখন মুগাৰ ৰিহা বৈছিল। ৰিহাখনৰ আঁচলত তাই বতাহী বুলি নামটো আঁচুৰে তুলি লৈছিল। দেখা গ'ল বুঢ়ীৰ গাত সেইখনেই।"[৩৪] জীয়েকৰ দুখতেই যে মাকৰ মৃত্যু হ'ল সেই কথাটো গল্পটোত স্পষ্ট হৈ উঠিছে।

**ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পত নাৰী মনস্তত্বঃ**

**যৌনতাড়িত কামনাৰ অভিব্যক্তি প্ৰকাশক নাৰীঃ**

'নষ্টনীড়' গল্পটোত নাৰী-মনস্তত্বৰ সুন্দৰ প্ৰতিফলন ঘটিছে। নাৰীৰ মন গহনত অৱদমন কৰি ৰখা চিৰন্তন সত্যক অতি সুন্দৰভাৱে উদঙাই দেখুৱাইছে। গল্পটোত নৰ-নাৰীৰ জৈৱিক বাসনাৰ মনঃসমীক্ষাত্মক বিশ্লেষণেৰে নৰ-নাৰীৰ জটিল সম্পৰ্কক অতি নিখুট বৰ্ণনাৰে দাঙি ধৰিছে। গল্পটোৰ কাহিনীভাগত আছে চাৰুলতা আৰু ভূপতিৰ দাম্পত্য জীৱনৰ এক স্খলিত ছবি। ভূপতি খবৰ কাগজ এখন উলিওৱাৰ কামত ব্যস্ত হৈ পৰাৰ বাবে সদ্য যৌৱনপ্ৰাপ্তা পত্নীৰ লগত সময় কটাব পৰা নাছিল। সেয়ে চাৰুলতাই মনত অসন্তোষ অনুভৱ কৰিছিল। গল্পটোত উল্লেখ কৰা অনুসৰি "যে সময়ে স্বামী-স্ত্ৰী প্ৰেমোন্মেষের প্ৰথম অৰুণালোকে পৰস্পৰৰ কাছে অপৰূপ মহিমায় চিৰনূতন বলিয়া প্ৰতিভাত হয়, দাম্পত্যের সেই স্বৰ্ণ প্ৰভাৰমণ্ডিত প্ৰত্যুষকালে অবস্থায় কখন অতীত হইয়া গেল কেই জানিতে পাৰিল না। নতুনত্বৰ স্বাদ না পাইয়াই উভয়ে উভয়েৰ কাছে পুৰাতন পৰিচিত অভ্যস্ত হইয়া গেল।"[৩৫] এনেদৰেই আৰম্ভ হৈছিল দুয়োজনৰ জীৱনৰ কাৰুণ্যৰ বীজ। ভূপতিৰ অনুপস্থিতিত চাৰুৰ অন্তৰ নিঃসঙ্গতাৰ ডাৱৰে

ছানি ধৰিছিল। ভূপতিয়ে চাৰুৰ অন্তৰৰ কোনো বুজ নোলোৱাকৈ চাৰুৰ সঙ্গী হিচাপে তেওঁলোকৰ সম্পৰ্কীয় মন্দাকিনীক আনি দিলে। ভূপতিৰ চিন্তাৰ তাৰল্যতাৰ মাজেদিয়েই চাৰুৱে এক আড়ম্বৰহীন জীৱন কটাবলৈ ধৰিলে। এই ক্ষেত্ৰত শিশিৰ কুমাৰ দাশৰ মন্তব্য এযাৰ দাঙি ধৰিব পাৰি- " যে নাৰীৰ অন্তরে মৃত প্রেমের মাধুরীকে বহন করে সংসার তার পক্ষে কত দুঃসহ, স্বামী তার পক্ষে কত কঠিনঙ্গ যে সাহস ও সংযম রবীন্দ্রনাথ দেখিয়েছেন এই গল্পে তা আধুনিক সাহিত্যিকদের আদর্শ ও জটিল-দুর্ভেদ্য হৃদয় অরণ্যের পথচারীদের অগ্রণী হিচেবেই গ্রাহ্য। 'চোখের বালি'তেও রবীন্দ্রনাথ এই পরীক্ষা করেছেন। উপন্যাসের পটভূমিকায় জটিল ঘটনাস্রোতের ঘাত-প্রতিঘাতে যে কাহিনী সৃষ্টি সম্ভৱ, ছোটগল্পের পরিসরে তা সৃষ্টি করা কত কঠিন। সেই কঠিন পরীক্ষায় রবীন্দ্রনাথ সার্থক হয়েছেন।"[৩৬]

দাম্পত্য জীৱনৰ পাতনি মেলা প্ৰাক্ ক্ষণতেই স্বামী-স্ত্ৰীৰ মাজত এক বিৰাট ব্যৱধানে দেখা দিলে। সেই সময়ছোৱাত দুয়োজনৰ জীৱন সম্পৰ্কীয় দৃষ্টিভংগীৰ তাৰতম্যই ইজনে সিজনৰ লগত ক'ব নোৱাৰাকৈয়ে দুটা বিপৰীতমুখী পথৰ যাত্ৰী হৈ পৰিল। এফালে ভূপতি খবৰ কাগজ উলিওৱা কামত ব্যস্ত হৈ পৰিছে, আনফালে চাৰুৱে জীৱনৰ ৰঙীণ সপোনৰ মাজত মৰিচীকা খেদি ফুৰিছে। সময়ৰ লগে লগে চাৰুইও মনৰ আৱদাৰ খিনি পূৰণ কৰিবলৈ সংযমৰ বান্ধোন ক্ৰমান্বয়ে বিদীৰ্ণ কৰিবলৈ আগবাঢ়িল। নাৰীয়ে বিবাহৰ যোগেদি এজন পৰিপূৰ্ণ মানুহৰ সঙ্গিনী হৈ পৰম আনন্দময় বিশাল জগত এখনত বিচৰণ কৰি পৰম আনন্দময় যুগ্ম জীৱন এটা যাপন কৰিব খোজে।[৩৭] চাৰুৰ কাৰণে সেয়া অসম্ভৱ হৈ পৰিল।

এনেকৈয়ে এদিন চাৰুৱে ভূপতিৰ পেহীয়েকৰ ল'ৰা অমলৰ সান্নিধ্য পালে। চাৰুৰ গোপন কোণত সঞ্চিত হৈ থকা মনৰ এই তীব্ৰ হাবিয়াসখিনিৰ পূৰ্ণতা প্ৰাপ্তিৰ যেন এক আশ্ৰয় বিচাৰি পালে। অমলৰ লগত সময় অতিবাহিত কৰি চাৰুৱে জীৱন সৌন্দৰ্যৰ এক অপূৰ্ব মায়া-জালত আৱদ্ধ হৈ পৰিল । অনাগত দিনৰ কোনো কথা চিন্তা নকৰাকৈয়ে চাৰুৱে জীৱনটোক নতুন ৰূপেৰে চাবলৈ ধৰিলে। অমলৰ সান্নিধ্যই চাৰুৰ সুপ্ত হৈ থকা প্ৰতিভাক বিকশাই তুলিলে। পঢ়া শুনাৰ প্ৰতি চাৰুৰ আগ্ৰহ থকা হেতুকে অমলৰ সাহিত্য চৰ্চাৰ নিয়মীয়া পাঠক হৈ পৰিল। চাৰুই নিজেও সাহিত্য চৰ্চাত মনোনিবেশ কৰিব ধৰিলে। চাৰুৰ সাহিত্য সৃষ্টিত অমলে দুগুণ উৎসাহ যোগালে। চাৰুৰ কাৰণে যেন আন সকলো কথা তুচ্ছ হৈ পৰিল। সৰু সৰু কথাৰ মাজেদিয়ে অমল চাৰুৰ হৃদয়ৰ অতি ওচৰ চাপিছিল। মাজে মাজে অমলৰ প্ৰতি তীব্ৰ অভিমানত উথলি উঠে। মনৰ আৱদাৰখিনিৰ অমলৰ সৈতে পূৰণ কৰি এক অপাৰ্থিব সুখৰ যাত্ৰী হৈ

পৰিল। বসন্তৰ আগমনত গছ-লতিকাই নতুন ৰূপ ধাৰণ কৰাৰ দৰে অমলৰ সান্নিধ্যইও মৰহি থকা চাৰুৰ সমগ্ৰ সত্বাক বিকশাই তুলিলে। ভূপতিৰ অজ্ঞাতে চাৰুৰ জীৱনত বহুত পৰিৱৰ্তনে দেখা দিলে।

ভূপতিয়ে খবৰ কাগজৰ পৰা অব্যাহতি লোৱাৰ পিছত নিজৰ ভৱিষ্যত সম্বন্ধে এখন ছবি মনৰ মাজত আঁকি লৈছিল। প্ৰতিজ্ঞা কৰিছিল চাৰুক লৈ পঢ়া-শুনা, ভালপোৱা আৰু দৈনন্দিন সৰু-সুৰা গাৰ্হস্থ্য কৰ্তব্য পালন কৰিব। চাৰুক সময় দিব নোৱাৰৰ কাৰণে ভূপতি যে দোষী এই কথাটো নিজেই স্বীকাৰ কৰিছে। ভূপতিয়ে অনুশোচনাত দগ্ধ হৈ নিজৰ ভুলৰ স্বীকাৰ কৰি কৈছে- "বলো না চাৰু, তোমাৰ কি হয়েছে। আমি কি তোমাৰ উপর কোনো অন্যায় কৰেছি। তুমি তো জানই, কাগজের ঝঞ্ঝাট নিয়ে আমি কীরকম ব্যতিব্যস্ত হয়ে আছি, যদি তোমার মনে কোনো আঘাত দিয়ে থাকি সে আমি ইচ্ছা করে দিই নি।"[৩৮]

এই উপলব্ধি চাৰুৰ কাৰণে যেন বহুত দেৰি হৈ গ'ল। ভূপতিয়ে চাৰুৰ হৃদয়ৰ উত্তপ্ত সান্নিধ্য কামনা কৰিছিল। কিন্তু ভূপতিয়ে বিচৰা ধৰণে চাৰুৰ পৰা সঁহাৰি নাপালে। ভূপতিয়ে অনুশোচনাত ভূগিব ধৰিলে । "বারো বৎসর কেবল খবরের কাগজ লিখিয়া স্ত্রীর সঙ্গে কী করিয়া গল্প করিতে হয় সে বিদ্যা একেবারে খোয়াইছিল।"[৩৯]

অমলৰ স্মৃতি প্ৰেমৰূপে চাৰুৰ অন্তৰৰ গোপন কোণত নিঃশব্দে প্ৰৱেশ কৰিছিল। চাৰুৱে যেতিয়া অন্তঃকৰণেৰে এই কথা উপলব্ধি কৰিছিল তেতিয়া অমল বহু দূৰৈত। অমলৰ বিদেশ যাত্ৰাত চাৰু বজ্ৰাহত হৈ পৰিছিল। নাৰীমনৰ প্ৰীতি ভাৱনা অনেক সময়ত প্ৰণয়ৰ ৰূপ ধৰি আহে। অনেক সময়ত সেইটো বুজিব নোৱাৰি। চাৰুৱেও অমলৰ উপস্থিতিত সেইটো বুজিব পৰা নাছিল। অমলৰ বিদায় কালত অনেক কথা ক'বলৈ গৈও কেৱল 'চিঠি লেখবে তো অমল' ৰ বাহিৰে আন একোৱেই ক'ব নোৱাৰিছিল।[৪০] ভূপতিৰ কাৰণে যেন চাৰুৰ অন্তৰত অকণো স্থান নাই। অমলৰ খবৰ পাবৰ কাৰণে চাৰুৱে সদায় অধীৰ অপেক্ষাত ব্যগ্ৰ হৈ পৰে। অমলৰ খবৰ পোৱাৰ কিছুদিন দেৰি হ'লেই চাৰুৱে শৰবিদ্ধা হৰিণীৰ দৰে চট্‌ফটাই ফুৰে। মনক কোনো প্ৰকাৰে প্ৰবোধ দিব নোৱাৰি ভূপতিৰ অজ্ঞাতে চাৰুৱে নিজৰ গহনা পাতি বন্ধকত থৈ অমললৈ টেলিগ্ৰাফ পঠালে। চাৰুৰ এনে কাৰ্যত এক অস্পষ্ট সন্দেহে অলক্ষ্যভাৱে ভূপতিৰ অন্তৰত বিন্ধিলেহি। বিশ্বাসঘাতকতা আৰু অৱমাননা অতি হৃদয়বিদাৰক। ভূপতিয়ে এক উত্তৰবিহীন সমস্যাত ভূগিব ধৰিলে।

কিন্তু চাৰুৱে ভবাৰ দৰে অমলৰ পৰাও সঁহাৰি নাপালে। গল্পটোৰ শেষৰফালে

অমলৰ কোনো প্ৰতিক্ৰিয়া দেখিবলৈ পোৱা নাযায়। চাৰুৱে অমলৰ স্মৃতিকণ হৃদয়ত অতি সযতনে সাঁচি ৰাখিবলৈ সদায় প্ৰস্তুত। অমলৰ স্মৃতিয়েই যেন চাৰুৰ জীৱনৰ শ্ৰেষ্ঠ গৌৰৱ। "…..অমল তোমাকে আমি এক দিনও ভুলি নাই। একদিনও না, একদণ্ডও না। আমার জীবনের শ্ৰেষ্ঠ পদাৰ্থ সমস্ত তুমিই ফুটাইয়াছ, আমার জীবনের প্ৰত্যেক সারভাগ দিয়া প্ৰতিদিন তোমার পূজা করিব।"[৪১] (ঠাকুৰ, ৰবীন্দ্ৰনাথ, সম্পা. মুখোপাধ্যায়, সুদেৱ; পৃ: ৬৫৪)। চাৰু চৰিত্ৰটোক কোনো কোনোৱে 'ট্ৰেজেদি' বুলি নকৈ 'মৰবিদ' (Morbid) বুলি ক'ব খোজে। গল্পৰ শেষত চাৰু এক উপশমহীন বেদনাত নিমজ্জিত আৰু ভূপতি যেন তড়িতাহত বৃক্ষ ।[৪২]

ৰবীন্দ্ৰনাথৰ 'নষ্টনীড়' গল্পটোৰ লগত 'আধুনিক চুটিগল্পৰ মাষ্টাৰ' বুলি অভিহিত ৰুছ গল্পকাৰ এন্টন পাভ্‌লভিচ্ চেখভ (Antan Pavlovich Chekhov) ৰ "The Lady With the Dog" ৰ লগত এক সাদৃশ্য দেখিবলৈ পোৱা যায়। উনৈশ শতিকাৰ শেষ দশকৰ বাস্তৱবাদী এই দুই লেখকৰ গল্পৰ বিভিন্ন বিষয়বস্তুৰ ভিতৰত এক প্ৰধান বিষয়- নৰ নাৰীৰ সম্পৰ্ক, যাৰ বিশ্লেষণৰ দ্বাৰা প্ৰতিফলিত হয় মনুষ্যজাতিৰ বিভিন্ন অধ্যায়ৰ বিভিন্ন সমস্যা। তাৰ সৰ্বোৎকৃষ্ট উদাহৰণ ৰবীন্দ্ৰনাথৰ 'নষ্টনীড়' আৰু চেখভৰ " কুকুৰসংগী মহিলা"। এই গল্প দুটাৰ মাজত এটা উপাদানগত (Topological) সাদৃশ্য দেখা যায়।[৪৩]

'ৰবীন্দ্ৰনাথৰ 'চোখেৰ বালি' উপন্যাসখনত নাৰী মনস্তত্বৰ যিদৰে সাৰ্থক প্ৰতিফলন ঘটিছে সেইদৰে 'নষ্টনীড়' গল্পটোও নাৰী মনস্তত্বৰ সুন্দৰ নিদৰ্শন। প্ৰমথনাথ বিশীয়ে ' চোখের বালি' আৰু 'নষ্টনীড়'ৰ এক সুন্দৰ তুলনা দাঙি ধৰিছে- "নষ্টনীড় যেন চোখের বালির খসড়া। চোখের বালি বহু শাখা প্ৰশাখায় জটিল, নষ্টনীড় আদৰ্শ ছোটগল্পের ন্যায় শরবৎ ঋজুগতিসম্পন্ন। ছোটগল্পকে উপন্যাসের সঙ্গে তুলনা করা উচিত হইবে না । কিন্তু এ কথাও সত্য যে, চোখের বালির উপসংহার সম্বন্ধে তেমন অভিযোগ শোনাযায় না। চোখের বালি মহৎ কিন্তু নষ্টনীড় নিখুত।"[৪৪]

**ভাৰতীয় আদৰ্শগত নাৰীঃ**

' দৃষ্টিদান' গল্পত কুমুদিনী চৰিত্ৰটোৰ স্বামীভক্তিৰ স্বৰূপ দেখুওৱা হৈছে। ৮ বছৰ বয়সতে ছোৱালীজনীৰ বিয়া হৈছিল। দুৰ্ভাগ্যবশতঃ কুমুৰ দৃষ্টিশক্তি হেৰায়। কুমুৰ স্বামী ডাক্তৰী বিদ্যা শিকিছিল যদিও তাইৰ চকু দুটা সুস্থ কৰি তুলিব নোৱাৰিলে। তথাপিও স্বামীৰ প্ৰতি আছিল কুমুৰ তীব্ৰ আস্থা। দদায়েকে ভাল ডাক্তৰ আনি চিকিৎসা কৰিছিল যদিও স্বামীয়ে মনত অসন্তোষ

পাব বুলি ভাবি দদায়েকে আনি দিয়া ঔষধো গ্ৰহণ কৰা নাছিল। স্বামীৰ নিমিত্তে বহুত ত্যাগ কৰিব লগা হৈছিল। গল্পটোত উল্লেখ কৰা অনুসৰি “স্ত্ৰী গ্ৰহণ কৰিলে এত মিথ্যাও বলিতে হয়। দাদাৰ মনেও কষ্ট দিতে পাৰি না, স্বামীৰ যশও ক্ষুণ্ণ কৰা চলে না। মা হইয়া কোলেৰ শিশুকে ভুলাইতে হয় স্ত্ৰী হইয়া শিশুৰ বাপকে ভুলাইতে হয়- মেয়েদেৰ এত চলনাৰ প্ৰয়োজন হয়।”[৪৫]

স্বামীয়ে এদিন চকুটো ভাল কৰিব নোৱাৰা দোষ নিজে মূৰ পাতি লৈছে যদিও কুমুদিনীয়ে স্বামীক একো দোষ নিদি অতি ভাগ্যৰ লিখন বুলি অতি সাধাৰণভাৱে নিজৰ দুৰ্ভাগ্যক মানি লৈছে। কুমদিনীু চৰিত্ৰটোত পতিভক্তিৰ স্বৰূপ প্ৰকাশ পাইছে এইদৰে- “আমি দুইহাতে তাঁহাৰ দক্ষিণহস্ত চাপিয়া কহিলাম , বেশ কৰিয়াছ, তোমাৰ জিনিশ তুমি লইয়াছ। ভাবিয়া দেখো দেখি, যদি কোনো ডাক্তৰে চিকিৎসায়ে আমাৰ চোখ নষ্ট হইত তাহাতে আমাৰ কি সান্তনা থাকিত। ভবিষ্যতবা যখন খণ্ডে না তখন চোখ তো আমাৰ কেহই বাচাইতে পাৰিত না, সে চোখ তোমাৰ বাতে গিয়াছেএই আমাৰ অন্ধতাৰ একমাত্ৰ সুখ। যখন পূজায় কম ফুল পড়িয়াছিল তখন ৰামচন্দ্ৰ তাঁহাৰ দুই চক্ষু উৎপাতন কৰিয়া দেৱতাকে দিতে গিয়াছিলেন। আমাৰ দেৱতাকেআমাৰ দৃষ্টি দিলাম- আমাৰ পূৰ্ণিমাৰ জোৎস্না, আমাৰ প্ৰভাতেৰ আলো, আমাৰ আকাশেৰ নীল, আমাৰ পৃথিৰীৰ সবুজ সব তোমাকে দিলাম; তোমাৰ চোখে যখন যাহা ভালো লাগিবে আমাকে মুখে বলিয়ো, সে আমি তোমাৰ চোখেৰ দেখাৰ প্ৰসাদ বলিয়া গ্ৰহণ কৰিব।”[৪৬]

নিজৰ দুখতকৈও স্বামীক আগস্থান দিবলৈ চেষ্টা কৰিছিল কুমুদিনীয়ে। নিজৰ সংসাৰ চলাবলৈ অসমৰ্থতা দেখা পাই নিজৰ সুখকো জলাঞ্জলি দি স্বামীক বিয়া পাতিবলৈ অনুৰোধ কৰিছিল। কিন্তু স্বামীয়ে প্ৰথমতে এই প্ৰস্তাৱ কোনো মতে মানি লোৱা নাছিল। স্বামীৰ আপত্তিত এক প্ৰকাৰ কুমুদিনীয়ে সন্তুষ্টিবোধহে অনুভৱ কৰিছে। কিয়নো স্বামীয়ে কুমুক হৃদয়ত সাঁচি থোৱাৰ আনন্দত আত্মহাৰা হৈ উঠিছিল।

কিন্তু সময়ৰ লগে লগে স্বামীৰ মনৰ পৰিবৰ্তন ঘটিল। ঘৈণীয়েকক দিয়া প্ৰতিজ্ঞা ৰাখিব নোৱাৰিলে। কুমুদিনীৰ সহায়ৰ কাৰণে পেহীয়েকে আনি দিয়া ছোৱালী হেমাঙ্গিনীক বিয়া পাতিবলৈ উদ্যত হৈ পৰে। এই কথাত কুমুদিনীয়ে কোনোপধ্যে সহ্য কৰিব পৰা নাছিল। স্বামীয়ে নিজৰ স্ত্ৰীক এৰি আন স্ত্ৰীৰ লগত সম্পৰ্ক কৰাটো কোনো নাৰীয়ে সহ্য কৰিব নোৱাৰে। কুমুদিনীয়ে কথাটো গম পাই কোনো মতে সহ্য কৰিব পৰা নাছিল। কুমুদিনী তীব্ৰ বিৰোধিতা কৰি কৈছে- “ যদি আমি সতী হই তবে ভগবান সাক্ষী ৰহিলেন, তুমি কোনোমতেই তোমাৰ ধৰ্ম-শপথ লঙ্ঘন কৰিতে পাৰিবে না। সে মহাপাপেৰ পূৰ্বে হয় আমি

বিধৱা হইব, নয় হেমাঙ্গিনী বাঁচিয়া থাকিবে না।”[৪৭] কিন্তু স্বামীয়ে গোপনে বিবাহ কৰিবলৈ গৈছিল যদিও সফল হ’ব নোৱাৰিলে। ইতিমধ্যে হেমাঙ্গিনীয়ে ইতিমধ্যে আগদিনাখন কুমুদিনীৰ দদায়েকৰ লগত বিয়া পাতিছিল। গল্পটোত কুমুদিনীৰ স্বামীৰ প্ৰতি প্ৰেম আৰু কুমুদিনীৰ সতীত্বৰ জয় হোৱা দেখুৱাইছে। কুমুদিনী চৰিত্ৰটোত ভাৰতীয় ঐতিহ্যপূৰ্ণ আদৰ্শ নাৰীৰ চৰিত্ৰটো প্ৰকাশিত হৈ উঠিছে।

**প্ৰতিশোধ পৰায়ণা নাৰীঃ**

'মানভঞ্জন' গল্পত গিৰিবালা ক স্বামীয়ে কৰা প্ৰতাৰণাৰ প্ৰতিশোধ ল’বলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে। স্বামীৰ প্ৰতি থকা শ্ৰদ্ধা-ভক্তি আৰু তেওঁৰ প্ৰতি থকা আন্তৰিক সহানুভূতিৰ পিছতো যদি স্বামীয়ে প্ৰতাৰণা কৰে তেতিয়া কোমল অন্তৰৰ নাৰীমনকো কেতিয়াবা প্ৰতিশোধৰ তীব্ৰ জুইয়ে দগ্ধ কৰে। গিৰিবালাৰ ক্ষেত্ৰতো একেই হৈছিল। স্বামী জীৱিত যদিও গিৰিবালাৰ হাতৰ মুঠিত নাই। গিৰিবালা যৌৱনৰ ৰূপ ৰসেৰে পূৰ্ণবিকশিত হৈ পৰিছে যদিও স্বামীয়ে গিৰিবালাৰ চকুৰ আঁতৰ হৈ গুছি গৈছে। কিন্তু বাল্যঅৱস্থাত তেওঁলোকৰ সম্পৰ্ক আছিল অতিকে গভীৰ। গল্পটোত উল্লেখ কৰা অনুসৰি “ বৰঞ্চ বাল্যকালে পাইয়াছিল। স্বামী তখন ইস্কুল পালাইয়া, তাহাৰ সুপ্ত অভিভাৱকদিগকে বঞ্চনা কৰিয়া, নিৰ্জন মধ্যাহ্নে তাহাৰ বালিকা স্ত্ৰীৰ সহিত প্ৰণয়ালাপ কৰিতে আসিত। এক বাড়িতে থাকিয়াও শৌখিন চিঠিৰ কাগজে স্ত্ৰীৰ সহিত চিঠিপত্ৰ-লেখালেখি কৰিত। ইস্কুলেৰ বিশেষ বন্ধুদিগকে সেই সমস্ত চিঠি দেখাইয়া গৰ্ব অনুভৱ কৰিত। তুচ্ছ এবং কল্পিত কাৰণে স্ত্ৰীৰ সহিত মান-অভিমানেৰেও অসদ্ভাৱ ছিল না।”[৪৮] এইসময়তে গোপীনাথৰ পিতৃৰ মৃত্যু হোৱাত ঘৰৰ সমস্ত দায়িত্ব গোপীনাথে নিজে মূৰপাতি ল’ব লগা হ’ল। কম বয়সতে স্বাধীনভাৱে চলিবলগীয়া হোৱা বাবে আন আন বিভিন্ন কথাইহে মূৰত বাহ ললে।

গিৰিবালাৰ স্বামী গোপীনাথ ৰঙ্গমঞ্চৰ অভিনেত্ৰী লবঙ্গৰ প্ৰতি আসক্ত। অভিনেত্ৰী লবঙ্গৰ অত্যাশ্চৰ্য ক্ষমতাৰ বৰ্ণনা গিৰিবালা ইতিপূৰ্বে স্বামীৰ মুখেৰে অনেকবাৰ শুনিছিল। তেতিয়া স্বামীৰ মনৰ অৱস্থা ভালদৰে বুজি উঠা নাছিল যদিও ততস্বত্বেও গিৰিবালাই সহ্য কৰিব পৰা নাছিল। “আৰ কোনো নাৰীৰ এমন কোনো মনোৰঞ্জনী বিদ্যা আছে যাহা তাহাৰ নাই ইহা সে সহ্য কৰিত পাৰিত না। সাসূয় কৌতুহলে সে অনেকবাৰ থিয়েটাৰ দেখিতে যাইবাৰ ইচ্ছা প্ৰকাশ কৰিত, কিন্তু কিছুতেই স্বামীৰ মত কৰিতে পাৰিত না।”[৪৯]

কিন্তু যেতিয়া স্বামীয়ে লাহে লাহে গিৰিবালাৰ বন্ধনৰ পৰা মুক্ত হৈ গ'ল তেতিয়া গিৰিবালাৰ মনত সংশয় উপজিল। গিৰিবালাই লবঙ্গৰ আকৰ্ষণী শক্তি কি জানিবৰ বাবে দাসী সুধামুখীক থিয়েটাৰ চাবলৈ পঠাই দিলে। সুধামুখীয়ে লবঙ্গৰ কুৎচিত চেহেৰাৰ কথা বৰ্ণনা কৰাৰ পিছতো গিৰিবালাই মানসিক অৰ্ন্তদ্বন্দ্বত ভুগিবলৈ ধৰিলে। মনত সাংঘাটিকভাৱে আঘাতপ্ৰাপ্ত হৈ এদিন গোপনে থিয়েটাৰ চাবলৈ গ'ল। গিৰিবালাৰ উত্তেজনাত মনত মৃদু কম্পন জাগৰিত হৈ উঠিল। এই কম্পনাবেগ আৰু আৰু আলোকময় লোকময় বাদ্যসংগীতমুখৰিত দৃশ্যপটশোভিত ৰঙ্গভূমি গিৰিবালাৰ দৃষ্টিত দ্বিগুণ অপৰূপতা ধাৰণ কৰিলে। "কখন ঘন্টা বাজিল, বাদ্য থামিয়া গেল, চঞ্চল দৰ্শকগণ মুহূৰ্তে স্থিৰ নিস্তব্ধ হইয়া বসিল, ৰঙ্গমঞ্চেৰ সন্মুখৰৰ্তী আলোকমালা উজ্জ্বলতৰ হইয়া উঠিল, পট উঠিয়া গেল, একদল সুসজ্জিত নটী ব্ৰজাঙ্গনা সাজিয়া সংগীত সহযোগে নৃত্য কৰিতে লাগিল, দৰ্শকগণেৰ কৰতালি এবং প্ৰশংসাবাদে নাট্যশালা থাকিয়া থাকিয়া ধ্বনিত কম্পিত হইয়া উঠিল- তখন গিৰিবালাৰ তৰুণ দেহেৰ ৰক্তলহৰী উন্মাদনায় আলোড়িত হইতে লাগিল। সেই সংগীতৰ তানে, আলোক ও আভৰণেৰ ছটায়, এবং সন্মিলিত প্ৰশংসাধ্বনিতে সে ক্ষণকালেৰ জন্য সমাজ সংসাৰ সমস্তই বিস্মৃত হইয়া গেল- মনে কৰিল, এমন এক জায়গায় আসিয়াছে যেখানে বন্ধনমুক্ত সৌন্দৰ্যপূৰ্ণ স্বাধীনতাৰ কোনো বাধামাত্ৰা নাই।"[৫০]

গিৰিবালাই নিজকে স্থিৰ কৰি লৈ কোনে প্ৰকাৰে হাৰ নামানি অভিনয় কৰাৰ দক্ষতা তাইয়ো যে আয়ত্ত কৰিব পাৰিব এই কথা মনতে স্থিৰ কৰিলে। স্বামীৰ পৰা অৱহেলিত আৰু লাঞ্চিত হৈ তীব্ৰ অভিমানত নিজকে কোনোপ্ৰকাৰে হেয় প্ৰতিপন্ন কৰিব বিচৰা নাই। বৰঞ্চ পৰিত্যক্ত গিৰিবালাই স্বামীৰ অমানবীয়তাক খণ্ডন কৰিবলৈ তীব্ৰ মনোবলেৰে প্ৰতিহিংসা পূৰণ কৰিব বিচাৰিছে। গিৰিবালাই হাৰ নামানি প্ৰত্যেক সপ্তাহতে থিয়েটাৰ চাব যাব ধৰিলে। প্ৰতিশোধৰ স্পৃহাই গিৰিবালাক উন্মত্ত কৰি তুলিলে। "প্ৰথম যেদিন সে তাহাৰ স্বামীকে ৰঙ্গভূমিতে উপস্থিত দেখিল, এবং যখন গোপীনাথ কোনো নটীৰ অভিনয়ে উন্মত্ত উচ্ছাস প্ৰকাশ কৰিতে লাগিল, তখন স্বামীৰ প্ৰতি তাহাৰ মনে প্ৰৱল অৱজ্ঞাৰ উদয় হইল। সেই জৰ্জৰিতচিত্তে মনে কৰিল, যদি কখনো এমন দিন আসে যে তাহাৰ পদতলে আসিয়া পড়ে, এবং সে আপন চৰণখৰেৰ প্ৰান্ত হইতে উপেক্ষা বিকীৰ্ণ কৰিয়া দিয়া অভিমানভৰে চলিয়া যাইতে পাৰে, তবেই তাহাৰ এই ব্যৰ্থ যৌৱন সাৰ্থকতা লাভ কৰিবে।"[৫১]

**প্ৰতিবাদী নাৰীঃ**

'দেনাপাওনা' গল্পত নিৰুপমাক এগৰাকী প্ৰতিবাদী নাৰী হিচাপে দেখিবলৈ পোৱা গৈছে। নিৰুপমাৰ এই প্ৰতিবাদ সমাজত প্ৰচলিত এক কুপ্ৰথাৰ বিৰুদ্ধে, যি প্ৰথা নাৰী জীৱনৰ এক অভিশাপ স্বৰূপ হৈ পৰে, এই নিষ্ঠুৰ প্ৰথাটোৱেই হৈছে পণ প্ৰথা। শহুৰেকৰ ঘৰৰ পৰা বিচৰামতে ধন বা সা-সামগ্ৰী দিব নোৱাৰিলেই ছোৱালীজনীৰ জীৱনলৈ বিপদ নামি আহে। এই সামাজিক কুপ্ৰথাই নিৰুপমাৰ জীৱনটো নিশেঃষ কৰি পেলাইছিল। নিৰুপমাৰ শহুৰেকে নিৰুপমাৰ পিতৃৰ লগত দহ হাজাৰ টকা আৰু উপযুক্ত দান-সামগ্ৰী দিয়াৰ প্ৰতিশ্ৰুতিবদ্ধ আছিল। কিন্তু দিবলৈ বিচৰা অৰ্থ সংগ্ৰহ কৰিবলৈ অসমৰ্থ হোৱাত নিৰুপমা স্বামীৰ ঘৰত অনাদৰৰ পাত্ৰী হৈ পৰিল। পিতৃগৃহৰ নিন্দা শুনাতো নিৰুপমাৰ নিত্য-নৈমিত্তিক কাৰ্যত পৰিণত হৈছিল। ৰামসুন্দৰে নানা চেষ্টা কৰিও পণৰ টকা যোগাৰ কৰিব নোৱাৰাত নিজৰ থকা ঘৰ-বাৰী বিক্ৰী কৰিবলৈ আগবাঢ়িছিল। নিজৰ জীয়েকৰ ওপৰত পিতৃৰ একো অধিকাৰ নোহোৱা হৈ গৈছিল। যেন পণৰ টকাৰ পৰিৱৰ্তে জীয়েকক বন্ধক ৰাখিছে।

শহুৰেকৰ ঘৰত নিৰুপমাই বাৰে বাৰে কটু কথা শুনা স্বত্বেও পিতৃক পণৰ টকা দিবলৈ বাধা প্ৰদান কৰিছিল। নিৰুপমাই পিতৃৰ দুৰাৱস্থাৰ কথা বুজিব পাৰিলে। পিতৃয়ে কেনেদৰে পণৰ টকা পৰিশোধ কৰিব নোৱাৰি নিজকে অপৰাধী যেন ভাবি মানসিক অৰ্ন্তদন্দ্বত ভূগিছে। সেয়ে নিৰুপমাই পণৰ টকা পৰিশোধ কৰাৰ কোনোমতে পক্ষপাতী নহয়। সেয়ে কথাটো অগ্ৰাহ্য কৰি পিতৃক কৈছে- "বাবা তুমি যদি আৰ এক পইচা আমাৰ শশুৰকে দাও তা হলে আৰ তোমাৰ মেয়েকে দেখতে পাবে না, এই তোমাৰ গা ছুঁয়ে বললুম।........ টাকা যদি দাও তবেই অপমান। তোমাৰ মেয়ে কি কোনো মৰ্যাদা নেই। আমি কি কেবল একটা টাকাৰ থলি, যতক্ষণ টাকা আছে ততক্ষণ আমাৰ দামঙ্গ না বাবা, এ টাকা দিয়ে তুমি আমাকে অপমান কৰো না।"[৫২]

এনেদৰে নিৰুপমাই নিজৰ আত্মাভিমান লঙ্ঘন নকৰি পণ প্ৰথাৰ দৰে নিকৃষ্ট ভাৱনাৰ লগত নিজৰ অস্তিত্বক বিসৰ্জন দিব বিচৰা নাছিল। পণৰ টকা নিদিয়াকৈ থাকি শাহুৰেকৰ নানা কটু কথা, লাঞ্চনা, অৱজ্ঞাৰে নিৰুপমাই জীৱনৰ সকলো অধিকাৰ হেৰুৱাই পেলাইছিল। নিৰুপমাই এই সকলোবিলাক মূৰ পাতি লৈ এক বেদনাসিক্ত জীৱনৰ যাত্ৰী হৈ মৃত্যুক সাৱটি লৈছিল। কিন্তু পণপ্ৰথাৰ ওচৰত নিজকে শিৰনত কৰা নাছিল।

'অপৰিচিতা' গল্পত দৰাৰ অভিভাৱক সদৃশ মোমায়েকৰ সা-সামগ্ৰীৰ লোভৰ বাবেই বিয়াখন ভাগিল। বিয়াৰ আগে আগে আহি মোমায়েক ছোৱালীৰ পিতৃ শম্ভূনাথ বাবুৰ

লগত পণ সম্বন্ধে দুই পক্ষৰ হিচাপ নিকাচ হৈ গ'ল। টকাৰ লগতে গহনা-পাতিৰ কথাও মোমায়েকে থিক কৰিলে। ৰভাতলীত মোমায়েকৰ গহনা-পাতি সা-সামগ্ৰী আদিৰ হিচাপ নিকাচৰ প্ৰতি অসন্তুষ্ট হৈ শম্ভূনাথে বিয়াখন বন্ধ কৰি দিলে। এনেদৰে দৰাই ছোৱালীক নেদেখাকৈয়ে বিয়াখন ভাগি থাকিল। এদিন ল'ৰাজনে মাকক তীৰ্থভ্ৰমণ কৰিবলৈ লৈ গৈ থাকোতে ৰেলত এজনী ভাললগা ছোৱালী দেখা পালে। কিছু সময় ছোৱালীজনীৰ গঢ়-গতি লক্ষ্য কৰি ছোৱালীজনীৰ পৰিচয় সোধাত গম পালে যে এই ছোৱালীজনীয়েই সেইজনী ছোৱালী যিজনী ছোৱালীৰ লগত ল'ৰাজনৰ বিয়াৰ থিক হৈছিল। অৱশেষত ছোৱালীজনীক বিয়া পাতিবলৈ বহুত কাকূতি মিনতি কৰিলে যদিও ছোৱালীজনীক হাত কৰিব নোৱাৰিলে। বিয়াখন ভগাৰ পিছত কল্যাণীয়ে ছোৱালীবিলাকক শিক্ষা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কল্যাণী চৰিত্ৰটোৰ দ্বাৰা সমাজৰ এই কু-প্ৰথাৰ বিৰুদ্ধে প্ৰতিবাদ কৰা দেখুৱাইছে।

'স্ত্ৰীৰ পত্ৰ' গল্পত মৃণালে তেওঁৰ স্বামীলৈ এখন চিঠি লিখি বৈবাহিক জীৱনত লাভ কৰা তিক্ত অভিজ্ঞতাক অতি ক্ষোভেৰে লিপিবদ্ধ কৰিছে। মৃণালৰ চিঠিখনৰ মাজেদি নাৰীৰ অস্তিত্বক সম্পূৰ্ণভাৱে অৱহেলিত আৰু বঞ্চিত কৰা কথা অতি স্পষ্টভাৱে ওলাই পৰিছে। এই ক্ষোভ অকল চিঠিখনৰ লেখিকা মৃণালৰেই নহয় সমগ্ৰ নাৰী জাতিৰ অন্তৰত উমি উমি জ্বলি থকা বেদনাৰ সামগ্ৰিক ছবিখনেই যেন অতি সন্তৰ্পণে গল্পকাৰে আঁকি উলিয়াইছে। তদানীন্তন সমাজখনত নাৰীসকলক কেনেদৰে হেয় প্ৰতিপন্ন কৰা হৈছিল, সেই ছবি অতি সুন্দৰভাৱে প্ৰকাশ পাইছে। নাৰীসকলৰ ওপৰত কৰা নিৰ্মম ব্যৱহাৰৰ বিৰুদ্ধে প্ৰতিবাদী মনোভাৱৰ এই চিঠিখনৰ মাজেদি স্ফুৰণ ঘটিছে।

নাৰীৰ প্ৰতি কৰা টুলুঙা মন্তব্যবোৰেও মৃণালৰ মানসিকতাক জোঁকাৰি গৈছে। মৃণাল আৰু ভায়েকৰ সন্নিপাত জ্বৰ হোৱাৰ সময়ত মৃণালে আৰোগ্য লাভ কৰি ভায়েকে মৃত্যুমুখত পৰাত ওচৰ চুবুৰীয়াই কৰা মন্তব্যষাৰো চিঠিখনত উল্লেখ কৰিছে - "পাড়াৰ সব মেয়েৰাই বলতে লাগল, মৃণাল মেয়ে কি না, তাই ও বাচল, বেটাছেলে হলে কি আৰ ৰক্ষা পেত। চুৰিবিদ্যাতে যম পাকা, দামি জিনিসেৰ পৰেই তাৰ লোভ।"[৫৩] এই মন্তব্যৰ দ্বাৰা সমাজত নাৰীৰ স্থিতি সম্পৰ্কে ধাৰণা কৰি ল'ব পাৰি। সমাজৰ নীতি-নিয়মে নাৰীসকলকো ভাবিবলৈ বাধ্য কৰাইছিল যে তেওঁলোক পুৰুষৰ তলতীয়া। সেয়েহে প্ৰায়ভাগ নাৰীয়েই প্ৰতিবাদ নকৰি হেলাৰঙে সমাজৰ অন্যায় অনীতি মানি চলি জীৱন কটাইছিল। থিক তেনেদৰে মৃনালৰ বুদ্ধিৰ কথা ভাবি উদ্বিগ্ন হৈ মাকে মন্তব্য কৰিছিল- "যাকে বাধা মেনে চলতে হবে, সে যদি বুদ্ধিকে

মেনে চলতে চায় তবে ঠোকৰ খেয়ে খেয়ে তাৰ কপাল ভাঙবেই।"[৫৪]

মৃণালৰ এটা কবিসুলভ মন আছিল। কিন্তু মৃণালে সেই প্ৰতিভাক উন্মুক্তভাৱে দেখুৱাই দিব পৰা নাছিল। বোৱাৰীৰ দায়িত্ব পালন কৰাতোৱেই যেন মৃণালৰ ধৰ্ম। গৃহস্থালিৰ কাম-কাজৰ মাজতেই থাকি জীৱন কটোৱাৰ বাহিৰে অন্য প্ৰতিভাক বিকাশ কৰাৰ ক্ষেত্ৰত হকাবধা আহি পৰিছিল। নাৰী জীৱনৰ এই সীমাবদ্ধতাই মৃণালক প্ৰতিবাদী কৰি তুলিছিল। "আমাৰ একটা জিনিস তোমাদেৰ ঘৰকন্নাৰ বাইৰে ছিল, সেটা কেউ তোমৰা জান নি। আমি লুকিয়ে কবিতা লিখতুম। সে ছাইপাঁশ যাই হোক না, সেখানে তোমাদেৰ অন্দৰমহলেৰ পাঁচিল ওঠে নি। সেইখানে আমাৰ মুক্তি; সেইখানে আমি আমি । আমাৰ মধ্যে যা কিছু তোমাদেৰ মেজোবউকে ছাড়িয়ে ৰয়েসে সে তোমৰা পছন্দ কৰ নি, চিনতেও পাৰ নি, আমি যে কবি সে এই পনেৰো বছৰেও তোমাদেৰ কাছে ধৰা পৰেনি।"[৫৫]

জীৱনত বহুতখিনি কষ্ট পাইও মৃনালে নিজৰ নিত্যকৰ্ম আৰু গৰু পোৱালি প্ৰতিপালন কামত লাগি গ'ল। ইয়াৰ উপৰিও মানুহৰ সুখ-দুখৰ গভীৰভাৱে অনুভৱ কৰাৰ হৃদয় এখনো আছিল মৃণালৰ। হঠাতে তেওঁলোক ঘৰত থাকিবলৈ অহা বৰ জায়েকৰ ভনীয়েক আশ্ৰয়হীনা বিন্দুৰ জীৱনৰ কাৰুণ্যই মৃণালৰ অন্তৰ আবেগত উপচি পৰিছিল। বিন্দুৰ প্ৰতি কৰা অন্যায়ৰ প্ৰতি মৃণাল ক্ষোভিত হৈ পৰিছিল। বৰজায়েকে যে নিজৰ সৰ্বস্ব হেৰুৱাই সংকুচিত জীৱন কটাইছে আৰু আশ্ৰয়হীনা ভনীয়েকক নিজৰ ঘৰত ৰখাৰ সাহসকণো যে দেখুৱাব পৰা নাছিল সেই কথা মৃণালে অতি স্পষ্টভাৱে চিঠিখনত উল্লেখ কৰিছে। কিন্তু মৃণাল আছিল অতিকে স্পষ্টবাদী। বিন্দুৰ প্ৰতি কৰা অন্যায়ৰ বিৰুদ্ধে মাত নমতকৈ থাকিব পৰা নাছিল। মৃণালৰ স্পষ্টবাদী মনটোৰ কথাও চিঠিখনত উল্লেখ কৰিছে- "আমি সকল দিকে আপনাকে অত অসম্ভৱ খাটো কৰতে পাৰি নে। আমি যেটাকে ভালো বলে বুজি আৰ-কাৰও খাটিৰে সেটাকে মন্দ বলে মেনে নেওয়া আমাৰ কৰ্ম নয়- তুমিও তাৰ অনেক প্ৰমাণ পেয়েছে। "[৫৬]

বিন্দুৰ প্ৰতি কৰা অন্যায় অনাদৰৰ প্ৰতি মৃণালে ক্ষোভিত হৈ পৰিছিল। এগৰাকী নাৰী হিচাপে মৃণালে অন্য এগৰাকী নাৰীৰ হৃদয়ৰ তাড়না ভালকৈয়ে উপলব্ধি কৰিব পাৰিছিল। সেয়ে বিন্দুৰ প্ৰতি ঘৰখনৰ মানুহে কৰা অন্যায় অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল-" বিশ্বসংসাৰে তাৰ যেন জন্মবাৰ কোনো শৰ্ত চিল না; তাই সে কেবলই পাশ কাটিয়ে, চোখ এড়িয়ে চলত। তাৰ বাপেৰ বাড়িতে তাৰ খুৰোততো ভাইৰা তাকে এমন একটি কোণও ছেড়ে দিতে চায় নি যে কোণে একটা অনাৰশ্যক জিনিস পড়ে থাকতে পাৰে। অনাৰশ্যক আৱৰ্জনা

ঘৰেৰ আশে-পাশে অনায়াসে স্থান পায়, কেননা মানুষ তাকে ভুলে যায়; কিন্তু অনাবশ্যক মেয়ে মানুষ যে একে অনাবশ্যক আবাৰ তাৰ উপৰে তাকে ভোলাও শক্ত, সেইজন্যে আঁস্তাকুড়েও তাৰ স্থান নেই। অথচ বিন্দুৰ খুড়তো ভাইৰা যে জগতে পৰমাশ্যক পদাৰ্থ তা বলবাৰ জো নেই।"[৫৭]

আশ্ৰয়হীনা বিন্দুক চোৰ, পুলিচৰ চোৰাংচোৰা আদি বুলি অপযশ দিয়া কথাবোৰো মৃণালে সহ্য কৰিব পৰা নাছিল। আনকি ঘৰৰ মানুহে বিন্দুৰ ইচ্ছাৰ বিৰুদ্ধে বিয়াও থিক কৰিছিল। বায়েকে হৃদয়ৰ ইচ্ছা অনিচ্ছাক গুৰুত্ব নিদি সমাজৰ নীতি-নিয়মৰ ওপৰতহে গুৰুত্ব দিবলৈ বিন্দুক কৈছে এইদৰে- "জানিস তো বিন্দি, পতিই হচ্ছে স্ত্ৰীলোকেৰ গতি মুক্তি সব। কপালে যদি দুখ থাকে তো কেউ খণ্ডাতে পাৰবে।"[৫৮] পাগল ল'ৰা এজনলৈ বিয়া দি বিন্দুক শাহুয়েকে তাতে ক্ষান্ত থাকিবলৈ ক'লে। বেয়া গিৰিয়েকৰ সংখ্যা সংসাৰত কম নহয় বুলি কৈ সেই তুলনাত নিজৰ পুতেক ভাল বুলি কৈ বিন্দুক আশ্বাস দিলে। সেয়েহে বায়েকে বিন্দুক ক'লে- "ওৰ পোড়া কপাল, তা নিয়ে দুঃখ কৰে কী কৰব। তা পাগল হোক, ছাগল হোক স্বামী তো বটেঙ্গ"[৫৯] নাৰী হৈয়ো নাৰীৰ প্ৰতি অকণো সহানুভূতি নেদেখুৱাই কেৱল ল'ৰাজনক উচ্চ স্থান দি বিন্দুক মানুহ হিচাপে অকণো মৰ্যাদা নিদি অতি নিদাৰুণভাৱে কৈছে- "ও তো মেয়ে মানুষ বৈ তো নয়। ছেলে হোক না পাগল, সে তো পুৰুষ বটে।"[৬০] এই কথাবোৰে মৃণালক অতিকৈ ক্ষোভিত কৰি তুলিছিল।

মৃণালৰ চিঠিখনৰ মাজত নাৰীৰ প্ৰতি কৰা সমাজৰ অন্যায়-অবিচাৰৰ বিৰুদ্ধে মৃণালৰ প্ৰতিবাদ সাব্যস্ত হৈছে। লগতে মৃণালৰ মানৱতাৰ গুণটোও অতি স্পষ্টকৈ ফুটি উঠিছে।

'মহামায়া' গল্পটোত মহামায়াই অৰ্ধদগ্ধ অৱস্থাত চিতাৰ পৰা উঠি আহি পূৰ্বৰ প্ৰেমিক ৰাজীৱৰ ঘৰত প্ৰবেশ কৰিছিল যদিও এটা চৰ্ততহে থকাৰ সিদ্ধান্ত লৈছিল। ৰাজীৱে যাতে মহামায়াৰ মুখখন প্ৰত্যক্ষ নকৰে সেই প্ৰতিশ্ৰুতিতহে থাকিব লৈছিল। তাৰ বাবে মহামায়াই মুখখন ঢাকি লৈ ৰাজীৱৰ দৃষ্টিৰ পৰা আঁতৰত আছিল। এদিন মহামায়াই শুই থকা অৱস্থাত ৰাজীৱে মুখখন প্ৰত্যক্ষ কৰা গম পাই মহামায়াই ৰাজীৱৰ জীৱনৰ পৰা আঁতৰি গুচি যায়। ৰাজীৱক মুখখন নাচাবলৈ যি চৰ্ত দিছিল সেই চৰ্ত ৰাজীৱে ৰাখিব নোৱাৰা বাবে মহামায়াই ৰাজীৱক কোনো প্ৰকাৰে ক্ষমা নকৰিলে। মহামায়াই আত্মসন্মান উলঙ্ঘা নকৰি নাইবা কাৰোপৰা সহানুভূতি আদায় কৰিব নিবিচাৰি এক ৰহস্যময়ভাৱে আঁতৰি গুছি যায়। এফালে মহামায়াই সতীদাহ প্ৰথাক অৱজ্ঞা কৰি চিতাৰ পৰা উঠি অহা কাৰ্যই এক প্ৰকাৰ সতীদাহ প্ৰথাৰ বিৰুদ্ধে বিদ্ৰোহী মনোভাৱ পোষণ কৰিছে।

'শাস্তি' গল্পটোতো স্বামীয়ে বিনাদোষতে চন্দৰাক দোষ জাপি দিয়া পিছত চন্দৰাই নিজৰ সিদ্ধান্ত কোনো প্ৰকাৰে সলনি নকৰিলে। পিছত স্বামীয়ে বচাব বিচাৰিছিল যদিও চন্দৰাই নিজৰ সিদ্ধান্ত অলৰ-অচৰ আছিল।

**কৈশোৰ কালৰ নাৰী মনস্তত্বঃ**

'সমাপ্তি' গল্পত মৃন্ময়ী এগৰাকী প্ৰকৃতিৰ লগত উমলি থকা ছোৱালী। মৃন্ময়ীৰ বিষয়ে গল্পটোত বৰ্ণনা কৰিছে এইদৰে- "এই মেয়েটিৰ অখ্যাতিৰ কথা অনেক শুনিতে পাওয়া যায়। পুৰুষ গ্ৰামবাসীৰা স্নেহভৰে ইহাকে পাগলী বলে, কিন্তু গ্ৰামেৰ গৃহিনীৰা ইহাৰ উচ্ছৃঙ্খল স্বভাবে সৰ্বদা ভীত চিন্তিত শংকান্বিত। গ্ৰামেৰ যত ছেলেদেৰ সহিতই ইহাৰ খেলা; সমবয়সী মেয়েদেৰ প্ৰতি অৱজ্ঞাৰ সীমা নাই। শিশুৰাজ্যে এই মেয়েটি একটি ছোটোখাটো বৰ্গিৰ উপদ্ৰৱ বলিলেই হয়।"[৬১] মৃন্ময়ীয়ে অতি মুকলীমৰীয়াভাৱে ঘূৰি ফুৰে। অতি উন্মুক্তভাৱে মুকলি আকাশৰ তলত সংসাৰৰ কোনো বাধা নামানি বিচৰণ কৰে।

এদিন মৃন্ময়ীৰ অপূৰ্বকৃষ্ণৰ লগত বিয়াৰ থিক হ'ল। বিয়াৰ বান্ধোনে মৃন্ময়ীক অতিষ্ঠ কৰি তুলিলে। শাহুৱেকে নানা চেষ্টা কৰিও বুজাব নোৱাৰিলে। শাহুৱেক আৰু ওচৰ চুবুৰীয়াৰ পৰাও লাঞ্চিত হ'ল। সাংসাৰিক বান্ধোনৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি শাহুৱেক আৰু স্বামীৰ অবাধ্যে নিজৰ মনে বিচৰা কামবোৰ কৰি গৈ থাকিল। দেউতাকৰ কথা মনত পৰাৰ লগে লগেই আনকি ঘৰৰ কাকো নোকোৱাকৈ দেউতাকক লগ কৰিবলৈ ঘৰৰপৰা মনে মনে ওলাই গৈছিল। আনকি মৃন্ময়ী প্ৰথমতে অপূৰ্বৰ প্ৰতিও কোনোধৰণৰ আকৰ্ষণ অনুভৱ কৰা নাছিল। কেৱল উন্মুক্তভাৱে বিচৰণ কৰি ঘূৰি ফুৰিব বিচাৰে। মৃন্ময়ীয়ে যিমান উপেক্ষা কৰি চলিলেও অপূৰ্বই কিন্তু মৃন্ময়ীৰ অন্তৰ জয় কৰিবলৈ যিকোনো উপায়ে সাজু আছিল। সময়ৰ লগে লগে মৃন্ময়ীৰ মানসিকতাৰ পৰিবৰ্তন ঘটিল। নিজৰ সেই ধিতিঙালি কৰি ফুৰা স্বভাৱৰ পৰিবৰ্তন ঘটি এক দায়িত্বশীল গাভৰুত পৰিণত হ'ল।

মৃন্ময়ীৰ মনোজগতৰ পৰিবৰ্তন দেখুওৱাটোৱেই লেখকৰ উদ্দেশ্য আছিল। মৃন্ময়ীৰ কৈশোৰ কালৰ যি চঞ্চল, চপলতা, গাম্ভীৰ্যহীনতা আৰু অত্যন্ত সৰল স্বভাৱৰ প্ৰথমতে দাঙি ধৰিছিল যদিও এটা সময়ত বয়সৰ লগে লগে এগৰাকী কিশোৰী নাৰীৰ পৰিণত সহজাত পৰিৰৰ্তন, ৰবীন্দ্ৰনাথে অতি নিপুনতাৰে দাঙি ধৰিছে। প্ৰকৃতিৰ স্বাভাৱিক নিয়মত এগৰাকী কিশোৰী নাৰীত পৰিণত হয়।[৬২]

একেদৰে 'পোষ্টমাষ্টাৰ' গল্পটোত ৰতনৰ কৈশোৰ চৰিত্ৰটো অতি সুন্দৰ ৰূপত প্ৰতিভাত হৈছে। ৰতন এগৰাকী বাৰ-তেৰ বছৰীয়া এগৰাকী অনাথ বালিকা। পিতৃ-মাতৃহীন ৰতনে পোষ্টমাষ্টাৰ এজনৰ ঘৰত কাম-কাজ কৰি পেট প্ৰৱৰ্তাই আছে। পোষ্টমাষ্টাৰৰ লগত ৰতনৰ এক আন্তৰিক সম্পৰ্ক গঢ় লৈ উঠিছিল। যদিও ৰতন বয়সত তেনেই সৰু তথাপিও পোষ্টমাষ্টৰ আৰু ৰতনে দুয়ো নিজৰ নিজৰ ব্যক্তিগত কথাৰো ভাগ-বতৰা কৰিছিল। দুয়োৰে আন্তৰিক সম্পৰ্কৰ কথা গল্পটোত উমান পাব পাৰি এইদৰে -"এক এক দিন সন্ধ্যাবেলায় সেই বৃহৎ আটচালাৰ কোণে আপিসেৰ কাঠেৰ চৌকিৰ উপৰ বসিয়া পোষ্টমাষ্টাৰও নিজেৰ ঘৰেৰ কথা পাড়িতেন- ছোটভাই মা এবং দিদিৰ কথা, প্ৰবাসে একলা ঘৰে বসিয়া যাহাদেৰ জন্য হৃদয় ব্যথিত হইয়া উঠিত তাহাদেৰ কথা। যে সকল কথা সৰ্বদাই মনে উদয় হয় অথচ নীলকুঠীৰ গোমস্তাদেৰ কাছে যাহা কোনোমতেই উত্থাপন কৰা যায় না, সেই কথা একটি অশিক্ষিত ক্ষুদ্ৰ বালিকাকে বলিয়া যাইতেন, কিছুমাত্ৰ অসংগত মনে হইত না, সেই কথা একটি অশিক্ষিতা ক্ষুদ্ৰ বালিকাকে বলিয়া যাইতেন, কিছুমাত্ৰ অসংগত মনে হইত না। অৱশেষে এমন হইল, বালিকা কথোপ-কথন কালে তাঁহাৰ ঘৰেৰ লোক দিগকে মা দিদি দাদা বলিয়া চিৰপৰিচিতেৰ ন্যায় উল্লেখ কৰিত। এমন-কি, তাহাৰ  ক্ষুদ্ৰ হৃদয় পটে বালিকা তাঁহাদেৰ কাল্পনিক মূৰ্তিও চিত্ৰিত কৰিয়া লইয়াছিল।"[৬৩]

অতি সৰল অন্তৰৰ ৰতনে পোষ্টমাষ্টৰক সহৃদয়তাৰে সেৱা-শুশ্ৰূষা কৰিছিল। পোষ্টমাষ্টৰেও ৰতনক অতি মৰমেৰে ৰখাৰ উপৰিও পঢ়িবলৈও শিকাইছিল। এদিন হঠাতে পোষ্টমাষ্টৰে বদলি হোৱা খবৰটো পাই ৰতনে দুখত ভাগি পৰিছে। ৰতনে পোষ্টমাষ্টৰক তেওঁৰ লগতে লৈ যাবলৈ কৈছিল যদিও পোষ্টমাষ্টৰে লগত নিয়াটো সম্ভৱ নাছিল। পোষ্টমাষ্টৰে ৰতনক আশ্বাস দি কৈছিল যে পিছৰ যিজন পোষ্টমাষ্টৰ আহিব তেওঁকো ৰতনক ভালদৰে চোৱা-চিতা কৰাৰ কথা ক'ব। কিন্তু ৰতনে এই প্ৰস্তাব মানি নললে। ৰতনে তীব্ৰ অভিমানত উথলি উঠিছে। " .....কিন্তু নাৰীহৃদয় কে বুঝিবে। ৰতন অনেকদিন প্ৰভুৰ অনেক তিৰস্কাৰ নীৰৱে সহ্য কৰিয়াছে কিন্তু এই নৰম কথা সহিতে পাৰিল না। একেবাৰে উচ্ছসিত হৃদয়ে কাঁদিয়া উঠিয়া কহিল, না না, তোমাৰ কাউকে কিছু বলতে হবে না, আমি থাকতে চাই নাই।"[৬৪] পিতৃ-মাতৃৰ মৰমৰ পৰা বঞ্চিত অনাথ শিশু ৰতনে পোষ্টমাষ্টৰৰ পৰা অতিশয় মৰম পাইছিল। যি বসয়ত ল'ৰা-ছোৱালীয়ে মাক-বাপেকৰ মৰমৰ আশ্ৰয়ত থাকি আলাসতে জীৱন-যাপন কৰিব খোজে, সেই সময়খিনিতে পিতৃ-মাতৃৰ মৰমৰ পৰা ৰতনে বঞ্চিত হৈছিল। কঠোৰ বাস্তবৰ আ-ভূ নোপোৱা

ৰতনে পোষ্টমাষ্টৰৰ মৰমৰ মাজত নিৰাপত্তা বিচাৰি পাইছিল। ৰতনৰ জীৱনৰ আটাইতকৈ আকাঙ্খিত বস্তুটো পাইয়ো হেৰুৱাব লগা হোৱাত মনটো অতিকে ভাগি পৰিছে।

সেয়েহে পোষ্টমাষ্টৰে যাবৰ সময়ত ৰতনক দিব খোজা পইচাও ল'বলৈ অনিচ্ছুক হৈছিল। সেয়েহে ৰতনে কৈছিল- "দাদাবাবু, তোমাৰ দুটি পায়ে পড়ি, আমাকে কিছু দিতে হ'বে না; তোমাৰ দুটি পায়ে পড়ি , আমাৰ জন্যে কাউকে কিছু ভাবতে হবে না- বলিয়া এক দৌড়ে সেখান হইতে পলাইয়া গেল।"[৬৫] ৰতনে কেৱল কান্দি-কাটি উদ্বাউল হৈ পৰি পোষ্ট অফিচৰ চাৰিওফালে দেউতাক অহাৰ আশাত ঘূৰি ফুৰিলে। সেই আশাৰ বান্ধোনত বান্ধ খাই তাই দূৰলৈ গুছি যাব নোৱাৰিলে। এনেদৰে এক নিস্ফল আশাৰে গল্পটোৰ সামৰণি মাৰিছে। গল্পটোত ৰতনৰ মনৰ অৱস্থা অতি সুন্দৰকৈ উপস্থাপন কৰিছে। কেনেদৰে এগৰাকী শিশুৱে মৰম বিচাৰে আৰু মৰমৰ মাজতে জীয়াই থকাৰ প্ৰেৰণা পায়, মানুহ হ'বলৈ শিকে তাকে গল্পটোত সুন্দৰভাৱে উপস্থাপন কৰিছে।

' শেষেৰ ৰাত্ৰি' গল্পত মণিৰ যদিও বিয়া হৈছে, তাইৰ বয়স অতিকে কম। সংসাৰৰ দায়িত্বৰ কথা বুজিব নোৱাৰে। শয্যাশায়ী স্বামীক পৰিচৰ্যা কৰাৰ পৰিবৰ্তে বান্ধৱীসকলৰ লগত থিয়েটাৰ চাব যাব ওলাইছে। যতীনে বিছনাত পৰি থকা স্বত্বেও একমাত্ৰ ভনীয়েকৰ অন্ন-প্ৰসন্নত মাহীয়েকে বাধা কৰা স্বত্বেও নোযোৱাকৈ নাথাকিল। যতীনে বহু চেষ্টা কৰিও মণিক মনৰ ভিতৰত সোমাব নোৱাৰিলে। মণিৰ এই স্বভাব, আচৰণ আদি এগৰাকী শিশুৰ বাবে নিতান্তই স্বাভাবিক কথা। বাল্যবিবাহৰ কাৰণে এই সমস্যাৰ সৃষ্টি হৈছিল।

মণিৰ বয়স অতিকে কম হোৱা বাবে ঘৰ এখনৰ দায়িত্বৰ কথা উপলদ্ধি কৰিব নোৱাৰে। আনকি স্বামী সম্পৰ্কে মণিৰ সম্পূৰ্ণ জ্ঞান নাই। সেয়ে সম্বন্ধৰ দায়িত্ব নুবুজি নিজে মনে বিচৰা ধৰণে চলিবলৈ বিচাৰে। কাৰণ এই বয়সত লগৰ সমনীয়াৰ লগত উমলি থকাৰ বয়স কাৰণে তেওঁলোকে লগৰ সমনীয়াৰ লগত খেল-ধেমালি কৰিয়েই মনৰ প্ৰশান্তি বিচাৰি পায়। স্বামী, শাহু-শহুৰ আদি সম্পৰ্কৰ মোল বুজি উঠা মানসিক ক্ষমতা তেওঁলোকৰ নাথাকে। কিয়নো এই বয়সত তেওঁলোকৰ সহজ-সৰল কথাৰ বাহিৰে আন জটিল কথাবোৰ বোধগম্য নহয়।

**চিৰন্তন মাতৃ হৃদয়ঃ**

মাতৃ আৰু পুত্ৰৰ সম্পৰ্কৰ অপূৰ্ব চিত্ৰ ফুটি উঠিছে 'ৰাসমণিৰ ছেলে' গল্পত। ৰাসমণিৰ স্বামী ভবানীচৰণে ভাবিছিল যে তেওঁৰ হেৰুৱা সম্পত্তি পুত্ৰ কালীপদে উদ্ধাৰ কৰিব পাৰিব।

সেয়েহে পুত্ৰ জন্ম হোৱাৰ পিছত ভৱানীচৰণৰ ব্যৱহাৰত কিছু পৰিবৰ্তনে দেখা দিছিল। কিন্তু ৰাসমণিয়ে  ভাৱিছিল কালীপদ জীয়াই থাকিলে সেইটোৱে ৰাসমণিৰ কাৰণে ডাঙৰ ঐশ্বৰ্য হ'ব। এগৰাকী মাতৃয়ে পুত্ৰক সঠিক পথত আগুৱাই নিয়া আৰু পুত্ৰক জীৱনৰ শিক্ষা দিয়াটো এক গুৰুত্বপূৰ্ণ কৰ্তব্য। ৰাসমণিয়ে এইক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। কালীপদে কিবা বস্তুৰ প্ৰতি জেদ ধৰিলে ৰাসমণিয়ে নিজৰ দৰিদ্ৰ জীৱনৰ কথা নানা প্ৰকাৰে কৈ বুজনি দিছিল আৰু কেতিয়াবা ৰাসমণিয়ে কঠোৰ হৈ পৰিছিল। কালীপদেও মাকৰ মনৰ ভিতৰত কিমান দৰদ সোমাই থাকে সেইটো ধৰিব পাৰিছিল।

কালীপদক মানুহ কৰাৰ এক সপোন আছিল ৰাসমণিৰ। সেয়েহে ৰাসমণিয়ে কালীপদক কলিকতাত পঢ়িবলৈ পঠাইছিল। কালীপদেও মাকৰ শিক্ষাৰ পৰা বুজি উঠিছিল কলিকতাত পঢ়িব নগ'লে কালীপদ ডাঙৰ মানুহ হ'ব নোৱাৰিব। কলিকতাত যাবলৈ ওলোৱা সময়ত সন্তানৰ প্ৰতি থকা এগৰাকী মাকৰ দৰদ, দায়িত্ব, কৰ্তব্যবোধ ৰাসমণিৰ চৰিত্ৰ মাজেদি ফুটি উঠিছে-
"কলিকতা যাইবাৰ আগেৰ দিন ৰাসমণি  কালীপদৰ গলায় একটি ৰক্ষাকবচ ঝুলাইয়া দিলেন; এবং তাহাৰ হাতে একটি পঞ্চাশ টাকাৰ নোট দিয়া বলিয়া দিলেন- এই নোটটি ৰাখিয়ো, আপদে বিপদে প্ৰয়োজনে সময় কাজে লাগিবে। সংসাৰ খৰচ হইতে অনেক কষ্টে জমানো এই নোটটিকেই মাতাৰ আশীৰ্বাদেৰ মতো সে চিৰদিন ৰক্ষা কৰিবে, খৰচ কৰিবে না, এই সে মনে মনে সংকল্প কৰিল।" ৬৬

ৰাসমণিয়ে কালীপদক নৈতিক শিক্ষাও দিছিল। কালীপদে যাতে পঢ়িবলৈ গৈ নিজস্ব হেৰুৱাই নেপেলায় অৰ্থাৎ তাৰ পৰিবেশে যাতে কালীপদৰ উদ্দেশ্যত হানি কৰিব নোৱাৰে তাৰ প্ৰতিও ৰাসমণি সচেতন আছিল। কালীপদক শপত খুৱাই লৈছিল সি যেন ডাঙৰ মানুহৰ ল'ৰাৰ লগত মিলা-মিছা কৰি আমোদ প্ৰমোদত গা উটুৱাই নিদিয়ে। গল্পটোত ৰাসমণিক এগৰাকী সচেতন মাতৃৰ ৰূপত দেখা গৈছে। ৰাসমণিয়ে কালীপদক কেৱল মৰমৰ আঁচলতে বান্ধি থৈ দিয়া নাই, বৰঞ্চ কালীপদৰ জীৱনটো সঠিক দিশত আগবাঢ়ি যোৱাত দিক্ নিৰ্ণায়কৰ ভূমিকাও পালন কৰিছে।

**ভাতৃস্নেহঃ**

'দিদি' গল্পটোত শশীকলা চৰিত্ৰটোৰ অতি উৎকৃষ্ট ভাতৃপ্ৰেমৰ নিদৰ্শন দেখিবলৈ পোৱা যায়। শশীকলা পিতৃ-মাতৃৰ একমাত্ৰ সন্তান আছিল যদিও শশীকলাৰ বিয়াৰ পিছত এটি

ভায়েকৰ জন্ম হয়। কিছুদিন পিছত মাতৃৰ মৃত্যু হোৱাত সেই ল'ৰাটোৰ দায়িত্ব শশীকলাৰ ওপৰত দি থৈ যায়। কেইদিনমানৰ ভিতৰতে মাতৃহীন ল'ৰাটোৱে শশীকলাৰ হৃদয় অধিকাৰ কৰি ললে। শশীকলাৰ ভায়েক অৰ্থাৎ নীলমণিৰ দুই বচৰ বয়স হোৱাৰ পিছত পিতৃ কালীপ্ৰসন্নও ঢুকাই থাকিল। তাৰপিছত শশীকলাই ভায়েকৰ সমস্ত দায়িত্ব লৈ অতি মৰম যত্নেৰে ৰাখিবলৈ ললে। শশীকলাৰ স্বামী জয়গোপালে যদিও ভায়েকক প্ৰতিপালন কৰাটো মুঠেই ভাল পোৱা নাছিল তথাপিও শশীকলাই এই কথাত কোনো ভ্ৰূক্ষেপ নকৰি ওলোটাকৈ প্ৰতিবাদহে কৰিছিল।

স্বামীয়ে ভায়েকক ৰখাটো সহ্য কৰিব নোৱাৰিলেও, স্বামীৰ এই তৰল চিন্তাৰ আঁৰত শশীকলাৰ ভাতৃস্নেহৰ কোনো হীন-দেড়ি ঘটা নাছিল। "স্বামীৰ স্নেহহীন বিৰাগ দৃষ্টি হইতে তাহাকে তফাতে তফাতে ৰাখিতে চেষ্টা কৰিত। এইৰূপে ছেলেটি তাহাৰ গোপন যত্নেৰ ধন, তাহাৰ এলাকাৰ স্নেহেৰ সামগ্ৰী হইয়া উঠিল। সকলেই জানেন, স্নেহ যত গোপনেৰ, যত নিৰ্জনেৰ হয় ততই প্ৰবল হইতে থাকে।"[৬৭] নীলমণিৰ বেমাৰৰ সময়তো স্বামীয়ে চিকিৎসা কৰাৰ পক্ষপাতী নহয় যদিও শশীকলাই নিজে সেই দায়িত্ব লৈ ভায়েকক চহৰৰ ডক্তৰৰ ওচৰলৈ লৈ গৈছিল। স্বামীয়ে হে কথাত আপত্তি প্ৰকাশ কৰি ঘূৰি আহিব কৈছিল যদিও শশীকলাই তাৰ প্ৰত্যুত্বৰ দিছিল এইদৰে- "আমাকে যদি কাটিয়া ফেল তবু আমি এখন ফিৰিব না; তোমৰা আমাৰ নীলমণিকে মাৰিয়া ফেলিতে চাও; উহাৰ মা নাই, বাপ নাই, আমি ছাড়া উহাৰ আৰ কেহ নাই, আমি উহাৰে ৰক্ষা কৰিব।"[৬৮]

**সামৰণিঃ**

দুয়োজনা গল্পকাৰে নাৰী মনৰ বিভিন্ন দিশৰ উত্থাপন কৰিছে। এই নাৰী ভিন্ন দেশৰ হ'লেও তেওঁলোকৰ আবেগ অনুভূতি, হৃদয়ৰ স্পন্দন সৰ্বকালৰ, সৰ্বদেশৰ। বেজবৰুৱাই যেনেদৰে ভাৰতীয় ঐতিহ্যপূৰ্ণ আদৰ্শ নাৰীৰ ছবি চিত্ৰিত কৰিছে থিক একেদৰে ৰবীন্দ্ৰনাথৰ গল্পতো ভাৰতীয় আদৰ্শ নাৰীৰ ছবি চিত্ৰিত হৈছে। থিক তেনেদৰে চিৰন্তন মাতৃ হৃদয়, প্ৰকৃতিপ্ৰেমী নাৰী, প্ৰতিবাদী নাৰী, যৌনতাড়িত কামনাৰ অভিব্যক্তি প্ৰকাশক নাৰী, আদি নাৰীৰ বিভিন্ন ৰূপ উপস্থাপনৰ ক্ষেত্ৰত দুয়োজন গল্পকাৰে দক্ষতাৰ পৰিচয় দিছে। এনেদৰে দুয়োজন গল্পকাৰে নাৰীমনক সূক্ষ্মাতিসূক্ষ্মভাৱে বিশ্লেষণ কৰি গল্পসমূহ অনন্য ৰূপ প্ৰদান কৰিছে।

১. প্ৰহ্লাদ কুমাৰ বৰুৱা, অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ: ৩৯০

২. হৃদয়ানন্দ গগৈ (সম্পা.)ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প সমগ্ৰ, পৃ: ৩০২

৩. পূৰ্বোক্ত গ্ৰন্থ, পৃ: ৩০১

৪.	হৃদয়ানন্দ গগৈ (সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, ‘পাতমুগী’ পৃ: ৩
৫.	প্ৰফুল্ল কটকী, পূৰ্বোক্ত গ্ৰন্থ, পৃ: ৭৭
৬.	হৃদয়ানন্দ গগৈ (সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, ‘লাওখোলা’ পৃ: ২৮
৭.	সদ্যোক্ত গ্ৰন্থ, পৃ: ২৯
৮.	সদ্যোক্ত গ্ৰন্থ, পৃ: ৩১
৯.	সদ্যোক্ত গ্ৰন্থ, পৃ: ১১০
১০.	সদ্যোক্ত গ্ৰন্থ, পৃ: ১১০
১১.	সদ্যোক্ত গ্ৰন্থ, পৃ: ১১০
১২.	সদ্যোক্ত গ্ৰন্থ, পৃ: ১১১
১৩.	প্ৰফুল্ল কটকী, সাহিত্যৰথী, পৃঃ ৫০
১৪.	হৃদয়ানন্দ গগৈ (সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃ: ৫
১৫.	সদ্যোক্ত গ্ৰন্থ, পৃ: ৬
১৬.	সদ্যোক্ত গ্ৰন্থ, পৃ: ৯৫
১৮.	সদ্যোক্ত গ্ৰন্থ, পৃ: ১৪৭
১৯.	যতীন্দ্ৰনাথ গোস্বামী(সম্পা.)ঃ বেজবৰুৱাৰ ৰচনাৱলী, পৃ: ২১৩২
২০.	হৃদয়ানন্দ গগৈ (সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃ: ১৫৬
২১.	সদ্যোক্ত গ্ৰন্থ, পৃ: ১৫৬
২২.	সদ্যোক্ত গ্ৰন্থ, পৃ: ২৬৯-২৭০
২৩.	সদ্যোক্ত গ্ৰন্থ, পৃ: ২৭০
২৪.	সদ্যোক্ত গ্ৰন্থ, পৃ: ২৬৯
২৫.	সদ্যোক্ত গ্ৰন্থ, পৃ: ২৭৯
২৬.	সদ্যোক্ত গ্ৰন্থ, পৃ: ২৬৭
২৭.	সদ্যোক্ত গ্ৰন্থ, পৃ: ২৯৮
২৮.	সদ্যোক্ত গ্ৰন্থ, পৃ: ৫৯
২৯.	সদ্যোক্ত গ্ৰন্থ, পৃ: ৬০
৩০.	সদ্যোক্ত গ্ৰন্থ, পৃ: ১৩৪
৩১.	প্ৰহ্লাদ কুমাৰ বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ; পৃঃ ৩৭
৩২.	হৃদয়ানন্দ গগৈ (সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃ: ১২০
৩৩.	সদ্যোক্ত গ্ৰন্থ, পৃ: ২৭৪
৩৪.	সদ্যোক্ত গ্ৰন্থ, পৃঃ ২৭১
৩৫.	সুদেৱ মুখোপাধ্যায় (সম্পা.)ঃ ৰবীন্দ্ৰ ৰচনাৱলী, ২য় খণ্ড, পৃঃ ৬২৫
৩৬.	শিশিৰকুমাৰ দাশ, বাংলা ছোটগল্প; পৃঃ ৯৬
৩৭.	প্ৰহ্লাদকুমাৰ কুমাৰ বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ; ৩৯৯
৩৮.	সুদেৱ মুখোপাধ্যায় (সম্পা.)ঃপূৰ্বোক্ত গ্ৰন্থ, পৃ: ৬৪১
৩৯.	সদ্যোক্ত গ্ৰন্থ; পৃঃ ৬৫২
৪০.	সমৰেশ মজুমদাৰ, ৰবীন্দ্ৰনাথেৰ গল্প বিশ্লেষণী পাঠ, পৃঃ ১৬৬
৪১.	সুদেৱ মুখোপাধ্যায় (সম্পা.)ঃপূৰ্বোক্ত গ্ৰন্থ, পৃ: ৬৫৪

৪২. দিগ্বিজয় দে সৰকাৰ, ৰবীন্দ্ৰ সাহিত্যে নাৰী চৰিত্ৰ,পৃঃ ৭৩
৪৩. সুবল সামন্ত (সম্পা.)ঃ কথাকোবিদ ৰবীন্দ্ৰনাথ, ৰঞ্জনা বেনাৰ্জীৰ প্ৰৱন্ধ ‘নিসঙ্গ সঙ্গী’ পৃঃ ১৬৮
৪৪. প্ৰমথনাথ বিশী, ৰবীন্দ্ৰনাথেৰ ছোটগল্প,পৃঃ৩৭
৪৫. ৰবীন্দ্ৰনাথ ঠাকুৰ, গল্পগুচ্ছ ৰবীন্দ্ৰনাথ ঠাকুৰ, পৃঃ ৩৫৭
৪৬. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৩৫৭
৪৭. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৩৬৭
৪৮. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২৫৭
৪৯. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২৫৮
৫০. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২৫৮
৫১. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২৫৯
৫২. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২০
৫৩. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৬৫৭
৫৪. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৬৭৬
৫৫. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৫৭৬
৫৬. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৫৭৮
৫৭. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৫৭৮
৫৮. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৫৮০
৫৯. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৫৮২
৬০. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৫৮১
৬১. সদ্যোক্ত গ্ৰন্থ; পৃঃ ১৭২
৬২. সমৰেশ মজুমদাৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১০২
৬৩. ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ২৩
৬৪. সদ্যোক্ত গ্ৰন্থ, পৃঃ ২৫
৬৫. সদ্যোক্ত গ্ৰন্থ, পৃঃ ২৫
৬৬. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৫১৩
৬৭. সদ্যোক্ত গ্ৰন্থ, পৃঃ ২৫১
৬৮. সদ্যোক্ত গ্ৰন্থ, পৃঃ ২৫৩

# পঞ্চম অধ্যায়
# অসমীয়া আৰু বাংলা সামাজিক প্ৰেক্ষাপটত লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ চুটিগল্পৰ নাৰী চৰিত্ৰ

**আৰম্ভণিঃ**

সমাজত কেতিয়াবা একো একোগৰাকী ক্ষণজন্মা মহৎ ব্যক্তিৰ আবিৰ্ভাৱ হয়। তেনে ব্যক্তিয়ে বিভিন্ন মাধ্যমেৰে সমাজখন সংস্কাৰ কৰি নিকা কৰিবলৈ আৰু উচ্চস্তৰৰ সমাজ গঢ়িবলৈ প্ৰচেষ্টা চলায়। সংস্কাৰ কৰা মানেই সমাজলৈ পৰিবৰ্তন অনা। মজ্জাগত পুৰণি সংস্কাৰবোৰ মানুহে সহজে বিসৰ্জন দিব নোখোজে। নতুনক সাবটি ল'বলৈও দ্বিধাবোধ কৰে।[১] এনে এক পৰিপ্ৰেক্ষিতত লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পসমূহ এক প্ৰকাৰ তদানীন্তন সমাজৰ সামাজিক দলিল বুলি ক'ব পাৰি। দুয়োজনা গল্পকাৰৰে গল্পত তদানীন্তন সমাজৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সকলো দিশ সামৰি, এক সামাজিক পৰিবৰ্তনৰ বাৰ্তা নিহিত হৈ আছে। পৰিবৰ্তন বুলি কোৱাৰ লগে লগে পুৰণি ঐতিহ্যৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি কোনো ধৰণৰ হানি বিঘিনি নঘটাই এলাণ্ডুকলীয়া নীতি-নিয়ম, সামাজিক কু-সংস্কাৰ আদিৰ প্ৰতিহে এক আন্দোলনমুখী মনোভাব পোষণ কৰিছে। প্ৰকৃতাৰ্থত তথাকথিত সমাজখনত নতুন আৰু পুৰণিৰ মাজত এক দ্বন্দ্বৰ সৃষ্টি হৈছিল। এচামে আধুনিক শিক্ষাৰে শিক্ষিত হৈ সংস্কাৰকামী মনোভাৱেৰে সমাজ-জীৱনক কলুষিত কৰা নিয়মসমূহৰ পৰিশোধন কৰিবলৈ বিচাৰিছিল আৰু আনফালে এচামে সেই পুৰণিকলীয়া নীতি-নিয়মকে খামোচ মাৰি ধৰি ব্যক্তি আৰু সমাজৰ মাজত এক প্ৰকাৰ দ্বন্দ্বৰ সৃষ্টি কৰিছিল। এই দুই বিপৰীতমুখী চিন্তাৰ প্ৰতিফলন ঘটিছে দুয়োগৰাকী গল্পকাৰৰে গল্পত।

বিশেষকৈ তদানীন্তন সমাজখনত নাৰীৰ স্থান গৌণ আছিল। পুৰুষপ্ৰধান সমাজখনত নাৰীসকলে বিভিন্ন অন্যায় অবিচাৰৰ বলি হ'ব লগা হৈছিল। সামাজিক নীতি-নিয়মক দোহাই দি নাৰীৰ জীৱন বিপদাপন্ন কৰি তুলিছিল। তেওঁলোকে বিনা প্ৰতিবাদে এই অন্যায়সমূহ মূৰ পাতি লৈ জীৱনৰ বাটত আগুৱাই যাব লগা হৈছিল। নাৰীসকলৰ এই বিভিন্ন সমস্যাসমূহৰ মূলতেই হৈছে স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত থকা সমাজৰ বাধা আৰোপ। সমাজে সম্পূৰ্ণৰূপে নাৰীৰ শিক্ষাৰ ওপৰত পিঠি দি কেৱল ঘৰুৱা কামৰ মাজতে আৱদ্ধ কৰি ৰাখিছিল। নাৰীসকলেও সমাজৰ নীতি-নিয়মকে সৰ্বোচ্চ বুলি ভাবি সকলোবিলাক অন্যায় মূৰ পাতি লৈছিল। কিন্তু সময়ৰ

পৰিবৰ্তনৰ লগে লগে কোনো কোনো ব্যক্তিৰ চিন্তা-চৰ্চাত সমাজ জীৱনেও এক গতিশীলতাৰ পিনে ঢাল খায়। এই ক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভূমিকা অন্যতম। দুয়োজনা গল্পকাৰৰে গল্পসমূহত নাৰীৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰি এক পৰিৱৰ্তনকামী চিন্তাৰ প্ৰতিফলন ঘটিছিল।

ঊনবিংশ বা বিংশ শতাব্দীৰ প্ৰাৰম্ভত নাগৰিক সমাজ আৰু গ্ৰাম্য সমাজৰ মাজত এখন ওখ প্ৰাচীৰ গঢ়ি উঠা নাছিল, পৃথক নাগৰিক সমাজ এখনো তেতিয়াও ভালকৈ সৃষ্টি হোৱা নাছিল; গতিকে সেই সময়ৰ সমাজ বুলিলে গাঁৱলীয়া সমাজখনকে বুজাইছিল।[২] বেজবৰুৱাৰ গল্পৰ সামাজিক প্ৰেক্ষাপট চাবলৈ গলে দেখা যায় যে তেওঁ ঊনবিংশ আৰু বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধৰ সামাজিক বাতাবৰণ অতি নিখুঁট ভাৱে অংকন কৰিছে। কুসংস্কাৰ, কু-নীতি, অজ্ঞতা, নিৰক্ষৰতা আদিয়ে ঊনবিংশ শতিকাৰ অসমীয়া সমাজ-জীৱনৰ নৈতিক অধঃপতন ঘটিছিল। বৃটিছ শাসন পদ্ধতিৰ প্ৰৱৰ্তন, ইংৰাজী ভাষা আৰু ভাৱধাৰাৰ আমদানি, বঙালী ভাষাৰ অবাঞ্চিত প্ৰবেশ আৰু প্ৰভাৱ, চাহ উদ্যোগৰ পত্তনে অসমীয়া সামাজিক জীৱনত যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। আনহাতে অসমীয়া জাতিয়ে আত্মবিশ্বাস হেৰুৱাই বৰবিহ কানিকে অমৃত বুলি গ্ৰহণ কৰি অধঃপতনৰ পথত আগবাঢ়ি যায়। নীচাত্মিকা মনোভাৱ বৃদ্ধি পোৱাৰ ফলত বিদেশী আদৰ-কায়দা আৰু মাত কথাকে শ্ৰেষ্ঠ বুলি তেওঁলোকৰ প্ৰতীতি জন্মিছিল।[৩]

বেজবৰুৱাৰ গল্পত মানৰ দ্বাৰা নিৰ্যাতিতা নাৰীৰ ছবি দেখিবলৈ পোৱা যায়। অসমত মানৰ অত্যাচাৰ অৱৰ্ণনীয়। তেওঁলোকে স্ত্ৰী পুৰুষ, আবাল বৃদ্ধ যাকে যেনেকৈ পাইছিল, তাকে তেনেকৈ হত্যা কৰি গাঁও-ভুঁই জুই লগাই পুৰি অসমত তাণ্ডৱ নৃত্য কৰিছিল। তেওঁলোকে জীয়াই জীয়াই মানুহ পুৰি মাৰিছিল। অমানুষিক অত্যাচাৰ কৰি প্ৰজাক হত্যা কৰিছিল, তিৰোতাৰ সতীত্ব ধৰ্ম নষ্ট কৰিছিল, অসমীয়া প্ৰজাক বন্দী কৰি মানদেশলৈ লৈ গৈছিল। তেনে অৱস্থা হোৱাত মানৰ নাম শুনিলেই অসমীয়া প্ৰজা পলাই ফাট মাৰিছিল। কিছুমান দেশদ্ৰোহী অসমীয়াইও মানৰ বেশ ধৰি গাঁও ভুঁই লুটপাত কৰিছিল। এই অত্যাচাৰত অসংখ্য অসমীয়া প্ৰজাই মানৰ হাতত প্ৰাণ হেৰুৱায়।[৪]

বেজবৰুৱাৰ ‘কাশীবাসী’, ‘জয়ন্তী’ আদি গল্পত মানৰ দ্বাৰা নিৰ্যাতিতা নাৰীৰ ছবি দেখিবলৈ পোৱা যায়। ‘কাশীবাসী’ গল্পত মানৰ আক্ৰমনত জীয়াতু ভোগা এগৰাকী নাৰীৰ ছবি দেখিবলৈ পোৱা যায়। গল্পৰ কথকে কাশীৰ দশাশ্বমেধ ঘাটত গঙ্গাস্নান কৰিবলৈ গৈ আশীবচৰীয়া অসমীয়া বৃদ্ধা গৰাকীক লগ পায়। অসমীয়া মানুহ লগ পাই বৃদ্ধাগৰাকীয়ে নিজৰ জীৱনৰ বিপৰ্যয়ৰ কথা

অতি দুখ মনেৰে ক'লে। তেওঁৰ পিতৃ আৰু স্বামীও ডাঙৰ মানুহ আছিল। ধন-ঐশ্বৰ্য, সুখ সম্পদৰ কোনো অভাৱ নাছিল। কিন্তু মানে তেওঁৰ জীৱন ধ্বংসৰ মুখলৈ থেলি দিলে। এই বৃদ্ধাগৰাকীৰ দৰে আন আন অসমীয়া নাৰীৰো জীৱন নিঃশেষ কৰি পেলাইছিল। বৃদ্ধাগৰাকীয়ে নিজৰ জীৱনৰ বিপৰ্যয়ৰ কথা সুঁৱৰি কৈছে- " মানৰ সেই কালৰ সেই ভয়ানক উপদ্ৰৱৰ কথা সুঁৱৰিলে এতিয়াও ভয়ত অষ্ঠ-কণ্ঠ শুকাই যায়। .......পাপীষ্ঠহঁতৰ হাতত মোৰ সকলো গ'ল।"[৫]

মানদেশৰ ৰজাই বৰ সেনাপতি মিঙ্গিমাহা বন্দুলাক অসমৰ পৰা উভতি যাব লাগে বুলি হুকুম দিছিল। ৰজাৰ হুকুম পাই বন্দুলাই যাবলৈ ওলাল যদিও যাওঁতে তেওঁলোকে দেশৰপৰা ধন-বস্তু আদি লৈ যোৱাৰ লগতে অসমীয়া মানুহকো ধৰি লৈ গ'ল। মানৰ অমানবীয় কাৰ্যৰ গল্পটোত বৰ্ণনা কৰিছে এইদৰে- "সিহঁতে বুঢ়া মেঠা আৰু ল'ৰা-ছোৱালীবোৰ নি নি জীয়াতু দি মাৰি থৈ গৈছিল, ডেকাবোৰক সিহঁতৰ ভাৰী আৰু ডেকেৰীবোৰক সিহঁতৰ তিৰুতা কৰি লৈছিল। গৰু-ছাগলী সাঙুৰি নিয়াদি সেই মানুহবোৰ সাঙুৰি নিছিল। মোৰ বোপাইহঁতঙ্গ সিহঁতৰ মাৰধৰ অত্যাচাৰ সহিব নোৱাৰি কত মানুহ যে বাটতে আপোন-ঘাটী হৈ আৰু এনেই মৰিল তাৰ লেখ-জোখ নাই। আমি বৰ কাছৰ হাতোৰা ফুটাই বেত-সুতেৰে বন্ধাদি দহোটা কুৰিটাকৈ একো একো জাকৰ মানুহৰ হাতৰ তলুৱা ফুটাই সিহঁতে বান্ধি লৈ গৈছিল।"[৬] বৃদ্ধাগৰাকী তেতিয়া উঠি অহা ছোৱালী; পোন্ধৰ বছৰ বয়স আছিল। মান সৈন্যই তেওঁলোকৰ ঘৰৰ বয়-বস্তু লৈ যোৱাৰ লগতে তেৰো মানৰ অত্যাচাৰৰ বলি হৈছিল।

কিন্তু কোম্পানীৰ সেনাপতি নিউভাইয়ে মানৰ হাতৰ পৰা বহুতো অসমীয়াক ৰক্ষা কৰি ঘৰলৈ পঠাই দিয়ে। মানৰ হাতৰপৰা উদ্ধাৰ হৈ আহি জীৱনটো ৰক্ষা পৰিল যদিও তেওঁৰ জীৱনৰ বিপৰ্যয় নুগুছিল। ঘৰলৈ উভতি যোৱাৰ পিছত তেওঁৰ স্বামী, শহুৰ-শাহু কোনেও আঁকোৱালি নললে। তেওঁক মানৰ হাতত ভ্ৰষ্টা হোৱা বুলি ভাবি জাত যোৱাৰ ভয়ত ঘৰত সোমাব নিদিলে। অশেষ কাকুতি-মিনতি কৰাৰ পিছতো তেওঁক কোনো প্ৰকাৰে গ্ৰহণ নকৰিলে। আনকি স্বামীয়েও জাত যোৱাৰ ভয়ত সমাজৰ বিপক্ষে থিয় হৈ মনুষ্যত্ব প্ৰদৰ্শন কৰিব নোৱাৰিলে। শেষত ঘৰৰ পৰা বাহিৰ হৈ আহি লগৰ এজনীৰ লগত কাশীত আশ্ৰয় লৈ কাশীবাসী হ'ল।

ইয়াণ্ডাবু সন্ধিৰ চৰ্তমতে অসম ব্ৰিটিছৰ অধীনত যোৱাৰ পূৰ্বে অসমে ইতিহাসৰ এচোৱা কাল অতি দুৰ্যোগপূৰ্ণ কাল অতিবাহিত কৰে। কেইবা দশকজোৱা মোৱামৰীয়া বিদ্ৰোহ আৰু উপৰ্যুপৰি হোৱা মানৰ আক্ৰমণৰ পৰিণতিত আহোম ৰাজতন্ত্ৰৰ অৱসান ঘটে। আহোমৰ ছশ বছৰীয়া ৰাজত্বৰ শেষৰ দিনবোৰ মানৰ আক্ৰমন আৰু অত্যাচাৰত দেশৰ অৱস্থা শোচনীয় হৈ

পৰিছিল। উপৰ্যুপৰি মানৰ আক্ৰমনৰ পিছত সম্পূৰ্ণ বিধস্ত অসম বৃটিছৰ শাসনৰ অধীনলৈ যায়। বৃটিছৰ শাসনৰ লগে লগে স্থানীয় সমাজ গাঁথনিত এক বিশেষ পৰিবৰ্তনে দেখা দিয়ে। ইংৰাজে খোপনি পুতি বহাৰ লগে লগে আৰম্ভ হৈছিল প্ৰচণ্ড বিদ্ৰোহ। প্ৰথম গোমধৰ কোঁৱৰ বিদ্ৰোহ, ঠিক ইয়াৰ পিছতে পিয়লি ফুকনৰ বিদ্ৰোহ, ইয়াৰ ডেৰকুৰিমান বচৰ পিছতে মণিৰামৰ ফাঁচীৰ লগে লগে প্ৰকৃতাৰ্থত ডাঙৰীয়া শ্ৰেণীৰ তথা পুৰণি সামন্ত আৰু নতুন উদ্যোগী শ্ৰেণীৰ পৰশ পোৱা সম্ভ্ৰান্ত শ্ৰেণীৰ বিদ্ৰোহৰ পতন হৈছিল।[৭] মণিৰাম দেৱানে বৃটিছৰ শাসনক কোনোমতে মানি ল'ব পৰা নাছিল- " মানৰ আক্ৰমনত কঁকাল ভাগি পৰা মোৰ সোণৰ অসমক সিঁহতৰ সহায়তে পুনৰ নদন-বদন কৰি তুলিম। কিন্তু শেন চকুৰা বগা বঙ্গালৰ আক্ৰোহে সীমা পাৰ হৈ গৈছে। সিহঁতে বহিবলৈ পাই শুবলৈ বিচাৰে। সিহঁতৰ সৈতে সহযোগিতা অসম্ভৱ।[৮] পিয়লি ফুকনেও বৃটিছৰ বিৰুদ্ধে শিৰণত হ'ব বিচৰা নাছিল- "অসম- সোণৰ অসম- প্ৰকৃতিৰ লীলাভূমি, দেৱৰো দুৰ্লভ- স্বৰ্গাদপি গৰিয়সী- জন্মভূমি এই অসম যাৰ কাৰণে ধৰ্ম ত্যজিলো, ভাষা এৰিলো স্বজাতি স্বজনক পাহৰি লৈ, বন পৰ্বত অতিক্ৰম কৰিলো- বুকুৰ তেজেৰে চেনেহী জনমভূমিক সাৰুৱা কৰি শস্যৰ পথাৰ কৰিলো- শিল ভাঙি দেৱালয় সাজিলোঁ- সেই অসমক ফিৰিঙি মেলেচৰ হাতত এৰি দি সিঁহতক সেৱা কৰি থকাতকৈ ডিঙিত চিপজৰী লগাই মৰাটো শতগুণে বাঞ্চনীয়।"[৯]

একেদৰে 'জয়ন্তী' গল্পটোত মানৰ অত্যাচাৰে কেনেদৰে অসমীয়া মানুহৰ ক্ষতি সাধন কৰিছিল, এই বিষয়ে বৰ্ণনা কৰা আছে। গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ জয়ন্তী। জয়ন্তী এগৰাকী অতি গুণৱতী নাৰী। ঘৰুৱা কাম-কাজ আদি সকলো ক্ষেত্ৰতে পাৰ্গত। এগৰাকী ভাল বোৱাৰী বুলি ৰংপুৰত নাম এটা আছিল। কিন্তু মানৰ আক্ৰমনৰ ফলত জয়ন্তীৰ জীৱনৰ সকলো ৰং নাইকীয়া হৈ গ'ল। মানে তিনিবাৰ অসম আক্ৰমন কৰাৰ সময়ত তৃতীয়বাৰৰ আক্ৰমন অতি ভীষণ আছিল। গল্পটোত উল্লেখ কৰা অনুসৰি- " ইহঁতৰ অত্যাচাৰত প্ৰায় তিনিভাগৰ এভাগ প্ৰজা অসমৰ পৰা নাইকিয়া হৈছিল। স্বামীৰপৰা তিৰোতাক, বাপেৰক পৰা পুতেকক, কোলাক কেচুৱাৰ পৰা মাকক, এই দুৰাচাৰহঁতে চিৰজন্মলৈ আঁতৰ কৰিছিল। শই শই গাঁৱ দেৱালয় আদি অগ্নিত আহুতি দিয়া হৈছিল, হেজাৰ হেজাৰ সতী সাধবীয়ে দুৰাত্মহঁতৰ ভীষম কবলত সতীত্ব ৰত্ন বিষৰ্জন দিবলগীয়াত পৰিছিল। প্ৰকৃতিৰ কাম্য-কানন মহাতপা বশিষ্ঠ গালৰ গোকৰ্ণকে আদি কৰি যোগী তপস্বী ঋষি-মুনিসকল, পবিত্ৰ আশ্ৰম নীলাচল, অশ্বক্লান্ত, মণিকৰ্ণেশ্বৰ, উমানন্দ, শুক্ৰেশ্বৰ, হয়গ্ৰীৱ মাধৱ, বিশ্বনাথ প্ৰভৃতি হিন্দুদেৱতাসকলৰ পীঠ স্থান অসম শ্মশানত পৰিণত হৈছিল।"[১০]

সেই সময়ত বহুতো অসমীয়া মানুহে মানৰ ভয়ত দেশ এৰি পলাইছিল। জয়ন্তীৰ স্বামী

ৰমানাথেও জয়ন্তীক লৈ নিজ দেশ এৰি আন ঠাইলৈ যোৱাৰ কথা ভাবি গুণি আছিল। এদিন হঠাতে মান সেনাই তেওঁলোকৰ ঘৰত সোমাই জয়ন্তী আৰু ৰমানাথক জৰীৰে বান্ধি ঘৰ লুটিবলৈ ধৰিলে। কিন্তু ৰমানাথে দেশৰ শোচনীয় পৰিস্থিতি দেখি মূল্যবান বয়-বস্তুবিলাক আগতেই গুৱাহাটীৰ ভায়েকৰ ঘৰলৈ পঠাই দিছিল। তেতিয়া মান সৈন্যই ধন-সম্পদ একো নাপাই নিৰাশ হৈ খঙৰ জুই দুগুনে চৰিল। ৰমানাথৰ ওপৰত শাৰিৰীক নিৰ্যাতন কৰিবলৈ ধৰিলে। জয়ন্তীয়ে উপায়হীন হৈ বহুত কাকুতি মিনতি কৰিলে যদিও মান সৈন্যই জয়ন্তীৰ কথাত কোনো ভ্ৰূক্ষেপ নকৰিলে। তেতিয়া হঠাতে জয়ন্তীয়ে বুধি এটা পাঙি উলিয়ালে। ধন-সম্পদবোৰ ঘৰত পুতি থোৱা বুলি মিছাতে মান সৈন্যসকলক লোভ দেখুৱালে। তেওঁলোকেও জয়ন্তীৰ কথামতে গাত খান্দি থাকোতে জয়ন্তীয়ে ৰণচণ্ডী মূৰ্তি ধৰি দিঙি কাটি গাঁতত পেলাই দিলে। নিমিষৰ ভিতৰতে এই কাৰ্য কৰি ৰমানাথক বন্দীত্বৰ পৰা মুক্তি কৰালে। ইয়াৰ পিছত জয়ন্তীয়ে তেজেৰে ৰাঙলী হৈ উন্মাদ নৃত্য কৰিবলৈ ধৰিলে। জয়ন্তীয়ে আৰু সুস্থ অৱস্থা ঘূৰাই নাপালে। মানৰ অত্যাচাৰৰ পৰা স্বামীক বচাবলৈ গৈ জয়ন্তীয়ে চিৰদিনৰ কাৰণে মানসিক বিকাৰগ্ৰস্ত হৈ পৰিছিল। কোমল অন্তৰৰ জয়ন্তীয়ে স্বামীক বচাবলৈ মানসেনাৰ ওপৰত প্ৰতিশোধ ল'বলৈ কুণ্ঠাবোধ কৰা নাছিল।

বেজবৰুৱাৰ গল্পসমূহতো স্ত্ৰী শিক্ষা, স্ত্ৰী স্বাধীনতাৰ প্ৰতি গুৰুত্ব আৰোপ কৰা দেখা গৈছে। বেজবৰুৱাই তথকথিত সমাজখনৰ স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰখনৰ কথা ক'বলৈ গৈ 'মোৰ জীৱন সোঁৱৰণ' গ্ৰন্থত গুণাভিৰাম বৰুৱাৰ উদাহৰণ দাঙি ধৰিছে- - " তেওঁৰ জীয়েক স্বৰ্ণলতাই তেতিয়া বেথুন কলেজত পঢ়িছিল। অসমীয়া ছোৱালীৰ পক্ষে সেইটো নতুন কথা।"[১১] তদানীন্তন সমাজখনত স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত বৰ বিশেষ গুৰুত্ব দিয়া হোৱা নাছিল। সমাজ-ব্যৱস্থাত বেজবৰুৱাৰ 'ৰচিত', 'ললিতী কাকতি' আদি গল্পত স্ত্ৰী শিক্ষাৰ প্ৰতি বেজবৰুৱাই আগ্ৰহ প্ৰকাশ কৰিছে।

'ৰচিত' গল্পত বৃন্দা কেন্দ্ৰীয় চৰিত্ৰ। বৃন্দা এগৰাকী শিক্ষিতা ছোৱালী। তাইৰ সৰুৰপৰা পঢ়া শুনাৰ প্ৰতি ধাউতি আছিল। গল্পটোত উল্লেখ কৰা অনুসৰি- "সৰুজনীৰ সৰুৰেপৰা লিখা পঢ়াত ধাউতি দেখিপঢ়া শুনা কৰিবৰ সকলো সুবিধা কৰি দি কমললোচনে তাইক বিদূষী আৰু গুণৱতী কৰি তুলিলে।"[১২] বৃন্দাই বিবাহোপযুক্তা হোৱাত মাকে হাকিম বা উকীললৈ বিয়া দিব বিচাৰিলে। তথাকথিত সমাজখনত হাকিম বা উকীলৰ প্ৰতি মানুহে এক উচ্চ ধাৰণা পোষণ কৰিছিল। গতিকে শিক্ষিতা জীয়েক বৃন্দাক মাকে হাকিম বা উকিললৈ বিয়া দিয়াৰ কথা ভাবিছিল। মিষ্টৰ জে আৰ বৰুৱাৰ লগত মহা ধুম-ধামেৰে বৃন্দাৰ বিয়া হ'ল। বিয়াৰ দিনাই মিষ্টাৰ

জে বৰুৱাৰ স্বভাৱৰ নমুনা ওলাই পৰিল। কোনো ধৰণৰ শিষ্টাচাৰ নেদেখুৱাই অশালীন ব্যৱহাৰহে কৰি দেখুৱালে। দৰাৰ নমনীয়তা গুণৰ সলনি এক উচ্ছৃঙ্খল পৰিৱেশৰহে সৃষ্টি কৰিলে। নতুনকৈ ইংৰাজী শিক্ষা লাভ কৰি সম্পূৰ্ণৰূপে বিদেশী আদৰ-কায়দা গ্ৰহণ কৰি নিজৰ সমাজ-সংস্কৃতিক পিঠি দিছিল। লাহে লাহে বৃন্দাৰ স্বামীৰ কু-চৰিত্ৰবোৰ বাহিৰলৈ আহিবলৈ ধৰিলে। বৃন্দাক শাৰিৰীক আৰু মানসিকভাৱে অত্যাচাৰ কৰি স্বামীয়ে পিতৃগৃহক যাবলৈ নিৰ্দেশ দিলে। শেষত দেউতাকৈ এখন চিঠি লিখি স্বামীৰ ঘৰৰ পৰা লৈ যাবলৈ অনুৰোধ জনালে।

নাৰীশিক্ষা জাগৰণৰ ক্ষেত্ৰত ঊনবিংশ শতিকাটো এক গুৰুত্বপূৰ্ণ সময়। মিছনেৰীসকলেও স্ত্ৰী-শিক্ষা আৰু নাৰী মুক্তিৰ ক্ষেত্ৰত উদাৰ দৃষ্টিভংগী পোষণ কৰিছিল। অসমত আধুনিক শিক্ষা বৃটিছে অসম শাসন কৰাৰ পৰাই আৰম্ভ হয়। ইয়াৰ আগলৈকে সত্ৰ টোল পাঠশালা আদিত শিক্ষা দিয়া হৈছিল আৰু সেইবোৰত ঘাইকৈ শাস্ত্ৰ বিষয়ক শিক্ষাহে প্ৰদান কৰা হৈছিল।পশ্চিমীয়া শিক্ষা পদ্ধতি প্ৰচলন কৰাৰ লগে লগে অসমত বহুকেইখন বিদ্যালয় স্থাপন কৰা হৈছিল। কিন্তু ১৮৪০ চনৰ আগলৈকে অসমত স্ত্ৰী-শিক্ষাৰ বাবে কোনো বিদ্যালয় স্থাপন হোৱা নাছিল। তৎকালীন অসমীয়া ৰক্ষণশীল সমাজখনে ছোৱালীক শিক্ষা দিব নিবিচাৰিছিল। ঊনবিংশ শতিকাই নহয় বিংশ শতিকাৰ আদি ভাগলৈকে অসমীয়া ৰক্ষণশীল সমাজখন স্ত্ৰী-শিক্ষাৰ বিৰোধী আছিল।[১৩]

ঊনবিংশ শতিকাৰ উচ্চশিক্ষিত এচাম উদাৰ নৈতিক আৰু প্ৰগতিশীল অসমীয়া মধ্যবিত্তই স্ত্ৰী-শিক্ষা আৰু স্ত্ৰী-স্বাধীনতাৰ প্ৰতি উদাৰ দৃষ্টিভংগী পোষণ কৰিছিল। এইক্ষেত্ৰত অসমীয়া যাদুৰাম ডেকাবৰুৱাৰ নাম উল্লেখ কৰিব পাৰি। যাদুৰাম ডেকাবৰুৱাই সতীযোৱা প্ৰথাৰ বিৰুদ্ধে থিয় দিছিল। ডেকাবৰুৱা যে অকল সতীযোৱা প্ৰথাৰ বিৰোধী আছিল এনে নহয়, বিধবা বিবাহৰো প্ৰধান পক্ষপাতী আছিল। সেইসময়ৰ ৰক্ষণশীল দিনতো সমাজৰ গ্লানিলৈ ভ্ৰূক্ষেপ নকৰি তেওঁ নিজেই বিধবা বিবাহ কৰাইছিল।[১৪]

কিন্তু একেখিনি সময়তে এচাম বিদ্বৎ লোকে স্ত্ৰী শিক্ষাৰ ওপৰত বিৰূপ মন্তব্যও পোষণ কৰিছিল। তেওঁলোকে গতানুগতিক ৰীতিত চলি অহা নাৰীৰ ধৰ্মক পৰিবৰ্তন কৰাটো মুঠেই পচন্দ কৰা নাছিল। নাৰীয়ে শিক্ষা গ্ৰহণ কৰিলে নষ্ট হৈ যাব বুলি এক বিদ্বেষী মনোভাৱ পোষণ কৰিছিল। লম্বোদৰ বৰাই এই ক্ষেত্ৰত নেতিবাচক দিশৰ কথাই আঙুলিয়াই দিছিল- "স্ত্ৰী শিক্ষা চিঠি লিখিবলৈ শিকা। নাটক, নভেলৰ (উপন্যাসৰ) পৰা মূৰ নদঙ্গা, বোৱা-কটা, ৰন্ধা-বঢ়া, আদি গৃহস্থালি কাম পাহৰা, শৰীৰ দুৰ্বল অকামিলা আৰু হাড়-ছাল শেষ কৰা, দৰা এঙ্গাবলৈ শিকা,

তিৰুতাৰ উচিত কামবোৰ পাহৰা, তিৰুতাক মতা কৰা ফুলক বজ্ৰ কৰা, সৰোবৰক মৰুভূমি কৰা।"[১৫] যিখন অসমত ইংৰাজী শিকিলে জাত যায় বুলি ভবা হৈছিল তাত স্ত্ৰী শিক্ষাৰ নামত কেনে ধৰণৰ প্ৰতিক্ৰিয়া হ'ব পাৰে তাক সহজে অনুমান কৰিব পাৰি। সহস্ৰ বাধাৰ বিৰুদ্ধে গৈ অসমত নাৰী শিক্ষাৰ প্ৰতি সচেষ্ট হয় আনন্দৰাম ঢেকিয়াল ফুকন। হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আৰু আনন্দৰাম ঢেকিয়াল ফুকন আদি শিক্ষিত ডেকাসকলে স্ত্ৰী স্বাধীনতাৰ প্ৰতি অগ্ৰণী ভূমিকা পালন কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকনে পুৰুষৰ লগতে নাৰীসকলকো আগুৱাই নিব বিচাৰিছিল আৰু তেওঁ সেইটো নিজৰ জীৱনত কৰি দেখুৱাই দিছিল। এইক্ষেত্ৰত গুণাভিৰাম বৰুৱাৰ এযাৰ মন্তব্য দাঙি ধৰিব পাৰি- " স্ত্ৰী শিক্ষাৰ প্ৰতি তেওঁৰ বৰ শ্ৰদ্ধা আছিল; নিজৰ পত্নীক নিজেই শিক্ষা দিছিল আৰু নিজৰ কন্যা পদ্মাৱতীক পঞ্চবৰ্ষত বিদ্যাৰম্ভ কৰিছিল। স্ত্ৰী পুৰুষ উভয়ে মনুষ্য, এতেকে স্ত্ৰীবিলাক অশিক্ষিতা থকিলে পুৰুষ অৰ্দ্ধাঙ্গী ৰোগাক্ৰান্ত থাকে। এইটি তেওঁৰ মত। স্ত্ৰী স্বাধীনতাৰো তেওঁ পক্ষপাতী আছিল। উপযুক্ত শিক্ষিতা হ'লে স্ত্ৰীক স্বাধীনতা দিয়া বেয়া নহয় এইটো তেওঁৰ বিশ্বাস আছিল। "[১৬]

স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত প্ৰতিকুল অৱস্থা এটা নাথাকিলেও আহোম সকলৰ ৰাজত্বকালতো দুই এক নাৰীৰ শিক্ষাৰ প্ৰতি ধাউতি থকা দেখা গৈছিল। ফুলেশ্বৰী কুঁৱৰী শিক্ষা-দীক্ষাৰ প্ৰতি বৰ আগ্ৰহী আছিল। ৰাজধানী ৰংপুৰত 'বৰ ৰজাৰ পঢ়াশালি' নামৰ এখন সংস্কৃত বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। স্বৰ্গদেউ শিৱসিংহ আৰু ৰাণী ফুলেশ্বৰীৰ পৃষ্ঠপোষকতাত অনন্ত আচাৰ্যই 'আনন্দ লাহৰী', আৰু কবিচন্দ্ৰ দ্বিজে 'কাম কুমৰ হৰণ', ধৰ্মপুৰাণ আদি গ্ৰন্থ ৰচনা কৰিছিল। এওঁৰ দিনতেই ৰাণী অম্বিকাদেৱীৰ নিৰ্দেশক্ৰমে সুকুমাৰ বৰকাথে 'হস্তীবিদ্যাৰ্ণৱ' নামৰ বিখ্যাত গ্ৰন্থখনিও ৰচনা কৰিছিল।[১৭]

বেজবৰুৱাৰ 'ললিতী কাকতি' গল্পত নাৰীসকলৰ প্ৰতি প্ৰগতিবাদী ভাৰধাৰাৰ প্ৰকাশ ঘটিছে। ললিতী চৰিত্ৰটো প্ৰতিবাদী নাৰী চৰিত্ৰ হিচাপে দেখিবলৈ পোৱা গৈছে। ললিতীৰ দৃষ্টিত পুৰুষৰ দৰেই নাৰীৰো থাকিব লাগে ব্যক্তি স্বাধীনতা। পুৰুষসকলে যিদৰে ব্যক্তি স্বাধীনতা উপভোগ কৰে তেনেদৰে নাৰীসকললেও একেখিনি স্বাধীনতাৰে সমাজত জীয়াই থকাটো ললিতীয়ে বিচাৰে। পুৰুষে নাৰীৰ ওপৰত কৰা অন্যায় অনীতিক গল্পটোত তীব্ৰভাৱে নিন্দা কৰিছে। গল্পটোত ললিতীক শিক্ষিতা ছোৱালী হিচাপে দেখুৱাইছে। কাৰণ ললিতীৰ মনত স্বামীৰ কু-কাৰ্যৰ প্ৰতি যি ক্ষোভৰ উদয় হৈছিল সেই কথাখিনিকে চিঠিৰ আকাৰত ব্যক্ত কৰি বাঁহীৰ সম্পাদকলৈ প্ৰেৰণ কৰিছিল। এয়া বেজবৰুৱাৰ স্ত্ৰী-শিক্ষাৰ প্ৰতি থকা উদাৰ ভাৱকেই দেখা

গৈছে। ইয়াৰ দ্বাৰা নাৰী শিক্ষাৰ জাগৰণৰ ইংগিত বহন কৰিছে।

ললিতীৰ স্বামী এজন কু-চৰিত্ৰসম্পন্ন ব্যক্তি। বিয়াৰ এমাহৰ পিছৰপৰাই ললিতীক স্বামীয়ে শাৰিৰীক আৰু মানসিকভাৱে অত্যাচাৰ কৰিছিল। অতি কম দিনৰ ভিতৰতে তেওঁলোকৰ সংসাৰ ভাঙি চূড়মাৰ হ'ল। ললিতীৰ আ-অলংকাৰ, ভাল কাপোৰ-কানি আদি সকলো ৰাখি ললিতীক পিতৃৰ লগত ঘৰলৈ পঠাই দিছিল। ললিতীয়ে কিন্তু এই অন্যায় অত্যাচাৰৰ বিৰুদ্ধে হাত সাৰটি বহি নাথাকিল। বাঁহী কাকতলৈ প্ৰেৰণ কৰা চিঠিখনৰ মাজেদি ললিতী চৰিত্ৰটোৰ নাৰী শক্তি জাগৰিত হোৱাৰ উমান পাব পাৰি। ললিতীয়ে চিঠিখনত আপোচবিহীনভাৱে স্বামীৰ কু-কৰ্মক উদঙাই দেখুৱাইছে। চিঠিখনত পুৰুষসকলে নাৰীৰ ওপৰত কৰা নিৰ্যাতনৰ প্ৰতি চোকা ভাষাৰে সমালোচনা কৰিছে। গল্পটোত নাৰীসকলে পৰম্পৰাগত নিয়মৰ সলনি অন্যায় অনীতিৰ বিৰুদ্ধে সচেষ্ট হোৱা দেখুৱাইছে। বেজবৰুৱাই সেয়েহে ললিতীক শিক্ষিত নাৰী হিচাপে অংকন কৰিছে। ঘৰৰ চাৰিবেৰৰ মাজত নাৰীসকল আৱদ্ধ হৈ থাকি শিক্ষাৰ পোহৰ নাপালে তেওঁলোকৰ চিন্তা-ধাৰাই যে বিকাশ লাভ কৰিব নোৱাৰিব তাৰেই ইংগিত বহন কৰিছে।

ঊনবিংশ শতিকাৰ সমাজখনত জাতিভেদ প্ৰথা বিষয়টো এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে বিবেচিত হৈছিল। ব্যক্তি জীৱনৰ সুখ স্বাস্বন্দ্যক আওকাণ কৰি জাতি-ভেদ প্ৰথাৰ অন্ধ অনুকৰণেৰে নীতি-নিয়মৰ বেহু ৰচনা কৰিছিল। জাত-পাতৰ ভেদ-ভাৱ ব্যক্তি জীৱনৰ অভিশাপ স্বৰূপ আছিল। জাতি প্ৰথা হিন্দু সমাজ সংৰচনাৰ এক মূল বৈশিষ্ট্য।[১৮] হিন্দু সমাজত ব্ৰাহ্মণ সকলেই উচ্চ স্থান অধিকাৰ কৰে। বেজবৰুৱাৰ পৰিয়ালতো আছিল জাত-পাতৰ এক উচ্চ-নীচ ভাৱ। 'মোৰ জীৱন সোঁৱৰণ' গ্ৰন্থত বেজবৰুৱাই উল্লেখ কৰিছে যে- " ঘুনুক ঘানাকৈ বাতৰি ওলাল, যে দীননাথ বেজবৰুৱাৰ পুতেক গোলাপে মনে মনে কলিকতাৰ মেডিকেল কলেজত ভৰ্তি হৈ ডাক্তৰী পঢ়িছে। পুতেকৰ এনে অভাৱনীয় ব্যৱহাৰত দেউতা স্তম্ভিত হ'ল। ডাক্তৰী পঢ়িলে মৰা শ কাটিব লাগিব। মৰাশ কটা-ছিঙা কৰিলে হিন্দুৰ বিশেষকৈ বামুণৰ জাত যায়, এই মত আৰু বিশ্বাস আসামত দৃঢ়মূল। ............ দেউতাই পুতেকক ডাক্তৰী পঢ়িবলৈ অনুমতি নিদিয়াটো ধ্ৰুৱ নিশ্চয়; বৰং তেওঁৰ বিনা অনুমতিত পুতেকে তেনে কাৰ্য কৰিবলৈ গৈছিল। কিন্তু এনে খবৰৰ মুখত সোপা দি ৰাখিবৰ সাধ্য কাৰ? দেউতাই তৎক্ষণাত গোলাপ ককাইদেউক ঘৰলৈ উভতি যাবলৈ আদেশ দি পঠিয়ালে। নিৰুপায় গোলাপ অচিৰতে শিৱসাগৰত ওলালগৈ। পিতৃদেৱতাই পুতেকক আৰু কলিকতালৈ নপঠিয়াবলৈ ঠিৰাঁ কৰি পৰাচিত কৰাই শুদ্ধ কৰি লৈ শীযুত গংগাগোবিন্দ ফুকন ডাঙৰীয়াৰ সৈতে পৰামৰ্শ কৰি গোলাঘাটত এখন ইংৰাজী স্কুল পতাই

তাৰ হেডমাষ্টৰ পতাই দিয়ালে।” [১৯]

বেজবৰুৱাৰ ‘নিস্তাৰিণী দেৱী বা ফাতেমা বিবি’, আদি গল্পত তথাকথিত সমাজ-ব্যৱস্থাৰ জাত-পাতৰ প্ৰতি থকা সূক্ষ্ম মানসিকতাৰ পৰিচয় পোৱা যায়। ‘নিস্তাৰিণী দেৱী বা ফাতেমা বিবি’, ‘ভোমকেৰোলা’ আদি গল্পত জাত-পাতৰ উচ্চ-নীচ ভাৱে নাৰীৰ জীৱন বিষময় কৰি তুলিছে। ‘নিস্তাৰিণী দেৱী বা ফাতেমা বিবি’ গল্পত অতি কম বয়সীয়া নিস্তাৰিণীয়ে মুছলমানৰ ঘৰত ঈদত ‘চিমাইৰ পায়স’ খোৱাৰ অপৰাধতে জীৱনৰ চৰম বিপৰ্যয় আৰম্ভ হৈছিল। তেতিয়া নিস্তাৰিণীৰ বয়স আছিল সাত বচৰ। নিস্তাৰিণীৰ ইছলাম ধৰ্মৰ লোকৰ ঘৰত গৈ পায়স খোৱা কথাটো গাৱত প্ৰচাৰ হোৱাৰ লগে লগে গাৱৰ মানুহে পৰিয়ালটোক এঘৰীয়া কৰি থোৱাৰ ভয় দেখুৱালে। শেষত দেউতাকে নিস্তাৰিণীকে ঘৰৰ পৰা বাহিৰ উলিয়াই দিলে। অসহায় হৈ নিস্তাৰিণীয়ে আশ্ৰয় বিচাৰি আত্মীয়ৰ ওচৰলৈ গ’ল যদিও কোনোৱে আশ্ৰয় দিবলৈ মান্তি নহ’ল। শেষত এঘৰ মুছলমান মানুহৰ ঘৰত আশ্ৰয় পালে। নৰু মিঞা আৰু মিঞানীয়ে নিজৰ জীয়েকৰ দৰে ৰাখিবলৈ ধৰিলে। এবচৰ পিছত নিস্তাৰিণী দেৱীৰ নামটো সলাই ফাতেমা বিবি কৰি দিলে। ইয়াৰ পিছত এজন মুছলমান ল’ৰাৰ লগতে নিস্তাৰিণীৰ বিয়া পাতিলে। গল্পটোত নৰু মিঞা আৰু মিঞানী এই ইছলামধৰ্মী লোক দুজনক উদাৰ অন্তৰ হিচাপে দেখুৱাইছে। গল্পটোত ধৰ্মৰ সংকীৰ্ণ মনোভাৱক গুৰুত্ব নিদি মানৱতাকহে শ্ৰেষ্ঠ স্থান দিছে। গল্পটোত জাত-পাতৰ সংকীৰ্ণ মনোভাৱৰ প্ৰতি তীক্ষ্ণ সমালোচনা কৰিছে। গল্পটোত উল্লেখ কৰা অনুসৰি-“ কিন্তু হুজুৰ এটা কথা কওঁ আমাৰ দেশখন জাতেই খালে। জাত জাত কৈ ইটোৱে সিটোক ঘিণাই, হিন্দু মুছলমান বুলি এটা ধৰ্মৰ মানুহে আনটোক ছেই ছেই কৰি মিছাতে আমাৰ দেশখন ‘জহন্নামে’ নিলে। আল্লাৰ আগত সকলো জাতৰ সকলো ধৰ্মৰ মানুহ সমান হুজুৰ। ইপুৰীত মই মোৰ আই বোপাইক নেপালো, সিপুৰীত নিশ্চয় মাক খোদাই তেওঁলোকক দিব।”[২০]

‘ভোমকেৰোলা’ গল্পত পণ্ডিত বিদ্যাৰত্নই ভোমকেৰোলাক ব্ৰাহ্মণ সম্প্ৰদায়ৰ বুলি ভাৱি দুয়োজনী জীয়েক কাদম্বৰী আৰু মেদিনীক ভোমকেৰোলালৈ বিয়া দিলে। ভোমকেৰোলাই নিজৰ পৰিচয় আত্মগোপন কৰি পণ্ডিত বিদ্যাৰত্নৰ ওচৰত সংস্কৃত বিদ্যাশিক্ষা লাভ কৰিছিল। অতি সোনকালে ভোমকেৰোলাই বিদ্যাশিক্ষা আয়ত্ব কৰি লৈছিল। ভোমকেৰোলাৰ পাণ্ডিত্যত মুগ্ধ হৈ পণ্ডিত বিদ্যাৰত্নই দুয়োজনী জীয়েকক বিয়া দিয়াৰ সিদ্ধান্ত লৈছিল। সময়ৰ লগে লগে ভোমকেৰোলাৰ আচল পৰিচয় ৰহস্য ওলাই পৰিল। সেয়েহে পণ্ডিত বিদ্যাৰত্নৰ জীয়েক কাদম্বৰী আৰু মেদিনীয়ে স্বামী ব্ৰাহ্মণ নহৈ নদীয়ালৰ ল’ৰা বুলি গম পাই আত্মহত্যা কৰিলে। গল্পটোত

উল্লেখ কৰা অনুসৰি- “ নৈষ্ঠিক ব্ৰাহ্মণ পণ্ডিত বিদ্যাৰত্নৰ জীয়েক সেই পিনেই কাঁহ পৰি জিন গ'ল। তাই আৰু একো নামাতি মনে মনে থাকিল। ৰাতি এঘন্টামানৰ মূৰত চাকিটো হাতত লৈ বায়েক শোৱা খোটালিলৈ গ'ল; দেখিলে বায়েক টোপনিত বিভোৰ। কাদম্বৰীয়ে ভাবিলে, তাইৰ আৰু তাইৰ বায়েকৰ জীৱন কলুষিত হ'ল আৰু ইহজনমৰ নিমিত্তে সেই জীৱন ব্যৰ্থ। মহাপাপেৰে কলঙ্কিত অসাৰ্থক দেহাৰ মহাপ্ৰায়চিত্ত আৱশ্যক, নতুবা জীৱনৰ ভাৰ আৰু সিহঁতৰ বোৱা উচিত নহয়। ইয়াকে ভাবি তাই ভিতৰৰ পৰা দুৱাৰত ভালকৈ দাং দি , সিহঁত শোৱা ঘৰটোত জুই লগাই দিলে।”[২১] এনেদৰে জাত-পাতৰ অন্ধ অনুকৰণৰ ফলত দুটি নিষ্পাপ জীৱন বিসৰ্জন দিব লগা হ'ল।

বেজবৰুৱাৰ গল্পত বিভিন্ন ধৰণৰ নাৰী নিৰ্যাতনৰ ছবি পোৱা যায়। 'আমালৈ নাপাহৰিবা' গল্পত ভণ্ডামি ব্যক্তিয়ে বেশ ধৰি আহি অতি হোজা ছোৱালী এজনীক বিয়া পাতি কলিকতাৰ ডিপোত বিক্ৰী কৰি থৈ আহে। গল্পটোত উল্লেখ কৰা অনুসৰি- “তেওঁ মহাশয় এজন উৰিষ্যা দেশৰ ব্ৰাহ্মণ পাণ্ডা। জগন্নাথৰ গদাধৰ পাণ্ডাৰ গোমস্তা বুলি কৈ তেওঁ গাঁৱত সোমাই অসমীয়া গাঁৱলীয়া মানুহৰ লুটি-পুতি খাই সৰ্ব্বস্বান্ত কৰি ফুৰিছিল।........ আমাৰ গাঁৱে গাঁৱে সোমাই অসমীয়া বুলি পৰিচয় দি মোৰ অমুকত ঘৰ অমুকত বাৰী, এইদৰে কৈ কোনো ভোদা অসমীয়া মানুহক ভুৰুকিয়াই ঘৰ জোঁৱাই চাপি আজলী অসমীয়া ছোৱালী ফুচুলাই লৈ আহি কলিকতাৰ ডিপোত বেচি থৈ গুচি যোৱা ব্যৱসায় আমাৰ এই বহুৰূপী পাণ্ডা মহাশয়ে ধৰিছিল।”[২২]

বিপদত পৰি ছোৱালীজনীয়ে চিলনী জীয়েকৰ সাধুৰ গীত ফাঁকি গাই আসন্ন বিপদৰপৰা পৰিত্ৰাণ পোৱাৰ আশংকা, আদিয়ে ছোৱালীজনীৰ অতি সৰল অসমীয়া ছোৱালীৰ ছবি দাঙি ধৰে। এইক্ষেত্ৰত বেণুধৰ শৰ্মাৰ এষাৰ মন্তব্য দাঙি ধৰিব পাৰি- “ বেজবৰুৱা ডাঙৰীয়াই নিচেই চমুকৈ সেই সময়ত চলি থকা সৰু সৰু ঘটনা গোটাদিয়েক খাঁজি এনেভাৱে ধুনীয়াকৈ গল্পটো গঢ়ি মন চিত গলোৱা শুৱলা ভাষাৰে সজাই দিছে যে তাক পঢ়ি যোৱাৰ লগে লগেই লেখকৰ মাতৃভূমিৰ প্ৰতি আকুল হেঁপাহ আৰু অনুভূতি, অসমীয়া বিননি সুৰৰ সুন্দৰ আভাস, অসমীয়া ছোৱালীৰ পতি ভক্তিৰ নিদৰ্শন, অসমীয়া হোজা প্ৰকৃতি আৰু সেই প্ৰকৃতিৰ চেলু লৈ জগন্নথীয়া পাণ্ডাই কৰা ফাঁকি ফুকাৰ উৎপীড়ন, অসমীয়া ছোৱালীৰ মৃদু মধুৰ সৰলতা, বিপদতো ধৈৰ্য ধৰি অসমীয়া ছোৱালীয়ে কথা কোৱা নম্ৰতা, অসমীয়া আজলী ছোৱালীৰ কবিতাময়ী প্ৰাণৰ আধাফুটা কৃতজ্ঞতা, কুলী ডিপুৰ বিভৎস ব্যৱসায়- এই আটাইবোৰেই চকুৰ আগত ট ট কৈ জিলিকি পৰেহি আৰু ষাঠি বচৰৰ আগৰ বাস্তৱৰ অসম দেশলৈ আমাৰ মনটোহত টানি লৈ যায়।”[২৩]

একেদৰে 'ভদৰী', 'যেনে চোৰ তেনে টাঙোন', 'ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ' আদি গল্পত পুৰুষশাসিত সমাজখনত নাৰীৰ ওপৰত কৰা অত্যাচাৰ উৎপীড়নৰ কথা দেখিবলৈ পোৱা যায়। এই তিনিওটা গল্পৰে নাৰী চৰিত্ৰকেইটা একে পৰ্যায়ৰ। ঘৰখনৰ কাম-কাজৰ মাজতে আৱদ্ধ হৈ থাকে। স্বামীৰ ওপৰত মাত মতাৰ তেওঁলোকৰ অধিকাৰ নাই। স্বামীয়ে বিচৰা ধৰণে কাম-কাজ বিলাক নহ'লে তেওঁলোকে শাস্তি ভুগিব লাগে। স্বামীৰ সেৱা শুশ্ৰূষাত ব্যাঘাত জন্মিলেই তেওঁলোক হৈ পৰে নিৰ্যাতনৰ বলি। 'ভদৰী' গল্পত ভদৰী এগৰাকী গাৱলীয়া নাৰী। ভদৰীৰ স্বামী শিশুৰাম। তেওঁলোক আৰ্থিকভাৱে জুৰুলাগ্ৰস্ত লোক। শিশুৰামে অতি কষ্টেৰে দুবেলা দুমুঠিৰ যোগান ধৰে। এদিন শিশুৰামে পথাৰৰ পৰা আহিয়েই ভদৰীক ভাত খুজিলে। কিন্তু তেতিয়ালৈকে ভদৰীৰ ভাতৰ যোগাৰ হোৱাই নাছিল। ইফালে শিশুৰামে পথাৰৰ পৰাই খং উঠি ঘৰ পাইছিল। গৰুহালে আমনি কৰা খং, পথাৰত মাটিৰ সীমা থেলা বাবে বেথাই বহুৱাৰ সৈতে লগা খকা খুদা আদি গোটেই খিনি খং ভদৰীৰ ওপৰত জাপিলে। ভদৰী সময়মতে ভাত দিব নোৱাৰাৰ বাবে তাইৰ অপৰাধ হ'ল। ভদৰীয়ে মাছ বাচি থকা মৈদাখনেৰে শিশুৰামে ভদৰীৰ মূৰত একোব মাৰি দিলে। লগে লগে ভদৰী তেজেৰে তুমৰলি হৈ পৰিল আৰু হস্পিতালত ভৰ্তি হ'ব লগা হ'ল। হস্পিতালত আৰোগ্য লাভ কৰি ভদৰীয়ে কিন্তু প্ৰথমতে স্বামী শিশুৰামকে বিচাৰিছিল। ভদৰীয়ে শিসুৰামক অপৰাধৰ পৰা মুক্তি কৰি দিয়ে। ভদৰীয়ে শিশুৰামৰপৰা মাৰ-কিল, চৰটো, গোৰটো খোৱাটো নিত্য নৈমিত্তক কাৰ্যত পৰিণত হৈছিল। ভদৰীয়ে ভাবিবলৈ বাধ্য হৈছিল এইবিলাক বৈবাহিক জীৱনৰ অপৰিহাৰ্য অঙ্গ।

'যেনে চোৰ তেনে টাঙোন' গল্পত ৰুদাই তাৰ ঘৈণীয়েকক বিনাদোষতে ঘৈণীয়েকৰ ওপৰত শাৰিৰীকভাৱে নিৰ্যাতন চলায়। গল্পটোত উল্লেখ কৰা অনুসৰি- " বপুৰী বৰ বিতোপন ছোৱালী। সি দুৰাচাৰ। পুৱা-গধুলি নিতৌ সি তাকি ঢেকী থোৱাৰে মৰিয়ায়। মাৰ খাই খাই তাই ঘুগুলা পছলা। নহয়, নহয় মোৰ কুটুম বিনা দোষত। কোনো জগৰ নাই তথাপি সি তাইক মাৰে। মিছাকৈয়ে দায় খুচৰি উলিয়াই সি তাইক কিলায়। ন দোষে নাপালে পুৰণি দায় খুচৰি উলিয়াই লৈ সি তাইক খুন্দে। বেছেৰীয়ে পিঠি পাতি দি সহি থাকে। দিনৌ ইমান মাৰ কিল খায়, তথাপি বেছেৰীয়ে গিৰিয়েকক সুখ সন্তোষে ৰাখিবলৈ মৰিমুজি যতন কৰে। তাইক মৰাটো কুলাধমৰ নিত্যকৰ্ম। নহ'লে তাৰ হাত খুজুৱায়; সুখ নেলাগে, সুত নেলাগে। নহ'লে পাপীক পোকে কামোৰে। পাষণ্ডঙ্গ নৰাধমঙ্গ তাই কন্দা-কটা কৰিলে কিলৰ জাউৰি আৰু বাঢ়ে। সেই মাৰ-কিলৰ কথা যদি কোনেবাকৈ লোকক ক'লে তাইৰ চিঞৰ-বাখৰ, কান্দোন কাটোন লোকে শুনিবলৈ

পালে, তেন্তে মাৰ কিলৰ জাউৰি আৰু বাঢ়ে।"[২৪] এদিন ৰুদাইৰ ঘৈণীয়েকে কান্দি থকা দেখা পাই মাছৰ পোহাৰী দৈকলঙনী বাইয়ে বুধি এটা দিলে। ৰুদাইৰ ঘৈণীয়েকে সেই বুধি মতে কাম কৰি ৰুদাইকো এসেকা দিলে। তাৰ পিছত তাইক আৰু নামাৰো বুলি প্ৰতিশ্ৰুতি দিলে।

'ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ' গল্পত হাকিম ডিম্বধৰ বৰুৱাই আঞ্জাত লোণ কম হ'ল বুলিয়েই ঘৈণীয়েকৰ লগত কাজিয়াত লিপ্ত হ'ল। হাকিমনীয়েও খঙৰ ভমকতে তেতিয়াৰ পৰা ভাত নাৰান্ধো বুলি ক'লে। ঘৈণীয়েকে মুখে মুখে উত্তৰ দিয়া দেখি হাকিমে খঙতে ঘৈণীয়েকক মাৰিবলৈ খেদি গ'ল। কিন্তু মাৰিবলৈ চোচা লওঁতে নিজেহে হামকুৰিখাই পৰি আগদাঁত এটা ভাঙি থাকিল। হামিমৰ মুখেৰে তেজ ববলৈ ধৰিলে আৰু হাকিম মুচকছ গ'ল। লগে লগে পৰিস্থিতি ভীষণ হৈ পৰিল। হামিকৰ অৱস্থা দেখি হাকিমনীয়ে লগে লগে শোকত কাতৰ হৈ পৰিল।

তথাকথিত সমাজ-ব্যৱস্থাত আন এটা সমস্যা আছিল বাল্য বিবাহ। অতি কম বয়সতে ছোৱালী বিয়া দিয়া হৈছিল। 'সেউতী' গল্পত ইয়াৰ ছবি দেখিবলৈ পোৱা যায়। ৯ বচৰ বয়সতে সেউতী বিয়া হৈছিল। সেই সময়ত সেউতীৰ বিয়াৰ সম্বন্ধে একো অভিজ্ঞতা হোৱা নাছিল। বিয়াৰ কেইদিনমান পিছতেই কথা ওলাল যে সেউতী দৰাঘৰৰ সম্বন্ধ লগা। সেউতীক তেওঁলোক বোৱাৰীৰ মৰ্যাদা নিদি ঘৰলৈ পঠাই দিলে। কিন্তু সেউতীৰ যেতিয়া উপযুক্ত বয়স হ'ল তেতিয়া তাই স্বামীৰ সম্পৰ্কে অনুভৱ কৰিব পাৰিলে তেতিয়া তাই স্বামীৰ লগতে থাকিবলৈ উদ্বাউল হৈ পৰিল। দেউতাকে বহুত বুজনি দিও ঘৰত ৰাখিবনোৱাৰিলে। দৰকাৰ হ'লে গিৰিয়েকৰ ঘৰলৈ গৈ ঢেকীশালতে পৰি থাকিম বুলি দেউতাকক ক'লে। সঁচাসচিকৈ গিৰিয়েকৰ ঘৰলৈ গৈ সেউতী বেটী বান্দী হৈ ঢেকীশালত থাকিব লগা হ'ল। শহুৰেকৰ ঘৰৰ মানুহে স্বামীৰ লগত সম্পৰ্ক স্থাপন কৰাটো মুঠেই সহ্য কৰিব পৰা নাছিল। সেউতীৰ দুখ- দুৰ্দশা দেখি স্বামীৰ অন্তৰো পমি গ'ল। লুকাই- চুৰকৈ স্বামী- স্ত্ৰীৰ মিলন হ'বলৈ ধৰিলে। সেউতীৰ পক্ষে নৰকও স্বৰ্গ হ'ল। সেউতী আৰু স্বামীৰ গোপন মিলনৰ কথা গম পাই ঘৰৰ মানুহৰ আক্ৰোশৰ সীমা নোহোৱা হ'ল। সেউতী মানসিক অত্যাচাৰৰ বলি হ'ব লগা হ'ল। শেষত ঘৰৰ মানুহৰ কু-চক্ৰান্তত সেউতীয়ে মৃত্যুক সাৰতি ল'ব লগা হ'ল। সেউতীৰ স্বামীয়ে কিন্তু পুৰুষসুলভ সাহসিকতাৰ পৰিচয় দিব নোৱাৰিলে। ঘৰৰ সিদ্ধান্ততে ক্ষান্ত থাকি সেউতীৰ পক্ষে মাত মাতি স্বামী হিচাপে দায়িত্ব পালন কৰিব নোৱাৰিলে। এই ঘটনা ঘটি যোৱাৰ পিছত প্ৰকাশ পালে যে প্ৰকৃত পক্ষে ছোৱালী সম্বন্ধ লগা নহয়।

প্ৰাচীন সংস্কাৰৰ প্ৰতি অটল বিশ্বাসে এইদৰে সেউতীৰ জীৱন বিষময় কৰি তুলিছিল। অকালতে জীৱনৰ সকলো সুখ সম্ভোগক জলাঞ্জলি দি এক আড়ম্বৰহীন জীৱন কটাৱলগীয়া হৈছিল। এনেদৰে অন্ধ সামাজিক নীতি নিয়মে ব্যক্তিৰ জীৱন দুৰ্দশাময় কৰি তুলিছিল।

'ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ' গল্পটোত বাল্যবিবাহৰ উল্লেখ আছে। গল্পটোত বিদ্যাৰাম উকীলে বিয়া পতা ছোৱালীজনী নোৱাই তোলনী বিয়া হৈ যোৱাৰ পোন্ধৰ দিন হৈছিল। বিদ্যাৰাম উকীলে শহুৰেকলৈ চিঠি এখন লিখি ছোৱালীজনী অতি কম সময়ৰ ভিতৰতে পঠাই দিবলৈ নিৰ্দেশ দিলে; নহ'লে ছোৱালীজনীৰ স্বত্ব পৰিত্যাগ কৰিব বুলিও চিঠিখনত উল্লেখ কৰিলে। গল্পটোত উল্লেখ কৰা অনুসৰি- "তৎক্ষণাত তেওঁ আকৌ এখন চিঠি তেতিয়াই শহুৰেকলৈ লিখি পঠিয়ালে যে, যদি অহা সপ্তাহত শহুৰেকে ছোৱালী শান্তি নিদিয়ে, তেন্তে তেওঁৰ মক্কেলে, অৰ্থাৎ তেৰেঁই নিশ্চয় নিশ্চয় সেই ছোৱালী পৰিত্যাগ কৰিব। আৰু যদিহে শহুৰেকে পইচাৰ অভাৱত জীয়েকক শান্তি দিবলৈ পাছ হুহকিছে তেন্তে তেওঁ জীয়েকক এনেই পঠিয়াই দিব পাৰে। শহুৰেকে সেই চিঠি পাই কান্দি-কাটি পিছদিনা জীয়েকক দোলা এখনত তুলি লগত ওচৰ চুবুৰীয়া তিৰুতা মানুহ এজনী দি, লোটা-বাটি, কাঁহী কলহ গোটাচেৰেকে সৈতে জোঁৱায়েকৰ ঘৰলৈ পঠিয়াই দিলে আৰু সিইদিনাৰ পৰা ভাত্ৰ চৰুটো পেলাই দি সকলোকে কৈ দিলে যে তেওঁৰ জীয়েক-জোঁৱায়েক জহনিত গ'ল।"[২৫]

'লাওখোলা' গল্পটোৰ মূল চৰিত্ৰটোৰ ক্ষেত্ৰটো দেখা যায় তেওঁ অতি কম বয়সত বিধৱা হৈছিল। তাৰ পিছতেই তেওঁৰ জীৱনৰ দুৰ্দশা আৰম্ভ হৈছিল। অতি কম বয়সত বিয়া হৈছিল বাবে তেওঁৰ তেতিয়া স্বামী সম্পৰ্কে জ্ঞান উদয় হোৱা নাছিল। গল্পটোত উল্লেখ কৰা অনুসৰি- "মোৰ স্বামীৰ মুখ মই দেখিবলৈকে নাপালো। আমাৰ বিয়াৰ এমাহৰ পিছতে তেওঁ জহনীত পৰি ঢুকাল। মই তেতিয়া মোৰ আই বোপাইৰ ঘৰত উমলি ভাত খোৱা সৰু ছোৱালী। মোৰ চকাচমকাকৈ মনত পৰে, হঠাৎ এদিন আবেলি আমাৰ ঘৰত কোড়াল লাগি পৰিল। মই ঘৰৰ আগ চোতালত আমাৰ ওচৰ চুবুৰীয়া এজনী সমনীয়া ছোৱালীৰে সৈতে উমলি আছিলো; কোঢ়াল শুনি কি হ'ল বুলি ঘৰৰ ভিতৰলৈ লৰ মাৰি আহি দেখিলো যে আয়ে হিয়া মূৰ ভুকুৱাই কান্দিছে। বোপায়ে বহি চকুৰ পানী টুকি থাকি থাকি 'মোৰ কি হ'ল ঐঙ্গ' একোবেলি মাতি উঠিছে। পেহী আৰু আমাৰ বুঢ়ী বেটীজনীয়ে দীঘলকৈ ৰাউচি জুৰি কান্দি গছৰ পাত সৰাইছেঙ্গ তেওঁলোকৰ কি হ'ল মই একোকে বুজিব নোৱাৰি, তেওঁলোকৰ লগতে কান্দিব ধৰিলো। ভালেমান বেলিৰ মূৰত

কোঢ়াল কমি আহিলত পেহী আৰু বুঢ়ী বেটীজনীয়ে মোক বৰঘৰৰ ভিতৰলৈ মাতি লৈ গৈ মোৰ হাতৰ পৰা শঙ্খৰ খাৰু আৰু লোৰ খাৰু আৰু সোণৰ বালা সোলোকাই ল'লে আৰু কপালৰ সেন্দুৰ মচি দি ক'লে যে মই সেইবোৰ পিন্ধিব নেপায়, কাৰণ মোৰ স্বামী মৰিল। মোৰ স্বামী কি পদাৰ্থ তেতিয়া মই ভালকৈ একো নুবুজিলো।"[২৬]

'গীতা' গল্পটো সুৰভি কাব্যগ্ৰন্থৰ এটা গল্প। গল্পটোত তথাকথিত সমাজৰ ৰীতি-নীতিৰ বিষয়ে উমান পোৱা যায়। গল্পটোত সন্ন্যাসী এজনে বৰাগী ধৰ্ম ত্যাগ কৰি সাংসাৰিক হ'বলৈ মন কৰিলে। মঙলাৰ ভনীয়েক চেনেহীক তেওঁ মন প্ৰাণ ভৰি ভাল পায়। চেনেহীয়েও মন-প্ৰাণ ভৰি ভাল পায়। দুয়োৰে অবৈধ প্ৰণয়ৰ ক্ষেত্ৰত সামাজিক ৰীতি-নীতিৰ কথা স্পষ্ট হৈ পৰিছে। ককায়েকে অবৈধ প্ৰণয়ৰ কথাটো গম পাই চেনেহীক লগ কৰিবলৈ হকা-বধা কৰিলে। চেনেহীয়ে ককায়েকৰ হকা-বধা আৰু সমাজৰ নীতি-নিয়মক অমান্য কৰিব নোৱাৰিলে। এই কথা গল্পটোত স্পষ্ট হৈ পৰিছে -"তাই উত্তৰ দিলে, নুশুনি নোৱাৰোঁ গাঁৱৰ মানুহে আমাক এঘৰীয়া কৰিব খুজিছে। আকৌ তোমাৰ গুৰিলৈ গ'লে ককায়ে মোক ছোৱা ছোৱাকৈ কাটিব।"[২৭] সামাজিক জীৱনৰ এটা প্ৰধান ৰীতি হৈছে বিবাহ প্ৰথা। এই বিবাহ প্ৰথাৰ লগতো সমাজে অনেক নীতি নিয়ম বান্ধি দিয়ে। দুয়োৰে মিলনৰ ক্ষেত্ৰত সামাজিক নীতি-নিয়ম বাধাৰ প্ৰাচীৰ হৈ থিয় দিছে। সমাজে বান্ধি দিয়া নীতি নিয়মৰ বিৰুদ্ধে গ'লে এঘৰীয়া কৰি থোৱা ৰীতিও গল্পটোত পৰিলক্ষিত হৈছে।

বেজবৰুৱাই থলুৱা শিল্পকলাৰ অৱলুপ্তি আৰু এক শ্ৰেণীৰ মানুহৰ আৰ্থিক সংকটৰ ছবি দাঙি ধৰিছে 'পাতমুগী' গল্পত। পাতমুগী কুমাৰ সম্প্ৰদায়ৰ লোক। ডবকা মৌজাৰ অন্তৰ্গত আলতী বাইৰ জীয়েক। আৰ্থিকভাৱে অতিকে জুৰুলাগ্ৰস্ত লোক। মাটিৰ পাত্ৰ তৈয়াৰ কৰি স্বাৱলম্বী হোৱা কুমাৰ সম্প্ৰদায়ৰ লোকসকলৰ কৌটিকলীয়া ব্যৱসায়টোত বিদেশী সামগ্ৰী পয়োভৰৰ ফলত ব্যাঘাত জন্মিল। সময়ৰ লগে লগে মাটিৰ পাত্ৰসমূহৰ সমাদৰ কমি আহিল। গল্পটোত কুমাৰ সম্প্ৰদায়ৰ লোকৰ দুৰ্দশাৰ ছবি দাঙি ধৰিছে এইদৰে - "নানাতৰহৰ বিদেশী বস্তুৱে আমাৰ দেশ ওপচাই দিয়াৰ লগে লগে, বিলাতী 'খেলনা' ই আমাৰ জুনুকা বনমালা আৰু ভূৰুকাক ভুৱা দি খেদিলে। বিদেশী এলুমিনিয়ামৰ লোৰ আৰু চীনামাটিৰ বাচন-বৰ্তনে আমাৰ সাতামপুৰুষীয়া চৰু কলহক বনবাস দিলে। আজি আমি নিৰুপায় হৈ বোপা ককাৰ ব্যৱসায় এৰি এডৰা আদডৰা মাটিৰ খেতিকে হাতত লৈ কোনোমতে পেট প্ৰৱৰ্তাই আছো। তাতে বিদেশীয়ে হেতা ওপৰাই লগাই আমাক চুকলৈ ঠেলিব লাগিছে। আমাৰ গাত বল নাই, গাঁথিত পইচা নাই,

যে সেই ঠেলাক ওলোটা ঠেলাৰে সূতাব পাৰো। তাৰ উপৰি তেলেৰে জেকি থকা মূৰতহে তেল পৰে বুলি কয়। মাটি বন্দোবস্ত কৰি দিয়া ৰজাঘৰীয়া বিষয়াক আমি সন্তোষ লগাব নোৱাৰোঁ।"[২৮] বৃটিছৰ শাসনত ভাৰতৰ সুপ্ৰসিদ্ধ হস্তশিল্পৰ ক্ৰমাগত অৱলুপ্তি ঘটে। বিদেশী সস্তীয়া সামগ্ৰীৰ লগত ভাৰতৰ হস্তশিল্পই ফেৰ মাৰিব নোৱাৰা হ'ল। ওঠৰ শতিকাৰ দ্বিতীয়াৰ্দ্ধত কোম্পানীৰ কৰ্মচাৰীবিলাকে বঙ্গদেশৰ শিল্পী কাৰিকৰ বিলাকক তেওঁলোকৰ তৈয়াৰী সামগ্ৰীবোৰ সস্তাদৰত বেচিবলৈ আৰু কম মজুৰিত কৰ্মচাৰীবিলাকৰ কাৰখানাত কাম কৰিবলৈ বাধ্য কৰাত বহুতো শিল্পী কাৰিকৰে পুৰুষানুক্ৰমিকভাৱে চলি অহা শিল্পবোৰ এৰি দিলে।[২৯] একেদৰে অসমৰ বজাৰতো সস্তীয়া বিলাসী সামগ্ৰীৰে ভৰি পৰাত অসমীয়া মানুহৰ কিছুমান থলুৱা শিল্প সামগ্ৰীতো বিশেষভাৱে ব্যাঘাত জন্মিল। থলুৱা শিল্পকলাৰে পেট প্ৰৱৰ্তন কৰা এচাম মানুহে আৰ্থিক সংকটত ভূগিছিল।

গল্পটোত জাত-পাত উচ্চ-নীচ ভাৱৰ ছবিও স্পষ্ট হৈ পৰিছে। পাতমুগীক বকতা মৌজাৰ পৰা অহা ব্ৰাহ্মণ সম্প্ৰদায়ৰ ল'ৰা এজনে আহি বিয়া পাতিছিল যদিও ল'ৰাজনে পিছত পাতমুগীক এৰি ঘৰলৈ গুছি যায়। ঘৰলৈ গৈ ল'ৰাজনে পৰাচিত হৈ নিজৰ সম্প্ৰদায়ৰ ছোৱালী এজনী বিয়া পাতি ল'লে। তাৰপিছত পাতমুগীয়ে বিশ্বাসঘাতক স্বামীক শাস্তি দিয়াৰ উদ্দেশেৰে ওচৰৰ দদায়েক এজন আৰু মাক আলতী বাইৰ লগত কাচাৰীলৈ গ'ল। তথাকথিত সমাজখনতো দোষীক শাস্তি দিয়াৰ বাবে মানুহে আদালতৰ ওচৰ চাপিছিল। উকীলৰ ওচৰলৈ গৈও পাতমুগীয়ে গোচৰ নতৰাকৈ গুচি আহিব লগা হ'ল। উকীল, মহৰীয়ে বিচৰা ধৰণে বিচৰা ধৰণে টকা দিব নোৱাৰি গুছি আহিল। পুৰুষৰ প্ৰৱঞ্চনাই পাতমুগীক আমুৱালে। ইয়াৰ পিছত পাতমুগীয়ে নিজকে ধৰ্ম কাৰ্যত নিয়োজিত কৰি জীৱনৰ বাটত আগুৱাই যোৱাৰ সংকল্প ললে।

'বাপিৰাম' গল্পত বিধৱা নাৰীৰ সমস্যাৰ ছবি দেখিবলৈ পোৱা যায়। গল্পটোত উল্লেখ কৰা অনুসৰি ভূধৰ খাটনিয়াৰৰ ভতিজা ছোৱালী তিলকা অতি কম বয়সতে বিধৱা হৈছিল। সেই সময়ত অতি কম বয়সতে ছোৱালী বিয়া দিয়া হৈছিল। জীয়েকৰ দুখ সহ্য কৰিব নোৱাৰি পিতৃ-মাতৃও ইহলীলা সম্বৰণ কৰিলে। ইয়াৰ পিছত তিলকাই দদায়েক ভূধৰ আৰু খুৰীয়েকৰ আশ্ৰয়ত থাকিব লগা হ'ল। ভূধৰ চাহ বাগিচাৰ চাহাবৰ তলত চাকৰি কৰিছিল। চাহ বাগিচাৰ চাহাবৰ তলত কাম কৰাটো ভূধৰৰ এটা ডাঙৰ আশা আছিল। ভূধৰে চাকৰিৰ কামত ঘৰৰ পৰা নিলগত থাকিব লগা হোৱা বাবে ঘৰখনৰ দায়িত্ব লৈছিল তেওঁলোকৰ লগুৱা বাপিৰামে। ঘৰখনত বাপিৰামৰ এক বিশেষ সমাদৰ আছিল। গল্পটোত উল্লেখ কৰা অনুসৰি- " ইংৰাজ ৰজাই অসমত

পুৰুষানুক্ৰমিক লগুৱা-লিগিৰাৰ প্ৰথা বা দাসত্ব প্ৰথা তুলি দিয়াৰ আগেয়ে গিৰিহঁত বা লগুৱা-লিগিৰাৰ মাজত মাজত যেনে সম্বন্ধ আছিল, তেনে সম্বন্ধীয় লগুৱা এই বাপিৰাম। সি যদিও লগুৱা, তথাপি খাটনিয়াৰৰ  পৰিয়ালৰ ভিতৰত সিও এটা কটা-ছিঙা কৰিব নোৱাৰা মানুহ।"[৩০] সৰুৰে পৰা তিলকাক বাপিৰামে তুলি-তালি ডাঙৰ-দীঘল কৰিছিল। তেওঁ তিলকাক সন্তানৰ দৰে মৰম কৰিছিল।

দীঘলীটিং চাহ-বাগিচাৰ বৰচাহাব মিষ্টাৰ স্কটে তিলকাৰ ৰূপ সৌন্দৰ্যৰ কথা গম পাই তিলকাক বিয়া কৰাবলৈ মন কৰিলে। প্ৰথমতে ভূধৰে কোনোমতে সহমত প্ৰকাশ কৰিব পৰা নাছিল। গল্পটোত উল্লেখ কৰা অনুসৰি- "আমি বামুণ মানুহ হুজুৰ, আমি এনে কাম কৰিলে তল যাম হুজুৰ। আমাৰ জাত-কুল যাব হুজুৰ। হুজুৰ খোদাবন্দা, এনে কামলৈ হুজুৰে গোলামক নধৰিব।"[৩১] কিন্তু স্কট চাহাবে কোনোধৰণে মানি নললে। শেষত উপায়বিহীন হৈ ভূধৰে দিবলৈ মান্তি হ'ল। ভূধৰে তিলকাক স্কট চাহাবক দিবলৈ নানা চক্ৰান্ত কৰিবলৈ ধৰিলে। এই কথা গম পাই বাপিৰামে সম্পূৰ্ণ বিৰোধিতা কৰিলে। আনকি স্কট চাহাবক বাপিৰামে প্ৰহাৰ কৰিবলৈ কুণ্ঠাবোধ নকৰিলে। বাপিৰামে তিলকাক স্কট চাহাবৰ পৰা ৰক্ষা কৰি স্বস্তিৰ নিশ্বাস পেলালে। ভূধৰেও নিজৰ ভুলৰ অনুশোচনা হৈ কৰি ইস্তাফা দি পৈত্ৰিক ব্যৱসায়ত নিজকে নিয়োগ কৰিলে। তিলকাইও নিজৰ জ্ঞানচক্ষু মুকলি হৈ ইশ্বৰ উপাসনাৰে ইহজনমৰ নিষ্ফল জীৱন সফল কৰিবলৈ আগবাঢ়িলে।

'এৰাবাৰী' গল্পত বিধৱা নাৰীৰ কৰুণ পৰিণতিৰ বিষয়ে উল্লেখ আছে। তেওঁৰ বিয়াৰ তিনিমাহ পিছতেই স্বামীৰ মৃত্যু হৈছিল। শহুৰেকেও পুতেকৰ শোকত মৃত্যুক সাৰটি ল'ব লগা হ'ল। এওঁৰ তিনিজন পুতেক আৰু ঘৈণীয়েকৰ আগতে মৃত্যু হৈছিল। ওচৰৰে ভোগদত্তই সুবিধা বুজি তেওঁলোকৰ ঘৰলৈ দিনে-নিশাই আহিবলৈ ধৰিলে। এদিন সৰু বোৱাৰীয়েকৰ লগত অবৈধ সম্পৰ্ক গঢ় লৈ উঠিল। সমাজে বিচাৰৰ নামত মানুহগৰাকীক ক্ষমা নকৰিলে। গল্পটোত উল্লেখ কৰা অনুসৰি - "দুৰ্বল সৰু বৌৰ পাপৰ ফল প্ৰকাশ হ'লত তেওঁক ঘৰৰ পৰা উলিয়াই খেদি দিয়া হ'ল। লাজ অপমান দুখৰ টোপোলা বান্ধি তেওঁ এইখন ঘৰৰ পৰা কেলেহুৱা কুকুৰৰ দৰে পলাই গ'ল। কিন্তু ক'লৈ যাব? তেওঁৰ কোন আছে? মানুহৰ সমাজ তেওঁৰ নহয়। এই পৃথিৱীৰ সুখ-সম্পদ তেওঁৰ নহয়। সকলোৱে হাজাৰখন হাতেৰে তেওঁক দূৰলৈ খেদাই দিছে, হাজাৰজন মুখেৰে ছেই ছেই কৰিছে।"[৩২] শেষত উপায়বিহীন হৈ আত্মঘাতী হৈ মৰিল। এনেদৰে সমাজৰ

কঠোৰ নীতি-নিয়মেৰে ব্যক্তি জীৱন ধ্বংসৰ মুখলৈ ঠেলি দিছিল।

বেজবৰুৱাৰ অগ্ৰজ হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাইও বিধৱা নাৰীৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰিছিল। হেমচন্দ্ৰ বৰুৱাৰো নাৰীৰ প্ৰতি আছিল আন্তৰিক সহানুভূতি। সেই কথা তেওঁ নিজৰ জীৱনতে প্ৰমাণ কৰি দেখুৱাইছিল। নিজৰ ঘৈণীয়েক ঢুকোৱাৰ পিছত এই কাৰ্য নিন্দনীয় বুলি ভাবি পুনৰাই বিয়া নাপাতিলে। হেমচন্দ্ৰ বৰুৱাই তেওঁৰ আত্মজীৱন চৰিতত উল্লেখ কৰিছে যে- "মোৰ ভাৰ্যাৰ নহৈ মোৰ মৃত্যু হোৱা হ'লে তেওঁৰ কি অৱস্থা হ'লহেতেন? তেওঁ মৰিছে, তথাপি মোৰ ইচ্ছা হ'লেই মই এটা কিয়? তিনটা বা অধিক বিয়া কৰিব পাৰো- কিন্তু বিধৱা হোৱাৰ পাছত পুনৰ বিয়াৰ নাম লোৱা মাত্ৰেই তেওঁৰ জাতি গ'লহেতেন- সমাজে বৰ্জ্জিলেহেঁতেন আৰু তেওঁ জীয়ন্ততে মৰা যেন হৈ থালিহেতেন। ই কেনে অসঙ্গত অযুগুতঙ্গঙ্গ এতেকে পুনৰায় বিয়া কৰা মোৰ উচিত নহয়।" [৩৩]

গুণাভিৰাম বৰুৱাইয়ো স্ত্ৰীসকলৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰিছিল। স্ত্ৰীসকলৰ মানসিক কষ্ট লাঘব হ'বৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপো গ্ৰহণ কৰিছিল। গুণাভিৰাম বৰুৱাই ব্ৰাহ্মধৰ্ম আৰু ইশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ বিধবা-বিবাহৰ উদাৰতাৰ প্ৰতি গভীৰভাবে আকৃষ্ট হৈ তেওঁ নিজে ব্ৰাহ্মধৰ্ম গ্ৰহণ আৰু ১৮৭০ চনত এগৰাকী বিধৱা মহিলাক বিবাহ কৰায়।[৩৪]

**বাংলা সামাজিক প্ৰেক্ষাপটত ৰবীন্দ্ৰনাথ ঠাকুৰৰ চুটিগল্পৰ নাৰী চৰিত্ৰ**

ব্যক্তি আৰু সমাজ অঙ্গাগীভাৱে জড়িত হৈ থাকে। গতিকে সাহিত্যৰ মাজেদি ব্যক্তিজীৱনৰ কাহিনী বিশ্লেষণ কৰাৰ লগে লগে সমাজ-জীৱনেও প্ৰাণ পাই উঠে। ৰবীন্দ্ৰনাথ ঠাকুৰৰ চুটিগল্পসমূহো তদানীন্তন সমাজৰ এখন স্বচ্ছ দাপোণসদৃশ। তদানীন্তন সমাজখনত নাৰীৰ স্থান, নাৰীৰ ওপৰত সমাজে আৰোপ কৰা বিধি-বিধান আদি বিভিন্ন দিশত আলোকপাত কৰিছে। গল্পসমূহৰ মাজত তেওঁৰ সমাজ-সংস্কাৰক দৃষ্টিভংগীৰ প্ৰকাশ ঘটিছে। ঊনৈশ শতিকাত যি সংস্কাৰবাদী আন্দোলন গঢ় লৈ উঠিছিল, সেই সময়ত নাৰীৰ সমস্যাসমূহ অগ্ৰাধিকাৰ লাভ কৰিছিল। ঊনৈশ শতিকাত যি নতুন ভাৱনাৰ জোৱাৰ উঠিছিল তাৰ কেন্দ্ৰ আছিল নাৰীমুক্তি। সতীদাহ প্ৰথা বন্ধৰ আন্দোলন, বিধৱাবিবাহ বন্ধৰ উদ্যোগ, অসবৰ্ণ বিয়াৰ চেষ্টা, কৌলীন্য প্ৰথাক আঘাত আৰু নাৰীশিক্ষা এই সকলোবিলাক বাংলা সমাজৰ ৰন্ধ্ৰে ৰন্ধ্ৰে এক ঢউৰ সৃষ্টি কৰিছিল। ১৮২৫-১৮৪৫ খ্ৰী: পৰ্যন্ত বঙ্গৰ নৱযুগৰ আৰম্ভণিৰ কাল বুলি ক'ব পাৰি। এই সময়খিনিৰ ভিতৰতে বঙ্গৰ ৰাজনীতি, সমাজনীতি, শিক্ষাবিভাগ সকলো দিশতেই নৱযুগৰ প্ৰৱৰ্তন হৈছিল।[৩৫]

বৌদ্ধিক জগতখনত গঢ় লৈ উঠা এই আন্দোলনৰ নেতাসকল পাশ্চাত্য শিক্ষাৰে শিক্ষিত লোক। তেওঁলোকে ভাৰতবৰ্ষৰ প্ৰচলিত ঐতিহ্য আৰু ৰীতি-নীতিক আধুনিক দৃষ্টিভংগীৰে সংস্কাৰ সাধন কৰিবলৈ বিচাৰিছিল। এইচাম লোক বৃটিছবিৰোধী নাছিল, বৰঞ্চ তেওঁলোকে বৃটিছৰ ছত্ৰছায়াতহে জনসাধাৰণৰ মাজত শিক্ষা বিস্তাৰ আৰু এলান্ধুকলীয়া কুসংস্কাৰবিলাকৰ বিৰুদ্ধে সংগ্ৰাম কৰিববলৈ উদ্যত হৈছিল। বঙ্গদেশত এই আন্দোলনৰ নেতৃত্ব দিছিল জমিদাৰ আৰু চৰকাৰী কৰ্মচাৰীসকলে।[৩৬]

এই আন্দোলনৰ মূল ব্যক্তি আছিল আধুনিক ভাৰতৰ পিতৃস্বৰূপ বঙ্গদেশৰ বিখ্যাত মনীষী ৰাজা ৰামমোহন ৰায়। ভাৰতীয় সমাজৰ কঠোৰ জাতিভেদ প্ৰথা, নাৰী নিৰ্যাতন, অন্ধ-বিশ্বাস, কু-সংস্কাৰ আদিৰ বিৰুদ্ধে ৰামমোহনে বলিষ্ঠ আৰু অবিৰত সংগ্ৰাম চলাই হিন্দু সমাজৰ সংস্কাৰৰ পথ মুকলি কৰে।  ১৮১৫ চনত তেওঁ আত্মীয় সভা স্থাপন কৰিছিল। আত্মীয় সভাত সামাজিক সংস্কাৰ সম্পৰ্কে আলোচনা কৰা হৈছিল। তাৰ ভিতৰত বাল্যবিবাহ আৰু বাল্যবৈধব্য অন্যতম আছিল।[৩৭] ১৮২৮ খ্ৰীঃত তেওঁ 'ব্ৰাহ্মসভা' নামে এটা ধৰ্মীয় সম্প্ৰদায় প্ৰতিষ্ঠা কৰিছিল। এই অনুষ্ঠানৰ লক্ষ্য আছিল হিন্দু সমাজৰ কু-সংস্কাৰবোৰ আঁতৰ কৰা আৰু একেশ্বৰবাদৰ বাণী প্ৰচাৰ কৰা। ব্ৰহ্মসভাই সতীদাহ প্ৰথাৰ তীব্ৰ বিৰোধিতা কৰিছিল। আৰু বিধৱাৰ পুনৰ বিবাহৰ বাবে প্ৰচাৰ আৰু চেষ্টা চলাইছিল।[৩৮]

ৰবীন্দ্ৰনাথ ঠাকুৰো প্ৰকৃতপক্ষে এজন সমাজ-সংস্কাৰক। সমাজ-জীৱনৰ কলুষ-কালিমাবোৰ মচি তেওঁ এখন নিকা সমাজ গঢ়াৰ চেষ্টা কৰিছিল। তদানীন্তন সমাজখন অন্ধবিশ্বাস, কু-সংস্কাৰ আদি ৰক্ষণশীল মনোভাৱেৰে আৱৰি আছিল। বিভিন্ন ধৰণৰ সমস্যাই নাৰীজীৱনক কোঙা কৰি পেলাইছিল। ৰবীন্দ্ৰনাথ ঠাকুৰে তদানীন্তন সমাজত সন্মুখীন হোৱা নাৰীৰ বিভিন্ন সমস্যাৰাজি গল্পত উপস্থাপন কৰিছে। সেই সময়ৰ সমাজৰ নাৰীসকলৰ এটা জলন্ত সমস্যা আছিল সতীদাহ প্ৰথা। মধ্যযুগত কৌলীন্য প্ৰথাৰ ফলত বাংলাদেশত এক বীভৎস অৱস্থাৰ সৃষ্টি হৈছিল। একেটা গোত্ৰৰ মাজত বিবাহৰ প্ৰয়োজনত সমগোত্ৰীয় লোকৰ সংখ্যা হ্ৰাস হোৱাৰ ফলত পাত্ৰ অভাৱত এজন পুৰুষে বহুবিবাহ কৰিছিল। বহুতো কুলীনৰ পেশা আছিল বিবাহ আৰু বিবাহৰ দ্বাৰা অৰ্থলাভ। সেইকাৰণে বহুতো কন্যাই পিতৃগৃহত থাকিবলগীয়া হৈছিল। অনেক সময়ত মুমুৰ্ষ বৃদ্ধৰ লগত বিবাহ হৈ অতি সোনকালে বিধৱা হৈ স্বামীৰ লগতে দগ্ধ হ'ব লগা হৈছিল। সেই সময়ত বিশ্বাস আছিল কুমাৰী অৱস্থাত মৃত্যুৰ পিছত স্বৰ্গত যাব নোৱাৰে। সেয়ে মৃত্যু পথযাত্ৰী বৃদ্ধৰ লগত বালিকা যুৱতীক বিয়া দি তেওঁলোকৰ স্বৰ্গৰ দ্বাৰ মুক্ত কৰা হয়।

কুলীনৰ বিবাহৰ সংখ্যা ইমান বেছি যে স্ত্ৰীৰ নাম আৰু ঠিকনা এখন বহীত লিখা থাকে। সাংসাৰিক বিষয়ৰ সামান্য জ্ঞান উদয়ৰ আগেয়েই ছোৱালীৰ বিয়া হৈছিল আৰু বৈধব্য জীৱন ঘটিছিল।[৩৯]

'মহামায়া' গল্পটোত সতীদাহ প্ৰথাৰ ভয়াবহ ছবি দাঙি ধৰিছে। 'মহামায়া' গল্পটো ৰবীন্দ্ৰনাথৰ সমসাময়িক সময়ৰ নহয়। প্ৰমথনাথ বিশীৰ ভাষাত- " মহামায়া গল্পের ঘটনাটি সমসাময়িক নয়, সতীদাহ নিবারণের পূর্বৰর্তী সময়ের।"[৪০]পুৰুষতান্ত্ৰিক সমাজখনত নাৰীসকলৰ ওপৰত সতীদাহ প্ৰথাৰ দৰে অন্যায় অনীতি আৰোপ কৰি নাৰীৰ অস্তিত্বক অৱহেলিত কৰা হৈছিল । নাৰীসকলে কোনো প্ৰতিবাদ নকৰাকৈয়ে বশ্যতা স্বীকাৰ কৰি নিজকে বলি সজাব লগা হৈছিল।

যোল শতিকামানৰ পৰাই এই প্ৰথাই বিস্তাৰ লাভ কৰিবলৈ ধৰে আৰু ওঁঠৰ শতিকাৰ শেষ আৰু ঊনৈশ শতিকাৰ আগছোৱাত ই ব্যাপক ৰূপ ধাৰণ কৰে। ধৰ্মৰ দোহাই দি বহুসময়ত তৰুণী বিধৱাবিলাকক জোৰ জুৰলুমকৈ স্বামীৰ চিতাত উঠাই দিয়া হৈছিল। এই নৃশংস প্ৰথা বন্ধ কৰিবলৈ আগতেও মোগল সম্ৰাট আকবৰ আৰু ঔৰংগজেৱ, মাৰাঠা পেছোৱা আৰু জয়পুৰৰ ৰজা জয়সিংহই চেষ্টা কৰিছিল, কিন্তু ফলৱতী হোৱা নাছিল। ১৮১৫-১৮১৮ খ্ৰীঃৰ ভিতৰত মাত্ৰ বঙ্গদেশতেই ৮০০ গৰাকী নাৰী সতী হৈছিল। এই অমানবীয় প্ৰথা বন্ধ কৰিবলৈ আগতেও কেবাজনো গবৰ্ণৰ জেনেৰেলে চেষ্টা কৰিছিল। কিন্তু ভাৰতীয় ধৰ্ম বিশ্বাসত হস্তক্ষেপ কৰা হ'ব বুলি তেওঁলোকে এজনেও এই প্ৰথা নিসিদ্ধ কৰিবলৈ সাহস কৰা নাছিল। ৰাজ ৰামমোহন ৰায়, দ্বাৰকানাথ ঠাকুৰ আদি প্ৰগতিশীল লোক আৰু আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলৰ সহযোগিতাত অৱশেষত লৰ্ড উইলিয়াম বেন্টিংকে ১৮২৯ খ্ৰীঃত এই অমানবীয় প্ৰথা আইনেৰে বলেৰ উঠাই দিয়ে।[৪১]

'মহামায়া' গল্পত মহামায়াক মৃত্যুৰ ক্ষণ গণি থকা বৃদ্ধ এজনলৈ বিয়া দিছিল। কিয়নো একে জাত বা গোত্ৰৰ লগত বিয়া হোৱাটোহে তেওঁলোকৰ নিয়ম আছিল। সেয়েহে মহামায়াৰ ককায়েক ভবানীচৰণে মহামায়াক কুলীন ব্ৰাহ্মণ এজনৰ লগত বিয়া দিয়াৰহে সিদ্ধান্ত লৈছিল। অকুলীন ব্ৰাহ্মণৰ লগত বিয়া হোৱাটো তেওঁলোকৰ কাৰণে নীতি-বিৰুদ্ধ কাম। সেয়েহে মহামায়াই নিজৰ পচন্দ কৰাজনৰ লগত ককায়েকে সন্মতি প্ৰদান নকৰি মৃত্যুৰ ক্ষণ গণি থকা বৃদ্ধ এজনলৈ বিয়া দিছিল। কিন্তু বিয়াৰ পিছদিনাই মহামায়াই বিধৱা হ'ব লগা হ'ল। সমাজৰ নিয়মমতে মহামায়াক স্বামীৰ লগতে চিতাত জাপি দিয়া হ'ল। কিন্তু মহামায়াই সুবিধা বুজি

চিতাৰ পৰা উঠি আহি পূৰ্বৰ প্ৰেমিক ৰাজীৱৰ কাষ পায়। কৌলীন্য প্ৰথাৰ ফলত পাত্ৰৰ অভাৱত অনেক সময়ত মুমুৰ্ষ বৃদ্ধৰ লগতো কম বয়সীয়া ছোৱালীৰ বিয়া হ'ব লগা হৈছিল। আনকি মৃত্যুপথৰ যাত্ৰী বৃদ্ধৰ লগতো বিয়া হ'ব লগা হৈছিল আৰু অতি সোনকালে বিধৱা হৈ স্বামীৰ লগতে চিতাত দগ্ধ কৰা হৈছিল।[৪২]

ৰবীন্দ্ৰনাথৰ গল্পৰ সূচনা পৰ্বতেই সমাজ-সমস্যামূলক এটি উল্লেখযোগ্য বিষয় পণপ্ৰথা আৰু তাক কেন্দ্ৰ কৰি নাৰী জীৱনৰ দুখ-বঞ্চনা আৰু উৎপীড়নৰ ছবি বিবৃত্ত হৈছে। 'দেনা-পাওনা' গল্পত পণপ্ৰথাৰ হৃদয় বিদীৰ্ণ ছবি অংকিত কৰিছে। লগতে পণ গ্ৰহণকাৰী পাত্ৰপক্ষৰ প্ৰতি লিখকে তীব্ৰ ব্যঙ্গ কৰিছে। সমসাময়িক সমাজখনত কিদৰে পণপ্ৰথাৰ ভয়াবহতাই ছানি ধৰিছিল, এই বিষয়টোক ৰবীন্দ্ৰনাথে অতি গুৰুত্ব সহকাৰে গল্পত দাঙি ধৰিছে। পণপ্ৰথাৰ মৰ্মান্তিক ছবি প্ৰতিফলিত হৈছে 'দেনাপাওনা', 'অপৰিচিতা', 'হৈমন্তী' আদি গল্পত। 'দেনাপাওনা' গল্পত পণৰ টকা থিকমতে আদায় দিব নোৱাৰা বাবে নিৰ্যাতন ভূগি নিৰুপমাই মৃত্যুবৰণ কৰিবলগীয়া হৈছিল। পণৰ টকা থিকমতে দিব নোৱাৰাৰ ফলত শহুৰেকৰ ঘৰত নিৰুপমাৰ কোনো স্থান নাছিল। অনেক নিন্দা ককৰ্থনা সন্মুখীন হ'বলগীয়া হৈছিল। আনকি নিৰুপমাৰ পিতৃয়েও জীয়েকৰ অধিকাৰৰ পৰা বঞ্চিত হৈছিল। বেমাৰত ভূগি নিৰুপমাই কোনো ধৰণৰ পৰিচৰ্যা নাপাই মৃত্যুক সাৱটি ললে। গল্পটোৰ শেষত চাকৰিসূত্ৰে দূৰৈত থকা পুতেকক মাতৃয়ে এইবাৰ অধিক পণ দাবী কৰি নতুনকৈ ছোৱালী বিয়া পতাৰ ইংগিত দিছে।

থিক তেনেদৰে 'অপৰিচিতা' গল্পত পণপ্ৰথাৰ বিৰুদ্ধে গৈ কল্যাণীয়ে চিৰকুমাৰীত্ব বৰণ কৰিছিল। পইচাৰ হিচাপ থিকমতে কৰিছিল যদিও বিয়াৰ দিনাখন মোমায়েকে গহনা পাতিৰ ওজন জুখি চালে। চোৰাৰ পিছতেই বিয়াখন ভাগি থাকিল। ছোৱালীজনীৰ পিতৃয়ে মোমায়েকৰ ফোপোলা স্বৰূপটোৰ প্ৰতি অতিষ্ঠ হৈ ছোৱালীজনীক বিয়া নিদিয়াৰ সিদ্ধান্ত ললে।

'হৈমন্তী' গল্পত পণ প্ৰথাৰ ভয়াবহ ছবি ফুটি উঠিছে এইদৰে- " তবুও বড়ো বয়সেৰ মেয়েৰ সঙ্গে বাবা যে আমাৰ মেয়েৰ সঙ্গে বাবা যে আমাৰ বিয়া দিলেন তাহাৰ কাৰণ, মেয়েৰ বয়স বড়ো বলিয়াই পণেৰ অংকটাও বড়ো। শিশিৰ আমাৰ শ্বশুৰেৰ একমাত্ৰ মেয়ে। বাবাৰ বিশ্বাস ছিল, কন্যাৰ পিতাৰ সমস্ত টাকা ভাৱী জমাতাৰ ভবিষ্যতেৰ গৰ্ভ পূৰণ কৰিয়া তুলিতেছে।"[৪৩] বিয়াৰ সময়ত হৈমন্তীৰ বয়স আছিল সোঁতৰ। সেই সময়ৰ তুলনাত হৈমন্তীৰ বিয়াৰ বয়স আছিল বেছি। হৈমন্তী বৈবাহিক জীৱনত তিলে তিলে আত্ম অৱমাননাত দগ্ধ হৈছিল। হৈমন্তীৰ মনৰ অৱস্থাৰ কথা গল্পটোত বৰ্ণনা কৰিছে এইদৰে-" হৈম যে অন্তৰে অন্তৰে মুহূৰ্তে মুহুৰ্তে মৰিতেছিল।

তাহাকে আমি সব দিতে পাৰি কিন্তু মুক্তি দিতে পাৰিনা - তাহা আমাৰ নিজেৰ মধ্যে কোথায়? সেইজন্যই কলিকতাৰ গলিতে ঐ গৰাদেৰ ফাঁক দিয়া নির্বাক আকাশেৰ সঙ্গে তাহাৰ নির্বাক মনেৰ কথা হয়; এবং এক একদিন ৰাত্রে হঠাৎ জাগিয়া উঠিয়া দেখি সে বিছানায় নাই, হাতেৰ উপৰ মাথা ৰাখিয়া আকাশ ভৰা তাৰাৰ দিকে মুক তুলিয়া ছাতে শুইয়া আছে।[৪৪] 'দেনাপাওনা' গল্পত নিৰুপমাৰ স্বামী চাকৰিসূত্রে ঘৰৰ পৰা দূৰৈত আছিল কিন্তু 'হৈমন্তী' গল্পত স্বামী হৈমন্তীৰ লগত থাকিও হৈমন্তীক লাঞ্চনা গঞ্জনাৰ পৰা ৰক্ষা কৰিব পৰা নাছিল। সামাজিক নীতি-নিয়মকে সর্বস্ব বুলি ভাবি মাকৰ আদেশ অনুসৰি দ্বিতীয়বাৰ বিয়া কৰোৱাৰ ইংগিত এটাও আছে গল্পটোত।

সেই সময়ত স্ত্রী শিক্ষাৰ প্রচলন নাছিল। 'মেঘ ও ৰৌদ্র' আৰু 'খাতা' গল্পত ইয়াৰ উদাহৰণ পোৱা যায়। 'মেঘ ও ৰৌদ্র' গল্পত গিৰিবালাই পঢ়িবলৈ মন কৰিছিল যদিও সেই সুবিধা পোৱা নাছিল। 'মেঘ ও ৰৌদ্র' গল্পত আছে-" কিন্তু তাহাৰ মনে মনে বড়ো ইচ্ছা কৰিত, সেও দাদাদেৰ মতো বই লইয়া পড়ে। কোনো কোনো দিন সে আপোন ঘৰে বসিয়া কোনো একটা বই খুলিয়া বিড় বিড় কৰিয়া পড়াৰ ভান কৰিত এবং অনর্গল পাতা উল্টাইয়া যাইত। ............গিৰিবালা তাহাৰ ভাইদেৰ নিকট পড় শিখিবাৰ প্রস্তাৰ কৰিয়াছিল কিন্তু তাহাৰ ভাইৰা সে কথায় কর্ণপাত কৰে নাই।[৪৫] একমাত্র প্রতিবেশী শশীভূষণে সহায় কৰিছিল যদিও অতি কম বয়তে বিয়া হৈ দুর্ভাগ্যক্রমে বৈধব্য জীৱন যাপন কৰিব লগা হৈছিল উনৈশ শতিকাৰ আৰম্ভণিতে বাংলাৰ স্ত্রী-শিক্ষা আছিল অতি শোচনীয়। সম্ভ্রান্ত পৰিয়ালত অন্তঃপুৰত শিক্ষাৰ ব্যৱস্থা থাকিলেও সাধাৰণ পৰিয়ালবিলাকত ছোৱালীসকলৰ শিক্ষাৰ কোনো ব্যৱস্থাই নাছিল বৰঞ্চ পঢ়া-শুনা কৰা ছোৱালীসকলৰ প্রতি সমাজে এক বিৰূপ ধাৰণা পোষণ কৰিছিল। তেওঁলোকৰ দৃষ্টিত পঢ়া-শুনা কৰিলে ছোৱালী বিধৱা হয় বুলি ভাবিছিল। ল'ৰাৰ লগত ছোৱালী পঢ়া-শুনা কৰিলে ছোৱালী অসৎ হ'ব বুলিও ধাৰণা আছিল।[৪৬] কলকাতা চহৰত স্ত্রী-শিক্ষাৰ ক্ষেত্রত মিছনেৰীসকলৰ প্রভাৱ অনস্বীকার্য। কলকাতাৰ ব্যাপ্টিষ্ট মিছনেৰী সোসাইটিয়ে হিন্দু কন্যাসকলৰ কাৰণে ১৮১৯ চনত ফিমেল জুভেনাইল সোসাইটি নামে এখন মহিলা সমিতি স্থাপন কৰে। মিচ কুক ইংলণ্ডৰ পৰা আহি ১৮২১ চনত "Ladies Society for Native Female Education in Calcutta its Vicinity" নামে এখন সমিটি স্থাপন কৰে। স্ত্রী-শিক্ষাৰ প্রয়োজনীয়তা বুজিবৰ কাৰণে জুবেনাইল সোসাইটিৰ উদ্যোগত 'স্ত্রী-শিক্ষা বিধায়ক ' নামে এখন কিতাপ প্রকাশিত হয় ১৮২২ চনত। ইতিহাসৰ অনেক হিন্দু মহিলাৰ দৃষ্টান্ত উদ্ধাৰ কৰি স্ত্রী-শিক্ষা যে সামাজিক ৰীতি বিৰুদ্ধ নহয়, লেখকে সেইটো প্রতিপন্ন কৰিব বিচাৰিছিল।[৪৭]

'খাতা' গল্পত উমাৰ শিক্ষাৰ প্ৰতি আগ্ৰহ আছিল যদিও শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত লাঞ্চিত হ'ব লগা হৈছিল। উমাৰ ককায়েক গোবিন্দলালেও উমাৰ শিক্ষাৰ আগ্ৰহৰ প্ৰতি বাধাৰ হেঙাৰ হৈ থিয় দিছিল। তথাপিও কিন্তু উমাই পঢ়াৰ অভ্যাস বাদ দিয়া নাছিল। ন বচৰ বয়সতে যেতিয়া উমাৰ বিয়া হৈছিল তেতিয়াও পিতৃগৃহৰপৰা এখন বহী লগত লৈ গৈছিল। কোনোও নেদেখাকৈ লুকাই-চুৰকৈ বহীখন উলিয়াই কেতিয়াবা কিবা এটা লিখিম বুলি ভাবিছিল যদিও; ইয়াৰ বাবে ননন্দ আৰু আনকি স্বামী প্যাৰীমোহনৰ পৰাও লাঞ্চিত হ'ব লগা হৈছিল। গল্পটোত উল্লেখ কৰা অনুসৰি- "সে বলিত, স্ত্ৰী শক্তি ও পুংশক্তি উভয় শক্তিৰ সন্মিলনে পবিত্ৰ দাম্পত্য শক্তিৰ উদ্ভৱ হয়; কিন্তু লেখা-পড়া শিক্ষাৰ দ্বাৰা যদি স্ত্ৰী শক্তি পৰাভূত হইয়া একান্ত পুংশক্তিৰ প্ৰাদুৰ্ভাৱ হয়, তবে পুংশক্তিৰ সহিত পুংশক্তিৰ প্ৰতিঘাতে এমন একটি প্ৰলয়শক্তিৰ উৎপত্তি হয় যদ্বাৰা দাম্পত্যশক্তি বিনাশ শক্তিৰ মধ্যে বিলীনসত্বা লাভ কৰে, সুতৰাং ৰমণী বিধবা হয়। এ পৰ্যন্ত এ তত্বেৰ কেহ প্ৰতিবাদ কৰিতে পাৰে নাই।[৪৮] এনেদৰে শিক্ষাৰ আগ্ৰহজনিত লাঞ্চিত ছবি দেখিবলৈ পোৱা যায়।

সেইসময়ৰ সমাজৰ নাৰী জীৱনৰ এক মৰ্মান্তিক চিত্ৰ হৈছে বাল্যবিবাহ। বিশ শতিকাৰ প্ৰথমাৰ্ধ পৰ্যন্ত আনকি তাৰ পিছত কন্যাৰ বাল্যবিবাহ আৰু শিশুবিবাহ প্ৰচলিত আছিল। ফলত প্ৰাপ্তবয়স্ক পুৰুষৰ লগত শিশুকন্যাৰ বিবাহ তথা অসমবিবাহ অপৰিহাৰ্য আছিল। আনকি সেই সময়ত ঠাকুৰ পৰিয়াল আধুনিক শিক্ষাৰে শিক্ষিত হোৱাৰ পিছতো এই ঘটনা ঘটিছিল। সত্যেন্দ্ৰনাথ ঠাকুৰৰ স্ত্ৰী জ্ঞানদানন্দিনীৰ বিবাহ ৮ বচৰ বয়সত, জ্যোতিৰিন্দ্ৰনাথৰ লগত কাদম্বৰীৰ বিবাহ ৯ বচৰ বয়সত, ৰবীন্দ্ৰনাথৰ লগত ভবতাৰিণীৰ বিবাহ ১১ বচৰত, স্বৰ্ণকুমাৰীৰ বিবাহ ১১ বচৰ বয়সত, ৰবীন্দ্ৰনাথৰ কন্যাৰ বেলাৰ বিবাহ ১৪ বচৰ সাত মাহত আৰু ৰেণুকাৰ বিবাহ ১০ বচৰ ৬ মাহ বয়সত। স্বয়ং ৰবীন্দ্ৰনাথেও এই অভিজ্ঞতাৰে পুষ্ট।[৪৯] 'শেষেৰ ৰাত্ৰি' 'মেঘ ও ৰৌদ্ৰ', 'খাতা' আদি গল্পত বাল্যবিবাহৰ ছবি প্ৰতিফলিত হৈছে। 'শেষেৰ ৰাত্ৰি' গল্পত মণিৰ বয়স কম। সংসাৰৰ দায়িত্বৰ কথা অনুভৱ কৰিব নোৱাৰে। স্বামী শয্যাশায়ী যদিও মনিয়ে শুশ্ৰূষা কৰাৰ পৰিবৰ্তে বান্ধৱীসকলৰ লগত থিয়েটাৰ চাব যাব ওলাইছে। যতীনে বিছনাত পৰি থকা স্বত্বেও একমাত্ৰ ভনীয়েকৰ অন্নপ্ৰসন্নত মাহীয়েকে বাধা কৰা স্বত্বেও নোযোৱাকৈ নাথাকিল। যতীনে বহু চেষ্টা কৰিও মণিক মনৰ ভিতৰত সোমাব নোৱাৰিলে। সেয়েহে যতীনে উপলব্ধি কৰি কৈছে- " মণি যেন আমাৰ ঘৰে আসবাৰ জন্য দৰজা ঠেলছিল- কোনোমতেই দৰজা এতটুকুৰ বেশি ফাঁক হলনা, সে বাইৰে দাঁড়িয়ে দেখতে লাগল, কিন্তু কিছুতেই ঢুকতে পাৰল না। মণি চিৰকাল আমাৰ

ঘৰেৰ বাইৰেই দাঁৰিয়ে ৰইল। তাকে অনেক ক'ৰে ডাকলুম, কিন্তু এখানে জায়গা হল না।"[৫০]

মণিৰ এই স্বভাব, আচৰণ আদি এগৰাকী শিশুৰ বাবে নিতান্তই স্বাভাবিক কথা। বাল্যবিবাহৰ কাৰণে এই সমস্যাৰ সৃষ্টি হৈছিল। তেওঁলোকৰ বয়স অতিকে কম হোৱা বাবে ঘৰ এখনৰ দায়িত্বৰ কথা উপলদ্ধি কৰিব নোৱাৰে। আনকি স্বামী সম্পৰ্কে তেওঁলোকৰ জ্ঞান নহয়। তেওঁলোকে সম্বন্ধৰ দায়িত্ব নুবুজি নিজে মনে বিচৰা ধৰণে চলিবলৈ বিচাৰে। এই সময়খিনিত লগৰ সমনীয়াৰ লগত উমলি থকাৰ বয়স কাৰণে তেওঁলোকে লগৰ সমনীয়াৰ লগত খেল-ধেমালি কৰিয়েই মনৰ প্ৰশান্তি বিচাৰি পায়। স্বামী, শাহু-শহুৰ আদি সম্পৰ্কৰ মোল বুজি উঠা মানসিক ক্ষমতা তেওঁলোকৰ নাথাকে। কিয়নো এই বয়সত তেওঁলোকক সহজ-সৰল কথাৰ বাহিৰে জটিল কথাবোৰে মনটোক অসুখী কৰি তোলে। একেদৰে 'মেঘ ও ৰৌদ্ৰ' গল্পত গিৰিবালাই অতি কম বয়সতে বিয়া হৈ বৈধব্য জীৱন-যাপন কৰিব লগা হৈছিল। 'খাতা' গল্পত উমাৰ ন বচৰ বয়সতে বিয়া হৈ নিজৰ ইচ্ছা-আকাঙ্খাক জলাঞ্জলি দিব লগা হৈছিল। 'নষ্টনীড়' গল্পত চাৰুৰ বালিকা অৱস্থাতে বিয়া হৈ বিভিন্ন সমস্যাৰ সৃষ্টি হৈছিল। 'দৃষ্টিদান' গল্পত কুমুদিনী আঠ বচৰ উকলি নোযোৱাতে বিয়া হৈছিল।

বাল্যবিবাহৰ ফলত নাৰী জীৱনৰ বিভিন্ন সমস্যা আৰু দুৰ্দশাই দেখা দিছিল। কেতিয়াবা অতি কম বয়সতে তেওঁলোকে বৈধব্য জীৱন-যাপন কৰিব লগা হৈছিল। 'অতিথি' গল্পত চাৰুশশীৰ বান্ধৱী সোণমণি পাঁচ বচৰ বয়সতে বিধৱা হৈছিল। 'বিচাৰক' গল্পত হেমশশী এগৰাকী বাল্যবিধবা। হেমশশীৰ প্ৰতি বিচাৰক মোহিতমোহনৰ লোলুপ দৃষ্টি পৰিছিল। মোহিতমোহনে বিনোদচন্দ্ৰ ছদ্মনামেৰে হেমশশীক পত্ৰ প্ৰেৰণ কৰিছিল। 'ত্যাগ' গল্পটোত কুসুম এগৰাকী বাল্যবিধবা। বাল্যবিধবা হোৱা স্বতেও ঘটনাক্ৰমে হেমন্তৰ লগত বিয়া হৈছিল যদিও নীচ জাতৰ বুলি কুসুমক হেমন্তৰ পিতৃয়ে কোনোমতে মানি ল'ব পৰা নাছিল। কৌলীন্য প্ৰথা, বাল্যবিবাহ, বহুবিবাহ, বিধৱাৰ সমস্যা, বালবিধৱাৰ মানসিক যন্ত্ৰণা আৰু সামাজিক অনুশাসন, আনদিশে নানা ধৰণৰ সামাজিক দুৰ্নীতি অনাচাৰ আদি মিলি বাংলাৰ সাধাৰণ নাৰীৰ ছবি মৰ্মান্তিক হৈ উঠিছিল।

স্ত্ৰী-স্বাধীনতাৰ কাৰণে জীৱনব্যাপী সংগ্ৰাম কৰিছিল ৰাজা ৰামমোহন ৰায়ে। অমানবিক সতী প্ৰথাৰ বিৰুদ্ধে বৃহৎ জনমত গঢ়ি তোলা আছিল ৰামমোহন ৰায়ৰ সৰ্বশ্ৰেষ্ঠ সাফল্য। ৰামমোহন ৰায়ে এই প্ৰথাৰ বিৰুদ্ধে অবিশ্ৰান্ত যুদ্ধ কৰে আৰু চৰকাৰক চাপ দি বে-আইনী কৰিলে। বাংলাৰ নৱজাগৰণ সংস্কাৰৰ বিভিন্ন দিশত ৰামমোহন ৰায়ে তুলি ধৰিছিল। সামাজিক

সংস্কাৰ আৰু শিক্ষাৰ উন্নতি কৰা, স্ত্ৰী জাতিৰ অধিকাৰ সমৰ্থন জনোৱা, বাক্ স্বাধীনতা, সংবাদপত্ৰৰ স্বাধীনতা নাগৰিকৰ জন্মগত অধিকাৰ তুলি ধৰা, অৱদমিত জাতিৰ সুব্যৱহাৰ পোৱাৰ অধিকাৰ দাবী, উচ্চহাৰ কৰৰ বাবে কৃষকৰ মুক্তিৰ দাবী আৰু শ্বেতকায় আৰু কৃষ্ণকায়ৰ মাজত প্ৰভেদ নৰখাৰ দাবী- এই সকলোতেই ৰামমোহন ৰায় অগ্ৰগণ্য আছিল।[৫১] এই ক্ষেত্ৰত মিছনেৰীসকলেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। স্কুল সোসাইটিৰ ছাত্ৰসকলৰ লগত ছোৱালীসকলক পৰীক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল ৰাজা ৰাধাকান্তদেৱে। তেতিয়া সেই ব্যৱস্থা তেওঁ নিজৰ ঘৰতে কৰিছিল। ডেভিড হেয়াৰৰ চেষ্টাত স্কুল সোসাইটিৰ স্কুলত ছোৱালীবিলাক পঢ়িব পৰা হ'ল। ১৮১৯খ্ৰীষ্টাব্দত নানা মতভেদৰ চেষ্টাত স্কুল নানা মতভেদৰ পৰিণতিত 'ফিমেল জুভেনিল সোসাইটি' নামে এখন নতুন সমিতিৰ সৈতে বালিকা বিদ্যালয়ৰ দায়িত্ব দিয়া হ'ল। ১৮২৪ খ্ৰীষ্টাব্দত মিচ্ কুকৰ উদ্যোগত ২৪ খন বালিকা বিদ্যালয়ৰ দায়িত্ব দিয়া হয়। ১৮২৬ খ্ৰীষ্টাব্দত 'নেটিভ সোসাইটি ফৰ নেটিভ জুভেনিল সোসাইটি' নামে এখন নতুন সমিতিৰ হাতত বালিকা বিদ্যালয়ৰ দায়িত্ব দিয়া হয়। এই স্কুলসমূহত সাধাৰণ বাগদি, মুচি, নমঃশূদ্ৰ, জেলেৰ ছোৱালী পঢ়িবলৈ আহিছিল। মধ্যবিত্ত ভদ্ৰ বালিকাসকলৰ কাৰণে ১৮৪৭ শ্ৰীষ্টাব্দত প্যাৰীচৰণ সৰকাৰ আৰু নবীনকৃষ্ণ মিত্ৰ উদ্যোগত স্কুল স্থাপন কৰা হয়।[৫২]

গল্পটোত বৰ্ণনা কৰা অনুসৰি মৃনাল কেৱল ঘৰখনৰ সুচাৰুৰূপে দায়িত্ব পালন কৰা বোৱাৰীয়েই নহয়; মনৰ গভীৰ কোণত কবিসুলভ মন এটাও জাগি আছিল। কিন্তু মৃনালে সেই প্ৰতিভাক উন্মুক্তভাৱে দেখুৱাই দিব পৰা নাছিল। বোৱাৰীৰ দায়িত্ব পালন কৰাতোৱেই যেন মৃনালৰ ধৰ্ম। গৃহস্থালিৰ কাম-কাজৰ মাজতেই থাকি জীৱন কটোৱাৰ বাহিৰে সুপ্ত প্ৰতিভাক বিকাশ কৰাৰ এটা উপযুক্ত পৰিবেশ নাছিল। নাৰী জীৱনৰ এই সীমাবদ্ধতাই মৃনালক প্ৰতিবাদী কৰি তুলিছিল। স্বামীলৈ লিখা চিঠিখনত মৃনালে বৈবাহিক জীৱনত লাভ কৰা তিক্ত অভিজ্ঞতাসমূহৰ প্ৰতি ক্ষোভৰ জুইকুৰাহে প্ৰকাশি উঠিছে- "আমাৰ একটা জিনিস তোমাদেৰ ঘৰকন্নাৰ বাইৰে ছিল, সেটা কেউ তোমৰা জান নি। আমি লুকিয়ে কবিতা লিখতুম। সে ছাইপাঁশ যাই হোক না, সেখানে তোমাদেৰ অন্দৰমহলেৰ পাঁচিল ওঠে নি। সেইখানে আমাৰ মুক্তি; সেইখানে আমি আমি । আমাৰ মধ্যে যা কিছু তোমাদেৰ মেজোবউকে ছাড়িয়ে ৰয়েসে সে তোমৰা পছন্দ কৰ নি, চিনতেও পাৰ নি, আমি যে কবি সে এই পনেৰো বছৰেও তোমাদেৰ কাছে ধৰা পড়ে নি।"[৫৩]

নাৰীৰ প্ৰতি কৰা টুলুঙা মন্তব্যবোৰেও মৃণালক অতিষ্ঠ কৰি তুলিছিল। এই কথাসমূহো

মৃনালৰ চিঠিখনত উল্লেখ আছে। মৃনাল আৰু ভায়েকৰ সন্নিপাত জ্বৰ হোৱাৰ সময়ত মৃনালে আৰোগ্য লাভ কৰি ভায়েকে মৃত্যুমুখত পৰাত ওচৰ চুবুৰীয়াই কৰা মন্তব্যত নাৰী প্ৰতি থকা সমাজৰ তুচ্ছ মনোভাৱক অতি স্পষ্টকৈ দেখুৱাই দিছে - “পাড়াৰ সব মেয়েৰাই বলতে লাগল, মৃণাল মেয়ে কি না, তাই ও বাচল, বেটাছেলে হলে কি আৰ ৰক্ষা পেত। চুৰিবিদ্যাতে যম পাকা, দামি জিনিসেৰ পৰেই তাৰ লোভ।”[৫৪] এই মন্তব্যৰ দ্বাৰা তথাকথিত সমাজখনত নাৰীৰ স্থান সম্পৰ্কে ধাৰণা কৰি ল’ব পাৰি। সমাজৰ নীতি-নিয়মে নাৰীসকলকো ভাবিবলৈ বাধ্য কৰাইছিল যে তেওঁলোক পুৰুষৰ তলতীয়া। সেয়েহে প্ৰায়ভাগ নাৰীয়েই প্ৰতিবাদ নকৰি হেলাৰঙে সমাজৰ অন্যায়-অনীতি জীৱনৰ অপৰিহাৰ্য অঙ্গ বুলি ধৰি লৈছিল।

নাৰীসকলৰ প্ৰতি থকা সমাজৰ নীচ মনোভাৱক আন কিছুমান নাৰীৰ দৰে মৃনালে সহজে মানি ল’ব পৰা নাছিল। এই কথাসমূহক লৈ মৃনালে অনেক অৰ্ন্তদ্বন্দ্বত ভূগিছিল। ইয়াৰ উপৰিও মানুহৰ সুখ-দুখ গভীৰভাৱে অনুভৱ কৰাৰ হৃদয় এখনো আছিল মৃনালৰ। হঠাতে তেওঁলোকৰ ঘৰত থাকিবলৈ অহা বৰ জায়েকৰ ভনীয়েক আশ্ৰয়হীনা বিন্দুৰ জীৱনৰ কাৰুণ্যই মৃণালৰ অন্তৰ আবেগত উপচি পৰিছিল। বিন্দুৰ প্ৰতি কৰা অন্যায়ৰ প্ৰতি মৃনাল অতিষ্ঠ হৈ পৰিছিল। বৰজায়েকৰ ক্ষেত্ৰতো ঘৰখনত কোনো স্বাধীনতা নাছিল। আনকি আশ্ৰয়হীনা ভনীয়েকক নিজৰ ঘৰখনত ৰখাৰ সাহসকণো গোটাব পৰা নাছিল। কিন্তু মৃনাল আছিল অতিকে স্পষ্টবাদী।

বিন্দুৰ প্ৰতি কৰা অন্যায়ৰ বিৰুদ্ধে মাত নমতকৈ থাকিব পৰা নাছিল। চিঠিখনত মৃনালৰ যুক্তিবাদী চিন্তাৰ প্ৰতিফলন ঘটিছে এইদৰে- “আমি সকল দিকে আপনাকে অত অসম্ভৱ খাটো কৰতে পাৰি নে। আমি যেটাকে ভালো বলে বুজি আৰ-কাৰও খাটিৰে সেটাকে মন্দ বলে মেনে নেওয়া আমাৰ কৰ্ম নয়- তুমিও তাৰ অনেক প্ৰমাণ পেয়েছে।”[৫৫] এগৰাকী নাৰী হিচাপে মৃনালে অন্য এগৰাকী নাৰীৰ হৃদয়ৰ তাড়না ভালকৈয়ে উপলব্ধি কৰিব পাৰিছিল। সেয়ে বিন্দুৰ প্ৰতি ঘৰখনৰ মানুহে কৰা অন্যায় অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল-“ বিশ্বসংসাৰে তাৰ যেন জন্মবাৰ কোনো শৰ্ত চিল না; তাই সে কেবলই পাশ কাটিয়ে, চোখ এড়িয়ে চলত। তাৰ বাপেৰ বাড়িতে তাৰ খুৰোততো ভাইৰা তাকে এমন একটি কোণও ছেড়ে দিতে চায় নি যে কোণে একটা অনাৰশ্যক জিনিস পড়ে থাকতে পাৰে। অনাৰশ্যক আৱৰ্জনা ঘৰেৰ আশে-পাশে অনায়াসে স্থান পায়, কেননা মানুষ তাকে ভুলে যায়; কিন্তু অনাবশ্যক মেয়ে মানুষ যে একে অনাবশ্যক আবাৰ তাৰ উপৰে তাকে ভোলাও শক্ত, সেইজন্যে আঁস্তাকুড়েও তাৰ স্থান নেই। অথচ বিন্দুৰ

খুড়তোতো ভাইৰা যে জগতে পৰমাশ্যক পদাৰ্থ তা বলবাৰ জো নেই।”[৫৬]

অসহায় হ'লে যেন ব্যক্তিসকলৰ ওপৰত সমাজৰ চোকা দৃষ্টি অধিক হৈ পৰে। সেই লোকসকলৰ ওপৰত অপযশ, বদনাম আদি জাপি দিবলৈও কুণ্ঠাবোধ নকৰে। বিন্দুৰ ক্ষেত্ৰতো অসহায়ৰ সুযোগ লৈ তাইৰ ওপৰত নানান অপযশ জাপি দিছিল। বিন্দুক চোৰ, পুলিচৰ চোৰাংচোৰা আদি বুলি অপযশ দিয়া কথাবোৰো মৃনালে সহ্য কৰিব পৰা নাছিল। আনকি ঘৰৰ মানুহে বিন্দুৰ ইচ্ছাৰ বিৰুদ্ধে বিয়া থিক কৰিছিল। বায়েকে বিন্দুৰ হৃদয়ৰ ইচ্ছা-অনিচ্ছাক গুৰুত্ব নিদি স্বামীকেই সৰ্বস্ব বুলি ভাবিবলৈ সান্ত্বনা দিছে এইদৰে- “জানিস তো বিন্দি, পতিই হচ্ছে স্ত্ৰীলোকেৰ গতি মুক্তি সব। কপালে যদি দুখ থাকে তো কেউ খণ্ডাতে পাৰবে।”[৫৭]

এনেদৰে এগৰাকী সাধাৰণ নাৰীক জোৰ-জুলুমকৈ বৈবাহিক কাৰ্যত লিপ্ত কৰা হৈছিল। বিন্দুৰ জীৱনৰ কাৰুণ্য ইমানতে শেষ হোৱা নাছিল। আচলতে বিন্দুক এজন মানসিক বিকাৰগ্ৰস্ত লোকলৈহে বিয়া দিয়া হৈছিল। শাহুৱেকেও এই ক্ষেত্ৰত বিন্দুক সকলো মানি ল'বলৈ বুজনি দিছিল। বেয়া গিৰিয়েকৰ সংখ্যা সংসাৰত কম নহয় বুলি কৈ সেই তুলনাত নিজৰ পুতেক ভাল বুলি কৈ বিন্দুক সেই সম্পৰ্কক গ্ৰহণ কৰিবলৈ বুজনি দিলে। নাৰী হৈয়ো নাৰীৰ প্ৰতি অকণো সহানুভূতি নেদেখুৱাই বিন্দুক এক জটিল সম্পৰ্কলৈ ঠেলি দিলে। কেৱল ল'ৰাজনক উচ্চ স্থান দি বিন্দুক মানুহ হিচাপে অকণো মৰ্যাদা নিদি অতি নিদাৰুণভাৱে কৈছে- “ও তো মেয়ে মানুষ বৈ তো নয়। ছেলে হোক না পাগল, সে তো পুৰুষ বটে।”[৫৮] গল্পটোৰ প্ৰসংঙ্গত নীহাৰঞ্জন ৰায়ৰ এষাৰ মন্তব্য প্ৰণিধানযোগ্য-“ আমাদেৰ সমাজেৰ নাৰীৰ কোনো মূল্য ছিল না, কন্যা হিসাবে, স্ত্ৰী হিসাবে মা হিসাবে নাৰীৰ প্ৰতি একটি ৰোমান্টিক দৃষ্টি ও তজ্জনিত প্ৰীতি এবং শ্ৰদ্ধাও ছিল, কিন্তু পাৰিবাৰিক সম্পৰ্ক নিৰপেক্ষ নাৰী হিসাবে নাৰীৰ মূল্য কিছুই ছিল না; শুধু আমাদেৰ দেশে নয়, কোনো দেশেই ছিল না। এই নাৰীৰ মূল্য অপেক্ষাকৃত বৰ্তমান যুগেৰ আবিষ্কাৰ, আৰ্থিক ও সামাজিক বিবৰ্তনৰ ফল। য়ুৰোপে এবং পাশ্চাত্য দেশে এই ফল, আবিষ্কাৰেৰ সূচনা দেখা দিছিল উনবিংশ শতিকাৰ গোড়াতেই, কিন্তু তাহাৰ প্ৰকাশ দেখা গ'ল। সে শতাব্দীৰ তৃতীয় ও চতুৰ্থ পাদে এবং পূৰ্ণতাৰ বিকাশ আমৰা দেখিলাম প্ৰথম মহাযুদ্ধেৰ পৰ। সে ঢেউ যে আমাদেৰ নিস্তৰঙ্গ সমুদ্ৰটে আসিয়া লাগিল তাহাৰ প্ৰথম পৰিচয় পাওৱা গেল ‘স্ত্ৰীৰ পত্ৰে’।”[৫৯]

বালিকা বিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ পিছতো স্ত্ৰী শিক্ষাৰ কাৰণে অভিভাৱকসকল সচেতন নাছিল। পুত্ৰসকলক শিক্ষা দিয়াৰ কাৰণে আকৃষ্ট আছিল যদিও ছোৱালীৰ ক্ষেত্ৰত উদাসীনতা দেখা পোৱা গৈছিল। ১৮৭৬ খ্ৰীষ্টাব্দত দ্বাৰকানাথ গঙ্গোপধ্যায়েৰ চেষ্টাত স্থাপিত হয় বঙ্গ মহিলা

বিদ্যালয়। অৰ্থাৎ নাৰীৰ সামগ্ৰিক বিকাশত অনেকে গুৰুত্ব প্ৰকাশ কৰিলে। স্ত্ৰী-শিক্ষা প্ৰচাৰ আৰু সমাজৰ মানসিকতা তৈয়াৰ কৰাত সাহায্য কৰিছিল ব্ৰাহ্মৰাও। ১৮৫৯ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠিত হয় ব্ৰহ্ম বিদ্যালয়। দেবেন্দ্ৰনাথ ঠাকুৰ আৰু কেশৱচন্দ্ৰ সেনৰ চেষ্টাত বহুতেই নানাবিধ কামত আগ্ৰহী হৈ উঠিছিল। ১৮৬১ খ্ৰীষ্টাব্দত 'সঙ্গত সভা' আৰু ১৮৬৩ চনত 'ব্ৰাহ্মবন্ধুসভা' গঠন হয়। ব্ৰাহ্মবন্ধুসভাৰ প্ৰধান কাম আছিল অন্তঃপুৰত স্ত্ৰী-শিক্ষা দান। ১৮৭০ চনত কেশৱচন্দ্ৰই গঠন কৰিলে 'ভাৰতসংস্কাৰ সভা'। এই সভাৰ পাঁচটা প্ৰধান বিষয়ৰ ভিতৰত স্ত্ৰী সকলৰ উন্নতি বিষয়টোক অধিক গুৰুত্ব দিছিল। স্ত্ৰীজাতিৰ উন্নতিবিষয়ক বিভাগৰ সম্পাদক আছিল উমেশচন্দ্ৰ মিত্ৰ। ইয়াৰ পিচতেই আৰম্ভ কৰা হ'ল ব্ৰাহ্ম বালিকা বিদ্যালয়, বালিকা বিদ্যালয়, বামাহিতৈষিণী সভা ইত্যাদি। ১৮৯১ চনত স্থাপিত হয় ব্ৰহ্ম বালিকা বিদ্যালয়। প্ৰধানতঃ এই সমাজৰ উদ্যোগতেই নাৰী প্ৰগতি সূচিত হয়।[৬০]

এই প্ৰচেষ্টাক বেচি শক্তিশালী কৰি তোলে ইশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে। ১৮৫৭ আৰু ১৮৫৮ খ্ৰীষ্টাব্দত বহু ঠাইত বালিকা বিদ্যালয় বহু ঠাইত বালিকা বিদ্যালয় স্থাপন কৰে। বাংলা গাঁওবিলাকতো স্ত্ৰী-শিক্ষাৰ প্ৰচলন কৰে। হুগলি, বৰ্ধমান, মেদিনীপুৰ আৰু নদীয়া জেলাতেও এই স্কুল তৈয়াৰ কৰে। এই চেষ্টাতেই প্ৰায় পঞ্চাচখন বালিকা বিদ্যালয় স্থাপন হয়। নাৰীসকলৰ ৰক্ষণশীলতা যথেষ্ট আছিল। 'ইণ্ডিয়ান মিৰৰ' পত্ৰিকাত নাৰীশিক্ষাৰ তুমুল সমালোচনা হয়। কিছুমান ব্যক্তিয়ে নাৰীৰ সাজ-পোচাকৰ ক্ষেত্ৰতো সমালোচনা কৰিছিল। আনকি বাংলাৰ ছোৱালীবিলাকে মাংস খোৱাতেও সমাজৰ আপত্তি আছিল।[৬১]

'শাস্তি' গল্পটোত চন্দৰা চৰিত্ৰটোৰ দ্বাৰা সেই সময়ৰ সমাজত নাৰীৰ স্থান সম্পৰ্কে উমান পাব পাৰি। কাহিনীটোত বৰ্ণনা কৰা অনুসৰি দুখিৰাম আৰু ছিদাম দুই ভাই-ককাই। দুয়ো খেতিৰ ওপৰত নিৰ্ভৰ কৰি চলে। তেওঁলোক ৰামলোচন চক্ৰৱৰ্তীৰ 'কোৰ্ফা প্ৰজা'। 'ৰবীন্দ্ৰ ছোটগল্পেৰ শিল্পৰূপ' গ্ৰন্থত তপোব্ৰত ঘোষে 'কোৰফা প্ৰজা' শব্দটোৰ বিশ্লেষণ কৰিছে এইদৰে- " 'কোৰফা প্ৰজা' শব্দেৰ অৰ্থ 'ৰায়তেৰ অধীনস্থ ৰায়ত'। অৰ্থাৎ যে সব প্ৰজাৰ অন্য প্ৰজাৰ কাছ থেকে জমি ভাড়া নিয়ে চাষ কৰে। সেই ভাড়া কৰা জমিৰ উপৰ কোৰফা প্ৰজাৰ কোনো অধিকাৰ থাকে না। বাংলাদেশেৰ জমিদাৰী আমলে এই সব 'কোৰফা প্ৰজা' মূল ভূম্যধিকাৰী জমিদাৰেৰ কাছেও কোনো স্বীকৃতি পেত না।"[৬২] জমিদাৰৰ কাছাৰি ঘৰত তেওঁলোকক বলপূৰ্বকভাবে কাম কৰিবলৈ লৈ গৈছে। কাছাৰি ঘৰত অতি কষ্টেৰে কাম কৰিও পেট ভৰাই খাবলৈ পোৱা নাই। বৰষুণত তিতি তিতি কাম কৰিছে কিন্তু তেওঁলোকৰ প্ৰাপ্য মজুৰিখিনিও পোৱা নাই। এনেদৰে

অতি কষ্টেৰে সন্ধিয়া ঘৰলৈ ঘূৰি আহি ক্ষুধিত দুখিৰামে অকণো পলম নকৰাকৈ ঘৈণীয়েকক ভাত খুজিলে। ভাত খোজাৰ লগে লগে ঘৈণীয়েকে খঙত তত নাইকিয়া হৈ দুখিৰামক গালি বৰ্ষণ কৰিব ধৰিলে- "ভাত কোথায় যে ভাত দিব। তুই কি চাল দিয়া গিয়াছিলি। আমি কি নিজে ৰোজগাৰ কৰি আনিব।"[৬৩]

দৰিদ্ৰতাই যেন তেওঁলোকৰ বোধ শক্তি নোহোৱা কৰি পেলাইছে। দিনটোৰ কষ্ট, লাঞ্ছনা আৰু পেটৰ ক্ষুধাত গৃহিনীৰ ৰুক্ষ বচন সহ্য কৰিব নোৱাৰি দুখিৰামে ক্ষুব্ধ বাঘৰ দৰে গৰ্জি উঠিল। ক্ৰোধ প্ৰশমন কৰিব নোৱাৰি নিমিষতে ঘৈণীয়েকৰ মূৰত দাৰে ঘাপ মাৰি দিলে। ঘটনাটোৰ লগে লগে দুখিৰামে কি হ'ল বুলি হতবুদ্ধি হৈ পৰিল। সেই সময়তে ৰামলোচন চক্ৰৱৰ্তী খাজনা নিয়াৰ উদ্দেশ্যে তেওঁলোকৰ ঘৰত প্ৰৱেশ কৰিছিল। চক্ৰৱৰ্তীক দেখি ছিদাম কিংকৰ্তব্যবিমূঢ় হৈ পৰিল। লগে লগে দুখিৰামক কেনেকৈ বিপদৰ পৰা উদ্ধাৰ কৰিব পাৰি তাৰ উপায় চিন্তা কৰিব ধৰিলে। উপায়বিহীন হৈ সেই অপৰাধ নিজৰ ঘৈণীয়েক চন্দৰাৰ ওপৰত জাপি দিলে। আইনৰ হাতৰ পৰা এতিয়া চন্দৰাক কেনেকৈ উদ্ধাৰ কৰিব এই পথ ৰামলোচন চক্ৰৱৰ্তীক সুধিলে। তেতিয়া চক্ৰৱৰ্তীয়ে উপায় দিলে যে দুখিৰামক দোষী সজালে চন্দৰা ৰক্ষা পৰিব। এই কথা শুনি ছিদামে চিৎকাৰ কৰি উঠিল- "ঠাকুৰ বউ গেলে বউ পাইব, কিন্তু আমাৰ ভাই ফাঁসি গেলে আৰ তো ভাই পাইব না।"[৬৪] ছিদামৰ এই উক্তিত নাৰী জাতিৰ প্ৰতি কৰা চৰম অৱহেলাৰ ছবি স্পষ্ট। এফালে দুই ভাইৰ স্নেহৰ মায়াময় বন্ধন আনফালে ঘৈণীয়েকৰ প্ৰতি কৰা তীব্ৰ অমানুষিক প্ৰবঞ্চনা।

**সামৰণিঃ**

এনেদৰে দুয়োজনা গল্পকাৰে তদানীন্তন সমাজ-জীৱনৰ পৰিপ্ৰেক্ষিতত নাৰীৰ বিচিত্ৰ ছবি অংকন কৰিছে। সমাজ-সচেতন লেখসকলে সমাজৰ দোষ-ত্ৰুটিবোৰক গুৰুত্ব সহকাৰে বিবেচনা কৰে আৰু তেওঁলোকে সমাজৰ এনে দিশবোৰৰ পৰিশোধনৰ চেষ্টা কৰে। গল্পৰ নাৰী চৰিত্ৰসমূহৰ দ্বাৰা তদানীন্তন সমাজৰ সামাজিক আভাস এটা পোৱাৰ লগতে নাৰীৰ স্থিতি সম্পৰ্কে উমান পাব পাৰি। সমাজৰ কু-সংস্কাৰ, অন্ধবিশ্বাস আদিয়ে নাৰীৰ জীৱন বিপদাপন্ন কৰি তুলিছিল। বেজবৰুৱাই যিদৰে অসমীয়া সমাজ-জীৱনৰ ভেঁটিত তেওঁৰ সমসাময়িক সময়ৰ নাৰীৰ সামগ্ৰিক পৰিবেশ এটা দাঙি ধৰিছিল, থিক তেনেদৰে ৰবীন্দ্ৰনাথেও বাংলা সমাজ-জীৱনৰ পৰিপ্ৰেক্ষিতত সমাজৰ লগত সংপৃক্ত হৈ থকা নাৰীৰ সামগ্ৰিক পৰিবেশ দাঙি ধৰিছে। বেজবৰুৱাই যিদৰে বাল্যবিবাহ, জাত-পাতৰ উচ্চ-নীচ ভাৱ, পুৰুষে নাৰীৰ ওপৰত কৰা নিৰ্যাতন, স্ত্ৰী-শিক্ষাৰ প্ৰতি

সমাজৰ অৱজ্ঞা আদি দিশৰ উত্থাপন কৰিছে থিক তেনেদৰে ৰবীন্দ্ৰনাথেও সতীদাহ প্ৰথা, পণপ্ৰথা, স্ত্ৰীশিক্ষাৰ প্ৰতি সমাজৰ অৱহেলা, বাল্যবিবাহৰ কু-পৰিণতি, জাত-পাত উচ্চ-নীচ ভাৱ আদি দিশক গল্পৰ বিষয়বস্তু হিচাপে ৰূপ দিছে। এনেদৰে দুয়োজনা গল্পকাৰৰে গল্পসমূহ হৈ পৰিছে তদানীন্তন সমাজৰ এক দলিলস্বৰূপ।


১. ভুৱনমোহন দাস, ভুৱনমোহন দাস ৰচনা সমগ্ৰ ২, পৃঃ ৬২৬
২. সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া নাট্যসাহিত্য, পৃঃ ২৫৮
৩. সদ্যোক্ত গ্ৰন্থ পৃঃ ৩০২
৪. সৰ্বানন্দ ৰাজকুমাৰ, ইতিহাসে সোঁৱৰা ছশটা বচৰ, পৃঃ ৫৮০
৫. নগেন শইকীয়া (সম্পা.)ঃ বেজবৰুৱা ৰচনাৱলী(৩য় খণ্ড),‘কাশীবাসী’, পৃঃ ২০৫
৬. সদ্যোক্ত গ্ৰন্থ পৃঃ ২০৫
৭. সৰ্বানন্দ ৰাজকুমাৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৩৩
৮. প্ৰবীণ ফুকন, মণিৰাম দেৱান, পৃঃ ১৮
৯. নগাওঁ নাট্য সমিতি, পিয়লি ফুকন, পৃঃ ১৩
১০. নগেন শইকীয়া (সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ, ‘জয়ন্তী’ পৃঃ ১২০
১১. নগেন শইকীয়া (সম্পা.)ঃ বেজবৰুৱাৰ ৰচনাৱলী, ১ম খণ্ড, পৃঃ ৫১
১২. নগেন শইকীয়া (সম্পা.)ঃ বেজবৰুৱা ৰচনাৱলী(৩য় খণ্ড),‘ৰচিত’, পৃঃ ২৪৪
১৩. শৈলেন বৰকটকী, অসমৰ মধ্যশ্ৰেণী, পৃঃ ৯২
১৪. সম্পা.অজিত কুমাৰ শৰ্মা, বেণুধৰ শৰ্মাৰ ৰচনাৱলী, প্ৰৱন্ধ-‘অভিধান লেখোতা যাদুৰাম ডেকাবৰুৱা’, ৩য় খণ্ড, পৃঃ ২৯১
১৫. নন্দ তালুকদাৰ (সম্পা.)ঃ লম্বোদৰ বৰাৰ ৰচনাৱলী, প্ৰৱন্ধ-‘সদানন্দৰ নতুন অভিধান’, পৃঃ৬২
১৬. হেমচন্দ্ৰ গোস্বামী (সম্পা.)ঃ অসমীয়া সাহিত্যৰ চানেকি, গুণাভিৰাম বৰুৱাৰ প্ৰৱন্ধ ‘আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ’ পৃঃ ২১৬
১৭. স্বৰ্ণলতা বৰুৱা, ভাৰত বুৰঞ্জী, পৃঃ ২০৭-২০৮
১৮. ভুবনমোহন দাস, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৪০২
১৯. নগেন শইকীয়া(সম্পা.)ঃ বেজবৰুৱা ৰচনাৱলী(১ম খণ্ড), পৃঃ ৬২
২০. নগেন শইকীয়া(সম্পা.)ঃ বেজবৰুৱা ৰচনাৱলী(৩য় খণ্ড),‘নিস্তাৰিণী দেৱী বা ফাতেমা বিবি’,পৃঃ ৬৯
২১. সদ্যোক্ত গ্ৰন্থ, ‘ভোমকেৰোলা’ পৃঃ ২০৯
২২. সদ্যোক্ত গ্ৰন্থ, ‘আমালৈ নাপাহৰিব’ পৃঃ ১০৭
২৩. অজিত কুমাৰ শৰ্মা(সম্পা.)ঃ পূৰ্বোক্ত গ্ৰন্থ; খণ্ড ৩, পৃঃ ৫৭
২৪. নগেন শইকীয়া(সম্পা.)ঃ বেজবৰুৱা ৰচনাৱলী(৩য় খণ্ড), ‘যেনে চোৰ তেনে টাঙোন’ পৃ: ১৮৪
২৫. সদ্যোক্ত গ্ৰন্থ, ‘ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ’, পৃ: ৬৭
২৬. সদ্যোক্ত গ্ৰন্থ, ‘লাওখোলা’, পৃ: ৮০
২৭. সদ্যোক্ত গ্ৰন্থ, ‘গীতা’, পৃ:
২৮. সদ্যোক্ত গ্ৰন্থ, ‘পাতমুগী’, পৃ: ২৫০
২৯. স্বৰ্ণলতা বৰুৱা, ভাৰত বুৰঞ্জী, ১৯৮৮, পৃঃ ১৫৯
৩০. নগেন শইকীয়া, সম্পা. বেজবৰুৱা ৰচনাৱলী(৩য় খণ্ড),‘বাপিৰাম’, পৃ:

৩১. সদ্যোক্ত গ্ৰন্থ, 'বাপিৰাম', পৃ:
৩২. সদ্যোক্ত গ্ৰন্থ, 'এৰাবাৰী', পৃ:
৩৩. হেমচন্দ্ৰ গোস্বামী সম্পা.অসমীয়া সাহিত্যৰ চানেকি, প্ৰৱন্ধ 'আত্মজীৱনচৰিত', পৃঃ ১৭৬
৩৪. অনিমা গুহ, তৃতীয় বিশ্ববাসিনীৰ দৃষ্টিত নাৰী আৰু সমাজ, প্ৰৱন্ধ-'পিতৃতান্ত্ৰিক সমাজ আৰু নাৰীবাদ, পৃঃ ৫৮
৩৫. শিৱনাথ শাস্ত্ৰী, ৰামতনু লাহিড়ী ও তৎকালীন বঙ্গ সমাজ, পৃঃ ৬৩
৩৬. স্বৰ্ণলতা বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ; পৃঃ ১১৯
৩৭. বিনয় ঘোষ, বিদ্যাসাগৰ ও বাঙালী সমাজ, পৃঃ ২৪০
৩৮. সদ্যোক্ত গ্ৰন্থ, পৃঃ ১২০
৩৯. গোপীমোহন সিংহৰায়,ৰবীন্দ্ৰ সাহিত্যেৰ নৰনাৰী পৃঃ ১০০
৪০. প্ৰমথনাথ বিশী, ৰবীন্দ্ৰনাথেৰ ছোটগল্প, পৃঃ ৫২
৪১. স্বৰ্ণলতা বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৬৭
৪২. গোপীমোহন সিংহৰায়, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১০৪
৪৩. ৰবীন্দ্ৰনাথ ঠাকুৰ, গল্পগুচ্ছ ৰবীন্দ্ৰনাথ ঠাকুৰ; পৃঃ ৫৫৭
৪৪. সদ্যোক্ত গ্ৰন্থ, পৃঃ ৫৬৩
৪৫. সদ্যোক্ত গ্ৰন্থ, পৃঃ ২০২
৪৬. স্বপন বসু আৰু ইন্দ্ৰজিত চৌধুৰী(সম্পা.), উনিশ শতকেৰ বাঙালি জীৱন আৰু সংস্কৃতি, তপস্যা ঘোষৰ প্ৰবন্ধ 'বাঙালি মেয়ে- উনিশ থেকে একুশে', পৃঃ ২০০
৪৭. বিনয় ঘোষ, বিদ্যাসাগৰ ও বাঙালী সমাজ, পৃঃ ৩
৪৮. ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ; পৃঃ ১৯৩
৪৯. গোপীমোহন সিংহৰায়, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১২৬
৫০. ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৬০৪
৫১. নীতিশ সেনগুপ্ত, বঙ্গভূমি ও বাঙালিৰ ইতিহাস, পৃঃ ১৯৮
৫২. বিনয় ঘোষ, পূৰ্বোক্ত গ্ৰন্থ; ২০০
৫৩. ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ; 'স্ত্ৰীৰ পত্ৰ', পৃঃ ৩৫৭
৫৪. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৬৫৭
৫৫. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৫৭৮
৫৬. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৫৭৮
৫৭. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৫৮০
৫৮. সদ্যোক্ত গ্ৰন্থ; পৃঃ ৫৮১
৫৯. নীহাৰঞ্জন ৰায়, ৰবীন্দ্ৰ সাহিত্যেৰ ভূমিকা, পৃ: ৩৭৫
৬০. শিৱনাথ শাস্ত্ৰী, পূৰ্বোক্ত গ্ৰন্থ; পৃ: ২০১
৬১. সদ্যোক্ত গ্ৰন্থ; পৃঃ ২০২
৬২. তবোব্ৰত ঘোষ, ৰবীন্দ্ৰ ছোটগল্পেৰ শিল্পৰূপ, পৃঃ ১৮৪
৬৩. ৰবীন্দ্ৰনাথ ঠাকুৰ, পূৰ্বোক্ত গ্ৰন্থ; 'শাস্তি', পৃঃ ১৬৩
৬৪. সদ্যোক্ত গ্ৰন্থ; পৃঃ ১৬৪

# ষষ্ঠ অধ্যায়
# উপসংহাৰ

লক্ষ্মীনাথ বেজবৰুৱা এজন বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি। সাহিত্যত তেওঁৰ ব্যক্তিত্ব ইমান বহুমুখী যে তেওঁক সাহিত্যৰথী, ৰসৰাজ, বিশ্বৰসিক আদি বহল একোটা বিশেষণেৰে বিভূষিত কৰা হৈছে। অকল যে চুটিগল্পতে তেওঁ দক্ষতা অৰ্জন কৰিছিল এনে নহয়; কবিতা, উপন্যাস, নাটক, প্ৰবন্ধ আদি সকলো ভাগতে তেওঁৰ এখন বিশিষ্ট আসন আছে। সৃষ্টিকাৰী শক্তি হিচাপে তেওঁ আধুনিক অসমীয়া সাহিত্যত এতিয়াও অদ্বিতীয় হৈ আছে।[১] অসমীয়া ভাষাৰ প্ৰকাশিকা শক্তিৰ ওপৰত অসামান্য দখল, গভীৰ জীৱনবোধ আৰু অনুভূতি আৰু বক্ৰাঘাতৰ অপূৰ্ব সমন্বয়ৰ বাবে এই সন্মান তেখেতৰ প্ৰাপ্য।[২]

একেদৰে ৰবীন্দ্ৰনাথ ঠাকুৰ অকল বাংলা সাহিত্যৰে এজন শ্ৰেষ্ঠ সাহিত্যিক নহয়; পৃথিৱীৰ শ্ৰেষ্ঠ সাহিত্যিক সমূহৰ ভিতৰত তেৰো এজন। তেওঁৰ বহুমূখী প্ৰতিভাৰ দ্বাৰাই নিজকে বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। চুটিগল্পৰ উপৰিও তেওঁ কবিতা, গান, উপন্যাস, প্ৰবন্ধ আদি সকলোতে পাণ্ডিত্যৰ পৰিচয় দিছে। তেওঁৰ সৃষ্টিৰ প্ৰাথমিক পৰ্যায়ৰ পৰা ১৯৩০ চন মানলৈকে ৰবীন্দ্ৰনাথৰ প্ৰতিভা আৰু প্ৰভাৱে শিক্ষিত বাঙালী সমাজক মন্ত্ৰমুগ্ধ কৰি ৰাখিছিল।[৩] নীহাৰৰঞ্জন ৰায়ৰ ভাষাত--*কেৱল ভাৰতৰ ইতিহাসতেই নহয় বিশ্ব ইতিহাসত তেখেতৰ তুলনীয় ব্যক্তিত্ব বিৰল।*[৪]

বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ দুয়োজনা গল্পকাৰৰে গল্পৰ নাৰী চৰিত্ৰৰ তুলনাত্মক আলোচনা বিষয়টো যথাসম্ভৱ আলোকপাত কৰা হৈছে। প্ৰথম অধ্যায়ত অসমীয়া আৰু বাংলা গল্পৰ পটভূমি সম্পৰ্কে এক অৱলোকন কৰা হৈছে। অসমীয়া গল্পৰ পটভূমিত 'জোনাকী' কাকতৰ পৰা আৰম্ভ কৰি বিভিন্ন আলোচনী সমূহ যেনে, 'আবাহন', 'বাঁহী' 'জয়ন্তী' ৰ সময়লৈকে ধৰা হৈছে। 'অৰুনোদয়' কাকতৰ সময়ৰ পৰা বিভিন্ন সময়ত অসমীয়া আলোচনী সমূহে এটা যুগক প্ৰতিনিধিত্ব কৰি আহিছে। বিভিন্ন সময়ত এই আলোচনীসমূহে এটা যুগৰ ভাৱশক্তি বহন কৰিছে। ঊনবিংশ শতিকাৰ শেষাৰ্ধত অসমত যি বৌদ্ধিক আন্দোলনৰ জাগৰণ হৈছিল তাৰ গুৰি ধৰোতা আছিল লক্ষ্মীনাথ বেজবৰুৱা আৰু তেওঁৰ সতীৰ্থসকল।

চন্দ্ৰপ্ৰসাদ শইকীয়াৰ ভাষাত--

*মধ্যযুগত ধ্বংসমুখী এখন সমাজক একত্ৰিত কৰি আৰু নৰকাসুৰৰ দিনৰেপৰা বিক্ষিপ্ত অসমীয়া সাংস্কৃতিক একতা আৰু মহত্ব দান কৰি শ্ৰীমন্ত শংকৰদেৱে এখন নতুন অসম গঢ়ি গৈছিল আৰু সেই একেই মহৎ উদ্দেশ্যেৰে লক্ষ্মীনাথ বেজবৰুৱাই অন্যৰ গ্ৰাসৰপৰা অসমীয়া সংস্কৃতিক ৰক্ষা কৰি এখন আধুনিক সমাজক গঢ়ি থৈ গৈছে।*[৫]

অসমীয়া গল্পৰ পটভূমি আলোচনা কৰি দেখা পোৱা গ'ল যে বেজবৰুৱাৰ গল্পসমূহত অসমীয়া সমাজ-জীৱনৰ সংস্কৃতি, পাৰিবাৰিক দিশ, ৰাজনৈতিক দিশ, অন্ধবিশ্বাস, কুসংস্কাৰ, নাৰীবিষয়ক বিভিন্ন সমস্যা উপস্থাপন কৰি অসমীয়া গল্পক সমৃদ্ধ কৰি তুলিছিল। বেজবৰুৱাই তেওঁৰ গল্পত জন-জীৱনৰ সুখ-দুখ আনন্দ ভয় বিষাদ আৰু প্ৰকৃতিৰ প্ৰতি স্নেহ আৰু সহানুভূতি চিত্ৰণ কৰিছে। মানুহৰ ভণ্ডামি, অহংকাৰ মূৰ্খামি গোড়ামি কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু অন্ধ অনুকৰণক ব্যঙ্গ কৰিছে আৰু মানুহৰ মনত আন্ধাৰ কোঠালিলৈও ভুমুকিয়াই চাইছে।[৬] বেজবৰুৱাৰ পৰৱৰ্তী শৰৎচন্দ্ৰ গোস্বামী, দণ্ডিৰাম কলিতা, সূৰ্যকুমাৰ ভূঞা আৰু নকুলচন্দ্ৰ ভূঞাই 'জোনাকী' যুগৰ সমৃদ্ধিত অৰিহনা যোগাইছিল।

'জোনাকী' যুগৰ পিছতেই আৱাহন যুগৰ ভূমিকা অনস্বীকাৰ্য। বিষয়বস্তুৰ নব্য নিৰ্বাচন আৰু আঙ্গিকৰ নতুনত্বই আৱাহন যুগৰ গল্পক এক বিশেষ মাত্ৰা প্ৰদৰ্শন কৰিছে। এই যুগৰ গল্পকাৰ সকলে কাহিনী বিশ্লেষণতকৈ মানৱ মনৰ অৰ্ন্তজগতৰ বিশ্লেষণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। পাশ্চাত্য বিশ্ববৰেণ্য গল্পকাৰ সকলৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত অসমীয়া চুটিগল্পকো নতুন সাজেৰে সজাই উলিওয়াত এই যুগৰ গল্পকাৰ সকলে সাফল্য লাভ কৰিছিল। এই প্ৰচেষ্টাই 'জয়ন্তী' আৰু পিছত 'ৰামধেনু' যুগত বিস্তীৰ্ণ ৰূপত পূৰ্ণতা প্ৰাপ্তি লাভ কৰিলে।

একেদৰে বাংলা গল্প ধাৰাত 'ভাৰতী' আলোচনীৰ পৰা আৰম্ভ কৰি 'সাধনা', 'সবুজপত্ৰ', 'কল্লোল' আলোচনীৰ সময়লৈকে গল্পৰ পটভূমি বিচাৰ কৰা হৈছে।

ৰবীন্দ্ৰনাথে তেওঁৰ গল্পসমূহত তথাকথিত সমাজ-জীৱনৰ বিভিন্ন অভিজ্ঞতাক ৰূপ দিছিল। মানৱ জীৱনৰ সৰু-বৰ ঘটনাই তেওঁৰ ৰচনাৰ চাতুৰ্যৰ দ্বাৰা প্ৰাণ পাই উঠিছিল। তথাকথিত বাংলা সামাজিক জীৱন, ৰীতি-নীতি, অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ লগতে জমিদাৰী কাৰ্য পৰিচালনা কৰাৰ অৰ্থে শিলাইদহ, সাজাদপুৰ আদি অঞ্চলত থাকিব লগা হোৱা হেতুকে তাৰ বিচিত্ৰ অভিজ্ঞতাই গল্পত প্ৰাণ পাই উঠিছে। পদ্মা নদীৰ সৌন্দৰ্য আৰু গ্ৰাম্য জীৱন ধাৰাৰ সৰলতাত ৰবীন্দ্ৰনাথে অভিভূত হৈ পৰিছিল। বাংলা সাহিত্যৰ চুটিগল্প ধাৰাটিক ৰবীন্দ্ৰনাথে বিশেষ

মৰ্যাদা প্ৰদান কৰাৰ লগতে তেওঁৰ পৰৱৰ্তী লেখকসকলেও বাংলা সাহিত্যৰ ধাৰাটিক সমৃদ্ধিশালী কৰি তুলিছে।

দ্বিতীয় অধ্যায়ত লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পৰ সাহিত্যৰ ওপৰত আলোকপাত কৰা হৈছে। দুয়োজনা গল্পকাৰৰে গল্পসমূহৰ মাজেদি সমসাময়িক সমাজ-জীৱন অতি ভাস্বৰ ৰূপত প্ৰতিভাত হৈ উঠিছে। দুয়োজনা গল্পকাৰে গল্পসমূহত সমাজৰ এচাম অন্তঃসাৰশূণ্য লোকৰ উদঙাই দিছে। বেজবৰুৱাৰ গল্পত সমাজৰ অন্তঃসাৰশূণ্য লোকৰ ছবি বুলি ক'লে এচাম লোকে আধুনিক শিক্ষাৰ নতুন পোহৰে এচাম লোকক বাৰুকৈয়ে প্ৰভাবান্বিত কৰিছিল। এচামে অসমীয়া সাহিত্য সংস্কৃতি আৰু অসমীয়া জাতি ৰক্ষাৰ অৰ্থে প্ৰানপণে চেষ্টা কৰিছিল আৰু এচামে নতুনকৈ শিক্ষিত হৈ ভেমত উফন্দি নিজৰ সংস্কৃতিক পৰিহাৰ কৰি আনৰ আদৰ-কায়দা গ্ৰহণ কৰিছিল। তেতিয়াৰ অসম নানা জাতি উপজাতি, বাৰেৰহনীয়া সংস্কৃতি, একাধিক ধৰ্মালম্বী লোকৰ থলী আছিল। এই সকলোবোৰ জাতি-উপজাতিৰ সমন্বয় ৰক্ষা কৰি বৃহত্তৰ অসমীয়া জাতিক একেটা সাঁচতে গঢ়ি তোলাও সহজ কথা নাছিল। এই প্ৰদেশখনৰ বাৰেৰহনীয়া  ভাষা সংস্কৃতিৰ লোককে একেলগে অসমীয়া বুলি জ্ঞান কৰি এই প্ৰদেশৰ বৃহত্তৰ ভাষাগোষ্ঠী অসমীয়াসকলৰ ভাষাই সকলোৰে ভাষা বুলি বেজবৰুৱা প্ৰমুখ্যে সেই সময়ৰ অসমীয়া স্বদেশপ্ৰেমীসকলে অসমীয়া জাতীয়তাবাদৰ প্ৰেৰণা ব্যাপ্ত কৰিবলৈ তৎপৰ হৈছিল। আন এচাম তেওঁলোক যদিও শিক্ষিত হৈ উঠিছিল তেওঁলোকৰ সমাজ-জীৱনত কোনো ধৰণৰ অৰিহনা নাছিল। তেওঁলোকে বিজতৰীয়া সংস্কৃতি বহন কৰি সমাজ-জীৱনলৈ এক ভয়াবহতা নমাই আনিছিল।[৭] ত্ৰৈলোক্যনাথ গোস্বামীৰ ভাষাত--

> *মানৱ দিনৰ উপদ্ৰপৰ কেঁচা স্মৃতিৰ তুলনাত ইংৰাজৰ আমোলত আহি পৰিছিল এটা বিৰতিৰ উশাহ, এটা অকৰ্মণ্যতাৰ অৱসাদ আৰু ভোগবিলাসৰ প্ৰতি নিষ্ফল আকুলতা। শাসকসকলৰ গুণমুগ্ধ লোকৰ সংখ্যা দিনে দিনে বাঢ়ি অহা দেখা গৈছে । ভালেমান লোকৰে জীৱনত এক নিৰৰ্থক বাহ্যিক  অনুকৰণপ্ৰিয়তাৰ উৎকট ৰূপ প্ৰকাশিত হৈছিল।*
>
> *অনেকে বিদেশী শাসকসকলৰ চলন ফুৰণ অনুকৰণ কৰিবলৈ চেষ্টা কৰি নিজৰ ৰুচি আৰু সংস্কৃতি দলিয়াই পেলাবলৈকো কুণ্ঠাবোধ নকৰিছিল। বেজবৰুৱাৰ জাতীয়তাবাদী মনে সেইবোৰ বিচাৰি পালে মলক গুইন গুইন, নাঙলু চন্দ্ৰ দাস, ভেমপুৰীয়া মৌজাদাৰ, গংগাৰাম বৰুৱাৰ পুত্ৰ ৰামেশ্বৰ, ধৰ্মধ্বজ ফয়চলা নবিচ ঘন্টাকৰ্ণ শৰ্মা আদি আদি নানান চৰিত্ৰ-আটাইবোৰ বাস্তৱ কিন্তু কল্পনাৰ গাঢ় ৰঙেৰে*

ৰঞ্জিত।[৮]

একেদৰে ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পতো বাহিৰ শুৱনি ভিতৰ ফোপোলা লোকৰ ছবি দেখিবলৈ পোৱা যায়। ঊনবিংশ শতিকাৰ বাংলা সমাজখনত আধুনিক শিক্ষাৰে শিক্ষিত এচাম যুৱকৰ পৰিৱৰ্তনকামী চিন্তা চৰ্চাৰে সমাজ-জীৱনত নৱজাগৰণৰ সূচনা হৈছিল। এইচাম লোকে সমাজৰ অন্ধবিশ্বাস, কুসংস্কাৰ আঁতৰাই সমাজখনক কলুষ কালিমাৰ পৰা মুক্ত কৰিব বিচাৰিছিল। কিন্তু এচামে ৰক্ষণশীল সমাজখনৰ মিছা-নীতি নিয়মক সাৰটি ধৰি ব্যক্তি জীৱনত সংঘাতৰ সৃষ্টি কৰিছিল। সমাজ জীৱনক কলুষিত কৰা এই ব্যক্তি সকলৰ সূক্ষ্ম চিন্তাক ৰবীন্দ্ৰনাথে গল্পসমূহত তীব্ৰ ব্যঙ্গ কৰিছে। সেয়েহে তেওঁ 'জীৱিত আৰু মৃত' গল্পত ধনে-জনে প্ৰতিপত্তিশালী লোকৰ নিন্দনীয় কাৰ্যক উদঙাই দেখুৱাইছে। গল্পটোত ৰাণীহাটৰ জমিদাৰ শাৰদাশংকৰ বাবুৰ বিধৱা বোৱাৰীয়েক কাদম্বৰীৰ জীৱনলৈ বিপৰ্যয় নামি আহিছিল। যদিও উচ্চ বংশৰ জমিদাৰৰ ঘৰৰ বোৱাৰী আছিল তথাপিও কাদম্বৰীয়ে তেওঁলোকৰ চিন্তাৰ সংকীৰ্ণতাৰ পৰা মুক্তি পোৱা নাছিল। শেষত কাদম্বৰীয়ে জীৱনত বহুতো দুৰ্ভোগ ভূগি অৱশেষত মৰি প্ৰমাণ কৰি দিবলগীয়া হৈছিল যে কাদম্বৰীয়ে আচলতে পূৰ্বতে মৰা নাছিল, হৃদযন্ত্ৰহে বন্ধ হৈ গৈছিল। 'দেনাপাওনা' গল্পত শহুৰেকৰ ঘৰখন ধনে-সম্পদে প্ৰতিপত্তিশালী হোৱা স্বত্বেও ধনৰ লোভত নিৰুপমাক বোৱাৰী হিচাপে আদৰি ল'ব পৰা নাছিল। 'অপৰিচিতা' গল্পতো ধনৰ লোভতে দৰাৰ মোমায়েকে নিকৃষ্ট মানসিকতাৰ পৰিচয় দিছিল।

দুয়োজনা গল্পকাৰে জাত-পাতৰ উচ্চ-নীচ ভাৱৰ সংকীৰ্ণতাক অতি তীব্ৰভাৱে সমালোচনা কৰিছে। দুয়োজনা গল্পকাৰৰে জাত-পাতৰ প্ৰতি আছিল উদাৰ মনোভাৱ। জাত-পাতৰ ক্ষেত্ৰত দুয়োজনা গল্পকাৰৰ মানৱতাৰ দিশটো অধিক প্ৰকট হৈ উঠিছে। তদানীন্তন সমাজ-জীৱনত সামাজিক ৰীতি-নীতিৰ এটা প্ৰধান অংগ আছিল জাত-পাতৰ উচ্চ-নীচ ভাব। বৰ্ণ বৈষম্যই ব্যক্তি জীৱনত এনেদৰে শিপাই আছিল যে সমাজে বান্ধি দিয়া নীতি নিয়মৰ বাহিৰ হৈ গ'লেই তেওঁলোকে তাৰ পৰা পৰিত্ৰাণ নাপাইছিল। জাত-পাতৰ সংকীৰ্ণ মনোভাৱক বেজবৰুৱাই গল্পসমূহত তীব্ৰ ব্যঙ্গ কৰিছে। একেদৰে ৰবীন্দ্ৰনাথ ঠাকুৰেও জাত-পাতৰ ক্ষেত্ৰত উদাৰ দৃষ্টিভংগী পোষণ কৰিছে। তেওঁৰ গল্পসমূহতো জাত-পাতৰ উচ্চ নীচ ভাবক তীব্ৰ ব্যঙ্গ কৰিছে আৰু এই নিয়মসমূহৰ অসাৰতা প্ৰতিপন্ন কৰিছে। লক্ষ্মীনাথ বেজবৰুৱাৰ 'নিস্তাৰিণী দেৱী বা ফাতেমা বিবি' নামৰ গল্পটোত জাত-পাতৰ উচ্চ-নীচ ভাৱৰ ৰোষত পৰি নিস্তাৰিণীয়ে যিদৰে ঘৰ ত্যাগ কৰিব লগা হৈছিল থিক তেনেদৰে 'মহামায়া' গল্পটোতো মহামায়াই ঘৰ ত্যাগ কৰি ওলাই

গুচি গৈছিল। কিন্তু নিস্তাৰিণীক দেউতাকে সমাজৰ পৰা অপযশ পোৱাৰ ভয়ত উলিয়াই দিছিল কিন্তু মহামায়াই স্বইচ্ছাই ঘৰৰ পৰা ওলাই গুছি গৈছিল। জাত-পাতৰ কাৰণে মুমুৰ্ষ বৃদ্ধ এজনৰ লগত বিবাহ হৈ পিছদিনাই সতীদাহ প্ৰথাৰ বলী হোৱা, অৰ্ধদগ্ধ অৱস্থাত পূৰ্বৰ প্ৰেমিক ৰাজীৱৰ ঘৰত প্ৰবেশ, মুখৰ বিকৃত অৱস্থা ৰাজীৱৰ দৃষ্টিৰপৰা ঢাকি ৰাখি থকাৰ ৰাজীৱক দিয়া প্ৰতিশ্ৰুতি আৰু এদিন ৰাজীৱে মুখখন গোপনে নিৰীক্ষণ কৰা গম পাই মহামায়াই সমস্ত মায়া মমতা এৰি থৈ ঘৰৰ পৰা ওলাই যোৱা কাৰ্যই মাহামায়া চৰিত্ৰটোক অতি প্ৰতিবাদ মুখৰ কৰি তুলিছে। মহামায়াৰ এই প্ৰতিবাদ সমাজৰ ৰীতি-নীতিৰ বিৰুদ্ধে আৰু ৰাজীৱক দিয়া প্ৰতিশ্ৰুতি ভঙ্গ কৰাত নিজৰ আত্মাভিমান অটুট ৰখাৰ। যদিও নিস্তাৰিণী দেৱী চৰিত্ৰটো মহামায়া চৰিত্ৰটোৰ দৰে উজ্জ্বল হৈ উঠা নাই তথাপিতো বিষয়বস্তুক ৰূপ দিয়াত গল্পকাৰ সফল হৈছে।

দুয়োজন গল্পকাৰৰেই গল্পত প্ৰকৃতিপ্ৰেম অতি সুন্দৰ ৰূপত উদ্ভাসিত হৈ উঠিছে। প্ৰকৃততে ব্যক্তিগত জীৱনতো দুয়োজন গল্পকাৰেই প্ৰকৃতি প্ৰেমিক। লক্ষ্মীনাথ বেজবৰুৱাক যেনেকৈ গাঁওৰ প্ৰাকৃতিক পৰিবেশে মোহিত কৰিছিল থিক তেনেদৰে ৰবীন্দ্ৰনাথ ঠাকুৰেও প্ৰকৃতিৰ মাজতেই বিচাৰি পাইছিল জীৱৰ গূঢ় সত্য। এই অভিজ্ঞতাৰেই ৰূপ দিছিল 'ছুটি', 'সমাপ্তি' 'অতিথি' আদিৰ দৰে গল্প। 'লক্ষ্মীনাথ বেজবৰুৱাৰ 'মুক্তি' আৰু আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'ছুটি' গল্পৰ বিষয়বস্তু একেই। দুয়োটা গল্পৰে চৰিত্ৰ দুটা প্ৰকৃতিৰ দ্বাৰা লালিত-পালিত। সুকুমাৰে যেনেকৈ প্ৰকৃতিৰ লগত উমলি জীৱনৰ মাদকতা বিচাৰি পাইছিল থিক তেনেকৈ ফটিকেও প্ৰকৃতিৰ সৈতে অন্তৰঙ্গতাৰে এক মুক্ত জীৱন কটাইছিল। কঠোৰ শাসনৰ দ্বাৰা দুয়োটা চৰিত্ৰৰ জীৱনৰ কৰুণ চিত্ৰ মূৰ্ত হৈ উঠিছে। ঘৰুৱা কঠোৰ শাসন আৰু কঠোৰ শিক্ষা-ব্যৱস্থাৰ ভয়াবহ পৰিণতি দুয়োটা গল্পতে দেখুওৱা হৈছে। নগৰীয়া জীৱনৰ সংকীৰ্ণ আবেষ্টনীৰ মাজত দুয়োটা চৰিত্ৰই জীৱনৰ মাধুৰ্য হেৰুৱাইছিল।

গ্ৰাম্যজীৱনৰ মুক্ত আকাশৰ তলৰ উন্মুক্ততাই মন-প্ৰাণ আচ্ছন্ন কৰি ৰখাৰ বিপৰীতে নগৰীয়া বদ্ধজীৱনে দুয়োকে আমুৰাইছিল। দুয়োটা গল্পতে চিৰন্তন মাতৃহৃদয় প্ৰকাশি উঠিছে। দুয়োটা গল্পৰে নামকৰণ অতি তাৎপৰ্যপূৰ্ণ। 'মুক্তি' নামকৰণৰ ব্যঞ্জনাই যিদৰে সুকুমাৰৰ চিৰন্তন মুক্তিৰ কথা সূচাইছিল থিক তেনেদৰে 'ছুটি' নামকৰণেও ফটিকৰ চিৰকালৰ বাবে জীৱনৰ গতি স্তব্ধ হৈ যোৱাৰ অৰ্থ বুজাইছে।

একেদৰে 'জলকুঁৱৰী' গল্পৰ প্ৰকৃতিপ্ৰেমী ছোৱালীজনী সংসাৰৰ দায়িত্বৰ প্ৰতি উদাসীন আছিল। একেদৰে 'সুভা' গল্পটোতো সুভা প্ৰকৃতিপ্ৰেমী আছিল। সুভা মুক যদিও প্ৰকৃতিৰ

মাজতেই বিচাৰি পাইছিল জীয়াই থকাৰ অপূৰ্ব প্ৰেৰণা। কিন্তু সময়ৰ লগে লগে সুভা ডাঙৰ হৈ অহাত পিতৃ-মাতৃয়ে সুভাৰ  অনিচ্ছা স্বত্বেও কলিকতালৈ নি তাইৰ বিয়াৰ বন্দোবস্ত কৰিছিল। একেদৰে জলকুঁৱৰী গল্পটোতো গল্পৰ নায়িকা ছোৱালীজনী বিয়াৰ প্ৰতি আকৰ্ষণ নাছিল। কিন্তু শেষত ছোৰলীজনীৰ বিয়া হৈ যায়। তাৰ পিছত ছোৱালীজনীৰ অশুভ দিশৰ কোনো ইংগিত দিয়া নাই। আনফালে সুভাক সমাজৰ মানুহৰ নিন্দাৰ পৰা হাত সৰুৱাই বিয়া দিলে যদিও এই বিয়া টিকি নাথাকিল। কাৰণ দৰাই সুভাক মুক বুলি গম পোৱাৰ লগে লগে আন এজনী ছোৱালী ভালদৰে চাই-চিটি বিয়া পাতি ললে। সেয়েহে মানুহ সমাজ এই সকলোবিলাকৰ এক অকৃটিম ৰূপ এটা থাকিলেও প্ৰকৃতিৰ যে এক উদাৰ ৰূপ আছে সেই কথাটোকে গল্পটোত দেখুৱাইছে।

দুয়োজনা গল্পকাৰে সমাজৰ আৰ্থসামাজিক দিশটোৰো এক মূল্যায়ন কৰিছে। ব্যক্তিজীৱনৰ লগত সংপৃক্ত হৈ থকা এটা গুৰুত্বপূৰ্ণ দিশ হ'ল আৰ্থিক দিশ। আৰ্থিক অনগ্ৰসৰতাই হৈছে ব্যক্তি জীৱনৰ এক গুৰুত্বপূৰ্ণ সংকট। বেজবৰুৱাই 'ভদৰী' গল্পটোত আৰ্থিকভাৱে জুৰুলাগ্ৰস্ত লোকৰ ছবি অতি সুন্দৰভাৱে দাঙি ধৰিছে। শিশুৰামক হাড়ে-হিমজুৰে অসমীয়া কৃষকৰ ৰূপত উপস্থাপন কৰাত বেজবৰুৱাই দক্ষতাৰ পৰিচয় দিছে। কৃষক এজনে দুবেলা দুমুঠিৰ বাবে কেনেদৰে কপালৰ ঘাম মাটিত পেলাই কৃষি কাৰ্য চলাই নিয়ে, তৎসত্বেও তেওঁলোকৰ অভাৱৰ সীমা নাথাকে। এনে এটা বিষয়বস্তুই 'ভদৰী' গল্পটোত প্ৰাণ পাই উঠিছে। একে ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'শাস্তি' গল্পটোতো জমিদাৰৰ শাসন ব্যৱস্থাত অতিষ্ট হোৱা ছিদাম আৰু দুখিৰামৰ অতি দৰিদ্ৰৰ ছবি দাঙি ধৰিছে। জমিদাৰী শাসনব্যৱস্থাই তেওঁলোকৰ জীৱনটো অতি জুৰুলা কৰি পেলাইছিল। অতি কষ্ট কৰি কাম কৰাৰ পিছতো তেওঁলোকে নিজৰ প্ৰাপ্য মজুৰিখিনিও পোৱা নাছিল। কেনেদৰে জমিদাৰী শাসনব্যৱস্থাত তেওঁলোকক অৱহেলা কৰা হৈছিল আৰু মানসিকতাক দংশন কৰা হৈছিল তাৰ দুৰ্দশাৰ ছবি অতি সুন্দৰ ৰূপে উপস্থাপন কৰিছে।

দুয়োজনা গল্পকাৰে অতিপ্ৰাকৃত ঘটনাও অতি কৌশলেৰে উপস্থাপন কৰিছে। কেতিয়াবা এই ঘটনা সপোনৰ আশ্ৰয় লৈও উপস্থাপন কৰিছে। এই অতিপ্ৰাকৃত ঘটনাসমূহৰ মাজেদি মানৱ জীৱনৰ এটা গুৰুত্বপূৰ্ণ ঘটনাকেই উপস্থাপন হৈছে। বেজবৰুৱাৰ অতিপ্ৰাকৃত বিষয়ক গল্প 'এৰাবাৰী'ৰ সম্পৰ্কত প্ৰফুল্ল কটকীয়ে উল্লেখ কৰিছে যে--

> *অনাড়ম্বৰ, সৰল  ভাষাত ইয়াক এনেদৰে কোৱা হৈছে যে পাঠকৰ মন শোকত বিচলিত হৈ পৰে । এই পৰিণতি সৃষ্টি কৰিব পৰাতেই, অৰ্থাৎ কলা হিচাপে গল্পটোৰ*

*নিপুনতা প্ৰকাশ পাইছে।* [৯]

তৃতীয় অধ্যায়ত আলোচনা কৰা হৈছে গল্পসমূহৰ বিচিত্ৰ নাৰী চৰিত্ৰ। নাৰী চৰিত্ৰ অধ্যয়ন কৰিবলৈ যাওঁতে পুৰুষশাসিত সমাজ-ব্যৱস্থাত নাৰী নিৰ্যাতন, জাত-পাতৰ সমস্যাত ভোগা নাৰী, বাল্যবিবাহৰ সমস্যা, পুৰুষশাসিত সমাজ-ব্যৱস্থাত নাৰীৰ অৱস্থিতি, প্ৰকৃতিৰ লগত নাৰী চৰিত্ৰৰ অন্তৰঙ্গ সম্পৰ্ক, ৰোমান্টিক প্ৰেম আদি দিশত আলোকপাত কৰা হৈছে। দুয়োজনা গল্পকাৰৰে গল্পত নাৰী চৰিত্ৰই বিশেষ ভূমিকা গ্ৰহণ কৰিছে। পুৰুষ চৰিত্ৰতকৈ নাৰী চৰিত্ৰসমূহ অধিক উজ্জ্বলতৰ। তথাকথিত সমাজব্যৱস্থাত নাৰীসকলে কেনেদৰে যন্ত্ৰণাময় জীৱন কটাবলীয়া হৈছিল তাকেই গল্পসমূহত দেখুওৱা হৈছে। তথাকথিত সমাজখনৰ অন্ধবিশ্বাস, কুসংস্কাৰ আদি আঁতৰাই এখন নিকা সমাজ গঢ়াই দুয়োজনা গল্পকাৰৰে উদ্দেশ্য। সেয়ে গল্পসমূহত নাৰীৰ বিভিন্ন দিশৰ উপস্থাপন কৰিছে। নাৰীৰ প্ৰকৃতি, চৰিত্ৰ, তেওঁলোকৰ মনগহন সকলো দিশেই উদ্ভাসিত হৈ উঠিছে। দুয়োজনা গল্পকাৰে নাৰী চৰিত্ৰসমূহ অতি শ্ৰদ্ধা আৰু সহানুভূতিশীলতাৰে উপস্থাপন কৰিছে।

চতুৰ্থ অধ্যায়ত নাৰী মনস্তত্বৰ বিষয়ে আলোচনা কৰা হৈছে। এই অনুভূতিসমূহ সৰ্বকালৰ, সৰ্বদেশৰ নাৰীৰ অনুভূতি। কেতিয়াবা কিছুমান নাৰীৰ চৰিত্ৰত ভাৰতীয় আদৰ্শ নাৰীৰ ত্যাগ আৰু সুকোমল হিয়াৰে ৰঞ্জিত হৈ উঠিছে। বেজবৰুৱাৰ ‘ভদৰী’ ‘জয়ন্তী’ আদি গল্পত যিদৰে ভাৰতীয় আদৰ্শ নাৰীৰ পৰম্পৰাগত ছবি এখন পোৱা যায় থিক একেদৰে ৰবীন্দ্ৰনাথৰ ‘দৃষ্টিদান’, ‘নিশীথে’ আদি গল্পত একে আদৰ্শই পৰিস্ফূট হৈছে। এই গল্পসমূহত নাৰীচৰিত্ৰ সমূহৰ পতিভক্তিৰ ৰূপটো প্ৰকাশিত হৈ উঠিছে। ভাৰতীয় পৰম্পৰাগত সমাজ-ব্যৱস্থাত স্বামীক যিদৰে এক উচ্চ আসনত স্থান দিয়া হৈছে আৰু ‘পতি পৰম গুৰু’ হিচাপে স্ত্ৰীসকলে এক উচ্চাত্মীকা মনোভাৱেৰে হিয়াৰ সৰ্ব্বস্ব সপি দিছিল এই ধ্যান-ধাৰণাই পৰিস্ফুট হৈছে।

দুয়োজনা গল্পকাৰৰে গল্পত নাৰীৰ প্ৰতিবাদী মনটো দেখিবলৈ পোৱা যায়। প্ৰায়ভাগ নাৰীয়ে বিভিন্ন সমস্যাৰ সন্মুখীন হৈও সেইটোকে ‘ভাগ্যৰ লিখন নাযায় খণ্ডন’ বুলি ভাবি মূৰ পাতি লৈ যন্ত্ৰণাত ভুগিছিল, কিন্তু কিছুমানে সমাজৰ অন্যায়-অনীতিৰ বিৰুদ্ধে সৰৱ হৈ উঠিছিল। বেজবৰুৱাৰ ‘ললিতী কাকতি’ গল্পত যিদৰে প্ৰতিবাদী মন প্ৰকাশিত হৈ উঠিছিল একেদৰে ৰবীন্দ্ৰনাথৰ ‘স্ত্ৰীৰ পত্ৰ’ গল্পত মৃনালৰ প্ৰতিবাদী কণ্ঠত নাৰীসকলক অন্যায় অনীতিৰ পৰা মুক্ত কৰাৰ ইংগিত বহন কৰিছে।

একেদৰে দুয়োজন গল্পকাৰেই নাৰীৰ প্ৰকৃতিপ্ৰেম, নাৰীৰ ৰোমান্টিক প্ৰেম,

প্ৰতিশোধপৰায়ণা নাৰী, নাৰীৰ যৌনতাড়িত অভিব্যক্তি প্ৰকাশিত নাৰী আদি ৰূপ প্ৰকাশ কৰাত উৎকৃষ্ট হাতৰ উমান পোৱা যায়। দুয়োজন গল্পকাৰৰে নাৰীৰ প্ৰতি আছিল এক উদাৰ দৃষ্টিভংগী। দুয়োজনা গল্পকাৰৰ অনুভূতিৰ গাঢ়তাই নাৰীমনক যথাযথ ৰূপে অংকিত কৰিছে। সেয়েহে এই গল্পসমূহ হৈ পৰিছে অনন্য আৰু সাৰ্বজনীন।

পঞ্চম অধ্যায়ত অসমীয়া আৰু বাংলা সামাজিক পৰিপ্ৰেক্ষিতত নাৰীৰ অৱস্থান আলোচনা কৰা হৈছে। এই অধ্যায়ত ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধ আৰু বিংশ শতিকাৰ প্ৰথমাৰ্থৰ সমাজৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আদি দিশৰ ওপৰত আলোকপাত কৰা হৈছে। বিশেষকৈ তদানীন্তন সমাজখনত নাৰীৰ শিক্ষাৰ ওপৰত সমাজৰ মনোভাৱ, সমাজত নাৰীৰ স্থান, সমাজ-সংস্কাৰসকলৰ নাৰীৰ প্ৰগতিৰ দিশত লোৱা ইতিবাচক ভূমিকা আদি দিশত যথাসম্ভৱ আলোকপাত কৰা হৈছে।

দুয়োজনা গল্পকাৰৰ গল্পসমূহ আলোচনাৰ অন্তত দেখিবলৈ পোৱা গ'ল যে তেওঁলোক দুয়োজনা গল্পকাৰৰে গল্পসমূহৰ মাজত জাতীয় চেতনা জড়িত হৈ আছে। সমাজখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত দুয়োজনা গল্পকাৰৰে ভূমিকা অপৰিসীম। বেজবৰুৱাই প্ৰধানভাৱে যিদৰে অসমীয়া সমাজ-জীৱন প্ৰতিফলিত কৰিছে থিক তেনেদৰে ৰবীন্দ্ৰনাথেও সমসাময়িক বংগীয় সমাজ-জীৱনকেই প্ৰতিনিধিত্ব কৰিছে। তথাকথিত সমাজখনৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদি সকলো দিশক সামৰি যথাসম্ভৱ মূল্যায়ন কৰিছে। জাতিটোৰ প্ৰতি থকা অপৰিসীম দায়িত্ববোধৰ তাড়নাতেই এই ধৰণৰ উচ্চ মানবিশিষ্ট সাহিত্যসৃষ্টি সম্ভৱ হৈ উঠিছে। বেজবৰুৱাৰ গল্পসমূহত যিদৰে চৰিত্ৰ আৰু পৰিবেশক কোনোটোকে বিচ্ছিন্ন কৰিব নোৱাৰি, থিক তেনেদৰে ৰবীন্দ্ৰনাথৰ গল্পতো পৰিবেশৰ লগত চৰিত্ৰৰ যথাযথ ৰূপায়ন কৰিছে। এক সূক্ষ্ম দৃষ্টিভংগীৰে চৌপাশৰ পৰিবেশক সহৃদয়তাৰে অনুভৱ কৰি এক নিভাঁজ চিত্ৰ দাঙি ধৰিছে। গ্ৰাম্য জীৱনৰ চিত্ৰ অংকন কৰোঁতে পাঠকসকল চকুৰ আগত নিজৰ চিনাকী গাঁওখনে ধৰা দিয়ে। থিক তেনেদৰে নগৰীয়া জীৱনো যথাযথ চিত্ৰ দাঙি ধৰিছে। গল্পসমূহত নিজস্ব শৈলীৰ ব্যৱহাৰেৰে স্বকীয়তাৰ প্ৰমাণ দাঙি ধৰিছে। দুয়োজনা গল্পসমূহৰ মাজত প্ৰকৃতিপ্ৰেম, মানৱপ্ৰেম, অতিপ্ৰাকৃত ঘটনা বিভিন্ন বিষয় গল্পৰ মাজত প্ৰাণ পাই উঠিলেও সমাজ-সংস্কাৰক মনটোহে গল্পসমূহৰ মাজত প্ৰকট হৈ উঠিছে। নাৰীসকলৰ সমস্যা উপস্থাপনৰ যোগেদি দুয়োজনা গল্পকাৰৰে গল্পত মানৱতাবাদৰ দিশটো অতি উজ্জ্বলৰূপে ধৰা দিছে। তথাকথিত সমাজখনৰ নাৰীৰ সমস্যা উপস্থাপন কৰাৰ লগতে ইয়াৰ সমাধানৰ উপায় দেখুৱাই দিছে। দুয়োজনা গল্পকাৰে নাৰীৰ সমস্যা, নাৰীৰ আশা-আকাঙ্খা আৰু

নাৰীৰ মন-গহনৰ গভীৰতালৈ অৱগাহন কৰিছে। আঙ্গিকগত দিশৰপৰাও দুয়োজনা গল্পকাৰে দক্ষতাৰ পৰিচয় দিছে। গল্পকাৰৰ সুদক্ষ হাতৰ পৰশত গল্পসমূহ সাৰ্বজনীন আবেদনবিশিষ্ট হৈ পৰিছে। চুটিগল্পৰ ৰচনাৰীতিৰ দিশৰ পৰা দুয়োজনৰে গল্পসমূহ উৎকৃষ্ট গল্প বুলি নিঃসন্দেহে ক'ব পাৰি। দুয়োজনা গল্পকাৰৰে গল্পত আছে পাঠকৰ অন্তৰ জয় কৰিব পৰা সুন্দৰ কলাত্মক দিশ। দুয়োজনা গল্পকাৰৰ উচ্চ চিন্তা-ধাৰাই গল্পসমূহক বিশেষত্ব দান কৰিছে। দুয়োজনা গল্পকাৰে নিজ নিজ সাহিত্যত চুটিগল্পৰ প্ৰাণ প্ৰতিষ্ঠা কৰি সাহিত্যাকাশত কালজয়ী হৈ ৰ'ল।

দুয়োজনা গল্পকাৰৰে গল্পৰ বিষয় বিচিত্ৰ। সেয়েহে আলোচনাৰ দিশবিলাকো ভিন্নমুখী। দুয়োজনা গল্পকাৰৰ সামগ্ৰিক দিশৰ ওপৰত এখন গৱেষণা-গ্ৰন্থৰ ভিতৰত সামৰিব পৰাটো সম্ভৱ নহয়। সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি গৱেষণা-গ্ৰন্থখনত বিষয়বস্তুক ৰূপ দিবলৈ যথাসম্ভৱ চেষ্টা কৰা হৈছে। দুয়োজনা গল্পকাৰৰে গল্পৰ আন আন দিশৰ ওপৰত আৰু অধিক গৱেষণা কৰাৰ থল আছে।

১. মহেশ্বৰ নেওগ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, পৃ. ২৪৪
২. উপেন্দ্ৰনাথ শৰ্মা ঃ *সাহিত্য ৰোমাণ্টিক আৰু আধুনিক*, পৃ. ৩১
৩. অসিতকুমাৰ বন্দোপাধ্যায়, *বাংলা সাহিত্যেৰ ইতিবৃত্ত*, ৯ম খণ্ড,পৃ. ৫১৯
৪. নীহাৰৰঞ্জন ৰায়, *ভাৰতীয় ঐতিহ্য ও ৰবীন্দ্ৰনাথ*, পৃ. ৯৪
৫. চন্দ্ৰপ্ৰসাদ শইকীয়া(সম্পা.)ঃ *লক্ষ্মীনাথ বেজবৰুৱা*, ভূমিকা, পৃ.০৭
৬. অপূৰ্ব বৰা(সম্পা.)ঃ *অসমীয়া চুটিগল্প ঐতিহ্য আৰু বিবৰ্তন*, পৃ. ১৮
৭. গোবিন্দপ্ৰসাদ শৰ্মা ঃ *অসমীয়া জাতিচিন্তা- বেজবৰুৱা, শংকৰদেৱ আৰু বিষ্ণুৰাভা*, পৃ.৩৮
৮. ত্ৰৈলোক্যনাথ গোস্বামীঃ *আধুনিক গল্পসাহিত্য*, পৃ. ৯৫
৯. প্ৰফুল্ল কটকীঃ *সাহিত্যৰথী*, পৃ. ৬৫